ISSN : 2320-6306

# পানচৈ
# PANCHOI

PANCHOI

পানচৈ

Peer Reviewed Research Journal of Humanities
and
Social Sciences

Vol. XII Issue-I, August, 2024

Editor
Dr. Pranab Phukan

Asst. Editor
Dr. Amor Saikia

Department of Assamese
Sarupathar College
P.O. Sarupathar
Golaghat, Assam-785601

PANCHOI

# PANCHOI

A Yearly bi-lingual (Assamese & English) Peer-Reviewed Research Journal of Humanities and Social Sciences, Edited by Dr. Pranab Phukan, Published by Department of Assamese, Sarupathar College, Sarupathar-785601, Assam ISSN : 2320-6306, Voll-XII, Issue- I, August, 2024, Price: Three Hundred Fifty only.

## Advisory Board, 2024

| | |
|---|---|
| Prof. Dipak Kumar Roy | : Vice Cencellor<br>Raiganj University, West Bengal. |
| Prof. Prafulla Kumar Nath | : Professor, Dept. of Assamese<br>Gauhati University. |
| Prof. Satyakam Borthakur | : Professor, Dept. of Assamese<br>Dibrugarh University. |
| Prof. Kusumbar Barua | : Professor, Dept. of Assamese<br>Assam University. |
| Prof. Saugat Nath | : Professor, Dept. of English<br>Assam University. |
| Dr. Prapti Thakur | : Principal<br>Sarupathar College. |
| Dr. Horichandra Morang | : Research officer, Assam Institute of<br>Research for Tribes and Schedule Caste |
| Dr. Prashanta Kr. Sahoo | : Rtd. Vice Principal & Head,<br>Dept of English, Sarupathar College. |

### Editorial Board

Dr. Pranab Phukan, Editor
Dr. Amor Saikia, Asstt. Editor

### Member

Dr. Rita Bora, Ms. Bharati Saikia, Mr. Agni Bahadur Chetri, Mr. Pranjal Dutta, Dr. Monami Parashar, Mr. Porag Sharma, Dr. Ratnajit Gogoi

### Published by

Department of Assamese, Sarupathar College, Sarupathar-785601, Golaghat, Assam, email id : asmsprc@gmail.com

### Disclaimer

This journal is purely research based. The content and informations as published in the papers at the discretion are the authors alone. The Editorial Board members of publishers of the PANCHOI can't be held responsible for that.
Editorial Board, PANCHOI

# সূচীপত্ৰ

অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য ঃ এক তুলনামূলক অধ্যয়ন
❑ দেৱজিত শইকীয়া, পূৰবী শইকীয়া ▌ ৫-১৪
ৰামধেনুৰ চুটিগল্পত চেতনাস্ৰোতৰ প্ৰভাৱ
❑ ড° প্ৰাপ্তি ঠাকুৰ ▌ ১৫-২২
'সখা দামোদৰ' গল্পত প্ৰতিফলিত লোক-সাংস্কৃতিক সমল ঃ এক বিশ্লেষণাত্মক আলোচনা
❑ ৰিজুমণি দাস ▌ ২৩-২৬
পদ্মনাথ গোহাঞিবৰুৱাৰ ভানুমতী ঃ এক অধ্যয়ন
❑ কাব্যশ্ৰী শৰ্মা ▌ ২৭-৩২
বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ঈয়াৰুইঙ্গম উপন্যাসত প্ৰতিফলিত ৰাজনৈতিক অস্থিৰতা আৰু সংঘাত
❑ গুণমণি গগৈ ▌ ৩৩-৩৭
বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসত প্ৰতিফলিত দ্বিতীয় বিশ্বযুদ্ধৰ চিত্ৰ ঃ এটি অধ্যয়ন
❑ বিন্দিয়া ছিদ্দিকা ▌ ৩৮-৪২
*ৰাজপথে ৰিঙিয়ায়* আৰু *মৃত্যুঞ্জয়* উপন্যাসত লোকগীত ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
❑ চয়নিকা সভাপণ্ডিত ▌ ৪৩-৪৮
হোমেন বৰগোহাঞিৰ মৎস্যগন্ধা উপন্যাসৰ সামাজিক সংৰচনা
❑ কমল কুলি ▌ ৪৯-৫৩
নাৰীবাদী দৃষ্টিভংগীৰে হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা' উপন্যাসঃ এটি অধ্যয়ন
❑ বিকাশ শৰ্মা ▌ ৫৪-৬৩
কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন
❑ হিৰোমনি দিহিঙীয়া, ড° দীপ্তি ফুকন পাটগিৰি ▌ ৬৪-৭২
যুৱ প্ৰজন্ম আৰু অসম আন্দোলন ঃ *এই সময় সেই সময়* উপন্যাসৰ আধাৰত এটি অধ্যয়ন
❑ চয়নিকা ৰাজখোৱা, ড° প্ৰভাত ভূঞা ▌ ৭৩-৮০
জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ
❑ ড° দীপ্তি ফুকন পাটগিৰি, ববিতা গগৈ ▌ ৮১-৮৭
'মৌন ওঁঠ মুখৰ হৃদয়'ত প্ৰকাশিত জনজাতীয় সমাজ-সংস্কৃতি ঃ বিচাৰ আৰু বিশ্লেষণ
❑ প্ৰতিম শইকীয়া ▌ ৮৮-৯৪
'বুদ্ধজায়া' উপন্যাসত প্ৰতিফলিত উপেক্ষিতা নাৰী ঃ যশোধৰা (গোপা)ৰ সম্পৰ্কে এটি আলোচনা
❑ বন্দিতা শইকীয়া, হনি শইকীয়া ▌ ৯৫-১০০
পানীন্দ্ৰনাথ গগৈৰ শিশু সাহিত্য আৰু ভাষা চেতনাঃ এটি অধ্যয়ন
❑ সংযুক্তা দত্ত ▌ ১০১-১০৮

হীৰেন ভট্টাচাৰ্য্যৰ কবিতাত চিত্ৰকল্প ঃ এটি অধ্যয়ন
❑ ড° ৰীতা শৰ্মা ▌১০৯-১১৪
পদ্মনাথ গোহাঞিবৰুৱাৰ নাটক 'সাধনী' আৰু সংস্কৃত নাটকৰ বৈশিষ্ট্যঃ এটি বিশ্লেষণ
❑ ড° চন্দন হাজৰিকা ▌১১৫-১২১
আত্মজীৱনী সাহিত্য আৰু মহেন্দ্ৰ বৰাৰ 'উপলা নদীৰ দৰে' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
❑ মাণিক জ্যোতি গগৈ, ৰুমী বড়া ▌১২২-১৩০
দলিত সাহিত্য আৰু মুন্সী প্ৰেমচন্দৰ গল্পত দলিত সাহিত্যৰ শিপা
❑ ড° ৰীতা বৰা ▌১৩১-১৩৬
দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰ নিৰূপণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন
❑ উৎপল শইকীয়া ▌১৩৭-১৪৩
কাল আৰু পুৰুষ অনুসৰি নক্টে ভাষাৰ নঞৰ্থক ক্ৰিয়াৰ গঠন ঃ এটি বৰ্ণনাত্মক অধ্যয়ন
❑ ড° অমৰ শইকীয়া ▌১৪৪-১৫১
গোৱালপৰীয়া লোকগীতত লোক-জীৱন ঃ এটি সমীক্ষা
❑ ড° বিন্দু ভূষণ বৰা ▌১৫২-১৬১
কোচ-ৰাজবংশী সমাজত প্ৰচলিত সাঁথৰ ঃ এটি বিশ্লেষণ
❑ ড° লিলি দাস ▌১৬২-১৬৬
চাহ জনগোষ্ঠী-আদিবাসী সমাজত প্ৰচলিত লোকবিশ্বাস
❑ লুহিতা নায়ক ▌১৬৭-১৭৫
মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি ঃ এটি চমু অৱলোকন
❑ মণ্টু মৰাণ ▌১৭৬-১৮২
The Significance of Tulasi Worship in the PurâGas and its Impact on Assamese Society
❑ Dr. Purboshri Borpuzari ▌১৮৩-১৮৯
Exploring Awareness of Life Skills among Adolescents: A Cross-Sectional Study
❑ Ilaxi Bora ▌১৯০-১৯৭
Navigating the Currents of Democracy: Challenges and Innovations in Recent Times
❑ Aparajita Hazarika ▌১৯৮-২০১
Gender Violence,Women Exploitation and Trafiking In India-A Sociological Study
❑ Krishna Konwar ▌২০২-২০৭
Social Media and Libraries:A fellowship of the Next Generation
❑ Bhagyalakshmi Gogoi ▌২০৮-২১২
African American Identity as Theme in August Wilson's Play Two Trains Running
❑ Pranjal Dutta ▌ ২১৩-২২০

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য ঃ এক তুলনামূলক অধ্যয়ন

**দেৱজিত শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, জেংৰাইমুখ মহাবিদ্যালয়
devajitsaikia417@gmail.com, ভ্ৰাম্যভাষ ঃ ৯৮৫৯৯০৩০৭৩
**পূৰবী শইকীয়া**
গৱেষক , অসমীয়া বিভাগ , ডিব্ৰুগড় বিশ্ববিদ্যালয়
saikiapurabi909@gmail.com, ভ্ৰাম্যভাষ ঃ ৬৯০০৭৫৫৪৬৯

**ABSTRACT** : The Literature that has developed around Vishnu or Krishna is found in almost all Indian languages. Although each language has a regional feature in Vaishnava literature, there is an equal feature in the entire Indian Vaishnava literature, because the main center of Vaishnava literature is Vishnu or Krishna. Since the beginning of Assamese and Bangla language literature, there is a similarity in some aspects, similarly, in vaishnava literature of both Assamese and Bangla languages, there are some similarities and differences in some aspects. The background of Vaishnava literature in both the languages are almost the same. This paper will conduct a comprehensive comparative study of Assamese and Bangla Vaishnava literature.
**Key Words:** Vaishnava-Sahitya, Bangla, Assamese, Vakti, Comparison

**০.০ অৱতৰণিকাঃ**

**০.১ বিষয়ৰ পৰিচয়ঃ**

শংকৰাচাৰ্যই নৱম শতিকাত বেদান্তৰ নিৰাকাৰ, নিৰ্গুণ, সৰ্বব্যাপী ঈশ্বৰৰ ধাৰণাৰে অদ্বৈতবাদ তথা জ্ঞানবাদ প্ৰতিষ্ঠা কৰে। ৰামানুজাচাৰ্যই পৰৱৰ্তীকালত গুণবিশিষ্ট ঈশ্বৰৰ ধাৰণাৰে সাকাৰ, সগুণ, সৰ্বব্যাপী আৰু প্ৰয়োজন অনুসৰি যিকোনো ৰূপ ধাৰণ কৰা ভগৱান বিষ্ণুক একমাত্ৰ উপাস্য দেৱতা হিচাপে গ্ৰহণ কৰি আৰাধনা কৰিবলৈ আৰম্ভ কৰিলে। বিষ্ণুৰ বিভিন্ন অৱতাৰবাদত বৈষ্ণৱ ধৰ্মৰ সাধকসকল বিশ্বাসী। 'কৃষ্ণ' ভগৱান বিষ্ণুৰ মনুষ্য আকাৰৰ অৱতাৰী ৰূপ বুলি ভক্তসকলে বিশ্বাস কৰে। সমগ্ৰ ভাৰতবৰ্ষত এই বিষ্ণু তথা কৃষ্ণ চৰিত্ৰক কেন্দ্ৰ কৰিয়েই বৈষ্ণৱবাদৰ প্ৰসাৰ-প্ৰচাৰ তথা যথেষ্ট সাহিত্য ৰচিত হৈছে। যি বিলাকক একাৰ্থত 'বৈষ্ণৱ সাহিত্য' হিচাপে আখ্যা দিব পাৰি । এই বৈষ্ণৱ ধৰ্ম বা বিষ্ণুক কেন্দ্ৰ কৰি বিকাশ লাভ কৰা বৈষ্ণৱ সাহিত্য অসমীয়া আৰু বাংলা উভয় সাহিত্যৰ বুৰঞ্জীত সোণালী যুগ হিচাপে পৰিচিত।

**০. ২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্বঃ**

'অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণা-পত্ৰখন প্ৰস্তুত কৰাৰ উদ্দেশ্য আৰু গুৰুত্বসমূহ তলত উল্লেখ কৰা হ'ল—

গৱেষণা-পত্ৰখনৰ মূল উদ্দেশসমূহ হৈছে—

- অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ পটভূমি বিচাৰ কৰা।
- অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ বিশেষত্ব বিচাৰ কৰাৰ লগতে স্বৰূপ বিচাৰ কৰা।
- অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰা।
- অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ একময়তা আৰু স্বতন্ত্ৰতা বিচাৰ কৰা।

অধ্যয়নৰ গুৰুত্বসমূহ হৈছে—

বংগদেশত চৈতন্যদেৱ আৰু অসমত শংকৰদেৱৰ নেতৃত্বত খ্ৰীষ্টীয় চৰ্তুদশ শতিকাত ভক্তি আন্দোলনৰ সূত্ৰপাত ঘটে। এই ভক্তি আন্দোলনক কেন্দ্ৰ কৰিয়েই দুয়োটা ভাষাতে বিষ্ণুক কেন্দ্ৰ কৰি এক বিশেষ শ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হয়। চুবুৰীয়া ভাষা হিচাপে বাংলা আৰু অসমীয়া সাহিত্যত মৌখিক পৰম্পৰাৰ পৰাই কিছুমান সাদৃশ্য পৰিলক্ষিত হয়। সেইদৰে দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ পটভূমি, বৈশিষ্ট্য তথা স্বৰূপ আদিত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয় কিন্তু সূক্ষ্মভাৱে বিচাৰ-বিশ্লেষণ কৰি চালে বৈসাদৃশ্যও পোৱা যায়। এই দিশসমূহৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটনৰ যথেষ্ট গুৰুত্ব আছে। এই দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখি গৱেষণা-পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**০.৩ অধ্যয়নৰ পৰিসৰঃ**

অসমীয়া আৰু বাংলা সাহিত্যৰ এক অন্যতম ধাৰা বৈষ্ণৱ সাহিত্যৰ পৰিসৰ অতি বহল। বৈষ্ণৱ সাহিত্যক গীতি সাহিত্য, চৰিত সাহিত্য, গদ্য সাহিত্য, নাট্য সাহিত্য আদি বিভিন্ন বিধাত ভাগ কৰি আলোচনা কৰিব পাৰি কিন্তু অধ্যয়নৰ পৰিসৰৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি এই গৱেষণা- পত্ৰখনিত দুয়োটা ভাষাৰে বৈষ্ণৱ সাহিত্যৰ এক সামগ্ৰিক সমীক্ষাত্মক আৰু তুলনামূলক আলোচনা দাঙি ধৰা হ'ব; অৰ্থাৎ দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ পটভূমি, বৈশিষ্ট্য, স্বৰূপ, সাদৃশ্য-বৈসাদৃশ্য আদি দিশবোৰ সামৰি এক সামগ্ৰিক অধ্যয়ন কৰিবলৈ যত্ন কৰা হ'ব।

**০.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ**

অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিষয়ে মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপৰেখা', সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', হেমন্ত কুমাৰ শৰ্মাই 'অসমীয়া সাহিত্যত দৃষ্টিপাত' আদি গ্ৰন্থত আলোচনা কৰিছে। সেইদৰে সুকুমাৰ সেনৰ 'বাঙ্গালা সাহিত্যের ইতিহাস'(প্ৰথম খণ্ড), অসিত কুমাৰ বন্দ্যোপাধ্যায়ৰ 'বাংলা সাহিত্যের ইতিবৃত্ত'(প্ৰথম খণ্ড), (চতুৰ্থ খণ্ড), গোপাল হালদাৰৰ 'বাঙলা সাহিত্যের ৰূপ-ৰেখা' (প্ৰথম খণ্ড) আদি গ্ৰন্থত বাংলা বৈষ্ণৱ সাহিত্য সম্পৰ্কে আলোচনা দেখা যায়।

**০.৫ অধ্যয়নৰ পদ্ধতিঃ**

'অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণা-পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে মূলতঃ তুলনামূলক আৰু সমীক্ষাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। প্ৰয়োজনসাপেক্ষে বিশ্লেষণাত্মক পদ্ধতিৰো সহায় লোৱা হৈছে।

**১.০ বৈষ্ণৱ সাহিত্যঃ**

বৈষ্ণৱ সাহিত্য বুলি ক'লে সাধাৰণতে বিষ্ণু বা কৃষ্ণক কেন্দ্ৰ কৰি বিকাশ লাভ কৰা সাহিত্যকে বুজা যায়। সমগ্ৰ ভাৰতীয় সাহিত্যতে বৈষ্ণৱ সাহিত্য পোৱা যায়। ভাৰতৰ আঞ্চলিক ভাষাৰ সাহিত্যসমূহত বৈষ্ণৱ সাহিত্যৰ স্বকীয় বৈশিষ্ট্য পৰিলক্ষিত হ'লেও বিষ্ণু বা কৃষ্ণকেন্দ্ৰিকতাই বৈষ্ণৱ সাহিত্যৰ মূল বিশেষত্ব।

**১.১ পটভূমিঃ**

দাক্ষিণাত্যৰ আলোৱাৰসকলে প্ৰথমে ভক্তি আন্দোলনৰ জন্ম দিয়ে। ত্ৰয়োদশ শতিকাৰ পৰা ষষ্ঠদশ শতিকাৰ সাহিত্যক আধাৰ হিচাপে লৈ বৈষ্ণৱ সাহিত্য গঢ় লৈ উঠে। সাহিত্যিকসকলে অৱক্ষয়িত সমাজখনক সাহিত্যৰ জৰিয়তে সুস্থ কৰি গঢ় দিবলৈ বিভিন্ন উপায়েৰে যত্ন কৰিছিল। মধ্যযুগত ভাৰতত বৈষ্ণৱ সাহিত্যৰ উত্থান এক গুৰুত্বপূৰ্ণ দিশ। শাস্ত্ৰৰ ব্যাখ্যা, ভক্তিৰ স্বৰূপ, জনশিক্ষা, জনৰুচিৰ উন্নতিৰ বাবে বৈষ্ণৱ সাহিত্য ৰচিত হৈছিল। উচ্চ আদৰ্শৰ অভাৱত মধ্যযুগত সমাজ পথভ্ৰষ্ট হৈছিল। দয়া, ক্ষমা, কৰুণা আদি মানৱীয় গুণসমূহৰ অৱনতি ঘটিছিল। সাহিত্য চৰ্চা, ধৰ্ম চৰ্চা সমাজৰ তথাকথিত উচ্চশ্ৰেণীৰ একচেতিয়া সম্পত্তি হৈ পৰিছিল। বিভিন্ন ধৰ্ম, বিভিন্ন পন্থাই সমাজক পথভ্ৰষ্ট কৰিছিল। এনে পৰিপ্ৰেক্ষিতত বৈষ্ণৱ সাহিত্যই এই বিভ্ৰান্তি আঁতৰ কৰাত বিশেষ পদক্ষেপ লৈছিল। সমাজৰ লোকসকলৰ মাজত থকা তথাকথিত উচ্চ-নীচৰ ভেদাভেদ দূৰীকৰণত বৈষ্ণৱ সাহিত্যই বৰঙণি যোগাইছিল। ধৰ্মক গণতান্ত্ৰিক মৰ্যাদা প্ৰদান কৰাৰ ক্ষেত্ৰত বৈষ্ণৱ সাহিত্যই ভূমিকা গ্ৰহণ কৰিছিল। দয়া, ক্ষমা, অহিংসাৰ দৰে প্ৰবৃত্তিবোৰৰ উৎকৰ্ষ সাধন কৰিছিল।

বৈষ্ণৱ সাহিত্যই প্ৰান্তীয় ভাষাক সমৃদ্ধ কৰিছিল। ধৰ্ম চৰ্চাৰ ক্ষেত্ৰত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে সম-অধিকাৰ প্ৰদান কৰিছিল। প্ৰান্তীয় ভাষাত ৰচিত আৰু প্ৰান্তীয় ভাষালৈ অনূদিত ধৰ্মীয় গ্ৰন্থসমূহে পাঠকক মানসিক শান্তি প্ৰদান কৰিছিল। সুকুমাৰ কলাৰ উন্নতি সাধনত বৈষ্ণৱ সাহিত্যই বিশেষ ভূমিকা লৈছিল। এই ক্ষেত্ৰত মীৰাবাঈ, সুৰদাসৰ ভক্তিমূলক গীতৰ সাৰ্বজনীন আবেদন অনস্বীকাৰ্য।

**১.২ স্বৰূপঃ**

বৈষ্ণৱ সাহিত্যৰ সু-নিৰ্দিষ্ট দৃষ্টি আৰু দৰ্শন আছে। বিশেষ উদ্দেশ্য আগত ৰাখি বৈষ্ণৱ সাহিত্য ৰচনা কৰা হৈছিল। বৈষ্ণৱ সাহিত্যত সাহিত্যৰ নান্দনিক চেতনা দেখিবলৈ পোৱা যায়। এই সাহিত্য অনুবাদৰ মাধ্যমেৰে বিস্তাৰ লাভ কৰিছিল। বৈষ্ণৱ সাহিত্যৰ মাধমেৰে প্ৰাদেশিক ভাষাসমূহৰ সাহিত্যই সাহিত্যিক মৰ্যাদা লাভ কৰিলে। বৈষ্ণৱ সাহিত্যই মানুহক পৰিশীলিত জীৱনৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। বৈষ্ণৱ সাহিত্যৰ যোগেদি গীত, নৃত্য, চিত্ৰ, ভাস্কৰ্য্য আদি বিভিন্ন কলাৰ বিকাশ সাধন হৈছিল। বৈষ্ণৱ সাহিত্যই সমাজক সংগঠিত কৰি মানৱতাবাদী দৃষ্টিভংগীৰ বিকাশ সাধনত বিশেষ গুৰুত্ব দিছিল।

**২.০ অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য ঃ পৰিচয়ঃ**

**২.১ অসমীয়া বৈষ্ণৱ সাহিত্যঃ**

অসমত শংকৰদেৱে আৰম্ভ কৰা 'নৱ বৈষ্ণৱ আন্দোলন'ৰ- প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিবিধ সাহিত্য ৰচিত হৈছিল। যাৰ বাবে 'নৱ বৈষ্ণৱ সাহিত্য' বা 'ভক্তি সাহিত্য'ৰ প্ৰকাশে সমকালৰ অসমীয়া সমাজত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। এই যুগটিক 'শংকৰী যুগ', ভক্তি যুগ' বা 'নৱ বৈষ্ণৱ যুগ' বুলি কোৱাৰ সুবাদতেই ক'ব পাৰি 'শংকৰী সাহিত্য', 'অসমীয়া ভক্তি সাহিত্য' বা 'নৱ বৈষ্ণৱ সাহিত্য'ৰ মাজত তেনে কোনো পাৰ্থক্য নাই। অসমত শংকৰদেৱে একশৰণ নাম ধৰ্ম বা নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰে। এই ধৰ্মৰ মূল স্বৰূপ আছিল 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' অৰ্থাৎ নামৰ দ্বাৰাই ভগৱানক লাভ কৰি মুক্তি লাভ কৰাৰ উপায় — সেই আদৰ্শৰে তেখেতে সাহিত্য ৰচনা কৰিছিল। য'ত বিষ্ণুৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন হৈছিল। শংকৰদেৱৰ উপৰি তেখেতৰ পূৰ্বসূৰী আৰু পৰৱৰ্তী যিসকল কবিয়ে বিষ্ণু বা কৃষ্ণক লৈ সাহিত্য ৰচনা কৰিছিল তেখেতসকলকো সামৰি অসমীয়া বৈষ্ণৱ সাহিত্য পূৰ্ণ হৈছে। অসমীয়া বৈষ্ণৱ সাহিত্যক সমৃদ্ধ কৰা কবিসকলৰ ভিতৰত অন্যতম হৈছে শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলী, কবিৰত্ন সৰস্বতী, কবীন্দ্ৰ পাত্ৰ, গোপীনাথ পাঠক, দৈতাৰী ঠাকুৰ, ৰামচৰণ ঠাকুৰ আদি। তদুপৰি অসমৰ সত্ৰানুষ্ঠানসমূহৰ সত্ৰাধিকাৰসকলেও যথেষ্ঠসংখ্যক বৈষ্ণৱ সাহিত্য ৰচনা কৰিছে। শংকৰদেৱ আৰু অনন্ত

কন্দলীৰ ‘ভাগৱত’ৰ অনুবাদ, ‘ৰামায়ণ’, ‘মহাভাৰত’ৰ কাহিনীৰ আলমত ৰচনা কৰা শংকৰদেৱ-মাধৱদেৱৰ নাটসমূহ যেনে - শংকৰদেৱৰ ‘পত্নী প্ৰসাদ’, ‘পাৰিজাত হৰণ’, ‘কালিয় দমন’, ‘কেলিগোপাল’, ‘ৰুক্মিণী হৰণ’, ‘ৰামবিজয়’; মাধৱদেৱৰ ‘অৰ্জুন ভঞ্জন’, ‘দধিমথন’, ‘চোৰ-ধৰা’, ‘পিম্পৰা-গুচোৱা’ আদি। শংকৰ-মাধৱ বিৰচিত বৰগীতসমূহ; শংকৰদেৱৰ ‘কীৰ্ত্তন’, মাধৱদেৱৰ ‘নামঘোষা’ আৰু ৰাম সৰস্বতীৰ ‘বধ কাব্য’সমূহো অসমীয়া বৈষ্ণৱ সাহিত্যৰ অন্যতম সম্পদ। শংকৰদেৱৰ তিৰোধানৰ পিছত মাধৱদেৱে আৰম্ভ কৰা চৰিত সাহিত্যসমূহেও যেনে- ‘কথাগুৰু চৰিত’ ‘বৰদোৱা চৰিত’, ‘শংকৰ চৰিত’, ‘শংকৰ-মাধৱ চৰিত’ অসমীয়া বৈষ্ণৱ সাহিত্যক বিশেষ মাত্ৰা প্ৰদান কৰিছে।

২.১.১ **পটভূমি**

খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ আগভাগৰ সময়ছোৱাত অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক আদি প্ৰেক্ষাপটবোৰে সাহিত্য সৃষ্টিত অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। চুকাফাৰ ‘সাত ৰাজ সামৰি এক ৰাজ কৰা’ৰ দৃষ্টিভংগীৰ ফলশ্ৰুতিত লাহে লাহে সমগ্ৰ অসমতে এক সমন্বয়ে বিৰাজ কৰিছিল। আহোম ৰাজপৃষ্ঠপোষকতা আৰু তাৰ সমান্তৰালভাৱে কোঁচ ৰজাসকলেও সেই সময়তে সাহিত্য ৰচনা কৰাত প্ৰেৰণা যোগাইছিল। সৰ্বভাৰতীয় পৰ্যায়ৰ নৱবৈষ্ণৱ আন্দোলনে অসমৰ সমাজ বৌদ্ধিক দিশটো সেই সময়তে সম্প্ৰসাৰিত কৰি তুলিছিল। তাৰ ফলশ্ৰুতিতে নৱ-বৈষ্ণৱ আদৰ্শৰে সাহিত্য ৰচনা কৰাৰ এক পৰিৱেশৰ সৃষ্টি হৈছিল। ইয়াৰ পূৰ্বেও অসমত বৈষ্ণৱ ধৰ্মৰ সোঁত এটি প্ৰবাহিত হৈ আছিল যদিও শাক্ত ধৰ্ম, তান্ত্ৰিকতা আৰু আন আন ধৰ্ম মতৰ খেলিমেলিত সমাজত নানা ব্যভিচাৰে ঠাই লাভ কৰিছিল। এনে এক পৰিস্থিতিত শংকৰদেৱে জনসাধাৰণৰ আগত প্ৰাচীন সনাতন ধৰ্মৰ আদৰ্শ দাঙি ধৰি অসমৰ বিভিন্ন মতাৱলম্বী জনসাধাৰণৰ মাজত একতা , সম্প্ৰীতি আৰু আধ্যাত্মিক ভাব জগাই তুলিবৰ বাবে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে। শংকৰদেৱ আৰু মাধৱদেৱৰ আবিৰ্ভাৱ তথা তেওঁলোকৰ এক শৰণ নৱ-বৈষ্ণৱ ধৰ্মৰ মতাদৰ্শৰে সাহিত্য ৰচনা হোৱাৰ সমান্তৰালভাৱে সমগ্ৰ সমাজ-সংস্কৃতিত বিষ্ণুৰ উপাসনা তথা বৈষ্ণৱ সংস্কৃতিয়ে অগ্ৰাধিকাৰ লাভ কৰিছিল।

২.১.২ **বৈশিষ্ট্য**

সামগ্ৰিকভাৱে বিচাৰ কৰি চালে অসমীয়া বৈষ্ণৱ সাহিত্যৰ কিছুমান বৈশিষ্ট্য দেখা পোৱা যায়। সেইবোৰ হৈছে—

• সকলো বৈষ্ণৱ সম্প্ৰদায়েই একেশ্বৰবাদী। বৈষ্ণৱ কবি-সাহিত্যিকসকলে বিষ্ণু বা নাৰায়ণকে একমাত্ৰ আৰাধ্য দেৱতা স্বৰূপে সাহিত্য কৰ্মসমূহত বৰ্ণনা কৰিছে। যিটো অসমীয়া বৈষ্ণৱ সাহিত্যৰো বিশেষ বৈশিষ্ট্য।

• বৈষ্ণৱ ধৰ্মৰ মূল গ্ৰন্থ যিহেতু ভাগৱত সেয়ে বৈষ্ণৱ কবিসকলে ৰচনা কাৰ্যত ভাগৱতৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰা দেখা যায়। ইয়াৰ লগতে মূলৰ হুবহু অনুবাদ নকৰাকৈ এৰা-ধৰা নীতিৰ মাজেৰেও অসমীয়া বৈষ্ণৱ সাহিত্যিকসকলে পুৰাণ-উপপুৰাণৰ কাহিনী অনুবাদ কৰিছে।

• ভগৱৎ ভক্তিৰ প্ৰতি অসমীয়া বৈষ্ণৱ সাহিত্যই জনসাধাৰণৰ মন আকৃষ্ট কৰাৰ সমান্তৰালভাৱে প্ৰেম, দয়া, অহিংসা, সাম্যভাৱ আদি সুকোমল প্ৰবৃত্তিবোৰৰ ধ্যান কৰিবলৈকো প্ৰেৰণা দি নৈতিক সুস্থ জীৱনৰ আদৰ্শ দাঙি ধৰে।

• অসমীয়া বৈষ্ণৱ কবিসকলে কাব্যৰ শেষত নিজকে ‘দাসৰো দাস’ ‘কৃষ্ণৰ কিঙ্কৰ’ বুলি উল্লেখ কৰি বিষ্ণুৰ প্ৰতি পূৰ্ণ ভক্তি প্ৰদৰ্শন কৰিছে।

• অসমীয়া বৈষ্ণৱ সাহিত্যৰ কাব্য, গীত, নাট আদিত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ বৈষ্ণৱ সাহিত্যৰ বিশেষ উল্লেখযোগ্য বৈশিষ্ট্য। ব্ৰজাৱলী ভাষা হৈছে শংকৰদেৱৰ দ্বাৰা নিৰ্মিত এক ধৰণৰ সাহিত্যিক ভাষা বিশেষ। মৈথিলী, অসমীয়া, উড়িয়া আদি নব্য ভাৰতীয় আৰ্য ভাষাবিশেষৰ সংমিশ্ৰণত এই ভাষা গঠিত হৈছিল।

• সাহিত্যত স্থানীয় ৰহণৰ প্ৰয়োগ সকলো সাহিত্যৰে অন্যতম বৈশিষ্ট্য। ভক্তিপ্ৰধান সাহিত্য হ'লেও অসমীয়া বৈষ্ণৱ সাহিত্যতো স্থানীয় ৰহণৰ প্ৰকাশ দেখা যায়। চৰিত্ৰ চিত্ৰণ, প্ৰকৃতি জগতৰ বৰ্ণনা, পাৰিবাৰিক জীৱন আৰু সামাজিক জীৱনৰ ৰূপায়ণ আদি দিশত অসমীয়া সমাজখনৰ চিত্ৰ বৈষ্ণৱ সাহিত্যত চিত্ৰণ হোৱা দেখা যায়।

• বৈষ্ণৱ সাহিত্যসমূহত কাহিনী কথন বিষয়ত বিশেষ গুৰুত্ব দিয়া দেখা যায়। যিহেতু কাহিনীৰ মাজেদিয়েই পাঠকে ভক্তিৰ মাহাত্ম্য আৰু নৈতিক উৎকৰ্ষ সাধনত তাৰ গুৰুত্ব বুজি উঠিব বুলি ভবা হৈছিল। অসমীয়া বৈষ্ণৱ সাহিত্যসমূহতো স্থানীয় পৰিৱেশ-পৰিস্থিতিৰ ৰহন সানি কাহিনী পৰিৱেশন কৰাৰ প্ৰচেষ্টা দেখা যায়।

• অসমীয়া বৈষ্ণৱ সাহিত্যৰ অন্য এটি বিশেষত্ব হৈছে ছন্দ আৰু অলংকাৰৰ প্ৰয়োগ। দুলড়ী, ছবি, কুসুমমালা, লেছাৰী আদি ত্ৰিপদী ছন্দৰ ব্যৱহাৰ অসমীয়া বৈষ্ণৱ সাহিত্যত দেখা যায়। ঠিক সেইদৰে উপমা, ৰূপক, উৎপ্ৰেক্ষা, অনুপ্ৰাস, যমক, শ্লেষ আদি অলংকাৰৰ পয়োভৰো দেখা যায়। ইয়াৰ উপৰি অসমীয়া বৈষ্ণৱ সাহিত্যত নৱ ৰসৰ সমাৱেশ ঘটিছে যদিও মূলতঃ ভক্তি ৰসে প্ৰাধান্য লাভ কৰিছে।

### ২.২ বাংলা বৈষ্ণৱ সাহিত্য

ভাৰতৰ প্ৰায়বোৰ প্ৰান্তীয় ভাষাতে খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা আৰম্ভ কৰি যোড়শ শতিকাৰ ভিতৰত বৈষ্ণৱ আন্দোলনৰ ফলত সাহিত্যই বিশেষ ৰূপ পৰিগ্ৰহ কৰিছিল। বংগদেশতো চৈতন্যদেৱৰ নেতৃত্বত প্ৰচাৰিত ৰাধাকৃষ্ণ ভক্তিৰ ভেটিত পদাৱলী সাহিত্য, ভাগৱত অনুবাদ আৰু জীৱনী সাহিত্য ৰচিত হৈছিল। ভাগৱতৰ ভক্তিমাৰ্গৰ পৰা বংগদেশৰ বৈষ্ণৱ কবি- সাহিত্যিকসকলে অনুপ্ৰেৰণা লাভ কৰিছিল। এই সাহিত্যৰাজিকে বাংলা বৈষ্ণৱ সাহিত্য হিচাপে জনাজাত। বাংলা বৈষ্ণৱ সাহিত্যক সমৃদ্ধ কৰা কবিসকলৰ ভিতৰত চৈতন্যদেৱ, বিদ্যাপতি, চণ্ডীদাস, গোবিন্দদাস, গোবিন্দ আচাৰ্য, কবীন্দ্ৰ পৰমেশ্বৰ,পৰমানন্দ গুপ্ত, মালাধৰ বসু, জ্ঞানদাস, কৃষ্ণদাস, কাশীৰাম দাস, লোচনদাস, কবিবল্লভ ৰাজশেখৰ, ৰঘুনাথ দাস, বলৰাম দাস, নৰোত্তম দাস, ৰাধানাথ ঠাকুৰ আদি উল্লেখযোগ্য। চৈতন্যদেৱৰ 'শ্ৰীশ্ৰীকৃষ্ণচৰিতামৃত', 'উদ্ধৱসন্দেশ', 'গীতাবলী'; বিদ্যাপতিৰ 'কৃতিপতাকা', 'গোৰক্ষবিজয়' আৰু 'মনিমঞ্জৰী'; গোবিন্দ দাসৰ 'সংগীত মাধব' আৰু 'অভিসাৰ'; ৰঘুনাথ দাসৰ 'মুক্তাচৰিত', 'দানকেলিচিন্তামণি'; মালাধৰ বসুৰ 'শ্ৰীকৃষ্ণবিজয়'; কৃষ্ণদাসৰ 'চৈতন্যচৰিতামৃত'; কবীন্দ্ৰ পৰমেশ্বৰৰ 'কবীন্দ্ৰ মহাভাৰত' আদিয়ে বাংলা বৈষ্ণৱ সাহিত্যক অনন্য মাত্ৰা প্ৰদান কৰিছে।

#### ২.২.১ পটভূমি

বাংলা বৈষ্ণৱ আন্দোলনৰ সূত্ৰপাত ঘটিছিল খ্ৰীষ্টীয় যোড়শ শতিকাত। অসমত যিদৰে শংকৰদেৱৰ নেতৃত্বত বৈষ্ণৱ ধৰ্মান্দোলন গঢ় লৈ উঠিছিল ঠিক সেইদৰে বংগদেশত 'বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোতা আছিল চৈতন্যদেৱ। পঞ্চদশ শতিকাত সমগ্ৰ উত্তৰ ভাৰততে ভক্তি আন্দোলনৰ সোঁত প্ৰবাহিত হৈছিল। ৰাজহুৱাভাৱে ঈশ্বৰ উপাসনাৰ একমাত্ৰ পন্থা হিচাপে চৈতন্যই 'সংকীৰ্তনৰ' সূচনা কৰিছিল। বৈষ্ণৱসকলৰ মাজত শিক্ষাস্তক বুলি জনাজাত আঠটা স্তৱকৰ সংস্কৃতত ৰচিত শ্লোক কেইটা বৰ্তমানে প্ৰাপ্ত চৈতন্যৰ ৰচনা। এই কবিতাই স্পষ্টভাৱে আৰু সম্পূৰ্ণ অনুভূতিৰে চৈতন্যৰ ভক্তি আৰু প্ৰেম ধৰ্ম গৰিমা প্ৰকাশ কৰে।[১]

চৈতন্যই সকলো লোককেই সামাজিক প্ৰতিবন্ধকতা, ৰাজনৈতিক দাসত্ব, জাতিগত আৰু মতবাদভিত্তিক বাধা-নিষেধৰ পৰা মুক্ত হোৱাটো বিচাৰিছিল। তেওঁৰ মুক্ত ধৰ্ম চিন্তাই আধ্যাত্মিক কাম-কাজত নতুন উদ্যোগ যোগাইছিল। যাৰ ফলত বৈষ্ণৱ ধৰ্মক আশ্ৰয় কৰি গীত-কবিতা, চৰিত সাহিত্য আদি ৰচিত হ'বলৈ ধৰিছিল। এনে এক সমাজ বৌদ্ধিক পটভূমিতেই বাংলা বৈষ্ণৱ সাহিত্যৰ উদ্ভৱ আৰু বিকাশ হয়।

#### ২.২.২ বৈশিষ্ট্য

বাংলা বৈষ্ণৱ সাহিত্যত প্ৰতিফলিত হোৱা কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল —

• বংগৰ বৈষ্ণৱ সাধকসকলে ভাগৱতৰ পৰা ভক্তিমাৰ্গৰ অনুপ্ৰেণা লাভ কৰিছিল। ভাগৱতৰ বিষয়বস্তুক কেন্দ্ৰ কৰি; পুৰাণ-উপপুৰাণ, ৰামায়ণ, মহাভাৰত আদি পুথিকো মূল হিচাপে লৈ সাহিত্য ৰচনা কৰিছিল।

• বাংলা বৈষ্ণৱ সাহিত্যৰাজি কৃষ্ণ বা বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক অৰ্থাৎ বৈষ্ণৱ মতক কেন্দ্ৰ কৰি ৰচিত।

• বাংলা বৈষ্ণৱ কবিকলৰ ৰচনাত ভক্তি ৰসৰ প্ৰাধান্য দেখা যায়। ইয়াৰ উপৰি শান্ত, দাস্য, সখ্য আৰ বাৎসল্য ৰসো প্ৰকাশিত হোৱা দেখা যায়।

• বাংলা বৈষ্ণৱ সাহিত্যত অলংকাৰৰ প্ৰয়োগ এটা প্ৰধান বৈশিষ্ট্য। শব্দালংকাৰ আৰু অৰ্থালংকাৰ দুয়োটা অলংকাৰৰ ব্যৱহাৰে বিষয়বস্তুক অত্যন্ত ৰমণীয় কৰি তুলিছে। যথাতথ্য ছন্দৰ ব্যৱহাৰো বাংলা বৈষ্ণৱ সাহিত্যক আকৰ্ষণীয় কৰি তোলাটোও এটা অন্যতম বৈশিষ্ট্য।

• বাংলা বৈষ্ণৱ সাহিত্যৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ৰাধা-কৃষ্ণৰ যুগলকেন্দ্ৰিক কাহিনী। ৰাধা-কৃষ্ণৰ প্ৰেমৰ চিত্ৰণ বাংলা বৈষ্ণৱ সাহিত্যৰ এক স্বতন্ত্ৰ বৈশিষ্ট্য।

**৩.০ অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ সাদৃশ্য**

অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য যিহেতু বিষ্ণুকেন্দ্ৰিক সেয়ে এই দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ মাজত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। তলত ইবিলাকৰ বিষয়ে আলোচনা কৰা হ'ল—

১) অসমীয়া আৰু বাংলা দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে বিষ্ণু। বিষ্ণুক কেন্দ্ৰ কৰিয়েই দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ বিভিন্ন বিধা যেনে — গীতি সাহিত্য, চৰিত সাহিত্য, নাট্য সাহিত্য আদি বিকাশ হৈছে। উদাহৰণস্বৰূপে , মাধৱদেৱৰ নামঘোষাৰ নিম্নোক্ত পদটিৰ কথা ক'ব পাৰি —

'কৃষ্ণ এক দেৱ দুখ-হাৰি     কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ
সৃষ্টি-স্থিতি-অন্তকাৰী দেৱ তাঙ্ক বিনে আন নাহি কেৰ।
জানি বিষ্ণুসে সমস্ত জগতে সাৰ।'[২]

আনহাতে, মালাধৰ বসুৰ 'শ্ৰীকৃষ্ণবিজয়'ৰ নিম্নোক্ত পদটিৰ কথা ক'ব পাৰি —

'কৃষ্ণের চরিত নর সুন একমনে।
কলিঘোর তিমির করিতে বিমোচনে।।
হেন কথা শুনিবাবে না করিহ হেলা।
ভবসিন্ধু তরিবাবে এই মাত্র ভেলা।।[৩]

২) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য উভয়তে বাৎসল্য প্ৰেম বা বাৎসল্য ৰসৰ প্ৰকাশ দেখা যায়। বৎসলতা ভাবৰ পৰিণতিয়েই হ'ল বাৎসল্য ৰস। মাতৃ যশোদাৰ শিশু কৃষ্ণৰ প্ৰতি প্ৰেম তথা শিশু কৃষ্ণৰ বিবিধ লীলা বিষয়ে ইয়াত গুৰুত্ব লাভ কৰিছে। উদাহৰণস্বৰূপে, শংকৰদেৱ বিৰচিত 'কীৰ্ত্তন'ৰ নিম্নোক্ত পদটিৰ কথাকে ক'ব পাৰি—

'দিনেক যশোদা নন্দ জায়া।
আপুনি মথন্ত দধি গৈয়া।।
কৃষ্ণৰ শৈশৱ লীলাক স্মৰি।
কৃষ্ণগীত গাৱন্ত সুন্দৰী।।'[৪]

আনহাতে বাংলা কবি বলৰাম দাসৰ কবিতাত মাতৃ যশোদাৰ গৰু চৰাবলৈ যোৱা পুত্ৰ কৃষ্ণৰ প্ৰতি আশংকা আৰু প্ৰেম প্ৰকাশ পাইছে। কৃষ্ণই বালক বন্ধুসকলৰ সৈতে গৰু চৰাবলৈ যাওঁতে বাবে বাৰে সকিয়নি দি মিনতি

কৰিছে—

'বন কত অতিদূৰে নব-তৃণ কুশাঙ্কুৰে
গোপাল লৈয়া না যাইহ দূৰে।
সখা গণ আছে পাছে গোপাল কৰিয়া মাঝে
ধীৰে ধীৰে কৰিহ গমন।।'[৫]

৩) অসমীয়া আৰু বাংলা দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যতে প্ৰাচীন লোককথা, প্ৰবাদ-প্ৰবচন, মৌখিক পুৰাকথা ইত্যাদিৰ পয়োভৰ লক্ষ্য কৰা যায়। এনে মৌখিক সাহিত্যৰ উপাদানসমূহৰ সমাৱেশ ঘটাই বৈষ্ণৱ কবিসকলে তেওঁলোকৰ সাহিত্যৰাজি সাধাৰণ মানুহৰ কাষ চপাই নিয়াৰ চেষ্টা কৰিছিল। উদাহৰণস্বৰূপে প্ৰাচীন লোককথাৰ প্ৰয়োগ অসমীয়া বৈষ্ণৱ সাহিত্যত পোৱা যায় এনেদৰে —

'পূৰ্ব কৰি অপ্ৰমাদী মাধৱ কন্দলী আদি
তেহে বিৰচিলা ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাড়ে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।'[৬]

বাংলা বৈষ্ণৱ কবি ৰাম বসুৰ পদত প্ৰাচীন লোককথাৰ প্ৰয়োগ দৃষ্টিগোচৰ হয় —

'কুকুরে তুলসীডালে, মুতে দু-ঠ্যাং তুলে,
তবু সে তুলসীর পত্র হলে দেবতা পূজা হয়।
তুমি পায়ের কাছে কুনো বেড়াল, ঘরে বাজারে গ্রামে,
যেমন মেগের কাছে পেগের বড়াই,
তেমনি তোমার বড়াই দেখতে পাই।' [৭]

৪) দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ মূল আধাৰ গ্ৰন্থ আছিল ভাগৱত। ভাগৱতৰ উপৰিও ৰামায়ণ, মহাভাৰত, পুৰাণ আদি গ্ৰন্থৰ পৰাও বিষয়বস্তু গ্ৰহণ কৰি অসমীয়া আৰু বাংলা বৈষ্ণৱ কবিসকলে গীত-পদ-নাট ৰচনা কৰিছিল। অসমীয়া বৈষ্ণৱ কবি ৰাম সৰস্বতীয়ে মহাভাৰতৰ বিষয়বস্তুক লৈ ৰচনা কৰা 'ভীম চৰিত'ৰ প্ৰসংগ উল্লেখ কৰিব পাৰি—

'হেন শুনি পাৰ্ব্বতী ভীমকে পাঞ্চিলা।
কাচিখান লৈয়া ভীম তেখনে চলিলা।।
নিমিষেকে ভীমে ধান পেলালেক কাটি।
সৰু সৰু হাতেৰে ভৈলেক তিনি মুঠি।।'[৮]

তেনেদৰে বাংলা বৈষ্ণৱ কবি ৰাম বসু এ মহাভাৰতৰ পৰা বিষয়বস্তু গ্ৰহণ কৰি গীত-পদ ৰচনা কৰা উদাহৰণ পোৱা যায়—

'সেই কুন্তীনারী আমার পিসী,
তুমি তার নিন্দে করো না, মনে বুঝে দেখ না।
দেবতা সব সদয় যারে, তার নিন্দে কেবা ধয়ে,
সে যে মান্য হবে ত্রিসংসারে, নিন্দে হবে না।।' [৯]

৫) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যত অনুবাদৰ পয়োভৰ থাকিলেও দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যতে কবিসকলে মূল গ্ৰন্থৰ পৰা জুমুঠিটোহে গ্ৰহণ কৰি এৰা-ধৰা নীতিৰ মাধ্যমেৰে, নিজস্ব মৌলিকতাৰে সাহিত্য সৃষ্টি কৰা দেখা যায়, য'ত স্থানীয় পৰিৱেশ চিত্ৰণ, মৌখিক পুৰাকথা, জাতীয় সংস্কৃতি আদি প্ৰতিফলিত হৈছে।

উদাহৰণস্বৰূপে, শংকৰদেৱৰ ‘কীৰ্ত্তন-ঘোষা’ৰ ৰাসক্ৰীয়া অধ্যায়ৰ নিম্নোক্ত অংশটিৰ কথাকে ক’ব পাৰি —

‘হে আম জামু বেল বকুল।
নাহি উপকাৰী তোমাৰ তুল।।
কৃষ্ণৰ বিৰহে দেখো আন্ধাৰ।
কৰা কৈক গৈল প্ৰাণ আমাৰ।।’[১০]

আনহাতে, কৃত্তিবাসী ৰামায়ণত কিছুমান বাংলা প্ৰবচন প্ৰয়োগ হোৱা দেখা যায়। যেনে — ‘নিজ ধন গাওঁ তুমি বাপেৰ অৰ্জিত’, ‘সাত পাঁচ ভাবি ৰাম জিজ্ঞাসেনে তাকে’, ‘শৃগাল হইয়া চাস সিংহেৰ ৰমণী’ আদিৰ দ্বাৰা বাংলা সমাজত প্ৰচলিত লোককথাৰে প্ৰমাণ দিয়ে।

৬) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যত নৱ ৰসৰ প্ৰয়োগ ঘটিছে যদিও শেষত সৰ্ব ৰস ভক্তি ৰসত বিলীন হৈছে। দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যতে নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ যেনে — অসমীয়া, বাংলা, মৈথিলী, উড়িয়া আদিৰ সংমিশ্ৰণত জন্ম হোৱা এক কৃত্ৰিম ভাষা ‘ব্ৰজাৱলী’ৰ ব্যৱহাৰ দেখা যায়। আনহাতে দুয়োটা ভাষাৰ বৈষ্ণৱ কবিসকলে কাব্যৰ শেষত পাকে-প্ৰকাৰন্তেৰে ভণিতা প্ৰয়োগ কৰিছিল। যেনে —

অসমীয়া বৈষ্ণৱ সাহিত্যত ভণিতা প্ৰয়োগ সম্পৰ্কে ‘কীৰ্ত্তন-ঘোষা’ৰ এই পদটিৰ কথা ক’ব পাৰি—

‘প্ৰাণে নামাৰিলা তাতেসে থাকি।
কালিক খেদাইলা হদ্ৰৰ ডাকি।।
কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্ত জনে।।’[১১]

বাংলা বৈষ্ণৱ সাহিত্যত ভণিতা প্ৰয়োগ সম্পৰ্কে তলত উল্লেখ কৰা পদটিৰ কথা ক’ব পাৰি—

‘কুলিশ শত শত পাত মোদিত ময়ূৰ নাচত মাতিয়া।
মত্ত দাদুৰী ডাকে ডাহুকী ফাটি যাওক ছাতিয়া।।
তিমিৰ দিগ্ ভৰি ঘোৰ যামিনী অথিৰ বিজুৰিক পাঁতিয়া।
ভণয়ে শেখৰ কৈছে বঞ্চৱ হৰি হিনু ইহ ৰাতিয়া।।’[১২]

৪.০ **অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ বৈসাদৃশ্য**

অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য যিহেতু বিষ্ণুকেন্দ্ৰিকসেয়ে এই দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ মাজত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয় যদিও দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ মাজত যথেষ্ট বৈসাদৃশ্যও দেখা যায়। যেনে—

১) অসমীয়া বৈষ্ণৱ সাহিত্যত ৰাধা চৰিত্ৰৰ বৰ্ণনা তথা ৰাধা-কৃষ্ণৰ প্ৰেমকেন্দ্ৰিক কাহিনীবস্তু পোৱা নাযায়। আনহতে বাংলা বৈষ্ণৱ সাহিত্যত ৰাধা চৰিত্ৰৰ বিশেষ বৰ্ণনা তথা ৰাধা-কৃষ্ণৰ প্ৰেমবিষয়ক যথেষ্ট ৰচনা পোৱা যায়। এইক্ষেত্ৰত বাংলাৰ গোবিন্দদাসৰ এটি পদত দেখা যায় যে ৰাধাই সাৰ্বজনীন লাজ ত্যাগ কৰি কৃষ্ণৰ সৈতে সম্বন্ধ কৰিব বাবে প্ৰস্তুত হৈছে —

‘কন্টক গাড়ি কমলসম পদতল
মঞ্জিৰ চীৰহ ঝাঁপি।
গাগৰি-বাৰি ঢাৰি কৰি পিছল
চলতহি অঙ্গুলি চাপি’[১৩]

২) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যত ৰসৰ প্ৰাধান্যতাৰ ক্ষেত্ৰতো পাৰ্থক্য দেখা যায়। অসমীয়া বৈষ্ণৱ কবিসকলৰ ৰচনাত নৱৰসৰ ভিতৰত শৃংগাৰ, বীৰ, কৰুণ এই তিনিটা ৰসক প্ৰাধান্য দিয়া হৈছে যদিও এই

ৰসকেইটা দাস্য ভাব বা ৰসলৈ পৰিণত হৈছে। কবিয়ে নিজক কৃষ্ণৰ কিঙ্কৰ বুলি ভগৱানৰ ওচৰত শৰণ লৈছে। সকলো অপৰাধ ক্ষমা কৰি তেওঁৰ চৰণত ঠাই দিবলৈ কাকুতি কৰিছে ।

আনহাতে বাংলা বৈষ্ণৱ সাহিত্যত শান্ত, বাৎসল্য, সখ্য, দাস্য, মধুৰ এই পাঁচটা ৰসৰ আধিক্য দেখা যায়। সৰ্বোপৰি শৃংগাৰ ৰসৰ প্ৰাধান্যতা বাংলা বৈষ্ণৱ সাহিত্যৰ অন্যতম বিশেষত্ব।

৩) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ মাজত পৰিলক্ষিত হোৱা অন্য এটা গুৰুত্বপূৰ্ণ বৈসাদৃশ্য হ'ল অসমীয়া বৈষ্ণৱ সাহিত্যত হিন্দু দেৱী দুৰ্গাৰ আৰাধনা কৰাৰ প্ৰসংগৰে তেনে কোনো গীত-পদ ৰচনা হোৱা দেখিবলৈ পোৱা নাযায়। আনহাতে বাংলা বৈষ্ণৱ সাহিত্যত কমলাকান্ত, ৰামপ্ৰসাদ প্ৰভৃতি মাতৃভক্ত কবিসকলে শক্তিৰ প্ৰতীক দুৰ্গা দেৱী বন্দনা বিষয়ক গীত-পদৰ উদাহৰণ পোৱা যায়।

৪) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ মাজত পৰিলক্ষিত হোৱা আন এটা বৈসাদৃশ্য হ'ল অসমীয়া বৈষ্ণৱ কবিসকলে বৈষ্ণৱ সাহিত্য চৰ্চাৰ বাবে পোনপটীয়াকৈ ৰাজ পৃষ্ঠপোষকতা লাভ কৰা দেখা যায়। আনহাতে বাংলা বৈষ্ণৱ কবিসকলে ৰজাঘৰৰ সমৰ্থন লাভ কৰিলেও অসমীয়া কবিসকলৰ দৰে ৰাজচ'ৰাৰ প্ৰত্যক্ষ সান্নিধ্য লাভ কৰা দেখা নাযায়।

৫) অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ মাজত পৰিলক্ষিত হোৱা আন এক বৈসাদৃশ্য হ'ল যে অসমীয়া বৈষ্ণৱ সাহিত্যই শংকৰদেৱৰ দিনতেই এক ধ্ৰুপদী সাহিত্য হিচাপে পৰিগণিত হৈছিল। বৰগীত, ভটিমা, টোটয়, চপয়, নাট, পদ আদি সকলো শ্ৰেণীৰ সাহিত্যই ধ্ৰুপদী সাহিত্যৰ মৰ্যাদা পাব পৰাকৈ সমৃদ্ধ। আনহাতে বাংলা বৈষ্ণৱ সাহিত্যৰ চৈতন্যদেৱ প্ৰমুখ্যে আন কবিসকলৰ ৰচনাতো ধ্ৰুপদী ধাৰণা দেখা যায় যদিও অসমৰ বৈষ্ণৱ সাহিত্যৰ দৰে উচ্চ মানৰ নান্দনিকতা, সাৰ্বজনীনতা, কলাত্মকতা অৰ্থাৎ ক্লাছিক বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা নাযায়।

৫. **উপসংহাৰ**

৫.১ **সিদ্ধান্ত**

'অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্য ঃ এক তুলনামূলক অধ্যয়ন' শীৰ্ষক গৱেষণা পত্ৰখনিত আলোচিত হোৱা দিশসমূহৰ পৰা নিম্নোক্ত সিদ্ধান্তসমূহত উপনীত হ'ব পৰা যায় —

- তুলনামূলক অধ্যয়নৰ জৰিয়তে জানিব পৰা গ'ল যে অসমীয়া আৰু বাংলা এই দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্য সৃষ্টিৰ অন্তৰালত ক্ৰিয়া কৰা কাৰক অথবা পটভূমিটো একেই।
- দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যৰ সৃষ্টিৰ উদ্দেশ্য মূলতঃ যদিও ভক্তিধৰ্ম প্ৰচাৰ কৰা আছিল তথাপিতো দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যই সাহিত্যিক কলাৰে সমৃদ্ধিশালী হৈ উঠি সৰ্বস্তৰৰ জনসাধাৰণৰ মাজত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।
- অসমীয়া আৰু বাংলা বৈষ্ণৱ সাহিত্যৰ মাজত বহু দিশত সমৰূপতা দেখা যায় যদিও কিছুমান দিশত বৈসাদৃশ্যতাও পৰিলক্ষিত হয়।
- অসমীয়া বৈষ্ণৱ সাহিত্যত বিষ্ণুৰ নাম কীৰ্তন কৰাকে বিশিষ্ট উপাসনা বুলি গণ্য কৰা হয়। আনহাতে বাংলা বৈষ্ণৱ সাহিত্যত ৰাধা-কৃষ্ণৰ যুগল উপাসনাক বিশিষ্ট উপাসনা হিচাপে গণ্য কৰা হয়।
- দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যই যথেষ্ট উচ্চ মানৰ সাহিত্য হিচাপে পৰিগণিত হৈছে। অসমীয়া আৰু বাংলা দুয়োটা ভাষাৰ বৈষ্ণৱ সাহিত্যই বৈষ্ণৱ পৰৱৰ্তী সাহিত্যকো উদ্বুদ্ধ কৰি আহিছে।

**পাদটীকা ঃ**

১ গোপাল হালদাৰ, *বাঙ্লা সাহিত্যের রূপ-ৰেখা (প্ৰথম খণ্ড)*, পৃ. ৬৬

২ কৰবী ডেকা হাজৰিকা, (সম্পা.) *কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা*, পৃ.৭৭৮

৩ অসিতকুমাৰ বন্দোপাধ্যায়, *বাংলা সাহিত্যের ইতিবৃত্ত*, পৃ. ৩২৫
৪ কৰবী ডেকা হাজৰিকা, (সম্পা.) *কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা.* পৃ.১৮৮
৫ গোপাল হালদার, *বাঙ্‌লা সাহিত্যের ৰূপ-ৰেখা (প্ৰথম খণ্ড)* ,পৃ. ৯৭
৬ সত্যেন্দ্রনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* , পৃ.১১৬
৭ অসিতকুমাৰ বন্দোপাধ্যায়, *বাংলা সাহিত্যের ইতিবৃত্ত (চতুৰ্থ খণ্ড)* , পৃ. ৮৫
৮ কবি ৰামসৰস্বতী ভণিত, *ভীমচৰিত্ৰ,* পৃ.৩৩১
৯ অসিতকুমাৰ বন্দ্যোপাধ্যায়, *বাংলা সাহিত্যের ইতিবৃত্ত* (চতুৰ্থ খণ্ড), পৃ. ৮৪
১০ কৰবী ডেকা হাজৰিকা, (সম্পা.) *কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষা.* পৃ.২২৭
১১ উল্লিখিত, পৃ.২১২
১২ গোপাল হালদার, *বাঙ্‌লা সাহিত্যের ৰূপ-ৰেখা (প্ৰথম খণ্ড)* ,পৃ. ১০২
১৩ অসিতকুমাৰ বন্দ্যোপাধ্যায়, *বাংলা সাহিত্যের সম্পূৰ্ণ ইতিবৃত্ত* , পৃ. ১১০

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া ঃ**

কবি ৰামসৰস্বতী ভণিত. *ভীমচৰিত্ৰ .* নিষ্ঠা প্ৰকাশন, প্ৰথম প্ৰকাশ
গন্ধীয়া, জয়কান্ত. *শংকৰদেৱৰ নাট্য-কলা আৰু অংকীয়া নাটৰ সৌন্দৰ্য.* ষ্টুডেন্টচ্ এম্পʼৰিয়াম, প্ৰথম প্ৰকাশ,জুলাই, ১৯৮৯.
ডেকা, পল্লৱী বুজৰবৰুৱা. *তুলনামূলক সাহিত্য.* বনলতা, দ্বিতীয় প্ৰকাশ, ২০১৮
নেওগ, মহেশ্বৰ. *অসমীয়া সাহিত্যৰ ৰূপৰেখা.* চন্দ্ৰ প্ৰকাশ, চৰ্তুদশ তাঙৰণ, জুন, ২০১৫
মহন্ত, কেশদা. *মহাপুৰুষীয়া সাহিত্য কেইটিমান দিশ.* ৰূপম প্ৰিন্টাৰ্চ, প্ৰথম প্ৰকাশ, ১৯৮৯
মহন্ত , নীৰাজনা বেজবৰা. *তুলনামূলক ভাৰতীয় সাহিত্য.* বনলতা, পঞ্চম প্ৰকাশ, জুলাই, ২০১৯
শইকীয়া, পূৰ্ণানন্দ. *মাধৱদেৱৰ ভক্তি সাহিত্য.* বৰা প্ৰকাশন, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৯০
শৰ্মা, ডিম্বেশ্বৰ. *শংকৰদেৱৰ সাহিত্যত ৰস.* লয়াৰ্ছ বুক ষ্টল, প্ৰথম প্ৰকাশ, ১৯৯৫
শৰ্মা, সত্যেন্দ্ৰনাথ. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত.* সৌমাৰ প্ৰকাশ, দশম পুনৰ মুদ্ৰণ, জুন, ২০১৭
হাজৰিকা, কৰবী ডেকা. (সম্পা.) কীৰ্ত্তন-ঘোষা আৰু *নাম-ঘোষা.* বনলতা, অষ্টম সংস্কৰণ, ২০২০

**ৰাংলা ঃ**

চট্টোপাধ্যায়, হীরেন. *বৈষ্ণৱ পদাৱলীর রূপরেখা,* দে’জ পাবলিশিং প্ৰকাশ, প্ৰথম প্ৰকাশ, জানুয়ারী, ২০১০
বন্দ্যোপাধ্যায়, অসিতকুমাৰ. *বাংলা সাহিত্যের ইতিবৃত্ত* (প্ৰথম খণ্ড). দ্বিতীয় সংস্কৰণ, ১৯৬৩
- - . *বাংলা সাহিত্যের ইতিবৃত্ত* (চতুৰ্থ খণ্ড). মডাৰ্ণ বুক এজেন্সী প্ৰাইভেট লিমিটেড, প্ৰথম প্ৰকাশ
- - - . *বাংলা সাহিত্যের সম্পূৰ্ণ ইতিবৃত্ত* . মডাৰ্ণ বুক এজেন্সী প্ৰাইভেট লিমিটেড, পুমৰ্মুদ্ৰণ, ১৯০০-২০০০
সেন, সুকুমার. *বাঙ্গলা সাহিত্যের ইতিহাস (প্ৰথম খণ্ড).* ষষ্ঠ সংস্করণ, ১৯৭৮
হালদার, গোপাল. বাঙ্‌লা সাহিত্যের ৰূপ-ৰেখা (প্ৰথম খণ্ড). এ, মুখাৰ্জী অ্যাণ্ড কোং প্ৰাইভেট লিমিটেড, তৃতীয় সংস্করণ, আষাঢ়,১৩৭০

**অনুবাদ ঃ**

মহন্ত, পোনা. *বাংলা সাহিত্যৰ ইতিহাস.* সাহিত্য অকাদেমি, প্ৰথম প্ৰকাশ, ২০০২

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# ৰামধেনুৰ চুটিগল্পত চেতনাস্ৰোতৰ প্ৰভাৱ

**ড° প্ৰাপ্তি ঠাকুৰ**
**অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়**

**১.০ সাৰাংশঃ**

'ৰামধেনু'ৰ জন্ম অসমীয়া সাহিত্যৰ চিৰস্মৰণীয় এক পৰিঘটনা। যুগান্তকাৰী আলোচনী ৰামধেনুৱে অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে। সমগ্ৰ অসমীয়া সাহিত্যলৈ এক অভিনৱত্ব সঞ্চাৰিত হ'ল। প্ৰথমবাৰৰ বাবে অসমীয়া চুটিগল্পই নিজৰ সমগ্ৰ ঐশ্বৰ্যৰে মহিমামণ্ডিত হৈ পৰিছিল এই যুদ্ধোত্তৰ যুগতে আৰু এই ঐশ্বৰ্যৰ স্বাক্ষৰ বহন কৰাৰ গৌৰৱৰ অধিকাৰী হৈছিল 'ৰামধেনু' আলোচনী। অসমীয়া চুটিগল্পই পৰিপূৰ্ণতা লাভ কৰিলে 'ৰামধেনু'ৰ পাততে। সেয়েহে ৰামধেনু যুগক অসমীয়া চুটিগল্পৰ সোনালী যুগ হিচাপে আখ্যা দিয়া হয়। এই যুগৰ লেখকসকলে পৰম্পৰাগত ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি অধিক বাস্তৱমুখী হৈ পৰিল আৰু নতুন নতুন ধ্যান-ধাৰণাৰ পৰীক্ষা-নিৰিক্ষা চলিল। ইয়াৰ ভিতৰত অন্যতম এটা ধাৰা হৈছে - চেতনাস্ৰোত। অসমীয়া চুটিগল্পতো এই ধাৰাৰ প্ৰভাৱ পৰিলক্ষিত নোহোৱাকৈ নাথাকিল।

**বীজ শব্দ ঃ** ৰাধেনু, চুটিগল্প, চেতনাস্ৰোত

**১.১ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

আলোচনা-পত্ৰখনিৰ ঘাই উদ্দেশ্য হৈছে ৰামধেনুৰ গল্পত চেতনাস্ৰোত পদ্ধতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা। এই বিষয়ত পূৰ্বতে ছেগা-চোৰোকাকৈ অধ্যয়ন হৈছে যদিও সেইয়া পৰ্যাপ্ত নহয়। সেয়েহে অধ্যয়নৰ বাবে উক্ত বিষয়টো বাছি লোৱা হৈছে। ৰামধেনুৰ পাতত প্ৰকাশিত বিভিন্ন পশ্চিমীয়া ধাৰাৰ কিদৰে প্ৰভাৱ পৰিছিল সেইবোৰৰ প্ৰতি নতুন গৱেষক আৰু শিক্ষক আৰু পাঠকক আগ্ৰহী কৰি তোলাটোও এই পত্ৰৰ অন্যতম উদ্দেশ্য।

**১.২ অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ এই আলোচনা-পত্ৰত ৰামধেনু আলোচনীত প্ৰকাশিত দুজন গল্পকাৰৰ মাত্ৰ চাৰিটা গল্পহে সামৰি লোৱা হৈছে। সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেকট্ৰন' আৰু 'আচ্ছন্ন'; অপূৰ্ব শৰ্মাৰ 'সাগৰ সংগীত' আৰু 'অকাল বসন্ত'।

**১.৩ অধ্যয়নৰ পদ্ধতি ঃ**

আলোচনা-পত্ৰখনত বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

**২.০ চেতনাস্ৰোত আৰু ইয়াৰ লক্ষণ ঃ**

বিংশ শতিকাৰ প্ৰথমভাগত পাশ্চাত্য সাহিত্যত গঢ় লৈ উঠা আধুনিকতাবাদী আন্দোলনৰ মূল তত্ত্ব আছিল - এফালে সকলো অভিজ্ঞতাৰে ব্যক্তিগত তাৎপৰ্যৰ ওপৰত গুৰুত্ব আৰোপ আৰু আনফালে সকলো বস্তু আৰু

কথাৰে অনিশ্চয়তাৰ উপলব্ধি। আধুনিকতাবাদৰ এই মূল বিশ্বাস প্ৰকাশৰ মাধ্যম হিচাপে ব্যৱহৃত দুটা প্ৰধান সাহিত্যৰ ধাৰা হ'ল - ইম্প্ৰেশ্যনিষ্ট বা প্ৰতীতিবাদী আৰু এক্সপ্ৰেশ্যনিষ্ট বা অভিব্যক্তিবাদী। এই প্ৰতীতিবাদৰ অন্তৰ্গত এটা উপধাৰাই হ'ল - চেতনাস্ৰোত পদ্ধতি। সময় আৰু চেতনা সম্পৰ্কে জন্ম দিয়া এক অভিনৱ মতবাদেই হৈছে চেতনাস্ৰোত পদ্ধতি।

কাল বা সময় যে প্ৰকৃততে অবিৰত অৰ্থাৎ নিৰৱচ্ছিন্নভাৱে বৈ যায় - এই মন্তব্য একে সময়তে ফ্ৰান্স আৰু আমেৰিকাৰ দুজন দাৰ্শনিক ক্ৰমে হেনৰি বেৰ্গচ আৰু উইলিয়াম জেইমচে সুকীয়া সুকীয়াকৈ প্ৰকাশ কৰে। আধুনিক মনস্তত্ত্বৰ জনক ফ্ৰয়ড (১৮৫৬-১৯৩৭) আৰু ইয়ুঙে (১৮৭৫) এই সময়তে অৰ্থাৎ ঊনবিংশ শতাব্দীৰ শেষ আৰু বিংশ শতাব্দীৰ প্ৰথমভাগতে তেওঁলোকৰ নতুন তত্ত্ববোৰত প্ৰকাশ কৰিলে যে মানুহৰ চেতনাৰ প্ৰকৃতি বহু তৰপীয়া। সময় আৰু চেতনা সম্পৰ্কে এনে ধাৰণাই চেতনাস্ৰোত পদ্ধতিৰ মূল কথা। নদীৰ সোঁতৰ দৰেই সময়ৰ গতিৰ এই নিৰৱচ্ছিন্নতাৰ ধাৰণাৰ পৰাই সাহিত্যত চেতনাস্ৰোত পদ্ধতিৰ সৃষ্টি হৈছে। 'চেতনাস্ৰোত' আখ্যাটি প্ৰথম ব্যৱহাৰ কৰে ইংলেণ্ডৰ এক মহিলা সমালোচক - মে' চিনক্লেয়াৰে। ইংৰাজী সাহিত্যত প্ৰথম চেতনাস্ৰোত পদ্ধতিত উপন্যাস ৰচনা কৰা ড'ৰথি ৰিচাৰ্ডচনৰ উপন্যাসৰ সমালোচনা এটা লিখোঁতে এইগৰাকী মহিলাই প্ৰথমতে এই আখ্যাটি সাহিত্যত ব্যৱহাৰ কৰে; কিন্তু তথাপি 'সজ্ঞানে চেতনাস্ৰোত পদ্ধতিত পাশ্চাত্য সাহিত্যৰ প্ৰথম উপন্যাস ৰচনা কৰা লেখকজন হ'ল মাৰ্চেল প্ৰুষ্ট।'[১] এওঁৰ পিছৰ এই পদ্ধতিৰে উপন্যাস ৰচনা কৰা আন দুজন প্ৰখ্যাত ঔপন্যাসিক হ'ল জেইমচ্ জইচ্ আৰু ভাৰ্জিনিয়া উল্ফ্।

চেতনাস্ৰোত পদ্ধতিত কাল আৰু চেতনাৰ নদীৰ সোঁতৰ দৰে নিৰৱচ্ছিন্ন প্ৰবাহৰ ধাৰণা নিহিত থকাৰ উপৰি চেতনাৰ নতুন মনস্তাত্ত্বিক ধাৰণামতে বহুমাত্ৰিক ৰূপৰ ধাৰণাও নিহিত আছে। মানুহৰ চেতনা যিহেতু বহুতৰপীয়া গতিকে যিকোনো লোকৰ চেতনাৰ বিভিন্ন তৰপত একেটি বিষয়ৰে বিভিন্ন ৰূপ বিভিন্ন সময়ত প্ৰতিভাত হয়। সেয়েহে ঘটনাৰ তাৎপৰ্য বা বিভিন্ন লোকৰ স্বৰূপ - এজন মানুহৰ বাবে মুহূৰ্তে মুহূৰ্তে বেলেগ বেলেগ ৰূপত দেখাটো স্বাভাৱিক। নিৰন্তৰ পৰিৱৰ্তনশীল, দোদুল্যমান, অস্থিৰ চেতনাৰ এটা জীৱনক তাৰ প্ৰকৃত ৰূপত প্ৰতিফলিত কৰাটোৱেই চেতনাস্ৰোত পদ্ধতিৰ সাহিত্যৰাজিৰ লক্ষ্য। ইয়াত বাহ্যিক জগতৰ কথাৰ সলনি মনোজগতৰ কথাইহে অত্যধিক গুৰুত্ব লাভ কৰে। চেতনাস্ৰোত পদ্ধতিৰ মতে যিহেতু মানুহৰ মন সদায় অস্থিৰ আৰু চেতনা বহুমাত্ৰিক - গতিকে একেটা সময়তে এজন মানুহে ক'ব নোৱাৰাকৈ জীৱনৰ বিভিন্ন অধ্যায়লৈ গতি কৰিব পাৰে। এই ধৰণৰ সাহিত্যত কোনো নিৰ্দিষ্ট কাহিনী দেখা নাযায়। বিভিন্ন সৰু-সুৰা, অসংলগ্ন ঘটনা ঘটে - সেইবোৰো সুপৰিকল্পিত বা সুশৃংখলভাৱে নঘটে। সেয়েহে সেইবোৰে কোনো ঘটনাৰ সৃষ্টি নকৰে। সেইবোৰ মাথোন ঘটি থাকে - কোনো আঁচনি নথকাকৈ, বিশৃংখলভাৱে। মানুহৰ চেতনাৰ বিৰতি নাই বা অন্ত নাই, সেয়েহে চেতনাৰ বিভিন্ন তৰপৰ বিভিন্ন কথা মনলৈ আহি থাকে আৰু কেতিয়াবা আকৌ এটা কথা ভাবি শেষ নৌহওঁতেই অন্য কোনো কথাও মনলৈ আহি যায়।

চেতনাৰ এনে প্ৰকৃতিৰ বাবে আৰু সময়ৰ গতি-প্ৰকৃতিৰ লক্ষণৰ বাবেই মানুহ হাজাৰজনৰ ভিৰৰ মাজত থাকিও অকলশৰীয়া - নিঃসংগ। প্ৰত্যেক মানুহৰ চেতনা সম্পূৰ্ণ নিজস্ব। নিজৰ নিজৰ চেতনাৰ তৰপবোৰৰ বিচিত্ৰ কাৰ্যাৱলীৰ তাল আনৰ লগত নিমিলে বাবে আৰু প্ৰতিজন মানুহে নিজৰ অনুভূতিৰ জগতত বুৰ গৈ থাকে বাবে দুজনৰ মাজত কেতিয়াও প্ৰকৃত যোগসূত্ৰ স্থাপন নহয়। প্ৰত্যেক মানুহেই সম্পূৰ্ণ নিঃসংগ। এনে নিঃসংগতা আৰু বিচ্ছিন্নতা আধুনিক সাহিত্যৰ লক্ষণ আৰু এই লক্ষণ প্ৰকাশৰ অন্যতম মাধ্যম হৈ উঠিল এই চেতনাস্ৰোত পদ্ধতি।

চেতনাস্ৰোত ৰীতিৰ চকুত পৰা প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ অন্তৰ্মুখিতা। ইয়াৰ খণ্ড খণ্ড, অসম্পূৰ্ণ বাক্য আৰু অস্ফুট বচনৰ দ্বাৰা অপৰিস্ৰুত স্তৰৰ প্ৰকাশ কৰা হয়। নিভৃত চিন্তাৰ প্ৰকৃতি আৰু ধাৰাবাহিক পৰিণতি ইয়াৰ

অন্যতম লক্ষণ। এনে শ্ৰেণীৰ সাহিত্যত সময় ব্যৱধানৰ গণ্ডী পৰিহাৰ কৰা হয়। এটা বিশেষ মুহূৰ্তৰ বিশুদ্ধ ৰূপেই ইয়াৰ অনন্ত সম্ভাৱনাৰূপে দেখা দিয়ে। অতীত তথা ভৱিষ্যৎ - এই বৰ্তমানৰ মুহূৰ্তটোৰেই অন্তৰ্গত। *"চেতনাস্ৰোত পদ্ধতিত লেখকৰ লেখনি আৰু আত্মজীৱনী একাত্ম হৈ পৰাটো সততে পৰিলক্ষিত হয়।"*[২] চেতনাস্ৰোত পদ্ধতিৰ সাহিত্যৰ সামৰণিত থাকি যায় এক অন্বেষা - পায়ো নোপোৱাৰ অতৃপ্তি। মনৰ সম্পূৰ্ণ পৰিচয় নোপোৱাৰ বাবে অবিৰত হৈ ৰোৱা এক অন্বেষণ।

এই শ্ৰেণীৰ সাহিত্যত মানুহৰ মনৰ ভাৱ আৰু অনুভূতিক ক্ৰমানুপাতিকভাৱে সজোৱা নহয়। বাস্তৱতো কোনো মানুহৰ মনতে ভাবৰ সংগতি নাথাকে। একেখিনি সময়তে মানুহে বহুতো চিন্তা কৰে আৰু সেই চিন্তাবোৰৰ ইটোৰ লগত সিটোৰ সম্পৰ্কও নাথাকে। কিয়নো ভাৰ্জিনিয়া উলফৰ মতে - *"মানুহৰ জীৱনটো আঁচনিযুক্তভাৱে সজাই থোৱা এলানি চাকিৰ পোহৰ নহয়। জীৱনটো এটা দীপ্তিমান বৰ্ণবলয়; এটা অৰ্ধস্বচ্ছ আচ্ছাদন, যিয়ে আমাক আমাৰ চেতনাৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে আবৰি আছে।"*[৩]

**৩.০ ৰামধেনুৰ গল্পত চেতনাস্ৰোতৰ প্ৰভাৱঃ**

**৩.১ 'অশান্ত ইলেকট্ৰন' গল্পত চেতনাস্ৰোতঃ**

পঞ্চাশৰ দশকৰ গুৱাহাটী নগৰৰ এটা মধ্যবিত্ত পৰিয়ালৰ সদস্যসকল আৰু তেওঁলোকৰ সৈতে সম্পৰ্কিত কিছুসংখ্যক লোকৰ চিন্তা-চেতনা, ভাৱধাৰাৰে গঢ়ি উঠিছে 'অশান্ত ইলেকট্ৰন'[৪] গল্পৰ বিষয়বস্তু। গল্পটোত প্ৰকাশ পোৱা জীৱন-চেতনা বিচ্ছুৰিত হৈছে নগৰীয়া জীৱনৰ স্পন্দনৰ মাজেদি। এই নগৰকেন্দ্ৰিক সমাজ জীৱনৰ যি বিশ্লেষণ আগবঢ়োৱা হৈছে তাত বৌদ্ধিকতাৰ স্পৰ্শ আছে। 'অশান্ত ইলেকট্ৰন' গল্পটোৰ কোনো প্ৰকাৰ সুবিন্যস্ত কাহিনীৰূপ নাই। ইয়াত কেন্দ্ৰীয় চৰিত্ৰ বুলি ধৰিলে নিখিলকে বুজিব লাগিব। নিখিলৰ চিন্তা-ভাৱনাৰ মাজেদিয়েই গল্পটোৰ আৰম্ভণি হৈছে আৰু তাৰ ভাৱনাতেই গল্পটোৰ পৰিসমাপ্তি ঘটিছে। ইয়াৰ উপৰি অন্যান্য চৰিত্ৰ ৰঞ্জন, বৃদ্ধ পিতৃ, যতি বাবু, বৌ, কৰুণা বাবু আদিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই হৈছে গল্পটোৰ চালিকা শক্তিস্বৰূপ। এই গল্পৰ পটভূমিত আছে অনাচাৰ-দুৰ্নীতিৰ মাজেৰে চৰম অনিশ্চয়তাত ভোগা এখন সমাজ আৰু তাৰেই প্ৰতিক্ৰিয়া দেখুওৱা হৈছে মধ্যবিত্তীয় এই পৰিয়ালটোত। বাস্তৱ জীৱনত ঘটা এই ঘটনাবোৰ গল্পকাৰে চিহ্নিত কৰিছে আৰু সেইবোৰৰ প্ৰভাৱ চৰিত্ৰবোৰৰ অন্তৰত যি ধৰণে প্ৰতিফলিত হৈছে তেনেদৰেই বাক্যবিন্যাসৰ জৰিয়তে বাহিৰলৈ উলিয়াই আনিছে।

আৰ্থিক দুৰৱস্থাত ভোগা এই পৰিয়ালৰ মুৰব্বী বৃদ্ধজন শাৰীৰিকভাৱে ক্ৰমে অক্ষম হৈ আহিছে যদিও মানসিকভাৱে কিন্তু দৃঢ় হৈয়েই আছে। তেওঁ গান্ধীবাদী। হিংসাৰ দ্বাৰা যে সমাজৰ উন্নতি সাধিব নোৱাৰি সেই বিষয়ত তেওঁ অটল। তেখেতৰ চাৰিজন পুত্ৰৰ সমাজ সংস্কাৰ কৰিবলৈ সন্ত্ৰাসবাদৰ আশ্ৰয় লৈছে। আৰু আন এজন মানসিকভাৱে অসুস্থ। পৰিয়ালৰ বাহিৰৰ এজন মানুহ যতি বাবু। তেওঁৰ জৰিয়তে সমাজৰ অসৎ শ্ৰেণী চৰিত্ৰৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় দেখুৱাৰ উপৰি যথাৰ্থ আদৰ্শবিহীন বিলাসী কমিউনিষ্টসকলৰ লগতে তথাকথিত সমাজবাদীসকলকো তীব্ৰ সমালোচনা কৰা হৈছে — *"কমিউনিজমৰ উদ্দেশ্য ষ্টেণ্ডাৰ্ড অৱ লিভিং কমোৱাটো নহয়, বঢ়োৱাটোহে। ... চিনেমা-থিয়েটাৰ, সাহিত্য ৰেডিঅ' - সকলোৰে যোগেদি মানুহৰ ৰুচিক নমাই দিয়া হৈছে পুঁজিবাদীসকলৰ উদ্দেশ্যে। মানুহে যাতে বিপ্লৱী ভাৱধাৰাৰ পৰা আঁতৰি থাকিব পাৰে, মানুহৰ মাজত যাতে মিলিটেণ্ট মনোবৃত্তি সোমাব নোৱাৰে, তাৰ কাৰণেই এইবোৰ ডাইভাৰ্চনৰ ব্যৱস্থা কৰিছে কেপিটেলিষ্টৰ হলিউডে।"*[৫]

বৃদ্ধৰ আন এজন ঘৰতে অকৰ্মণ্য হৈ থকা পুত্ৰ নিখিলৰ মনৰ চিন্তাৰ মাজেৰেই গল্পটো আৰম্ভ হৈছে। স্বাধীনতাৰ পিছৰ যুগটোৰ নৈতিকতাহীন জটিল দ্বন্দ্বমুখৰ অস্থিৰ মানসিকতাত ভোগা মানুহখিনিৰ প্ৰতিনিধি নিখিল। ধনবাদী সমাজখনৰ স্বৰূপ তাৰ মনত প্ৰতিফলিত হৈছে এনেদৰে —

*"চুবুৰিটোৰ মানুহবোৰ লাহে লাহে কৰ্মব্যস্ত হৈ উঠিছে। সি দেখিছে, আৰু সিহঁতৰ নীচ প্ৰকৃতি, সিহঁতৰ সুবিধাবাদী,*

*সিহঁতৰ অৰ্থলোভী মনোবৃত্তিৰ কথা ভাবিছে। দহ দিন জ্বৰত পৰি আছে, সন্মুখৰ এডভোকেট চাহাবে এদিনো খবৰ লোৱাৰ প্ৰেয়োজনবোধ কৰা নাই। ভেঁটি খাই দত্ত তথা দত্ত-গৃহিণী ফুলি উঠিছে। ব্লেক মাৰ্কেটত কেৰাচিন আৰু চি. আই. শ্বীটৰ কাৰবাৰ কৰি মহেন্দ্ৰ বৰশইকীয়াই নতুন ডিজাইনৰ ঘৰ উঠোৱাত ব্যস্ত হৈ পৰিছে।... সেই বুঢ়ীজনীয়ে ঘৰে ঘৰে পৰচৰ্চা কৰি ফুৰিছে। বটলত ডুবি গৈছে যুদ্ধকালীন কণ্ট্ৰেক্টৰ আৰু ইদানীং ৰহস্যময় খগেন দাস। চুবুৰিলৈ নতুন নতুন ৰেডিঅ’ আহিছে, উৎপাতত থকা নাযায়। টাইফয়েডত ভুগি ভুগি ভৱেন মৰি গ’ল - এদিনলৈ, এৰাতিলৈ সিহঁতে ৰেডিঅ’ বন্ধ নকৰিলে। নতুন নতুন ডি-ছেট আৰু ফৰ্ডৰ চকাবোৰ ধীৰ মন্থৰ গতিত ঘূৰি ঘূৰি চুবুৰিটোৰ গেৰেজবোৰৰ পৰা ওলাই গৈছে। বেংকৰ কেৰাণী ৰামবাবু, উকীল মহৰী চণ্ডী কলিতাৰ আৰু তেওঁলোকৰ স্তৰৰ অৱস্থা ক্ৰমে ওলোটা পিনে ঢাল লৈছে। চণ্ডী কলিতাৰ সৰু ছোৱালীজনীৰ ফ্ৰকটো ছিগি গৈছে. বুকু ওলাই পৰিছে, সলাব পৰা নাই আজি তিনিমাহে। হয়তো যতি বাবুৰে কোৱা সভ্যতাৰ অভিশাপ এয়ে।”* [৬]

নিখিল অৱদমিত যৌন বাসনাৰ চিকাৰ। ফ্ৰয়ডৰ দৰ্শনৰ কথাও ইয়াত আছে — *“ফ্ৰয়েড, ফ্ৰয়েড, ফ্ৰয়েড। সি বলিয়া হৈ যাব। কিন্তু, এই যে চতুৰ্দ্দিকে তাৰ অশ্লীলতাৰ প্ৰকাশ, কদৰ্যতাৰ প্ৰচাৰ, বাটৰ দুয়োকাষে চিত্ৰতাৰকাৰ ছবি, টেবুলবোৰত সিঁচৰতি যৌন বিজ্ঞানৰ কিতাপ আৰু আলোচনী, স্ফীত বুকু ইন্দিৰাৰ দলৰ বেঁকা দৃষ্টিপাত, এইবোৰ কি কোনো ধৰণেই তাৰ বিকাৰৰ বাবে দায়ী নহয়?”* [৭]

নিখিল হীনমন্যতাত ভোগে। প্ৰথমাৱস্থাত বাস্তৱৰ পৰা আঁতৰি দূৰলৈ নগৈ সি বন্ধুকেইজনমানৰ সৈতে সিহঁতৰ মনোজগতৰ চৌপাশে এখন প্ৰাচীৰ গঢ়ি তুলিছিল - যাতে সমাজৰ কলুষতাই সিহঁতক স্পৰ্শ কৰিব নোৱাৰে; কিন্তু পুঁজিবাদী সমাজৰ বতাহে সেই দেৱাল ভাঙি পেলালে। এজন বন্ধু বিলাতলৈ গৈছে, এজন দুৰ্নীতিত পোত গৈছে। প্ৰেমিকা মাখনীৰ বিয়া হৈ গৈছে, এজন জেললৈ গৈছে আৰু কেইজনমানে মধ্যবিত্তৰ শেষ উপায় চাকৰিৰ নিশ্চয়তাৰে জীৱনৰ আনন্দ উপভোগ কৰিছে। নিখিলৰ সন্দেহবাদী মনোভাৱ এটা গঢ় লৈ উঠিছে। আনকি ঘৰখনৰ সমস্ত কাম-কাজ কৰি ঘৰৰ কুশল কামনা কৰা বৌৱেকৰ সৰলতাৰ প্ৰতি সহানুভূতিশীল হৈও নিখিল মাজে-সময়ে তেওঁৰ প্ৰতি সন্দেহপৰায়ণ হৈ পৰে।

সন্দেহী, অস্থিৰ, অকৰ্মণ্য আৰু ঋণাত্মক দৃষ্টিভংগীৰ নিখিলৰ চৰিত্ৰৰ বিপৰীতে এক চৰিত্ৰ হৈছে ৰঞ্জনৰ চৰিত্ৰ। সি কলেজত থিয়ৰিটিকেল ফিজিক্স পঢ়িছে আৰু পদাৰ্থৰ অণুজগতত থকা কণাবিলাকৰ পাৰস্পৰিক সম্পৰ্কৰ মাজত সি সমাজৰ সহযোগ বিচাৰিছে। কণাৰ বিৰোধ বা সমাজৰ দ্বন্দ্বই প্ৰথমাৱস্থাত তাক নিখিলৰ দৰে বিচলিত কৰা নাই যদিও শেষলৈ তাৰ মনত কিছু অনিশ্চয়তা থকাৰ দৰে সংসাৰৰ গতিৰ মাজতো অনিশ্চয়তা বিৰাজমান। অশান্ত ইলেকট্ৰনে যিদৰে নিয়ম ভংগ কৰিব খোজে - সমাজৰ ক্ষুদ্ৰ ক্ষুদ্ৰ মানুহেও নিয়ম ভংগ কৰিব খোজে। এই ধাৰণাই ৰঞ্জনক বিচলিত কৰি তুলিছে।

নিখিলৰ মনলৈ স্মৃতিৰ পটৰ পৰা বিভিন্ন ঘটনা ভাঁহি উঠিছে, যেতিয়া সি মাখনীলৈ চিঠি লিখিবলৈ লৈছে। এৰি অহা দিনবোৰলৈ নিখিল উভতি গৈছে - কলেজ, কালচাৰেল আন্দোলন, তাৰ ভাতৃদ্বয় ধন, কণ; বিলাতগামী অমল, মিশ্ৰৰ ৰেষ্টুৰেণ্টত বন্ধুবৰ্গৰ সৈতে পতা ইনটেলেকচুৰেল আড্ডা, বাহিৰৰ স্বাৰ্থপৰ মানুহবোৰৰ পৰা আঁতৰি থকাৰ প্ৰচেষ্টা, অৰ্থনৈতিক আৰু ৰাজনৈতিক জটিলতাৰ পৰা দূৰত থকা প্ৰচেষ্টা —

*“... ৰেডিকেল ভাৱধাৰা আৰু কমিউনিষ্ট প্ৰচাৰ কাৰ্যক ব্যংগ কৰি, অৰ্থলোভী ধনীসকলৰ গৰ্জনশীল গাড়ীবোৰক গালি পাৰি সিহঁত নিজৰ সংকীৰ্ণ অথচ গতিশীল পৰিৱেশত ডুবি গৈছিল। ... হঠাতে নিৰ্বাপিত হৈ গ’ল, ক’ৰবাত ফিউজ জ্বলি গ’ল, কিছুমান কাপ-প্লেট বাগৰি পৰিল, এটা গোলমাল আৰু চিঞৰ-বাখৰ, বন্ধ হৈ গ’ল ভীমপলশ্ৰী, তথাপি বৃত্তটোৰ চাঞ্চল্য নাহিল, অন্ধকাৰত জ্বলি উঠিল দিয়াচলাইৰ কাঠি, এটাৰ পিছত এটা দীঘল বগা চিগাৰেট এন্ধাৰৰ পৰা তাত আহি সোমাল, দেৱালত পৰিল কাপ-প্লেট আৰু মানুহবোৰৰ অদ্ভুত ছাঁ, আন্ধাৰত মাথোঁ জ্বলিল চিগাৰেটৰ আগবোৰ, বহেমিয়ান ইনটেলেকচুৰেলৰ দৰে স্থিৰভাৱে বহি বৈদ্যুতিক ব্যৱস্থাৰ পুনৰ স্থাপনৰ অপেক্ষা কৰিলে।... এটা অপদাৰ্থ যেন লাগিল, যাৰ*

*পৃথিৱীত কৰিব পৰা একো নাই। যিয়ে নিজকে নিজে ক্ৰমে নষ্ট কৰিছে। সমুখৰ বাটেৰে দুটা সৰু ল'ৰা দৌৰি গ'ল, দুয়ো মিলি চিলা উৰুৱাই দিলে। হালধীয়া কাগজটুকুৰা লাহে লাহে বহু ওপৰ পালেগৈ। ... কিছুমান সমীকৰণ, কিছুমান ডায়েগ্ৰাম, পেৰেলেল'গ্ৰাম অব্ ফৰচেজ। চিলা উৰাৰ তথা এৰোপ্লেন উৰাৰ থিয়ৰিটো তাৰ নিখিলক বুজাবৰ মন গ'ল।"* [৮]

এই গল্পটোত পদাৰ্থ বিজ্ঞান আৰু সাহিত্যৰ বিভিন্ন দৰ্শনৰ সমাহাৰ ঘটিছে। ইলেকট্ৰনৰ নিৰন্তৰ আৰু নিৰ্ধাৰিত গতিশীলতাৰ সৈতে মানুহৰ মনৰ অন্তহীন ক্ৰিয়াশীলতাৰ সাদৃশ্য প্ৰদৰ্শন কৰা হৈছে।

নিখিলৰ চেতনাৰ অন্তহীন, নিৰৱচ্ছিন্ন প্ৰৱাহত উটি যোৱা বিভিন্ন ভাৱ-চিন্তা, অভিজ্ঞতা-অনুভূতিযোগে এই কথা স্পষ্ট হৈ পৰিছে যে নিজৰ জীৱনটোৰ ওপৰতে ক্ৰমান্বয়ে নিয়ন্ত্ৰণ হেৰাই অহাত সি নিমজ্জিত হৈছে ক্ৰমবৰ্ধমান ব্যৰ্থতা, হতাশা, বিচ্ছিন্নতা আৰু নিসংগতাত। অৱশ্যে গল্পটোৰ শেষলৈ নিখিলৰ ঋণাত্মক মনোভাৱৰ পৰিৱৰ্তন ঘটাৰ ইংগিত আছে। অকমানি ৰুণুৱে খটখটি বগাবলৈ বাৰে বাৰে চেষ্টা কৰিও অকৃতকাৰ্য হৈছে। তেতিয়া নিখিলে ৰুণুক প্ৰথম খোজটো দিয়াত সহায় কৰি দিছে আৰু তাৰ পিছত ৰুণু অনায়াসে গৈ ওপৰ পাইছেগৈ। গল্পৰ শেষত নিখিলৰ মুখত যি হাঁহি দেখা গৈছে সেয়া ডাৱৰৰ কবলৰ পৰা মুক্ত হৈ অহা বেলিৰ পোহৰৰ দৰেই উজ্জ্বলতৰ। অনিশ্চয়তাৰ পৰা মুক্তি পাবলৈ দৰাচলতে এটা সঠিক-সবল খোজৰহে প্ৰয়োজন আৰু পেট প্ৰৱৰ্তাই জীয়াই থকাৰ প্ৰয়োজনেই হৈছে মানুহৰ মৌলিক প্ৰয়োজন - গল্পটোৰ অন্তৰ্নিৰ্হিত অৰ্থ এয়েই।

গতিকে এনে কিছুমান ভাৱ-ধাৰণাৰে ভাৰাক্ৰান্ত গল্প 'অশান্ত ইলেকট্ৰন'ত চেতনাস্ৰোতৰ প্ৰভাৱ দেখা যায়। গল্পৰ চৰিত্ৰবোৰ জীৱনবোৰ কোনো নিৰ্দিষ্ট আকাৰত গঢ়া নহয়। জীৱন কালত ঘটা অভিজ্ঞতাবোৰ বা ঘটনাবোৰে শৃংখল ৰূপত কোনো কাহিনীৰ সৃষ্টি কৰিব পৰা নাই। সেইবোৰে মাথোন মনত দাগ কাটে, সাঁচ বহুৱায়, বিশ্বাস জন্মায় আৰু এনেকৈয়ে জীৱন আগুৱাই গৈ থাকে।

**৩.২ 'আচ্ছন্ন' গল্পত চেতনাস্ৰোত ঃ**

একেজন লেখকৰে ৰামধেনুত প্ৰকাশিত আন এটা গল্প 'আচ্ছন্ন' [৯] ত চেতনাস্ৰোতৰ সফল প্ৰয়োগ দেখা যায়। ইয়াত আধুনিক নগৰীয়া জীৱনৰ ভগ্নছন্দ আৰু বিচ্ছিন্নতা সুন্দৰভাৱে পৰিস্ফুট হৈছে। ৰোমাণ্টিক প্ৰেমৰ ব্যৰ্থতাৰ এক মুহূৰ্তৰ ওপৰত গল্পটো প্ৰতিষ্ঠিত।

নায়কে এদিনাখন নায়িকাৰ ঘৰলৈ গৈ গম পাইছে যে নায়িকা তেওঁ অহাৰ অলপ আগতে বায়েকৰ সৈতে ফুৰিবলৈ ওলাই গৈছে। অথচ নায়ক সেইদিনা ঘৰলৈ আহিব বুলিও নায়িকাই জানে আৰু পিছদিনা পুৱাই নায়িকা কলিকতালৈ যাবগৈ। গতিকে নায়কৰ সৈতে দেখা-সাক্ষাৎ হোৱাৰ সুবিধা বা সময় দুয়োটাই ইতিমধ্যে শেষ হৈ গৈছে। নায়িকাই তেওঁৰ প্ৰেম প্ৰত্যাখ্যান কৰিছে - এই নিদাৰুণ আকস্মিক সত্যটো নায়কৰ আচম্বিত পোহৰৰ ঝলকত দেখাৰ দৰেই পৰিষ্কাৰ হৈ গ'ল। তেওঁৰ হৃদয় দুখত ভাঙি পৰিল। তথাপি নায়িকাৰ মাকৰ ওচৰত নিজৰ দুৰ্বলতা প্ৰকাশ নকৰি অত্যন্ত সংযমেৰে সেই স্থান পৰিত্যাগ কৰিছে আৰু চহৰৰ ৰাস্তাত অনাই-বনাই পৰিভ্ৰমণ কৰি ফুৰিছে। নায়ক এজন লেখক। কিন্তু তৎসত্ত্বেও এই ভগ্ন হৃদয়ৰ বেদনাক প্ৰকাশ কৰিব নোৱাৰাৰ অক্ষমতাই তেওঁক কষ্ট দিছে।

সেইদিনা নায়িকাৰ মাকৰ কথাৰ পৰা তেওঁৰ প্ৰেম ব্যৰ্থ হোৱাৰ বাতৰি পোৱাৰ লগে লগে নায়কৰ চেতনা যি এবাৰ জাগ্ৰত হ'ল, সি আৰু নিৰৱচ্ছিন্নভাৱে চলিয়েই থাকিল। তেওঁ চহৰখন পৰিভ্ৰমণ কৰি থকা সময়ছোৱাত দেখা চহৰীয়া জীৱনৰ কৰ্কশ, ছন্দহীন, যান্ত্ৰিক জীৱনযাত্ৰা, বিভিন্ন শব্দ, চিৎকাৰ, কলৰৱ, গোন্ধ আৰু দৃশ্যপট সূক্ষ্ম পৰ্যবেক্ষণৰ জৰিয়তে প্ৰকাশ কৰিছে। সেই সৰু-সুৰা, ছিগা-ছিগি ঘটনাবোৰৰ কোনো সু-শৃংখল গাঁথনি নাই, সেইবোৰ শৃংখলাৰ মাজেদি বা পদ্ধতিমূলকভাৱে নঘটে। ফলত সেইবোৰে বেলেগ কোনো কাহিনীৰ সৃষ্টি নকৰে। সেইদিনা নায়কৰ জীৱনটোত যিবোৰ অভিজ্ঞতা হ'ল আৰু যিবোৰ ভাৱ-অনুভূতি জাগিল - সেইবোৰেই ইয়াৰ ঘটনা বা আখ্যানভাগ। সেইবোৰ মাথোন ঘটি যায় বা আহি থাকে - কোনো লাগ-বান্ধ নোহোৱাকৈ, কোনো আঁচনি নকৰাকৈ।

চহৰৰ অলিয়ে-গলিয়ে তেওঁ ঘূৰি ফুৰিছে আৰু বিভিন্ন ধৰণৰ মানুহ দেখিছে - কথা শুনিছে আৰু সিহঁতৰ মুখৰ ভাষা পঢ়ি গল্পৰ বাবে প্ৰয়োজনীয় আহিলা বিচাৰি ফুৰিছে। অভাৰব্ৰীজেৰে আহি তেওঁ ৰে'ল ষ্টেচন পাইছেহি - তাত তেওঁ নায়িকা যাবলগীয়া ৰে'লখনৰ সঠিক সময়টো সুধি লৈছে - এনেয়ে। কাউণ্টাৰৰ চছমা পিন্ধা মানুহজনৰ ওচৰত থকা আলমাৰী এটাৰ ওপৰৰ দীঘল ফুলদানিৰ দীঘল ঠানিৰ এবিধ ৰঙা ফুল দেখি তেওঁৰ এটা জাপানী হাইকুলৈ মনত পৰিছে। তাৰ পিছত তেওঁ মাছখোৱা পাইছেহি — *"মাছখোৱা বাছ-ষ্টেচনৰ বাছ আৰু ৰিক্সাবোৰৰ চাৰিওপিনে মই বিপন্নৰ দৰে ঘূৰিব ধৰিলো, মানুহবোৰৰ মুখবোৰ মই মাথোঁ অস্পষ্টভাৱে বুজিব পাৰিলো, বিচিত্ৰ ৰকমৰ গোলমাল মোৰ কাণত নোসোমোৱাকৈয়ে মোৰ কাষেৰে পাৰ হৈ গ'ল। মই দেখিলো ৰিক্সা থামিল আৰু যাত্ৰী নামিল। বাচৰ ঘণ্টা পৰিল, কুলীৰ লগত কোনোবাই কাজিয়া কৰিবলৈ আৰম্ভ কৰিলে। কাৰোবাৰ কেঁচুৱাই কান্দিছে, বিড়িৰ গোন্ধ, কোনোবাই সুহুৰিয়াইছে, পাণৰ দোকান আৰু চানাচুৰৱালা, বকো আৰু ধুপধৰাৰ বাছ আহিল, গোৱালপাৰা আৰু জালুকবাৰীৰ বাছ গ'ল। কিছুমান চিনাকি মুখ মোৰ পিনে অহা দেখিলো। মই লৰালৰিকৈ মুখ ঘূৰাই খোজ ল'লো। এটা আচৰিত শূন্যতাই মোক ভৰাই পেলালে। মোৰ ধাৰণা হ'ল ঠিক এনেকুৱা ক্ষতি এনেকুৱা শূন্যতা আগেয়েও অনুভৱ কৰিছো। এয়া আজি এটা নতুন অনুভূতি নহয়।"* ১০

এইদৰে বিভিন্নজন মানুহৰ সাময়িক অস্তিত্ব, বাহ্যিক জগতৰ সৰু সৰু ঘটনা বহুত ইয়াত ঘটিছে। এই বাহ্যিক জগতৰ কথাবোৰো নায়কে তেওঁৰ মনেৰে যেনেকৈ ভাবিছে, তেনেকৈয়ে ইয়াত স্থান পাইছে। চেতনাস্ৰোত পদ্ধতিৰ মতে মন যিহেতু চিৰ অস্থিৰ আৰু চেতনা বহুমাত্ৰিক, গতিকে সেই দিনটোতেই নায়কে বহুতো কথা ভাৱে - নিজৰ জীৱনৰ এৰি অহা বহুতো ঘটনা তেওঁৰ মনত পৰে। এইদৰে একেখিনি ঠাই আৰু সময়ো ইয়াত নিৰ্দিষ্ট বুলি জানিও মনে সেই সীমা ভাঙি ইয়াৰ স্থান আৰু কালক বৃহত্তৰ, দীৰ্ঘতৰ আৰু কেতিয়াবা নাটকৰ মনৰ অনুভূতিক সীমাহীন কৰি তোলে।

**৩.৩ 'সাগৰ সংগীত' গল্পত চেতনাস্ৰোত ঃ**

স্পষ্ট তথা সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা আৰু শক্তিশালী প্ৰকাশভংগীৰ অধিকাৰী অপূৰ্ব শৰ্মাৰ "সাগৰ সংগীত" গল্পটোত লেখকে চেতনাস্ৰোত পদ্ধতিৰে কাহিনী উপস্থাপন কৰিছে। গল্পৰ নায়িকা আইনুৰ মনৰ মাজতে গল্পটোৰ সকলোখিনি ঘটনা বা চিন্তা আৱৰ্তিত হৈছে। চেতনাস্ৰোতধৰ্মী ৰচনাত একেলগে একে সময়তে মানুহৰ মনৰ বিক্ষিপ্ত আৰু বিচিত্ৰ অনেক ভাব-অনুভূতি প্ৰকাশ পায়। তেনেদৰে এই গল্পটোতো আইনুৰ মনৰ বিভিন্ন ভাৱ-অনুভূতিৰ ভিন্ন ৰূপ প্ৰকাশ পাইছে। গল্পটোৰ আৰম্ভণিতে আইনুৱে সাৰ পাই নিজৰ ঘৰৰ চৌপাশৰ ৰাতিপুৱাৰ পৰিৱেশটোৰ বিষয়ে ভাবি থাকোতেই তাইৰ মন সুদূৰ কলিকতালৈ উৰা মাৰিছে, *"... সিহঁতৰ পিছফালৰ গছত এটা চিনাকি চৰায়ে মাতিছে। ক'ৰবাৰ পৰা ছয় বজাৰ ঘণ্টা ধ্বনি ভাঁহি আহিছে। ... বোধহয় এখন চৰকাৰী বাছ পাৰ হৈ গৈছে। দূৰত ফেৰিৰ হুইচেল। ... পিছফালে দূৰত শিলৰ ওপৰেদি বৈ যোৱা নদীৰ হো হো শব্দ। ... ষ্টেচনত ইঞ্জিন এটাই মুভিং কৰি ফুৰিছে। ... আইনুৰ মনো খেলিমেলি চিন্তাৰে ভৰি উঠিল। ... কলিকতাৰ হাৰিচন ৰোডৰ উনৈশ নম্বৰ ফ্লেটৰ এটা সৰু কোঠাত অনিশ্চিত ভৱিষ্যতৰ চিন্তাৰে ক্লিষ্ট এক নবীন যুৱকে গভীৰ টোপনিত আচ্ছন্ন হৈ পৰিছে। ... তলৰ খিৰিকীৰ ফাঁকেদি লাখ লাখ বিভিন্ন ধৰণৰ শব্দ তৰংগ হো-হোৱাই সোমাই আহিব।... বস্তুতঃ জীৱনৰ পদ্ধতি প্ৰায় সকলোৰে একেই, বিজ্ঞৰ দৰে আইনুৱে ভাবিবলৈ আৰম্ভ কৰিলে। গুহামানৱৰ দিনৰ প্ৰাত্যহিক জীৱনৰ আৰম্ভণিৰ যি বিশৃংখল আৰু বৈচিত্ৰ্য আছিল আইনষ্টাইনৰ যুগতো সি অবিকৃতভাৱে অব্যাহত আছে।" (অপূৰ্ব শৰ্মা, 'সাগৰ সংগীত', ৰামধেনুৰ শ্ৰেষ্ঠ গল্প, পৃ. ৩০৭ )*

আকৌ এবাৰ আইনুৰ মনত পৰিছে তাইৰ শৈশৱৰ স্মৃতি জড়িত সোণালী ঠাইখনলৈ - তাইৰ আপোন গাঁওখনলৈ— *"... খিৰিকীৰ মাজেদি তাই দেখা পালে তাইৰ তাহানিৰ গাঁও। তাইৰ ব্যাপ্তিশীল কল্পনাই অৰ্দ্ধবিস্মৃত অভিজ্ঞতাৰ অস্পষ্ট লোকৰ পৰা টানি আনিলে অসংখ্য দীপ্যমান মায়াময় ছবিৰ মিছিল।... শাৰদীয় পূৰ্ণিমাৰ ৰাতি শাৰী শাৰী তামোল গছৰ ফাঁকেদি পোহৰ ৰশ্মি বিস্ফোৰিত হৈছে। ওপৰত নীলাবোৰত সেই পোহৰৰ উদ্ভাস আৰু তামোলৰ*

*পাতৰ মাজেদি দেখা গৈছে সেই ৰূপালী বস্তুটোৰ অংশবিশেষ। ঠিক সেইসময়তে দূৰৈৰ পৰা কঁপি কঁপি ভাঁহি আহিছে ৰহস্যময় ৰাতিৰ চৰাইৰ পুলকভৰা কলকণ্ঠ। আত্মবিস্মৃত হৈ আইনুৱে স্মৃতি ৰোমন্থন কৰিব ধৰিলে।" (অপূৰ্ব শৰ্মা - 'সাগৰ সংগীত', ৰামধেনুৰ শ্ৰেষ্ঠ গল্প, পৃ. ৩০৭)*

এইদৰে বিভিন্ন বিক্ষিপ্ত ভাবানুভূতি একেলগে প্ৰকাশ কৰোঁতেও গল্পৰ কেন্দ্ৰীয় ভাবৰ আঁত হেৰাই যোৱা নাই গল্পকাৰৰ ৰচনাৰীতিৰ সংযমৰ বাবে।

**৩.৪ 'অকাল বসন্ত' গল্পত চেতনাস্ৰোত ঃ**

'অকাল বসন্ত' ৰামধেনুত প্ৰকাশিত অপূৰ্ব শৰ্মাৰ উল্লেখযোগ্য গল্প। চেতনাস্ৰোত পদ্ধতিৰ প্ৰয়োগ গল্পটোত পৰিলক্ষিত হয়। 'অকাল বসন্ত' গল্পটোৱে সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেকট্ৰন' গল্পটোলৈ মনত পেলায়।

এই গল্পটোৰ কাহিনী বুলিবলৈ এটা বিশেষ ঘটনা বিচাৰি পোৱা নাযায়। সেয়েহে কাহিনীৰ আদি, মধ্য আৰু অন্তৰভাগৰো অস্তিত্ব পাবলৈ নাই। নিজৰ নিজৰ সমস্যা আৰু দুৰ্ভাগ্যই জুৰুলা কৰা পাঁচজন যুৱকে এক নিৰুত্তাপ, নিস্তেজ, গতানুগতিকতাৰে ভৰা জীৱন পাৰ কৰে ৰামগিৰি মেছত। অখিল, সুধাংশু, মহেশ, প্ৰতুল আৰু জ্যোতিদা। অখিল গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ। গল্পটোৰ আৰম্ভণি হৈছে এইদৰে - *"ভৰিৰ ফালে এটা মহৰ কামোৰত অখিলৰ টোপনি ভাগি গ'ল। এটা প্ৰায় নিয়মিত ঘটনা; সি বিশেষ বিৰক্ত নহ'ল।" (অপূৰ্ব শৰ্মা - 'অকাল বসন্ত', ৰামধেনু, ১৭শ বছৰ, ৭ম সংখ্যা, পৃ. ৬৫২)* সাৰ পোৱাৰ পৰা অখিলৰ মনৰ দিগন্ত মুকলি হৈছে - সি সিহঁতৰ মেছটোৰ কথা, তাৰ প্ৰতিজন বাসিন্দাৰ কথা, ওচৰৰ কেদাৰ মিত্ৰ, জগদীশহঁত, আঁতৰত থকা তাৰ মৰমৰ গাঁওখন, মাক-ভনীয়েক, বায়েক আৰু প্ৰেমিকা অনুপমাৰ কথা ভাবিবলৈ আৰম্ভ কৰিছে। মাক-ভনীয়েক আৰু অনুপমালৈ চিঠি লিখিবলৈ সি বাৰে বাৰে সংকল্পবদ্ধ হৈছে যদিও সফল হোৱাগৈ নাই - আনুষংগিক বিভিন্ন ঘটনাই তাৰ সেই বন্ধৰ সুন্দৰ আৰামদায়ক সময়খিনি মষিমূৰ কৰি পেলাইছে। পৰম শান্তিৰে জিৰণিৰ একমাত্ৰ আশ্ৰয়স্থল বিছনাখনত এবাগৰ দিওঁতেই বাৰে বাৰে মহে কামুৰি আমনি কৰাৰ এই প্ৰতীকধৰ্মী ইংগিতেৰে গল্পকাৰে মানুহৰ জীৱনৰ অনিবাৰ্য দুখৰ কথাকেই প্ৰকাশ কৰিব কৰিছে। মহে কামোৰাৰ লগে লগে বিৰক্তিত সুধাংশুৱে গৰ্জন কৰি উঠিছে। ৰাতিপুৱাৰ কাউৰীৰ চিঞৰ বা ৰে'লৰ উকিৰ দৰে শুধাংশুৰ এই গৰ্জনো নিয়মিত। তাৰ সতৰ্কতা সত্ত্বেও আঁঠুৱাৰ ভিতৰত দুই -এটা মহৰ দ্বাৰা সি প্ৰায়েই আক্ৰান্ত হয়। শুধাংশুৰ উক্ত গৰ্জন তেনে কোনো অনুপ্ৰৱেশকাৰী মহৰ বিৰুদ্ধে সোচ্চাৰ প্ৰতিবাদৰ নিদৰ্শন। তাৰ কণ্ঠত সততেই অপৰিবৰ্তিত পঞ্চম দশকৰ সাম্যবাদী বা ততোধিক, প্ৰাক-স্বাধীনতাৰ বিপ্লৱী গানে বিৰাজ কৰি থাকে। 'অশান্ত ইলেকট্ৰন' গল্পৰ নায়ক নিখিলৰ দৰে এই গল্পটোত অখিলৰ মানসিক বিচিত্ৰ অৱস্থাৰ প্ৰতিফলন ঘটিছে আৰু অখিলে লগ পোৱা বিভিন্ন পৰিস্থিতিৰ বিভিন্ন মানুহৰ সৈতে তাৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া ঘটিছে।

**৪.০ উপসংহাৰ ঃ**

অসমীয়া চুটিগল্পত চেতনাস্ৰোতৰ প্ৰভাৱ অথবা প্ৰয়োগ আবাহন যুগতেই হৈছিল। সেই যুগৰ শক্তিশালী লেখক হলিৰাম ডেকাৰ 'ভ্ৰষ্টলিপি' গল্পত প্ৰথমবাৰৰ বাবে চেতনাস্ৰোতৰ লক্ষণ পৰিস্ফুট হোৱা দেখা যায়। অৱশ্যে চেতনাস্ৰোত ধাৰাৰ প্ৰৱৰ্তক তথা প্ৰচাৰকসকলৰ লেখাৰ সৈতে সম্পৰ্ক থাকিলেহে যে কোনো এক লেখকৰ হাতত পৰৱৰ্তী কালত এনে ভাৱধাৰাৰ গল্প সৃষ্টি হয় - সদায় এনে নহ'বও পাৰে। উদাহৰণস্বৰূপে ৰামধেনুৰ পাতত এই ভাৱধাৰাৰ সফল ৰূপ দি গল্প ৰচনা কৰা সৌৰভ কুমাৰ চলিহাই তেওঁ নিজৰ ৰচনাসমূহত চেতনাস্ৰোতৰ প্ৰভাৱ স্বীকাৰ কৰিবলৈ টান পায়। তেওঁৰ ভাষাত - *"চেতনাস্ৰোত বস্তুটো কি, সেই সম্বন্ধে মোৰ কোনো সুনিৰ্দিষ্ট ধাৰণা নাই আৰু যিহেতু অসমীয়া সমালোচকৰ প্ৰৱণতা হ'ল কোনো বিদেশী লেখকৰ প্ৰভাৱ বাহিৰ কৰিবৰ চেষ্টা কৰা, সেয়ে চেতনাস্ৰোত বস্তুটো কি জনাৰ আগ্ৰহ আজি একেবাৰে অৱলুপ্ত।"*

*(ৰঞ্জিত কুমাৰ দেৱগোস্বামী, সৌৰভ কুমাৰ চলিহা আৰু অন্যান্য প্ৰবন্ধ, পৃ.৪৯)* তথাপি এইটো স্বীকাৰ কৰিবই লাগিব যে চেতনাস্ৰোতৰ লক্ষণ চলিহাৰ কেতবোৰ গল্পত, তেওঁৰ অজ্ঞাতসাৰেই হওক, পৰিলক্ষিত হৈছে।

**৪.১ সামগ্ৰিক সিদ্ধান্ত ঃ**

আলোচনাৰ শেষত আমি কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰো। সেই সিদ্ধান্তকেইটা হৈছে —

(১) ৰামধেনু যুগৰ পূৰ্বৱৰ্তী 'আৱাহন' আলোচনীতে প্ৰথমবাৰ অসমীয়া চুটিগল্পত চেতনাস্ৰোত পদ্ধতিৰ প্ৰভাৱ পৰিছিল।

(২) যদিও 'আৱাহন'ৰ চুটিগল্পত ইয়াৰ প্ৰভাৱ দেখা যায়; তথাপি সেই সময়ত ই আছিল অতি সীমিত! ৰামধেনুৰ পাততহে এই ধাৰাৰ প্ৰভাৱ বিস্তৃত ৰূপত পৰিলক্ষিত হ'ল।

(৩) সৌৰভ কুমাৰ চলিহাই তেওঁৰ গল্পত চেতনাস্ৰোত প্ৰভাৱ মানি নল'লেও আলোচনাপত্ৰখনিৰ অন্তত আমি সিদ্ধান্তত উপনীত হওঁ যে তেওঁৰ গল্পত চেতনাস্ৰোত ধাৰা সততে বিৰাজমান।

(৪) ৰামধেনু যুগৰ দুজন গল্পকাৰ ক্ৰমে সৌৰভ কুমাৰ চলিহা আৰু অপূৰ্ব শৰ্মাৰ গল্পত চেতনাস্ৰোত ভাৱধাৰাৰ প্ৰতিফলন সাৰ্থকৰূপত ঘটিছিল।

**৪.২ সামৰণি ঃ**

আলোচনা-পত্ৰখনিত কেৱল মাত্ৰ দুজন গল্পকাৰৰ চাৰিটা গল্পহে নিৰ্বাচন কৰা হৈছিল। ৰামধেনুৰ যুগৰ কেইবাজনো গল্পকাৰৰ গল্পত চেতনাস্ৰোতৰ প্ৰয়োগ দেখা যায় যদিও এই বিষয়ে পৰ্যাপ্ত আলোচনা হোৱা নাই। এই বিষয়ে ভৱিষ্যতে অধ্যয়নৰ এখন ক্ষেত্ৰ মুকলি হৈ আছে।

**পাদটীকা ঃ**

১. গোৱিন্দ প্ৰসাদ শৰ্মা, উপন্যাস আৰু অসমীয়া উপন্যাস, পৃ. ৬৩
২. ইমৰাণ শ্বাহ, 'চেতনাস্ৰোতৰ কথা', ৰামধেনু, ১৭ বছৰ, ৬ ষ্ঠ সংখ্যা
৩. গোৱিন্দ প্ৰসাদ শৰ্মা, উপন্যাস আৰু অসমীয়া উপন্যাস, পৃ. ৬৪
৪. সৌৰভ কুমাৰ চলিহা, 'অশান্ত ইলেক্ট্ৰন', ৰামধেনু, ৩ য় বছৰ, ১০ম সংখ্যা
৫. সৌৰভ কুমাৰ চলিহা, 'অশান্ত ইলেক্ট্ৰন', অশান্ত ইলেক্ট্ৰন, পৃ. ১৭, ২১
৬. সৌৰভ কুমাৰ চলিহা, 'অশান্ত ইলেক্ট্ৰন', অশান্ত ইলেক্ট্ৰন, পৃ. ১৫
৭. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১৬
৮. সৌৰভ কুমাৰ চলিহা - 'অশান্ত ইলেক্ট্ৰন', অশান্ত ইলেক্ট্ৰন', অশান্ত ইলেক্ট্ৰন, পৃ. ৩০, ১৫
৯. সৌৰভ কুমাৰ চলিহা - 'আচ্ছন্ন', ৰামধেনু, ১৪শ বছৰ, ১০ ম সংখ্যা
১০. সৌৰভ কুমাৰ চলিহা - 'আচ্ছন্ন', ৰামধেনু, ১৪শ বছৰ, ১০ম সংখ্যা, পৃ. ৩১

**গ্ৰন্থপঞ্জী ঃ**

ঠাকুৰ, প্ৰাপ্তি ঃ ৰামধেনুৰ চুটিগল্প ঃ বিচাৰ আৰু বিশ্লেষণ, বনলতা, ২০১২
বৰমুদৈ, আনন্দ ঃ সাহিত্যত মতবাদ, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ ২০০১
শইকীয়া, নগেন (সম্পা.) ঃ সাহিত্যত বাদ-বৈচিত্ৰ্য, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ ১৯৯৭
শৰ্মা, গোবিন্দ প্ৰসাদ ঃ উপন্যাস আৰু অসমীয়া উপনাস, ষ্টুডেণ্টচ্ ষ্টৰচ্ , গুৱাহাটী, ১৯৯৫

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# ‘সখা দামোদৰ’ গল্পত প্ৰতিফলিত লোক-সাংস্কৃতিক সমল ঃ এটি বিশ্লেষণাত্মক আলোচনা

ৰিজুমণি দাস
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, নামৰূপ মহাবিদ্যালয়
ফোন নং ঃ ৯৩৬৫০৫৯৯২৫

**সংক্ষিপ্তসাৰ ঃ**

সাহিত্য হৈছে মনৰ ভাব প্ৰকাশক এক উৎকৃষ্ট মাধ্যম। চুটিগল্প সাহিত্যৰ এক অনুপম সৃষ্টি। ৰামধেনু যুগত আত্মপ্ৰকাশ কৰি একবিংশ শতিকাৰ দ্বিতীয় দশকৰ আৰম্ভণিলৈকে অসমীয়া সাহিত্যক আগবঢ়াই লৈ যোৱা এগৰাকী সাহিত্যিক লক্ষ্মীনন্দন বৰা। সাহিত্যৰ প্ৰতিটো অংগৰ লগতে গল্পৰ ক্ষেত্ৰলৈও তেখেতৰ অৱদান লক্ষণীয়। সামাজিক, ৰাজনৈতিক আদি দিশৰ লগতে তেখেতৰ সৰহভাগ ৰচনাৰ মুখ্য সমল হ'ল- গ্ৰাম্য জীৱনৰ উপস্থাপন। সমাজ এখনৰ জীৱন্ত দলিল স্বৰূপে উদ্ভাসিত হৈ উঠা লক্ষ্মীনন্দন বৰাৰ গল্পত সমাজজীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে লোক-সংস্কৃতিক সমলসমূহ। লোক-সংস্কৃতিৰ বিভিন্ন দিশৰ পূৰ্ণাংগ চিত্ৰ প্ৰতিফলিত হোৱা লক্ষ্মীনন্দন বৰাৰ গল্পসমূহৰ ভিতৰত এটি অন্যতম চুটিগল্প হৈছে ‘সখা দামোদৰ’। এই গল্পটোত গল্পকাৰে লোক-সংস্কৃতিৰ বিভিন্ন দিশসমূহ অতি সূক্ষ্ম আৰু সাৱলীল ৰূপত প্ৰকাশ কৰা পৰিলক্ষিত হয়। এই অধ্যায়ত ‘সখা দামোদৰ’ গল্পটোৰ মাজত প্ৰতিফলিত হোৱা লোক-সংস্কৃতিৰ দিশসমূহক বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দ ঃ** লক্ষ্মীনন্দন বৰা, চুটিগল্প, সখা দামোদৰ, লোক-সংস্কৃতি, সমসাময়িক সমাজ ইত্যাদি।

## ০.০ অৱতৰণিকা ঃ

অসমীয়া সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰখনত লক্ষ্মীনন্দন বৰাৰ স্থান একক আৰু অনন্য। আধুনিক অসমীয়া গল্প সাহিত্যক সমৃদ্ধ কৰা ৰামধেনু যুগৰ সাহিত্যিক গৰাকীয়ে গল্প সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে। বিংশ শতিকাৰ ষষ্ঠ দশকৰ পৰা একবিংশ শতিকাৰ তৃতীয় দশকলৈ অসমীয়া সাহিত্যৰ বৈচিত্ৰ্যপূৰ্ণ বিষয়ৰ আধাৰত ভিন্নৰঙী চৰিত্ৰৰ সমাবেশেৰে সৃষ্টি কৰা বৰাৰ গল্পৰাজিয়ে পাঠকক সাহিত্য পঠনৰ আনন্দ প্ৰদান কৰাৰ লগতে নতুন চিন্তাৰ নতুন দিশ প্ৰদান কৰি আহিছে। ‘ভাওনা’ (১৯৫৪) গল্পৰ জৰিয়তে অসমীয়া সাহিত্য জগতত প্ৰৱেশ কৰা লক্ষ্মীনন্দন বৰাৰ ক্ৰমান্বয়ে উপন্যাস- ‘নিশাৰ পূৰৱী’ (১৯৬২), ‘গঙা চিলনীৰ পাখি’ (১৯৬৩), ‘কায়কল্প’ (২০০২), ‘সেহি-সাব্যসাচী’ (২০১৪); জীৱনীমূলক উপন্যাস- ‘যাকেৰি নাহিকে উপাম’ (১৯৯৩), ‘সেহি গুণনিধি’ (১৯৯৭), ‘যৈচন গগণ বিয়পি’ (২০১০), ‘গতি মতি ভকতি’ (২০১০); চুটিগল্প সংকলন- ‘দৃষ্টিৰূপা’ (১৯৫৮), ‘সেই সুৰে

উতলা', 'গোপন গধূলি', 'কাঁচিয়লিঘৰ কুঁৱলী', 'প্ৰেয়সী', 'এৰাবাৰীৰ লেছেৰী' আদি উল্লেখযোগ্য। ইয়াৰ উপৰিও নাটক, ভ্ৰমণ কাহিনী, বিজ্ঞানভিত্তিক ৰচনা আদিৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ ভঁৰাল টনকীয়াল কৰাত লক্ষ্মীনন্দন বৰাৰ নাম উল্লেখনীয়।

গল্পকাৰ হিচাপে গ্ৰামীণ অসমীয়া সমাজখনৰ এক নিভাঁজ চিত্ৰৰ অংকন, নগৰীয়া সমাজৰ আধুনিক জীৱনচৰ্যা, ভিন্নস্তৰৰ ভিন্ন জীৱনশৈলীৰ মানুহৰ বিচিত্ৰ মানসিকতাৰ সূক্ষ্ম পৰ্যবেক্ষণ প্ৰভৃতি বিষয়বস্তুৰ আধাৰত লক্ষ্মীনন্দন বৰাৰ গল্পসমূহ সৃষ্টি হৈছে।

লক্ষ্মীনন্দন বৰাৰ 'সখা দামোদৰ' চুটিগল্পটোৰ মাজত সমসাময়িক সমাজ-জীৱনৰ প্ৰতিফলন, ভাব-ভাষা, পৰিবেশ-পৰিস্থিতি, চৰিত্ৰৰ মানসিকতা অতি স্পষ্ট ৰূপত প্ৰকাশ ঘটিছে। গল্পটোত লোক-সংস্কৃতিৰ অংশ-মৌখিক লোকবিদ্যা, সামাজিক লোকপ্ৰথা, ভৌতিক সংস্কৃতি আৰু লোক-পৰিৱেশ্য কলাৰ প্ৰকাশ কেনেদৰে ঘটিছে এই বিষয়ে এটি সুস্পষ্ট বিশ্লেষণ গৱেষণা পত্ৰখনত কৰা হ'ব।

**১.০ অধ্যয়নৰ গুৰুত্ব আৰু উদ্দেশ্য ঃ**

লক্ষ্মীনন্দন বৰাৰ গল্পৰ বিভিন্ন দিশ সন্দৰ্ভত ইতিপূৰ্বে বিভিন্ন আলোচনা হৈছে যদিও তেখেতৰ 'সখা দামোদৰ' গল্পত প্ৰতিফলিত লোক-সাংস্কৃতিক সমলৰ বিশ্লেষণ সীমিত যেন অনুভৱ হৈছে। এই অধ্যয়নৰ উদ্দেশ্য হৈছে-

(১) *সখা দামোদৰ* গল্পৰ মাজত প্ৰতিফলিত সমসাময়িক গ্ৰাম্য জীৱনৰ পটভূমি উপস্থাপন কৰা।

(২) গল্পটোত প্ৰকাশিত লোক-সংস্কৃতিৰ বিভিন্ন বিভাগ সমূহৰ আলোচনা কৰা।

**১.১ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰ ঃ**

মূলতঃ গৱেষণা পত্ৰখন প্ৰস্তুতৰ ক্ষেত্ৰত বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে। লক্ষ্মীনন্দন বৰাৰ 'সখা দামোদৰ' গল্পটোক এই অধ্যয়নৰ পৰিসৰলৈ অনা হ'ব।

**২.০ লোক-জীৱনৰ প্ৰতিফলন ঃ**

'সখা দামোদৰ' গল্পটোত মূল চৰিত্ৰ কৃষক মুকুটে কেনেদৰে অভাৱত পৰি প্ৰচলিত সামাজিক পৰম্পৰাক বিসৰ্জন দিছে, তাৰ বাস্তৱ সন্মত প্ৰতিফলন ঘটিছে। গল্পটোৰ মাজত লক্ষ্মীনন্দন বৰাই সমসাময়িক অসমীয়া পৰম্পৰা সমূহৰ লগতে গাঁৱলীয়া সহজ-সৰল জীৱন পৰিক্ৰমাক প্ৰতিফলন কৰিছে। গল্পটোৰ জৰিয়তে গল্পকাৰে কৃষিপ্ৰধান অসমীয়া গ্ৰামীণ সমাজৰ সৈতে খেতিৰ প্ৰধান আহিলা গৰুৰ নিবিড় সম্পৰ্ক দেখুওৱাৰ লগতে ক্ৰমৱৰ্ধিত অভাৱ-অনাটনৰ ফলত সুখ-শান্তি লোপ হোৱা মানুহৰ জীৱনৰ বাস্তৱ চিত্ৰ প্ৰকাশ কৰিছে। 'সখা দামোদৰ' গল্পটোত লক্ষ্মীনন্দন বৰাই অতি সহজ-সৰল ভাষাৰে গাঁৱলীয়া লোকজীৱনৰ চিত্ৰ অতি সাৱলীল আৰু চিত্ৰধৰ্মিতাৰে অংকন কৰা প্ৰতিভাত হৈছে।

**৩.০ লোক-সংস্কৃতিৰ প্ৰতিফলন ঃ**

লোক-সংস্কৃতি লোকসমাজৰ দলিল। মানৱ জীৱন পৰিক্ৰমাৰ সামগ্ৰিক ৰূপ পৰিস্ফূত হোৱা সংস্কৃতিৰ পৰিসৰ বিস্তৃত হোৱাৰ লগতে ইয়াত অন্তৰ্নিহিত উপাদানসমূহ সাৰ্বজনীন হোৱা দেখা যায়। এইক্ষেত্ৰত লক্ষ্মীনন্দন বৰাৰ 'সখা দামোদৰ' গল্পটো হৈছে তদানীন্তন সমাজৰ দলিল স্বৰূপ। গল্পটোত লোক-সংস্কৃতিৰ উপাদানৰ ভিতৰত প্ৰবাদ, প্ৰবচন, ফকৰা যোজনা, খণ্ডবাক্য, ডাকৰ বচন, লোকবিশ্বাস, বয়ন শিল্প, খাদ্যাভ্যাস, বিহুনৃত্য আদিৰ বিৱৰণ পোৱা যায়।

**৩.১ মৌখিক লোকবিদ্যা ঃ**

লোক বা জনসাধাৰণে যুগ যুগ ধৰি মৌখিক পৰম্পৰাৰে সমষ্টিগত জীৱনৰ আশা-আকাংক্ষা, আনন্দ-বিষাদ, ক্ৰিয়া-প্ৰতিক্ৰিয়া আদিক নিজৰ কথিত ৰূপত পুৰুষানুক্ৰমে মুখে মুখে অভিব্যক্ত কৰি আহিছে, সেয়াই প্ৰকৃতাৰ্থত মৌখিক লোক-সাহিত্য। লক্ষ্মীনন্দন বৰাৰ সখা দামোদৰ গল্পটোত প্ৰবাদ-প্ৰবচন, ফকৰা যোজনা, খণ্ডবাক্য আদি এনেদৰে প্ৰকাই পাইছে —

**(১) প্ৰবাদ-প্ৰবচনঃ** 'নিৰাশাৰ মন বাজী অমিতাৰ ফুল।' (পৃ. ৩৬, সখা দামোদৰ)

**(২) ফকৰা-যোজনা ঃ** 'তেজ-মঙহৰ আপোন মানুহবোৰেই যদি দুখীয়া বায়েকলৈ মনত পৰা নাই বাকী মানুহবোৰেনো ক'ত মনত পেলাব।" (পৃ. ৪৪, সখা দামোদৰ ) / 'সেই ৰামো নাই, অযোধ্যাও নাই' (পৃ. ৩৪, সখা দামোদৰ)

**(৩) ডাকৰ বচন ঃ** 'যাৰ নাই গৰু, সি সবাতোকৈ সৰু।' (পৃ. ৩২, সখা দামোদৰ )

**(৪) গৰুবিহুৰ নাম ঃ** 'লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা। মাৰ সৰু, বাপেৰ সৰু তই হবি বৰ গৰু।' (পৃ. ৪০)

**৩.২ সামাজিক লোকপ্ৰথা বা লোকাচাৰ ঃ**

সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ পৰিসীমাত উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোক-ঔষধ আৰু লোক-ধৰ্ম অন্তৰ্গত। অসমীয়া গ্ৰাম্য সমাজ বিভিন্ন লোকবিশ্বাস, ৰীতি-নীতিৰে পৰিপূৰ্ণ। 'সখা দামোদৰ' গল্পত পৰম্পৰাগত ৰীতি-নীতি আৰু লোকবিশ্বাসৰ প্ৰতিফলন এনেদৰে ঘটা দেখা যায় -

**লোকবিশ্বাস ঃ**

(১) বহাগ বিহুত গৰু বিহুৰ দিনা মাহ-হালধি 'গাত ঘঁহিলে বছৰটোলৈ খৰ-খজুলি নহয়। বসন্তই বল কৰিব নোৱাৰে।' [১]

(২) গৰু বিহুত গৰুক মাহ-হালধি সানি দীঘলতী, মাখিয়তীৰে কোবাই গা-ধোৱা পৰ্ব আৰু সন্ধিয়া 'যাগ' দিয়া লোকবিশ্বাস।

(৩) দুপৰীয়া অথবা সন্ধিয়াৰ আলহী সাক্ষাৎ দামোদৰ অৰ্থাৎ ভগৱান বুলি ভবা লোকবিশ্বাস।

**৩.৩ ভৌতিক সংস্কৃতি ঃ**লোক-সংস্কৃতিৰ তৃতীয় বিভাগৰ অন্তৰ্গত বিভিন্ন উপাদানসমূহ যেনে- লোকশিল্প, লোককলা, লোক আভৰণ, লোক ৰন্ধন প্ৰণালী আদিৰ উল্লেখ গল্পটোত পোৱা যায়-

**বয়ন শিল্প ঃ** লেটাই, উঘা, চেৰেকী, চুঙা, ৰাচ, মাকো আদি তাঁতশালৰ বিভিন্ন সামগ্ৰীৰ উল্লেখ আৰু তাঁতশালত নিজহাতে বিহুৰ সময়ত শ্ৰদ্ধা আৰু চেনেহৰ প্ৰতীক স্বৰূপ বিহুৱান প্ৰেমাস্পদ বা আপোনজনক দিয়াৰ উল্লেখ গল্পটোত আছে- 'ভানুৱেও জপাৰ পৰা বিহুৱান এখন উলিয়াই গিৰিয়েকক দি সেৱা কৰিলো।'[২]

**খাদ্যাভ্যাস ঃ** গল্পটোত অসমীয়া পৰম্পৰাগত খাদ্যাভ্যাস সম্পৰ্কেও কিছু তথ্য পোৱা যায়।

(১) বিভিন্ন ধানৰ উল্লেখ- বগা জহা, ক'লা জহা, খৰিকা জহা, মাণিকী মাধুৰী, মালভোগ, বৰাধান, বাওধান ইত্যাদি।

(২) বিভিন্ন খাদ্যৰ নামৰ উল্লেখ- বাঁহৰ গাজ আৰু মাছৰ আঞ্জা, তিলপিঠা, নাৰিকলৰ লস্কৰা, কোমল চাউল ইত্যাদি।

**৩.৪ লোক-পৰিৱেশ্য কলা ঃ** সমাজ আৰু সমাজৰ চেতনাক আশ্ৰয় কৰি সৃষ্টি হৈছে লোক-সংস্কৃতিৰ চতুৰ্থবিধ অধ্যয়নক্ষেত্ৰ লোক-পৰিৱেশ্য কলা। গল্পটোত ইয়াৰ বিৱৰণো পোৱা যায়-

**বিহুনৃত্য হুচৰি ঃ** অসমীয়া লোক নৃত্যসমূহৰ ভিতৰত বিহুনৃত্য আটাইতকৈ জনপ্ৰিয় লোকনৃত্য। বিশেষকৈ কৃষিজীৱী সমাজত উৰ্বৰতা বৃদ্ধিৰ বাবে বসন্তকালত মুকলি পথাৰত ডেকা-গাভৰুৱে এই নৃত্য আয়োজন কৰে। সখা দামোদৰ গল্পত বিহুনৃত্য, হুঁচৰি আদি পৰম্পৰাগত লোক-পৰিৱেশ্য কলাৰ উল্লেখো আছে- 'ৰাতি তাৰ ঘৰটো

হুচৰি গাব পাৰে।' [৩]

**৪.০ উপসংহাৰ ঃ**

লক্ষ্মীনন্দন বৰাৰ চুটিগল্পৰ বিষয়বস্তু বিচিত্ৰ তথা বৰ্ণাঢ্য। আলোচ্য 'সখা দামোদৰ' গল্পটোৰ মাজত চিৰ শাশ্বত আৰু পৰিচিত গ্ৰাম্য সমাজখন প্ৰত্যক্ষ হয়। গ্ৰাম্য সমাজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত লোক-সংস্কৃতিৰ সমল- মৌখিক লোকবিদ্যা, লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু পৰিৱেশ্য কলা- এই চাৰিওটা স্তৰৰ উদাহৰণো গল্পটোত স্পষ্ট। বিষয়বস্তুৰ লগত একাত্মতা প্ৰকাশ কৰি গল্পকাৰে চৰিত্ৰৰ মাজেৰে যি মানসিক বিশ্লেষণ আগবঢ়াইছে তাৰ প্ৰভাৱো গল্পটোত পৰিলক্ষিত হৈছে। বিশেষকৈ 'সখা দামোদৰ' গল্পটো এটি সুখপাঠ্য তথা লেখকৰ স্বকীয় চিন্তাৰ সুন্দৰ বাহকৰূপে পাঠকে বিচাৰ কৰি আহিছে।

গল্পটোৰ আলোচনাৰ অন্তত এনেদৰে সিদ্ধান্তত উপনীত হ'ব পাৰো-

(১) সখা দামোদৰ গল্পটো এটি উৎকৃষ্ট মানৰ গ্ৰাম্য সমাজৰ সৰু-ডাঙৰ অভিজ্ঞতাৰ উল্লেখ থকা গল্প।

(২) গল্পটোত সমসাময়িক সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত প্ৰচলিত কৃষিকেন্দ্ৰিক লোকাচাৰ সমূহৰ প্ৰতিফলন শীৰ্ষক বিষয়সমূহ প্ৰকাশ কৰিব পাৰি।

(৩) গল্পটোত প্ৰতিফলিত হৈছে লোক-সংস্কৃতিৰ সমলেৰে সমৃদ্ধ অসমীয়া সমাজৰ চিত্ৰ।

(৪) মানুহ আৰু সমাজৰ নিবিড় সম্পৰ্কৰ, লগতে জীৱ-জন্তুৰ সৈতে থকা সম্পৰ্কৰ বাৰ্তা প্ৰকাশ।

(৫) গল্পটোত প্ৰকৃতি চিত্ৰণ অতি উল্লেখনীয় ৰূপত গল্পকাৰে স্পষ্ট কৰিছে।

**প্ৰসংগ টোকা ঃ**

১. লক্ষ্মীনন্দন বৰা, সখা দামোদৰ, পৃ. ৪১
২. লক্ষ্মীনন্দন বৰা, সখা দামোদৰ, পৃ. ৪১
৩. লক্ষ্মীনন্দন বৰা, সখা দামোদৰ, পৃ. ৪৪

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

**মূল উৎস ঃ**

লক্ষ্মীনন্দন বৰা, সখা দামোদৰ, বনলতা, প্ৰথম সংস্কৰণ, আগষ্ট ২০১৭ ।

**প্ৰসংগ গ্ৰন্থ ঃ**

অপূৰ্ব বৰা (সম্পা.), অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱৰ্তন, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ প্ৰকাশন কোষ, যোৰহাট, ২০১২।

ত্ৰৈলোক্যনাথ গোস্বামী। আধুনিক গল্প সাহিত্য। বাণীপ্ৰকাশ, বৰপেটা, ১৯৮৭।

নিৰ্মলপ্ৰভা বৰদলৈ । অসমৰ লোক-সংস্কৃতি। বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০১৪।

প্ৰহ্লাদ কুমাৰ বৰুৱা। অসমীয়া চুটিগল্প অধ্যয়ন। বনলতা, গুৱাহাটী, ২০০৮।

প্ৰাপ্তি ঠাকুৰ । ৰামধেনৰ চুটিগল্প ঃ বিচাৰ আৰু বিশ্লেষণ, ভৱানী বুক্‌ছ, গুৱাহাটী, ২০১২।

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# পদ্মনাথ গোহাঞিবৰুৱাৰ ভানুমতীঃ এটি অধ্যয়ন

কাব্যশ্ৰী শৰ্মা
এম. এ (অসমীয়া বিভাগ), বি.এড
ফোনঃ ৭৮৯৬১৪২৯৮০
মেইলঃsarmahkabyashree@gmail.com

**সংক্ষিপ্তসাৰঃ**

আধুনিক অসমীয়া সাহিত্যৰ ভেঁটি নিৰ্মাতা সকলৰ ভিতৰত পদ্মনাথ গোহাঞিবৰুৱা অন্যতম। কবিতা, উপন্যাস, নাটক, জীৱনী, প্ৰবন্ধ, আলোচনী আদি সকলো দিশতে অৱদান আগবঢ়াই অসমীয়া সাহিত্যক গোহাঞিবৰুৱাই সমৃদ্ধিশালী কৰি থৈ গৈছে। তেখেতৰ হাততে সৃষ্টি হৈছিল প্ৰথম অসমীয়া উপন্যাস 'ভানুমতী'ৰ। 'ভানুমতী'য়ে অসমীয়া উপন্যাসৰ বাট মুকলি কৰে। উপন্যাসখনৰ কাহিনী আহোম ৰাজত্ব কালত সংঘটিত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচিত। কিন্তু 'ভানুমতী'ৰ কাহিনী ইতিহাসৰ কাহিনী নহয়। নায়িকা ভানুমতী আৰু নায়ক চাৰু গোহাঞিৰ বাল্য প্ৰেমৰ পৰা যৌৱনপ্ৰাপ্ত প্ৰেমলৈকে এক কৰুণ প্ৰেমৰ চিত্ৰহে বৰ্ণিত হৈছে। উপন্যাস খনত বৰ্ণিত কাহিনীৰ মাজেৰে সমসাময়িক সমাজ জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে। 'ভানুমতী'ৰ বিষয়বস্তু, উপস্থাপন, ৰীতি, চৰিত্ৰ-চিত্ৰণ আদিও মন কৰিবলগীয়া। 'ভানুমতী' উপন্যাসে অসমীয়া পাঠকসকলক এক নতুন সোৱাদ দিলে। প্ৰথম অসমীয়া উপন্যাস হিচাপে অসমীয়া সাহিত্যত 'ভানুমতী'ৰ বিশেষ স্থান আছে। গৱেষণা প্ৰৱন্ধটিত উপন্যাস খনৰ বিষয়বস্তু, চৰিত্ৰ-চিত্ৰণ, প্ৰতিফলিত সমকালীন সমাজ ব্যৱস্থা সম্পৰ্কত আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ব।

**বীজশব্দঃ** ভানুমতী, উপন্যাস, মোৱামৰীয়া বিদ্ৰোহ, সমাজ ব্যৱস্থা, চৰিত্ৰ-চিত্ৰণ

## ০.১ বিষয়ৰ পৰিচয়ঃ

উপন্যাস হ'ল সাহিত্যৰ এক ধাৰা। মানৱ জীৱনৰ বহু বৰ্ণময় ঘটনাৰ আলমত ৰচিত কল্পনাশ্ৰয়ী দীঘলীয়া কথা শিল্পই হ'ল উপন্যাস। পদ্মনাথ গোহাঞিবৰুৱাই ১৯ বছৰ বয়সতে কলিকতাত থাঁকোতে ভানুমতী উপন্যাস খন ৰচনা কৰি অসমীয়া সাহিত্যত প্ৰথম অসমীয়া ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। তেখেতৰ আন এখন উপন্যাস হ'ল 'লাহৰী'। 'ভানুমতী' উপন্যাস খন১৮১২-১৩ শকত (ইং১৮৯০ চন) বিজুলীৰ পাতত ছোৱাছোৱাকৈ প্ৰকাশ পাইছিল আৰু ১৯০৮ চনত গ্ৰন্থাকাৰে প্ৰকাশ পায়। উপন্যাস খন প্ৰথম পুৰুষত বৰ্ণিত। চৈধ্যটা অধ্যায়ত লিখিত উপন্যাসৰ কাহিনীভাগ নায়িকা ভানুমতীয়ে নিজে ব্যক্ত কৰি গৈছে। অৱশ্যে সামৰণি চতুৰ্দশ অধ্যায়টি তৃতীয় পুৰুষত ৰচিত।

'ভানুমতী' উপন্যাসৰ মূল বিষয়বস্তু হৈছে প্ৰেম আৰু সেই প্ৰেমৰ বাবেই সকলোৰে জীৱনৰ গতি পথ সলনি হৈ গৈছে। কিন্তু উপন্যাস খন ইতিহাসৰ পটভূমিত ৰচিত। কাহিনীৰ পটভূমি ঐতিহাসিক হ'লেও উপন্যাস খন ঐতিহাসিক উপন্যাস নহয়। কিয়নো উপন্যাস খনৰ কাহিনী, প্ৰতিফলিত সামাজিক পৰিৱেশ, চৰিত্ৰাৱলীৰ চিত্ৰণ, ৰাজনৈতিক বাতাবৰণ আদি ইতিহাস ভিত্তিক নহয়। উপন্যাস খনত প্ৰতিফলিত সামাজিক ৰাজনৈতিক পৰিৱেশ গোহাঞি বৰুৱাৰ সমকালীন সমাজৰহে। তদুপৰি ঔপন্যাসিকে নিজে এই খনক সামাজিক ঘৰুৱা উপন্যাস

বুলিছে।

**০.২ অধ্যয়নৰ উদ্দেশ্যঃ**

অধ্যয়নৰ মূল উদ্দেশ্য হ'ল-

ক) 'ভানুমতী'ৰ বিষয়বস্তু সম্পৰ্কত আলোচনা কৰা।

খ) 'ভানুমতী'ত প্ৰতিফলিত সমকালীন সমাজ ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা।

গ) 'ভানুমতী' উপন্যাসৰ চৰিত্ৰসমূহ আলোচনা কৰা।

ঘ) উপন্যাসখনৰ সামগ্ৰিক মূল্যায়ন কৰা।

**০.৩ অধ্যয়নৰ পদ্ধতিঃ**

নিৰ্বাচিত বিষয়টি প্ৰস্তুত কৰিবৰ বাবে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০ মূল বিষয়ৰ আলোচনাঃ**

**১.১ 'ভানুমতী'ৰ কাহিনীঃ**

ঔপন্যাসিক গোহাঞিবৰুৱাই মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত 'ভানুমতী'ৰ কাহিনী উপস্থাপন কৰিছে। উপন্যাস খনত ৰজাৰ নাম উল্লেখ নাই যদিও পৰিস্থিতি আৰু ঘটনাৱলীৰ প্ৰতি লক্ষ্য ৰাখি অনুমান কৰিব পাৰি স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালত ভানুমতীৰ দেউতাক মৰাণ গোহাঞিবৰুৱা হৈছিল। তিনি বছৰ বয়সতে মাউৰী হোৱা ভানুমতী দেউতাকৰ একমাত্ৰ সন্তান। ভানুৰ শৈশৱৰ লগৰী চাৰু গোহাঞি। দুয়োয়ে উমলি-জামলি, দৰা-কইনা খেলি শৈশৱৰ দিনবোৰ পাৰ কৰিছিল। মাতৃহাৰা চাৰুৱে ডেকা বয়সত দেউতাক "বৰগোহাঞি"ক অকালতে হেৰুৱাই ঘাট মাউৰা হ'ল। এনে পৰিস্থিতিত চাৰুক ভানুৰ দেউতাকে নিজৰ ঘৰলৈ আনি তেওঁৰ তত্বাৱধানতে ৰাখিবলৈ ল'লে। লাহে লাহে চাৰু আৰু ভানুৰ মাজত প্ৰেমৰ বীজ অংকুৰিত হ'বলৈ ধৰিলে। কিন্তু ভানুৰ অজ্ঞাতে দেউতাকে ৰাজকোঁৱৰৰ লগত ভানুৰ বিয়া ঠিক কৰে। বিয়াৰ আয়োজন চলাৰ সময়তে ভানুৱে এই কথা গম পাই উত্ৰাৱল হৈ পৰে আৰু চাৰুক সকলোৰে আগত তেওঁলোকৰ প্ৰেমৰ কথা জনাবলৈ অনুৰোধ কৰিলে। কিন্তু চাৰুৱে সমাজৰ ভয়ত, ৰাজৰোষৰ ভয়ত সকলোবোৰ কপালৰ লিখন বুলি মানি লৈ ভানুক ৰাজকোঁৱৰৰ সৈতে বিয়াত বহিবলৈ কয়। ভানুৱে এই কথা অন্তৰৰ পৰা মানি ল'ব নোৱাৰি এখন চিঠি লিখি বেৰৰ ফাঁকেৰে চাৰু গোহাঞিৰ কোঠাত পেলাই পুৰুষবেশেৰে ঘৰৰ পৰা পলাই গ'ল। ধুমুহা, বৰষুণ অতিক্ৰম কৰি ভদৰী বুঢ়ীৰ ঘৰত তোলনীয়া পুতেক হিচাপে ভানুমতীয়ে পুৰুষ বেশেৰে আশ্ৰয় লৈছে গৈ। এদিন তাই ভদৰী বুঢ়ীৰ ঘৰলৈ যোৱা তিনিজন মায়ামৰা বৈষ্ণৱৰ মুখত ৰাজবিদ্ৰোহৰ কথা শুনিবলৈ পালে। ৰুদ্ৰসিংহৰ মৃত্যুৰ পাছত কোঁৱৰ (শিৱসিংহ) ৰজা হয় আৰু পত্নী অম্বিকাদেৱীয়ে ৰাজৰাণী হৈ অত্যাচাৰী শাসন আৰম্ভ কৰে। শাক্তপন্থী ৰাণীয়ে মোৱামৰীয়া গোঁসাই মহন্তসকলক বলেৰে বলিৰ তেজৰ ফোঁট আৰু প্ৰসাদ খুৱাই। এই অপমানৰ ফলস্বৰূপে মোৱামৰীয়া বিদ্ৰোহৰ জন্ম হয়। ল'ৰা বেশ ধৰি থকা ভানুৱে এই কথা গম পাই বিদ্ৰোহত যোগদান কৰিলে আৰু বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াবলৈ ধৰে।

ইফালে ভদৰী বুঢ়ীয়ে নিজৰ জীয়েক আজলীক ছদ্মবেশত থকা ভানুমতীলৈ বিয়া দি ঘৰ জোঁৱাই কৰিবলৈ বিচাৰিলে। ভানুৱে বুঢ়ীৰ প্ৰস্তাৱত মাত মাতিব নোৱাৰা হ'ল। কিন্তু এদিন বাৰীত খৰি লুৰিবলৈ যাঁওতে ফেটী সাপে দংশন কৰাৰ ফলত ভানু যে ল'ৰা নহয় ছোৱালীহে এই কথা ধৰা পৰে। ফলত লাজে সন্তাপে ভানু উন্মাদিনী হৈ পৰে আৰু স্বাস্থ্য ক্ৰমে বেয়া হ'বলৈ ধৰে। ভানুক ভদৰীৰ ঘৰৰ পৰা নিজা ঘৰলৈ অনা হয়। উন্মাদিনী হৈ পৰাত কোনো ঔষধে কাম নকৰা হ'ল। ভানুৱে চাৰু গোহাঞিক ওচৰত বিচৰাৰ বাবে সকলোৱে তেওঁক তাইৰ ওচৰতে থাকিবলৈ পৰামৰ্শ দিয়ে। চাৰুৰ পৰিচৰ্যাত ভানু সুস্থ হৈ উঠিল। পুনৰ প্ৰেমিকক ওচৰতে পাই ভানুৰ জীৱনলৈ

অলপমান সুখ শান্তি ঘূৰি আহিছিল যদিও সেয়া স্থায়ী নহ'ল। দুৰ্বল চিতীয়া, তিৰোতা সেৰুৱা ৰজাই চাৰুৰ ওপৰত অভিযোগ তুলিলে যে চাৰুৰ মন্ত্ৰণাতেই ভানু পলাই গৈছিল। বিনা অপৰাধত চাৰুক বন্দী কৰি নিলে। ভানুৰ সখীয়েক তৰা আইদেৱে মনে মনে চাৰুক ভাল পাইছিল যদিও সখীয়েক ভানুৰ খাতিৰত সেই প্ৰেম ত্যাগ কৰিছিল। ভানুৰ মনত শান্তি দিবৰ বাবে তৰা আইদেৱে আন এগৰাকী সখী কাঞ্চনক লগত লৈ চাৰুক বন্দীশালৰ পৰা মুকলি কৰি আনিব গৈছিল যদিও চাৰু গোহাঞিয়ে চুৰৰ দৰে পলাই গৈ পলৰীয়া নাম ল'ব নিবিচাৰিলে। অৱশেষত বিচাৰত দোষী সাব্যস্ত কৰি ৰজাই চাৰুৰ মৃত্যুদণ্ডৰ আদেশ দিয়ে। জেৰেঙা পথাৰত বলিশালত চাৰু গোহাঞিৰ মূৰ থওঁতেই বতাহ বৰষুণ আহিল আৰু বজ্ৰপাত পৰি চাৰু গোহাঞিৰ লগতে চাওদাঙ্গ দুটাৰো মৃত্যু হয়। প্ৰেমিক চাৰুৰ মৃত্যুত ভানু উন্মাদিনী হৈ পৰে আৰু পুখুৰীত পৰি আত্মহত্যা কৰে। ভানুৰ মৃত্যুৰ কথা শুনি নৰীয়া পাটীতে দেউতাকো ঢুকাল। তৰা আইদেউ অন্তৰ্ধান হয়। অৱশেষত ৰজা অনুতপ্ত হৈ চাৰুৰ মৈদামৰ কাষতে ভানুমতীৰ মৈদাম সজাই দুজোপা গছ-ৰুই শুভদিন চাই গছ দুজোপাৰ বিয়া পাতি দিয়ে।

ভানুমতী এটি সুন্দৰ আখ্যান। বুৰঞ্জীৰ আলম লৈ ৰচা লেখকৰ কাল্পনিক কাহিনী।

**১.২ 'ভানুমতী'ৰ চৰিত্ৰ-চিত্ৰণঃ**

'ভানুমতী' উপন্যাসখনৰ চৰিত্ৰসমূহ হ'ল- ভানুমতী, চাৰু গোহাঞি, মৰাণ গোহাঞিবৰুৱা, তৰা আইদেউ, ৰজা, কাঞ্চন, ভদৰী বুঢ়ী, চাকুলী বাই, ৰাণী অম্বিকাদেৱী। উপন্যাসখনৰ প্ৰধান চৰিত্ৰসমূহ আলোচনা কৰা হ'ল -

**ভানুমতীঃ** ভানুমতী উপন্যাসখনৰ মূল চৰিত্ৰ বা নায়িকা। মৰাণ গোহাঞিবৰুৱাৰ জীয়ৰী, চাৰু গোহাঞিৰ প্ৰেয়সী। উপন্যাসখনৰ আৰম্ভণিতে চৰিত্ৰটো পলায়নবাদী চৰিত্ৰলৈ পৰিণত হৈছে। কাৰণ দেউতাকে তাইক ৰাজকোঁৱৰলৈ বিয়া দিয়াৰ সিদ্ধান্তক বিৰোধিতা কৰিব নোৱাৰি ঘৰৰ পৰা পলাই গৈছে। কিন্তু উপন্যাসখনৰ নৱম অধ্যায়ৰ পৰা চৰিত্ৰটো সাহসী চৰিত্ৰলৈ পৰিণত হৈছে। স্বেচ্ছাছাৰী ৰজাৰ কবলৰ পৰা ৰাইজক উদ্ধাৰ কৰিবৰ বাবে মোৱামৰীয়া বিদ্ৰোহত অংশগ্ৰহণ কৰিছে। ৰজা বা কুঁৱৰীৰ প্ৰতি ব্যক্তিগত হিংসাৰ বাবে ভানুমতীয়ে ৰজাৰ বিৰুদ্ধাচৰণ কৰা নাই । এই সম্পৰ্কত ভানুৱে কৈছে-- "ময়ো যে কুঁৱৰীলৈ কিবা হিংসাৰ ভাৱত কৈছিলোঁ, এনে নহয়। কিয়নো, তাত মোৰ অলপো আস্থা নাই। মই নিজে ইচ্ছা কৰি সেই কুঁৱৰীক ৰাজপাট এৰি দি আহিলোঁ।"[১] -- এই বক্তব্যৰ জৰিয়তে চৰিত্ৰটোৰ মানসিক উৎকৰ্ষ প্ৰতিয়মান হয়। বিদ্ৰোহত অংশ গ্ৰহণ কৰিলেও অন্যায় বা ধ্বংসমূলক কাৰ্যৰ পৰা আঁতৰত আছিল আৰু আন বিদ্ৰোহীসকলকো এই কথা সকীয়াই দিছিল।

প্ৰেমৰ কাৰ্যত ভানু কৰ্ম তৎপৰ। ভানুৱে পোন প্ৰথমে মনৰ কথা প্ৰেমিকক জনোৱাত আগ ভাগ লৈছে। আনকি ৰজাই বন্দী কৰাৰ সময়ত প্ৰেমিকক উদ্ধাৰৰ বাবে অশেষ চেষ্টা কৰা কাৰ্যই প্ৰেমিকা ভানুমতীৰ কৌশল আৰু চৰিত্ৰৰ সবলতাক প্ৰতিপন্ন কৰিছে।

**চাৰু গোহাঞিঃ** উপন্যাসখনৰ নায়ক চাৰু গোহাঞি অতি সাধু প্ৰকৃতিৰ, সৰল মনৰ। নায়িকা ভানুমতীৰ প্ৰেমৰ তেওঁ উপযুক্ত প্ৰতিদান দিব পৰা নাই। ভানুৰ বিয়া ৰাজকোঁৱৰলৈ ঠিক হোৱাৰ কথা গম পাই তাক কপালৰ লিখন বুলিহে মানি লৈছে। এই কথাৰ পৰা গম পোৱা যায় চৰিত্ৰটো পৰিস্থিতিৰ দাস, নিয়তিৰ বিধি মানি ল'বলৈ বাধ্য। তদুপৰি ভানুমতী নিৰুদ্দেশ হোৱাৰ পাছতো প্ৰণয়ীক বিচৰাৰ ব্যৱস্থা কৰা নাই। প্ৰেমৰ ক্ষেত্ৰত ঔপন্যাসিকে চৰিত্ৰটো দুৰ্বল ৰূপত উপস্থাপন কৰিছে যদিও চৰিত্ৰটোৰ নৈতিক সাহস নুই কৰিব নোৱাৰি। ভানুৱে সখীয়েক তৰা আইদেউ আৰু কাঞ্চনৰ সহযোগত বন্দীশালত থকা চাৰুক মুকলি কৰিবৰ চেষ্টা কৰিছিল যদিও চাৰু মান্তি হোৱা নাই। কাৰণ ৰজাৰ আদেশ অবিহনে এনে কাম কৰি চাৰুৱে পলৰীয়া নাম ল'বলৈ নিবিচাৰিলে। সেয়েহে ভানুমতীয়ে তেওঁক উদ্ধাৰ কৰি নিয়াৰ কাৰ্যত প্ৰতিবাদ কৰি কৈছে -- *"পলাই যাম? তুমিও এনে কথা কোঁৱা নে ভানু।"*[২]

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই চাৰু গোহাঞি চৰিত্ৰটো সম্পৰ্কে উল্লেখ কৰিছে, *"চাৰু গোহাঞিৰ চৰিত্ৰটো*

*পঁয়ালগা হ'ল, চৰিত্ৰটো ভানুৰ প্ৰেমৰ নিমিত্ত মাথোন। যান্ত্ৰিকভাৱে ট্ৰেজেডীৰ আদৰ্শ অনুসৰণ কৰা বাবেই চৰিত্ৰাংকণত এনে বিচ্যুতি ঘটিল যেন বোধ হয়।"*[৩]

উপন্যাসখনত চাৰু গোহাঞি চৰিত্ৰটো অবিকশিত ৰূপত দেখা গ'ল। নায়িকা ভানুৰ অনুপাতে চাৰু সক্ৰিয় নোহোৱাত উপন্যাসখনৰ সংঘাত বা দ্বন্দ বহু পৰিমানে সীমিত হৈ পৰিল।

**মৰাণ গোহাঞিবৰুৱাঃ** উপন্যাসখনত চৰিত্ৰটোৰ মহানুভৱতা, উদাৰতা প্ৰকাশ পাইছে। ঘাটমাউৰা চাৰুক নিজৰ ঘৰলৈ আনি নিজ সন্তানৰ দৰে মৰম চেনেহ কৰিছে। কিন্তু তেওঁৰ জীয়ৰী ভানুমতী ঘৰৰ পৰাই পলাই যোৱাত বিচৰাৰ ব্যৱস্থা কৰাৰ কথা উপন্যাসখনত পোৱা নাযায়। তদুপৰি এগৰাকী উচ্চ পদবী সম্পন্ন ব্যক্তিয়ে ৰজাৰ সকলো অন্যায় নিৰ্বিবাদে সহ্য কৰি যোৱাত চৰিত্ৰটোৰ দুৰ্বলতা প্ৰকাশ পাইছে। মৰাণ গোহাঞিবৰুৱা চৰিত্ৰটো উপস্থাপনত ঔপন্যাসিক সফল হোৱা নাই।

**তৰা আইদেউঃ** তৰা আইদেউ ৰজাৰ জীয়ৰী, ভানুমতীৰ সখী। তৰা আইদেউৱে ভানুমতীৰ দৰে চাৰু গোহাঞিক মনে মনে ভাল পাইছিল। ৰাজকীয় ক্ষমতাৰে নিজৰ ভালপোৱাক হস্তগত কৰিব পাৰিলেহেতেঁন যদিও উপন্যাসখনত তৰা আইদেউৰ চৰিত্ৰত সখীত্বমূলক ভাব প্ৰকাশ পালে। তৰা আইদেৱে ভানু-চাৰুৰ মিলনৰ বাবে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে ঔপন্যাসিকে আদৰ্শ প্ৰেমৰ পূজাৰিণী ৰূপেহে তৰা আইদেউক উপস্থাপন কৰিছে।

**ৰজাঃ** উপন্যাসখনত ৰজাৰ নাম উল্লেখ কৰা নাই যদিও পৰিস্থিতি আৰু ঘটনাৱলীলৈ লক্ষ্য ৰাখি ৰুদ্ৰসিংহ আৰু তেওঁৰ পুত্ৰ শিৱসিংহৰ ৰাজত্বৰ কথা উল্লেখ আছে বুলি ক'ব পাৰি। অৱশ্যে ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ বিষয়ে বৰ বিশেষ উল্লেখ নাই। শিৱসিংহই ভানুমতীক পানিপাৰ্থী হিচাপে নোপোৱাৰ অপমানতেই প্ৰতিশোধ পৰায়ন হৈ পৰিছে আৰু তাৰ ফলস্বৰূপে ভানুমতী, চাৰু গোহাঞি আৰু তৰা আইদেউৰ জীৱন ধ্বংস হৈ পৰে।

**ভদৰী বুঢ়ীঃ** উপন্যাসখনত ভদৰী বুঢ়ীয়ে পুৰুষবেশেৰে ঘৰৰ পৰা পলাই যোৱা ভানুমতীক আশ্ৰয় প্ৰদান কৰিছে। ভদৰী বুঢ়ী চৰিত্ৰটোৰ জৰিয়ত ঔপন্যাসিকে সহজ-সৰল, হঠাতে কাৰোবাক আপোন কৰি ল'ব পৰা গুণৰ অধিকাৰী গাঁৱলীয়া সমাজৰ নাৰীৰ চৰিত্ৰ অংকন কৰিছে।

এইসমূহ চৰিত্ৰৰ উপৰিও তৰা আইদেউৰ সখীয়েক কাঞ্চন, শিৱসিংহৰ পত্নী ৰাণী অম্বিকাদেৱী, ভানুৰ ঘৰত কাম কৰা চাকুলী বাই, বৰগোহাঞি, চাওদাঙ্গ আদি চৰিত্ৰৰ নাম উল্লেখ আছে।

**১.৩ 'ভানুমতী'ত প্ৰতিফলিত সমকালীন সমাজ জীৱনঃ**

উপন্যাসখনত সমান্তৰালভাৱে দুখন সমাজ চিত্ৰিত হৈছে। এখন হৈছে আহোম শাসনতন্ত্ৰৰ ৰাজকীয় সমাজ আৰু আনখন সাধাৰণ সমাজ। আহোম ৰজাৰ চ'ৰাৰ বৰ্ণনা, বিষয়া, ডা-ডাঙৰীয়াৰ আভিজাত্যপূৰ্ণ ঘৰ-দুৱাৰ, মৰাণ গোহাঞিবৰুৱাৰ ঘৰত থকা লগুৱা লিকচৌ আদিৰে ভৰপূৰ ঘৰৰ বৰ্ণনা আছে। অৱশ্যে ৰাজকীয় সমাজ ব্যৱস্থাতকৈ সাধাৰণ সমাজৰ ছবিয়ে বেছি গুৰুত্ব লাভ কৰিছে।

উপন্যাসখনত বিশেষকৈ গাঁৱলীয়া সমাজৰ দৃশ্য প্ৰতিফলিত হৈছে। গাঁৱৰ সমাজ এখনত কৃষিয়েই জীৱিকাৰ প্ৰধান উপায়। উপন্যাসখনত ব্যৱহাৰ হোৱা ভঁৰাল ঘৰ শব্দটোৱে কৃষিজীৱী সমাজ এখনৰ আভাস দিয়ে। তদুপৰি উপন্যাসখনৰ আৰম্ভণীতে ভানুমতীৰ মুখেৰে প্ৰকাশ পাইছে-- *"জেঠৰ বাৰখৰৰ তৃতীয় খৰ। ৰ'দে খাঁও খাঁও মূৰ্ত্তি ধৰিছে। আকাশত মৰল দিছে। গছৰ পাত লেৰেলি পাতত দিয়া টেঙেচিৰ দৰে হৈছে। বাহিৰত ধানলুভীয়া কাউৰী আৰু ধান হাতত দিয়া বোৱাৰীত বাজে দেউ-মনিচ্ কাকো দেখিবলৈ নাই। সকলো ভিতৰত বহি শাঁত হৈছে। কিন্তু বোৱাৰী বেটীৰ শক্তি নাই। ধান হাতত দিওঁতে হাইৰাণ। ঘামে জুৰুলি বৈছে। কপালৰ ঘাম বৈ আহি চকু ছাটি পেলাইছে। তথাপি এফেৰি জিৰাবৰ সাধ্য নাই।"*[৪] -- ইয়াৰ জৰিয়তে গাঁৱলীয়া সমাজৰ কৰ্মময় জীৱনৰ ছবি প্ৰতিফলিত হৈছে।

গাঁৱলীয়া সমাজত বসবাস কৰা মানুহৰ অকৃত্ৰিম মৰম চেনেহ আৰু সহজ-সৰল মনৰ প্ৰকাশ পাইছে। অতি সহজেই সকলোকে আপোন কৰি ল'ব পাৰে। তাৰ এক উদাহৰণ হৈছে ভদৰী বুঢ়ী। ভানুমতী ল'ৰাৰ বেশত পলাই গৈ ভদৰী বুঢ়ীৰ ঘৰত সোমোৱাৰ কথা উপন্যাসখনত উল্লেখ আছে। বুঢ়ীয়ে তাইৰ অৱস্থা দেখি আলপৈচান ধৰিছে আৰু কৈছে-- *"আই ঐ দেহি। পানী টোপানো কি বস্তু দিব পাৰিমতো। বহাঁ ইয়াতে বহাঁ সোণাই, ইয়াতে বহাঁ।"*[৫] এই বুলি কৈ আগদিনাৰ পৰা তাই একো নোখোৱাৰ কথা জানি ভিতৰৰ পৰা গুৰ আৰু সান্দহ আনি খাবলৈ দিছে। এনেধৰণৰ বৰ্ণনাই ভদৰী বুঢ়ীৰ অতিথি পৰায়ণতা মনৰ আভাস পাব পাৰি। সাধাৰণতে গাঁৱলীয়া সমাজতহে এনেধৰণৰ মৰম স্নেহ, আচাৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়।

উপন্যাসখনত অসমৰ সাংস্কৃতিক জীৱনৰো প্ৰতিফলন ঘটিছে। অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান বিয়াৰ আয়োজনৰ কথা উল্লেখ আছে। ভানুমতীৰ বিবাহৰ উপলক্ষে তামোল-পান, গুৰ-গাখীৰ লগোৱা, গায়ন, ঢুলীয়া, নামতি আদিৰ ব্যৱস্থা কৰা কাৰ্যই এখন সংস্কৃতিপূৰ্ণ বিবাহৰ ইংগিত দিছে। তদুপৰি অসমীয়া সংস্কৃতিৰ প্ৰতীক নামঘৰৰ কথাও উপন্যাসখনত উল্লেখ আছে। এইসমূহৰ উপৰিও সেই সময়ৰ অসমীয়া সমাজ জীৱনৰ প্ৰচলিত লোক বিশ্বাস, কু-সংস্কাৰৰ চিত্ৰ প্ৰতিফলিত হৈছে। উদাহৰণস্বৰূপে মৰাণ গোহাঞি বৰুৱাই সন্তান লাভৰ বাবে পূজা-পাতল কৰা, সাপে খুঁটাত বেজ আহি তন্ত্ৰ-মন্ত্ৰৰ জৰিয়তে ভানুক সুস্থ কৰাৰ কথা উল্লেখ আছে।

'ভানুমতী'ত সেই সময়ৰ ৰাজনৈতিক দিশসমূহো প্ৰতিফলিত হৈছে। উপন্যাসখনৰ অষ্টম অধ্যায়ত মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ উল্লেখ আছে। শিৱসিংহৰ পত্নী অম্বিকাদেৱীয়ে দুৰ্গা পূজালৈ নিমন্ত্ৰণ কৰি আনি মোৱামৰীয়া বৈষ্ণৱ মহন্তসকলক বলেৰে মূৰ্তি সেৱা কৰোৱা, কপালত সেন্দুৰৰ ৰঙা ফোঁট, চন্দন আৰু বলি কটা তেজেৰে ফোঁট দিয়া আৰু দেৱীৰ প্ৰসাদ খুওৱা কাৰ্য এক ঐতিহাসিক ঘটনা। এই অপমানত বৈষ্ণৱ মহন্তসকলে একগোট হৈ ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰে আৰু ঔপন্যাসিকে ভানুমতী চৰিত্ৰটোক ছদ্মবেশৰে বিদ্ৰোহত অংশগ্ৰহণ কৰোৱাইছে। তদুপৰি ৰজা শিৱসিংহই বিনা দোষত ভানু-চাৰুৰ ওপৰত লোৱা প্ৰতিশোধৰ কাৰ্যই সামন্তযুগীয় স্বেচ্ছাচাৰী শাসন ব্যৱস্থাৰ প্ৰতিফলন ঘটিছে।

'ভানুমতী' উপন্যাসখনত ৰাজকীয় আৰু সাধাৰণ লোকৰ অৰ্থনৈতিক দিশৰো প্ৰতিফলন ঘটিছে। ৰাজকীয় লোকৰ সুখ স্বাচ্ছন্দৰে ভৰা জীৱনৰ বিপৰীতে সাধাৰণ প্ৰজাৰ দুখ দাৰিদ্ৰ্যৰে কটোৱা জীৱনৰ দৃশ্য প্ৰকাশ পাইছে।

উপন্যাসখনত প্ৰতিফলিত সমাজ ব্যৱস্থাৰ ক্ষেত্ৰত এটা কথা মন কৰিবলগীয়া যে ঔপন্যাসিকে অষ্টাদশ শতিকাৰ ঐতিহাসিক সমাজৰ লগতে তেওঁৰ সময়ৰ সমাজখনৰো বিভিন্ন দিশৰ প্ৰতিফলন ঘটাইছে।

**২.০ 'ভানুমতী' উপন্যাসৰ সামগ্ৰিক বিশ্লেষণঃ**

'ভানুমতী' ঔপন্যাসিকৰ প্ৰথম উপন্যাস। কম পৰিসৰতে কাহিনী উপস্থাপন কৰি ঔপন্যাসিকে সৰল অথচ আকৰ্ষণীয় কথন ভংগীৰে উপন্যাসখন ৰচনা কৰিছে। কাহিনী, চৰিত্ৰ, সংলাপ, পৰিৱেশ, আদৰ্শ আৰু ৰচনাৰীতিৰ ফালৰ পৰা 'ভানুমতী' ঔপন্যাসিকৰ মৌলিক ৰচনা বুলি ক'ব পাৰি। ইয়াৰ মূলতে উপন্যাসখনত প্ৰতিফলিত হোৱা সমাজ জীৱনৰ চিত্ৰ আৰু আহোম ৰাজতন্ত্ৰৰ আভাস। গোহাঞিবৰুৱাৰ পূৰ্বে খ্ৰীষ্টান মিছনেৰীসকলে ৰচনা কৰা উপন্যাসধৰ্মী কাহিনীবোৰত অসমীয়া সমাজৰ চিত্ৰ নাইবা আহোম শাসন ব্যৱস্থাৰ কথা উল্লেখ নাছিল।

উপন্যাস খনক কোনো কোনোৱে সমাজ-ঐতিহাসিক পাৰিবাৰিক শোকাবহ উপন্যাস বুলি অভিহিত কৰিছে। কিন্তু ঔপন্যাসিকে 'ভানুমতী'ক সামাজিক ঘৰুৱা উপন্যাস বুলিহে স্বীকাৰ কৰি গৈছে। উপন্যাস খনত কাল্পনিক কাহিনী এটাক বুৰঞ্জীৰ পটভূমিত ৰচনা কৰিছে। কল্পনাৰ দ্বাৰা অতীতৰ সত্তা এটাক ঐতিহাসিক গতি-প্ৰবাহৰ সৈতে সংমিশ্ৰণ কৰি লেখাত ঔপন্যাসিক কৃতকাৰ্য হৈছে।

উপন্যাসখনত নাৰী চৰিত্ৰৰ প্ৰাধান্য পৰিলক্ষিত হয়। পুৰুষ চৰিত্ৰৰ বিপৰীতে নাৰী চৰিত্ৰৰ কৰ্ম তৎপৰতা

দেখা যায়। নামকৰণো নাৰী চৰিত্ৰৰে কৰা হৈছে। নাৰীকেন্দ্ৰীক উপন্যাসৰ বৈশিষ্ট্য প্ৰতিফলিত হৈছে।

'ভানুমতী' আত্মবিবৃত্তিমূলক উপন্যাস যদিও শেষৰ ফালে ভানুমতীৰ আত্মবিবৃত্তিৰ সলনি ঔপন্যাসিকে কাহিনীভাগ নিজে ব্যক্ত কৰিছে। ভানুৰ মৃত্যুৰ পাছতো কাহিনী আগবাঢ়ি গৈছে। ভানুমতী যিহেতু উপন্যাসখনৰ বক্তা, নায়িকা তেনেস্থলত তাইৰ মৃত্যুৰ পাছত কাহিনী সমাপ্ত হ'ব লাগিছিল বা চৰিত্ৰটোক অন্য দিশেৰে উপস্থাপন কৰিব পাৰিলেহেতেঁন। এইক্ষেত্ৰত উপন্যাসখনত খুঁত ৰৈ গৈছে। চৰিত্ৰ চিত্ৰায়নৰ ক্ষেত্ৰতো কিছু বিসংগতি দেখা যায়। বিশেষকৈ নায়িকা ভানুমতীয়ে বহুদিন ধৰি ভদৰী বুঢ়ীৰ ঘৰত পুৰুষৰ বেশত থকাটো বিশ্বাসযোগ্য নহয়।

দুই এক সীমাবদ্ধতা ৰৈ গৈছে যদিও ঔপন্যাসিকে উপন্যাসৰ কাহিনীভাগ অতি দক্ষতাৰে উপস্থাপন কৰিছে। ভানুমতীৰ মানসিক দ্বন্দ, ভানুৰ মনৰ সূক্ষ্ম সূক্ষ্ম অনুভূতিসমূহ বিচক্ষণতাৰে প্ৰকাশ কৰিছে। উপন্যাসৰ সকলোবোৰ উপাদান 'ভানুমতী'ত ৰক্ষিত হৈছে।

গোহাঞিবৰুৱাই নিচেই কম বয়সতে 'ভানুমতী' ৰচনা কৰি অসমীয়া উপন্যাসৰ জয়যাত্ৰা সূচনা কৰি থৈ গ'ল। চাৰু-ভানুৰ প্ৰেমৰ কাহিনীৰে সমৃদ্ধ 'ভানুমতী'য়ে অসমীয়া সাহিত্যত প্ৰথম অসমীয়া উপন্যাসৰ স্থান অধিকাৰ কৰি আছে।

**পাদটীকাঃ**

১. অসম প্ৰকাশন পৰিষদ। গোহাঞিবৰুৱা ৰচনাৱলী। পৃষ্ঠা নং ৪৯৯
২. অসম প্ৰকাশন পৰিষদ। গোহাঞিবৰুৱা ৰচনাৱলী। পৃষ্ঠা নং ৫০৯
৩. ৰাজখোৱা, অৰবিন্দ। চাৰিখন অসমীয়া উপন্যাসৰ বিচাৰ বিশ্লেষণ। পৃষ্ঠা নং ২১
৪. অসম প্ৰকাশন পৰিষদ। গোহাঞিবৰুৱা ৰচনাৱলী। পৃষ্ঠা নং ৪৮৬
৫. অসম প্ৰকাশন পৰিষদ। গোহাঞিবৰুৱা ৰচনাৱলী। পৃষ্ঠা নং ৪৯৮

**গ্ৰন্থপঞ্জীঃ**

অসম প্ৰকাশন পৰিষদ। গোহাঞিবৰুৱা ৰচনাৱলী। চতুৰ্থ প্ৰকাশ, ২০০৮।
ৰাজখোৱা, অৰবিন্দ। চাৰিখন অসমীয়া উপন্যাসৰ বিচাৰ বিশ্লেষণ। দত্ত প্ৰকাশন, ২০০৯।
বৰা, প্ৰফুল্লচন্দ্ৰ। পদ্মনাথ গোহাঞিবৰুৱা। ISBN 978-81-260-0216-0। তৃতীয় মুদ্ৰণ, ২০১৭।
বৰা, ৰণদ্বীপ (সম্পা.)। গোহাঞিবৰুৱাৰ সৃষ্টি আৰু চিন্তা। ডিব্ৰুগড় বিশ্ববিদ্যালয়। প্ৰথম প্ৰকাশ- ২০১৩।

**গৱেষণা গ্ৰন্থ**

দাস, ৰিতুমণি। অসমীয়া উপন্যাস ভানুমতী আৰু মনিপুৰী উপন্যাস মাধৱীঃএক তুলনামূলক অধ্যয়ন। ডিব্ৰুগড় বিশ্ববিদ্যালয়। ২০১৬।

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ *ঈয়াৰুইঙ্গম* উপন্যাসত প্ৰতিফলিত ৰাজনৈতিক অস্থিৰতা আৰু সংঘাত

**গুণমণি গগৈ**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ডিমৌ মহাবিদ্যালয়, ফোন- ৭৮৫৪৩০৭৫৯৯
মেইল- gmonigogoi88@gmail.com

**সংক্ষিপ্তসাৰ:**

নগাপাহাৰৰ এছোৱা বিশেষ সময়ক প্ৰতিফলিত কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ঈয়াৰুইঙ্গম' অসমীয়া সাহিত্যৰ এখন উচ্চমানৰ উপন্যাস হিচাপে পৰিগণিত। ঐতিহাসিক নগা বিদ্ৰোহ এই উপন্যাসৰ বিষয়বস্তু। তদানীন্তন নাগালেণ্ডত দেখা দিয়া বৈপ্লৱিক বিকাশ ঈয়াৰুইঙ্গম উপন্যাসৰ যোগেদি ফুটাই তোলা হৈছে। নাগাভূমিৰ ৰাজনীতি, বিচ্ছিন্নতাবাদী আন্দোলন, শান্তি সম্প্ৰীতিৰ প্ৰতি আকৰ্ষণ আৰু নগা জীৱনৰ স্বাভাৱিক পৱিত্ৰতা উপন্যাসখনিৰ মাজেদি প্ৰতিফলিত কৰা হৈছে। দ্বিতীয় মহাসমৰৰ তিক্ত অভিজ্ঞতাই আচ্ছন্ন কৰি থোৱা নগাপাহাৰবাসীৰ মনত স্বাধীনতাৰ স্বপ্নই সাৰ পাই উঠিছিল। তদানীন্তন শাসন ব্যৱস্থাৰ প্ৰৰোচনা, অৱহেলাই নগাহাৰবাসীক ক্ষুব্ধ কৰি তুলিছিল আৰু তেনে এক বিপন্ন পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁলোকে সংগ্ৰামৰ পথ অৱলম্বন কৰিছিল।

**বীজ শব্দ:** ৰাজনৈতিক সংঘাত, অস্থিৰতা, আঞ্চলিকতা, অখণ্ডতা আদি।

## ০.০ অৱতৰণিকা

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ঈয়াৰুইঙ্গম' উপন্যাসৰ পটভূমি হৈছে নগাপাহাৰৰ ৰাজনৈতিক আন্দোলনৰ পটভূমি। ইয়াৰ বিষয়বস্তু প্ৰধানত নগা বিদ্ৰোহ। দ্বিতীয় মহাযুদ্ধৰ বিশ্বজোৰা ধ্বংসযজ্ঞৰ কথা সৰ্বজনবিদিত। কুৰি শতিকাৰ চতুৰ্থ দশকৰ এই বিপৰ্যয়ৰ প্ৰভাৱৰ পৰা সমগ্ৰ ভাৰত ভূমিৰ লগতে অসমো বাদ পৰা নাছিল। অসমৰ সীমামূৰীয়া অঞ্চল মণিপুৰৰ উখুল নগাভূমি পৰ্যন্ত জাপানী সৈন্যই অধিকাৰ কৰিছিল। আনহাতে পশ্চিমৰ পৰা মিত্ৰশক্তি আহি কহিমাত শিবিৰ পাতিছিল। এই দুই শক্তিৰ ধ্বংস লীলাই মণিপুৰৰ উখুলবাসীৰ লগতে সমগ্ৰ নগাপাহাৰবাসীৰ জীৱন বিষময় কৰি তুলিছিল। যুদ্ধ শেষ হ'ল কিন্তু থাকি গ'ল তাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ। ফলস্বৰূপে উদ্ভৱ হোৱা অনেক সমস্যাৰ চাকনৈয়াত পৰি নগাপাহাৰবাসী দিশহাৰা হৈ পৰিল। তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক জীৱনত চাৰিওফালে অস্থিৰতাই বিৰাজ কৰিলে। সেই অস্থিৰতাৰ অৱসান ঘটাই স্বাভাৱিক জীৱন ঘূৰাই অনাৰ আশাৰে নগাপাহাৰবাসীৰ এচামে হিংসাত্মক পন্থাৰে নিজাববীয়াকৈ চৰকাৰ পাতি সকলো সমস্যাৰ

সমাধান কৰিবলৈ কাৰ্যপন্থা হাতত লয়। স্বাভাৱিকতে আহি পৰে দুয়ো পক্ষৰ মাজত সংঘাত, তদানীন্তন নগাপাহাৰৰ বুকুত দেখা দিয়া সেই সংঘাত ঈয়াৰুইঙ্গম উপন্যাসত অতি বাস্তৱৰূপত ফুটাই তোলা হৈছে।

*ঈয়াৰুইঙ্গম* উপন্যাসৰ পটভূমি হৈছে নগা পাহাৰৰ ৰাজনৈতিক আন্দোলনৰ পটভূমি। ইয়াৰ বিষয়বস্তু প্ৰধানত নগা বিদ্ৰোহ। এই বিষয়বস্তুক কাহিনীৰ ৰূপ দিবলৈ যিবিলাক উপাদানৰ সহায় লোৱা হৈছে সকলো বোৰেই সেই পটভূমিৰ পৰাই উদ্ভূত।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ঈয়াৰুইঙ্গম' উপন্যাসত চিত্ৰিত তদানীন্তন নগাভূমি (এতিয়াৰ নাগালেণ্ড)ৰ ৰাজনৈতিক অস্থিৰতা, দ্বন্দ্ব, সংঘাতৰ বিষয়ে আলোচনা কৰাই এই অধ্যয়নৰ উদ্দেশ্য। দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংসকাৰী প্ৰভাৱ, একে সময়তে ভাৰতৰ স্বাধীনতা আন্দোলনৰো সুদূৰপ্ৰসাৰী প্ৰভাৱে নগাপাহাৰবাসীৰ জীৱন কেনেদৰে বিপৰ্যস্ত কৰি তুলিছিল এই আলোচনাত সেই দিশসমূহ ফঁহিয়াই চাবলৈ প্ৰয়াস কৰা হ'ব।

**০.৩ অধ্যয়নৰ পদ্ধতিঃ**

এই অধ্যয়ন আৰু আলোচনাৰ পদ্ধতি হ'ব প্ৰধানকৈ বিশ্লেষণাত্মক। ঈয়াৰুইঙ্গম উপন্যাসত প্ৰতিফলিত তৎকালীন নগাপাহাৰৰ অহিংস আৰু সশস্ত্ৰ দুই পৰস্পৰ বিৰোধী আন্দোলনৰ টনা-আজোৰাত পৰি সৰ্বসাধাৰণ নগাপাহাৰবাসীৰ জীৱন কেনেদৰে ৰাজনীতিৰ জটিল পাকচক্ৰত সোমাই পৰিছিল সেয়া এই অধ্যয়নত বিশ্লেষণ কৰিবলৈ যত্ন কৰা হ'ব।

**১.০ বিষয়ৰ আলোচনা**

'ঈয়াৰুইঙ্গম' প্ৰাথমিকভাবে নগাপাহাৰৰ ৰাজনীতিক লৈ আৰু ইয়াৰ ৰাজনৈতিক চৰিত্ৰাৱলীৰ প্ৰধান চৰিত্ৰ দুটি নগা পাহাৰৰ বাস্তৱ ৰাজনীতিৰ পৰা আহৰণ কৰা। গতিকে ইয়াৰ পটভূমি, কাহিনী, বিষয়বস্তু সকলো দিশতে প্ৰাথমিকভাবে নগাভূমি আৰু তাৰ ৰাজনীতিক লৈ ৰচিত উপন্যাস। যিহেতু দ্বিতীয় মহাযুদ্ধৰ এই সময়খিনিয়ে আছিল ভাৰতৰ স্বাধীনতা লাভৰো সময় সেয়ে ভাৰতৰ স্বাধীনতা আন্দোলনৰো প্ৰভাৱ উপন্যাসৰ চৰিত্ৰসমূহৰ ওপৰত পৰিছে। দৰাচলতে যুদ্ধ আৰু নগাৰ স্বাভিমান তথা আন্দোলনৰ তিনিতৰপীয়া প্ৰভাৱত নগাপাহাৰবাসীৰ মনোজগতৰ থৌকিবাথৌ অৱস্থা উপন্যাসখনিত দক্ষতাৰে চিত্ৰিত কৰা হৈছে।

যুদ্ধই সৃষ্টি কৰা কলংকময় জীৱনৰ সাক্ষী চাৰেংলা নামৰ দুৰ্ভগীয়া নাৰীগৰাকী। যিয়ে আজীৱন সেই কলংকৰ পৰা নিস্তাৰ নাপালে। চাৰেংলাই জাপানী সৈন্যৰ হাতত দেহৰ শুচিতা হেৰুৱাই তাৰ ৰক্ষিতা হৈ জীৱন কটাব লগা হোৱা ঘটনাত আতংকিত হৈ সকলো নাগিনী গাভৰুৱে মুকলিমুৰীয়া জীৱন বাদ দিব লগা হৈছিল। নিজৰাৰ পৰা পানী আনিবলৈ যাওঁতে,পথাৰত ধান চপাওতে,খৰি আনিবলৈ যাওঁতে কেনেবাকৈ ধৰ্ষিতা হোৱাৰ ভয়ে সিহঁতৰ মন সংকুচিত কৰি ৰাখিছিল। ইফালে-সিফালে নাগিনী ছোৱালীৰ দেহ সম্ভোগৰ বাসনাৰে ঘূৰি ফুৰা বগা চিপাহীবোৰেও সিহঁতক অনবৰতে ভীতিবিহ্বল কৰি ৰাখিছিল।

ৰিশ্বাং, ফানিটফাং আৰু খাটিঙ নামৰ তিনিজন নগা যুৱকে নগাপাহাৰৰ উন্নয়নৰ আশাৰে ভি ফৰ্চত যোগ দিছিল। মিত্ৰপক্ষৰ সেনাপতি আৰু চীফ কমিশ্যনাৰে কৈছিল যে যুদ্ধত যদি সহায় কৰে তাৰ বিনিময়ত ৰিশ্বাংহঁতক দিব অনেক স্কুল, হাস্পতাল আৰু উন্নত ৰাস্তাঘাট। সেই প্ৰলোভনত ভোল গৈ ৰিশ্বাংহঁতে বাট দেখুৱাই সিহঁতক জাপানী সৈন্য আক্ৰমণৰ সুবিধা কৰি দিয়ে। কিন্তু কহিমাৰ পৰা দুৰ্গম পৰ্বত, অটব্য হাবিৰ মাজেৰে বাট দেখুৱাই আনি জন্মভূমিত উপস্থিত কৰোৱা সৈন্যবোৰে সিহঁতৰ প্ৰতি কৃতজ্ঞতা দেখুওৱাৰ সলনি নাগিনী গাভৰুবোৰৰ প্ৰতি দেখুওৱা অসন্মানে ৰিশ্বাংহঁতক ভীষণ বিতুষ্ট কৰি তোলে। সেই অবিচাৰ দেখিও নিৰৱে সহি থাকিবলগা হোৱাত নিষ্ফল ক্ৰোধত ৰিশ্বাংহঁত অস্থিৰ হৈ পৰে।

আনহাতে মিত্ৰপক্ষৰ সৈন্যই হওক বা জাপানী সৈন্যই হওক কাকোৱেই বিশ্বাসত ল'ব নোৱৰা নাজেকৰ দৰে নগাই ভাবে মিত্ৰপক্ষৰ নিজৰ স্বাৰ্থপূৰণৰ পথ সুগম কৰিবলৈ নগাৰ সহায়ৰ প্ৰয়োজন হোৱাৰ বাবেহে সিহঁতক স্কুল,হস্পিতেল দিয়াৰ আশা দিছে। সেই আশা কোনোদিনে ফলৱৰ্তী নহ'ব।

আনহাতে জাপানী সৈন্যই বোমাবিস্ফোৰণ ঘটাই গাঁওখন ধ্বংস কৰি পেলালে। সৈন্যৰ ভয়ত নগাপাহাৰবাসী দূৰ-দূৰণিৰ আৰণ্যক অঞ্চলত গোপনে বসবাস কৰিব লগা হ'ল। কষ্টেৰে চপোৱা ভঁৰালৰ ধানকেইটাও সৈন্যবোৰে কাঢ়ি লৈ গৈছিল। সেই ধৰণৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈকে ৰিশ্বাং,খাটিং, ফানিটফাংহঁতে মিত্ৰপক্ষৰ সৈন্যক বাট দেখুৱাই আনিছিল জাপানী সৈন্যক খেদিবৰ বাবে। মিত্ৰপক্ষৰ সৈন্যবোৰেও নাগিনী তিৰোতাৰ প্ৰতি কৰা আচৰণ দেখি বুজি উঠিলে যে কাৰো ওচৰত সিহঁত সুৰক্ষিত নহয়, সেয়া মিত্ৰপক্ষই হওক বা জাপানী সৈন্যই হওক। এই কথাই ফানিটফাঙৰ মনো নিৰাশ কৰি তুলিলে। তেনে সময়তে এদিন মিত্ৰপক্ষইও নগাভূমি এৰি গুছি যায়।

স্কুল হস্পিতেল, ৰাস্তা-ঘাটৰ প্ৰলোভন দি প্ৰকৃততে যে সিহঁতক প্ৰৱঞ্চনা কৰিলে সেই কথা বুজি নগাপাহাৰবাসীৰ মন ক্ষোভ আৰু হতাশাৰে ভৰি পৰিল। সৈন্যৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাই নগাপাহাৰবাসী পুনৰ সোমাই পৰিল যুদ্ধজনিত বিভীষিকাৰ ফলস্বৰূপে দেখা দিয়া গ্ৰহণী,বসন্ত, মেলেৰীয়া আৰু অনেক অচিন বেমাৰৰ কবলত। ধান-চাউল আৰু অনান্য খাদ্যবস্তুৰ অভাৱ, দৰৱ-পাতিৰ অভাৱত নগাপাহাৰবাসীৰ মাজত চাৰিওফালে হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হ'ল। দাৰিদ্ৰৰ, যন্ত্ৰণাৰ মৰুভূমিসদৃশ এই পৰিৱেশৰ পৰা মুক্তি বিচাৰি নগাপাহাৰবাসীৰ মন অস্থিৰ হৈ পৰিল।

দ্বিতীয় মহাযুদ্ধত জাপানী সৈন্যৰ লগত আহি প্ৰকৃতপক্ষে বৃটিছক খেদাৰ মানসেৰে অহা ভিডেচেলীয়ে বিচাৰে ভাৰত প্ৰশাসনৰ পৰাই নগাভূমিক পৃথক কৰি এখন সাৰ্বভৌম ৰাজ্য পঢ়িবলৈ। তাৰ মতে-*" প্ৰথমতে দাসত্বৰ পৰা মুক্তি লাগে। স্বাধীনতা নহ'লে শিক্ষা শান্তি আৰু ক্ষতিপূৰণ একো নেপাব।" (ঈয়াৰুইঙ্গম, পৃ.৭৭)।* ভিডেচেলীৰ দৃঢ় বিশ্বাস সেই চৰকাৰে সিহঁতক একো নিদিয়ে। চৰকাৰৰ ওচৰত ভিক্ষা খুজি শিক্ষা, হস্পিতেল লোৱাৰ পক্ষপাতী সি নহয়। তাৰমতে সিহঁতে নিজে চৰকাৰ পাতিব আৰু তাৰপিছত সেইবোৰ সকলো হ'ব। এই মনোভাৱক নাজেকৰ দৰে স্বাভিমানী নগাইও পূৰ্ণ সমৰ্থন দিছিল। ভিডেচেলীৰ মতে-*"মানুহৰ বুকুত একুৰা জুই জ্বলিছে,...স্বাধীনতাৰ শান্তি পানী নপৰিলে এই জুই নুনুমায়।"(ঈয়াৰুইঙ্গম,পৃ.৮৫)*

ৰিশ্বাঙে উচ্চ শিক্ষা আহৰণ কৰি প্ৰেমৰ মহাস্ত্ৰ লৈ শান্তিৰ হকে যুঁজিবলৈ কলিকতালৈ যাবলৈ স্থিৰ কৰে। খাটিঙেও সৈন্য বাহিনীৰ চাকৰিত যোগদান কৰে। এনেদৰে গাৱঁৰ উন্নতিৰ হকে চিন্তা কৰা যুৱক গাঁৱৰ পৰা গুছি যোৱাত ফানিটফাং, এনভি আদি ডেকাইও অসহায় অনুভৱ কৰি দিশহাৰা হৈ পৰে। তেনে এক অৱস্থাত ভিডেচেলীৰ দৰে ডেকাই দেশক স্বাধীন কৰিবলৈ অৱলম্বন কৰা পথহে সেই শ্বাসৰুদ্ধকাৰী অৱস্থাৰ পৰা মুক্তি পোৱাৰ প্ৰশস্ত পথ বুলি সিহঁতৰ অনুভৱ হ'ল। ফানিটফাঙৰ ধাৰণা হ'ল -*"এই পথেদি গ'লেই সিহঁতে সোনকালে স্কুল, হস্পিতেল আৰু ক্ষতিপূৰণপাব। যেতিয়ালৈকে স্বাধীনতা নাপায় তেতিয়ালৈকে সিহঁতে যে অন্যৰ ওচৰত ভিক্ষাহে কৰিব লাগিব।" (ঈয়াৰুইঙ্গম, পৃ. ৮৭)*

নগাপাহাৰবাসীৰ মাজত ক্ৰমান্বয়ে বাঢ়ি অহা অস্থিৰতা আৰু তাৰ ফলস্বৰূপে গঢ়ি উঠা জাতীয় চৈতন্য উপন্যাসখনিত দক্ষতাৰে তুলি ধৰা হৈছে। ক্ষতিপূৰণৰ আৱেদন কৰি কৰি ভাগৰি পৰা নগাপাহাৰবাসীয়ে চৰকাৰৰ নিৰ্লিপ্ততাত অতিষ্ঠ হৈ স্বমুক্তিৰ পথ বিচাৰিছে। এই মুক্তিৰ চেতনা নিতান্তই স্বাভাৱিক। বিপদত পৰা মানুহে খেৰ-কুটা ডালকে সম্বল হিচাপে ল'ব বিচাৰে। সেয়ে ভিডেচেলীৰ পথ কিমান যুক্তিসংগত, নগাপাহাৰবাসীৰ অশা-আকাঙক্ষা পূৰণত কিমান ফলপ্ৰসু হ'ব সেই বিষয়ে গভীৰভাবে চিন্তা নকৰাকৈয়ে এচাম আতুৰ, দিশহাৰা মানুহে

ভিডেচেলীৰ আদৰ্শকে অনুকৰণ কৰি আন্দোলনৰ পথ লৈছে। সিহঁতক লাগে স্বাধীনতা। নিজৰ দেশত নিজে ৰজা হোৱাৰ স্বপ্নত বাউল এমুঠি নগাই সেয়ে মৰণপণ কৰি স্বাধীনতা আজুৰি আনিব বিচাৰিছে। প্ৰফুল্ল কটকীয়ে ক'বৰ দৰে-

> কাৰো সেও মানিব নোখোজা এটা কৰ্মঠ, দৃঢ়, চৰিত্ৰৱান পাহাৰী জাতিৰ স্বাধীনতা স্পৃহাই অৱস্থা বিশেষে কি ৰূপ ল'ব পাৰে সেই কথা লিখকে গমিপিতি চাইছে। শাসক গোষ্ঠীৰ দম্ভালি আৰু আওকণীয়া স্বভাৱে কেনেকৈ এই গণচেতনা অধিক শক্তিশালী হোৱাত সহায় কৰিলে সেই কথাৰো বিশ্লেষণ কৰা হৈছে। [১]

ৰিশ্বাঙে কলিকতাত গৈ দেখিলে মহানগৰীৰ বুকুত তেতিয়া ইনকিলাবৰ ঢৌ বাগৰিছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ভৰপকৰ সময় সেয়া। চাৰিওফালে মানুহে বিদ্ৰোহ কৰিছে। তেনে এক সময়তে ৰিশ্বাঙে এদিন ফানিটফাঙৰ পৰা চিঠি পাইছে। নগা পাহাৰত জাগি উঠা স্বাভিমানী চেতনাৰ কথা জনাই সি লিখিছে- *"বৰগছ হাউলিছে। আমি সাজু হৈছো। ভিডেচেলী আৰু আমি কঁকালত টঙালী বান্ধি ওলাইছো। তয়ো আহ পঢ়া-শুনা কৰি কি কৰিবি?"* [২]

তাৰ পিছতো কিন্তু ৰিশ্বাঙে শিক্ষা লাভৰ সুগভীৰ আগ্ৰহ লৈ সুকলমে শিক্ষা সাং কৰাৰ কথা ভাবিছে। এইখিনি সময়তে ৰিশ্বাঙৰ বিদ্ৰোহী বন্ধু অবিনাশ আৰু অমূল্যই ঘাতকৰ হাতত প্ৰাণ দিব লগা হোৱা ঘটনাই ৰিশ্বাঙৰ মন বিষাদকাতৰ কৰি তুলিছে। অৱশেষত শিক্ষা সাং নকৰাকৈয়ে ৰিশ্বাং ঘৰলৈ ঘূৰি আহিছে।

সুদীৰ্ঘ দিনৰ অন্তত নগাপাহাৰলৈ ঘূৰি আহি ৰিশ্বাঙে দেখিবলৈ পালে উখ্রুলৰ প্ৰত্যেক মানুহৰ মন জীৱন-মৃত্যু আৰু মৰম নিষ্ঠুৰতাৰ দ্বন্দ্বৰে ভৰি ভৰিছে। *"বহুদিনৰ সঞ্চিত ক্ৰোধ আৰু প্ৰতিশোধৰ পুঞ্জিভূত অগ্নিবাষ্প মানুহৰ হৃদয়ৰ স্তৰে স্তৰে জমা হৈ আছে।" (ঈয়াৰুইঙ্গম, পৃ.১১৭)*

ক্ষতিপূৰণৰ আশা পালি থাকোতে থাকোতে যুদ্ধ লগোৱা বৃটিছ চৰকাৰ গ'ল, তাৰ পিছত জাতীয় চৰকাৰ আহিল। তাৰ পিছতো কোনো সহাৰি নোপোৱাত শান্তি প্ৰয়াসী যুদ্ধবিৰোধী গাঁওবাসীও ভিডেচেলীৰ পন্থাৰ প্ৰতি মন মেলিবলৈ উপক্ৰম কৰিলে। টাংখুল গাঁৱৰ ওচৰ পাজৰৰ বহু গাঁৱৰ মানুহ আহি ৰিশ্বাঙক অনেক অভাৱ-অভিযোগৰ কথা জনালে। সেই অস্থিৰ,উদ্বাউল মানুহচামক শান্তিপূৰ্ণ ভাবেৰে সমস্যাৰ সমাধান কৰাৰ কথা বুজোৱা সহজ নহয়। ৰিশ্বাঙে তিনিচাৰিদিন মিটিং পাতি কোনো গণ্ডগোল নোহোৱাকৈ, খৰচি মাৰি কথাবোৰ আলোচনা কৰিলে আৰু চৰকাৰক এখন মেম'ৰেণ্ডাম দিয়াৰ কথাও জনালে।

সেইখিনি সময়তো ভিডেচেলীৰ মানুহে কিদৰে মানুহৰ মন ঘূৰাবলৈ চেষ্টা কৰিছিল সেই কথা উপন্যাসখনিত অতি নিপুণতাৰে অংকন কৰিছে। যুদ্ধৰ পৰিৱৰ্তে শান্তি বিচৰা নগাভূমিৰ এচাম মানুহে ভিডেচেলীৰ শসস্ত্ৰ সংগঠনৰ বিদ্ৰোহীৰ ভয়ত দিনে-ৰাতিয়ে কেনেদৰে ত্ৰস্তমান হৈ থাকিব লগা হৈছিল সেই কথাও উপন্যাসখনিত বৰ্ণনা কৰা হৈছে।

ৰিশ্বাং ব্যক্তিগত জীৱনত সাময়িকভাৱে ব্যস্ত হৈ পৰা সময়তে ভিডেচেলীৰ সংগঠনৰ মানুহে সক্ৰিয় হ'বলৈ উঠিপৰি লাগিছিল। ৰিশ্বাঙৰ অমনোযোগিতাৰ সুযোগ লৈ ভিডেচেলীৰ নেতৃত্বত গোপনে সমৰযোজনা চলিছিল। ৰিশ্বাঙৰ পক্ষৰ মানুহবোৰ শংকিত হোৱাৰ লগতে ভিডেচেলীৰ শক্তিৰ বিৰুদ্ধে থিয় দি অহিংস পন্থাৰে স্বাধীনতা লাভৰ এক অনিশ্চিত ভবিষ্যতেও মানুহবোৰক ব্যাকুল কৰি তুলিছিল। সেই সময়ছোৱাৰ নগাপাহাৰবাসীৰ শান্তিকামী জনতাৰ মাজত কেনেকুৱা ধৰণৰ অস্থিৰতা, অনিশ্চয়তাই বিৰাজ কৰিছিল সেই কথা ঔপন্যাসিকে অতি বাস্তৱানুগভাৱে দাঙি ধৰিছে-

> প্ৰতি পদে পদে য'ত জীৱনৰ ভয়, অথচ য'ত মানুহৰ আত্মাৰ জয়.- ত'ত সাহসেৰে খোজ পেলোৱা এক মহত্বৰ চিন। ভয়ত মানুহবোৰ চেপেটা লাগিছে। ... মানুহৰ অন্তৰৰ মাজত শান্তিৰ আকাঙ্খাই চেপা খাই

গোট মাৰিছে: ক'ৰবাৰ তেজাল সূৰ্যৰ অকণ কিৰণত সেই গোট মৰা আকাঙ্ক্ষা গলিব তাৰেই আশা কৰি সিহঁত নিৰুপায় হৈ বহি আছে।"[৩]

**২.০ উপসংহাৰঃ**

দ্বিতীয় মহাযুদ্ধই নগাপাহাৰৰ ৰাজনৈতিক, আৰ্থসামাজিক জীৱনলৈ অনা বিপৰ্যয়ৰ পৰিপ্ৰেক্ষিততে নগাসকলৰ মাজত উদ্ভৱ হোৱা জাতীয় চৈতন্যই উপন্যাসখনিৰ বিষয়বস্তু। মূলত ৰাজনৈতিক এই বিষয়বস্তুৰ লগতে যুদ্ধবিদ্ধস্ত মানুহৰ জীৱনৰ হাঁহাকাৰ, মানৱতাৰ অৱমাননাৰ ৰূপায়নো উপন্যাসখনিৰ বিষয়বস্তুৰ লগত জড়িত হৈ আছে। এনেদৰে দেখা যায় ইয়াৰুইঙ্গম উপন্যাসত আদিৰ পৰা অন্তলৈ যুদ্ধই সৃষ্টি কৰা আলৈ আহুকাল আৰু তাৰ পৰা সৃষ্টি হোৱা অস্থিৰতা, হতাশাৰ ছবি বাস্তৱসন্মতভাৱে ফুটাই তোলা হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱপুষ্ট নগাপাহাৰবাসীৰ ৰাজনৈতিক জীৱনৰ অসহায় অস্থিৰতা আৰু তাৰ পৰা পৰিত্ৰাণ বিচাৰি দিক্‌বিদিক হেৰুৱাই পেলাই সুপথে-বিপথে গতি কৰা সহজ-সৰল নগাসকলৰ ছবিখন জীৱন্ত ৰূপত তুলি ধৰাৰ ক্ষেত্ৰত *ইয়াৰুইঙ্গম* উপন্যাসে সাৰ্থকতা দাবী কৰিব পাৰে।

**প্ৰসংগসূত্ৰঃ**

১. প্ৰফুল্ল কটকী, স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা, পৃ. ৪৭
২. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ইয়াৰুইঙ্গম, পৃ. ১৪১
৩. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ইয়াৰুইঙ্গম, পৃ. ২৬৯-২৭০

**সহায়ক গ্ৰন্থপঞ্জীঃ**

ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ। ইয়াৰুইঙ্গম। লয়াৰ্ছ বুক ষ্টল, পানবজাৰ-গুৱাহাটী, সপ্তম প্ৰকাশ, ২০০৩।
কটকী, প্ৰফুল্ল। স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা। বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৭৯।
গগৈ, লীলা (সম্পা.)। আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়। ষ্টুডেন্টছ এম্পৰিয়াম, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ১৯৯৪
গোস্বামী, ত্ৰলোক্যনাথ। সাহিত্য আলোচনা। বীণা প্ৰকাশ প্ৰাইভেট লিমিটেড, পাঠশালা, প্ৰথম প্ৰকাশ, ১৯৯৪।
ঠাকুৰ , নগেন (সম্পা)। এশ বছৰৰ অসমীয়া উপন্যাস। জ্যোতি প্ৰকাশন, পাণবজাৰ-গুৱাহাটী, প্ৰথম প্ৰকাশ,২০০০ ।

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসত প্ৰতিফলিত দ্বিতীয় বিশ্বযুদ্ধৰ চিত্ৰ ঃ এক অধ্যয়ন (ইয়াৰুইঙ্গম উপন্যাসৰ বিশেষ উল্লেখেৰে)

**বিন্দিয়া ছিদ্দিকা**
গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
ফোন ঃ ৯৩৯৪১৬৩৩৪৫

**সাৰাংশ**

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য জগতৰ এজন উল্লেখযোগ্য আৰু প্ৰখ্যাত ঔপন্যাসিক হ'ল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠিত ভট্টাচাৰ্য্য একেধাৰে গল্পকাৰ, কবি, নিবন্ধকাৰ তথা সাংবাদিক হিচাপেও সু প্ৰখ্যাত আছিল। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত *ইয়াৰুইঙ্গম উত্তৰ পূব ভাৰতৰ জনগোষ্ঠী ভিত্তিক উপন্যাসসমূহৰ ভিতৰত* এটি অন্যতম লেখতলবলগীয়া উপন্যাস। উপন্যাসখনত দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা লাভৰ কালছোৱাত টাংখুল নগা সমাজলৈ অহা বিভিন্ন ঘাট-প্ৰতিঘাটে কিদৰে নগা সমাজখনক বিধস্ত কৰি পেলাইছিল সেই বিষয়ে আলোচনা কৰা হৈছে।

**বীজ শব্দ**- বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, উপন্যাস, *ইয়াৰুইঙ্গম*, টাংখুল সমাজ, দ্বিতীয় বিশ্বযুদ্ধ।

**০.১ অৱতৰণিকা**

অসমীয়া সাহিত্যৰ এক আধুনিক সৃষ্টি হ'ল, উপন্যাস। পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আৰু প্ৰত্যক্ষ অনুকৰণত অসমীয়া উপন্যাসৰ জন্ম হৈছে। আহোমৰ ছশবছৰীয়া শাসনৰ পৰা আৰম্ভ কৰি অসম আন্দোলনৰ দৰে বিভিন্ন পৰিঘটনাই সৃষ্টি কৰা পৰিৱেশ-পৰিস্থিতিয়ে উপন্যাস সৃষ্টিৰ কাৰক হিচাপে কাম কৰি আহিছে। ১৮৫১ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা খ্ৰীষ্টান মিছনেৰীসকলৰ 'অৰুণোদই' আলোচনীত প্ৰকাশিত 'Pilgrims Progess'ৰ নাথান ব্ৰাউনৰ অসমীয়া অনুবাদ 'যাত্ৰিকৰ যাত্ৰা'ৰ দ্বাৰা অসমীয়াই পোন প্ৰথমবাৰৰ বাবে উপন্যাসৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হয়। ৰচনাকালৰ ওপৰত ভিত্তি কৰি অসমীয়া উপন্যাসক দুটা ভাগত ভাগ কৰিব পাৰি—ক) প্ৰাক্-যুদ্ধকালৰ অসমীয়া উপন্যাস আৰু খ) যুদ্ধোত্তৰ কালৰ অসমীয়া উপন্যাস।

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ এজন উল্লেখযোগ্য ঔপন্যাসিক হ'ল, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। উপযুক্ত বিষয়বস্তুৰ নিৰ্বাচন, ভাৱৰ গভীৰতা আৰু সূক্ষ্ম জীৱনবোধে ভট্টাচাৰ্য্যৰ উপন্যাসৰ মূল আকৰ্ষণ। তেওঁৰ উপন্যাসত সততে স্পষ্ট হোৱা এটা বৈশিষ্ট্য হ'ল— ৰাজনৈতিক চেতনা। অসম তথা ভাৰতত জাতীয় জীৱনত প্ৰভাৱ পেলোৱা ঘটনাৰাজিক পটভূমি হিচাপে গ্ৰহণ কৰি ভট্টাচাৰ্য্যই প্ৰায় সংখ্যক উপন্যাস ৰচনা কৰিছে। ঔপন্যাসিক হিচাপে

প্ৰতিষ্ঠিত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য গল্পকাৰ, কবি, নিবন্ধকাৰ তথা সাংবাদিক হিচাপেও বিশেষভাৱে পৰিচিত। অসমীয়া সাহিত্যজগতলৈ ভট্টাচাৰ্য্যৰ সৃষ্টিৰাজিক পাঠক সমাজে আদৰি লোৱাৰ লগতে চৰকাৰে তেওঁৰ অতুলনীয় সাহিত্যৰাজিৰ বাবে বিভিন্ন বঁটাৰে তেওঁক সন্মানিত কৰিছে। উল্লেখযোগ্য যে ভট্টাচাৰ্য্যই প্ৰথম অসমীয়া সাহিত্যিক যিগৰাকীয়ে ১৯৭৯ চনত 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰে। তদুপৰি 'ইয়াৰুইঙ্গম' উপন্যাসৰ বাবে ভট্টাচাৰ্য্যই ১৯৬১ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে।

*ইয়াৰুইঙ্গম* অসমীয়া সাহিত্য জগতৰ উল্লেখনীয় উপন্যাসসমূহৰ ভিতৰত অন্যতম এখন উপন্যাস। দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা লাভৰ কালছোৱাৰ আগে-পিছে টাংখুল নগা সমাজলৈ অহা বিভিন্ন ঘাত-প্ৰতিঘাতৰ কাহিনী উপন্যাসখনত বৰ্ণিত হোৱাৰ লগতে টাংখুল সমাজৰ এখন সুন্দৰ ছবি উপন্যাসখনত প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়।

**০.২ বিষয়বস্তুৰ উদ্দেশ্য আৰু গুৰুত্ব**

*বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'ইয়াৰুইঙ্গম' উপন্যাসত প্ৰতিফলিত টাংখুল সমাজ জীৱনৰ চিত্ৰ ঃ এটি অধ্যয়ন* শীৰ্ষক বিষয়ৰ অধ্যয়নৰ উদ্দেশ্য হ'ল—

১. ৰাজনৈতিক ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জনপ্ৰিয়তাৰ বিষয়ে আলোচনা কৰা।

২. *ইয়াৰুইঙ্গম* উপন্যাসত প্ৰতিফলিত টাংখুল সমাজ জীৱনক বিশ্লেষণাত্মকভাৱে অধ্যয়ন কৰা।

৩. ৰাজনৈতিক উপন্যাস হিচাপে *ইয়াৰুইঙ্গমৰ* বিষয়ে আলোচনা দাঙি ধৰাৰ লগতে তেখেতৰ অন্যান্য ৰাজনৈতিক আৰু অৰাজনৈতিক উপন্যাসৰ বিষয়ে আলোচনা দাঙি ধৰা।

৪. প্ৰাক্-স্বাধীনতা কালৰ নগা পাহাৰৰ ৰাজনৈতিক পৰিস্থিতিৰ বিশ্লেষণ দাঙি ধৰা।

**গুৰুত্ব ঃ**

ক) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসসমূহৰ ভিতৰত শ্ৰেষ্ঠ ৰাজনৈতিক উপন্যাস হিচাপে 'ইয়াৰুইঙ্গম'ৰ অধ্যয়ন।

খ) 'ইয়াৰুইঙ্গম'— উত্তৰ-পূৰ ভাৰতৰ জনগোষ্ঠীভিত্তিক উপন্যাসসমূহৰ মাজত এক সুকীয়া আসন দখল কৰি আছে। জনগোষ্ঠীয় উপন্যাসৰ দিশৰ পৰা এই উপন্যাসখনত নগা পাহাৰৰ টাংখুল জনগোষ্ঠীৰ জীৱন, সমাজ, ৰীতি-নীতি ইত্যাদিৰ বিষয়ে অতি সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়।

গ) টাংখুল সমাজ-জীৱনৰ দলিল স্বৰূপে 'ইয়াৰুইঙ্গম' উপন্যাসখনৰ অধ্যয়নৰ গুৰুত্ব অধিক।

**০.৩ অধ্যয়নৰ পদ্ধতি**

*বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ইয়াৰুইঙ্গম উপন্যাসত প্ৰতিফলিত টাংখুল সমাজ-জীৱনৰ চিত্ৰ ঃ এটি অধ্যয়ন* শীৰ্ষক বিষয়টোৰ আলোচনা কৰোঁতে বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। অধ্যয়নৰ বাবে প্ৰয়োজন হোৱা তথ্যাদিৰ বাবে বিভিন্ন গ্ৰন্থ-আলোচনী তথা প্ৰবন্ধৰ সহায় লোৱা হৈছে।

**১. বিষয় আলোচনা**

অসমীয়া ৰাজনৈতিক উপন্যাসৰ ভেটি সুদৃঢ় কৰি তোলা ঔপন্যাসিক গৰাকী হ'ল— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। পূৰ্বসূৰী ঔপন্যাসিকসকলে এই শ্ৰেণীৰ উপন্যাস ৰচনা কৰিছিল যদিও ভট্টাচাৰ্য্যই ৰাজনৈতিক উপন্যাসৰ এই ধাৰাটোক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। তেওঁৰ প্ৰথম ৰাজনৈতিক উপন্যাস হৈছে, 'ৰাজপথে ৰিঙিয়াই'। ইয়াৰ পিছত ক্ৰমে— 'প্ৰতিপদ', 'ৰঙা মেঘ', শতঘ্নী, নষ্টচন্দ্ৰ, 'কবৰ আৰু ফুল', মুনিচুনিৰ পোহৰ', 'কালৰ হুমনিয়াহ', 'ইয়াৰুইঙ্গম', 'মৃত্যুঞ্জয়'। ভট্টাচাৰ্য্যই অসমীয়া ৰাজনৈতিক, দেশপ্ৰেমমূলক, জাতীয়তাবাদী, গণতান্ত্ৰিক আৰু সামাজিক উপন্যাসৰ ভঁৰাল চহকী কৰি গৈছে।

উপৰোক্ত উপন্যাসসমূহৰ ভিতৰত সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত তেখেতৰ তৃতীয় ৰাজনৈতিক উপন্যাস হৈছে 'ইয়াৰুইঙ্গম'। উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীভিত্তিক উপন্যাসসমূহৰ ভিতৰত এক অন্যতম লেখত ল'বলগীয়া সৃষ্টি হৈছে 'ইয়াৰুইঙ্গম'। উপন্যাসখনৰ মূল পটভূমি হ'ল মণিপুৰৰ উখৰুলৰ দ্বিতীয় বিশ্বযুদ্ধই বিধ্বস্ত কৰা এখন টাংখুল নগা গাঁও। ভাৰতৰ স্বাধীনতাৰ প্ৰাক্ সময়ছোৱাত দ্বিতীয় বিশ্বযুদ্ধই কিদৰে টাংখুল নগা সমাজৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱনধাৰাত প্ৰভাৱ পেলাইছিল তাৰ এখন জীৱন্ত চিত্ৰ উপন্যাসখনত অংকিত হোৱাৰ লগতে টাংখুল নগাসকলৰ সমাজ নীতি, ধৰ্মীয় দিশ, কৃষিভিত্তিক জীৱনধাৰা, দৈহিক ৰূপৰ বৰ্ণনা তথা খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰতাৰ বিষয়ে অতি সুন্দৰভাৱে ফুটি উঠা দেখিবলৈ পোৱা যায়। নগা জীৱনৰ পটভূমিত ৰচিত উপন্যাসখনৰ কাহিনীটো সেই সময়ৰ নগা পাহাৰ জিলাৰ মণিপুৰ সীমান্তৱৰ্তী টাংখুল নগা অধ্যুষিত এটা যুদ্ধ বিধ্বস্ত অঞ্চলৰ। ঔপন্যাসিকে টাংখুল নগাৰ দৈহিক বৰ্ণনা দিবলৈ গৈ এইদৰে উল্লেখ কৰিছে—

> "তাৰ চেহেৰাটো দৈত্যৰ দৰে। চুলিকোচা সাইলাখ টাংখুলৰ দৰে কটা। পিছফালৰ টিকনিডাল পৰা, কাণৰ ওপৰলৈ ভালেমান ঠাই চুলি চাটি থোৱা আছে। কাণৰ বিন্ধাৰ পৰা দুটা ডাঙৰ পিতলৰ আঙুঠি ওলমি পৰিছে। চুলিবোৰ ডাঠ, চুটি আৰু ওখ। ডিঙিত এধাৰ মুণ্ডমালা।"[১]

নগা সমাজৰ অৰ্থনৈতিক বুনিয়াদ হৈছে, কৃষি। জীৱন নিৰ্বাহৰ হেতু নগাসকলে খেতি পথাৰত কঠোৰ শ্ৰম কৰে। 'ইয়াৰুইঙ্গম'ৰ ভিন্ন ঠাইত টাংখুল নগাৰ কৃষি-কৰ্মৰ বৰ্ণনা পোৱা যায়। তেওঁলোকৰ কৃষি তথা মাটিৰ প্ৰতি থকা মোহৰ বিষয়ে ঔপন্যাসিকে কৈছে, *গাঁৱৰ ছোৱালীবোৰৰ গীত শুনি হঠাতে সেইবাবে তাৰ (খাটিঙৰ) মন গ'ল পথাৰলৈ যাবলৈ। তাৰ মনত হ'ল যেন জীৱন আচলতে পথাৰৰ সেই খেতি কৰি থকা মানুহবোৰৰ মাজতে লুকাই আছে।*[২]

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ জনজাতীয় সমাজৰে এক অবিচ্ছেদ্য অংগ হ'ল— ডেকা চাং আৰু গাভৰু চাঙৰ ব্যৱস্থা। এই ডেকা চাং আৰু গাভৰু চাঙত ক্ৰমে অবিবাহিতা ডেকা-গাভৰু থকাটো জনজাতীয় সমাজৰ এক অলিখিত নিয়ম। সীমাবদ্ধতাৰ মাজত ডেকা চাবলৈ গাভৰু বা গাভৰু চাবলৈ যুৱকেও আহ-যাহ কৰিব পাৰে। উপন্যাসখনত খুটিংলাহঁত থকা গাভৰু চাঙলৈ ৰিশ্বাং, জীৱন, খাটিঙহঁত অহা-যোৱা কৰা কাৰ্যৰ দ্বাৰা ঔপন্যাসিকে তাৰে আভাস দিছে।

টাংখুল সমাজত প্ৰচলিত মৃত্যু আৰু শৱদেহ সৎকাৰ সম্পৰ্কীয় ৰীতি-নীতি আৰু বিশ্বাসৰ কথা 'ইয়াৰুইঙ্গম'ৰ মাজত দেখিবলৈ পোৱা যায়। তেওঁলোকে বিশ্বাস কৰে ছিৰই পৰ্বতত নামনিয়েদি মৃতকৰ ভূতটো গৈ কাজাইৰাম বা স্বৰ্গ পায়গৈ। নগাসকলৰ বিশ্বাসমতে দেহৰ পৰা পখিলা বা মৌমাখিৰ ৰূপত ওলাই যোৱা আত্মাটো কাজাইৰাম পোৱাৰ পাছত ধ্বংসমুখী পৃথিৱীৰ কথা পাহৰি চৰম শান্তি লাভ কৰে। মৰাৰ আগে আগে টাংখুল সমাজত মৃতকৰ এজন 'খিলা কাপো' বা আধ্যাত্মিক উত্তৰাধিকাৰী নিৰ্বাচন কৰা হয়। এই উত্তৰাধিকাৰীয়ে মৃত্যুৰ পিছৰ পূজা-পাতলসমূহত মৃতকৰ স্বৰ্গ-মুক্তিৰ মাজত ব্যৱস্থা কৰে বুলিও তেওঁলোকৰ মাজত বিশ্বাস আছে। উত্তৰাধিকাৰীজনক মৃতকৰ পৰপুৰুষৰ আত্মাই চিনি পোৱাটো প্ৰয়োজনীয় কথা। 'কাথি কাচাম' বা বৰভোজ নোহোৱা পৰ্যন্ত মৃতকৰ ভূতটো গাঁৱতে থাকে বুলি নগাসকলৰ বিশ্বাস। সেয়েহে মৃতকৰ সৎকাৰৰ পৰা বৰভোজ নোহোৱা পৰ্যন্ত এই কেইদিনত কবৰত বিভিন্ন খাদ্য সামগ্ৰীৰ লগতে মদ-মাংস দি থকাটো নিয়ম। উপন্যাসখনত এজন প্ৰকৃত নিষ্ঠাৱান নগাৰ ৰূপত অংকন কৰা বুঢ়া নাজেক মৃত্যু শয্যাত পৰিও তেওঁৰ দেহ সৎকাৰৰ দিনাৰ পৰা জানুৱাৰী মাহৰ 'কাথি কাচাম' ভোজলৈকে যেনে তেনে কামিঅ' দেৱতাৰ পূজা কৰিবৰ বাবে ঙাটিঙখুইহঁতক বাৰে বাৰে অনুৰোধ জনাইছে আৰু কৈছে, *"কাথি কাচাম ভোজৰ দিনলৈকে মই তহঁতৰ লগত থাকিম। সেই দিনলৈকে যেন মোক তহঁতে মোক কোনোধৰণৰ অশান্তি নিদিয়।"*[৩]

ৰোগীৰ আৰোগ্যৰ বাবে কামিঅ' পূজা কৰা, গাঁৱৰ উৎসৱ-পাৰ্বণ, মহামাৰী আদিত গেনা পালন কৰা,

ভূত-প্ৰেত আদিয়ে মৃত্যুৰ আগজাননী দিয়া, মৃতকৰ শ্ৰাদ্ধত ম'হ বলি দিয়া আদি বিভিন্ন ধৰ্মীয় বিশ্বাসৰ চিত্ৰও উপন্যাসখনত সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। নগা সমাজত এসময়ত প্ৰচলিত মূৰ কটা প্ৰথাৰ আভাসো উপন্যাসখনত এইদৰে পোৱা যায়।

> "সি (ভিডিচেলীয়ে) লাহে লাহে মন কৰিলে কাষৰ নাজেকৰ ঘৰটোৰ মুখৰ বেৰখনত কিছুমান মৰা মানুহৰ মূৰ জিলিকি আছে। মনে মনে মূৰ কেইটা গণি সি মুখেৰে অস্ফুট ভাৱেৰে ক'লে, বাইশটা।"[৪]

আকৌ আনাতে ৰিশ্বাঙে কলিকতাত থকা সময়ছোৱাত লগ পোৱা চঞ্চল আৰু শ্যামলী উপকাহিনীটোৰ মাজেৰে ভাৰতবৰ্ষৰ অন্য প্ৰান্তত এসময়ত নগা মাত্ৰেই মানুহৰ মূৰ কটাত অভ্যস্ত বুলি যি বুলি ধাৰণা আছিল সেয়া স্পষ্ট কৰি দেখুৱাইছে এইদৰে—

> "আপুনি তেনেহ'লে মূৰ কটা নগাৰ বংশধৰ— আংকত শ্যামলীয়ে সুধিলে।"
> ৰিশ্বাঙৰ খং উঠিল, ভয় নাই, তোমালোকৰ নেকাটো।... শ্যামলীয়ে ক'লে, আমাৰ মাজত ভুল ধাৰণা আছে যে নগা মাত্ৰেই মূৰ কটাত ব্যস্ত।"[৫]

ভাগ্যবাদী দৃষ্টিভংগীৰ লগতে পাপ-পূণ্যৰ সামাজিক সংস্কাৰো নগা সমাজত আছে। বেমাৰ হ'লে ডাক্তৰৰ ওচৰলৈ যোৱাতকৈ জৰা-ফুকা আৰু পূজা-পাতলতহে তেওঁলোক অধিক গুৰত্ব দিয়ে। সেয়েহে ওচৰৰ গাঁৰবোৰত বৰ আই ওলাওঁতে যেতিয়া ফানিটফাহঁতৰ চোতালত ৰাইজে মেল পাতি মিছনেৰীয়ে দিয়া ছিটা বা প্ৰতিষেধক ল'বলৈ ৰিশ্বাঙৰ পৰামৰ্শ লৈছে, তেতিয়া ঔপন্যাসিকৰ ভাষাৰে— *"নাজেকে আকৌ সাতপুৰুষত নোহোৱা কথা এটা গ্ৰহণ কৰিবলৈ ৰাজী হোৱা নাই।"*গাঁৱৰ 'খুলকপা' বা গাঁওবুঢ়া ঙাটিঙখুয়ে যেতিয়া ছিটা লোৱাৰ সপক্ষে ৰায় দিছে তেতিয়াও নাজেকে অসন্তুষ্ট হৈ সুধিছে— *"তয়ো ছিটা ল'বলৈ কৈছ!"*[৬] আকৌ নাজেকেই ফানিটফাঙৰ মাকৰ জ্বৰত খুটিংলাই ড° ব্ৰুকক মাতি আনি দেখুওৱা বুলি শুনি চকুৰ গাঁথি থোপা কৰিছে খঙতে আৰু দুখেৰে অনুভৱ কৰিছে যে পুৰণি ৰীতি-নীতি অথবা চিকিৎসাৰ প্ৰতি গাঁওখনৰ মানুহৰ শ্ৰদ্ধা নোহোৱা হ'ল।

নগা পৰম্পৰাবাদী সমাজব্যৱস্থাৰ প্ৰতিনিধি নাজেকৰ আশা আৰু কল্পনাৰ ৰক্ষণশীল পুৰণি সমাজখন আধুনিক শিক্ষা আৰু খ্ৰীষ্টান ধৰ্মই ক্ৰমাৎ সলনি কৰি আনিছে। দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱত এই সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনত এক বিশেষ গতি প্ৰদান কৰাৰ চিত্ৰ উপন্যাসখনৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ মাজেৰে তুলি ধৰা হৈছে। এইবিলাকৰ ফলশ্ৰুতিতে ৰিশ্বাঙহঁতে সিহঁতৰ গাঁৱত প্ৰথম হাইস্কুল পতাৰ পৰিকল্পনা কৰিছে আৰু সেয়া ভৈয়ামৰ জীৱন মাষ্টৰৰ জৰিয়তে বাস্তৱায়িত হৈছে, চাৰেংলাই হাস্পতালৰ নাৰ্চ হোৱাৰ কল্পনা কৰিছে, খুটিংলাই উইভিং শিকিবলৈ গুৱাহাটী পাইছেগৈ, মিশ্যনেৰীৰ সহায়ত ৰিশ্বাঙে উচ্চশিক্ষাৰ বাবে কলিকতা মহানগৰীলৈ ঢাপলি মেলিছে— ইত্যাদি। সময়ৰ গতিময়তাত নগা সমাজত আধুনিক শিক্ষাৰ বিস্তাৰ হোৱাৰ লগে লগে খ্ৰীষ্টান ধৰ্মই এই সমাজখনলৈ মাতি অনা অহৈতুক বিভেদৰ ছবিখনো ৰিশ্বাঙৰ দেউতাক ইয়েংমাচ আৰু খুটিংলাৰ দেউতাক ঙাটিঙখুইৰ মাজত গীৰ্জা ঘৰ বনোৱা মাটি টুকুৰাক লৈ বিবাদৰ মাজেৰে সুন্দৰকৈ ফুটাই তুলিছে। এই বিবাদৰ ফলস্বৰূপেই ৰিশ্বাং আৰু খুটিংলাৰ মাজত গঢ় লৈ উঠা প্ৰণয় আৰু বিয়াৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হৈছে। ৰিশ্বাঙে এই সকলোবোৰ দেখি-শুনিয়ে ডা° ব্ৰুকে দেউতাক ঢুকোৱাৰ পাছত আহি যেতিয়া গীৰ্জাটো সজাৰ কথা কৈছে তেতিয়া একে আষাৰে নুই কৰি কৈছে— *"যি গীৰ্জাই গাঁৱত বিভেদৰ গুটি সিঁচে, তাত যীশু থাকিব নোৱাৰে।..মোৰ বাবে প্ৰেমেই ধৰ্ম, গীৰ্জা নহয়।" (পৃ. ১৮২)*

এনেদৰে আলোচনা কৰিলে 'ইয়াৰুইঙ্গম' উপন্যাসত টাংখুল সমাজ-জীৱনৰ চিত্ৰ অতি সুন্দৰকৈ ফুটি উঠা দেখিবলৈ পোৱা যায়।

**২. সামৰণি ঃ**

অসমীয়া সাহিত্যত ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য এগৰাকী সফল সাহিত্যিক। অসমীয়া উপন্যাস সাহিত্যৰ বিকাশত তেখেতৰ উপন্যাসৰাজি মাইলৰ খুটি স্বৰূপ। অসমীয়া সাহিত্যত প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম' উপন্যাসৰ স্থান অসমীয়া সাহিত্যত সদায়েই চিৰস্মৰণীয় হৈ ৰ'ব। ১৯৫০ চনত সেই সময়ৰ নগা পাহাৰ জিলালৈ উখ্রুল হাইস্কুলৰ শিক্ষকতাৰ বাবে গৈ ভট্টাচাৰ্যই ডেৰ বছৰে যি বিচিত্ৰ অভিজ্ঞতা আৰ্জিছিল তাৰে সমল লৈ সৃষ্টি কৰিছিল 'ইয়াৰুইঙ্গম' উপন্যাসখন। 'ইয়াৰুইঙ্গম' এটা টাংখুল শব্দ, যাৰ অসমীয়া অৰ্থ 'ৰাইজৰ শাসন'। উপন্যাসৰ নায়ক ৰিশ্বাঙে সামৰণিত খুটিংলাৰ গৰ্ভত থকা নিজ সন্তানৰ জৰিয়তে ৰাইজৰ শাসনৰ সপোন দেখিছে সেয়া ঔপন্যাসিকৰ অৰ্ন্তজগতত ক্ৰিয়া কৰি থকা সপোনৰে প্ৰতিফলন। যি সময়ত পুৰণি অসমৰ ভৌগোলিক সমন্বয়ত কেৰোণ দেখা দিছিল আৰু বিভিন্ন কাৰক তথা দাবী আন্দোলনৰ মাজেৰে সুকীয়া ৰাজ্য গঠনৰ যো-জা চলিছিল সেই সময়তে ৰচিত ভট্টাচাৰ্যৰ 'ইয়াৰুইঙ্গম' পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ বাৰ্তাবাহক। মুঠৰ ওপৰত 'ইয়াৰুইঙ্গম'ক দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে পৰশি যোৱা নগা পাহাৰৰ তথ্যসমৃদ্ধ এখন সফল উপন্যাস হিচাপে অভিহিত কৰিব পাৰি।

**প্ৰসংগ সূত্ৰ ঃ**

১.বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *ইয়াৰুইঙ্গম পৃষ্ঠা,* ৫১-৫২
২. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *ইয়াৰুইঙ্গম পৃষ্ঠা,* ২৩
৩. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, *ইয়াৰুইঙ্গম পৃষ্ঠা,* ৭২
৪. ঐ, পৃ. ৯৭
৫. ঐ, পৃ.১৫৫
৬. ঐ, পৃ. ৩২

**গ্ৰন্থপঞ্জী ঃ**

খাওন্দ, মলয়া। *ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু তেওঁৰ উপন্যাস*। সাহিত্য প্ৰকাশ, ট্ৰিবিউন বিল্ডিংছ, গুৱাহাটী, প্ৰথম প্ৰকাশ- ছেপ্তেম্বৰ, ১৯৯৬।
তালুকদাৰ, মৃণাল।*মৌতম্*, নন্দ তালুকদাৰ ফাউণ্ডেচন্। গুৱাহাটী, প্ৰথম প্ৰকাশ- অক্টোবৰ, ২০১১।
ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ। *ইয়াৰুইঙ্গম*। লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, সপ্তম প্ৰকাশ- ২০০৩।
বৰগোহাঞি, হোমেন (সম্পা.)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী*(ষষ্ঠ খণ্ড)।অনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অম্বিকাগিৰি নগৰ, গুৱাহাটী-২৪, প্ৰথম প্ৰকাশ, ১৯৯৩।
বৰপূজাৰী, জিতাঞ্জলী।*অসমীয়া উপন্যাসত জনজাতীয় জীৱন*। চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ- ১৯৯৯
বৰা, দিলীপ। *এশ বছৰৰ অসমীয়া উপন্যাসত জনজাতীয় জীৱনৰ প্ৰতিফলন* । এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.), জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ- ২০০০।
শইকীয়া অজিৎ। *জনজাতীয় জীৱনভিত্তিক অসমীয়া উপন্যাস*। সাৰদা প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ- জুলাই, ২০০৫
শৰ্মা, গোবিন্দ প্ৰসাদ। *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাস*। এশ বছৰৰ অসমীয়া উপন্যাস, নগেন ঠাকুৰ (সম্পা.) জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ- ২০০০।

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# *ৰাজপথে ৰিঙিয়ায়* আৰু *মৃত্যুঞ্জয়* উপন্যাসত লোকগীত ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**চয়নিকা সভাপণ্ডিত**
গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

**সাৰপত্ৰ**
ছাত্ৰ অৱস্থাতে সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য একাধাৰে গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, গীতিকাৰ, অনুবাদক, প্ৰবন্ধকাৰ, ভ্ৰমণ সাহিত্যিক আৰু সাংবাদিক। এই দিশসমূহৰ ভিতৰত তেওঁৰ উপন্যাস সাহিত্যলৈ আগবঢ়োৱা অৱদান মনকৰিবলগীয়া। তেওঁৰ বেছিভাগ উপন্যাস ৰাজনৈতিক পটভূমিত ৰচনা কৰা। এনেধৰণৰ পটভূমিৰ উপন্যাসসমূহৰ বিষয়বস্তুক অধিক স্পষ্ট আৰু আকৰ্ষণীয় কৰি তুলিবলৈ প্ৰায়ে তেওঁ লোক-সাংস্কৃতিক সমলসমূহৰ ব্যৱহাৰ কৰিছে। এখন সমাজৰ চিন্তা, ভাব-অনুভূতি, বিশ্বাস, পৰম্পৰাকে আদি কৰি সকলোকে লোক-সাংস্কৃতিক সমলে সাঙুৰি লয়। এই আলোচনাত ভট্টাচাৰ্যৰ উপন্যাসত লোক-সাংস্কৃতিক সমলৰ অন্তৰ্গত লোকগীতসমূহে কিদৰে ভুমূকি মাৰি উপন্যাসসমূহৰ বিষয়বস্তুক অধিক আকৰ্ষণীয় কৰি তুলিছে, সেই বিষয়ে আলোচনা কৰাই এই অধ্যয়নৰ মূল বিষয় ।
**বীজশব্দ**- বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, উপন্যাস, লোকসংস্কৃতি, লোকগীত, অসমীয়া সমাজ।

## ০.১ অৱতৰণিকা ঃ

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ কেন্দ্ৰীয় ব্যক্তিস্বৰূপ ভট্টাচাৰ্য্যই পঞ্চাশৰ দশকত এওঁৰ প্ৰথমখন উপন্যাস 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫) প্ৰকাশ কৰে। তেওঁৰ উপন্যাসসমূহ বিশেষকৈ ৰাজনৈতিক প্ৰেক্ষাপটত ৰচনা কৰা। তেওঁ ৰচনা কৰা উপন্যাসসমূহ হৈছে— 'ৰাজপথে ৰিঙিয়ায়', 'ইয়াৰুইঙ্গম, 'আই', 'প্ৰতিপদ', 'কালৰ হুমুনিয়াহ', 'চিনাকি সুঁতি', 'ডাইনী', 'বল্লৰী', 'ৰঙামেঘ', 'শতঘ্নী', নষ্টচন্দ্ৰ', 'মৃত্যুঞ্জয়', 'কবৰ আৰু ফুল', 'মুনিচুনিৰ পোহৰ', 'প্ৰেম আৰু মৃত্যু', 'ফুলকোঁৱৰৰ পখীঘোঁৰা', 'বলিয়া সময়' আদি। এই উপন্যাসসমূহৰ ভিতৰত 'মৃত্যুঞ্জয়' উপন্যাসৰ বাবে জ্ঞানপীঠ আৰু 'ইয়াৰুইঙ্গম' উপন্যাসৰ বাবে ভট্টাচাৰ্য্যই সাহিত্য অকাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হয়।

উপন্যাস হৈছে এনে এক সৃষ্টি, যাৰ যোগেদি এখন সমাজৰ সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক তথা অৰ্থনৈতিক দিশ ফুটি উঠে। ভট্টাচাৰ্য্যও এই ক্ষেত্ৰত ব্যতিক্ৰমী নহয়। এই দিশসমূহৰ ভিতৰত সাংস্কৃতিক দিশটো তেওঁৰ উপন্যাসত বিশেষভাৱে মনকৰিবলগীয়া। এই আলোচনাত ভট্টাচাৰ্য্যৰ উপন্যাসত লোক-সংস্কৃতিৰ আকৰ্ষণীয় উপাদান লোকগীতে কিদৰে স্থান লাভ কৰিছে, সেই বিষয়ক অধ্যয়নৰ গণ্ডীলৈ অনা হৈছে।

## ০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

'*ৰাজপথে ৰিঙিয়ায়* আৰু *মৃত্যুঞ্জয়* উপন্যাসত লোকগীত ঃ এক অৱলোকন' শীৰ্ষক বিষয়টো অধ্যয়নৰ

উদ্দেশ্যসমূহ এনেধৰণৰ—

১. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ লোকসাংস্কৃতিক দিশটো উন্মোচন কৰাই এই অধ্যয়নৰ উদ্দেশ্য হ'ব।

২. বীৰেন্দ্ৰ কুমাৰ ভট্টচাৰ্য্যৰ উপন্যাসত লোকগীতৰ মাজেৰে সেই সমাজখনৰ চিন্তা, ভাবধাৰা, পৰম্পৰা, বিশ্বাস আদিৰ দৰে দিশসমূহ কিদৰে প্ৰকাশিত হৈছে সেই বিষয়ে আলোচনা কৰা।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

ভট্টাচাৰ্য্যৰ প্ৰায়বোৰ উপন্যাসতে লোক-সংস্কৃতিৰ সমল সমূহ দেখা পোৱা যায়। লোক-সংস্কৃতি শব্দটোৱে এক বিশাল পৰিসৰক সামৰি লয়। তেওঁৰ উপন্যাসত প্ৰায়বিলাক সমলে ভূমুকি মৰা পৰিলক্ষিত হয়। তাৰ ভিতৰত *মৃত্যুঞ্জয়* আৰু *ৰাজপথে ৰিঙিয়ায়* উপন্যাসত অসমীয়া লোকগীতে কিদৰে বিশেষ স্থান লাভ কৰিছে সেই বিষয়টো অধ্যয়নৰ পৰিসৰত অৰ্ন্তভূক্ত হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ**

*ৰাজপথে ৰিঙিয়ায়* আৰু *মৃত্যুঞ্জয়* উপন্যাসত লোকগীত ঃ এক অৱলোকন' শীৰ্ষক অধ্যয়নত বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে।

**১. বিষয়বস্তু ঃ**

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা 'সংস্কৃতি' শব্দটো ইংৰাজীত ব্যৱহাৰ কৰা সমাৰ্থক শব্দ হৈছে 'Culture'। এডৱাৰ্ড টাইলৰে ১৮৫৫ চনত পোনপ্ৰথমে এই শব্দটোৰ ব্যৱহাৰ কৰিছিল। এই শব্দটোৰ অৰ্থ হৈছে— কৰ্ষণ কৰা বা খেতি কৰা (নবীন চন্দ্ৰ শৰ্মা, অসমীয়া লোক-সংস্কৃতিৰ আভাস)। সংস্কৃতিৰ পৰিসৰ অত্যন্ত ব্যাপক। ইয়াৰ গুণ, লক্ষণ আৰু বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি—১. অভিজাত সংস্কৃতি, ২. লোক-সংস্কৃতি আৰু ৩. জনজাতীয় সংস্কৃতি।

এই তিনিওটা ভাগৰ ভিতৰত লোক-সংস্কৃতিৰ পৰিসৰ ব্যাপক। এখন সমাজৰ জৈৱিক-মানসিক আচৰণৰ বাস্তৱ অভিব্যক্তিয়েই হ'ল লোক-সংস্কৃতি। লোক-সংস্কৃতি শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে Folklore। লোক-সংস্কৃতিৰ পৰিসৰে লোকগীত, লোকভাষা, লোকবিশ্বাস, প্ৰবচন, ফকৰা-যোজনা,সাঁথৰ, মন্ত্ৰ, জতুৱা-বাক্য, ধৰ্ম, লোকঔষধ, উৎসৱ-অনুষ্ঠান, লোকশিল্প, লোক-কলা, স্থাপত্য, সাজ-পোছাক, আ-অলংকাৰ, খেল-ধেমালি, বাদ্যযন্ত্ৰ, লোকআচৰণ, লোকনৃত্য আদিক সাঙুৰিব পাৰি।

ইয়াৰে প্ৰথম ভাগটোৱে মৌখিক সাহিত্য বা বাচিক কলাক বুজাইছে। এই ভাগটোৱে লোকগীত, লোককলা, লোকোক্তি, মন্ত্ৰসাহিত্যক বুজায়। মৌখিক বা বাচিক কলা পৰম্পৰাগতভাৱে মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। এই শ্ৰেণী সাহিত্যৰ লিখিত ৰূপ পোৱা নাযায় যদিও অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহি এক স্থায়ী ৰূপ লাভ কৰিছে। বৰ্তমান সময়ত সাহিত্যৰ বিভিন্ন শ্ৰেণী যেনে— গল্প, নাটক, কবিতা, উপন্যাস, ব্যংগ ৰচনা আদিত এই মৌখিক বা বাচিক কলাই এক বিশেষ স্থান লাভ কৰিছে। সেয়ে সাহিত্যৰ আলোচনাত এই বিষয়টোৰ আলোচনাও মন কৰিবলগীয়া।

মৌখিক বা বাচিক কলাৰ ভিতৰত এক অন্যতম হৈছে লোকগীত। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসতো লোকগীতে এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই উপাদানটিৰ ব্যৱহাৰে ভট্টাচাৰ্যৰ উপন্যাসক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ভট্টাচাৰ্য্যৰ লোকগীতত অৰ্ন্তভূক্ত হৈ থকা উপন্যাসৰ ভিতৰত'মৃত্যুঞ্জয়', 'আই', 'প্ৰতিপদ', 'শৰত কোঁৱৰ', 'কালৰ হুমুনিয়াহ', 'ৰাজপথে ৰিঙিয়ায়' অন্যতম। ভট্টাচাৰ্য্যৰ উপন্যাসত অসমীয়া উৎসৱ-অনুষ্ঠানসমূহত পৰিৱেশন কৰা প্ৰায়বোৰ লোকগীত যেনে-কাহিনীমূলক বা মালিতাধৰ্মী লোকগীত, খেলৰ লগত জড়িত গীতকে ধৰি প্ৰেম-বিবাহ বিষয়ক লোকগীতসমূহে ভূমুকি মাৰিছে।

অসমীয়াৰ প্ৰধান উৎসৱ হৈছে বিহু। বিহু উৎসৱৰ মূল হৈছে বিহুগীত। ভট্টাচাৰ্য্যৰ 'মৃত্যুঞ্জয়' উপন্যাসখনৰ দুই-এটি চৰিত্ৰৰ মাজেৰে অসমীয়া জাতীয় উৎসৱ বিহুৰ সৈতে জড়িত বিহুগীতৰ উমান পাব পাৰি। উপন্যাসখনৰ ডিমি চৰিত্ৰটোৰ মাজেৰে অসমীয়া জাতীয় উৎসৱৰ সৈতে জড়িত বিহুগীতৰ সোৱাদ পোৱা যায়। ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত এই উপন্যাসখনত ঔপন্যাসিকে গাৰো গাঁও এখনৰ উল্লেখ কৰিছে। এই গাৰো গাঁৰৰ নোক্‌মাত ৰূপনাৰায়ণ আৰু ডিমিৰ কথোপকথন হৈছিল। তাৰ মাজতে কথাৰ প্ৰসংগত জয়ৰামে ডিমিক প্ৰশ্ন কৰিছিল আৰু তেতিয়া সেই প্ৰশ্নটোৰ প্ৰত্যুত্তৰ ডিমিয়ে বিহুগীত এফাঁকিৰ মাজেৰে এনেদৰে দিছিল—

"হিয়াত মোৰ বান্ধিছোঁ তোমালৈ হাবিয়াস
কঁকালত বান্ধিছোঁ বল।
ভৰিতে বান্ধিছোঁ ভোমোৰাৰ ডেউকাখন
ভাইগত বান্ধিছোঁ ফল।।" ১

ডিমিৰ প্ৰত্যুত্তৰত জয়ৰামে গাইছিল এনেদৰে—

"ৰৈনো ৰৈ ধেমালি কৰিম
জীয়াই থাকোঁ মানে ধেমালি কৰিম?
মৰিলে কাহানি কৰিম" ২

এই বিহুগীত দুইফাঁকিৰ মাজেৰে ডিমিৰ ধনপুৰৰ প্ৰতি থকা মৰমৰ লগতে উপন্যাসখনৰ কাহিনীবস্তুও প্ৰকাশ কৰিব বিচাৰিছে। ইজনে সিজনক ভাল পোৱা, আশা কৰা, জীয়াই থকাৰ দিনকেইটাৰ গুৰুত্ব, মৃত্যুৰ প্ৰতি সাধাৰণ মানুহৰ ধাৰণাৰ লগতে সেই সময়ৰ সমাজ খনৰ অৱস্থা এই গীতসমূহৰ মজেৰে উমান পাব পাৰি।

ভট্টাচাৰ্য্যৰ উপন্যাসত নাৰীকেন্দ্ৰিক লোকগীতৰ সোৱাদ পোৱা যায়। তাৰ ভিতৰত বিয়ানাম উল্লেখযোগ্য। বিবাহ এক সামাজিক অনুষ্ঠান। 'মৃত্যুঞ্জয়' উপন্যাসত শইকীয়াৰ বিয়াঘৰতো আয়তীসকলে বিয়ানাম জোৰা দেখা যায়। সাধাৰণতে বিয়ানামৰ বিষয়বস্তুত আৰু বৰ্ণনা আদিলৈ লক্ষ্য কৰি গহীন আৰু ৰুচিপূৰ্ণ এনেদৰে ভাগ কৰিব পাৰি। এই গীতসমূহৰ বিষয়বস্তু ৰাধা-ৰুক্মিণী, উষা-অনিৰুদ্ধ, ৰাম-সীতাৰ দৰে পৌৰাণিক চৰিত্ৰসমূহে ভূমুকি মাৰে। *মৃত্যুঞ্জয়* উপন্যাসখনত শইকীয়াৰ বিয়াঘৰত আয়তীসকলে নাম পৰিৱেশন কৰোঁতে কৃষ্ণ আৰু ৰুক্মিণীৰ চৰিত্ৰ দুটিক প্ৰাধান্য দিছে এনেদৰে—

দ্বাৰকাতে কৃষ্ণ আছে ঐ শশী ছয়মাসৰ বাট
কুণ্ডিলতে ৰুক্মিণীয়ে ঐ শশী কৰে উৎপাত ।৩ এই বিয়ানামসমূহ অতীজৰে পৰা অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। বিয়াঘৰৰ পৰিৱেশ, আয়তীসকলৰ ৰীতি-নীতি, দৰা-কইনাক বিশেষ চৰিত্ৰসমূহত আৰোপ কৰি উদাহৰণ দিয়া এই সকলোবোৰৰ উমান এই গীতসমূহৰ পৰিৱেশনৰ পৰা উপলব্ধি কৰিব পাৰি।

ভট্টাচাৰ্য্যৰ প্ৰথমখন উপন্যাস 'ৰাজপথে ৰিঙিয়ায়' প্ৰকাশ হয় ১৯৫৫ চনত। সম্পূৰ্ণ ৰূপে ৰাজনৈতিক উপন্যাস হিচাপে খ্যাত এই উপন্যাসখনত ভাৰতৰ স্বাধীনতাত অনাস্থা প্ৰকাশ কৰা হৈছে। ভাৰতবৰ্ষই লাভ কৰা স্বাধীনতাত কেৱল মুকলি হৈছিল ধনীক শ্ৰেণীটো। দুখীয়া-দুৰ্বল শ্ৰেণীটো ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছতো একেই অৱস্থাতে আছিল। এনেধৰণৰ দুৰ্দশাগ্ৰস্ত জীৱনৰ ছবি অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত ঝুমুৰ গীতৰ মাজেৰে এনেদৰে প্ৰকাশ পাইছে—

"চৰ্‌দাৰ বলে কাম কাম
বাবু বলে ধৰে আন
চায়ব বলে লিব পিঠৈৰ চাম
হে নিষ্ঠুৰ চাম

ফাঁকি দিয়ে আনালি আসাম"[৪]

ভট্টাচাৰ্য্যৰ উপন্যাসত খেল-ধেমালিৰ সৈতে জড়িত গীতৰো ব্যৱহাৰ মন কৰিবলগীয়া। তেখেতৰ প্ৰথম উপন্যাস 'ৰাজপথে ৰিঙিয়ায়'ত এনেধৰণৰ গীতৰ ব্যৱহাৰ হোৱা দেখা যায়। উপন্যাসখনত নিচুকণি গীতে এক বিশেষ স্থান লাভ কৰিছে। উপন্যাসখনৰ এটি চৰিত্ৰ হৈছে— লচ্‌মী। লচ্‌মীয়ে নিজৰ কেচুৱাটো কন্দা শুনি তাক নিচুকাবলৈ নিচুকণি গীত গাইছিল এনেদৰে—

"মাই ঘুমাইল
বাপ ঘুমাইল
চেনি ঘুমাইল
চেনা ঘুমা ঘুমা গ'
ৰান্ধৰ বেচাতী
ত্ৰনাগো নাৰে নাৰে
ত্ৰনাগো নাৰে নাৰে"[৫]

এই গীতসমূহৰ মাজেৰে প্ৰকৃততে এগৰাকী নাৰীৰ নিজৰ সন্তানৰ প্ৰতি থকা প্ৰেম ভালপোৱাৰ যি অকৃত্ৰিমতা অতি সুন্দৰকৈ প্ৰকাশ কৰিছে। ল'ৰা-ছোৱালীক নিচুকাবলৈ সৰ্বসাধাৰতে সকলো সমাজতেই এনেধৰণৰ গীতবোৰ প্ৰচলিত হৈ আহিছে।

এই গীতসমূহৰ লগতে ভট্টাচাৰ্য্যৰ উপন্যাসত মালিতা বা কাহিনীমূলক গীতেও ভূমূকি মাৰিছে। তেখেতৰ উপন্যাসমূহত বুৰঞ্জীমূলক আৰু কিংবদন্তীমূলক এই দুইধৰণৰ মালিতা ব্যৱহাৰ কৰা হৈছে। ভট্টাচাৰ্যৰ এখন উল্লেখযোগ্য উপন্যাস 'মৃত্যুঞ্জয়'। এই উপন্যাসখন বিশেষকৈ ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা। সেযেহে উপন্যাসখনত অনান্য লোকগীতৰ লগতে দেশপ্ৰেমমূলক মালিতাই বিশেষ স্থান লাভ কৰিছে। উপন্যাসখনৰ দুটি চৰিত্ৰ ডিমি আৰু জয়ৰাম। ডিমিৰ ঘৰত জুই লাগি থকাৰ সময়ত ডিমিয়ে জয়ৰামক এটি দেশপ্ৰেমমূলক মালিতা গাই শুনাইছিল। সেই মালিতাটো হৈছে এনেধৰণৰ—

অ' ভাৰতবাসী দুখৰে বাতৰি
শুনিও নাপাত কাণ
অধৰ্মী বৃটিছে এৰি ধৰ্ম-নীতি
কৰে মহা অভিমান।
গধূলি পদূলি বন্দুকৰ গুলী
মাৰে ধুমে ধুমে কৰি
স্বদেশৰ ৰণুৱা আমাৰ ডেকাল'ৰা
নিয়ে হালে হালে ধৰি।
অধৰ্মী বৃটিচ পাষণ্ড পিশাচ
নাই যে জ্ঞানৰ লেশ
ৰাতি টোপনিতে আগুৰি ঘৰতে
সমূলি নাশিছে দেশ।
বৰহম্‌পুৰ শিবিৰত বৰ ভোজ পাতিলে
বঢ়া ভাত বঢ়াতে ৰ'ল
আধা খোৱা কৰি বুকু পাতি দিলে
চাৰিটি স্বৰ্গলৈ গ'ল। (*মৃত্যুঞ্জয়*, পৃষ্ঠা , ২১৬ )

আমাৰ অসমখন ভাৰতৰে এটি অংশ। যেতিয়াই অসম মাতৃয়ে আঘাত পাইছে, ধ্বংস হৈছে, হিংসা হৈছে অসমৰ ৰাইজে দেশখনৰ কাৰণে নিজকে তৈয়াৰ কৰাৰ লগতে ক'ত জনে মৃত্যু আকোৱালি ল'বলৈও কুণ্ঠাবোধ কৰা নাই। সেই সময়ত অসমৰ কণমানি শিশু এটিৰ পৰা আৰম্ভ কৰি বুঢ়ালৈকে সকলোয়ে কেৱল দেশৰ স্বাধীনতাৰ কাৰণে উঠি পৰি লাগিছিল, তাৰে প্ৰমাণ এই গীতসমূহ।

উপন্যাসৰ যোগেদি প্ৰকাশিত হয় সেই সময়ৰ সমাজ, মানুহৰ চিন্তাধাৰা, ৰীতি-নীতিৰ বৈশিষ্ট্য আদি। 'মৃত্যুঞ্জয়' উপন্যাসখনত সেই সময়ৰ সমাজ ব্যৱস্থাত স্বাধীনতাৰ প্ৰভাৱে মানুহৰ জীৱনটোক কিদৰে নিৰ্মোহ কৰি পেলাইছিল,সেই প্ৰতিফলন এই দেশপ্ৰেমমূলক মালিতা গোৰা চৰিত্ৰটোৰ মাজৰে ফুটি উঠিছে। একেখন উপন্যাসতে দুটি বিশেষ চৰিত্ৰ ৰূপনাৰায়ণ আৰু টিকৌৰ মুখতো মালিতাৰ সোৱাদ পোৱা এনেধৰণৰ—

উত্তৰে কপিলী দক্ষিণে সোণাই।
মিলিটেৰী আনিলে লম্বোদৰ কণাই।।
উত্তৰে কপিলী দক্ষিণে সোণাই।
মাজ মূৰত মৰিলে তিলক চেনাই।।
উত্তৰে কপিলী দক্ষিণে সোণাই।
এই টুকুৰাত ৰজাই নাই।।
উত্তৰে কপিলী দক্ষিণে সোণাই।
দেহা দিলে গৈ ভোগেশ্বৰী আই।।
উত্তৰে কপিলী দক্ষিণে সোণাই।
ৰাইজক শালিলে লম্বোদৰ কণাই।।
উত্তৰে কপিলী দক্ষিণে সোণাই।
এই ডোখৰত স্বৰাজ্য পায়।।
উত্তৰে কপিলী দক্ষিণে সোণাই।
এই ডোখৰত চিপাহী নোলায়।। (মৃত্যুঞ্জয়, পৃষ্ঠা , ২২২ )

**২. সামৰণি ঃ**

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসসমূহ লোক-সংস্কৃতিৰ সমলেৰে পৰিপূৰ্ণ। ভট্টাচাৰ্য্যৰ *ৰাজপথে ৰিঙিয়ায়* আৰু *মৃত্যুঞ্জয়*ৰ মাজেৰে অসমৰ জনসাধাৰণৰ মাজত প্ৰাচীন কালৰে পৰা চলি অহা লোকগীতসমূহে ভূমুকি মাৰিছে। দুইখন উপন্যাসত বিহুগীত, বিয়ানাম, ঝুমুৰ, মালিতাৰ লগতে খেল-ধেমালিৰ গীতসমূহেও স্থান পাইছে। উপন্যাস দুখনত ব্যৱহাৰ কৰা লোকগীতসমূহে পটভূমি, পৰিস্থিতি আৰু চৰিত্ৰ এই তিনিওটা দিশক জীৱন্ত কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা আগবঢ়াইছে। দুইখন উপন্যাসত যে কেৱল লোকগীতেহে স্থান পাইছে এনে নহয়, ইয়াৰ উপৰিও লোক-সংস্কৃতিৰ সৈতে জড়িত অন্যান্য দিশসমূহেও ইয়াত গুৰুত্ব লাভ কৰিছে। বৰ্তমান বিশ্বায়নৰ যুগত অসমত অতি প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ অহা লোকগীতসমূহ লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে। তেনে ক্ষেত্ৰত আজিৰ পৰা প্ৰায় ৬০ বছৰ আগতে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই উপন্যাসসমূহত লোক-সাংস্কৃতিক সমলক অন্তৰ্ভূক্ত কৰি স্থায়ী ৰূপ দিয়াৰ প্ৰচেষ্টা সঁচাই শলাগ ল'বলগীয়া। এই উপন্যাসসমূহে নাট্য বা ছবিৰূপ পালে উপন্যাসৰ বিষয়বস্তুৰ লগতে লোক-সাংস্কৃতিক সমলসমূহক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰাত বিশেষ সহায়ক হ'ব বুলি অনুভৱ কৰিব পাৰি।

**প্ৰসংগ সূত্ৰ**

১. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, *মৃত্যুঞ্জয়*, পৃষ্ঠা, ২১৭
২. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, *মৃত্যুঞ্জয়*, পৃ. ২১৭
৩. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, পৃ. ২৪৮
৪. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, *ৰাজপথে ৰিঙিয়ায়*, পৃ.১১৮
৫. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, পৃ.১১৫।

**গ্ৰন্থপঞ্জী ঃ**

কলিতা, সমীন। *জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য*। চন্দ্ৰ প্ৰকাশ, ২০০৭।
খাওন্দ, মলয়া। *ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু তেওঁৰ উপন্যাস*। সাহিত্য প্ৰকাশ, ১৯৯৬।
গগৈ, লীলা। *অসমৰ সংস্কৃতি*। বনলতা, ২০১২।
ঠাকুৰ, নগেন (সম্পা.)। *এশ বছৰৰ অসমীয়া উপন্যাস*। জ্যোতি প্ৰকাশন, ২০১২।
বৰুৱা, বিৰিঞ্চি কুমাৰ। *অসমৰ লোক-সংস্কৃতি*। বীণা লাইব্ৰেৰী, ২০০৫।
ভট্টাচাৰ্য্য, বীৰেন্দ্ৰ কুমাৰ। *মৃত্যুঞ্জয়*। সাহিত্য প্ৰকাশ, ২০০৫।
——। *ৰাজপথে ৰিঙিয়ায়*। চন্দ্ৰ প্ৰকাশ ২০১৬।
শৰ্মা, গোবিন্দ প্ৰসাদ। *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ ঔপন্যাসিক*। বনলতা, ২০১০।
——। *উপন্যাস আৰু অসমীয়া উপন্যাস*। ষ্টুডেন্টচ্ ষ্ট'ৰচ্, ২০০৯।
শৰ্মা, নবীন চন্দ্ৰ। *অসমীয়া লোক-সংস্কৃতিৰ আভাস*। বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ২০১১।
——। *লোক-সংস্কৃতি*। চন্দ্ৰ প্ৰকাশ, ২০১৩।

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# হোমেন বৰগোহাঞিৰ মৎস্যগন্ধা উপন্যাসৰ সামাজিক সংৰচনা

**কমল কুলি**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, বিহালী

**সংক্ষিপ্তসাৰ**

সাহিত্য সমাজ বিচ্ছিন্ন নহয়। সমাজ অবিহনে সাহিত্যৰ অস্তিত্ব নাথাকে। সাহিত্যৰ পাঠত সমাজ একোখন বিভিন্ন ৰূপত বৰ্তি থাকে। হোমেন বৰগোহাঞিৰ উপন্যাসত সমকালীন সমাজ-ব্যৱস্থাৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক দিশসমূহৰ লগতে সামাজিক পৰিকাঠামোৰ উপস্থাপন দেখা যায়। এইক্ষেত্ৰত ঔপন্যাসিকৰ মৎস্যগন্ধা উপন্যাসত অসমৰ সামাজিক প্ৰেক্ষাপটত বৰ্ণ-বৈষম্যৰ প্ৰভাৱ সঠিক ধৰণত প্ৰতিষ্ঠা হৈছে। আমাৰ আলোচনাত উপন্যাসখনৰ সামাজিক সংৰচনা বিচাৰত নিম্নবৰ্গৰ সমাজ আৰু আঞ্চলিক প্ৰসংগসমূহ বিশ্লেষণ কৰা হ'ব। সমাজ-বিশ্লষণ দৃষ্টিৰে গৱেষণা পত্ৰখন বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত উপস্থাপন কৰা হ'ব।

**বীজশব্দ ঃ** হোমেন বৰগোহাঞি, মৎস্যগন্ধা, সামাজিক সংৰচনা, নিম্নবৰ্গৰ সমাজ, আঞ্চলিক প্ৰসংগ

**০.১ বিষয় প্ৰৱেশ ঃ**

অসমীয়া উপন্যাস সাহিত্যৰ বিষয়বস্তুগত আৰু আংগিক বিকাশত হোমেন বৰগোহাঞিৰ উপন্যাসৰাজি লেখৰ।হোমেন বৰগোহাঞিৰ উপন্যাসৰ বিষয়ত ই সহজে স্পষ্ট। 'মৎস্যগন্ধা'ৰ কেন্দ্ৰত সমকালীন সমাজ-ব্যৱস্থাৰ সামাজিক সংৰচনাৰ সৌধটো টুকুৰিয়াই যোৱা বিধৰ। উল্লেখ্য যে, উপন্যাসখনত জাত-পাতৰ নিৰ্মিতি মহিলা চৰিত্ৰ মেনকাৰ জৰিয়তে ভাঙি এক বৰ্ণ-বৈষম্যহীন সমাজৰ আশা কৰিছে। এনে এক মটিফ কাহিনীত বিন্যাস কৰিবলৈ ঔপন্যাসিকে ম'হঘূলিৰ ওচৰৰ কৈৱৰ্ত গাঁও গৰৈমাৰি পটভূমিৰ আধাৰ কৰি লৈছে। অৰ্থাৎ নিম্নবৰ্গৰ সামাজিক সংৰচনা উপন্যাসখনত সবল ৰূপত উপস্থাপিত হৈছে। সমাজ-বিশ্লেষণ পদ্ধতিৰে লিপিবদ্ধ গৱেষণা পত্ৰখনে মৎস্যগন্ধা উপন্যাসৰ সামাজিক সংৰচনা বিচাৰত নিম্নবৰ্গৰ সমাজ আৰু আঞ্চলিক প্ৰসংগসমূহ বিশ্লেষণ কৰিব।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

গৱেষণা কৰ্মটিত মৎস্যগন্ধা উপন্যাসৰ সামাজিক সংৰচনাৰ অধ্যয়নত নিম্নবৰ্গৰ সমাজ আৰু আঞ্চলিক দিশ বিচাৰৰ উদ্দেশ্যে প্ৰস্তুত কৰা হৈছে।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা বিষয়টি অধ্যয়নৰ ক্ষেত্ৰত তলত উল্লেখ কৰা পদ্ধতি গ্ৰহণ কৰা হ'ব —

**বিশ্লেষণাত্মক পদ্ধতি ঃ** বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত সংগৃহীত তথ্য, সূত্ৰসমূহৰ ব্যাখ্যা আৰু মূল্যায়নৰ

জৰিয়তে সু-শৃংখলিতভাৱে উপস্থাপন কৰা হয়। এই পদ্ধতিত গৱেষকে পূৰ্বৰে পৰা থকা সত্য, তথ্য আৰু সূত্ৰৰ ব্যৱহাৰ কৰি বিষয়ৰ সঠিক সিদ্ধান্তত উপনীত হ'বলৈ সেই তথ্যৰ বৌদ্ধিক মূল্যায়ন কৰে।[১] বিশ্লেষণাত্মক পদ্ধতিৰ জৰিয়তে গৱেষণা কৰ্মটিত প্ৰাপ্ত তথ্য বিশ্লেষণ কৰিব পাৰি। এতেকে প্ৰাপ্ত তথ্যক বৰ্ণনা কৰিবলৈ বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**সমাজ-বিশ্লেষণ পদ্ধতি ঃ** সমাজ-বিশ্লেষণ পদ্ধতিত সমাজৰ সমস্যা চিনাক্তকৰণ আৰু তাৰ সমাধান নিৰ্ণয় কৰা হয়। এই পদ্ধতিত সমাজৰ চিন্তা, আচৰণ, ধাৰণা, আদৰ্শ আৰু মনোভংগীৰ বিচাৰ কৰা হয়। এই পদ্ধতিয়ে সমাজ এখনৰ লগত সংপৃক্ত হৈ থকা দিশসমূহৰ বিচাৰ-বিশ্লেষণ কৰে। সমাজৰ ব্যক্তি তথা সমাজৰ লোকসকলৰ মনোভাব আৰু পাৰস্পৰিক সম্পৰ্ক সাহিত্যত কেনেদৰে প্ৰকাশ হৈছে তাৰ বিশ্লেষণ কৰাত এই পদ্ধতিয়ে সহায় কৰে।

**১. বিষয়ৰ আলোচনা ঃ**

হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা' বহুপঠিত আৰু সমাদৃত সমালোচতি উপন্যাস। সমালোচক-গৱেষকসকলে বিবিধ দিশত প্ৰয়োজন অনুসাৰে আলোচনা কৰিছে। আমাৰ আলোচনাত তুলনামূলক কম আলোচিত সামাজিক সংৰচনাৰ অধ্যয়নৰ যোগেদি নিম্নবৰ্গৰ সমাজ আৰু আঞ্চলিক দিশ বিচাৰৰ প্ৰয়াস কৰা হৈছে। আলোচ্য উপন্যাসখনৰ কাহিনী বিন্যাসৰ পটভূমি বৰগোহাঞিৰ তেনেই চিনাকি। এইক্ষেত্ৰত 'পিতা-পুত্ৰ' উপন্যাসখনৰ সন্দৰ্ভত ঔপন্যাসিকৰ বক্তব্য মৎস্যগন্ধাৰ লগতো খপ খোৱাধৰণৰ। 'যেতিয়া মই উপলব্ধি কৰিলো যে লেখকে যিবোৰ অভিজ্ঞতা নিজে যাপন কৰিছে কেৱল সেইবোৰৰ বিষয়েহে স্বচ্ছন্দ আৰু স্বাভাৱিকভাৱে লিখিব পাৰে,তেতিয়াই মই 'পিতা-পুত্ৰ' উপন্যাস লিখাৰ কথা মনলৈ আনিলোঁ।'[২] বৰগোহাঞিৰ, মোৰ উপন্যাসৰ পটভূমি[৩] প্ৰবন্ধত লিখিছে —"মৎস্যগন্ধা'ৰ মূল কাহিনীটো আমাৰ গাঁৱত ঘটা এটা বাস্তৱ ঘটনাৰ পৰা লোৱা হৈছে। চৰিত্ৰবোৰো কাল্পনিক নহয়,আটাইবোৰেই জীৱন্ত চৰিত্ৰ।" উল্লেখযোগ্য যে, "এই কাহিনীত যি সময়ৰ কথা কোৱা হৈছে সেই সময়ত ৰাস্তা-ঘাট আৰু যান-বাহনৰ অভাৱত গোটেই ম'হঘুলি অঞ্চলটোৱেই বাহিৰৰ জগতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ আছিল।"[৪] উপন্যাসখনত উল্লিখিত কথাখিনিয়েও পটভূমি সম্পৰ্কে ধাৰণা দিয়ে।

**১.১ মৎস্যগন্ধা উপন্যাসৰ সামাজিক সংৰচনাত নিম্নবৰ্গৰ জীৱনঃ**

ইতিমধ্যে উল্লেখ কৰি অহা হৈছে, উপন্যাসখনৰ নিম্নবৰ্গৰ সামাজিক সংৰচনা আঞ্চলিক অৰ্থাৎ একোটা অঞ্চল নিৰ্ভৰ। কাহিনীৰ প্ৰাৰম্ভিক স্তৰত স্থানকেন্দ্ৰিক বৈষম্যৰ আভাস আছে- *'উত্তৰ পাৰৰ এই গাঁওবোৰ আমাৰ দক্ষিণপাৰৰ নিচিনা নহয় শালপতি'-..."মানুহবোৰ এতিয়াও বৰ আৰু অসভ্য হৈয়েই আছে। আৰু বৰ সোৰোপাও।"*[৫] আধুনিক সমাজ ব্যৱস্থাত পাঁচ-ছবছৰৰ বয়সতে কেনেধৰণৰ বৰ্ণবৈষম্যৰ সন্মুখীন হৈছে তাৰ বৰ্ণনা জীৱন্ত হৈছে। উক্ত অঞ্চলত কুসংস্কাৰত পৰিণত হৈছিল। *"...মেনকাৰ গালত কাণতলীয়া চৰ এটা বহুৱাই দি চিঞৰিবলৈ ধৰিলে - 'ইস ইস ইস, খালে খালে, এপাচিকৈ উখুৱা ধান নষ্ট কৰিলে ঐ মেমেৰি ডাঙ্কাচি, তোৰ জীয়েৰ সৰু ছোৱালী, তাই বাৰু নাজানেই; তই বুঢ়ী মানুহজনী হৈ তাইক বাধা দিব নোৱাৰিলি ? ধৰি ৰাখিব নোৱাৰিলি ? এতিয়া চাচোন, এপাচি শ'লপোনা ধান পেলাই দিব হ'ল।' তেনে ভাবিব নোৱাৰা পৰিস্থিতিৰ মুখামুখি হৈ মেনকাই মাকক সুধিছে-'আই, মইনো কি কৰিলো, সেই মানুহজনীয়ে ধানখিনি পেলাই দিম বুলি ক'লে?' মেমেৰিয়ে অসহায় হৈ জীয়েক মেনকাক জন্মসত্ব অধিকাৰ সম্পৰ্কে সকীয়াইছে-আমি ডোম, বুজিছ। পূৰ্বজন্মৰ কিবা পাপৰ শাস্তি স্বৰূপে ঈশ্বৰে আমাক নীহ-কুলীয়া ডোম কৰি সৃষ্টি কৰিছে। হেঁদুৰ চোতালত উখুঁৱা ধান মেলি থলে তাত যদি ডোমৰ গাৰ ছাঁ পৰে, তেন্তে ধানখিনি চুৱা হয়। কেনেবাকৈ যদি..."*[৬]

শৈক্ষিকভাৱে অনগ্ৰসৰ (যি সময়ত কৈৱৰ্ত গাঁওখনত এটা মাত্ৰ মানুহেও 'ক'টোৰ চুক চিনি নাপাইলি

পৃ. ৩৭) গৰৈমাৰীয়াসকল অৰ্থনৈতিকভাৱেও সচল নহয়। মাছ বিক্ৰী আৰু ম'হঘূলি গাঁৱত পুৰুষ-মহিলা নিৰ্বিশেষে দিনহাজিৰাই তেওঁলোকৰ অৰ্থনীতিৰ ঘাই সম্বল। সেই সামাজিক সংৰচনাত দিগম্বৰে সন্তানক আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত কৰাৰ কথা ভাবিছে। শিক্ষানুষ্ঠানতো জাত-পাতৰ বিচাৰ আছিল ভয়ানক। মজলীয়া স্কুলৰ হেড পণ্ডিত ভূধৰ শৰ্মাৰ অফিচত দিগম্বৰে যেতিয়া দুই সন্তানৰ নামভৰ্ত্তি কৰিবলৈ উপস্থিত হৈছিল পণ্ডিতৰ মানসিকতা- *"তেওঁৰ ব্ৰহ্মতেজ ওপৰলৈ উজাই গৈ একে ছাটে খুন্দা মাৰিলে। পৰম অবিশ্বাসৰ দৃষ্টিৰে তেওঁ কেইমুহূৰ্তমান সময় দিগম্বৰৰ মুখলৈ নীৰৱে চাই ৰ'ল। কিন্তু লগে লগে তেওঁ মনৰ ভিতৰতে স্বগতোক্তি কৰিবলৈ ধৰিলে -'কটা ডোমৰ পো,যাৰ গাত হাত লাগিলেও গা ধুব লাগে,তাৰ পুতেক এতিয়া বামুণ-গোসাঁইৰ ল'ৰাৰ লগত একে শাৰীতে গা ঘঁহাই বহি স্কুলত পঢ়িব! মাছ মাৰিবলৈ এৰি এতিয়া সিহঁত চকীত বহি ঠেং জোঁকৰা বাবু হ'ব!"* [৭] এইধৰণৰ মানসিকতাৰ বাবে দিগম্বৰৰ দুই পুত্ৰ সন্তানে পূৰ্ণই ছমাহ আৰু দ্বিতীয় শ্ৰেণীতে জয়হৰিয়ে শিক্ষা জীৱন সাং কৰিবলৈ পৰিৱেশ-পৰিস্থিয়ে বাধ্য কৰায়। দেউতাকৰ আশা আছিল জীয়েক কমলাক স্কুল নাম লগাই দিব (কিজানি ভেকুলীৰ পিঠিতো নোম গজে) অৱশ্যে দুই পুত্ৰ সন্তানৰ শিক্ষা সাং ৰীতিয়ে তেওঁৰ এই হেঁপাহ কলিতে মৰহিবলৈ বাধ্য কৰাত দেউতাকৰ আগ্ৰহত কমলাক জয়হৰিয়ে কখ-মম শিকায়। এইয়াই আছিল সমকালীন সময়ছোৱাৰ অসমৰ কেতবোৰ ঠাইৰ শিক্ষা-ব্যৱস্থাৰ ৰেহৰূপ।

প্ৰেমৰ প্ৰসংগই ঔপন্যাসিকৰ উদ্দেশ্য গতিশীল কৰিছে। কমলা আৰু মণিৰাম গগৈৰ প্ৰেমে জাত-পাতৰ দগা-পাল্লাত ওলমি ৰৈছে। প্ৰথম দৰ্শনতে মণিৰামৰ প্ৰেমিক অনুভূতি সামাজিক সংৰচনাৰ স্বীকাৰ হৈছে- *'তাই কিয় ডোমৰ ছোৱালী হৈ উপজিল! এতিয়া যে মই তাইলৈ মন মেলা আৰু ডিঙিত চিপজৰী লগোৱা একেটা কথা!'* [৮] কমলাক নিজৰ কৰিবলৈ মাক-বাপেক আৰু বাসুদেউ থানৰ নামত শপত লোৱা মণিৰামে তিনিমহীয়া লেঠা থকা কমলাক গ্ৰহণ কৰাত আপত্তি কৰিছে। ইয়াকে পাঁচ-ছবছৰ বয়সতে বৰ্ণবৈষম্যৰ বলি হৈ ঘৃণাৰ পাত্ৰ হোৱা গৰ্ভপাত কৰিবলৈ জনা (চিকিৎসা শাস্ত্ৰ অনুসৰি নহয়)মেনকাই সুযোগলৈ ৰূপান্তৰিত কৰাৰ চিন্তা কৰিছে। টকাৰ লোভত গৰ্ভ নষ্ট কৰা মেনকাই মণিৰামৰ একুৰি চিকাৰূপ অস্বীকাৰ কৰি সদম্ভে ঘোষণা কৰিছে-*'কিন্তু এইবাৰ মই গৰ্ভ নষ্ট নকৰি গৰ্ভ ৰক্ষা কৰিমডোমৰ প্ৰাণ বচাবলৈ,ডোমৰ মান বচাবলৈ।'* [৯] আৰু কৈছে-...*"তোমাক কমলালৈ চপাই লৈ 'ডোম'ৰ জাতলৈ তুলি ল'বলৈ নোৱৰালৈকে মোৰ শান্তি নাই। তাৰ কাৰণে মই কৰিব নোৱৰা কাম একো নাই। লাগিলে প্ৰাণ দিম। নৰকত পচি মৰিম। ... "* [১০]

বৰ্ণবৈষম্যৰে জৰ্জৰিত সমাজ-ব্যৱস্থাত অসবৰ্ণৰ সৈতে বিবাহ পাশত আৱদ্ধ হ'লে মৰি যোৱা বুলি ধৰি লৈছিল। *"... এই ঘৰৰ মণিৰাম বোলা ল'ৰাটোৱে আজি জাত-কুল আই-বোপাই সকলোকে পৰিত্যাগ কৰি ডোম গাঁৱৰ দিগম্বৰৰ ঘৰ-জোঁৱাই চাপিলেগৈ। মাক-বাপেকে সেই কাৰণে আজিয়েই চৰু-হাড়ি ধুই তাৰ মৰা-সকাম কৰি পেলাইছে। ঠিকেই কৰিছে। যি ল'ৰাই অজাতিৰ লগত সংস্ৰৱ কৰি ইহকালত মাক-বাপেকৰ ঘৰত ভৰি দিয়াৰ অধিকাৰ হেৰুৱাইছে। তাকতো মৰা বুলিয়ে ধৰিব পাৰি। নে কি কয়?"* [১১] মণিৰামৰ ঘৰ-জোঁৱাই হোৱা ৰীতিক 'ডোম'সকলে জাতত তুলি লোৱা বুলি কোৱা কথাত মধু পাচনিয়ে -*'জাতত তুলিব? হেৰি জাতত তুলিব নে ডোমৰ জাতলৈ নমাব?'(মৎস্যগন্ধা, পৃ.৮৮)*প্ৰশ্ন তুলিছে। উপন্যাসখনৰ পটভূমি শিতানৰ পৰা আৰম্ভ কৰি প্ৰতিটো পৃষ্ঠাতে অনুৰণিত হৈ আছে মেনকাই ৰাও ৰাওকৈ চিঞৰি কোৱা কথাকেইষাৰ-*"ঐ মুখত পোক-লগা, ঐ খেকাৰ-খুৰা, ঐ মেখেলা-তলতীয়া- কাক 'ডোম ডোম' কৰিছ? থিয় নাঙঠ কৰি মেখেলাৰে কোবাম, চিনি পোৱা নাই। জাতলৈ নমোৱা নাই,আজি তহঁতৰ এটাক জাতলৈ তুলিলো। ভয় নকৰিবি, তহঁতৰো আৰু বেছি দিন নাই। এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলালৈকে মোৰ শান্তি নাই.. ।"* অৰ্থাৎ বৰ্ণবৈষম্যহীন সামাজিক সংৰচনাৰ আশা দেখা যায়।

**১.২ মৎস্যগন্ধা উপন্যাসৰ সামাজিক সংৰচনাত আঞ্চলিক বিশেষত্ব ঃ**

উপন্যাসৰ সামাজিক সংৰচনা অধ্যয়নত আঞ্চলিক উপাদানৰ বিচাৰ বেছ গুৰুত্বপূৰ্ণ দিশ। আঞ্চলিক

উপাদানসমূহৰ আধাৰতহে বিশেষত্বপূৰ্ণ সামাজিক সংৰচনা একোটা গঢ় লৈ উঠিব পাৰে। আমাৰ আলোচনাত আঞ্চলিক উপাদানসমূহ ইতিমধ্যে ঠাই পাইছে। আলোচ্য উপন্যাসখনত গ্ৰাম্যকেন্দ্ৰিক সংস্কৃতিগত দিশত আঞ্চলিক উপাদানৰ তুলনামূলকভাৱে বেছি। এই দিশবোৰ ইয়াত তুলি ধৰা হ'ব। আঞ্চলিকতাৰ প্ৰকাশ উপন্যাসৰ এক বিশেষ বৈশিষ্ট্য। কিয়নো কোনো এটা অঞ্চলৰ গাত ভেজা দিয়েই উপন্যাসৰ কাহিনী আৱৰ্তিত হয়। এনে এটা অঞ্চলেই যেতিয়া উপন্যাসৰ কেন্দ্ৰীয় বিষয়বস্তু হৈ পৰে; তেতিয়া সেই উপন্যাসক আঞ্চলিক উপন্যাস বুলি কোৱা হয়। কোনো এক বিশেষ ভূ-খণ্ডৰ নিৰ্দিষ্ট প্ৰাকৃতিক পটভূমি আৰু তাক কেন্দ্ৰ কৰি গঢ়ি উঠা মানৱ গোষ্ঠীৰ জীৱনচৰ্যাৰ ৰূপায়নেই হ'ল আঞ্চলিক উপন্যাসৰ উপজীব্য।

গ্ৰাম্য লোকাচাৰ, সংস্কৃতিগত প্ৰসংগসমূহ সামাজিক সংৰচনাৰ বিন্যাসৰ প্ৰয়োজনত উপন্যাসখনত বৰ্ণিত হৈছে। লোকজীৱনৰ ৰো-ব্যাধিৰ পৰা পৰিত্ৰাণৰ কাৰণে বিবিধ লোক-চিকিৎসা,লোকাচাৰৰ বৰ্ণনা আছে। মেনকাই পৰম্পৰাগত লোক ঔষধ ব্যৱহাৰ কৰি গৰ্ভপাত কৰিব জানে। পৰম্পৰাগতভাৱে শিকা বিদ্যাটো এনেধৰণৰ—
*“এবিধ বনৰীয়া গছৰ নাম। গছজোপাৰ শিপা গৰ্ভৱতী তিৰোতাৰ যোনীপথেদি গৰ্ভত প্ৰৱেশ কৰাই গৰ্ভপাত কৰাব পাৰি। কিন্তু গছজোপাৰ নাম বংশানুক্ৰমে গোপনে ৰখা হয়। এই গোপনীয়তা সুনিশ্চিত কৰিবলৈ শিপাডাল প্ৰয়োগ কৰাৰ সময়ত এফাঁকি দীঘলীয়া মন্ত্ৰও মতা হয়..” (মৎস্যগন্ধা, পৃ.৪৮)*

*মৎস্যগন্ধা* উপন্যাসত উজনি অসমৰ আহোম, মিচিং, কছাৰী আৰু কৈৱৰ্ত গাঁৱত ব'হাগ বিহুৰ পৰিৱেশ বৰ্ণনা কৰিছে-*“বিভিন্ন সম্প্ৰদায়ৰ মানুহ বাস কৰা সেই গোটেই অঞ্চলটোত কেৱল আহোম, কৈৱৰ্ত, কছাৰী আৰু মিচিং গাঁৱৰ ডেকা-গাভৰুৱেহে একেলগে বিহু মাৰে।... চ'তৰ পোন্ধৰ দিনৰ পৰা চাৰিওফালৰ আহোম, মিচিং আৰু কৈৱৰ্ত গাঁৱৰ বিহুৰ ঢোল-পেঁপা বাজি উঠে।... আহোম আৰু মিচিং গাঁওবোৰত ৰাতি বিহু হয়।” (মৎস্যগন্ধা, পৃ.৫৫)*

**২. উপসংহাৰ ঃ**

*মৎস্যগন্ধা* উপন্যাসৰ আমাৰ আলোচনাত সাধাৰণতে উপন্যাসৰ বিষয়বস্তু, কাহিনী,অথবা আংগিকগত আদি দিশৰ বিচাৰ সন্নিৱিষ্ট হোৱা নাই। ইয়াত সামাজিক সংৰচনা প্ৰসংগসমূহে আলোচনা কৰা হৈছে। অৰ্থাৎ সাহিত্যত সমাজৰ সন্ধান কৰা হৈছে। হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* উপন্যাসত তৎকালীন সবল ৰূপত বিন্যাস কৰি আধুনিক চিন্তাৰে সমাজ গঢ় দিয়াৰ পোষকতা কৰিছে।

**পাদটীকা ঃ**

১. নগেন শইকীয়াৰ গৱেষণা পদ্ধতি পৰিচয় পৃ-৫
২. হোমেন বৰগোহাঞিৰ জিজ্ঞাসা পৃ.২০
৩. বসন্ত কুমাৰ গোস্বামী (সম্পা.) ঃ অসম সাহিত্য সভা পত্ৰিকা, চতুঃ পঞ্চাশতম বৰ্ষ, হোমেন বৰগোহাঞিৰ প্ৰবন্ধ, ‘মোৰ উপন্যাসৰ পটভূমি সম্পৰ্কে এটি চমুটোকা’, পৃ-৬৭
৪. মৎস্যগন্ধা পৃ.২২
৫. উল্লিখিত, পৃ.৮
৬. উল্লিখিত, পৃ.১৬
৭. উল্লিখিত, পৃ.৩৭-৩৮
৮. উল্লিখিত, পৃ.৫৮
৯. উল্লিখিত, পৃ.৭৮
১০. উল্লিখিত, পৃ.৮৩
১১. উল্লিখিত, পৃ.৮৬

**গ্ৰন্থপঞ্জী ঃ**

**মূল উৎস ঃ**

বৰগোহাঞি,হোমেন ঃ *মৎস্যগন্ধা,* ষ্টুডেন্টচ্ ষ্ট'ৰচ, গুৱাহাটী নৰম প্ৰকাশ জুলাই ২০২৩

**প্ৰাসংগিক গ্ৰন্থ ঃ**

বৰগোহাঞি, হোমেন, *জিজ্ঞাসা,*ষ্টুডেন্টচ্ ষ্ট'ৰচ, গুৱাহাটী ,চতুৰ্দশ সংস্কৰণ, ২০১৪

বৰুৱা, প্ৰহ্লাদ কুমাৰ, *উপন্যাস,* বনলতা, নতুন বজাৰ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ১৯৯০

বৰুৱা, প্ৰদীপ কুমাৰ, *আধুনিক অসমীয়া উপন্যাসৰ শিল্পৰীতি,* শব্দ প্ৰকাশ, থানা তিনিআলি, যোৰহাট, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০০৫

—*উপন্যাসত সময় আৰু পৰিৱেশ বিন্যাসঃ ক্ষুদ্ৰ উপন্যাসৰ শিল্পৰীতি* ,শব্দ প্ৰকাশ, যোৰহাট,২০০৫

বৰকটকী, বীৰেণ, *সাহিত্যৰ পটভূমি,* অসম বুক ডিপো, পাণবজাৰ, গুৱাহাটী, সপ্তম প্ৰকাশ, ১৯৯২

বৰমুদৈ, আনন্দ, *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস,* ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়,প্ৰথম প্ৰকাশ ২০২৩

বৰা, জয়ন্ত কুমাৰ, *হোমেন বৰগোহাঞিৰ উপন্যাসৰ শিল্প-বৈভৱ,* অসম পাব্লিছিং কোম্পানী, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৫

ভৰালী, শৈলেন , *উপন্যাস বিচাৰ আৰু বিশ্লেষণ,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, চতুৰ্থ প্ৰকাশ, ২০১২

ভৰালী, গিৰীন্দ্ৰ নাথ(সম্পা.), *উপন্যাস বিশ্লেষণ* জ্যোতি, সৰস্বতী ডি এন প্ৰকাশন, ধিং, নগাঁও, প্ৰথম প্ৰকাশ, ২০১৫

মিশ্ৰ, কৃষ্ণকুমাৰ , বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্ল গোস্বামীৰ উপন্যাস প্ৰভা প্ৰকাশনী,তৃতীয় প্ৰকাশ,২০০১

— *প্ৰসংগঃ উপন্যাস,* অসম প্ৰকাশ পৰিষদ, গুৱাহাটী, ২০০৯

—*উপন্যাসৰ দেহবিচাৰ,* অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়,প্ৰথম প্ৰকাশ,২০১১

শইকীয়া, নগেন, *গৱেষণা পদ্ধতি পৰিচয়,* বনলতা, ডিব্ৰুগড়-১, ২০০৭

শৰ্মা, গোবিন্দ প্ৰসাদ, *উপন্যাস, আৰু অসমীয়া উপন্যাস,* গুৱাহাটী, ষ্টুডেণ্টচ্ ষ্টৰচ্, চতুৰ্থ প্ৰকাশ, ২০১০

— *অসমীয়া উপন্যাসৰ ইতিহাস,* জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ নৱেম্বৰ ২০১৪

শৰ্মা, সত্যেন্দ্ৰনাথ, *অসমীয়া উপন্যাসৰ গতিধাৰা,* সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০০৭

**আলোচনী আৰু গৱেষণা গ্ৰন্থ ঃ**

গোস্বামী, বসন্ত কুমাৰ (সম্পা.), *অসম সাহিত্য সভা পত্ৰিকা,* চতুঃ পঞ্চাশতম বৰ্ষ, তৃতীয় সংখ্যা, ১৯৯৮-৯৯, যোৰহাট

তালুকদাৰ, লিপিকা, *"অসমীয়া আৰু বাংলা আঞ্চলিক উপন্যাসঃ এক তুলনামূলক অধ্যয়ন",* পিএইচ ডি গৱেষণা গ্ৰন্থ, ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ২০০৮

পোদ্দাৰ,ঊৰ্মিলা,*"আঞ্চলিক উপন্যাসর নিরিখেঃ বাংলা ও অসমিয়া উপন্যাস",* পিএইচ ডি গৱেষণা গ্ৰন্থ, বাংলা বিভাগ, কল্যাণী বিশ্ববিদ্যালয়, ২০০৯

বৰা,জয়ন্ত কুমাৰ, *"হোমেন বৰগোহাঞিৰ উপন্যাস ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন",* পিএইচ ডি গৱেষণা গ্ৰন্থ, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৩

শৰ্মা , গগণ, "হোমেন বৰগোহাঞিৰ উপন্যাস এটি বিশ্লেষণাত্মক অধ্যয়ন" পিএইচ ডি গৱেষণা গ্ৰন্থ আধুনিক ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়,২০১৮

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# নাৰীবাদী দৃষ্টিভংগীৰে হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা' উপন্যাস ঃ এটি অধ্যয়ন

বিকাশ শৰ্মা
স্নাতকোত্তৰ দ্বিতীয় ষান্মাসিক
অসমীয়া বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ই-মেইল - bikashsarmah789@gmail.com
দুৰভাষ - ৯৭০৭৬০৭১০০

**সংক্ষিপ্তসাৰ**

হোমেন বৰগোহাঞিক সাম্প্ৰতিক অসমীয়া সাহিত্য জগতৰ এগৰাকী উল্লেখযোগ্য সাহিত্যকাৰ হিচাপে বিবেচনা কৰা হয়। আধুনিক অসমীয়া সাহিত্যৰ বিবিধ বিধাসমূহত সাহিত্য ৰচনা কৰা হোমেন বৰগোহাঞি ঔপন্যাসিক হিচাপেও বিশেষভাৱে পৰিচিত। 'মৎস্যগন্ধা' হোমেন বৰগোহাঞিৰ সমাজ বাস্তৱতাৰ প্ৰতিফলন ঘটা এখন উল্লেখযোগ্য উপন্যাস। সমাজ বাস্তৱতাৰ সমান্তৰালভাৱে এই উপন্যাসখনৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ মেনকাৰ মাজেৰে নাৰীবাদী চেতনা একোটাৰো পৰিস্ফুৰণ ধৰা পৰে। বিবাহপাশত আবদ্ধ হোৱা স্বত্বেও নিজৰ স্বাধীনতা স্বামীৰ ওচৰত বিসৰ্জন নিদিয়া, স্বামীৰ অধীনস্থতা স্বীকাৰ নকৰা আনকি অকলেই সমাজ ব্যৱস্থা একোটাৰ বিপক্ষে বিদ্ৰোহ ঘোষণা কৰা আদি বৈশিষ্ট্যৰাজিয়ে মেনকা চৰিত্ৰটোক নাৰীবাদী দৃষ্টিৰে এটা অতিকৈ শক্তিশালী নাৰী চৰিত্ৰ হিচাপে উপন্যাসখনিৰ মাজত তুলি ধৰিছে। অৱশ্যে এই চৰিত্ৰটিৰ ধ্যান ধাৰণা সম্পূৰ্ণৰূপে পুৰুষতান্ত্ৰিক চিন্তা চেতনাৰ পৰা মুক্ত বুলিও ক'ব নোৱাৰি।

**বীজশব্দ** - নাৰী, নাৰীবাদ, হোমেন বৰগোহাঞি, মৎস্যগন্ধা, মেনকা।

**০.০ অৱতৰণিকা ঃ**

নাহেন্দ্ৰ পাদুনে কৈছে, *"সাম্প্ৰতিক কালত নাৰীবাদ হৈছে নাৰীৰ বিপক্ষে লিংগ বৈষম্য আৰু অসমতাৰ সৈতে জড়িত নৈতিক দৰ্শন আৰু ইয়াৰ লগত জড়িত সামাজিক, সাংস্কৃতিক আন্দোলন আৰু এইবোৰৰ পৰা উত্থিত তত্ত্বৰ সমাহাৰ।"*[১] ১৯৬০ খৃঃৰ পৰৱৰ্তী সময়ছোৱাত সাহিত্য-বিচাৰৰ এক পদ্ধতি হিচাপে নাৰীবাদী তত্ত্বৰ বা নাৰীবাদী সমালোচনাৰ বিকাশ ঘটে। ১৯৮০ পৰৱৰ্তী সময়ছোৱাত সাহিত্য-বিচাৰৰ এক পদ্ধতি হিচাপে নাৰীবাদী সমালোচনা অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনতো প্ৰযুক্ত হ'বলৈ ধৰে।

হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* সমাজ-বাস্তৱতাৰ প্ৰতিফলন ঘটা এখন উল্লেখযোগ্য উপন্যাস। উপন্যাসখনৰ মাজেৰে প্ৰাক্-স্বাধীনতাকালৰ অসমৰ জাতিভেদৰ সমস্যাটিক উত্থাপন কৰা হৈছে। এই উপন্যাসখনিৰ প্ৰসংগত মহেন্দ্ৰ বৰাই কৈছে — *"এইখন উপন্যাসে বিষয়বস্তুৰ সাহসিকতাৰে অসমীয়া উপন্যাসলৈ এক নতুন দিগন্তৰ বাৰ্তা বহন কৰি আনিছে। মৰ্মস্পৰ্শী সহানুভূতিৰে ৰচিত হ'লে ভয়ৰ কাৰণ থকা বিষয়কো সাহিত্যৰ চাৰিসীমাৰ ভিতৰলৈ লৈ আনিব পাৰি, এইখন উপন্যাস তাৰ সুন্দৰ নিদৰ্শন। ইয়াৰ কাহিনীটো যেন অসমৰ মানুহৰ নানা পৰিৱৰ্তৰ মাজেদি মাজেদি*

*নিতৌ গঢ় লৈ থকা সমকালীন ইতিহাসৰ এটি হাতী-দাঁতত আঁকি উলিওৱা অনুচিত্ৰ।"*[২]

বৰগোহাঞিৰ উপন্যাস *মৎস্যগন্ধাক* নাৰীবাদী দৃষ্টিভংগীৰে বিচাৰ কৰি এটি পদ্ধতিনিষ্ঠ আলোচনা যুগুত কৰাৰ আমাৰ এই আলোচনা পত্ৰখনিৰ মাজেৰে চেষ্টা কৰা হ'ব।

**০.১ অধ্যয়নৰ উদ্দেশ্য ঃ**

প্ৰদত্ত আলোচনা পত্ৰখনিৰ মূল উদ্দেশ্য হৈছে নাৰীবাদী দৃষ্টিভংগীৰে হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* উপন্যাসখনৰ এক পদ্ধতিনিষ্ঠ বিশ্লেষণাত্মক আলোচনা যুগুত কৰা।

**০.২ অধ্যয়নৰ পৰিসৰ ঃ**

হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* উপন্যাসখন বিভিন্ন সাহিত্যতত্ত্বৰ আধাৰত বিশ্লেষণ কৰিব পৰা যায় যদিও আমাৰ এই আলোচনাত নাৰীবাদ তত্ত্বৰ আধাৰতহে উপন্যাসখনৰ বিশ্লেষণ কৰা হ'ব।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

অধ্যয়নৰ ক্ষেত্ৰত মূলতঃ বিশ্লেষণাত্মক আৰু বৰ্ণনামূলকপদ্ধতিৰ সহায় লোৱা হৈছে আৰু তাত্ত্বিক আধাৰ হিচাপে নাৰীবাদ তত্ত্বক গ্ৰহণ কৰা হৈছে।

**০.৪ অধ্যয়নৰ উৎস ঃ**

অধ্যয়ণৰ মুখ্য উৎস হিচাপে হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* উপন্যাসখন আৰু গৌণ উৎস হিচাপে বিষয়ৰ সৈতে সম্পৰ্কীত বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে।

**১.০ মূল আলোচনা ঃ-**

**১.১ নাৰীবাদ ঃ এক পৰিচয় ঃ**

অসমীয়া ভাষাত Feminism ৰ প্ৰতিশব্দ হিচাপে নাৰীবাদ শব্দটোৰ পোনতে প্ৰয়োগ কৰে সমালোচক গোবিন্দ প্ৰসাদ শৰ্মাই। ১৯৮৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰিশীলন পাঠ্যক্ৰমত গোবিন্দ প্ৰসাদ শৰ্মাই 'নাৰীবাদ' শব্দটো পোনতে ব্যৱহাৰ কৰে বুলি অঞ্জলি শৰ্মাই *অসমত নাৰীবাদৰ সূচনা, বিকাশ আৰু প্ৰসাৰ*শীৰ্ষক প্ৰবন্ধত মত পোষণ কৰিছে।[৩] পৰৱৰ্তী সময়ত শৰ্মাই তেওঁৰ বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধাৱলীৰ মাধ্যমেৰে অসমত 'নাৰীবাদ' শব্দটো জনসমাদৃত কৰি তোলে। [৪]

*অক্সফৰ্ড ডিক্সনেৰী*ৰ মতে, নাৰীবাদ হৈছে পুৰুষৰ দৰেই নাৰীৰ অধিকাৰ আৰু সুযোগ থাকিব লাগে বুলি কৰা বিশ্বাস আৰু লক্ষ্য আৰু এই লক্ষ্যত উপনীত হোৱাৰ সংগ্ৰাম - "the belief and aim that women should have the same rights and opportunities as men, the struggle to achieve this aim"[৫] গোবিন্দ প্ৰসাদ শৰ্মাৰ ভাষাৰে - *"মূল্য বা গুৰুত্বৰ পিনৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই - এয়েই হ'ল নাৰীবাদৰ মৌলিক ধাৰণা। সমাজত মতা মানুহ বা মাইকী মানুহ বুলি কোনো ভেদাভেদ থাকিব নালাগে; সমাজত সকলো কেৱল মানুহ। পুৰুষ সত্ত্বা আৰু নাৰীসত্ত্বা বুলি কোনো ভিন্ন সত্ত্বা নাই। দুয়োটিয়েই একে মানৱ সত্ত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়াই হ'ল নাৰীবাদৰ সাৰ কথা।"*[৪]

পুৰুষ প্ৰধান সমাজ ব্যৱস্থাৰ দ্বাৰা লাঞ্চিতা নাৰীসকল এসময়ত স্বকীয় অস্তিত্ব সম্পৰ্কে সচেতন হৈ উঠে আৰু ইয়াৰ পৰিণতি স্বৰূপেই জন্ম হয় নাৰীবাদৰ। উল্লেখ্য যে নাৰীৰ এই আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত নাৰীমুক্তিৰ বাবে নাৰী-পুৰুষ নিৰ্বিশেষে সকলো চিন্তাশীল লোকেই উদ্বুদ্ধ হৈ উঠিছিল। তেওঁলোকে উপলব্ধি কৰিছিল যে সমাজৰ এটা গুৰুত্বপূৰ্ণ অংগ নাৰীৰ মুক্তি অবিহনে সমাজৰ সৰ্বাঙ্গীন বিকাশ অসম্ভৱ। কালক্ৰমত এই ধাৰণা এটা মতবাদলৈ ৰূপান্তৰিত হয়। নাৰী মুক্তিৰ সেই মতবাদটিয়েই নাৰীবাদ হিচাপে পৰিগণিত হয়। এক কথাত ক'বলৈ গ'লে নাৰী মুক্তিৰ সচেতন প্ৰয়াসেই হৈছে নাৰীবাদ।

এক স্বতন্ত্ৰ, সংহত আৰু সুনিৰ্দিষ্ট আন্দোলন হিচাপে নাৰীবাদৰ বিকাশ ঘটে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত। M. H. Abrams ৰ মতে নাৰীবাদক সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত এক সুস্পষ্ট ধাৰণা হিচাপে প্ৰতিষ্ঠা কৰাত Marry Wollastonecraft ৰ *A Vindication of the rights of women* (1792), John Stuart Mill ৰ *The Subjection of Women* (1869) আৰু Margaret Fuller ৰ *Woman in the Nineteenth Century* (1845) — নামৰ এই তিনিখন গ্ৰন্থৰ নাম বিশেষভাৱে গুৰুত্বপূৰ্ণ।[৭] নাৰীৰ সম অধিকাৰ আৰু সমমৰ্যদাৰ দাবীত গঢ়ি উঠা নাৰীবাদে এক সুনিৰ্দিষ্ট তত্ত্ব বা মতবাদ হিচাপে নাৰীবাদী চিন্তাৰ পূৰ্ণ-প্ৰকাশ ঘটে ১৯৬৯ চনৰ পিছৰ পৰা। সাম্প্ৰতিকে নাৰীবাদী চেতনাই বিকশিত হৈ এনে ৰূপ লাভ কৰিছে যে জুৰি দত্তই ক'বৰ দৰে, *"ই (নাৰীবাদ) আজি এনে এক পৰ্যায়ত উপনীত হৈছে যে ই এটা 'মত'ৰ তত্ত্ব হৈ থকা নাই। আজি নাৰীবাদে সামৰি লৈছে মাৰ্ক্সবাদ, মনোবিশ্লেষণাত্মক তত্ত্ব আৰু বিভিন্ন উত্তৰ সংযুক্তিবাদী চিন্তাৰ যুক্তি আৰু কাৰ্যপ্ৰণালী।"*[৮]

সমালোচকসকলে নাৰীবাদী সমালোচনাক মুখ্যতঃ দুটা ভাগত ভাগ কৰিছে— ফাৰ্ষ্ট ৱেভ ফেমিনিজম আৰু ছেকেণ্ড ৱেভ ফেমিনিজম।

**১.১.১ ফাৰ্ষ্ট ৱেভ ফেমিনিজম বা নাৰীবাদৰ প্ৰথম তৰংগ ঃ**

ভাৰ্জিনিয়া উলফে তেওঁৰ *A Room of One's Own* (1929) নামৰ ৰচনাখনত স্পষ্টকৈ কৈছে, *"কল্পকাহিনী লিখিবলৈ হ'লে নাৰী এগৰাকীক ধন আৰু তলা-ছাবিৰে সৈতে এটা একান্ত নিজৰ কোঠা লাগিবই।"*[৯] পুৰুষৰ তুলনাত নাৰী লেখিকা এগৰাকীয়ে সন্মুখীন হোৱা বস্তুগত অসুবিধাৰ আশাপূৰ্ণা দেৱী, অমৃতা প্ৰীতম আদিৰ দৰে বিশ্ববিখ্যাত ভাৰতীয় মহিলাসকলেও সন্মুখীন হোৱাৰ কথা তেওঁলোকৰ জীৱন বৃত্তান্তৰ পৰাই জানিব পৰা যায়।

প্ৰথম পৰ্যায়ৰ নাৰীবাদী সমালোচকসকলৰ মধ্যত ভাৰ্জিনিয়া উলফৰ এক বলিষ্ঠ পদক্ষেপ হৈছে— লিংগৰ ধাৰণাটো যে এক সামাজিক নিৰ্মাণ যি পৰিবৰ্তনসাপেক্ষ এই সত্যৰ প্ৰতিষ্ঠা কৰাতো। এইক্ষেত্ৰত তেওঁৰ আন এক লক্ষণীয় অৱদান হৈছে— লেখক হিচাপে নাৰী এগৰাকীয়ে সন্মুখীন হোৱা সমস্যা বা অসুবিধাৰ অৱলোকন।

চিম'ন ডি বিভোৱাৰ *The Second Sex* (1949) কিতাপখনেও নাৰীবাদী চিন্তাৰ বিকাশত বিশিষ্ট বৰঙণি যোগায়। এই কিতাপখনত নাৰীৰ বস্তুগত অসুবিধাসমূহৰ সমান্তৰালভাৱে নাৰী আৰু আৰু পুৰুষৰ জৈৱিক, অৰ্থনৈতিক আৰু মনস্তাত্ত্বিক অসমতাৰ ক্ষেত্ৰটো প্ৰথমবাৰৰ বাবে প্ৰশ্ন তোলা হয়।

**১.১.২ ছেকেণ্ড ৱেভ ফেমিনিজম বা নাৰীবাদৰ দ্বিতীয় তৰংগ ঃ**

নাৰীবাদৰ প্ৰথম আৰু দ্বিতীয় তৰংগৰ মাজত একোডাল সুস্পষ্ট সীমাৰেখা অঙ্কন কৰাটো সম্ভৱ নহয় যদিও চিম'ন ডি বভোৱাৰ *The Second Sex* শীৰ্ষক গ্ৰন্থখনিৰ মাজেৰেই নাৰীবাদৰ দ্বিতীয় তৰংগই উন্মেষ লভে বুলি ক'ব পাৰি। এইখন গ্ৰন্থয়েই Sex আৰু Gender ৰ মাজত সুস্পষ্ট পাৰ্থক্য ঘোষণা কৰে আৰু পোন প্ৰথমবাৰৰ বাবে নাৰীৰ সৈতে পুৰুষৰ জৈৱিক, মনস্তাত্ত্বিক আৰু অৰ্থনৈতিক অসমতাৰ বিৰুদ্ধে তীক্ষ্ন সমালোচনাক স্বীকৃতি দিয়ে।

আন এগৰাকী নাৰীবাদী সমালোচক আমেৰিকাৰ কেইট মিলেটে *Sexual Politics* (1970)ৰ মাধ্যমেৰে নাৰী নিপীড়নৰ মূলতে অৰ্থনৈতিক অসমতা আৰু সামাজিক মতবিশ্বাসৰ মেৰপাকৰ কথা ব্যক্ত কৰে। মিলেটে পশ্চিমীয়া সামাজিক ব্যৱস্থা আৰু প্ৰতিষ্ঠানসমূহৰ বিশ্লেষণ কৰি দেখুৱাই যে এইসমূহ হৈছে ক্ষমতা প্ৰকাশৰ একো একোটা বিশেষ মাধ্যম যাৰ জড়িয়তে পুৰুষৰ আধিপত্য আৰু নাৰীৰ অধীনস্থতা প্ৰতিষ্ঠা আৰু স্থায়ী কৰি ৰখা হয়। *(M. H. Abrams, A Glossary of Literary Terms, p. 88.)*

শেহতীয়াকৈ নাৰীবাদীসকলে ঝাঁ লাকা আৰু ফ্ৰয়েডৰ মনোবিশ্লেষণাত্মক তত্ত্বৰ লগতে ফাৰ্ডিনাণ্ড দ্য ছ'ছ্যুৰৰ ভাষিক তত্ত্ব, ডেৰিডাৰ উত্তৰ সংযুতিবাদী তত্ত্ব আদিৰ সংমিশ্ৰণত এক ন ৰূপ পৰিগ্ৰহ কৰিছে। উত্তৰ

আধুনিকতাবাদ, নিৰ্গঠনবাদ, বিনিৰ্মাণ আদিয়েও ইয়াৰ সমৃদ্ধিকৰণত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সমকামী (gay), সমলিংগিনী (lesbian), উভয়লিংগী (bisexual), পৰিবৰ্তিত লিংগী (trans gender) সমালোচনায়ো নাৰীবাদক সাম্প্ৰতিকে নতুন আয়তন প্ৰদান কৰিছে।

**২.০ ঔপন্যাসিক হোমেন বৰগোহাঞি আৰু মৎস্যগন্ধা উপন্যাস ঃ**

গল্প, কবিতা, প্ৰবন্ধ, ব্যক্তিগত ৰচনা, আত্মজৈৱনিক ৰচনা আদি সাহিত্যৰ বিবিধ বিধাসমূহত সাহিত্য ৰচনা কৰা হোমেন বৰগোহাঞিৰ উপন্যাস সংখ্যাৰ লেখতো কম নহয়। ১৯৬৩১ পৰা ২০০৩ লৈ সৰ্বমুঠ তেওঁৰ বাৰখন উপন্যাস প্ৰকাশিত হৈছে। এই উপন্যাসকেইখন হৈছে— *সুবালা* (১৯৬৩),*তান্ত্ৰিক* (১৯৬৭), *কুশীলৱ* (১৯৭০), *হালধীয়া চৰায়ে বাওধান খায়* (১৯৭৩), *পিতাপুত্ৰ* (১৯৭৫), *তিমিৰ তীৰ্থ* (১৯৭৫), *অস্তৰাগ* (১৯৮৬), *সাউদৰ পুতেকে নাওঁ মেলি যায়* (১৯৮৭), *মৎস্যগন্ধা* (১৯৮৭), *নিঃসঙ্গতা* (২০০০), *বিষন্নতা* (২০০০) আৰু *এদিনৰ ডায়েৰী* (২০০৩)। এইসমূহৰ ওপৰিও তেওঁ নিৰুপমা বৰগোহাঞিৰ সৈতে যুগ্মভাৱে *পুৱাৰ পুৰৱী সন্ধ্যাৰ বিভাস* (১৯৭১) নামৰ উপন্যাসখন ৰচনা কৰে। বৰগোহাঞি *সূত্ৰধাৰ* নামৰ পযেকীয়া আলোচনী এখনৰ সম্পাদনাৰ দায়িত্বত থাকোতে (১৯৮৯-১৯৯২) আলোচনীখনত *জীৱন-মৃত্যু* নামৰ এখন উপন্যাস ধাৰাবাহিকভাৱে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল।

বৰগোহাঞিৰ *মৎস্যগন্ধা* (১৯৮৭) উপন্যাসখন তেওঁৰ সমাজ বাস্তৱতাৰ পৰিস্ফুৰণ ঘটা উপন্যাসসমূহৰ মধ্যত অন্যতম। *মৎস্যগন্ধা* প্ৰথমে বিংশ শতিকাৰ আশীৰ দশকত প্ৰকাশ পোৱা নৰকান্ত বৰুৱা সম্পাদিত *সীৰলু* আলোচনীত প্ৰকাশিত হৈছিল। (*সুবালাৰ পৰা মৎস্যগন্ধালৈ*, পৃ. ১৪) পিছে গ্ৰন্থাকাৰে প্ৰকাশ কৰাৰ সুযোগ পোৱাত কিছু নতুন কথা যোগ দি উপন্যাসখনৰ কলেবৰ বঢ়োৱাৰ কথা বৰগোহাঞিয়ে নিজেই উল্লেখ কৰিছে। *মৎস্যগন্ধা* উপন্যাসখনৰ মাজেৰে ঘাইকৈ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া সমাজত থকা জাতিভেদৰ সমস্যা ৰূপায়িত হৈছে। গোবিন্দ প্ৰসাদ শৰ্মাই ক'বৰ দৰে, *"প্ৰাথমিকভাৱে ই (মৎস্যগন্ধা) এখন কৈৱৰ্ত্ত গাঁৱৰ মানুহবোৰৰ ওচৰত আহোম, বামুণ, কলিতা আদি জাতিবোৰৰ মানুহৰ শুচিবায়ুগ্ৰস্ততাৰ বাবে হোৱা দুৰাৱস্থাৰ এক স্পষ্ট চিত্ৰ আৰু তাৰ বিপক্ষে এক তীব্ৰ প্ৰতিবাদ। ( অসমীয়া সাহিত্যৰ বুৰঞ্জী,ষষ্ঠ খণ্ড, পৃ.১৪৩-১৪৪)*

**৩.০ *মৎস্যগন্ধা* উপন্যাসৰ চমু কাহিনী ঃ**

*মৎস্যগন্ধা* উপন্যাসৰ কাহিনীৰ প্ৰসংগত মদন শৰ্মাই কৈছে, *"সুবালা দৰে মৎস্যগন্ধা (১৯৮৭)তো তেওঁ এটা সম্প্ৰদায়ৰ হৃত মানৱিক মৰ্যদাৰ প্ৰশ্নটো সাহসেৰে উত্থাপন কৰিছে।" (নগেন ঠাকুৰ (সম্পাঃ), এশ বছৰৰ অসমীয়া উপন্যাস, পৃ. ৫২৮)* উপন্যাসখনত চিত্ৰিত এই সম্প্ৰদায়টো হৈছে কৈৱৰ্ত্তসকল।

উপন্যাসখনৰ আৰম্ভণিতে অৱতৰণিকাৰ দৰে নামবিহীন অধ্যায় এটা সংযোজনেৰে বৰগোহাঞিয়ে নাটকীয়ভাৱে উপন্যাসখনৰ আৰম্ভণি কৰিছে। দক্ষিণপাৰৰ পৰা অহা দুগৰাকী বাটৰুৱাৰ মুখত অৱজ্ঞাসূচক 'ডোম' শব্দৰ বাৰম্বাৰ উচ্চাৰণত দুয়োকে উচপ খোৱাই অন্ধকাৰৰ মাজৰ পৰা ভগা কাঁহৰ শব্দৰ দৰে এটা নাৰীকণ্ঠৰ কৰ্কশ গালি-শপনি ভাঁহি আহিছে আৰু এই অশ্ৰাব্য গালি-গালাজেৰেই কাহিনীৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ মেনকাৰ প্ৰৱেশ ঘটিছে। মেনকাৰ মাধ্যমেৰেই মূলতঃ ঔপন্যাসিকে উপন্যাসখনৰ কথাবস্তু আগুৱাই নিছে।

মেনকাৰ পিতৃ গৰৈমাৰী গাঁৱৰ দুৰ্যোধনৰ পৰিশ্ৰমৰ গুণত ঘৰখনে গাঁৱৰ আনসকলৰ তুলনাত স্বচ্ছল স্থিতি লাভ কৰিছিল। পিছে এবাৰ হাইজা মহামাৰীয়ে দেখা দিয়াত দুৰ্যোধনৰ নদন-বদন ঘৰখন ভাঙি থানবান হ'ল। দুৰ্যোধন আৰু দুই পুত্ৰ হাইজাত ঢুকুৱাৰ পাছত দুৰ্যোধনৰ পত্নী মেমেৰীয়ে বহু কষ্টেৰে দুই কন্যা বেউলা আৰু মেনকাক ডাঙৰ-দীঘল কৰিছিল। এনে অৱস্থাত পেটৰ ক্ষুধা নিবাৰণৰ বাবে মেনকাক লগত লৈ মাক মেমেৰি এঘৰ তথাকথিত উচ্চবৰ্ণৰ মানুহৰ ঘৰত ধান খুজিবলৈ গৈছিল। মাক মেমেৰিয়ে সাৱধান কৰিবলৈ পোৱাৰ আগতেই

মেনকা দৌৰি গৈ চোতালত ধান মেলি থকা গিৰিহঁতনীৰ গাৰ কাষত থিয় দিলেগৈ। মেনকাৰ গাৰ ছাঁ ধানত পৰাত মানুহগৰাকীয়ে ৰণচণ্ডী মূৰ্তি ধৰি মেনকাৰ গালত কাণতলীয়া চৰ মাৰি দিলে। তেতিয়াই মেনকা পোনতে তথাকথিত উচ্চ জাতৰ লোকসকলে 'ডোম'সকলৰ প্ৰতি পোষণ কৰা হীনতা, অপমান, অমানৱীয়তাৰ সৈতে পৰিচিত হয়। এই ঘটনাটোৰ পাছৰ পৰাই কাৰোবাৰ মুখত ঘৃণাসূচক 'ডোম' শব্দটো শুনিলে শৈশৱৰ চৰখোৱা ঘটনালৈ মনত পৰি পাগলী হৈ উঠে।

নিজৰ ৰূপৰ গুণত মেনকা আৰু বেউলাৰ কৈৱৰ্ত্ত গাঁৱৰ আটাইতকৈ ধনী ব্যক্তি দিগম্বৰৰ দুই পুত্ৰ জয়হৰি আৰু পূৰ্ণৰ সৈতে বিবাহ হৈছিল। পূৰ্ণৰ অৰ্কমন্যতা আৰু সোৰোপা স্বভাৱৰ বাবে তাক দেউতাকে ঘৰৰ পৰা বেলেগ কৰি দিছিল। মেনকাই তাৰ বাবে বায়েক বেউলাক জগৰীয়া কৰি দিগম্বৰহঁতৰ গোটেই ঘৰখনকে কালশতৰু জ্ঞান কৰিছিল।

দিগম্বৰৰ একমাত্ৰ কন্যা কমলা ম'হঘুলি গাঁৱৰ মণিৰামৰ সৈতে হোৱা শাৰীৰিক সম্পৰ্কৰ ফলত অবৈধভাৱে অন্তঃসত্বা হৈছিল। আত্মহত্যা কৰিবলৈ অহা কমলাই ৰাতি বৌৱেক মেনকাৰ মাত শুনি শৰণাপন্ন হৈছিলেহি। মেনকাই কমলাৰ মুখেৰে ঘটনাৰ অদ্যোপান্ত জানিব পাৰি জাত্যাভিমানৰ বাবে কমলাক অন্ধকাৰ ভবিষ্যতৰ দিশে ঠেলি দিয়া মণিৰামক ভালকৈ এসেকা দিবলৈ মন বান্ধি মেনকাই মণিৰামৰ সৈতে কথা-বতৰাৰ মাজেৰে তাৰ পলায়নৰ সকলো বাট ৰুদ্ধ কৰে আৰু অৱশেষত সি উপায়হীন হৈ কমলাক বিয়া কৰাবলৈ বাধ্য হয়।

আৰম্ভণিৰ দৰে উপন্যাসখনৰ উপসংহাৰ অধ্যায়টিও নাটকীয়। নৰাম গাঁওবুঢ়া আৰু মধু পাচনি নামৰ বাটৰুৱা দুজন নাম-কীৰ্ত্তন এটিলৈ যাত্ৰা কৰোঁতে মহঘুলি গাঁৱত এফালে মণিৰামৰ ঘৰত অজাতিৰ ছোৱালী অনা বাবে চৰু-হাড়ী ধুই মণিৰামৰ মৰা সকাম কৰা হৈছে; আনহাতে কৈৱৰ্ত্ত গাঁৱত বিয়াৰ ওলহ-মালহ দেখা গৈছে। ইয়াৰ সমান্তৰালভাৱে এটি শোভাযাত্ৰা আগুৱাই আহি থকাও বাটৰুৱা দুজনে দেখা পালে। তাকে দেখি বাটৰুৱা দুজনে অনুসন্ধিৎসা প্ৰকাশ কৰাত অন্য এগৰাকী স্থানীয় লোকে তেওঁলোকৰ অনুসন্ধিৎসা উপশম ঘটাবলৈ ক'লে যে ডোমৰ গোসাঁইয়ে মণিৰামক ডোমৰ জাতত তুলিবলৈ গাঁৱলৈ আহিছে। তাতে মধু পাচনিয়ে অসন্তুষ্টিৰ ভাব প্ৰকাশ কৰি তাচ্ছিল্য কৰি সুধিলে যে ডোমৰ জাতলৈ তুলিব নে ডোমৰ জাতলৈ নমাব? সেই তাচ্ছিল্যসূচক প্ৰশ্নৰ উত্তৰত মেনকাই কেওজন মানুহকে চক খুৱাই চিৰাচৰিত অশ্লীল শব্দৰে গৰজি উঠিল।

এইখিনিতে *মৎস্যগন্ধা* উপন্যাসৰ কাহিনীভাগৰ পৰিসমাপ্তি ঘটিছে।

**৪.০ নাৰীবাদী দৃষ্টিৰে *মৎস্যগন্ধা* উপন্যাস ঃ**

হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* উপন্যাসত আমি মূলতঃ দুটা নাৰী চৰিত্ৰ পাওঁ— মেনকা আৰু কমলা। মেনকাৰ মাক মেমেৰিৰো উপন্যাসখনত প্ৰবেশ ঘটিছে যদিও এই চৰিত্ৰটিৰ বিকাশৰ সুযোগ প্ৰদান কৰা হোৱা নাই। বেউলা, থুৰিমলা আদিৰ নামমাত্ৰহে অৱতাৰণা কৰা হৈছে উপন্যাসৰ কথাবস্তুৰ মাজত তেওঁলোকৰ প্ৰত্যক্ষ প্ৰৱেশ অৱৰ্তমান। এইসমূহৰ ভিতৰত মেনকাই হৈছে *মৎস্যগন্ধা*উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ। উপন্যাসখনৰ কথাবস্তুৰ বিকাশত এই চৰিত্ৰটোৰে ভূমিকা সৰ্বাধিক। তথাকথিত উচ্চজাতৰ লোকসকলৰ বিবেচনাত অৱহেলিত, অস্পৃশ্য, নীহকুলীয়া কৈৱৰ্ত্ত সম্প্ৰদায়ৰ মেনকাক বিদ্ৰোহী চৰিত্ৰ হিচাপে ঔপন্যাসিকে চিত্ৰিত কৰিছে। এই চৰিত্ৰটিৰ মাজেৰে নাৰীবাদী চিন্তাৰ 'মুক্ত নাৰী'ৰ ধাৰণাটোৰ পৰিস্ফুৰণ লক্ষণীয়।

নাৰীবাদী চিন্তাৰ প্ৰাথমিক ধাৰণাটিয়েই হৈছে মূল্য বা গুৰুত্বৰ ফালৰ পৰা পুৰুষ আৰু নাৰীৰ মাজত কোনো প্ৰভেদ নাই। পৰিয়ালত-সমাজত নাৰীক এক মৰ্যদাপূৰ্ণ স্থানত অধিষ্ঠিত কৰাৰ নাৰীবাদে পোষকতা কৰে। পৰম্পৰাগত পিতৃতান্ত্ৰিক সমাজখনত স্বামীৰ সেৱিকা হিচাপে স্ত্ৰীৰ বা নাৰীৰ অৱস্থিতি ধৰা পৰে। ইয়াৰ বিপৰীত স্থিতিতে আমি মৎস্যগন্ধা উপন্যাসৰ মেনকাক দেখা পাওঁ। উপন্যাসখনত মেনকা চৰিত্ৰটি তেওঁৰ স্বামী পূৰ্ণৰ

অধীন নহয়। আনকি পূৰ্ণ চৰিত্ৰটিহে মেনকাৰ দ্বাৰা দমিত হৈছে। পিতৃতান্ত্ৰিক সমাজ এখনৰ প্ৰতিনিধি হোৱা স্বত্বেও নিজৰ এলেহুৱা স্বভাৱ, অৰ্কমন্যতাৰ বাবেই পূৰ্ণই তাৰ পত্নী মেনকাৰ ওপৰত কতৃত্ব জাহিৰ কৰাতো দূৰৰে কথা মেনকাৰ উগ্ৰ স্বভাৱৰ ওচৰত আত্মসমৰ্পণ কৰিব লগাতহে পৰিছে। মেনকাই গালিৰে থকা-সৰকা কৰাৰ পাছতো পূৰ্ণ নিমাত হৈয়ে ৰৈছে। মেনকাই পূৰ্ণক উদ্দেশ্যি কোৱা নিম্নোক্ত সংলাপটিলৈ মন কৰা যাওঁক—

> কটা নিধকৰ পো, চুৰিয়া সলাই মেখেলা নিপিন্ধ কিয়? চোৰৰ নিচিনাকৈ বিছনাত উঠিবলৈ তোৰ লাজ নালাগে নে? মাইকীৰ চৰ-গোৰ খাই এনেকৈ জীয়াই থকাতকৈ ডিঙিত ভৰা-কলহ বান্ধি ম'হ-ঘূলিত পৰি মৰি নাযাৰ কিয়? (*মৎস্যগন্ধা*, পৃঃ- ১৮)

পুৰুষৰ (স্বামীৰ) আত্মসন্মান খৰ্ব কৰি দিব পৰা এনে বাক্যবাণৰ প্ৰয়োগৰ পৰা এই কথা নিশ্চিতভাৱে প্ৰতিপন্ন হয় যে মেনকা চৰিত্ৰটি পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নিৰ্মাণ কৰা 'স্বাচ্ছত নাৰী'ৰ ধাৰণাৰ সম্পূৰ্ণ বিপৰীত। এক সম্পূৰ্ণ স্বতন্ত্ৰ নাৰীসত্ত্বা হিচাপে আমি ইয়াত মেনকাক দেখা পাওঁ। আৰু এই স্বতন্ত্ৰ নাৰীসত্ত্বাই হৈছে ব্যক্তিবাদী নাৰীবাদৰ (individual feminist) ৰ মূল কথা।

আকৌ মৌল নাৰীবাদ (redical feminism)ৰ ধাৰণা মতে নাৰীয়ে পুৰুষৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱা মানেই নাৰীৰ সকলো স্বাধীনতা বিসৰ্জ্জন দিয়া। পিতৃ, স্বামী, সমাজ, পৰম্পৰা— এইবোৰৰ নিৰ্দেশত নাৰীৰ জীৱন নিয়ন্ত্ৰিত কৰিবলৈ এৰি দিব নোৱাৰি। এয়াই আছিল চিম'ন ডি বভোৱাৰ অস্তিত্ববাদী দৰ্শনভিত্তিক মৌল নাৰীবাদৰ মূল ধাৰণা। (*অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পৃ. ৯-১০) *মৎস্যগন্ধা*ৰ মেনকাৰ ক্ষেত্ৰতো আমি এয়ে দেখা পাওঁ। পূৰ্ণ-মেনকাৰ বিবাহ হৈছে যদিও তেওঁ পূৰ্ণৰ অধীন নহয়। সমাজৰ অংগীভূত হৈয়ো তেওঁ বিদ্ৰোহী হৈ উঠিছে সামাজিক পৰম্পৰাৰ প্ৰতি— যুগে যুগে তথাকথিত উচ্চ বংশৰ লোকসকলৰ পৰা পোৱা অৱহেলা, ঘৃণা, বঞ্চনাৰ প্ৰতি। সমাজৰ অংগীভূত হৈয়ো যেন মেনকা সমাজৰ অধীন নহয়। কৈৱৰ্ত্তসকলৰ মৰ্যদা প্ৰাপ্তিৰ বাবে তেওঁলোকে সদায় শিৰ নত কৰি চলা তথাকথিত উচ্চ সম্প্ৰদায়ৰ সমাজখনৰ প্ৰতি মেনকাৰ যি প্ৰতিবাদী কণ্ঠ সিয়েই এই কথা প্ৰতিপন্ন কৰে।

নাৰীবাদৰ ভেটি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙনি যোগোৱা এগৰাকী লেখিকা Marry Wollastonecraft য়ে তেওঁৰ *A Vindication of the rights of women* (1792) গ্ৰন্থত নাৰীক যে পুৰুষে সদায় একোটা যৌন সত্ত্বা বুলিহে জ্ঞান কৰে তাক তেওঁ ভুল বুলিছে আৰু কৈছে যে নাৰী যৌন সত্ত্বা নহয়— নাৰী মানৱ সত্ত্বাহে (human being)। (*অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড*, পৃ.১৬) আমাৰ আলোচ্য *মৎস্যগন্ধা* উপন্যাসতো মেনকাক 'যৌন সত্ত্বা' একোটাৰ বিপৰীতেই দেখা যায়—

> মেনকাৰ হাতখন প্ৰথমে তাৰ মুখত লগাত পূৰ্ণৰ সৰ্ব-শৰীৰেদি এটা আনন্দৰ সোঁত বৈ গৈছিল। মেনকাই কেতিয়াবা তাক গাৰ কাষত পাব খুজিলে এনেকৈয়ে ইংগিত দি মাতে। সিহঁতৰ সংসাৰৰ আন সকলো কথাৰ দৰে এই ক্ষেত্ৰতো সদায় মেনকায়েই আগ-ভাগ লয়। কেতিয়াবা, হয়তোবা বছৰেকৰ মূৰত এদিন পূৰ্ণই নিজে আগ-ভাগ ল'ব খুজিলেও মেনকাই এনে এটা গেঙেৰি দি উঠে যে সি সেইফালেই টলকা মাৰে। অভিজ্ঞতাৰ পৰা শিকি আজি-কালি সি তেনেকুৱা ভুল কৰিবলৈ এৰিয়েই দিছে।... (*মৎস্যগন্ধা*, পৃ.১৮)

এই কথাখিনিৰ মাজেৰে মেনকাৰ সৰল পাৰিবাৰিক স্থিতিৰ কথাও স্পষ্ট হয়।

নাৰীবাদী দৃষ্টিভংগীৰে মেনকা চৰিত্ৰটোৰ সৰ্বোত্তম বিকাশ ধৰা পৰে এগৰাকী বিদ্ৰোহী নাৰী হিচাপে। মেনকা প্ৰান্তীয় সমাজ (marginal community) এখনৰ এনে একোটা চৰিত্ৰ যাৰ তথাকথিত উচ্চ বংশজসকলৰ শোষণ, নিষ্পেষণ, হীনতাৰ বিপক্ষে ৰুদ্ধ কণ্ঠ বন্ধন মুক্ত হৈ উঠিছে। পাঁচ বছৰমান বয়সতেই তথাকথিত উচ্চ বংশৰ এঘৰত শুকুৱাবলৈ থোৱা ধানত মেনকাৰ গাঁৰ ছাঁ পৰাত গিৰিহঁতনীয়ে ৰণচণ্ডী মূৰ্তি ধৰি কাণতলীয়া চৰ এটা বহুৱাই দি ধানখিনি নষ্ট হোৱাৰ বাবে গালি পাৰিবলৈ ধৰিলে। অজানিতে কৰা অপৰাধৰ কাৰণ অবুজ মেনকাই

পিছতহে জানিব পাৰে যে উচ্চজাতৰ বিচাৰত অস্পৃশ্য হোৱাৰ বাবেই ধানখিনিত ছাঁ পৰাত সেয়া চুৰা হ'ল। লাহে লাহে তাই আন আন দিশতো তথাকথিত উচ্চ বংশজসকলে তেওঁলোকৰ ওপৰত কৰা অন্যায়-অবিচাৰৰ কথা জানিবলৈ ধৰে। শৈশৰতেই হোৱা এই তিক্ত অপমানৰ অভিজ্ঞতাই তাইৰ কোমল অন্তৰত চিৰস্থায়ী সাঁচ বহুৱাই। নীলিমা শৰ্মাই ক'বৰ দৰে -

> কুমলীয়া জীৱনতে আচম্বিতে পোৱা গিৰিহঁতনীৰ অত্যাচাৰী চৰটোৰ ক'লা দাগ তাইৰ গোটেই জীৱনৰ বাবে মচিব নোৱৰাকৈ থাকি গ'ল। মেনকাৰ অৱচেতন মনত ক্ৰমে চৰটোৰ যন্ত্ৰণা ৰোপিত হ'লগৈ। আৰু সি গুটিৰ পৰা গছ হৈ মেনকাৰ কথা-কাৰ্য সকলোতে আত্মপৰিচয় দিবলৈ ধৰিলে। মেনকাই সমাজৰ তথাকথিত উচ্চ কুলীয়াসকলক সুযোগ বুজি গুৱাল-গালিৰে থকা-সৰকা কৰি নিজৰ অপমানৰ পোটক লোৱাত বদ্ধপৰিকৰ হ'ল। গুৱাল-গালিৰ বৰ্ষণেৰে তাইৰ অৱচেতন মনৰ বোজাটো লঘু কৰি দিয়ে। তাইৰ অতৃপ্ত বাসনা তৃপ্ত হয়। (*এশ বছৰৰ অসমীয়া উপন্যাস*, পৃ. ৫২৮)

সেইবাবেই কাৰোবাৰ মুখত নিন্দাসূচক 'ডোম' শব্দটো শুনিলেই নাবালিকা অৱস্থাৰ পৰাই শাৰিৰীক-মানসিকভাৱে তথাকথিত শুচিবায়ুগ্ৰস্ত উচ্চ হিন্দুৰ দ্বাৰা নিৰ্যাতিতা মেনকাৰ অন্তৰত উমি উমি জ্বলি থকা জুইকুৰা তেওঁৰ প্ৰতিবাদী কণ্ঠৰ মাজেৰে বহিঃপ্ৰকাশ ঘটে। উদাহৰণস্বৰূপে, উপন্যাসখনৰ আৰম্ভণিতেই আমি 'ডোম' 'ডোম' বুলি তাচ্ছিল্য কৰি অহা বাটৰুৱা দুজনক উদ্দেশ্যি মেনকাই পৰা অশ্ৰাব্য গালি-গালাজৰ কথাই ক'ব পাৰি — *"ঐ খেকাৰ-খোৱা, ঐ মুখত পোক লগা, ঐ মাইকীৰ মেখেলা-তলীয়া, কাক 'ডোম ডোম' বুলিছ? ফটা মেখেলাৰে কোবাই নাক-মুখ একাকাৰ কৰি দিম, বুঢ়ীমাৰক চিনি পোৱা নাই?..."* (*মৎস্যগন্ধা*, পৃ.১০)

একেদৰে উপন্যাসখনৰ শেষতো তাচ্ছিল্যসূচক 'ডোম' শব্দৰ প্ৰতিবাদত মেনকাৰ মুখেৰে একেই অশ্ৰাব্য গালি-শপনি শুনা গৈছে। মধু পাচনি নামৰ বাটৰুৱাজনে আহোম কুলৰ মণিৰামক 'ডোম'ৰ গোসাঁইয়ে জাতলৈ তুলিব নে জাতলৈ নমাব তাক লৈ তাচ্ছিল্য কৰোতে মেনকাই প্ৰতিবাদকল্পে কোৱা কথাকেইষাৰ মন কৰিবলগীয়া—

> *"জাতলৈ নমোৱা নাই, আজি তহঁতৰ এটাক জাতলৈ তুলিলো। ভয় নকৰিবি, তহঁতৰো আৰু বেছি দিন নাই। এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলালৈকে মোৰ শান্তি নাই... ।"* (*মৎস্যগন্ধা*, পৃ. ৮৮)

যদিও মেনকাৰ এই বিদ্ৰোহ বৰ্ণবাদী সমাজখনৰ বিৰুদ্ধে, সামন্তীয় সামাজিক গাঁথনিৰ বিৰুদ্ধে, প্ৰত্যক্ষভাৱে পুৰুষতান্ত্ৰিক সমাজখনৰ বিৰুদ্ধে নহয়; তথাপি তথাকথিত নীহকুলীয়া পুৰুষ এজনে বা পুৰুষতান্ত্ৰিক সমাজখনে স্ব-সম্প্ৰদায়ৰ আত্মমৰ্যদাৰ বাবে ল'ব নোৱাৰা বিদ্ৰোহী পদক্ষেপটি গ্ৰহণ কৰিছে মেনকাই— এগৰাকী নাৰীয়ে। এগৰাকী নাৰীয়ে এটা সম্প্ৰদায়ৰ হৃত মানৱিক মৰ্যদা উদ্ধাৰৰ বাবে অকলেই চেষ্টা কৰাতো সাধাৰণ কথা নহয়। বহুপৰিমাণে মেনকা তেওঁৰ এই চেষ্টাত সফলো হৈছে। বৰ্ণাভিমানৰ বাবেই অন্তঃসত্ত্বা কমলাক এৰি থুৰিমলাক বিয়া কৰাব খোজা মণিৰামক ছলে বলে কৌশলে ব্যতিব্যস্ত কৰি আকৌ কমলাক বিয়া কৰাবলৈ বাধ্য কৰাতো মেনকাৰ সাফল্য। কমলাক গৰ্ভনষ্ট কৰিবলৈ মণিৰামে মেনকাক অৰ্থৰ প্ৰলোভন দেখুওৱাত তাৰ উত্তৰত মেনকাই মণিৰামক কোৱা কথাখিনিও মন কৰিবলগীয়া—

> কিন্তু এইবাৰ মই গৰ্ভ নষ্ট নকৰি গৰ্ভ ৰক্ষা কৰিম ডোমৰ প্ৰাণ বচাবলৈ, ডোমৰ মান বচাবলৈ। ডোমৰ ছোৱালীক তুমি খেলাৰ পুতলা পাইছানেকি যে খেলা শেষ হোৱাৰ পিছত পুতলা দলিয়াই দিয়াৰ দৰে তাইক দলিয়াই দিবা? গোসাঁই-ঈশ্বৰে এইবাৰ মোক ভাল সুযোগটো আনি দিছে। এই সুযোগ মই কেতিয়াও এৰি নিদিওঁ। তুমি আকাশৰ আটাইবোৰ তৰা পাৰি আনি মোৰ ভৰিত পেলাই দিলেও মই তোমাৰ কথা নেৰাখোঁ।... (মৎস্যগন্ধা, পৃ.৭৮)

ইয়াৰ পৰা এই কথা প্ৰতিপন্ন হয় যে মেনকাৰ বিদ্ৰোহ কেৱল কমলাক বিশ্বাসঘাতকতা কৰা মণিৰামৰ বিৰুদ্ধে নাছিল, ই আছিল সমাজৰ তথাকথিত উচ্চজাতৰ লোকসকলে কৈৱৰ্ত্তসকলৰ ওপৰত কৰি অহা চৰম অপমানৰ বিৰুদ্ধে। এটা জাতিৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামত এগৰাকী নাৰীয়ে অকলশৰীয়াকৈয়ে বিদ্ৰোহ ঘোষণা কৰা

কাৰ্যই মেনকা চৰিত্ৰটিক নাৰীবাদী দৃষ্টিৰে এক বিশেষ মৰ্যদাসম্পন্ন চৰিত্ৰ হিচাপে প্ৰতিপন্ন কৰিছে।

অৱশ্যে ইমানখিনিৰ পাছতো মেনকাৰ চৰিত্ৰটি পুৰুষতান্ত্ৰিক সমাজখনৰ ধ্যান-ধাৰণাৰ পৰা সম্পূৰ্ণৰূপে মুক্ত নহয়। নাৰী পুৰুষৰ অধীন, পুৰুষে নাৰীৰ অধীনস্থতা স্বীকাৰ কৰাতো চৰম লজ্জাৰ কথা— মেনকাই যদিও স্বামী পূৰ্ণৰ ওপৰত নিজৰ কতৃত্ব খটাইছে তথাপি তেওঁ এই ধাৰণাৰ পৰা মুক্ত নহয়। উদাহৰণস্বৰূপে মেনকাৰ মুখৰ দুটি সংলাপ তুলি ধৰিব পাৰি—

> "কটা নিধকৰ পো, চুৰিয়া সলাই মেখেলা নিপিন্ধ কিয়? চোৰৰ নিচিনাকৈ বিছনাত উঠিবলৈ তোৰ লাজ নালাগে নে? মাইকীৰ চৰ-গোৰ খাই এনেকৈ জীয়াই থকাতকৈ ডিঙিত ভৰা-কলহ বান্ধি ম'হ-ঘূলিত পৰি মৰি নাযাৰ কিয়?" (*মৎস্যগন্ধা*, পৃ.১৮)

ইয়াত, মেনকাৰ দাঁত ক'লা কৰাৰ সৈতেও পুৰুষতান্ত্ৰিক সমাজখনৰ অৱদমনমূলক ধাৰণাৰ স্বাক্ষৰ স্পষ্ট। কুৰি শতিকাৰ মাজভাগলৈকে অসমীয়া সমাজত প্ৰচলিত বিশ্বাস অনুসৰি বিয়াৰ পাছত বিবাহিতা নাৰী এগৰাকীয়ে বগা দাঁত সমাজৰ আগত দেখুৱাব নাপায়। কাৰণ ই 'পৰ-পুৰুষ'ৰ আকৰ্ষণৰ কাৰণ হ'ব পাৰে। সেয়ে বিবাহিতা নাৰী এগৰাকীৰ দাঁত বিভিন্ন উপায়েৰে ক'লা কৰি দিয়া হয়। কেশৱ মহন্তৰ 'সোণজিৰা মাহীৰ নাড়ী' কবিতাত কবিয়ে ক'বৰ দৰে—

> "পুৰুষৰ মন গলে বুলি, জুই-লা গলাই লেপি
> ক'লা কৰা দুয়োপাৰি দাঁত...." ( *কবিতামঞ্জৰী*, পৃ.২৭০)

এই দিশেৰে বিচাৰ কৰিলে একোটা শক্তিশালী নাৰী চৰিত্ৰ হোৱাৰ স্বত্ত্বেও যে মেনকা চৰিত্ৰটি পুৰুষতান্ত্ৰিক সমাজৰ অৱদমনৰ পৰা সম্পূৰ্ণৰূপে মুক্ত নাছিল সেই কথা সহজেই পতীয়মান হয়।

*মৎস্যগন্ধা* উপন্যাসৰ আনটি নাৰী চৰিত্ৰ 'কমলা'ক মেনকাৰ দৰে সৱল ৰূপত ঔপন্যাসিকে অঙ্কন কৰা নাই। মণিৰামৰ দ্বাৰা প্ৰতাৰিতা হোৱাৰ পাছত তাই মণিৰামক প্ৰতিবাদ কৰাৰ সলনি "কপালৰ লিখন" বুলি মানি লৈ চিপজৰী লগাই আত্মঘাতী হোৱাৰ সিদ্ধান্তহে লৈছে। কমলাৰ মনতো তথাকথিত উচ্চজাতিৰ লোকসকলে তেওঁলোকক কৰা অমানৱীয় আচৰণৰ প্ৰতি ক্ষোভ আছে যদিও এই ক্ষোভক প্ৰতিবাদলৈ পৰিবৰ্তন কৰিব পৰা নাই। সেয়েহে নাৰীবাদী দৃষ্টিৰে এই চৰিত্ৰটিক একোটা সৱল নাৰী চৰিত্ৰ আখ্যা দিব পৰা নাযায়।

**৫.০ জাতিভেদ আৰু লিংগ বৈষম্যৰ মাজত আন্তঃসম্পৰ্ক ঃ-**

জাতি (Caste) আৰু লিংগ (Gender) উভয়ে সামাজিক নিৰ্মাণ। সেয়েহে সামাজিক নিৰ্মিতি হিচাপে এই দুয়োটাৰে মাজত এক ঘনিষ্ঠ আন্তঃসম্পৰ্ক ধৰা পৰে। ঠাই বা সমাজভেদে এই আন্তঃসম্পৰ্কৰ স্বৰূপ পৃথক পৃথক হয়। মৎস্যগন্ধা উপন্যাসখনৰ পৰিপেক্ষিতত আমাৰ অসমীয়া সমাজখনৰ প্ৰসংগহে এইক্ষেত্ৰত আলোচনাৰ মাজলৈ অনা হ'ব।

অন্যান্য সমাজৰ দৰে আমাৰ অসমীয়া সমাজখনতো জাতি বা সম্প্ৰদায় বিশেষে সমাজত নাৰীৰ স্থানৰ তাৰতম্য দেখা যায়। মনু সংহিতাত কোৱা হৈছে যে স্বামী আদি আত্মীয়সকলৰ একমাত্ৰ কৰ্তব্য হ'ল, তেওঁলোকে দিনে-ৰাতি স্ত্ৰীক অধীন কৰি ৰাখিব।... শিশুকালত স্ত্ৰীক পিতাকে ৰক্ষা কৰে, যুৱা কালত স্বামীয়ে আৰু বৃদ্ধাৱস্থাত পুত্ৰই ৰক্ষা কৰে। গতিকে স্ত্ৰী নিজেই নিজৰ ৰক্ষিতা হোৱাৰ যোগ্যা নহয়।(*মনুসংহিতা*, পৃঃ- ৩০০) আৰ্যসমাজত বিদ্যমান নাৰীৰ এনে পৰাধীন স্থিতি অসমীয়া আৰ্যসকল বিশেষকৈ ব্ৰাহ্মণাদি তথাকথিত উচ্চ বৰ্ণৰ লোকসকলৰ মাজত প্ৰাক-স্বাধীনতাৰ সময়চোৱা পৰ্যন্ত অতি কঠোৰ ৰূপত বৰ্তমান আছিল। অৱশ্যে শাক্ত ধৰ্মাৱলম্বী সমাজখন কিছু পৰিমাণে ব্যতিক্ৰম আছিল যেন অনুমান হয়। কুমাৰী পূজা, সধৱা পূজা আদি আচাৰসমূহেই এই কথাত সমৰ্থন যোগাব খোজে। অৱশ্যে তথাকথিত উচ্চ বংশজাত আৰ্যসকলৰ মুষ্টিমেয় একাংশৰ বাদে অধিক ক্ষেত্ৰতে নাৰীসকল সামন্তীয় পুৰুষতান্ত্ৰিক ধাৰণাৰে অৱদমিত হৈ আছিল। 'স্বাচ্ছত নাৰী'ৰ পুৰুষে গঠন কৰি দিয়া ধাৰণাৰ কোনো বাজ

হ'লেই তেওঁ সামাজিকভাৱে অনাদৃত--অৱহেলিত হৈছিল। বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধ পৰ্যন্ত এয়া অতি কঠোৰ ৰূপত অসমীয়া সমাজখনত দেখা যায়। উদাহৰণস্বৰূপে— চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে পুৰুষতান্ত্ৰিক সমাজখনে বান্ধি দিয়া নীতি-নিয়মবোৰ মানি নচলাৰ বাবেই তেওঁ সমকালীন সমাজখনৰ পৰা সন্মুখীন হোৱা লাঞ্ছনা-গঞ্জনাৰ কথাকে ক'ব পাৰি।

পিছে মূলসুঁতিৰ এই আৰ্য সমাজখনৰ বিপৰীতে তথাকথিত নিম্ন জাতিৰ হিচাপে বিবেচিত অসমৰ অনা আৰ্য জনজাতীয় সমাজখনত নাৰীসকলৰ প্ৰাধান্য বিশেষভাৱে লক্ষ্যণীয়। খাচীসকলৰ সমাজ ব্যৱস্থাত মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থা আজিও বহু পৰিমাণে বৰ্তমান। মিচিং প্ৰভৃতি কেতবোৰ জনজাতিৰ মাজত প্ৰচলিত গা-ধন দিয়া, জোঁৱাই খটা আদি সমূহেও এওঁলোকৰ মাজত থকা নাৰীৰ মৰ্যদাসম্পন্ন স্থান একোটাৰে পৰিচায়ক। সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে অসমৰ পৰিপ্ৰেক্ষিতত তথাকথিত নিম্ন জাতিৰ পৰা উচ্চ জাতিলৈ ক্ৰমে সমাজত নাৰীৰ স্থিতি অৱনমিত হৈ অহাহে দেখা যায়। তথাকথিত উচ্চ বংশৰ লোকসকলৰ মাজত বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধ পৰ্যন্ত থকা নাৰীৰ ওপৰত সামাজিক অৱদমনমূলক ৰীতি-নীতিসমূহ (উদাহৰণস্বৰূপে— ব্ৰাহ্মণ বিধৱা এগৰাকীয়ে পালন কৰিব লগা ৰীতি-নীতি আদিসমূহৰ কথাই ক'ব পাৰি) সমাজৰ তথাকথিত নিম্ন জাতিৰ লোকসকলৰ মাজত বহু পৰিমাণে কম বা নায়েই। জাতি বা সম্প্ৰদায়ভেদে ধৰা পৰা এনে বৈষম্যৰ বাবেই তথাকথিত নিম্ন জাতিৰ কৈৱৰ্ত্তসমাজৰ প্ৰতিনিধিত্বমূলক নাৰী চৰিত্ৰ মেনকাৰ মাজত আমি এক শক্তিশালী আৰু বহুপৰিমাণে স্বতন্ত্ৰ নাৰীসত্বাৰ উপস্থিতি দেখা পাওঁ। ব্ৰাহ্মণ, কায়স্থ প্ৰভৃতি তথাকথিত উচ্চ বংশৰ লোকসকলৰ মাজৰ পৰা প্ৰাক-স্বাধীনতাৰ কালছোৱাত এনে এটা শক্তিশালী নাৰী চৰিত্ৰৰ বিকাশ ঘটাতো সমকালীন পৰিস্থিতিলৈ লক্ষ্য কৰিলে সম্ভৱ নাছিল যেনেই লাগে।

**৬.০ উপসংহাৰ ঃ-**

'নাৰীবাদী দৃষ্টিভংগীৰে হোমেন বৰগোহাঞিৰ 'মৎস্যগন্ধা' উপন্যাস ঃ এটি অধ্যয়ন' শীৰ্ষক নিৰ্বাচিত বিষয়টোৰ সূক্ষ্ম অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ অন্তত আমি নিম্নোক্ত সিদ্ধান্তসমূহত উপনীত হ'ব পাৰোঁ—

◆নাৰীবাদে সমাজত পুৰুষ আৰু নাৰীৰ সমমৰ্যদা স্থাপনৰ পোষকতা কৰে। সুকীয়া পুৰুষ আৰু নাৰীসত্বাৰ বিপৰীতে ই এক মানৱসত্বাৰ উপস্থিতিত বিশ্বাস কৰে।

◆ হোমেন বৰগোহাঞিৰ উপন্যাসসমূহৰ মাজেৰে সমাজ-বাস্তৱতাৰ পৰিস্ফুৰণ বিশেষভাৱে লক্ষ্যণীয়। মৎস্যগন্ধা উপন্যাসতো এনে সমাজ বাস্তৱতাৰ প্ৰতিফলন দেখা যায়। তথাকথিত উচ্চ বংশৰ লোকসকলৰ দ্বাৰা অৱহেলিত, লাঞ্ছিত কৈৱৰ্ত্তসকলৰ হৃত মানৱিক মৰ্যাদাৰ প্ৰসংগ এই উপন্যাসখনৰ মাজেৰে উত্থাপিত হৈছে।

◆নাৰীবাদী দৃষ্টিভংগীৰে মৎস্যগন্ধা উপন্যাসখন বিচাৰ কৰিলে মেনকা চৰিত্ৰটিয়েই আটাইতকৈ শক্তিশালী চৰিত্ৰ হিচাপে পৰিগণিত হয়। স্বামীৰ অধীনতা স্বীকাৰ নকৰা, বিবাহপাশত আবদ্ধ হোৱা স্বত্বেও নিজৰ স্বাধীনতা বিসৰ্জন নিদিয়া, আনকি একোটা সমাজ ব্যৱস্থাৰ বিৰোদ্ধে বিপ্লৱৰ ঘোষণা কৰা কাৰ্যই এই চৰিত্ৰটিক একোটা শক্তিশালী নাৰী চৰিত্ৰ হিচাপে গঢ়ি তুলিছে।

◆ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰীৰ বাবে নিৰ্দ্ধাৰণ কৰা নীতি-নিয়মৰ দ্বাৰা মেনকা পৰিচালিত নহয় যদিও পুৰুষতান্ত্ৰিক সমাজখনে নিৰ্মাণ কৰা ধ্যান-ধাৰণাৰ পৰাও এই চৰিত্ৰটি সম্পূৰ্ণৰূপে মুক্ত নহয়।

◆জাতি বা সম্প্ৰদায়ভেদে লিংগ বৈষম্যৰো তাৰতম্য ঘটে। তথাকথিত নিম্ন জাতিৰ পৰা উচ্চ জাতিলৈ বিপৰীতমুখীভাৱে এনে লিংগ বৈষম্য ধৰা পৰে।

**অন্ত্যটীকা ঃ**

[১]নাহেন্দ্ৰ পাদুন, *সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব*, পৃঃ- ৫৩।

[২]মহেন্দ্ৰ বৰা, সভাপতিৰ অভিভাষণ, অসম সাহিত্য সভাৰ পাঠশালা অধিবেশন।

[৩]অজিত ভৰালী আৰু ৰজিতা কলিতা (সম্পাঃ), *বিষয় ঃ নাৰী*, পৃঃ- ৮১।

[৪] তপোধীৰ ভট্টাচাৰ্য, *প্ৰতীচ্যের সাহিত্যতত্ত্ব*, পৃঃ- ১৫৭।

[৫]https.//www.oxfordlearnersdictionaries.com/definition/american_english/

[৬] গোবিন্দ প্ৰসাদ শৰ্মা, *নাৰীবাদ আৰু অসমীয়া উপন্যাস*, পৃঃ- ০১।

[৭] M. H. Abrams, *A Glossary of Literary Terms*, p.- 88.

[৮] জুৰি দত্ত, *সাহিত্য, সমাজ আৰু সাহিত্যতত্ত্ব*, পৃঃ- ১৪।

[৯] উল্লিখিত, পৃঃ- ১৪।

**গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া**

ঠাকুৰ, নগেন। *এশ বছৰৰ অসমীয়া উপন্যাস*। দ্বিতীয় প্ৰকাশ, জ্যোতি প্ৰকাশন, গুৱাহাটী, ২০১৮।

দত্ত, জুৰি। *সাহিত্য, সমাজ আৰু সাহিত্যতত্ত্ব*। প্ৰথম প্ৰকাশ, পূৰ্বায়ন প্ৰকাশন, গুৱাহাটী, ২০২২।

পাদুন, নাহেন্দ্ৰ। *সাহিত্যতত্ত্ব আৰু সমালোচনা তত্ত্ব*। দ্বিতীয় প্ৰকাশ, বাণী মন্দিৰ, গুৱাহাটী, ২০১৪।

বৰগোহাঞিঃ, হোমেন। *মৎস্যগন্ধা*। পঞ্চম প্ৰকাশ, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ২০১০।

বৰগোহাঞিঃ, হোমেন (সম্পাঃ)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী — ষষ্ঠ খণ্ড*। চতুৰ্থ প্ৰকাশ, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, গুৱাহাটী, ২০১৭।

বৰদলৈ, নিৰ্মলপ্ৰভা (সম্পাঃ), *কবিতামঞ্জৰী*। যষ্ঠদশ মুদ্ৰণ, গুৱাহাটী ইউনিভাৰ্ছিটি প্ৰেছ, গুৱাহাটী, ২০১৭।

বৰা, জয়ন্ত কুমাৰ। *সুবালাৰ পৰা মৎস্যগন্ধালৈ*। প্ৰথম প্ৰকাশ, কিৰণ প্ৰকাশন, ধেমাজী, ২০০৭।

ভৰালী, অজিত আৰু কলিতা, ৰজিতা (সম্পাঃ)। *বিষয় ঃ নাৰী*। প্ৰথম প্ৰকাশ, এ. ডি. পি. কলেজ প্ৰকাশন কোষ, নগাঁও, ২০২২।

শৰ্মা, কিৰণ (সম্পাঃ)। *মনুসংহিতা*। চতুৰ্থ প্ৰকাশ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১৫।

শৰ্মা, গোবিন্দ প্ৰসাদ। *নাৰীবাদ আৰু অসমীয়া উপন্যাস*। তৃতীয় সংস্কৰণ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০১৬।

**বাংলা —**

ভট্টাচাৰ্য, তপোধীৰ। *প্ৰতীচ্যের সাহিত্যতত্ত্ব*। তৃতীয় সংস্করণ, দে'জ পাবলিশিং, কলকাতা, ২০০৬।

**ইংৰাজী—**

Abrams, M. H.. *A Glossary of Literary Terms.* Seventh Edition, Heinle & Heinle, USA, 2001.

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন

**হিৰোমনি দিহিঙীয়া**
পিএইচ.ডি গৱেষক ছাত্ৰী
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
নগাঁও, অসম, দূৰভাষ ঃ ৬০০৩৫৪২৩৮৯
**ড০ দীপ্তি ফুকন পাটগিৰি**, ডি.লিট.
অধ্যাপিকা, অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

**সাৰাংশ**

স্বাধীনোত্তৰ কালৰ অসমীয়া সাহিত্যক স্বকীয় সৃষ্টিৰে সমৃদ্ধ কৰা সাহিত্যিকসকলৰ ভিতৰত কেশৱানন্দ দেৱগোস্বামী অন্যতম। সত্ৰীয়া সমাজ-সংস্কৃতি বিষয়ক গৱেষণামূলক গ্ৰন্থ, অনুবাদ গ্ৰন্থ, সম্পাদিত গ্ৰন্থৰে অসমীয়া সাহিত্যক চহকী কৰাৰ উপৰিও সৃষ্টিশীল সাহিত্যৰ অন্তৰ্গত কবিতা, গল্প, উপন্যাস, শিশু সাহিত্যৰ ক্ষেত্ৰত অৱদান আগবঢ়াই গৈছে। তেখেতৰ অসমৰ বৰ্ণময় লোকসংস্কৃতিৰ আধাৰত ৰচনা কৰা *এৰি অহা গাঁও* আৰু সত্ৰীয়া সমাজকেন্দ্ৰিক উপন্যাস *গৈল কোন দিশ* অসমীয়া সাহিত্য জগতৰ দুখন মূল্যৱান গ্ৰন্থ। উল্লিখিত দুয়োখন গ্ৰন্থত পৰিলক্ষিত হোৱা এক বৈশিষ্ট্য হ'ল অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন। ইয়াৰ জৰিয়তে বৈচিত্ৰ্যময় লোকগীত, ফকৰা-যোজনা, মন্ত্ৰ উপস্থাপিত হোৱাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষিত হৈছে।

**বীজ শব্দ ঃ** লোকসংস্কৃতি, লোকসাহিত্য, উপন্যাস, লোকগীত, ফকৰা-যোজনা।

## ০.০ অৱতৰণিকা

### ০.১ বিষয়ৰ পৰিচয়

লোকসংস্কৃতি আৰু শাস্ত্ৰীয় সংস্কৃতি উভয় দিশতে-পাৰদৰ্শী কেশৱানন্দ দেৱগোস্বামীয়ে সৃষ্টিশীল সাহিত্যৰ লগতে সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে গোটেই জীৱন অহোপুৰুষাৰ্থ কৰিছিল। অসমৰ বিচিত্ৰ লোকসংস্কৃতিৰ ক্ষেত্ৰত প্ৰত্যক্ষ জীৱন অভিজ্ঞতাৰে চহকী দেৱগোস্বামীয়ে দেশ আৰু জাতিৰ স্বকীয়তা বহন কৰা লোকসংস্কৃতি যাতে এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ সুৰক্ষিত হৈ থাকে, তাৰে কাৰণে সৃষ্টিশীল ৰচনাৰে স্থায়ী সংৰক্ষণ কৰিবলৈ চেষ্টা কৰিছিল। অসমৰ লোকসংস্কৃতিৰ এক বিৰাট অংশ লোকসাহিত্যই দখল কৰি আছে। লোকসাহিত্য লোক সমাজৰ দ্বাৰা ৰচিত। এই লোকসাহিত্য দেৱগোস্বামীৰ উপন্যাসত কিদৰে প্ৰতিফলিত হৈছে সেয়া এক বিচাৰ্যৰ বিষয়। প্ৰস্তাৱিত 'কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন'

শীৰ্ষক আলোচনাত দেৱগোস্বামীৰ নিৰ্বাচিত উপন্যাসত লোকসাহিত্যৰ বিভিন্ন দিশ লোকগীত, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, মন্ত্ৰ কিদৰে প্ৰকাশিত কৰা হৈছে সেয়া আলোচনা কৰাৰ চেষ্টা কৰা হ'ব।

**০.২ অধ্যয়নৰ গুৰুত্ব**

অসমীয়া লোকসাহিত্যক প্ৰধানকৈ এনেদৰে ভগাব পাৰি -- লোক-গীত, ফকৰা-যোজনা, পটন্তৰ, সাঁথৰ, সাধুকথা, মন্ত্ৰ আৰু ডাকৰ বচন। অসমীয়া লোকসাহিত্যৰ এই বৰ্ণময় দিশসমূহ কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত প্ৰতিফলিত হৈছে। দেৱগোস্বামীৰ উপন্যাসত প্ৰতিফলিত অসমীয়া লোকসাহিত্যৰ ভিন্ন দিশৰ অধ্যয়ন আৰু আলোচনাৰ গুৰুত্ব অনস্বীকাৰ্য।

**০.৩ তথ্য আহৰণৰ উৎস**

'কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন' শীৰ্ষক বিষয়ৰ আলোচনাত মুখ্য উৎসৰূপে কেশৱানন্দ দেৱগোস্বামীৰ দুখন নিৰ্বাচিত উপন্যাস *এৰি অহা গাঁও, গৈল কোন দিশ* উপন্যাস গ্ৰহণ কৰা হৈছে। গৌণ উৎস হিচাপে বিষয়ৰ লগত প্ৰাসংগিক বিভিন্ন গ্ৰন্থৰাজিৰ সহায় লোৱা হৈছে।

**০.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা**

'কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন' ৰ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা কৰিলে দেখা যায় যে 'অসমৰ বৈষ্ণৱ সাহিত্যৰ পুৰোধা ড° কেশৱানন্দ দেৱগোস্বামীৰ - জীৱন আৰু কৃতী' গ্ৰন্থখনত দেৱগোস্বামীৰ জীৱন আৰু সাহিত্যৰাজিৰ আলোচনা সন্নিৱিষ্ট আছে। দেৱগোস্বামীৰ জন্মদিন উপলক্ষে প্ৰকাশিত 'পৰম্পৰা আৰু সাধনাৰ সুৰভি' গ্ৰন্থখনত 'এৰি অহা গাঁও' আৰু 'গৈল কোন দিশ' উপন্যাসৰ কিছু তথ্য সন্নিৱিষ্ট আছে। কুমুদ তালুকদাৰৰ 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱদান ঃ এটি তথ্যভিত্তিক মূল্যায়ন' শীৰ্ষক গৱেষণা গ্ৰন্থত দেৱগোস্বামীৰ জীৱন বিষয়ক কিছু তথ্য পোৱা গৈছে।

**১.০ কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাস ঃ এটি আলোকপাত**

দেৱগোস্বামীৰ উপন্যাসকেইখন হৈছে -- *এৰি অহা গাঁও, গৈল কোন দিশ, লৌহ পিঞ্জৰ, কাৰুণ্য কেদাৰ আৰু ককলা*। *এৰি অহা গাঁও* আৰু *গৈল কোন দিশ* উপন্যাসৰ বিষয়বস্তুৰ আলোচনা আগবঢ়োৱা হ'ল --

**(ক) *এৰি অহা গাঁও***

অসমৰ বৰ্ণাঢ্য লোকসংস্কৃতি আৰু জনজীৱনক অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি দেশ আৰু জাতিৰ সাংস্কৃতিক ইতিহাসৰ স্থায়ী সংৰক্ষণৰ উদ্দেশ্যে কেশৱানন্দ দেৱগোস্বামীয়ে *এৰি অহা গাঁও* ৰচনা কৰিছিল। ইয়াৰ কাহিনীভাগ শিথিল। কাহিনী আকাৰে পাঠকৰ বাবে আকৰ্ষণীয় হোৱাকৈ বৰ্ণনা কৰা এই গ্ৰন্থখন মুঠ এঘাৰটা অধ্যায়ত বিভক্ত। হেৰাই যাব ধৰা জীৱ-জন্তু, গছ-বন, খেতি-বাতি, উপাধি, ফল-মূল, মাছ-কাছ ধৰা সঁজুলি, গৃহসজ্জা, জন-বিশ্বাস, নাম-ভাওনা, স্ত্ৰী আচাৰ, জন্ম মৃত্যুৰ আচাৰ আদি অসমৰ জনজীৱনৰ লগত জড়িত প্ৰত্যেকটো দিশ *এৰি অহা গাঁও* ত সন্নিৱিষ্ট হৈছে। উদাহৰণস্বৰূপে অসমীয়া মানুহৰ গ্ৰাম্য জীৱনৰ ৰন্ধন প্ৰকৰণত ব্যৱহৃত শাক-পাচলিৰ বিষয়ে এনেদৰে কৈছে --

> "খুতৰা, মৰলীয়া, হাঁহঠেঙীয়া, ফুটুকা, ৰঙাফুটুকা, কুকুৰা ঠেঙীয়া, পানী চাঙেৰী, বৰ চাঙেৰী, পানীখুতৰা, মৰমৰতী, মালভোগ শাক, লহকৰী শাক, মালভোগ খুতৰা, গংগা মূলা, ৰান্ধনী সুৱগা, সৰু মানিমুনি, বৰ মানিমুনি, লাই জাবৰি, আদৰ মালতী, জাৰ মালতী, খৰিকাচঁপা, জিন্তী, ৰিহা গছ, ৰিঠা গছ, কৌপাত, কণ্টৰী, মাটিকাদুৰী, বৰালিবুকুৰা, হাঁচিয়তী, ভতুৰা, দূৰৰি বন, ববচা, কাঁচিদৰীয়া, লৰবৰুৱা, বালি বাগবৰী, বনজালুক, কেএগুবন, জালুকলতি, মূৰফুলাবন, কঁচি-পকা, খহুলা পকা, টোলোঠা পকা, দোৰোণ, দুদখুৰি, গাখীৰতীলতা, নলটেঙা, বন আমলখী, ছাগলতী, মৌ শিলিখা, কোৱামণি, লাতুমণি, বনকপাহ, কপাল

ফুটা, ডেমডেউকা আদি শাক-বন আৰু গছবোৰ য'তে ত'তে এনেয়ে হয়।" [১]

এই শাক-পাচলিসমূহৰ বেছিভাগেই আজিকালি পাবলৈ নাই। দৈনন্দিন জীৱনত কৃষিজীৱি সমাজত ব্যৱহৃত বিভিন্ন সা-সঁজুলিৰ ঠাই দখল কৰিছে বৰ্তমান সময়ত প্ৰযুক্তিচালিত যন্ত্ৰই। চৰাই-চিৰিকতি, জীৱ-জন্তু, মাছ-কাছ ইত্যাদিৰ ক্ষেত্ৰতো একেই পৰিৱৰ্তনে দেখা দিছে। অভাৰসাম্য পৰিৱেশৰ বাবে বিবিধ চৰাই-চিৰিকতি, জীৱ-জন্তু প্ৰকৃতিৰ বুকুত বিলুপ্তি ঘটিছে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে অন্য ক্ষেত্ৰসমূহৰ দৰে ভাষাৰ দিশতো ব্যাপক পৰিৱৰ্তন আহিছে। মৌখিক সাহিত্যৰ অন্তৰ্গত ফকৰা-যোজনা আৰু জতুৱা ঠাঁচ লেখকে পাৰ্যমানে 'এৰি অহা গাঁও'ত লিপিৱদ্ধ কৰাৰ যত্ন কৰিছে। ভৌতিক সংস্কৃতিৰ অন্তৰ্গত গৃহ নিৰ্মাণ, তাঁতশাল, চৰা ধৰা সঁজুলি, মাছ ধৰা সঁজুলি, কৃষিৰ লগত জড়িত সঁজুলিৰ বিষয়ে বিশদভাৱে উল্লেখ কৰাৰ লগতে জন্ম-বিবাহ-মৃত্যুক কেন্দ্ৰ কৰি পালন কৰা সামাজিক ৰীতি-নীতি, লোকাচাৰৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত ভাওনা, বিবিধ উৎসৱ-পাৰ্ৱণ আদি প্ৰতিবিম্বিত হোৱা *এৰি অহা গাঁও* অসমীয়া সাহিত্যৰ এখন আপুৰুগীয়া গ্ৰন্থ। এক কথাত এনেদৰে ক'ব পাৰি যে শিপাৰ পৰা ক্ৰমাৎ বিচ্ছিন্ন হৈ যাবলৈ ধৰা লোকসংস্কৃতিৰ বিভিন্ন সম্পদৰ বিষয়ে সংৰক্ষণৰ এক মহৎ প্ৰচেষ্টাৰ সাৰ্থক ৰূপ *এৰি অহা গাঁও*।

**(খ)** ***গৈল কোন দিশ***

দেৱগোস্বামীৰ দেৱজিত গোস্বামী ছদ্মনামত লিখা উপন্যাস *গৈল কোন দিশ*ৰ মূল আধাৰ সত্ৰীয়া পৰিৱেশ। জন্মসূত্ৰে দেৱগোস্বামীয়ে সত্ৰীয়া পৰিৱেশত ডাঙৰ-দীঘল হৈ সত্ৰীয়া সমাজৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, সামাজিক-সাংস্কৃতিক দিশৰ সৈতে গভীৰভাৱে জড়িত হৈ পৰিছিল। সত্ৰীয়া সংস্কৃতিৰ আজীৱন সাধক দেৱগোস্বামীয়ে সময়ৰ পৰিৱৰ্তনৰ লগে লগে নতুন প্ৰজন্মৰ সন্মুখত অসমৰ ঐতিহ্যপূৰ্ণ সত্ৰ সমাজৰ চিত্ৰখন ধৰি ৰাখিবলৈ চেষ্টা কৰাৰ উদ্দেশ্যে উপন্যাসখন লিখা বুলি 'আগলি বতৰা'ত উল্লেখ কৰিছে --

> উপন্যাস লিখা মোৰ উদ্দেশ্য নহয় - তেনে দুঃসাহস কৰাও নাই। সত্ৰ অনুষ্ঠানৰ ধৰণ-কৰণ, আৰ্হি-আদৰ্শ, ৰীতি-নীতি আৰু আচাৰ-অনুষ্ঠানবোৰ লোপ পাইছে; সেইবোৰ কথা ৰাখি থ'বৰহে যত্ন। নিজৰ জীৱনতে ঘটা বিপুল পৰিৱৰ্তনে মনত খুন্দিয়াইছে -- সেই সৰুকালৰ কথাবোৰ লিপিৱদ্ধ কৰিবলৈ। [২]

*গৈল কোন দিশ* উপন্যাসৰ মুখ্য চৰিত্ৰ ঘনশ্যাম গোসাঁই আৰু ৰেৱতীৰ পুত্ৰ পুতুল। গোসাঁইয়ে পুতেকক আধুনিক শিক্ষা প্ৰদানৰ উদ্দেশ্যে আঠগাঁৰৰ মাইনৰ স্কুলত নাম লগাই দিলে। মধু গোসাঁইৰ ছোৱালী ডিম্বেশ্বৰীৰ সৈতে পুতুলৰ বিবাহ হ'ল। এটি সন্তান জন্ম দিয়াৰ পিছতেই ডিম্বেশ্বৰীৰ মৃত্যু হোৱাত ঘনশ্যাম গোসাঁই আৰু ৰেৱতী পুতুলৰ কণমানি সন্তানটিক লৈ চিন্তাত পৰিল। মাক-দেউতাকে পুতুলক দ্বিতীয়বাৰৰ বাবে সংসাৰ পাতি দিবলৈ মন কৰিলে। ঔপন্যাসিকৰ ভাষাত, *আকৌ বিয়া পতাৰ কথাত পুতুল নিৰ্বিকাৰ হৈ ৰয় যদিও মনে মনে সি নিজকে এটা প্ৰশ্ন কৰে ঃ পত্নীৰ মৃত্যুত পুৰুষে একাধিক বিবাহ কৰাত কোনো বাধা নাই; অথচ স্বামীৰ মৃত্যুত ভাৰ্য্যাই জীৱনজোৰা কষ্ট আৰু ত্যাগ স্বীকাৰেৰে এক দুৰ্বহ আৰু নিন্দনীয় জীৱন যাপন কৰিব লাগে। একালত সতী যাব লাগিছিল কিন্তু সময়ৰ গতিত তাৰোতো পৰিৱৰ্তন ঘটিল।... আইন কৰি বন্ধ কৰিবলগীয়া হৈছে -- সেইবোৰ ভাবি, এতিয়াও আমাৰ সমাজত চলি থকা অন্ধ আৰু কু-সংস্কাৰ বোৰৰ বিষয়ে চিন্তা কৰি পুতুলৰ মন বিদ্ৰোহ কৰি উঠে।* [৩]

সময়ৰ অগ্ৰগতিৰ লগে লগে পুতুলৰ জীৱনলৈ পৰিৱৰ্তন আহিল। গোসাঁইৰ ঘৰত পুতুলে ছাগলী মঙহ আনি ঘৰতে ৰান্ধি খাই সত্ৰীয়া সমাজৰ ৰীতি-নীতিৰ পৰিৱৰ্তনৰ বাট কাটিলে। পুতুলে সংস্কাৰমুখী পৰিৱৰ্তনৰ বাবে গ্ৰহণ কৰা পদক্ষেপবোৰত ঘনশ্যাম গোসাঁইৰ আপত্তি নৰজিল। পুতুলৰ জীৱনৰ পৰিৱৰ্তনৰ লগে লগে সত্ৰীয়া সমাজৰ ৰক্ষণশীলতা, গোড়ামি, পুৰণিকলীয়া ভেম, ৰীতি-নীতি আদি বিভিন্ন দিশ উপস্থাপিত হোৱা *গৈল কোন*

*দিশ* এখন সাৰ্থক উপন্যাস।

**২.০ কেশৱানন্দ দেৱগোস্বামীৰ উপন্যাসত অসমীয়া লোকসাহিত্যৰ প্ৰতিফলন**

জনসাধাৰণৰ আৱেগ, অনুভূতি, অভিজ্ঞতাৰ মুক্ত পৰিস্ফূৰণ ঘটা লোকসাহিত্যৰ ভাগসমূহ হৈছে -- লোকগীত, ফকৰা-যোজনা আৰু প্ৰৱচন, সাধুকথা। লোকগীতসমূহ হ'ল চহা প্ৰাণৰ অকৃত্ৰিম প্ৰকাশ। অনাড়ম্বৰ, সৰল ভাষা, ঘৰুৱা চিত্ৰ, আঞ্চলিক প্ৰকাশভংগী ভাবৰ মুকলি প্ৰকাশ ইয়াৰ প্ৰধান বৈশিষ্ট্য। সত্যেন্দ্ৰনাথ শৰ্মাই লোকগীতৰ শ্ৰেণীবিভাজন এনেদৰে কৰিছে -- (১) অনুষ্ঠানমূলক ঃ যেনে -- বিহুগীত, আইনাম, বিয়ানাম ইত্যাদি। (২) আখ্যানমূলক ঃ যাক ইংৰাজীত বেলাড বোলা হয়, যেনে -- মণিকোঁৱৰৰ গীত, শান্তি-বাৰমাহীৰ গীত, বৰফুকনৰ গীত ইত্যাদি আৰু (৩) বিবিধ বিষয়ক ঃ যেনে -- নিচুকণি গীত, গৰখীয়া গীত, নাও খেলোৱা গীত ইত্যাদি।[৪]

পৃথিৱীৰ বিভিন্ন ভাষাৰ সাহিত্যিকৰ সাহিত্যৰ বিভিন্ন বিধাত লোকসাহিত্যৰ প্ৰতিফলন ভিন্ন ধৰণেৰে ঘটা দেখা যায়। অসমীয়া সাহিত্যৰো ভিন্ন সাহিত্যিকৰ সাহিত্যৰ বিভিন্ন শাখাৰ লেখাত লোকসাহিত্যৰ প্ৰতিফলন ঘটে। বৈষ্ণৱ সাহিত্যৰ প্ৰথিতযশা পণ্ডিত কেশৱানন্দ দেৱগোস্বামীৰ *এৰি অহা গাঁও, গৈল কোন দিশ* উপন্যাসত অসমীয়া লোক সাহিত্যৰ প্ৰতিফলন বিভিন্ন ধৰণেৰে ঘটা দেখা যায়। সবিশেষ আলোচনা আগবঢ়োৱা হ'ল --

**২.১ *এৰি অহা গাঁও***

*এৰি অহা গাঁও* অসমৰ জনজীৱনৰ প্ৰতিফলকস্বৰূপ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতি, দ্ৰুত উদ্যোগীকৰণৰ ফলত ক্ৰমশঃ সমগ্ৰ পৃথিৱীৰ জনজীৱনৰ ৰেহ-ৰূপ, সলনি হোৱাৰ সময়ত অসমৰ জনজীৱনকো ব্যাপক পৰিৱৰ্তনে চুই গৈছে। ভাষা-সাহিত্য-সংস্কৃতি সকলো দিশতে হোৱা পট পৰিৱৰ্তনৰ এই সময়ত লোক-সংস্কৃতিৰ সোণসেৰীয়া দিশবোৰ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে কেশৱানন্দ দেৱগোস্বামীয়ে *এৰি অহা গাঁও* ৰচনা কৰিছিল। '*এৰি অহা গাঁও*'ত প্ৰতিফলিত লোকসাহিত্যৰ এক বিশেষ দিশ হৈছে ফকৰা-যোজনা, পটন্তৰৰ প্ৰকাশ। ফকৰা যোজনাসমূহ হৈছে লোকমনৰ জ্ঞান আৰু অভিজ্ঞতাৰ সুন্দৰ প্ৰকাশ। অসমীয়া মানুহৰ দৈনন্দিন জীৱনৰ প্ৰতিটো দিশ কৃষি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, স্বভাৱ-চৰিত্ৰ, ৰন্ধন-প্ৰকৰণ, ব্যৱসায়-বাণিজ্য আদি সকলো ক্ষেত্ৰতে প্ৰযোজ্য হোৱাকৈ অসংখ্য ফকৰা-যোজনা আছে। ইয়াৰ ভাষা অতি সৰল। ছন্দ মিল ইয়াৰ আন এটি বিশেষত্ব। দেৱগোস্বামীয়ে *এৰি অহা গাঁও* ৰচনা কৰোতে য'তেই ফকৰা-যোজনাৰ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তা আহিছে ত'তেই ফকৰা-যোজনাৰ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে --

(ক) আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। (পৃ. ৩)
(খ) গৰুৰ আগত টোকাৰী বায়, কাণ জোকাৰি ঘাঁহ খায়। (পৃ. ৪)
(গ) লোকলৈ বুলি হুল পুতি, নিজে মৰে ফুটি। (পৃ. ১৫)
(ঘ) যাৰ যহত শাঁক সেন্দুৰ, তাকে পাতে ভেকোৱা এন্দুৰ। (পৃ. ৫১)
(ঙ) যি দিনাই মহাদেউ ভিক্ষালৈ নেযায়, সেই দিনাই টেকেলি কাটি। (পৃ. ৫৬)
(চ) খন্তেকৰ ভোজ খাওঁতা নাই। (পৃ. ৬২)
(ছ) সদৌ চৰায়ে মাছ খায়, মাছৰোকাৰ নাম যায়। (পৃ. ৭৯)
(জ) বুঢ়ী বামুণৰ ধন, নিজেও নেখায় লোককো নিদিয়ে চাই থাকিবৰ মন। (পৃ. ৮৫)
(ঝ) দহো আঙুলিয়ে খায়, বুঢ়াই হেঁচুকিলেহে যায়। (পৃ. ৮৭)

উল্লিখিত ফকৰা-যোজনাসমূহৰ উপৰিও 'এৰি অহা গাঁও'ত অসংখ্য ফকৰা-যোজনা আছে। ই বিলাক সংক্ষিপ্ত হ'লেও শব্দৰ স্পষ্টতা, অৰ্থৰ আধিক্যৰ বাবে কম শব্দৰেই বহুত কথা বৰ্ণনা কৰিব পাৰি। ফকৰা-যোজনা বিলাকত সমাজ-সংস্কৃতিৰ বৰ্ণময় ছবি, সামাজিক ৰীতি-নীতিৰ অলিখিত ইতিহাস আৰু জীৱন-চৰ্যা চিত্ৰিত হৈছে।

সময়ৰ বিৰৰ্তনৰ লগে লগে পাশ্চাত্য শিক্ষাৰ প্ৰসাৰ, ফকৰা-যোজনা সংগ্ৰহ, বিশ্লেষণ আৰু চৰ্চাৰ অভাৱৰ বাবে বহু প্ৰৱচন মানুহৰ মুখৰ পৰা হেৰাই গৈছে অথবা মূলৰ পৰা আঁতৰি আহিছে। এয়া অসমীয়া সাহিত্যৰ বাবে আশাপ্ৰদ নহয় বুলি অনুভৱ কৰি দেৱগোস্বামীয়ে লোকসাহিত্যৰ অন্তৰ্গত ফকৰা-যোজনাসমূহ *এৰি অহা গাঁও*ৰ যোগেদি সংৰক্ষণ কৰি এক মহৎ কাৰ্য সাধন কৰি থৈ গৈছে।

২.২ *গৈল কোন দিশ*

সত্ৰীয়া সমাজকেন্দ্ৰিক উপন্যাস *গৈল কোন দিশ*ত মুখ্যত সত্ৰীয়া সমাজৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, সামাজিক-সাংস্কৃতিক দিশ উপস্থাপন কৰিছে যদিও অসমীয়া লোকসাহিত্যৰ বিভিন্ন দিশ উন্মোচিত হৈছে। ঔপন্যাসিকে *গৈল কোন দিশ*ৰ ভিন্ন চৰিত্ৰৰ যোগেদি লোকগীত, ফকৰা-যোজনা, মন্ত্ৰৰ কথা উল্লেখ কৰিছে।

বিয়ানাম অসমীয়া বিবাহ অনুষ্ঠানত বিভিন্ন সময়ত আয়তীসকলে গোৱা মাংগলিক গীত। বিয়ানামসমূহত নাৰী জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, কন্যাৰ ৰূপ যৌৱন, কন্যাৰ আসন্ন বিচ্ছেদৰ কাৰুণ্য, দাম্পত্য জীৱনৰ আদৰ্শ আৰু ঘৰুৱা চিত্ৰৰ সুন্দৰ প্ৰকাশ লক্ষ্য কৰা যায়। বিয়ানামবোৰ বিবাহ অনুষ্ঠানৰ বিভিন্ন সময়ত গোৱা হয়। যেনে- কন্যা উলিয়াই দিয়া সময়ত, সুৱাগুৰি তোলা সময়ত, পানী তোলাৰ সময়ত, দৰা আদৰোতে, হোমৰ গুৰিত বহুতে আদি। আঞ্চলিক বিচিত্ৰতা অসমৰ বিয়ানামসমূহৰ এক বিশেষ বৈশিষ্ট্য। নামনি অসমৰ ফালে প্ৰচলিত যোৰা নামক খিচা-গীত বুলি কোৱা হয়।*গৈল কোন দিশ* উপন্যাসৰ বিভিন্ন ঠাইত বিয়ানাম উপস্থাপন কৰিছে। পুতুলৰ বিয়াত মধু গোসাঁইৰ পিছৰ ছোৱালী দশমীয়ে বিয়ানাম গালে এনেকৈ --

"বাটৰে ঢেকীয়া - চন্দুকৰ চাবি,
লিহিৰি পতীয়া - চন্দুকৰ চাবি,
আমাক বাটে দিয়া যাওঁ এ'হে
চন্দুকৰ চাবি
আৎচ্ছা খবৰদাৰ ভাল নাম গাবি
চালি জোতাৰ কোব খাবি।"[৫]

আকৌ

কলীয়া তুলখী জুপি চকলীয়া পাত
যইগুত বহি বোপাদেৱে জলত দিলে হাত।[৬]

জোৰা নাম এনেকৈ গাইছে --

দত কলম্ চিয়াহী
মান ধৰা টকা কুৰি আমাক আনি দিয়াবি?[৭]

আন এটা জোৰা নাম এনেধৰণৰ --

চাহ চেকা চেকানি
দৰা ঘৰৰ মানুহবোৰৰ জপক্ জপক্ টোপনি।[৮]

উল্লিখিত বিয়ানামসমূহত ভাৱ বা ভাষাৰ জটিলতা নাই। অনাখৰী নাৰীয়ে থিতাতে পৰিৱেশৰ লগত খাপ খুৱাকৈ ৰচনা কৰা এই বিয়ানামসমূহৰ মাজেদি অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ ছবিখন বিচাৰি পোৱা যায়। লোকসংস্কৃতিৰ এই অমূল্য সম্পদ বিয়ানাম সম্পৰ্কত বিৰিঞ্চি কুমাৰ বৰুৱাই এনেদৰে কৈছে --*প্ৰেম, শৃংগাৰ, বিৰহ, কৰুণ ৰসেৰে সমৃদ্ধ যোৰানাম আৰু খিচা গীতত অসমীয়া তিৰোতাৰ আমোদ কৌতুকী মনৰ প্ৰকাশ হৈছে।*[৯]

*গৈল কোন দিশ* উপন্যাসত প্ৰতিফলিত আন এবিধ লোকগীত হ'ল খেল-ধেমালিৰ লগত জড়িত গীত। অসমীয়া জনসমাজত অনেক খেল-ধেমালি প্ৰচলিত আছে। এই খেল-ধেমালিৰ লগত জড়িত অনেক গীত আছে।

খেলাৰ আনন্দ এই গীতবিলাকত সোমাই আছে। উদাহৰণস্বৰূপে -- চেংগুটি, ইচনী-বিচনী, টাই বাই, ৰজা-ৰাণী খেলৰ কথা ক'ব পাৰি। এই গীতসমূহ ঠাইভেদে কিছু পৃথক। শিশুৰ মনৰ জগতখনক কেন্দ্ৰ কৰি ৰচনা কৰা এই গীতবোৰ অসমীয়া লোকসাহিত্যৰ এক অমূল্য সম্পদ। গৈল কোন দিশ উপন্যাসত পুতুলৰ ভনীয়েক আইটীৰ দহমহীয়া ল'ৰাটোৰ লগত কেতিয়াবা ডিম্বেশ্বৰীয়ে তাৰ হাতৰ তলুৱাত 'টাই-বাই' খেলে --

'টাই, বাই, লোণে মাছে ভাত সানি সানি খায়।
এইকণ তুমি খোৱা, এই কণ ককা আতাই খাওক,
এইকণ মোমা আতাই খাওক, এই কণ আবু আয়ে খাওক,
এইকণ আয়ে খাওক, এই কণ মই খাওঁ,
এইকণ গধূলিলৈ যাওঁক।' -- এইবুলি ডিম্বেশ্বৰীয়ে হাতখন মুঠি মাৰি বন্ধ কৰি দিয়ে। পিছত 'চাওঁ' বুলি মুঠিটো খুলি 'ই নাই' বুলি কয় আৰু আঙুলিকেইটাত এটা এটাকৈ ধৰি যায় -- 'এইটোৱে খালেনে, এইটোৱে খালেনে, এইটোৱে খালেনে, এইটোৱে খালে ? ... তাৰ পিছত

বৰ ঘৰৰ মেও
সৰু ঘৰলৈ যায়
ঢাকোন পেলাই পঁইতা খায়
ভাকুট্ কুট-কুট্ - কুট . . . এই বুলি অকণমানটোক কুলকুলায় দিয়ে।[১০]

ঔপন্যাসিকে কাহিনীভাগ আগবঢ়াই নিওঁতে আন খেলৰ কথাও বিভিন্ন চৰিত্ৰৰ মাজেদি উপস্থাপন কৰিছে। উদাহৰণস্বৰূপে ডিম্বেশ্বৰীয়ে সমনীয়াৰ সৈতে খেলা ইচনী-বিচনী খেলৰ প্ৰসংগ দাঙি ধৰিব পাৰি, *"ওচৰৰ এজাক ছোৱালীৰ সৈতে ডিম্বেশ্বৰীয়ে বাটতে কৰবী ফুলৰ গুটিবোৰ বাটৰ কাষৰ হাবিলৈ দলিয়াই দিয়াত, তেতিয়া সিহঁতে কাণি মুনি ভাই' খেলি উঠি দুবাৰ মানতে আমনি লাগিল আৰু তেতিয়া 'ইচনী-বিচনী' খেলিবলৈ ধৰিলে। সেই খেলটোত গোৱা গীতৰ দৰে কথাখিনিৰ ছন্দটোৰ আকৰ্ষণীয়। এজনীয়ে গায়"*--

'ইচনী-বিচনী দৰিকণা মাছৰ ফিচনী
মৌ পৰে, চিলাপৰে
দোভাগ ৰাতি চাউল কাঁৰে
ঢেক্ লৌ লৌ, ঢেক্ লৌ লৌ
ঢেকাঁ গছৰ কুকুৰা
মোক বোল বপুৰা
মাছলংকা
মাছলংকা ধৰি
আনি বুধি কৰি
শিঙি নে মাগুৰ? এই বুলি প্ৰশ্ন কৰে।(দেৱজিত গোস্বামী ঃ গৈল কোন দিশ, পৃ. ৫৮)

এই গীতসমূহ শিশুৰ খেলাৰ লগত জড়িত। শিশুক আনন্দ প্ৰদান কৰি গোৱা এইগীতবোৰৰ লয় আৰু শব্দসমূহে কোমলমতীয়া শিশুসকলক আকৃষ্ট কৰে। এই গীতসমূহ অসমীয়া লোকসাহিত্যৰ এক বিশেষ সম্পদ।

*গৈল কোন দিশ* উপন্যাসত প্ৰতিফলিত লোকসাহিত্যৰ আন এক দিশ হৈছে ফকৰা-যোজনা। ফকৰা-যোজনাই বিষয়বস্তু অৰ্থবহ কৰি তোলাৰ লগতে অসমীয়া ভাষাৰ কালিকা লগা শক্তিক প্ৰতিপন্ন কৰে। উপন্যাসখনত সন্নিৱিষ্ট ফকৰা-যোজনাসমূহৰ পৰা প্ৰতিনিধিত্বমূলক ভাৱে নিম্নলিখিত উদাহৰণ দাঙি ধৰা হ'ল --

১। যমে নিলেও নিয়া,

জোঁৱায়ে নিলেও নিয়া। (পৃ. ৬)

২। যাচি দিলে সোণৰো মূল্য নাই। (পৃ. ১)

৩। কণা হওক কুঁজা হওক ভূএঞাৰ পোৱালি।
ফটা হওক ছিটা হওক পাটৰ টঙালি। (পৃ. ৩)

৪। আৰ্জন নাই বিস্তৰ ভোজন।
সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ (পৃ. ৯)

৫। শগুণৰ শাওত বুঢ়া গৰু নমৰে। (পৃ. ৬৮)

৬। মানুহৰ বুঢ়া হ'লে পৰকিতি ল'ৰে,
কুকুৰৰ বুঢ়া হ'লে ফাপৰে ধৰে। (পৃ. ৬৮)

৭। 'ক' বুলিব নেজানে ৰত্নাৱী চায় ;
পচলা খাৰৰ জুতি নেজানে ভোজ ৰান্ধিবলৈ যায়। (পৃ. ৬৮)

৮। ভগা সবাহত উৰুলি দিয়া । (পৃ. ৭৪)

৯। চকুৰ আঁতৰ হ'লেই মনৰো আঁতৰ হয় । (পৃ. ৭৮)

১০। বোৱাৰী জীৱন বান্দীৰ জীৱন সমান । (পৃ. ৭৯)

উল্লিখিত ফকৰা-যোজনাসমূহ ঔপ্যাসিকে বিভিন্ন চৰিত্ৰত ক্ষেত্ৰত, ভিন্ন পৰিৱেশ, পৰিস্থিতি অৰ্থবহ কৰি তুলিবলৈ প্ৰয়োগ কৰিছে। এই ফকৰা-যোজনা বিলাক প্ৰকৃততে মানুহৰ মুখৰ ভাষা। ঔপন্যাসিকে এহাতেদি লোকসাহিত্যৰ গুৰুত্বপূৰ্ণ অংগ ফকৰা-যোজনাসমূহৰ সংৰক্ষণ কৰিছে আৰু আনহাতে উপন্যাসখনৰ কাহিনীৰ সফল সামৰণিত উপনীত হৈছে।

*গৈল কোন দিশ* উপন্যাসত প্ৰতিফলিত লোকসাহিত্যৰ বিভিন্ন দিশৰ ভিতৰত মন্ত্ৰ সাহিত্য অন্যতম। লোকসাহিত্যৰ অন্তৰ্গত মন্ত্ৰসমূহ প্ৰথম অৱস্থাত মুখে মুখে গীত পদৰ আকাৰত প্ৰচলিত আছিল। পৰৱৰ্তী কালত ই লিখিত ৰূপ পালে। অতীতৰে পৰা অসমৰ লোক জীৱনত দৈনন্দিন জীৱনৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত মন্ত্ৰৰ প্ৰয়োগ লক্ষ্য কৰা যায়। *গৈল কোন দিশ* উপন্যাসৰ বিভিন্ন চৰিত্ৰক কেন্দ্ৰ কৰি ঔপন্যাসিকে মন্ত্ৰৰ উপস্থাপন কৰিছে। বুঢ়ীমাকে পীতাম্বৰক সৰু পানী নোচোৱা মন্ত্ৰটো মুখস্থ কৰোৱালে --*'খচং মচং, ভৰি মচং, পাৰ্টীত চেতং, বাজত মুত্' (গৈল কোন দিশ, পৃ. ১১৩)* আকৌ, যোগকান্তই প্ৰথম পত্নীৰ পৰা সন্তানৰ আশা নেদেখি আন কন্যা বশ কৰিবৰ বাবে বিভুৰাম বেজৰ ওচৰ চাপিলে। বেজে বিহলঙনি এমুঠিৰে জাৰিলে --

শ্ৰী নৰসিং নাৰায়ণ বোলয় দ্ৰুত নৰসিংহজনো
অমুকীৰ তেজ মাংস ঠাইতে কাটো মোক দেখিলে মৰোকপুৰি
পিতৃ মাতৃ ভাতৃ সৰাকো আহক এৰি ;
দিব্য নৰসিংহ মোৰ লগত চলোক, হৰণ-পূৰণ ঠাইতে দেখোক
দিব্য নৰসিংহ কৰোক বাউল হ্ৰীংক্ৰীং স্বাহা'। (গৈল কোন দিশ, পৃ. ১১৫)

আকৌ

মোহিনী মোহিনী শংকৰ মোহিনী
মোহিনী মাৰিলো মই
মোহিনী আই মোহিনী বাই
মোহিনী মাৰিলো মই
দায় নধৰিবি তই

শংকৰ মুহিলো বিষ্ণুক মুহিলো, মুহিলো ত্ৰিশ কোটি দেৱতা
ব্ৰহ্মাক মুহিলো বিষ্ণুক মুহিলো, যেয়ে মোক চায় তাকে মুহিলো।
বস্ত্ৰ চুলে লগত আহিবি লাগি
মোৰ জাক, গুৰুৰ হাক, ভেবা লাগি মোৰ পিছে পিছে লাগ ...।।(গৈল কোন দিশ, পৃ. ১১৫)

অসমীয়া জনজীৱনৰ বিবাহ অনুষ্ঠানক কেন্দ্ৰ কৰিও বিবিধ মন্ত্ৰৰ প্ৰচলন আছে। পুতুলৰ বিয়াৰ ক্ষেত্ৰতো মন্ত্ৰৰ প্ৰতিফলন দেখা গৈছে। ঔপন্যাসিকৰ ভাষাত...

> ঘনশ্যাম গোসাঁয়েও দৰাক গা বান্ধনীৰূপে কিবা কিবি দিয়ালে আৰু মন্ত্ৰেৰে পানী বটি গা ধুৱাই খুৱালেও। ... কীৰ্তন ঘৰতো শৰাই এখন দি নামকীৰ্তন কৰা হ'ল। উদাসীন গোপীকান্তই কীৰ্তন দিলে -- স্যমন্ত হৰণৰ 'হৰি ৰাম, ৰাম ৰাম, ৰাম ৰাম হৰি।' কুশল দেউৰে ন-পুৰুষ শ্ৰাদ্ধ কৰিলে ; ঘণ্টা বজাই বিষ্ণু পূজা কৰি মন্ত্ৰ মাতিলে -- 'বিষ্ণুৰ্ণমো অজ্য, কৃষ্ণাত্ৰেয় ঋষি গোত্ৰস্য,' (গৈল কোন দিশ, পৃ. ৬৪)

পুতুল আৰু ডিম্বেশ্বৰীৰ বিয়াৰ দিনবাৰ ঠিক হোৱাৰ পাছত সেই সময়তে কন্যা ডিম্বেশ্বৰী তোলনী বিয়া হ'ব পাৰে বুলি ভয় কৰি কন্যা ঘৰীয়াই বৰভেটিৰ সৰুপাই বেজৰ দ্বাৰা গা বান্ধিলে। পৰুৱাই ডকা কেইবাটাও মানুহ সৰুপাই বেজে জাৰি ভাল কৰাৰ বাবে মধু গোসাঁইৰ তেওঁৰ ওপৰত আস্থা। সৰু পাই বেজে কেনেকৈ ডিম্বেশ্বৰীৰ গা বান্ধিলে, সেই সমগ্ৰ কাহিনী বৰ্ণিত হৈছে --

> "সৰুপায়ে মোনাটোৰ পৰা প্ৰথমে কড়ি এমুঠি উলিয়ালে। ... ঠাইখন ফুঁ মাৰিলে। কপালত কড়ি মুঠি লগাই 'ৰাম বিষ্টু, ধনন্তৰী মাও - যি ক'বা, সঁচা ক'বা বুলি মাটিত কড়ি মুঠি পেলাই দিলে হাতেৰে এটা বিশেষ ভংগীত। দুটামান তললৈ আৰু দুটামান ওপৰলৈ মু' কৰি কড়িবোৰ পৰিল। ... আকৌ মাৰিলে। এনেদৰে মুঠতে তিনিবাৰ মাৰি উঠি ক'লে -- 'ঠিকেই আছে ; ফল ভাল মঙ্গলে ভালেই কৈছে।' এই বুলি কড়ি ভৰাই থৈ পুথি এখন উলিয়াই কলপাতখনতে মেলি ল'লে। ৰঙা, বগা আৰু ক'লা সূতাৰ ডোল এডাল পকাই লৈ সৰুপায়ে মূৰৰ টিকনীৰ গাঠিটো খুলি, ফুঁ মাৰি পুথিখন চাই ডোলডালত চেলা গোঁঠনীৰে বিশেষ পাক একোটাত গাঁঠি দি দি জাৰিবলৈ ধৰিলে ঃ-
>
> "শ্ৰীকৃষ্ণায় নমঃ। আন্দন বান্ধো বান্দন বান্ধো চাৰি দুৱাৰ। তোক এৰি গুৰুক বান্ধো, কাল যামিনী বান্ধো, পূবে বান্ধো, পছিমে বান্ধো, উত্তৰে বান্ধো, দক্ষিণে বান্ধো। ফু-। ঢাৰী বান্ধো, পাটী বান্ধো, বাঘৰাই পুৰাণ পানী বান্ধো, খেৰা জেঙত ইপ্ সিং দীপসিং ব্ৰহ্মাৰ পাখৰে চৌষষ্ঠী দেৱতা বান্ধিছো নাহিবি ডিম্বেশ্বৰী সীমা সঞ্চাৰ। মোৰ হাক, গুৰুৰ ডাক, ডিম্বেশ্বৰী আইটীৰ গা বান্ধিছো।" (গৈল কোন দিশ, পৃ. ৬৬)

ইয়াৰ উপৰিও পুতুলৰ মাকে কেচুৰাটোৰ পানীলগা দেখি ডিঙিত নহৰুৰ মালা এডাল সী পিন্ধাই দিলে। তাইৰ মুখলগা ভাঙিবৰ কাৰণে সৰিয়হ এমুঠি লৈ জুহালৰ কাষত বহি জৰাৰ কথা উল্লেখ কৰিছে।

**৩.০ উপসংহাৰ ঃ**

জীৱনৰ প্ৰায় প্ৰতিখন উপন্যাসতেই কেশৱানন্দ দেৱগোস্বামীৰ জ্ঞাতেই হওক বা অজ্ঞাতেই হওক অসমীয়া লোকসাহিত্যৰ ক্ষেত্ৰখনত থকা প্ৰচুৰ জ্ঞানৰ প্ৰতিফলন ঘটিছিল। উপন্যাসকেইখনত প্ৰকাশিত হৈ উঠা লোক গীত ফকৰা-যোজনা-প্ৰৱাদ-পটন্তৰ, মন্ত্ৰ সাহিত্যই অসমীয়া লোক সাহিত্যৰ গৰিমাময় দিশটোৰ প্ৰতিফলন ঘটাইছে। অসমীয়া লোকসাহিত্যৰ প্ৰতিটো দিশ দেৱগোস্বামীৰ নখ দৰ্পণত আছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভৱিষ্যত প্ৰজন্ম যাতে শিপাৰ পৰা বিচ্ছিন্ন নহয় তাৰ বাবে তেওঁ সৃষ্টিৰাজিৰ জৰিয়তে চেষ্টা কৰিছিল। *এৰি অহা গাঁও* গ্ৰন্থত অসমীয়া লোকসংস্কৃতিৰ কোনো দিশ বাদ পৰা নাই। সেইদৰে মূলতঃ সত্ৰীয়া সমাজক আধাৰ কৰি ৰচনা কৰা *গৈল কোন দিশ* উপন্যাসত সত্ৰ অনুষ্ঠানৰ সামগ্ৰিক প্ৰতিফলনৰ লগতে লোক-সংস্কৃতিৰ বিবিধ দিশো প্ৰতিফলিত হৈছে। কেশৱানন্দ দেৱ গোস্বামীৰ উল্লিখিত দুয়োখন উপন্যাস অসমীয়া সাহিত্যত এক বিশেষ সংযোজন।

**প্ৰসংগ সূত্ৰ ঃ**

১. কেশৱানন্দ দেৱগোস্বামী ঃ এৰি অহা গাঁও, পৃ. ৪৮
২. দেৱজিত গোস্বামী ঃ গৈল কোন দিশ, আগলি বতৰা
৩. ঐ ঃ গৈল কোন দিশ, পৃ. ৯৯
৪. সত্যেন্দ্ৰনাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২১
৫. দেৱজিত গোস্বামী ঃ গৈল কোন দিশ, পৃ. ৬৯
৬. ঐ ঃ উল্লিখিত, পৃ. ৬৯
৭. ঐ ঃ উল্লিখিত, পৃ. ৬৯
৮. ঃ উল্লিখিত, পৃ. ৯০
৯. বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক-সংস্কৃতি, পৃ. ৪৫
১০. দেৱজিত গোস্বামী ঃ গৈল কোন দিশ, পৃ. ৮০

**সহায়ক গ্ৰন্থপঞ্জী**

**মুখ্য উৎস**

দেৱগোস্বামী, দেৱজিত ঃ *গৈল কোন দিশ,* নিউ বুকষ্টল, দেৰগাওঁ, প্ৰথম প্ৰকাশ, ১৯৮৭

দেৱগোস্বামী, কেশৱানন্দ ঃ *এৰি অহা গাওঁ,* অসম প্ৰকাশন পৰিষদ, পৰিৱৰ্দ্ধিত প্ৰকাশ, অক্টোবৰ, ২০১২

**গৌণ উৎস**

গগৈ, লীলা ঃ*অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা,* বনলতা, পুনৰ মুদ্ৰণ, ২০১৭

গোস্বামী, জয়জ্যোতি ঃ ড° *কেশৱানন্দ দেৱগোস্বামীৰ নিৰ্বাচিত ৰচনাৱলী* (ড° কেশৱানন্দ দেৱগোস্বামীৰ ছয়াশীতম জন্ম দিৱস উপলক্ষে), প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী ২০১৫)

দত্ত, বীৰেন্দ্ৰ ঃ *অসমীয়া সংগীতৰ ঐতিহ্য,* অসম সাহিত্য সভা ভৱন, যোৰহাট, প্ৰথম প্ৰকাশ, ১৯৭৭

দাস, সূৰ্য আৰু ঃ *পৰম্পৰা আৰু সাধনাৰ সুৰভি*

গোস্বামী মহন্ত, মায়াশ্ৰী (সম্পা.) ঃ ড° কেশৱানন্দ দেৱ গোস্বামী সৰ্ম্বধনা সমিতি, পাঞ্জাবাৰী, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০০৩

দেৱী, গায়ত্ৰী ঃ *অসমৰ বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ পুৰোধা ড° কেশৱানন্দ দেৱ গোস্বামীৰ 'জীৱন আৰু কৃতী'* মৈনাক প্ৰকাশ, গোলাঘাট, প্ৰথম প্ৰকাশ, ২০১৫

দেৱগোস্বামী, দেৱজিত ঃ *কাৰুণ্য কেদাৰ,* অৰুমাপম, ২০০৩

দেৱগোস্বামী, কেশৱানন্দ ঃ*লৌহ পিঞ্জৰ,* ষ্টুডেণ্টচ এম্পৰিয়াম, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ১৯৮১

নেওগ, মহেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ত্ৰয়োদশ প্ৰকাশ, ২০১৩

ফুকন পাটগিৰি, দীপ্তি (সম্পা.) ঃ *অসমীয়া ওমলা গীত,* আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, প্ৰথম প্ৰকাশ, ২০২০

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোক সংস্কৃতি,* বীণা লাইব্ৰেৰী, সপ্তম প্ৰকাশ, ২০০২

বৰকটকী, উপেন্দ্ৰ ঃ *অসমীয়া শিশু সাহিত্যৰ সংক্ষিপ্ত ইতিহাস,* ষ্টুডেণ্টচ্ ষ্টৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০২

বৰদলৈ, নিৰ্মলপ্ৰভা ঃ *অসমৰ লোক সংস্কৃতি,* লয়াৰ্ছ বুকষ্টল, গুৱাহাটী, ১৯৭২

শৰ্মা, নবীন চন্দ্ৰ ঃ *ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা,* উত্তৰ পূৰ গ্ৰন্থমেলা, ২০০৯

ঃ *অসমীয়া লোক-সংস্কৃতিৰ আভাস,* বাণী প্ৰকাশ, গুৱাহাটী, চতুৰ্থ প্ৰকাশ, ২০১০

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* সৌমাৰ প্ৰকাশ, গুৱাহাটী, দশম সংস্কৰণ, ২০১৫

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I,August, 2024

# যুৱপ্ৰজন্ম আৰু অসম আন্দোলন ঃ *এই সময় সেই সময়* উপন্যাসৰ আধাৰত এটি অধ্যয়ন

**চয়নিকা ৰাজখোৱা,**
গৱেষক, অসমীয়া বিভাগ, অসম বিশ্ববিদ্যালয় ডিফু চৌহদ
ফোন নং ঃ ৮৮৭৬১৪৩৫৬৭ ঃ crajkhowa70@gmail.com
**ড° প্ৰভাত ভূঞা,**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, অসম বিশ্ববিদ্যালয় ডিফু চৌহদ
ফোন নং ঃ ৭০০২৩০৮৭৮৮, ঃ prabhatnlp@gmail.com.

**সাৰ-কথা**

অসমীয়া সমাজত সংঘটিত এক পৰিঘটনা হৈছে অসম আন্দোলন। অসমীয়া মানুহৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে কৰা এই আন্দোলনে সমাজ জীৱনলৈ যথেষ্ট পৰিবৰ্তন কঢ়িয়াই আনিলে। ব্ৰিটিছৰ শাসনকালত অসমলৈ হোৱা প্ৰব্ৰজনে অসমবাসীক যথেষ্ট চিন্তিত কৰি তুলিছিল। পৰৱৰ্তী স্বাধীনতাৰ পাছত এই সমস্যাই বিদেশী অনুপ্ৰৱেশৰ সমস্যা হিচাপে চিহ্নিত হয়। এনেদৰে হোৱা অবৈধ অনুপ্ৰৱেশকাৰীক ৰোধ কৰিবলৈ সমগ্ৰ অসমতে ছাত্ৰ শক্তিয়ে আন্দোলনৰ সৃষ্টি কৰে। এই আন্দোলনত অসমৰ ডেকাৰ পৰা বৃদ্ধলৈকে পুৰুষ-মহিলা সকলোৰে হাত উজান দিয়ে।

অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰখনত অসম আন্দোলনক পটভূমি হিচাপে লৈ অসংখ্য উপন্যাস ৰচিত হৈছে। এই সমূহৰ ভিতৰত ৰীতা চৌধুৰীৰ ***এই সময় সেই সময়*** অন্যতম। ঔপন্যাসিকে তেওঁৰ সৃষ্টিশীল কলাৰে দুটা প্ৰজন্মৰ মাজেৰে আন্দোলনৰ আৰম্ভণিৰে পৰা সমাপ্তিলৈকে আৰু পৰৱৰ্তী সময়ৰ যুৱক-যুৱতীৰ মানসিকতাকো উপন্যাসখনত প্ৰতিফলিত কৰিবলৈ যত্ন কৰিছে। নিৰ্বাচিত আলোচনাত ***এই সময় সেই সময়*** উপন্যাসখনৰ আধাৰত অসম আন্দোলনত অসমৰ যুৱপ্ৰজন্মৰ ভূমিকা আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বীজশব্দ ঃ** যুৱপ্ৰজন্ম, আন্দোলন, উপন্যাস, অসমীয়া, অনুপ্ৰৱেশ।

## ০.১ প্ৰস্তাৱনা ঃ

কৈশোৰ কাল অতিক্ৰম কৰিয়েই এজন কিশোৰে যৌৱনত ভৰি দিয়ে। প্ৰতিজন ব্যক্তিৰেই জীৱনৰ এক গুৰুত্বপূৰ্ণ সময় হৈছে ডেকাকাল বা যুৱাৱস্থা। সমাজ এখনৰ বৃহৎ শক্তিস্বৰূপ এই যুৱপ্ৰজন্ম হৈছে দেশৰ ভৱিষ্যত। অতীজৰে পৰা সময়ে সময়ে ডেকাশক্তিয়ে দেশৰ বিভিন্ন পৰিস্থিতিত নিজা চিন্তা-চেতনা আৰু শক্তি প্ৰদৰ্শন কৰি আহিছে। স্বাধীনতাৰ পাছৰে পৰা অসমত বিশেষকৈ সত্তৰ-আশী দশকৰ সময়ছোৱাত অসমৰ যুৱপ্ৰজন্মই ৰাজ্যখনৰ সামাজিক, ৰাজনৈতিক প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

অসম আন্দোলন হৈছে অসমৰ সংগ্ৰামী জনতাৰ পুঞ্জীভূত হৈ থকা ক্ষোভৰ বৰ্হিপ্ৰকাশ ঘটা এক পৰিঘটনা। এই ক্ষোভ আছিল তেওঁলোকৰ নিজা অস্তিত্ব আৰু নিজ জন্মভূমিক হেৰুওৱাৰ। বহিৰাগত লোকৰ আগমনৰ লগে লগে নিজৰ ওপজা ঠাইতে অসমীয়াই নিজৰ অধিকাৰ হেৰুৱাৰ ভয়ে ১৯৭৯ চনত অসম আন্দোলনৰ সুত্ৰপাত কৰে। ১৯৮৫ চনলৈকে ছয়বছৰ ধৰি বিদেশী বহিষ্কাৰৰ দাবীত হোৱা এই আন্দোলনত অসমীয়া ডেকাৰ জাতীয়তাবাদী চিন্তাৰ প্ৰতিফলন ঘটিছে। পুৰণি কালৰে পৰাই অসমলৈ প্ৰব্ৰজন ঘটি আহিছে যদিও স্বাধীনতাৰ পাছতে বৰ্হিৰাজ্যৰ পৰা অহা প্ৰব্ৰজনকাৰী, অবৈধ বাংলাদেশীৰ সমস্যা ইত্যাদিয়ে খিলঞ্জীয়া অসমীয়া লোকৰ মনত শংকাৰ সৃষ্টি কৰিছিল। বিদেশীৰ আধিপত্যই অনা ভাবুকিয়ে অসম আন্দোলনক গণ সংগ্ৰামৰ ৰূপলৈ পৰিৱৰ্তিত কৰি তুলিছিল। অসমৰ জনগাঁথনিলৈ অহা পৰিৱৰ্তন আৰু অৰ্থনৈতিক দিশত অহা প্ৰত্যাহবান সম্পৰ্কে হেৰম্ব বৰপূজাৰীয়ে কৈছে,

> *বহিৰাগত প্ৰব্ৰজনকাৰীসকলৰ আগমনে অসমৰ থলুৱা লোকসকলৰ আত্মপৰিচয়ৰ সংকটৰ সৃষ্টি কৰিছিল। থলুৱা সকল শংকিত হৈ পৰিছিল যে এনেদৰে প্ৰব্ৰজন চলি থাকিবলৈ হ'লে ত্ৰিপুৰীসকলৰ দৰেই অসমীয়াৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱন বিপদাপন্ন হৈ পৰিব আৰু অসমীয়া জাতিৰ অস্তিত্ব সংকটাপন্ন হ'ব। ...থলুৱাসকলে দেখিবলৈ পাইছিল যে অসমত থিতাপি লোৱা সেই বহিৰাগতসকলে জনজীৱনৰ মূল সোঁতটোৰ লগত মিলি যোৱাত অনিচ্ছুক, নিজকে সংখ্যালঘু আৰু ঔপনিবেশিক বুলিহে ভাবিছিল আৰু অসমৰ বাহিৰৰ একেধৰণৰ লোকৰ পৰাহে প্ৰেৰণা আৰু নেতৃত্ব বিচাৰিছিল। ...বহুতে স্থানীয় ভাষা, ৰীতি- নীতি আৰু চিৰাচৰিত পৰম্পৰাবোৰ আঁকোৱালি ধৰি ল'ব নোৱাৰাত অস্তিত্বৰ সংকট আৰু ঘনীভূত হৈ পৰিছিল।* [১]

অসম আন্দোলনৰ প্ৰতিফলন ঘটা এখন উপন্যাস হৈছে ৰীতা চৌধুৰীৰ *এই সময় সেই সময়*। উপন্যাসখনত দুটা প্ৰজন্মৰ মাজেৰে অসম আন্দোলন আৰু সমাজ জীৱনৰ ওপৰত ইয়াৰ প্ৰভাৱ চিত্ৰায়িত কৰা পৰিলক্ষিত হৈছে। নিৰ্বাচিত আলোচনাত *এই সময় সেই সময়*ত অসম আন্দোলনৰ সময়ছোৱাত যুৱপ্ৰজন্মৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

আলোচনা কৰোঁতে কেইটামান উদ্দেশ্য নিৰ্ধাৰণ কৰি লোৱা হৈছে। সেয়া হ'ল-

- সত্তৰ-আশী দশকৰ সময়ছোৱাত অসমৰ যুৱচেতনা বা ডেকাশক্তিৰ উত্থানৰ বিষয়ে আলোচনা কৰা।
- অসম আন্দোলনৰ পৰিচয় দিয়া।
- উপন্যাসখনৰ মাজেৰে প্ৰকাশিত অসম আন্দোলনৰ সময়ছোৱাত যুৱপ্ৰজন্মৰ ভূমিকা উল্লেখ কৰা।

যিহেতু এখন সমাজৰ গতি নিৰূপনত যুৱসমাজৰ ভূমিকা আছে। গতিকে, বিদেশী প্ৰব্ৰজনকাৰীসকলক অসমৰ পৰা বহিষ্কাৰ কৰাৰ স্বাৰ্থত যুৱপ্ৰজন্মই লোৱা পদক্ষেপ অধ্যয়ন কৰাতো নিতান্তই প্ৰয়োজন।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

*যুৱপ্ৰজন্ম আৰু অসম আন্দোলন ঃ এই সময় সেই সময় উপন্যাসৰ আধাৰত এটি অধ্যয়ন* শীৰ্ষক বিষয়টো অধ্যয়ন কৰোঁতে বৰ্ণনাত্মক পদ্ধতি আৰু ঠায়ে ঠায়ে বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০ উপন্যাসৰ চমু পৰিচয় ঃ**

২০১০ চনত ৰচিত ৰীতা চৌধুৰীৰ ***এই সময় সেই সময়*** উপন্যাসখন মূলত অসম আন্দোলনৰ শেষৰ সময়ছোৱাক কেন্দ্ৰ কৰি ৰচিত। উন্যাসখনত দুটা প্ৰজন্মৰ পৰিচয় পোৱা গৈছে। প্ৰথমটো প্ৰজন্ম হৈছে অদিতি, চন্দন, প্ৰভাকৰ, অৰণ্য, অলকেশ আদি যুৱক-যুৱতীৰ আৰু দ্বিতীয়টো প্ৰজন্ম হৈছে তেওঁলোকৰ সতি-সন্ততি কাজৰি, কস্তুৰী, সুকন্যা ইত্যাদি। ইয়াৰ উপৰিও উপন্যাসখনত ঠায়ে ঠায়ে কিছুমান পাৰ্শ্ব চৰিত্ৰৰ উল্লেখ পোৱা গৈছে। মনকৰিবলগীয়া যে অসম আন্দোলনৰ পটভূমিত ৰচিত এই উপন্যাসখনৰ বিষয়বস্তু আৰু কাহিনীৰ ক্ষেত্ৰত ঔপন্যাসিকাৰ জীৱন দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। ব্যক্তিগত জীৱনত পোৱা বাস্তৱ অভিজ্ঞতাক বিষয়বস্তু

হিচাপে লৈ উপন্যাসখন ৰচনা কৰিছে। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে সহজ-সৰল মনৰ অদিতি। তেওঁৰ স্বামী আছিল চন্দন। দুয়ো আন্দোলনৰ সময়ত দেশৰ হকে যুঁজিছিল যদিও পৰৱৰ্তী সময়ত চন্দনে শোষক শ্ৰেণীৰ লগতে উঠা-বঢ়া কৰি ৰাজনীতিত যোগদান কৰিলে। চন্দনৰ এই পৰিৱৰ্তনক অদিতিয়ে সহজ ভাৱে ল'ব পৰা নাছিল। দুয়োৰে মাজত ক্ৰমান্বয়ে দূৰত্ব বাঢ়ি আহিছিল। অদিতিয়ে তেওঁৰ দুজনী ছোৱালী কাজৰি আৰু কস্তুৰীৰ লগতেই জীৱন নিৰ্বাহ কৰিছিল। কাজৰি আৰু কস্তুৰী আছিল দ্বিতীয় প্ৰজন্মৰ যুৱক-যুৱতী। তেওঁলোক ইজনীৰ সিজনীৰ লগত আপোনত্ব ভাৱ নাছিল। দুয়োজনীকে অদিতিয়ে তুলি লৈছিল। কাজৰি আছিল অদিতিৰ বন্ধু অৰণ্য বৰুৱাৰ সন্তান। সশস্ত্ৰ সংগ্ৰামৰ পথত ভৰি দিয়াৰ বাবে কাজৰিক অদিতিৰ হাতত তুলি থৈ যায়। অৱশ্যে উপন্যাসখনৰ শেষলৈ তেওঁলোক দুইজনীৰ মাজত মিলাপ্ৰীতিৰ ভাৱ দেখা গৈছে। অন্য এক আকৰ্ষণীয় চৰিত্ৰ হৈছে সুকন্যা। দ্বিতীয় প্ৰজন্মৰ যুৱতী সুকন্যা কস্তুৰীৰ বান্ধৱী। চৰিত্ৰটোৰ মাজেৰে ঔপন্যাসিকে যুক্তিবাদী যুৱতীৰ পৰিচয় দিছে।

**২.০ *এই সময় সেই সময়* উপন্যাসত প্ৰতিফলিত যুৱচেতনা আৰু অসম আন্দোলন ঃ**

অসম আন্দোলন অসমৰ ইতিহাসৰ এক উল্লেখযোগ্য পৰিঘটনা। ঔপনিবেশিক আমোলৰ সময়ৰ পৰাই অসমলৈ বিভিন্ন কাৰণত বহিৰাগতৰ আগমণ ঘটিছিল। বিশেষকৈ বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সময়ত পূৱ পাকিস্তানৰ পৰা বহুতো লোক অসমলৈ আহে। অনিয়ন্ত্ৰিত এই অবৈধ অনুপ্ৰৱেশ আৰু তেওঁলোকৰ নিগাজী সংস্থাপনে অসমৰ ভাষা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আৰু অসমৰ জাতীয় অস্তিত্বৰ প্ৰতিও ভাবুকি আনি দিয়ে। আনহাতে ১৯৭৯ চনত মঙ্গলদৈ লোকসভা সমষ্টিৰ সদস্য হীৰালাল পাটোৱাৰীৰ মৃত্যু হোৱাত তেওঁৰ আসনখন খালী হয়। সেয়ে খালী আসনখনৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱাত বহুতো বিদেশী লোকৰ নাম ভোটাৰ তালিকাত সন্নিৱিষ্ট হৈ থকাতো ধৰা পৰে। এই সময়তে সদৌ অসম ছাত্ৰ সন্থা চমুকৈ 'আছু'য়ে নিৰ্বাচন প্ৰক্ৰিয়া স্থগিত ৰাখিবলৈ আহবান জনায় আৰু ভোটাৰৰ তালিকাৰ পৰা অবৈধ বিদেশীৰ নাম কৰ্তন কৰাৰ দাবী কৰে। অৱশ্যে অবৈধ ভোটাৰৰ নাম চিনাক্ত কৰা হ'ল যদিও তেওঁলোকক ভোটদানৰ পৰা বিৰত ৰাখিবৰ বাবে উপযুক্ত চৰকাৰী ব্যৱস্থা প্ৰয়োগ কৰা নহ'ল। ইয়াৰ ফলত অসমৰ জনসাধাৰণ অসন্তুষ্ট হৈ পৰিল। এই অসন্তুষ্টিৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে ১৯৭৯ চনত সদৌ অসম ছাত্ৰসন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত অবৈধ বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ দাবীত তীব্ৰ গণ আন্দোলন গঢ়ি উঠিলে।

সদৌ অসম ছাত্ৰ সন্থা যুৱ সমাজৰে প্ৰতিনিধি। অৱশ্যে অসম আন্দোলনৰ আগলৈকে 'আছু' অসমৰ জাতীয় সংগঠন হিচাপে জনপ্ৰিয় হৈ উঠা নাছিল। ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৬৬ চনৰ খাদ্য আন্দোলন আৰু ১৯৭২ চনৰ মাধ্যম আন্দোলনত আছুয়ে গুৰুত্বপূৰ্ণ ভূমিকা লয় যদিও অসম আন্দোলনৰ সমান জনপ্ৰিয়তা লাভ কৰা নাছিল। ভাষা আন্দোলনত ৰঞ্জিত বৰপূজাৰী, মোজাম্মিল হক, প্ৰমোদ বৰা, বলীন ৰাজখোৱা আৰু নৰেন মহন্ত শ্বহীদ হোৱাৰ পাছত এই আন্দোলনটোৰে বিশেষ গুৰুত্ব লাভ কৰে আৰু লাহে লাহে অসমৰ বিভিন্ন প্ৰান্তত আছুৰ সাংগঠনিক স্থিতি গঢ় লৈ উঠে।[২] ১৯৬৭ চনৰ ৮ আগষ্টত সদৌ অসম ছাত্ৰসন্থাৰ সংবিধানখন গৃহীত কৰা হয়। কেন্দ্ৰীয় কমিটীৰ সভাপতিৰ পদ লক্ষীকান্ত শইকীয়া আৰু সাধাৰণ সম্পাদকৰ পদ দিলীপ ভট্টাচাৰ্যক দিয়া হয়। আছুৰ সংবিধানখনৰ মূল উদ্দেশ্য ঘোষণা কৰা হয় এনেদৰে - *The main objective was defined as to form an organisation to establish social, economic and political justice, freedom of thought, equal status, respect for individuals and national unity and dedication towards to establishment of brotherhood and unite the entire community irrespective of caste, creed and region.*[৩] অৰ্থাৎ সদৌ অসম ছাত্ৰসন্থাৰ মূল উদ্দেশ্য হৈছে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ন্যায়, চিন্তাৰ স্বাধীনতা, সম-মৰ্যাদা, ব্যক্তিৰ প্ৰতি সন্মান, জাতীয় ঐক্য আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠাৰ প্ৰতি সমৰ্পণ আৰু জাতি, ধৰ্ম, অঞ্চল নিৰ্বিশেষে সমগ্ৰ সম্প্ৰদায়ক একত্ৰিত কৰা।

*এই সময় সেই সময়*ৰ পটভূমি হৈছে অসমৰ বিদেশী বহিষ্কাৰ আন্দোলন। যিহেতু বিদেশী বহিষ্কাৰ আন্দোলনৰ ঘাই নেতৃত্ব লৈছিল অসমৰ ছাত্ৰ সমাজে, সেয়ে উপন্যাসখনৰ চৰিত্ৰসমূহৰ মাজেৰে ছাত্ৰসমাজ বা যুৱপ্ৰজন্মক চিত্ৰিত কৰা হৈছে। উপন্যাসখনত দুটা প্ৰজন্ম দেখিবলৈ পোৱা গৈছে, তাৰে প্ৰথম প্ৰজন্মক প্ৰতিনিধিত্ব কৰা অদিতি, চন্দন, প্ৰভাকৰৰ আদি চৰিত্ৰসমূহে অসম আন্দোলনৰ সময়ত যুৱ সমাজক প্ৰতিনিধিত্ব কৰিছিল। অসমৰ অস্তিত্ব সংকট হৈ পৰাৰ সময়ত তেওঁলোকৰ মানসিক প্ৰতিক্ৰিয়া উপন্যাসখনত দেখা পোৱা গৈছে -

> *প্ৰতিৰোধ কৰিব লাগিব। সংগ্ৰাম কৰিব লাগিব নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ। কাঢ়ি আনিব লাগিব নিজৰ প্ৰাপ্য। সুৰক্ষিত কৰিব লাগিব নিজৰ অধিকাৰ। ৰক্ষা কৰিব লাগিব নিজৰ মাটি। নিজৰ দেশ। অসমীয়া জাতি কাৰো বহতীয়া নহয়।* [৪]

অসম আন্দোলনে অসমীয়া যুৱপ্ৰজন্মৰ মনত বাৰুকৈয়ে ক্ৰিয়া কৰিবলৈ ধৰিছিল। তীব্ৰ বঞ্চনাৰ ক্ষোভ আৰু জাতীয় পৰিচয় হেৰুৱাৰ শংকা মানুহৰ মনৰ গভীৰতালৈকে সোমাই পৰিছিল। সেই সময়ত অসম আন্দোলনে সকলো স্তৰৰ মানুহৰ মনত এনেকৈ শিপাই পৰিছিল যে জাতীয়তাবাদী চিন্তাৰে সকলোকে উদ্বুদ্ধ কৰিছিল। সাহিত্যিক সকলে হাতত কলম তুলি লৈছিল, কবিতাৰে সকলোৰে হৃদয় আলোড়িত কৰি তুলিছিল। এনেদৰে দেশপ্ৰেমে আলোড়িত কৰা যুৱ প্ৰজন্ম আন্দোলনৰ পথলৈ ওলাই আহিছিল। উপন্যাসখনত এনে এজাক যুৱপ্ৰজন্ম - অদিতি, চন্দন, প্ৰভাকৰ, শুভংকৰ, অৰণ্য, বলোভদ্ৰ আৰু বিভূতিৰ দৰে আৰু বহুতেই উদ্দাত্ত কণ্ঠেৰে অসম আন্দোলনত অংশগ্ৰহণ কৰা দেখা গৈছে।

বিদেশী বহিষ্কাৰ আন্দোলনৰ নেতৃত্বত আছিল মূলত ঃ সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম গণ সংগ্ৰাম পৰিষদ। অন্যান্য ভালেমান সামাজিক, সাংস্কৃতিক সংগঠনৰ উপৰিও সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ অংশীদাৰ আছিল প্ৰধানত ঃ সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম কৰ্মচাৰী পৰিষদ, অসম সাহিত্য সভা, অসম কলেজ শিক্ষক সন্থা।এই সংগঠনসমূহ অসমীয়া মধ্যবিত্তীয় সমাজৰ পৰাই উদ্ভৱ হৈছিল। সেয়ে মধ্যবিত্তীয় সমাজৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক সংগঠনসমূহৰ সন্মিলিত প্ৰচেষ্টাৰে আন্দোলনটো পৰিচালিত হৈছিল। প্ৰথম অৱস্থাত এই আন্দোলনক বহিৰাগত লোকৰ বিৰুদ্ধে হোৱা আন্দোলন বুলি কোৱা হৈছিল। কিন্তু পিছলৈ অবৈধ বাংলাদেশী প্ৰব্ৰজনকাৰীসকলৰ বিৰুদ্ধেহে আন্দোলনটো তীব্ৰ হৈ উঠিছিল। অবৈধ বাংলাদেশী নাগৰিকৰ সমস্যাৰ লগতে অসমৰ আৰ্থসামাজিক জীৱনত দেখা দিয়া বহুতো মৌলিক অৰ্থনৈতিক সমস্যাৰ বিষয়েও চিন্তা কৰা হৈছিল। অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ উদাসীন মনোভাৱ পৰিলক্ষিত হয়। দেখা যায় যে ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতেই বাংলাদেশী আৰু নেপালী লোকসকল আহি অসমৰ বিভিন্ন চৰ-চাপৰি, বনাঞ্চল, চৰকাৰী পতিত মাটি দখল কৰাৰ লগতে অসমৰ জনগাঁথনিতো প্ৰভূত প্ৰভাৱ পেলাইছিল। স্বাধীনতাৰ পিছত শাসকগোষ্ঠীৰ লগতে স্বাৰ্থন্বেষী ৰাজনৈতিক দল আৰু নেতাই ভোট বেংক হিচাপে এই অনুপ্ৰৱেশকাৰী সকলক গ্ৰহণ কৰিছিল। তদুপৰি অসম আন্দোলনৰ প্ৰাক্‌ক্ষণৰ পৰা কিছুমান সমস্যাই জটিলতা বৃদ্ধি কৰি আহিছিল। যেনে - কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ নিৰ্বিকাৰ দৃষ্টিভংগী, ৰাজ্যখনক দিবলগীয়া সুৰক্ষাৰ ব্যৰ্থতা, অৰ্থনৈতিক হতাশা, থলুৱা জনসাধাৰণৰ আৰ্থিক আৰু ৰাজনৈতিক স্বাৰ্থ সুৰক্ষিত কৰাত ব্যৰ্থতা, দেশৰ প্ৰচলিত নিয়ম-নীতিক উপেক্ষা কৰা, ৰাজ্যত মুছলীম লবীৰ প্ৰভাৱ গঢ়ি উঠা ইত্যাদি। অসমত স্বাৰ্থালোভী ৰাজনৈতিক নেতৃত্বই কেৱল ৰাজনৈতিক স্বাৰ্থ আৰু ভোট বেংকৰ ৰাজনীতি কৰাতে ব্যস্ত হৈ পৰিছিল। ইয়াৰ ফলত অসমৰ সামূহিক স্বাৰ্থ উপেক্ষিত হৈ ৰৈছিল আৰু অসমৰ সমস্যাসমূহ অসমীয়াৰ ক্ষোভৰ ৰূপত প্ৰকাশ পাইছিল। সেয়ে অসমৰ ছাত্ৰ সমাজৰ লগতে ক্ৰমান্বয়ে বিস্তাৰ লাভ কৰা আঞ্চলিকতাবাদী শক্তিসমূহে এনে সমস্যাসমূহ অনুধাৱন কৰি আন্দোলন গঢ়ি তোলে।

অসম আন্দোলন আৰম্ভ হোৱাৰ লগে লগে অসমৰ সমাজ জীৱন আৰু ৰাজনৈতিক দৃশ্যপটৰো পৰিৱৰ্তন

ঘটে। যুৱপ্ৰজন্মই বিভিন্ন শ্লোগানেৰে দেৱাল লিখন আৰম্ভ কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বিয়পাই দিছিল। উপন্যাসখনত ইয়াৰ প্ৰকাশ ঘটিছে অদিতিৰ মাজেৰে-

*'লাখ লাখ বিদেশীয়ে ছানি ধৰিছে দেশ - লোৱা হেৰা অসমীয়া ৰণুৱাৰ বেশ'*
*'আমাৰ তেল, আমাৰ চাহ, আমাৰ হাবিৰ কাঠ - আমাৰ কয়লা, আমাৰ মাটি, বিদেশীক নিদিওঁ ভাগ।'*
*'স্বাধীন আছিলো, সদায় থাকিম। আমি স্বাধীন অসমীয়া।'*
*'কোন ক'ত আছ' আহ - ঔ-আহ সমনীয়া, সমুখত হ থিয়- মাতৃপূজাত ভাগ ল'বলৈ বেলি কৰ কিয়?'*
*'বহিৰাগতক বহিষ্কাৰ কৰক।'*[৫]

ক্ষোভ আৰু আৱেগে মানুহৰ মনত ঢৌ তুলিবলৈ সক্ষম হৈছিল আৰু এনেধৰণৰ শ্লোগানেৰে চহৰৰ দেৱালসমূহ ভৰি উঠিছিল। এই শ্লোগান সমূহে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে সত-সহস্ৰ মানুহক আলোড়িত কৰিছিল। নিজৰ জাতি মাটিৰ প্ৰতি থকা স্নেহ আৰু শ্ৰদ্ধাৰ বাবে আত্ম বলিদান দিবলৈও অদিতিহঁতৰ দৰে যুৱক-যুৱতীসকল সাজু আছিল।

অসমৰ প্ৰধান অৰ্থনৈতিক সম্পদ হিচাপে খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ শোষণমূলক আহৰণে অসমীয়াৰ মনত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি ক্ষোভৰ সৃষ্টি কৰিছিল। অসমত সহজলভ্য বনজ সম্পদসমূহৰ আধাৰত নানা ধৰণৰ উদ্যোগ স্থাপনৰ জৰিয়তে বৰ্ধিত নিবনুৱা সমস্যা সমাধানৰ পথো প্ৰশস্ত আছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰে এই দিশত বৈষম্যমূলক আচৰণ বা অৱহেলা সূচক মনোভাৱহে প্ৰদৰ্শন কৰিছিল। সময়ে সময়ে এনে শোষণ আৰু বঞ্চনাৰ নীতি প্ৰকাশ পোৱাৰ ফলত স্বাভাৱিকতে গাঁও আৰু চহৰৰ মধ্যবিত্ত শ্ৰেণী, শিক্ষিত, অৰ্ধশিক্ষিত আৰু নিৱনুৱা যুৱক-যুৱতীৰ মনত বিদ্ৰোহৰ ভাৱ সূচনা কৰে। সেয়ে সুদীৰ্ঘ দিন ধৰি চলি থকা শোষণ আৰু বঞ্চনাৰ ক্ষোভ অসম আন্দোলনৰ মূল দাবী বিদেশী বহিষ্কৰণৰ লগত সংযুক্ত হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে এই আন্দোলনে অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰে। এই আন্দোলনে যুৱ সমাজৰ পূৰ্ণ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। যুৱসমাজৰ সুদীৰ্ঘ সমদলৰ ভৰিৰ ধূলিৰে অসমৰ বাট-পথ ধূলিয়ৰি হৈ পৰিছিল। ঘৰৰ ভিতৰত থকা মহিলাসকল, অফিচ-কাছাৰী আদিৰ কৰ্মচাৰীসকল আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সহযোগত এই সমদল দীঘলৰ পৰা অধিক দীঘল হৈ গৈ আছিল।

কিন্তু ১৯৮৩ চনৰ পৰা অসমৰ পৰিস্থিতি ভয়াবহ হৈ পৰে। সদৌ অসম ছাত্ৰসন্থা আৰু গণ সংগ্ৰাম পৰিষদে ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম কৰ্তন নোহোৱা পৰ্যন্ত অসমত নিৰ্বাচন বৰ্জন ঘোষণা কৰিছিল। সেয়ে কংগ্ৰেছ শাসনাধীন কেন্দ্ৰীয় চৰকাৰে বলপূৰ্বকভাৱে ১৯৮৩ চনত নিৰ্বাচন অনুষ্ঠিত কৰাত অসমৰ পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰে। প্ৰতিবাদকাৰী আন্দোলনৰ জনতাৰ ওপৰত পুলিচী নিৰ্যাতন, সামৰিক; আৰ্থসামৰিক সেনা বাহিনীৰ নিৰ্মম অত্যাচাৰ বৃদ্ধি পায়। উপন্যাসখনত সেই সময়ৰ আন্দোলনকাৰী অগণন মানুহে সমস্বৰে চিঞৰি উঠা শ্লোগানবোৰ আৰু দেশপ্ৰেমমূলক গীতবোৰ অদিতি চৌধুৰীৰ মনৰ ভিতৰত প্ৰতিধ্বনিত হৈ আছিল এনেদৰে-

*'আহ ঐ আহ - ওলাই আহ।'*
*'মৰে অসম জীয়ে কোন - জীয়ে অসম মৰে কোন।'*
*'খেদ ঐ খেদ- বিদেশীক খেদ'*
*'আঠচল্লিছ বছৰে পালো কি - লাঠি, গুলী, চি আৰ পি।'*
*'জুয়ে পুৰা তিৰাশীৰ নিৰ্বাচনী বছৰ - ভাইটি নোহোৱা হ'ল জাননে খবৰ।'* [৬]

বিপ্লৱী সত্তা জগাই তোলা এনে শ্লোগান আৰু গীতবোৰে আন্দোলনকাৰী অসমীয়াৰ লগতে বিশেষকৈ যুৱসমাজক দুগুণে উৎসাহিত কৰি তুলিছিল। শাসকীয় পক্ষৰ বিৰুদ্ধে সেয়ে অধিক শক্তিশালী সংগ্ৰাম চলাই

গৈছিল। অসম আন্দোলনৰ সময়ত অসমৰ বিভিন্ন ঠাইত সাধাৰণ ৰাইজৰ ওপৰত পুলিচ আৰু চি.আৰ.পি.য়ে নিৰ্বাচনৰ সময়ছোৱাত নানাধৰণৰ অত্যাচাৰ চলায়। নৃশংস অত্যাচাৰৰ পৰা শিশু, ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা কোনোৱে সাৰিব পৰা নাছিল। পুলিচৰ নৃশংস অত্যাচাৰত বহু যুৱকৰ মৃত্যু হয় আৰু বহুতো চিৰদিনৰ বাবে ঘুণীয়া হৈ পৰিল। তদুপৰি পুলিচী অত্যাচাৰৰ ভয়ত বহু যুৱক-যুৱতী ঘৰ-বাৰী এৰি নিৰাপদ স্থান বিচাৰি পলাই ফুৰিবলগীয়া হয়। কাৰণ শাসকীয় পক্ষৰ ফালৰ পৰা হোৱা আন নিৰ্যাতনত অসমৰ যুৱ সমাজক লক্ষ্য কৰি লোৱা হৈছিল। এই আন্দোলনসমূহে জনসাধাৰণৰ সৰ্বস্ব কাঢ়ি লৈছিল। কেন্দ্ৰীয় চৰিত্ৰ অদিতিৰ জীৱনৰ সকলো এই আন্দোলনেই কাঢ়ি আনিছিল।

> *ভাষা আন্দোলনৰ সময়ত দুৰ্বৃত্তই জ্বলাই দিয়া একুৰা জুয়ে পুৰি ছাই কৰি পেলাইছিল অদিতিৰ মাক-দেউতাকক। ঘৰৰ সকলোকে। শাৰী শাৰী চিতাত মুখাগ্নি কৰি শিশু অদিতি গুচি আহিছিল মোমায়েক-মামীয়েকৰ ঘৰলৈ। অসম আন্দোলনৰ আন একুৰা জুয়ে পুৰি ছাই কৰি থৈ গ'ল মোমায়েক-মামীয়েকক। চুবুৰীটোৰ সকলোকে। নিসংগ কৰি থৈ গ'ল অদিতিক* [৭]

অসম আন্দোলনে প্ৰতিজন মানুহৰে জীৱনক প্ৰভাৱিত কৰি থৈ গৈছিল। অদিতিয়ো তাৰ ব্যতিক্ৰম নহয়। অদিতিৰ আত্মীয়-স্বজন সকলোকে এই আন্দোলনে কাঢ়ি আনিছিল। নিজৰ চকুৰ আগত পৰিয়াল এটা শেষ হৈ যোৱাটো অতি যন্ত্ৰণাদায়ক। বন্ধুৰ বাহিৰে অদিতিৰ জীৱনত আন কোনো নাছিল। চন্দন, অলকেশ, প্ৰভাকৰ, শুভংকৰৰ বন্ধুত্বই অদিতিৰ জীৱনত পৰিয়ালৰ ভূমিকা গ্ৰহণ কৰিছিল। উপন্যাসখনত মন কৰিবলগীয়া এটি দিশ হৈছে বন্ধুৰ ভূমিকা আৰু যুৱপ্ৰজন্মৰ মাজত পৰিলক্ষিত একতা। তেওঁলোক প্ৰতিজনেই বেলেগ বেলেগ জনগোষ্ঠীৰ আছিল যদিও তেওঁলোকৰ মাজত কোনেও নিজকে পৃথক বুলি ভবা নাছিল। আন্দোলনে তেওঁলোকৰ মনত বিভেদৰ মনোভাৱ আনিব পৰা নাছিল।

> *মানুহবোৰ লাহে লাহে উতপ্ত হৈ উঠিব ধৰিছিল। সেই মানহবোৰৰ মাজত অদিতিও আছিল। আছিল অৰণ্য, প্ৰভাকৰ, শুভংকৰ, বলোভদ্ৰ, বিভূতি আৰু অনেক অনেক ল'ৰা-ছোৱালী। সেই ল'ৰা-ছোৱালীবোৰ বেলেগ বেলেগ জনগোষ্ঠীৰ আছিল। কিন্তু কোনেও নিজকে পৃথক বুলি ভবা নাছিল। গোষ্ঠীগত চিন্তাই তেওঁলোকৰ মাজলৈ কেতিয়াও নমাই অনা নাছিল বিভেদ মনোভংগী* [৮]

১৯৮৩ চনৰ নিৰ্বাচনে অসমৰ জনসাধাৰণৰ মনত বিভেদৰ বীজ ৰোপন কৰিলে। ইয়াৰ ফলত হিন্দু-মুছলমান, জাতি-জনজাতিৰ মাজত থকা ঐক্য আৰু সংহতিৰ ভাৱ আঁতৰি যায়। অৱশেষত ১৯৮৫ চনৰ বহু ৰক্তাক্ত পৰিস্থিতিৰ অৱসান ঘটাই ১৯৭১ চনকে বিদেশী চিনাক্ত আৰু বিতাড়নৰ সীমাৰেখা হিচাপে অসম চুক্তি সম্পাদন হয়। ইয়াৰ পিছতে ১৯৮৫ চনতেই অসম আন্দোলনৰ যুৱ নেতৃত্বই অসম গণ পৰিষদ নামেৰে আঞ্চলিক ৰাজনৈতিক দল গঠন কৰি অসমত চৰকাৰ গঠন কৰে।

একবিংশ শতিকাৰ যুৱ প্ৰজন্মৰ বাবে অসম আন্দোলন ইতিহাস স্বৰূপ। বৰ্তমান প্ৰজন্মই অনুভৱ কৰিব পৰাকৈ ছাত্ৰ সন্থা বা এই সংগঠনবোৰে কোনো ধৰণৰ কাৰ্যপন্থা হাতত নোলোৱা উপন্যাসখনৰ দ্বিতীয় প্ৰজন্মৰ যুৱতী কাজৰি চৰিত্ৰটিৰ মুখেৰে প্ৰকাশ পাইছে - *'সদৌ অসম ছাত্ৰ সন্থা' নামৰ সংগঠনটোৱে দেশৰ কাৰণে অনেক কিবা কৰা কাজৰিয়ে দেখিছে। কিন্তু তেওঁলোকেও সেই আন্দোলনৰ স্মৃতি সংৰক্ষণৰ কাৰণে বিশেষ কিবা কৰা কাজৰিৰ চকুত পৰা নাই। কৰা হ'লে হয়তো কাজৰিহঁতৰ লাভ হ'লহেঁতেন। অসম আন্দোলনৰ বিষয়ে ভালকৈ জানিব পাৰিলেহেঁতেন। বুজিব পাৰিলেহেঁতেন সেই সময়ক।* [৯]

অসম আন্দোলন সম্পৰ্কে কাজৰিয়ে কৰা অনুভৱবোৰ সেই সময়ত অদিতি চৌধুৰীয়ে প্ৰতিনিধিত্ব কৰা যুৱ প্ৰজন্মৰ সৈতে একে মনোভাৱে দেখিবলৈ পোৱা গৈছে। অসম আন্দোলনত কত লোক শ্বহীদ হ'ল আৰু সেই লোকসকলৰ স্মৃতি ৰক্ষাৰ বাবে কোনো ধৰণৰ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। কাজৰিৰ মাতৃ অদিতি চৌধুৰী

অসম আন্দোলনত ভাগ লোৱা সেই সময়ৰ যুৱতী আছিল। আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি পুলিচৰ নিৰ্যাতন সহ্য কৰা অদিতি চৌধুৰীয়েও আন্দোলন সম্পৰ্কে কথাবোৰ ক'বলৈ এতিয়া উৎসাহ বিচাৰি নাপায়। কাৰণ পঁচাশীৰ গুৱাহাটীৰ চহৰৰ দৰে হয়তো অসমৰ প্ৰায়ভাগ ঠাইতে আন্দোলনৰ চিনবোৰ হেৰাই যোৱা যেন অনুভৱ হৈছে। দ্বিতীয় প্ৰজন্মৰ প্ৰতিনিধি কাজৰিৰ মনতো সেই একেধৰণৰ দ্বিধাগ্ৰস্ততা প্ৰকাশ পাইছে। মাতৃৰ পৰা আন্দোলনৰ বিষয়ে অলপ জানিব পাৰিছিল যদিও বৰ্তমান তাৰ কোনো অস্তিত্ব কাজৰিয়ে দেখিবলৈ পোৱা নাই। মাকৰ জৰিয়তে শুনা এই অভিজ্ঞতাসমূহো কাজৰিৰ বাবে বিৰক্তিকৰ যেন হে লাগে। সেই সময়ত কৰা অনশন, পিকেটিং, জেললৈ যোৱা, গুলী খাই মৃত্যু হোৱা ইত্যাদি উপন্যাসখনত কাজৰিহঁতৰ বাবে অৰ্থহীন যেন লগা দেখা গৈছে। *কস্তুৰীৰো তেনেকুৱাই লাগে মাজে মাজে। ইয়ালৈ অহাৰ পিছত কিছুমান শব্দ - আলফা, ছালফা, কংগ্ৰেছ, এজিপি, বিজেপি, আছু আৰু কত কি যে শব্দ শুনিবলৈ পায় কস্তুৰীয়ে।* [১০]

উপন্যাসখনত দেখা গৈছে যে অদিতিৰ দ্বিতীয়া কন্যা কস্তুৰীয়েও আন্দোলনৰ গভীৰতাৰ বিষয়ে জ্ঞাত নাছিল। মাকৰ মুখত আন্দোলনৰ বিভিন্ন কাহিনী শুনিছে যদিও এই দ্বিতীয় প্ৰজন্মৰ যুৱক-যুৱতীসকলে প্ৰকৃতাৰ্থত আন্দোলনৰ গুৰুত্ব বুজি উঠা নাছিল।

সকলো বস্তুৰে ভাল আৰু বেয়া দিশ থকাৰ দৰে অসম আন্দোলনৰো কিছু ভাল দিশ সমাজত প্ৰতিফলিত হৈছিল। অসম আন্দোলনে মহিলাসকলৰ জীৱনলৈ যথেষ্ট পৰিৱৰ্তন কঢ়িয়াই আনে। ঘৰৰ যুৱতী, তিৰোতাসকলে নিজকে নতুন দৃষ্টিৰে চাবলৈ শিকিলে। চাৰিবেৰৰ পৰা ওলাই আহি খোলা চকুৰে সমাজখনক জানিবলৈ আৰু বুজিবলৈ ধৰিলে। এই বিষয়ে উপন্যাসখনত মানৱেন্দ্ৰ নামৰ চৰিত্ৰৰ কথাৰ পৰাই জানিব পৰা যায়--

*অসম আন্দোলনৰ প্ৰভাৱ সমাজৰ ওপৰত সামগ্ৰিকভাৱে পৰিছিল আৰু এই প্ৰভাৱ এৱছলিউট্‌লি নিগেটিভ, সম্পূৰ্ণ বেয়া হ'বই নোৱাৰে। মধ্যবিত্তীয় সমাজৰ সামগ্ৰিক মূল্যবোধলৈ আন্দোলনটোৱে পৰিৱৰ্তন আনিছিল। (এই সময় সেই সময়, পৃ. ১২৬)*

অসম আন্দোলনে সমাজলৈ অনা পৰিৱৰ্তনবোৰৰ ভিতৰত বিশেষকৈ মহিলাৰ সামগ্ৰিক অৱস্থানৰ সলনি হোৱা দেখা যায়। মানৱেন্দ্ৰ নামৰ যুৱ প্ৰৱক্তা গৰাকীয়ে তেওঁৰ নিজৰ ঘৰখনৰ পৰাই উদাহৰণ দাঙি ধৰিছে। ঘৰখনৰ চাৰিবেৰৰ ভিতৰত ব্যস্ত হৈ থকা তেওঁৰ মাতৃয়ে অসম আন্দোলনৰ পিছৰ পৰা নিজৰ লগতে সমাজখনক মুকলিকৈ চাবলৈ শিকিছিল। ঠিক তেনেদৰে মহিলাসকলে ঘৰৰ চাৰিবেৰৰ পৰা ওলাই আহিবলৈ সুযোগ পোৱা বাবে তেওঁলোকে আত্মসচেতন হ'বলৈ সক্ষম হৈছে। সেয়ে মহিলাৰ অৱস্থানে সমাজত এক সুকীয়া পৰিচয় বহন কৰিছে।

**৩.০ উপসংহাৰ ঃ**

অসম আন্দোলনে অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি সকলো দিশতে পৰিৱৰ্তন কঢ়িয়াই আনিছিল। *এই সময় সেই সময়* উপন্যাসখনত অসম আন্দোলনৰ পাছত মানুহৰ আশা ভংগৰ বিষাদ-বেদনা প্ৰকাশ পাইছে। সশস্ত্ৰ বিপ্লৱৰ পথত ভৰি দিয়া, কাৰাবাস খটা, পুলিচৰ অত্যাচাৰত ঘূৰ্ণীয়া হোৱাৰ পাছতো জনসাধাৰণে প্ৰত্যাশিত ফল পোৱা নাছিল। অসম আন্দোলনৰ বাবে সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীয়ে এক অমূল্য শিক্ষাবৰ্ষও হেৰুৱাবলগীয়া হৈছিল। অৱশ্যে অসম আন্দোলনৰ বহু ত্ৰুটি-বিচ্যুটি থাকিলেও এই আন্দোলনত নেতৃত্ব লোৱা যুৱকসকল বা ছাত্ৰ সংগঠনৰ প্ৰাসংগিকতা, গুৰুত্ব আৰু প্ৰয়োজনক নুই কৰিব পৰা নাযায়।

**প্ৰসংগ টীকা ঃ**

[১] নাথ, মনোজ কুমাৰ, *অসম আন্দোলনৰ পটভূমি, ইতিহাস,বৰ্তমান,* পৃ.১৬
[২] পূৰ্বোল্লিখিত, পৃ. ৮৫
[৩] পূৰ্বোল্লিখিত, পৃ. ৮৭
[৪] চৌধুৰী, ৰীতা, *এই সময় সেই সময়,* পৃ. ৩৯
[৫] পূৰ্বোল্লিখিত, পৃ. ৩৮
[৬] পূৰ্বোল্লিখিত, পৃ. ১৯
[৭] পূৰ্বোল্লিখিত, পৃ. ৫৫
[৮] পূৰ্বোল্লিখিত, পৃ. ৩৯
[৯] পূৰ্বোল্লিখিত, পৃ. ৬১
[১০] পূৰ্বোল্লিখিত, পৃ. ৬৮

**গ্ৰন্থপঞ্জী ঃ**

গোহাঁই, হীৰেন, আৰু দিলীপ বৰা, সম্পাদক। *অসম আন্দোলন ঃ প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি*। দ্বিতীয় সংস্কৰণ, বনলতা, ২০০৭।

চৌধুৰী, ৰীতা। *এই সময় সেই সময়*। দশম সংস্কৰণ, বনলতা, ২০১৮।

নাথ, মনোজ কুমাৰ। *অসম আন্দোলনৰ পটভূমি, ইতিহাস,বৰ্তমান*। তৃতীয় প্ৰকাশ, আঁক-বাঁক, ২০২১।

বৰগোহাঞি, হোমেন। *আশীৰ দশকৰ দস্তাবেজ*। প্ৰথম প্ৰকাশ, ষ্টুডেন্টচ্ ষ্টৰ, ২০০১।

PANCHOI
পানচৈ

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ

**ড° দীপ্তি ফুকন পাটগিৰি**, ডি. লিট.
অধ্যাপিকা, অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
**ববিতা গগৈ,**
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
ভ্ৰাম্যভাষ ঃ ৬০০০৭৪৬১৭১
email: bobitagogoi18@gmail.com

**সাৰাংশ**

লোক-সংস্কৃতিৰ এক অনন্য দিশ হ'ল লোকবিশ্বাস আৰু লোকাচাৰ। মানৱ সভ্যতাৰ সৃষ্টিৰ সময়ৰে পৰা বিভিন্ন প্ৰকাৰে জনসমাজত লোকবিশ্বাস আৰু লোকাচাৰে আত্মপ্ৰকাশ কৰি আহিছে। পৃথিৱীৰ প্ৰত্যেক জাতি, প্ৰত্যেক সমাজতে পৰম্পৰাগতভাৱে বিভিন্ন লোকাচাৰ লোকবিশ্বাসৰ প্ৰচলন আছে। অসমীয়া সমাজতো অতীজৰে পৰা দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ লগত ভিন ভিন লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন হৈ থকা পৰিলক্ষিত হয়। লোক-সংস্কৃতি লোকসমাজৰ দলিলস্বৰূপ। আনহাতে সাহিত্য সমাজৰ দাপোণ। সেয়েহে সাহিত্যত সমাজৰ লগতে সংস্কৃতিৰো প্ৰতিফলন ঘটে। লোকাচাৰ আৰু লোকবিশ্বাস লোক-সংস্কৃতিৰ এক বৃহৎ অংগ। সেয়েহে স্বাভাৱিকতে সাহিত্যত লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰতিফলন ঘটে। সাম্প্ৰতিক সময়ৰ এজন পৰিচিত ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ উপন্যাসতো অসমীয়া সমাজৰ বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। গৱেষণা পত্ৰখনত জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰৰ বিষয়ে এক চমু অৱলোকনৰ প্ৰয়াস কৰা হৈছে।

**বীজশব্দ ঃ** লোকবিশ্বাস, লোক-সংস্কৃতি, লোকাচাৰ, জয়ন্ত মাধৱ বৰা।

০.০ **অৱতৰণিকা ঃ**

০.১ **বিষয়ৰ পৰিচয় ঃ**

লোক-সংস্কৃতিৰ মাজেৰেই একোটা জাতিৰ পৰিচয় পোৱা যায়। লোকবিশ্বাস আৰু লোকাচাৰ লোকসংস্কৃতিৰ এক বৃহৎ অংগ। লোকবিশ্বাস আৰু লোকাচাৰৰ মাজতেই জাতিৰ মনোজগতৰ পৰিচয় পাব পাৰি। সাধাৰণতে কোনো এখন সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত কিছুমান ধ্যান-ধাৰণাই লোকবিশ্বাস। লোকবিশ্বাসসমূহৰ আধাৰত

যিসমূহ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে সেয়ে হৈছে লোকাচাৰ। অতীজতে মানুহে প্ৰকৃতিৰ বিভিন্ন ৰহস্য উদ্‌ঘাটন কৰিব নোৱাৰি কিছুমান অতিলৌকিক ধ্যান-ধাৰণাৰ আশ্ৰয় লৈছিল আৰু ইয়াৰ ফলতে লোকবিশ্বাসসমূহৰ সৃষ্টি হয় বুলি অনুমান কৰা হয়। সময়ৰ লগে লগে পৰম্পৰাগতভাৱে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ স্বতঃস্ফুৰ্তভাৱেই লোকবিশ্বাস আৰু লোকাচাৰসমূহ প্ৰবাহিত হৈ আহিছে।

জয়ন্ত মাধৱ বৰাৰ উপন্যাসত সমাজৰ বিভিন্ন দিশৰ লগতে অসমীয়া লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। *'জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ'* শীৰ্ষক গৱেষণা পত্ৰখনত বৰাৰ *জলপ্ৰপাত, মৰিয়াহোলা, মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* আৰু *দেউল* শীৰ্ষক উপন্যাসকেইখনত প্ৰতিফলন ঘটা লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে আলোচনাৰ প্ৰয়াস কৰা হৈছে।

**০.২ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

'জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ' সম্পৰ্কে পোনপটীয়াকৈ অধ্যয়ন হোৱা দেখা নাযায়। অৱশ্যে *জলপ্ৰপাত, মৰিয়াহোলা, মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* আৰু *দেউল* উপন্যাস সম্পৰ্কে ভিন্ন আলোচনী, গৱেষণা পত্ৰ, গ্ৰন্থ আদিত কিছু অধ্যয়ন হোৱা পৰিলক্ষিত হয়।

**০.৩ অধ্যয়নৰ উদ্দেশ্য ঃ**

'জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ' শীৰ্ষক গৱেষণা পত্ৰখনৰ অধ্যয়নৰ উদ্দেশ্যসমূহ এনেধৰণৰ -

- ♦ বৰাৰ উপন্যাসত প্ৰতিফলিত অশৰীৰী শক্তি সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে অধ্যয়ন।
- ♦ বৰাৰ উপন্যাসত প্ৰতিফলিত জীৱন বৃত্তৰ লগত জড়িত লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে অধ্যয়ন।
- ♦ বৰাৰ উপন্যাসত প্ৰতিফলিত গছ-গছনি, জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ সম্পৰ্কে অধ্যয়ন।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ**

'জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ' শীৰ্ষক গৱেষণা পত্ৰখনত বিষয়বস্তুৰ বিশ্লেষণৰ ক্ষেত্ৰত মূলতঃ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**০.৫ অধ্যয়নৰ পৰিসৰ ঃ**

জয়ন্ত মাধৱ বৰাৰ বৰ্তমানলৈকে ওঠৰখন উপন্যাস প্ৰকাশ পাইছে। উপন্যাসসমূহৰ বিষয়বস্তুৰ বৈচিত্ৰ্য পৰিলক্ষিত হয়। 'জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰ' শীৰ্ষক গৱেষণা পত্ৰখনত বৰাৰ *জলপ্ৰপাত, মৰিয়াহোলা, মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* আৰু *দেউল* এই চাৰিখন উপন্যাসকহে অধ্যয়নৰ বাবে গ্ৰহণ কৰা হৈছে।

অসমীয়া লোকবিশ্বাস, জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত অশৰীৰী শক্তি সম্পৰ্কীয় লোকবিশ্বাসৰ লগতে লোকাচাৰ, জন্ম, মৃত্যু, বিবাহ আদি জীৱন বৃত্তৰ লগত জড়িত লোকবিশ্বাস তথা লোকাচাৰ, গছ-গছনি, জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ আদিক অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

**০.৬ তথ্য আহৰণৰ উৎস ঃ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰা ক্ষেত্ৰত মুখ্য আৰু গৌণ দুয়োটা উৎসৰে সহায় লোৱা হৈছে। মুখ্য উৎস হিচাপে জয়ন্ত মাধৱ বৰাৰ *জলপ্ৰপাত, মৰিয়াহোলা, মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* আৰু *দেউল* গ্ৰন্থকেইখন গ্ৰহণ কৰা হৈছে। গৌণ উৎস হিচাপে বিষয়ৰ লগত সম্পৰ্কিত বিভিন্ন গ্ৰন্থ, আলোচনী আদিৰ সহায় লোৱা হৈছে।

**১.০ জয়ন্ত মাধৱ বৰাৰ উপন্যাসৰ পৰিচয় ঃ**

জয়ন্ত মাধৱ বৰাই ১৯৮০ চনত আমাৰ প্ৰতিনিধি কাকতত প্ৰকাশিত 'বৃত্ত ভঙাৰ সপোন' শীৰ্ষক গল্পৰ জৰিয়তে অসমীয়া সাহিত্য জগতত প্ৰৱেশ কৰে। বৰাই ১৯৮৭ চনত ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। 'অমৃত' (১৯৮৭) তেওঁৰ গ্ৰন্থ আকাৰে প্ৰকাশিত প্ৰথমখন উপন্যাস। বৰ্তমানলৈকে বৰাৰ ওঠৰখন উপন্যাস প্ৰকাশ পাইছে। উপন্যাসসমূহ হ'ল- অমৃত (১৯৮৭), মৃগয়া (১৯৯৮), দেওধ্বনি (২০০০), সুমনৰ কাৰণে অকনমান সময়(২০০৩), নষ্ট সময় (২০০৫), জলপ্ৰপাত (২০০৯), লহৰে লহৰে কঁপে মনৰে যমুনা (২০১২), শিৰীষ গাছেৰ ছায়া (২০১৩), মৰিয়াহোলা (২০১২),পাঁচখন উপন্যাস (২০১৬), আজান ফকীৰ (২০১৫), নামত মাজুলী কহয় সবে (২০১৬), মায়ং (২০১৭), নিচান চাহেব (২০১৯), দোতাৰা (২০০০), দেউল (২০০০), বজাৰ (২০০০) আৰু নৰক গুলজাৰ (২০২২)।

বৰাই উপন্যাসসমূহ ভিন্ন পটভূমি আৰু ভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি ৰচনা কৰিছে। প্ৰথম তিনিখন উপন্যাস *অমৃত, মৃগয়া* আৰু *দেওধ্বনী* চাহবাগানৰ পটভূমিত ৰচনা কৰিছে। বৰাই একোখন ঠাইক কেন্দ্ৰ কৰি বহুকেইখন উপন্যাস ৰচনা কৰিছে। *জলপ্ৰপাত, মৰিয়াহোলা, নামত মাজুলী কহয় সবে, মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* উপন্যাস একোটা অঞ্চলক কেন্দ্ৰ কৰি ৰচনা কৰিছে। উপন্যাসকেইখনত একোখন ঠাইৰ ইতিহাসৰ প্ৰতিফলন ঘটিছে আৰু সেই ঠাইখনে একোটা প্ৰধান চৰিত্ৰ হৈ পৰিছে। তেওঁৰ *দেউল* উপন্যাসখন ঊনবিংশ শতিকাৰ বিভিন্ন ঘটনাক কেন্দ্ৰ কৰি ৰচনা কৰিছে।

সাম্প্ৰতিক সময়ৰ মূল্যবোধৰ অৱক্ষয় আৰু আদৰ্শগত বেচা-কিনাক বিষয়বস্তু হিচাপে গ্ৰহণ কৰি *বজাৰ* উপন্যাসখন ৰচনা কৰা হৈছে। তেওঁৰ *নৰক গুলজাৰ* উপন্যাসখন এইড্‌চ আৰু ড্ৰাগচ্ আসক্ত লোকৰ বাস্তৱ জীৱনৰ ভিত্তিত ৰচনা কৰা হৈছে।

**২.০ অসমীয়া লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিচয় ঃ**

লোকবিশ্বাস আৰু লোকাচাৰসমূহ সমাজৰ দ্বাৰা সৃষ্ট। অসমীয়া সমাজত দৈনন্দিন জীৱনৰ বিভিন্ন দিশৰ লগত বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰ প্ৰচলন হৈ আহিছে। লোকবিশ্বাস আৰু লোকাচাৰসমূহ প্ৰকৃততে অসমীয়া গ্ৰাম্যসমাজৰ দৈনন্দিন জীৱনৰে এক অপৰিহাৰ্য অংগ। অসমীয়া লোকসংস্কৃতিবিদসকলে অসমীয়া সমাজত প্ৰচলিত লোকবিশ্বাসসমূহক বিভিন্ন ভাগত ভাগ কৰি আলোচনা কৰিছে। লোকসংস্কৃতিবিদ নবীন চন্দ্ৰ শৰ্মাই তেওঁৰ *অসমীয়া লোকসংস্কৃতিৰ আভাস* গ্ৰন্থত অসমীয়া লোকবিশ্বাসক দুটা ভাগত ভাগ কৰিছে - ধৰ্মীয় লোকবিশ্বাস আৰু সামাজিক লোকবিশ্বাস। তেওঁ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকবিশ্বাসসমূহক আকৌ দহটা ভাগত ভাগ কৰিছে - (ক) ধৰ্মীয় লোকবিশ্বাস, (খ) জন্তু সম্পৰ্কীয় লোকবিশ্বাস, (গ) চৰাই চিৰিকতি বিষয়ক লোকবিশ্বাস, (ঘ) গছ-গছনি, লতা-লতিকা, ফুল-ফল কেন্দ্ৰিক লোকবিশ্বাস, (ঙ) অলৌলিক বা স্বৰ্গীয় বস্তু সম্পৰ্কীয় লোকবিশ্বাস, (চ) মানৱ শৰীৰ আৰু আচৰণৰ লগত জড়িত লোকবিশ্বাস, (ছ) মাহ-বাৰ-তিথি-দিশ সম্বন্ধীয় লোকবিশ্বাস, (জ) যাত্ৰা সম্পৰ্কীয় লোকবিশ্বাস (ঝ) খাদ্য সম্বন্ধীয় লোকবিশ্বাস, (ঞ) বিবিধ বা মিশ্ৰিত লোকবিশ্বাস।[১]

বিৰিঞ্চি কুমাৰ বৰুৱাই লোকবিশ্বাসক বিষয় অনুসৰি এনেদৰে ভাগ কৰি দেখুৱাইছে - (১) ধৰ্ম সম্পৰ্কীয় লোকবিশ্বাস, (২) জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস, (৩) শিলপূজা সম্পৰ্কীয় লোকবিশ্বাস (৪) বৃক্ষ সম্পৰ্কীয় লোকবিশ্বাস, (৫) কৃষি সম্পৰ্কীয় লোকবিশ্বাস, (৬) প্ৰকৃতি সম্পৰ্কীয় লোকবিশ্বাস, (৭) ভৱিষ্যত গণনা সম্পৰ্কীয় লোকবিশ্বাস, (৮) ভিন ভিন সংস্কাৰ সম্পৰ্কীয় লোকবিশ্বাস।[২]

লোকসংস্কৃতিবিদসকলৰ লোকবিশ্বাস সম্পৰ্কীয় শ্ৰেণীবিভাজনৰ পৰা দেখা যায় যে মানৱ জীৱনৰ জন্ম

মৃত্যু বিবাহকে আদি কৰি দৈনন্দিন জীৱনৰ সকলো দিশতে লোকবিশ্বাস জড়িত হৈ আছে। তদুপৰি প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্কৰ দিশটোও লোকবিশ্বাসসমূহে অভিব্যক্ত কৰে। লোকবিশ্বাসৰ আধাৰতে লোকাচাৰৰ সৃষ্টি। সেয়েহে লোকবিশ্বাসৰ শ্ৰেণীবিভাজনৰ ভিত্তিতে লোকাচাৰ সম্পৰ্কে আলোচনা কৰিব পৰা যায়। লোকবিশ্বাসৰ আধাৰত কোনো এখন সমাজৰ লোকে পৰম্পৰাগতভাৱে পালন কৰি অহা ৰীতি-নীতি, ক্ৰিয়া-কলাপেই লোকাচাৰ। লোকাচাৰসমূহে লোকজীৱনক নানান দিশৰ পৰা নিয়ন্ত্ৰণ কৰি ৰাখে। লোকাচাৰৰ মাজত মানৱ জাতিৰ স্বকীয় সাংস্কৃতিক বৈশিষ্ট্য সন্নিৱিষ্ট হৈ থাকে।

**৩.০ জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলিত লোকবিশ্বাস আৰু লোকাচাৰঃ**

জয়ন্ত মাধৱ বৰাৰ *জলপ্ৰপাত, মৰিয়াহোলা, মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* আৰু *দেউল* এই চাৰিওখন উপন্যাসেই ভিন্ন পটভূমিত ৰচিত হ'লেও আটাইকেইখন উপন্যাসতে গ্ৰাম্যসমাজৰ ছবি প্ৰতিফলন ঘটিছে। লোকবিশ্বাস আৰু লোকাচাৰ যিহেতু গ্ৰাম্যসমাজৰ দৈনন্দিন জীৱনৰে এক অপৰিহাৰ্য অংগ, সেয়েহে বৰাৰ নিৰ্বাচিত উপন্যাসকেইখনতো গ্ৰাম্য সমাজত প্ৰচলিত লোকবিশ্বাস আৰু লোকাচাৰৰ ছবি বিদ্যমান।

**৩.১ ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদি অশৰীৰী শক্তি সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ ঃ**

অসমীয়া গ্ৰাম্যসমাজত ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদি অশৰীৰী শক্তি সম্পৰ্কীয় লোকবিশ্বাস পৰম্পৰাগতভাৱে প্ৰচলিত হৈ আহিছে। জয়ন্ত মাধৱ বৰাৰ উপন্যাসত অসমীয়া গ্ৰাম্যসমাজত প্ৰচলিত এনেধৰণৰ লোকাচাৰ-লোকবিশ্বাসসমূহ অভিব্যক্ত হৈছে। অসমীয়া গ্ৰাম্য সমাজত বৰপুখুৰী, বৰগছ, দলনি, খেৰণি আদিত ভূত-প্ৰেত, দেৱতা-অপদেৱতা আদিয়ে বাস কৰে বুলি বিশ্বাস কৰা হয়। বৰাৰ *মৰিয়াহোলা* উপন্যাসত এনে লোকবিশ্বাসৰ প্ৰতিফলন ঘটিছে -

> ঘৰটোৰ সন্মুখতে বুঢ়া শিলিখাজোপা। সৰুতে এইফালে অকলে আহিবলৈ সিহঁতে ভয় কৰিছিল। বুঢ়া শিলিখাজোপাৰ তলত বুঢ়া ডাঙৰীয়া এজন বহি থাকে বুলি সকলোৱে কৈছিল। জানটোৰ পাৰে পাৰে হেনো যখিনীবোৰে পিটপিটাই ঘূৰি ফুৰিছিল। দীঘল দীঘল নখ, জঁট লগা চুলি, ওঁঠ ফালি ওলাই অহা দাঁত, উস্ মানুহ দেখিলেই হেনো যখিনীবোৰে হিঁ-হিকৈ হাঁহিছিল। ... কাষৰ দ হোলাটোৰ লগত মিলি পৰা ঠাইখিনিতে মূৰ নাইকিয়া চকু দুটা বুকুত থকা দ'ত দুটামান বৈ থাকে। ৰাতি হ'লেই বাঁক কেইটামান ঘূৰি ফুৰে।[৩]

বৰাৰ *দেউল* উপন্যাসত সুভদ্ৰাৰ দেউতাকৰ মৃত্যু বৰপুখুৰীত থকা ভূতটোৰ কবলত পৰি হোৱা বুলি গাঁৱৰ সকলোৱে বিশ্বাস কৰে। এনেধৰণৰ ঘটনাসমূহ গ্ৰাম্যসমাজৰ সহজ সৰল লোকসকলে তেওঁলোকৰ কল্পনাৰে চকুৰ সন্মুখলৈ আনি বিৱৰণ দিয়ে। সুভদ্ৰাৰ দেউতাকৰ ভূতৰ কৱলত পৰি মৃত্যু হোৱা ঘটনাটো উপন্যাসখনত এনেদৰে বৰ্ণনা আছে —

> ভৰ দুপৰীয়াখন অকলে জাৱণিখনৰ মাজৰ পৰা ঔটেঙা পাৰিবলৈ গৈছিল। তাৰ পাছত বৰপুখুৰীত নামি জুবুৰা মাৰি গা ধুলে। বৰজোপাত থকা ভূতটোৱে ছলেই পালে। সাউতকৈ আহি বাপেকে একেকোৱে পেটৰ ভিতৰত সোমাই বহি ল'লে নহয়। ঘৰলৈ আহি ভাতকেইটা খাবলৈ পালে কি নাপালে, জ্বৰে একেবাৰে মূৰত ধৰিলে। তাৰ পিছত নতুন ঘাঁহ খাই গৰুৱে চেৰেলিয়াদি চেৰেলিয়াবলৈ আৰম্ভ কৰিলে। বমি কৰিবলৈ ধৰিলে। দুই একে মুক্তা বেজৰ কথা উলিয়াইছিলহে, ইপিনে সুভদ্ৰাৰ দেউতাক ইফলিয়া হ'লেই।[৪]

অসমীয়া গ্ৰাম্যসমাজত অশৰীৰী শক্তিৰ বহুতো প্ৰকাৰ আছে বুলি বিশ্বাস প্ৰচলিত আছে। আকৃতি-প্ৰকৃতি আৰু বাসৰ স্থান অনুসৰি সেইসমূহক দ'ত, যখিনী, প্ৰেত, ঘোঁৰাপাক, পৰুৱাই পোৱা, বুঢ়াডাঙৰীয়া আদি বিভিন্ন নামেৰে নামকৰণ কৰা পৰিলক্ষিত হয়। জয়ন্ত মাধৱ বৰাৰ উপন্যাসত দলনি, পুখুৰী, খেৰণি আদিত বসবাস কৰা বিভিন্ন অশৰীৰী শক্তিৰ বৰ্ণনা পোৱা যায়। তেওঁৰ *জলপ্ৰপাত* উপন্যাসত মাণিক মহাজনৰ বিয়াত কইনা আনিবলৈ যোৱা মানুহে ৰাষ্টাৰ কাষৰ ডাঠ হাবি আৰু খেৰণিডৰা পাৰ হৈ যাওঁতে বৰযাত্ৰীসকলৰ মনত ভয়ৰ উদ্ৰেক হৈছে।

কাৰণ সেই খেৰণিডৰাত খেতৰ-খেতৰিয়ে ধেমালি কৰি থাকে। ইয়াৰ বৰ্ণনা উপন্যাসখনত দাঙি ধৰিছে —

> বাগানৰ মাজত গৰু চৰাই থকাকেইটাই প্ৰায়ে খেৰণিডৰাৰ মাজত খেতৰ-খেতৰিয়ে ধেমালি কৰি থকা দেখে। এবাৰ হেনো এটাক খেতৰি এজনীয়ে টানিয়েই নিব খুজিছিল। কোনোমতে সাৰি আহি ঘৰত সাতদিন জ্বৰত ভুগিলে। জ্বৰ মূৰত উঠিলে খেতৰিয়ে চিঞৰাদি চিঞৰে। পিছত যেনিবা চিলাবন্ধাৰ গোবিন বেজ আহি তিনিদিন ধৰি জৰা ফুকা কৰিলতহে গাৰ পৰা খেতৰি আঁতৰিল।[৫]

অসমীয়া গ্ৰাম্যসমাজত নামঘৰত বুঢ়াডাঙৰীয়া আছে বুলি বিশ্বাস প্ৰচলিত আছে। *জলপ্ৰপাত* উপন্যাসত মাণিক মহাজনৰ অসুস্থতাৰ কাৰণ বুঢ়াডাঙৰীয়াৰ দোষো হ'ব পাৰে বুলি গাঁৱৰ লোকে সন্দেহ কৰাৰ প্ৰসংগত লেখকে বুঢ়াডাঙৰীয়াৰ অৱতাৰণা কৰিছে। মাণিক মহাজনে পেটৰ অসুখৰ বাবে বাৰে বাৰে বাহিৰলৈ যাব লগা হয়। এবাৰত বাহিৰলৈ বুলি যাওঁতে বাঁহনিখনতে মানুহজন অচেতন হৈ পৰে। বহুসময়ৰ পাছত মানুহজনক ঘৰলৈ তুলি অনাৰ পাছতো তেওঁৰ মুখৰ পৰা যেতিয়া মাত বোল ওলোৱা নাই গাঁৱৰ মানুহে সেয়া বুঢ়াডাঙৰীয়াৰ দোষ বুলি সন্দেহ কৰে। এই প্ৰসংগত ঔপন্যাসিকে বুঢ়াডাঙৰীয়াৰ আকৃতিৰো বৰ্ণনা কৰিছে -

> বুঢ়াডাঙৰীয়াৰ দোষো লাগিব পাৰে। ... দুদিনৰ আগতে মহোদাৰ সৰুজনী ছোৱালীয়ে নামঘৰৰ বকুলজোপাৰ ওচৰতে বুঢ়াডাঙৰীয়াক থিয় হৈ থকা দেখিছিল। বকুলজোপাতকৈ ওখ, বগা চুৰীয়া পাঞ্জাৱী, মূৰত বগা পাগ, দীঘল লাখুটিডাল লৈ থিয় হৈ আছে। দেখিয়েই মহোদাৰ জীয়েকৰ তালুৰেদি জীয়টো উৰি গ'ল নহয়। কোনোমতেহে সেৱা এটা কৰি মহোদাৰ জীয়েক ঘৰৰ ভিতৰ সোমাল আৰু বৌতি অ' বুলি কঁপি কঁপি চাউল জাৰি থকা মহোদাক সাৱতি ধৰিলেগৈ।[৬]

ভূত-প্ৰেত, ডাঙৰীয়া, যখিনী আদিৰ দৰে অশৰীৰী আত্মাৰ আন এক প্ৰকাৰ দ'ত। *জলপ্ৰপাত* উপন্যাসত যোগেন আৰু নালিয়াৰ কথোপকথনৰ মাজত যোগেনে মূৰ নাইকিয়া বুকুত চকু থকা দ'ত দেখাৰ উল্লেখ আছে। উদাহৰণস্বৰূপে -

> ওচৰ পাওঁতেই দেখিলোঁ। উস্ মূৰটো নাই, বুকুত চকু দুটা, আমালৈ যেনেকৈহে চাবলৈ ধৰিলে তোমাক কৈছোঁ মই তৎ মূহুৰ্তেই ইন্দ্ৰৰ চুৰীয়াখনত খামুচ মাৰি ধৰিলোঁ। ইন্দ্ৰই ক'লে বোলে ভয় নকৰিবা, সৰিয়হ আৰু জলকীয়া গুৰি মোৰ হাতত আছে। তুমিও অকণ লোৱা। ইন্দ্ৰৰ হাতৰ পৰা সৰিয়হ আৰু জলকীয়া গুৰি লোৱাৰ লগে লগে তোমাক কৈছোঁ সেইজনা সোঁ-সোঁৱাই কাষৰ হোলাটোলৈ নামি গ'ল।[৭]

অসমীয়া গ্ৰাম্যসমাজত এনেদৰে ভূত-প্ৰেতৰ কৱলত পৰি হঠাতে কাৰোবাৰ অসুখ হোৱা বা মৃত্যু হোৱা বুলি বিশ্বাস কৰে। ভূত-প্ৰেতে নাপাবলৈ মানুহে জলকীয়া গুৰি, সৰিয়হ আদি লগত লৈ ফুৰে। ভূত-প্ৰেতৰ কৱলত পৰা মানুহক ৰক্ষা কৰিবলৈ বেজৰ দ্বাৰা জৰা ফুকা কৰাৰ বৰ্ণনা উপন্যাসসমূহত পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে *জলপ্ৰপাত* উপন্যাসত কানাই বেজৰ দ্বাৰা মহাজনৰ গাৰ পৰা ভূত খেদোৱাৰ চেষ্টা, *মায়ং* উপন্যাসত বিয়াৰ দিনা নিজৰ বাগদত্তা স্বামীক হেৰুৱাই মানসিক ভাৰসাম্যহীন হৈ পৰা নিমাৰ্লীক ভূতে পোৱা বুলি ভাবি বেজৰ দ্বাৰা পানী কাটি গা ধুওৱা, জৰা ফুকা কৰাৰ বৰ্ণনা আছে।

**৩.২ জন্ম-মৃত্যু-বিবাহ আদি জীৱন বৃত্তৰ লগত জড়িত লোকবিশ্বাস আৰু লোকাচাৰ ঃ**

অসমীয়া সমাজত জন্ম-মৃত্যু-বিবাহৰ লগত জড়িত বিভিন্ন লোকাচাৰ পৰম্পৰাগতভাৱে প্ৰচলন হৈ আহিছে। জীৱনবৃত্তৰ লগত জড়িত বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰসমূহ বৰাৰ উপন্যাসত অভিব্যক্ত হৈছে। মানুহ ঢুকালে শ সৎকাৰ কৰা, শ্ৰাদ্ধ-বিধি আদি কৰা, বিয়াৰ জোৰোণ দিয়া আদি বিভিন্ন লোকাচাৰ উপন্যাসসমূহৰ মাজত বিদ্যমান। *জলপ্ৰপাত* উপন্যাসত মাণিক মহাজনৰ মৃত্যুৰ পাছত গঞা ৰাইজে শ সৎকাৰ কৰা, বৰপুত্ৰৰ অনুপস্থিতিত সৰুপুত্ৰ মুকুন্দই মুখাগ্নি কৰা, শেষবাৰৰ বাবে পত্নীক মৃত স্বামীৰ চৰণ চুই সেৱা কৰোৱাৰ বৰ্ণনা আছে। ধানীৰ পিতৃৰ মৃত্যুৰ পাছত শ্ৰাদ্ধ আদি পতাৰো বৰ্ণনা আছে। *মায়ং ঃ যাদুৰ দেশৰ গোপন গাথা* উপন্যাসত

বীণাৰ মৃত্যুৰ পাছত মৃতকৰ খবৰ ল'বলৈ অহা মানুহক ফলমূলেৰে আপ্যায়ন কৰা, শ্ৰাদ্ধ পতা, শ্ৰাদ্ধৰ পাছদিনা মাছে মঙহে ভাত খুওৱা আদি দিশসমূহৰ উল্লেখ আছে। *মৰিয়াহোলা* উপন্যাসত কনমাইৰ মাকৰ মৃত্যুৰ পাছত শ্ৰাদ্ধ পতা আৰু শ্ৰাদ্ধৰ দিনা পালন কৰা নীতি-নিয়মৰ উল্লেখ আছে।

মানৱ জীৱনৰ বিবাহৰ লগত জড়িত বিভিন্ন লোকাচাৰ সম্পৰ্কে জয়ন্ত মাধৱ বৰাৰ উপন্যাসত প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। *মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* উপন্যাসত জোৰোণ দিয়া, নিমন্ত্ৰিত অতিথিৰ আপ্যায়ন কৰা, কলৰ তলৰ পৰা দৰাক আদৰি হোমৰ গুৰিত বহুওৱাৰ বৰ্ণনা আছে। তেওঁৰ *মৰিয়াহোলা* উপন্যাসত বিবাহ অনুষ্ঠানত কলৰ তলৰ পৰা দৰা আদৰাৰ বৰ্ণনা পোৱা যায়-

> কলৰ তলত কইনাৰ মাকে দৰাক আদৰিছে। কইনা ঘৰৰ ল'ৰা-ছোৱালীবোৰে দৰাঘৰীয়ালৈ চাউল চতিয়াইছে। ছোৱালীবোৰে চাগে জাউৰিয়ে জাউৰিয়ে জোৰা নাম গাইছে। দৰাক আদৰি হোমৰ গুৰিত বহুৱাইছেহি। কইনাৰ সম্বন্ধীয় এজনে দৰাঘৰীয়াক খোৱা ঘৰলৈ আহাৰ গ্ৰহণ কৰিবলৈ হাতযোৰ কৰি মাতিবলৈ আৰম্ভ কৰিছে।[৮]

*জলপ্ৰপাত* উপন্যাসত সন্তান জন্মৰ লগত জড়িত লোকাচাৰৰ প্ৰতিফলন ঘটিছে। অসমীয়া গ্ৰাম্যসমাজত সন্তান জন্ম হ'লে ঘৰখন চুৱা হয় বুলি ধৰা হয়। এনে লোকাচাৰসমূহ *জলপ্ৰপাত* উপন্যাসত এনেদৰে প্ৰতিফলন ঘটিছে —

> শেষ নিশা ধানীৰ ছোৱালী এজনী জন্ম হ'ল। ৰাতিপুৱা বংশৰ সকলোৱে কাপোৰ কানি তিয়াই চৰু ধুই চুৱা খেদিলে। বিজুৱে অকলেই মহাজনৰ ঘৰৰ কাঁহী-বাতি ধুলে, কাপোৰ কানি ধুই জেউৰাত মেলি দিলে।[৯]

অসমীয়া গ্ৰাম্য সমাজত স্ত্ৰীকেন্দ্ৰিক বহুতো লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন আছে। অসমীয়া সমাজত ছোৱালী প্ৰথম ঋতুমতী হ'লে বিভিন্ন নীতি নিয়ম পালন কৰা হয়। *জলপ্ৰপাত* উপন্যাসত মাণিক মহাজনৰ জীয়েক নিৰলা প্ৰথম ঋতুমতী হোৱাৰ প্ৰসংগত স্কুলতে গাভৰু হোৱা নিৰলাক পুৰুষে নেদেখাকৈ চৈ দিয়া গৰু গাড়ীত উঠাই ঘৰলৈ অনা, গোবৰ পানীৰে ঘৰ মুচি ঘৰৰ চুক এটাত ছোৱালীজনীক বহুওৱা, ঋতুমতী হোৱাৰ সময়ত কিবা দোষ লাগিছে নেকি গণকৰ ওচৰত চোৱাবলৈ যোৱা, সাতদিনৰ দিনা শান্তি বিয়া পতা আদি দিশসমূহৰ প্ৰতিফলন ঘটিছে।

**৩.৩ গছ-গছনি, জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰঃ**

অসমীয়া সমাজত গছ-গছনি, জীৱ-জন্তুকেন্দ্ৰিক বহুতো লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰচলন আছে। বৰাৰ নিৰ্বাচিত উপন্যাসকেইখনত তেনে কিছু লোকাচাৰৰ প্ৰয়োগ পৰিলক্ষিত হয় -

'সাপে খূটা মানুহক হেনো ভুৰ সাজি নৈত উটাই দিব লাগে। দাহ কৰিব নালাগে।'[১০]

'নামঘৰৰ কাষৰ আঁহতজোপাৰ তলত ৰৈ থকা বুঢ়া ডাঙৰীয়াৰ কথা কৈছিল।'

*মায়ং ঃ যাদুৰ দেশৰ গোপন গাথা*,পৃ. ৯

*মায়ংঃ যাদুৰ দেশৰ গোপন গাথা* উপন্যাসত সৰ্পই দংশন কৰা লোকক জৰা ফুকা কৰাৰ বৰ্ণনা পোৱা যায়। সৰ্প দংশনত মৃত্যু হোৱা জগতক জীয়াই তুলিবলৈ বেজে গছৰ শিপা, বিহলঙনী পাত, বোৱতী পানীৰে জৰা ফুকা কৰাৰ বৰ্ণনা আছে। মৃত জগতক জৰা ফুকাৰ দ্বাৰা পুনৰ জীৱন দিব নোৱৰাত সেয়া সাধাৰণ সৰ্প নহৈ মৰজাই কালসৰ্প হৈ আহি দংশন কৰি মৃত্যু ঘটোৱা বুলি কৰা বিশ্বাস আদি লোকবিশ্বাসৰ প্ৰতিফলন ঘটিছে।

**৪.০ উপসংহাৰ ঃ**

লোকবিশ্বাস আৰু লোকাচাৰ অসমীয়া গ্ৰাম্যসমাজৰ এক অবিচ্ছেদ্য অংগ। জয়ন্ত মাধৱ বৰাৰ *জলপ্ৰপাত, মৰিয়াহোলা, মায়ং ঃ যাদুৰ দেশৰ গোপন গাথা* আৰু *দেউল* উপন্যাসত ঔপন্যাসিকে গ্ৰাম্য সমাজৰ চিত্ৰণ

ঘটাওঁতে সেয়েহে স্বাভাৱিকভাৱেই অসমীয়া লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। বৰাৰ উপন্যাসত মূলতঃ গছ-গছনি আৰু জীৱ-জন্তু কেন্দ্ৰিক লোকবিশ্বাস আৰু লোকাচাৰ, জন্ম-মৃত্যু-বিবাহৰ লগত জড়িত লোকবিশ্বাস-লোকাচাৰ আৰু অশৰীৰী শক্তি সম্পৰ্কীয় লোকবিশ্বাস-লোকাচাৰৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। উপন্যাসৰ বৰ্ণনাৰ মাজত লোকবিশ্বাস আৰু লোকাচাৰৰ প্ৰয়োগে অসমীয়া সমাজৰ নিভাঁজ ছবি এখনৰ প্ৰতিফলনতো সহায় কৰিছে।

**প্ৰসংগসূত্ৰ ঃ**

১. নবীন চন্দ্ৰ শৰ্মা, *অসমীয়া লোক সংস্কৃতিৰ আভাস,* পৃ. ১১১
২. বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমৰ লোক-সংস্কৃতি,* পৃ. ৩ -১৬
৩. জয়ন্ত মাধৱ বৰা, *মৰিয়াহোলা,* পৃ. ৭৮৮
৪. জয়ন্ত মাধৱ বৰা, *দেউল,* পৃ. ১৫
৫. জয়ন্ত মাধৱ বৰা, *জলপ্ৰপাত,* পৃ. ১০
৬. উল্লিখিত, পৃ. ৭৯
৭. উল্লিখিত, পৃ. ৮২
৮. জয়ন্ত মাধৱ বৰা, *মৰিয়াহোলা,* পৃ. ৮০৪
৯. জয়ন্ত মাধৱ বৰা, *জলপ্ৰপাত,* পৃ. ৯০
১০. জয়ন্ত মাধৱ বৰা, *মায়ং ঃ যাদুৰ দেশৰ গোপন গাথা,* পৃ. ৯

**গ্ৰন্থপঞ্জী ঃ-**

কাগয়ুং, মৃণালী । *অসমৰ সংস্কৃতি অধ্যয়ন* । সৰস্বতী প্ৰকাশন, গোলাঘাট, প্ৰথম প্ৰকাশ, ২০২০।
বৰা, জয়ন্ত মাধৱ ।*জলপ্ৰপাত* । বাণীমন্দিৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৯।
-- । *মায়ং ঃ যাদুৰ দেশৰ গোপন গাথা ।* জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৭।
-- । *মৰিয়াহোলা* । বনলতা, ডিব্ৰুগড়, তৃতীয় প্ৰকাশ, ২০১৮।
-- । *দেউল ।* বনলতা, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ২০২১।
বৰুৱা, বিৰিঞ্চি কুমাৰ ।*অসমৰ লোক-সংস্কৃতি,* বীণা লাইব্ৰেৰী, গুৱাহাটী, ত্ৰয়োদশ সংস্কৰণ, ২০১৮।
শৰ্মা, নবীন চন্দ্ৰ।*অসমীয়া লোক-সংস্কৃতিৰ আভাস,* বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, গুৱাহাটী, পঞ্চম প্ৰকাশ, ২০১১।

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# ‘মৌন ওঁঠ মুখৰ হৃদয়’উপন্যাসত প্ৰকাশিত জনজাতীয় সমাজ-সংস্কৃতি ঃ বিচাৰ আৰু বিশ্লেষণ

**প্ৰতিম শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
মেলামৰা মহাবিদ্যালয়,মেলামৰা,গোলাঘাট

**সাৰাংশ ঃ**

জনজাতীয় জীৱন ভিত্তিক এখন উল্লেখযোগ্য উপন্যাস হ'ল য়েছে দৰজে ঠংছিয়ে ছেৰদুকপেন জনগোষ্ঠীৰ আধাৰত ৰচনা কৰা ‘মৌন ওঁঠ মুখৰ হৃদয়’। অৰুণাচলৰ বিশিষ্ট ঔপন্যাসিক য়েছে দৰজে ঠংছিৰ দ্বাৰা ৰচিত এই উপন্যাসত প্ৰকাশিত হৈছে অৰুণাচলৰ ‘নিচি’ আৰু ‘চেৰদুক্‌পেন’ জনজাতিৰ সমাজ আৰু সংস্কৃতি। এই দুই জনজাতীয় লোকৰ সমাজ আৰু সংস্কৃতি ঔপন্যাসিকে উপন্যাসখনত কেনেদৰে চিত্ৰিত কৰি তুলিছে সেই কথা বিচাৰ কৰি চোৱাই আমাৰ এই আলোচনাৰ মূল কথা। দুটা ভিন্ন ভাষা কোৱা, ভিন্ন বেশ-ভূষাৰে সজ্জিত এহাল জনজাতীয় ডেকা-গাভৰুৰ মৌন ওঁঠ, মুখেৰে হোৱা প্ৰেম কাহিনীক লৈ আৰম্ভ হোৱা এই উপন্যাসৰ সামৰণি কৰুণ, বিয়োগাত্মক। এটি অসফল প্ৰেম কাহিনীৰ সৰস বৰ্ণনা ডাঙি ধৰিবলৈ যাঁওতে কাহিনীৰ মাজেৰে ঔপন্যাসিকে নিচি আৰু চেৰদুক্‌পেন জনজাতিৰ সমাজ আৰু সাংস্কৃতিক জীৱন, লোক পৰম্পৰা, লোক বিশ্বাস আদি কেনেদৰে ফুটাই তুলিছে সেই কথাবোৰ এই আলোচনাৰ মাজেৰে পোহৰলৈ অনাৰ প্ৰয়াস কৰা হ'ব। এয়াই হৈছে আমাৰ আলোচনাৰ বিষয় সাৰ।

**বীজ শব্দ ঃ** নিচি, চেৰদুক্‌পেন, জনজাতি, উপন্যাস, ঔপন্যাসিক, সমাজ, সংস্কৃতি ।

**০.০ অৱতৰণিকাঃ**

উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰি থকা জনজাতীয় লোকসকলৰ সমাজ জীৱনক লৈ বিভিন্নজন সাহিত্যিকে ভালেখিনি উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি গৈছে। বৰ্তমান সময়তো এনে জনজাতীয় লোকৰ সমাজ-সংস্কৃতিৰ আধাৰত ভালেকেইখন উপন্যাস ৰচনা হৈছে। অসমৰ মিচিং সমাজ জীৱনক কেন্দ্ৰ কৰি ১৮৯৪ চনতে ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰিছিল ‘মিৰি জীয়ৰী’ উপন্যাস। জনজাতীয় জীৱনক আশ্ৰয় কৰি ৰচিত উপন্যাসৰ ভিতৰত অৰুণাচলৰ আদি জনগোষ্ঠীৰ সমাজ জীৱনক কেন্দ্ৰ কৰি লুম্বেৰ দাইৰ ‘পৃথিৱীৰ হাঁহি’ ‘মন আৰু মন’, য়েচে দৰজে ঠংচিৰ চেৰদুকপেন আৰু নিচি জনগোষ্ঠীয় জীৱন ভিত্তিক ‘চনম’, ‘লিংঝিক’, ‘মৌন ওঁঠ মুখৰ হৃদয়’, ‘শৰ কটা মানুহ’, ‘বিষকন্যাৰ দেশত’, গাৰো জনজীৱনক লৈ উমাকান্ত শৰ্মাৰ ‘ছিমচাঙৰ দুটি পাৰ’, বড়ো সমাজ জীৱনক লৈ ‘ভাৰগু পক্ষীৰ জাক’ আদি উল্লেখযোগ্য।

**০.১ আলোচনাৰ লক্ষ্য আৰু উদ্দেশ্যঃ**

য়েচে দৰজে ঠংচিৰ ‘মৌন ওঁঠ মুখৰ হৃদয়’ উপন্যাসত অৰুণাচলৰ প্ৰধান জনজাতিবোৰৰ মাজৰ দুটা বিশেষ জনজাতি ‘নিচি’ আৰু ‘চেৰদুক্‌পেন’ৰ সমাজ-সংস্কৃতি বিশেষ ভাবে প্ৰতিফলিতি হৈছে। এই দুটা জনজাতিৰ

সামাজিক ৰীতি-নীতি, লোকাচাৰ, লোক বিশ্বাস, লোক পৰম্পৰা আদিৰ তথ্য ডাঙি ধৰাই আলোচনা পত্ৰৰ মূল লক্ষ্য। ৰক্ষণশীল নিচি সমাজ-সংস্কৃতি আৰু চেৰদুক্পেন সমাজ-সংস্কৃতিৰ আভাসে পঞ্চাশৰ দশকৰ অৰুণাচলী সমাজৰ বিষয়ে কিছু তথ্য দিব পাৰিব। সেই উদ্দেশ্যক আগত ৰাখিয়েই এই আলোচনা ।

**০.২ অধ্যয়নৰ পৰিসৰঃ**

উপন্যাসখনৰ কাহিনীৰ মাজেৰে বহুবোৰ দিশৰ বিশদ বিৰৰণ ঔপন্যাসিকে ডাঙি ধৰিছে যদিও কেৱল 'নিচি' আৰু 'চেৰদুক্পেন' জনজাতিৰ সমাজ-সংস্কৃতিকহে অধ্যয়নৰ পৰিসৰত সামৰি লোৱা হৈছে।

**০.৩ ঃ অধ্যয়নৰ পদ্ধতিঃ**

আলোচনাৰ পদ্ধতি মূলত বিশ্লেষণাত্মক যদিও প্ৰয়োজন সাপেক্ষে বৰ্ণনাত্মক পদ্ধতিও প্ৰয়োগ কৰা হৈছে।

**০.৪ ঃ তথ্য আহৰণৰ উৎসঃ**

তথ্য আহৰণৰ মুখ্য উৎস হিচাপে য়েচে দৰজে ঠংচিৰ 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসখন লোৱা হৈছে। গৌণ উৎস হিচাপে উপন্যাসখনৰ বিষয়ে ইতিপূৰ্বে প্ৰকাশিত বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আদিৰ আশ্ৰয় লোৱা হৈছে।

**১.০ মৌন ওঁঠ মুখৰ হৃদয়ৰ কাহিনীঃ**

অৰুণাচলৰ বিশিষ্ট ঔপন্যাসিক য়েচে দৰজে ঠংচিৰ উপন্যাস 'মৌন ওঁঠ মুখৰ হৃদয়'ৰ কাহিনী পঞ্চাশৰ দশকৰ। এটি অসফল প্ৰেম কাহিনীক ঔপন্যাসিকে সেই সময়ৰ অৰুণাচলী জনজাতিৰ সমাজ-সংস্কৃতিৰ আধাৰত উপন্যাসত ঠাই দিছে। পঞ্চাশৰ দশকত অৰুণাচল প্ৰদেশখন উত্তৰ-পূব সীমান্ত অঞ্চল নামে জনাজাত আছিল,যাক ইংৰাজীত চমুকৈ কোৱা হৈছিল '**নেফা**'।

ইংৰাজৰ শাসন কালত অৰুণাচল নামৰ পৰ্বতীয়া ঠাইখনত প্ৰশাসনীয় ব্যৱস্থাই গা কৰি উঠা নাছিল। স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে এই পিছপৰা অঞ্চলটোৰ প্ৰশাসন ব্যৱস্থা সুচল কৰিবলৈ উঠিপৰি লাগি পূৰ্বে অসমত থকা জিলা সদৰ বিলাক অসমৰ পৰা উঠাই নি অৰুণাচলৰ বোমডিলা, জিৰো, তেজু আৰু খুনচাত প্ৰতিষ্ঠা কৰিছিল। সেই সময়ত অৰুণাচলৰ বিভন্ন জনজাতীয় লোকসকলৰ ইটো জনজাতিৰ লগত সিটো জনজাতিৰ চিনা-পৰিচয় বা ভাৱৰ আদান প্ৰদান নাছিল। নিজা নিজা জনগোষ্ঠীয় বৈশিষ্ট্য, সাজ-সজ্জা আৰু বেশ-ভূষাৰে প্ৰতিটো জনজাতিৰ নিজা পৰিচয় আছিল। চাকু অঞ্চলৰ পৰা বোমডিলালৈকে পথ নিৰ্মাণত নিয়োজিত দুই ভিন্ন জনজাতিৰ এহাল ডেকা-গাভৰুৰ প্ৰেম কাহিনীয়েই উপন্যাসৰ বিষয়বস্তু। য়ামা আৰু ৰিনচিন নৰবুৰ প্ৰেম কাহিনীৰে উপন্যাসৰ কাহিনীৰ সূত্ৰপাত আৰু তেওঁলোকৰ বিচ্ছেদত উপন্যাসৰ কাহিনীৰ সামৰণি পৰিছে। আলি নিৰ্মাণৰ কামত নিয়োজিত হৈ থকা সময়তে ভিন্ন ভাষা-ভাষী দুই যুৱক যুৱতীৰ সেই প্ৰেম হৈছিল মৌন ওঁঠ, মুখৰ যোগেদি। সেয়ে হয়তো ঔপন্যাসিকে যথাৰ্থ ভাবেই নাম ৰাখিছে 'মৌন ওঁঠ মুখৰ হৃদয়'। ওঁঠ, মুখৰ অভিব্যক্তিৰেই দুই প্ৰেমিক ডেকা-গাভৰু নিবিড় মুহূৰ্ততো আবদ্ধ হৈছিল। কিন্তু সমাজৰ কটকটীয়া বান্ধোন আৰু সনাতন ৰীতি-নীতিক অবজ্ঞা কৰিব নোৱাৰাৰ কাৰণেই তেওঁলোকৰ প্ৰেমে পূৰ্ণতা নাপালে। সামাজিক নীতি-নিয়মলৈ ভয় কৰি য়ামাৰ ককায়েক তাদাকে ভনীয়েক য়ামাক বন্ধু ৰিনচিনলৈ বিয়া দিবলৈ অমান্তি হৈছিল আৰু শেষত ককায়েকৰ বুদ্ধি-পৰামৰ্শ মতে ৰিমোসকলে তাইক তাইৰ সকলো জল্পনা-কল্পনা ভৰিৰে মোহাৰি জোৰ কৰি লৈ গৈছিল।

**২.০ উপন্যাসত প্ৰতিফলিত জনজাতীয় সমাজ-সংস্কৃতিঃ**

এই উপন্যাসত পঞ্চাশৰ দশকৰ অৰুণাচলৰ 'নিচি' আৰু 'চেৰদুকপেন' জনজাতিৰ সমাজ-সংস্কৃতিৰ বিৰৰণ পোৱা যায়। আলোচ্য উপন্যাসখনত প্ৰত্যক্ষভাৱে কৃষি কাৰ্যৰ বিৰৰণ নাই যদিও নিচি জনজাতিৰ লোকে মেথোন কইনাৰ গা-ধন হিচাপে দিবলগীয়া হৈছিল বুলি কোৱা কথাৰ পৰা আৰু চেৰদুক্পেন সকলে কইনাৰ ঘৰত ভেৰা, এৰি চাদৰ আদি দিবলগীয়া হোৱাৰ কথাৰ পৰা নিশ্চিত হ'ব পাৰি যে এই দুই জনজাতীয় লোকেও মেথোন,ভেৰা

আদি পুহিছিল। য়ামা নাঙতুৰ ককায়েক তাদাকে দিয়া দুই জনজাতীয় লোকৰ খাদ্যাভাসৰ বিৰৰণৰ পৰা তেওঁলোকে কৰা কৃষি কৰ্মৰ বিষয়ে অৱগত হ'ব পৰা যায়। *" আমি বাংনিসকলে চাউলৰ ভাত খাওঁ, কিন্তু ঙিচাকসকলৰ দেশত ধানৰ খেতি নহয়। সিহঁতে ধানৰ খেতিও কৰিব নাজানে। সেই কাৰণে সিহঁতে মাকৈ, মাৰুৱা আদিকে খায় জীয়াই থাকে।"* [১]

উত্তৰ-পূৰ্বৰ প্ৰায়বোৰ জনজাতীয় লোকেই চিকাৰ কৰি ভাল পায়। চিকাৰ কৰাৰ উপৰিও খৰি লোৱা, নদীত মাছ ধৰা আদি কামবোৰতো তেওঁলোক পাকৈত। 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসতো এই জনজাতীয় বৈশিষ্ট্যপূৰ্ণ কামৰ বিৰৰণ ডাঙি ধৰিছে। হাবিত পহু, বনৰীয়া ছাগলী, বনৰীয়া গাহৰি আদি চিকাৰ কৰা বিদ্যাতো দুই জনজাতীয় লোক অতি নিপুণ আছিল। হাতত ধেনু-কাঁড় লৈ নিচি আৰু চেৰদুকপেন জনজাতিৰ লোকে চিকাৰ কৰিবলৈ যোৱাৰ সজীৱ বৰ্ণনা ডাঙি ধৰিছে- *"চাইটৰ পৰা উভতি আহি প্ৰায়ভাগ মতা মানুহ নিজৰ ধেনু-কাঁড় লৈ হাবিলৈ ওলাই গৈছে- সন্ধ্যা সময়ত ঘাঁহ খাবলৈ অহা পহুবিলাকৰ বাবে খাপ পাতিবলৈ।"* [২]

আন এঠাইত আছে- *"সিদিনা ৰিনচিন নৰবু আৰু দৰজিয়ে এটা ডাঙৰ বনৰীয়া গাহৰি মাৰিলে। আঘাতপ্ৰাপ্ত বনৰীয়া গাহৰিটো বিচাৰি বিচাৰি সিহঁত বহুত দূৰ পালেগৈ। এন্ধাৰ হৈ চকুৰে নমনা হোৱাত সিহঁতে সেইদিনাৰ বাবে গাহৰিটো বিচাৰিবলৈ এৰি কেম্পলৈ উভতি আহিল।"* [৩]

চিকাৰ ধৰি তেওঁলোকে অকলে নেখায় চিকাৰৰ ভাগ বন্ধু বা আন সমন্ধীয়কো দিয়ে। ৰিনচিন নৰবুৱে কৰা চিকাৰৰ ভাগ তেওঁৰ 'নিচি' বন্ধু তাদাকেও লাভ কৰে আৰু তাদাকে কৰা চিকাৰৰ ভাগ ৰিনচিন নৰবুয়েও পায়। যেনে, *"কালি আমি জংলী গাহৰি একটা মাৰিছিলে। তোমাৰ লগত মাংস দিব আহিছে।'-ৰিনচিনে ৰচীত ওলোমাই নিয়া মাংসৰ টুকুৰাটো আগবঢ়াই দিলে।"* [৪] উপন্যাসখনত তাদাকে মহৰী বাবু দিলীপ শইকীয়াক চিকাৰৰ ভাগ দিয়াৰ বৰ্ণনা আছে এনেদৰে- *" কথাখিনি কৈ তাদাকে তাৰ নৰাৰ (বেতেৰে তৈয়াৰ কৰা আৰু মতা মানুহে মাছ-মাংস ভৰাবলৈ পিঠিত লৈ ফুৰা চেপেটা হোৰা) পৰা হৰিণা মাংস এভাগ উলিয়াই দিলীপ শইকীয়ালৈ আগুৱাই দি ক'লে,'বাবু আজি আমি চিকাৰ এটা পাইছিলে। অলপ আপোনাৰ ফালে আনি দিছে।"* [৫]

বন্দুকৰ লাইচেন্স বিচাৰি ৰিনচিন নৰবু আৰু তাদাক নাঙতু বোমডিলালৈ গৈ কটকীৰ বাব পাই পুনৰ নিজৰ অস্থায়ী কেম্পলৈ উলটি অহাৰ বাটত ৰাতি হোৱাৰ বাবে তাদাকৰ দুই ভনীয়েকৰ সৈ'তে ৰাতিটো বাটতে এঠাইত কটাবলগীয়া হৈছিল। সেইদিনাও চিকাৰ কৰাৰ কথা বৰ্ণনা কৰিছে, *" ... ধেনু-কাঁড় লৈ তাদাক হাবিলৈ ওলাই গ'ল। চিকাৰ কৰাৰ এয়েই উত্তম সময়। দিনটো পাহাৰৰ গুহাবিলাকত শুই থকা বনৰীয়া ছাগলীবোৰ এই সময়ত ঘাঁহ খাবলৈ ওলাই আহে। তাদাকৰ দৰে পাকৈত চিকাৰীৰ হাতৰ পৰা এনেদৰে ওলাই অহা ছাগলীৰ মুখামুখি হ'লে আৰু ৰক্ষা নাই, ইহঁতে তাদাকৰ হাতত প্ৰাণ এৰিব লগা হ'বই।"* [৬]

জনজাতীয় লোকসকল বন্য পশু-পক্ষী চিকাৰৰ লগতে মাছ ধৰা কৌশলতো অতি পটু। তাদাক চিকাৰলৈ যোৱাৰ সময়ত চিকাৰ নাপাব বুলি আশংকা কৰি ৰিনচিন নৰবু নিজেও কাষতে থকা নদীত মাছ ধৰিবলৈ গৈছে— *"জনজাতীয়সকলে চিকাৰলৈ গ'লেও মাছ মৰাৰ বন্দোবস্ত এটা লগতে কৰি থ'ব যাতে গধূলি কেৱল নিমখ-জলকীয়াৰে ভাত খাব লগা নহয়। সেইবাবে তাদাকে হাবিৰ ফালে খোজ দিয়াৰ লগে লগে ৰিনচিনো নদীৰ ফালে খোজ ল'লে।"* [৭]

ৰিনচিন নদীত মাছ ধৰিবলৈ যোৱাৰ সময়তে য়ামাও নদীৰ ফালে গৈছে। *" নদীৰ ওচৰ পাই য়ামাই দেখিলে অনতি দূৰত নদীৰ কোবাল সোঁতৰ মাজত ৰিনচিনে কিবা এটা কৰি আছে। য়ামাক পাৰত থিয় হৈ থকা ৰিনচিনৰ দৃষ্টিত পৰাৰ লগে লগে শিল এডোখৰৰ তলৰ পৰা কিবা এটা উলিয়াই ৰিনচিনে য়ামাৰ ফালে লক্ষ্য মাৰি দলিয়াই পঠিয়ালে। বস্তুটো আহি য়ামাৰ কাষত পৰিল। য়ামাই চাই দেখিলে-এটা জীয়া মাছ তাইৰ কাষত পৰিল। এইবাৰ য়ামাই অলপ ইফাল সিফাল চাই দেখিলে নদীৰ পাৰত কেইবাটাও মাছ য'ত ত'ত চটফটাই পৰি আছে। তাই অহা বাটে দৌৰি উভতি গ'ল আৰু হোৰাখন লৈ উভতি আহি মাছবিলাক বুটলি হোৰাত ভৰোৱাত লাগিল।" (মৌন ওঁঠ মুখৰ হৃদয়, পৃ. ৪৬)*

জনজাতীয় লোকে জুইত পুৰি বা জুইত সেকি মাছ-মাংস ভক্ষণ কৰি বেছি তৃপ্তি পাইছিল। উপন্যাসখনত উল্লেখ থকা দুই জনজাতীয় লোকেই মাংস, মাছ পুৰি খোৱাৰ বৰ্ণনা আছে। এইয়া জনজাতীয় মানুহৰ স্বকীয় বৈশিষ্ট্য। যেনে- *"ইতিমধ্যে তাদাকৰ লগত অহা মানুহজনে মাংসবিলাক বাচি উলিয়াইছিল। তাৰে কেইটুকুৰামান তাদাকে জুইত জাপি দি, সিজিলত য়াদোৰ হাতত দিলে। য়াদোই হাঁহি মাৰি সিজোৰা মাংসখিনি য়ামালৈ আগুৱাই দিলে। ...পোৰা মাংসখিনি টুকুৰা টুকুৰকৈ কাটি এলোমিনিয়ামৰ থাল এখনত শুকান জলকীয়াৰ গুৰি আৰু নিমখৰ সৈতে ৰিনচিনৰ সন্মুখত থৈ গ'ল।"*[৯] আন এঠাইত মাছ পুৰি খোৱাৰ বিৰৰণ আছে এনেদৰে, *"ইতিমধ্যে ৰিনচিনে মাছ তিনিটামান আনি জুইৰ মাজত পেলাই দিলে আৰু জুই সেকি থকা য়ামাক ক'লে,"মাছ পকি গ'লে ওলাই দিবি।" (মৌন ওঁঠ মুখৰ হৃদয়,পৃ.১৫৫)*

ঘৰুৱাভাৱে তৈয়াৰী মদ বা লাওপানী গ্ৰহণ কৰাতো জনজাতীয় সমাজৰ আন এক বৈশিষ্ট্য। আলহী-অতিথি আহিলে সেই মদেৰে আপ্যায়ন কৰা হয়। জনজাতীয় পুৰুষ-মহিলা উভয়েই এই পানীয় গ্ৰহণ কৰাত বাধ্যবাধকতা নাই। আলোচ্য উপন্যাসখনতো নিচি আৰু চেৰদুক্‌পেন জনগোষ্ঠী দুটাৰ মানুহে এই পানীয়ৰ ব্যৱহাৰ কৰাৰ কথা আছে। চাউল, মাকৈ আদিৰ পৰা এই পানীয় প্ৰস্তুত কৰা হয়। উপন্যাসখনৰ আৰম্ভণিতে আলিৰ কামত নিয়োজিত মহৰী বাবু দিলীপ শইকীয়া চেৰদুক্‌পেন জনজাতিৰ লোকসকলৰ ওচৰলৈ আহোঁতে, তেওঁলোকে তেওঁক এই পানীয় যাচিছে। *"দিলীপ শইকীয়াই কাপটোত চুমুক দি চালে। আগতেও তেওঁ দুই এবাৰ লাওপানীৰ জুতি লৈছে। জনজাতিৰ মানুহবিলাকৰ ঘৰলৈ গ'লে তেওঁলোকে এই লাওপানীহে যাচে, পাৰিলে লগত খাবলৈ মাছ পোৰা বা মাংস পোৰা অলপো যাচে। চাহ খোৱা নিয়ম সিহঁতৰ মাজত প্ৰচলন নাই।" (মৌন ওঁঠ মুখৰ হৃদয়,পৃষ্ঠা-১৫)*

নিচিসকলে লাওপানীক কয় 'অ'প' আৰু চেৰদুক্‌পেনসকলে কয় 'ফক্‌'। নিচি যুৱক তাদাকৰ বাহৰত ৰিনচিন নৰবু উপস্থিত হোৱাৰ দিনা ৰিনচিনক 'অ'প' দিব নোৱাৰাত তাদাকে আক্ষেপ কৰিছে- *"বহিবি! আমাৰ ফালে অ'প ভী নাই আছে। আলহী ফালে অ'প নাই দিলে তু বহুত চৰম কথা আছে।" (মৌন ওঁঠ মুখৰ হৃদয়,পৃষ্ঠা-৪৪)*

তাদাকৰ কথাৰ প্ৰত্যুত্তৰত ৰিনচিনে তাদাকক সান্ত্বনা দিছে- *" আমি জানিছে। এইটো চৰম কথা নাই আছে। বস্তিত ঘৰ হ'লে দুচৰা কথা আছে। আমাৰ নিয়ম ভী আলহী লগত লাওপানী নাই দিলে চৰম কথা আছে। হ'লে ভী এইটো ৰাস্তা বন্ধা কেম্প আছে। ইয়াত লাওপানী ক'ৰপৰা বিনি নাই পাইছে।" (মৌন ওঁঠ মুখৰ হৃদয়, পৃ. ৪৪-৪৫)*

জনজাতীয় লোকে আলহীক পানীয়ৰে আপ্যায়িত কৰিব নোৱাৰিলে লজ্জা অনুভৱ কৰে। যিসকল জনজাতীয় লোক আৰ্থিক ভাবে সবল তেওঁলোকে ঘৰুৱাভাৱে তৈয়াৰী মদৰ উপৰিও দোকানত উপলব্ধ মদো কিনি আনি আলহীক খুৱাই মনৰ সন্তুষ্টি লাভ কৰে। – *"... তিনিবটল ফটিকা লৈ উভতি আহিল। পানীৰ দৰে ফটফটীয়া ৰক্সি মদখিনি দেখি য়ামাহঁতৰ কৌতুহল বাঢ়িল। সিহঁতে আগতে এনেকুৱা মদ দেখা নাই; খাই চোৱাতো দূৰৰ কথা। ... মাৰুৱা আপঙৰ দৰে ৰঙা ৰম। পানী মিহলোৱা সত্বেও মদখিনি বৰ তেজাল আছিল, য়ামা আৰু য়াদোৰ সেই মদ খাই গাটো ৰিমঝিম লাগি গৈছিল। আজি আকৌ ৰিনচিনৰ খুড়াৱক চেৱাঙে আনিছে বগা মদ, একেবাৰে পানীৰ নিচিনা ফটফটীয়া। পৃথিৱীত মাৰুৱা আৰু ধানৰ মদৰ বাহিৰেও ইমান বিভিন্ন ধৰণৰ মদ থাকিব পাৰে, ...।" (মৌন ওঁঠ মুখৰ হৃদয়, পৃ.১৩৫)*

বিয়া-বাৰুৰ ক্ষেত্ৰত জনজাতীয় সমাজখনৰ ৰীতি-নীতি কঠোৰ। চেৰদুক্‌পেন সমাজৰ বিয়াবিলাকত সাধাৰণতে দুবাৰ নিয়ম কৰা হয়। প্ৰথম নিয়মৰ পাছত কইনা দৰাৰ ঘৰত নাথাকি নিজৰ ঘৰলৈ ঘূৰি আহে আৰু পিছত কইনাক দৰাৰ ঘৰৰ মানুহে আহি লৈ যায়। কেতিয়াবা প্ৰথম নিয়ম কৰাৰ পিছত কইনা বহুদিনলৈ নিজৰ মাক-দেউতাকৰ তত্ত্বাৱধানতে নিজৰ ঘৰতে থাকে, যিটো চিৰিং জাংমুঙৰ ক্ষেত্ৰত হৈছিল। ৰিনচিন নৰবুৰ লগত তাইৰ বিয়াৰ প্ৰথম পৰ্ব সমাপ্ত হোৱাৰ পিছত নিজৰ ঘৰলৈ ঘূৰি গৈ পুনৰ ছোৱালীৰ দৰে থাকি ঈগল পইণ্টত ৰাস্তা নিমাৰ্ণৰ কামলৈ গৈছে। তেওঁলোকৰ সমাজত বিয়া-বাৰু একে জনজাতীয় মানুহৰ লগত বা সমগোত্ৰীয় মানুহৰ লগতহে হ'ব পাৰিছিল। ৰিনচিন নৰবু আৰু চিৰিং জাংমুৰ বিয়াৰ বিৰৰণ ডাঙি ধৰিছে এনেদৰে- *"বিয়াৰ প্ৰথমটো সামাজিক নিয়ম ইতিমধ্যে পালন কৰা হৈ গৈছে, এতিয়া ৰিনচিন নৰবুৰ ঘৰৰ মানুহ আহি তাইক লৈ গ'লেই বিয়াৰ সম্পূৰ্ণ ৰীতি-নীতি পালন*

*কৰা হৈ যাব। বহুত ক্ষেত্ৰত প্ৰথম নিয়মটো পালন কৰাৰ পাছতেই, মানে কইনাক দৰাৰ ঘৰৰ মানুহে আহি জোৰ-জবৰদস্তি কৰি ধৰি দাঙি নি ঘৰত সুমুৱাই লোৱাৰ পাছতে দৰা ঘৰে একেবাৰে কইনাক ৰাখি থয়। ... ধৰি আনোঁতেই কইনাক উভতি যাবলৈ নিদি ঘৰত ৰাখি থোৱাটো ঘৰখনৰ সন্মানত আঘাত কৰা কথা। সেয়ে চিৰিং জাংমুৰ ক্ষেত্ৰত সচৰাচৰ নিয়ম পালন কৰি তাইক ধৰি নি তিনি ৰাতি ৰিনচিনৰ ঘৰত ৰাখি তাইক মাক-দেউতাকৰ ঘৰলৈ ওভোতাই পঠোৱা হ'ল। "(পৃ. ৩৮)*

চেৰদুক্‌পেন সমাজৰ নিয়ম অনুসৰি বিয়াৰ প্ৰথম পৰ্বৰ সময়ত দৰাজনো নিজৰ ঘৰত থাকিব নেপায়। যেনে- *সামাজিক ৰীতি অনুসৰি ৰিনচিন নৰবু এই কেইদিন ঘৰৰ পৰা আঁতৰি থাকিল। ( মৌন ওঁঠ মুখৰ হৃদয়-পৃ.৩৮)*

নিচি সমাজৰ বিয়া বাৰুৰ ক্ষেত্ৰতো কিছু কিছু নিয়মৰ সামঞ্জস্য আছে যদিও তেওঁলোকৰ সমাজত কইনাৰ মাক-দেউতাক গা-ধন দি দৰাঘৰে কিনিব লাগে। নিচি গাভৰু য়ামাক ৰিমো যুৱকে মেথোন, গাহৰি আদি দি কিনি লৈছিল বুলি উপন্যাসৰ কথোপকথনৰ পৰা জনা যায়। তেওঁলোকৰ সমাজত গা-ধনৰ পৰিমাণো সৰহকৈ দিব লাগে। উপন্যাসত তদাকে ৰিনচিনৰ আগত কোৱা কথাবোৰৰ পৰাই ইয়াৰ উমান পাব পাৰি- *"য়ামাৰ কাৰণেতু দাম খাইছে নহয়, আমাৰ নিয়ম আছে ছোৱালী লগত দিবলৈ আগে ফালে মেঠোন, গাহৰি লগতে দি খিনি দাম দিব লাগে। য়ামা কাৰণে ভী মা-বাবাবিলাক বেচি দাম খাইছে।" (মৌন ওঁঠ মুখৰ হৃদয়, পৃ.৭৮)*

নিচি সমাজৰ দৰে চেৰদুক্‌পেন সমাজত ছোৱালীৰ গা-ধন দিবলগীয়া নহৈছিল। উপন্যাসখনৰ পৰা জনজাতীয় সমাজত সেই সময়ত যে বহু বিবাহৰ প্ৰচলন আছিল সেই কথাও অৱগত হ'ব পাৰি। ৰাস্তা বনোৱা সমাপ্ত হোৱাৰ পিছত টকা হাতত পোৱাৰ লগে লগে 'টাকাৰ' নামৰ নিচি যুৱকজনে স্বগতোক্তি কৰি কৈছে- *"তথাপিও ওভতাৰ সময়ত সি এক বস্তা নিমখ কিনি লৈ যাব। সিহঁতৰ গাঁৱত নিমখৰ বৰ দাম। এক বোজা নিমখ দিলেই এজনী মাইকী মেথোন পাব পাৰি। সেই মাইকী মেথোনজনী সি পুহিব। তাৰ পৰা পোৱালী হ'ব, পোৱালীৰ পৰা আকৌ পোৱালী হ'ব। তেনেদৰে তাৰ মেথোনৰ সংখ্যা বাঢ়ি যাব। মেথোনৰ সংখ্যা বাঢ়ি গ'লে এজনী কিয় কেইবাজনীও মাইকী সি বিয়া কৰিব পাৰিব। গাঁৱত সি ধনী টাকাৰ, দহজনী ঘৈণী থকা টাকাৰ আদি নামেৰে জনাজাত হ'ব।" ( পৃ. ৮৬)*

সমাজৰ ৰীতি-নীতি, পৰম্পৰাগত প্ৰথাৰ প্ৰতি জনজাতীয় লোকসকল শ্ৰদ্ধাশীল। যুৱক ৰিনচিন নৰবুয়ে মনৰ মাজত নিচি গাভৰু য়ামাৰ প্ৰতি দুৰ্বলতা অনুভৱ কৰি তাইৰ কাষ চাপিছে যদিও পিছ মুহূৰ্ততে আত্ম উপলব্ধিও কৰিছে- *"... নিজৰ নিজৰ স্বজাতিৰ বাহিৰত বিয়া কৰোৱা, আনকি বিজাতীয় তিৰোতাৰ প্ৰতি সামান্য মনৰ সামান্য দুৰ্বলতাও প্ৰকাশ কৰাৰ সমান লাজৰ কথা সমাজত আৰু দ্বিতীয় এটা নাই। এইবোৰ একেবাৰে সমাজ বৰ্হিভূত কথা।" (পৃষ্ঠা- ৪০)*

জনজাতীয় সমাজত নাৰী-পুৰুষৰ অবৈধ মিলনৰ স্থান নাই যদিও ৰিনচিন নৰবু আৰু য়ামা অবৈধ মিলনত ৰত হৈ বিচাৰৰ সন্মুখীন হ'বলগীয়া হৈছে। তেনে কাৰ্যত লিপ্ত পুৰুষজনে নাৰী গৰাকীতকৈ অধিক গুৰুত্বৰ শাস্তি ভোগ কৰিব লাগে কিন্তু বিচাৰৰ কাঠগড়াত য়ামাই আঁসে মাতি ৰিনচিনক বচাই দিছে।

উপন্যাসখনৰ কাহিনীৰ মাজেৰে নিচি আৰু চেৰদুক্‌পেন উভয় জনজাতিৰ ধৰ্মীয় লোকাচাৰ, লোক পৰম্পৰা, লোক বিশ্বাস আদিৰো চমু অথচ সৰস বৰ্ণনা ডাঙি ধৰিছে। নিচিসকলৰ ধৰ্মীয় পূজা-সেৱা ৰীতি আৰু চেৰদুক্‌পেনসকলৰ ধৰ্মীয় ৰীতি একে নহয়। 'ডনি পল'ৰ বিশ্বাসী নিচিসকলে মেথোন,গাহৰি, কুকুৰা আদি কাটি উই পূজা কৰে আৰু চেৰদুক্‌পেনসকলে মন্ত্ৰ মাতি বলি-বিধান নিদিয়াকৈ পূজা কৰে। য়ামাই ককায়েক তাদাকৰ পৰা চেৰদুক্‌পেনসকলৰ বিষয়ে জানিবলৈ বিচৰাত তাদাকে কৈছে- *" আমি মেথোন, গাহৰি, কুকুৰা কাটি উই পূজা কৰোঁ। ঙিচাকবিলাকে ঢোল-তাল বজাই হাৰাংবিলাকৰ নিচিনাকৈ কিতাপ পঢ়ি পূজা কৰে। আমাৰ পূজাৰীবিলাকৰ অলৌকিক শক্তি আছে, অলৌকিক শক্তিৰ বলত মানুহ পূজাৰী হয়, সেই কাৰণে যিকোনো মানুহ পূজাৰী হ'ব নোৱাৰে। সিহঁতৰ পূজাৰীবিলাক আনৰ পৰা শিকিহে পূজাৰী হয়। গতিকে যিয়ে ইচ্ছা সিয়েই পূজাৰী হয়। কিতাপখন নাচালে সিহঁতে আমাৰ পূজাৰীৰ দৰে মুখস্থ মাতি পূজা কৰিব নোৱাৰে।" (পৃষ্ঠা-২৪)*

জনজাতীয় সমাজত লোক বিশ্বাস আৰু অন্ধ বিশ্বাসৰ প্ৰাদুৰ্ভাৱ আছিল। ৰাস্তাৰ কামত নিয়োজিত নিচি

আৰু চেৰদুক্‌পেন জনজাতিসকলৰ মাজতো এনে লোক বিশ্বাস আৰু অন্ধবিশ্বাসে প্ৰভাৱ বিস্তাৰ কৰিছিল। উপন্যাসখনত পাহাৰৰ চূড়াত থকা 'লেচাং মিণ্টু' ফুলৰ গছ এজোপা আনিবলৈ গৈ ৰিনচিন নৰবু ওপৰৰ পৰা তললৈ সৰি পৰাৰ উপক্ৰম হৈছিল। সেই কথাকে লৈ নিচি দলৰ লোকসকলে সেই ঠাইত ভূত আছে বুলি ভাৱি লৈছিল আৰু সেই ভূতেই সেইদিনা ৰিনচিনৰ প্ৰাণ ল'বলৈ বিচাৰিছিল বুলি বিশ্বাস কৰি ভূত খেদাৰ যাৱতীয় ব্যৱস্থা কৰাৰ পিছতহে ৰাস্তাৰ কাম কৰাৰ কথা ভাবিছিল। নিচি দলৰ লোকসকল এই ক্ষেত্ৰত আগবঢ়া আছিল। ঘটনাটো সংঘটিত হোৱাৰ পিছতেই নিচি দলৰ মানুহে পূজা কৰাত লাগিছিল। সেয়া সমাপ্তিৰ পিছতে তাদাকে মহৰীকে প্ৰমুখ্য কৰি সকলোকে উদ্দেশ্যি কৈছে- *"এই হাব্ৰাং ফালে ভূতটো আছিলে। সৰু ভূত আছে, ডাঙৰ ভূত নাই আছে। এইটো আজি মানুহ লগত খাব কৰিছিলে। হ'লৈ বিনি নাই পাৰিছে। কিজানি দুচৰা দিন পালে আকৌ মানুহ লগত খাই দিব পাৰে। গাহৰি মাৰি পূজা কৰিলে ভূতটো এই হাব্ৰাং পৰা দুচৰা জাগা গুচি যাব পাৰে।" (পৃষ্ঠা. ৫৫)*

নিচি দলৰ লোকসকলে কুকুৰা গাহৰি মাৰি পূজা দিয়াৰ লগে লগে চেৰদুকপেনসকলেও ঘিউ জ্বলাই ভূত খেদিবলৈ পূজা দিছে। এনেকৈয়েই উপন্যাস খনত অন্ধবিশ্বাসৰো বিৱৰণ পোৱা যায়।

জনজাতীয় সমাজত জনশ্ৰুতিৰো প্ৰচলন আছিল। হাবিৰ মাজত বন মানুহ ওলোৱা, বন মানুহে আন মানুহক ধৰি নিয়া আদিৰ দৰে জনশ্ৰুতিৰ কথা উপন্যাসখনত পোৱা যায়। উপন্যাসখনৰ প্ৰথম অধ্যায়তে হাবিত চেৰদুক্‌পেন যুৱক-যুৱতীসকলে খৰি লুৰি থাকোতে বন মানুহ ওলাব বুলি ভৰা আৰু হঠাতে তেওঁলোকৰ আগত ওলোৱা নিচি যুৱতী য়ামাক চেৰদুকপেন যুৱতীসকলে বন মানুহ বুলি সন্দেহ কৰা কথাই ইয়াৰ প্ৰমাণ।

জনজাতীয় লোকসকল নিজা নিজা নৃত্য-গীত চৰ্চাতো পটু। ভুৰে লাল আৰু ঘোষ চাহাবৰ আগত নিচি সকলে নিচি জনজাতীয় নৃত্য আৰু চেৰদুকপেনসকলে চেৰদুক্‌পেন নৃত্য কৰা কথাই ইয়াৰ প্ৰমাণ ডাঙি ধৰে। তাৰ উপৰিও তেওঁলোকে সন্ধিয়া মহৰীৰ বাবুৰ ঘৰত সমবেত হৈ মহৰী দিলীপ শইকীয়াৰ বিহুনাম শিকা, ভূপেন্দ্ৰ সংগীত শিকা ইত্যাদি কথাৰ পৰা গীত-নৃত্যৰ প্ৰতি থকা তেওঁলোকৰ ৰাপৰ বিষয়ে জনা যায়।

পঞ্চাশৰ দশকৰ অৰুণাচলী জনজাতীয় সমাজখনে অৰ্থ ব্যৱস্থাৰ ওপৰত বৰ বিশেষ গুৰুত্ব দিয়া নাছিল। তেওঁলোকে কাম-বন কৰি খাইছিল যদিও টকাৰ হিচাপ সকলোৱে নাজানিছিল।

**৩.০ সিদ্ধান্তঃ**

'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসৰ সমাজ-সংস্কৃতি অধ্যয়নৰ যোগেদি নিম্নলিখিত কথাকেইটা আমাৰ দৃষ্টিগোচৰ হয়।

ক) এই অধ্যয়নৰ পৰা অৰুণাচলৰ পাহাৰীয়া জনজাতি সকলৰ মাজৰ দুই বিশেষ জনজাতি 'নিচি' আৰু 'চেৰদুক্‌পেন'সকলৰ সমাজ-সংস্কৃতিৰ বিভিন্ন দিশবোৰ পোহৰলৈ আহিছে।

খ) 'নিচি' আৰু 'চেৰদুক্‌পেন' জনজাতিৰ লোকসকলৰ সামাজিক স্থিতি, কষ্টসহিষ্ণু গুণ, তেওঁলোকৰ আচাৰ-আচৰণ আদিৰ সম্পৰ্কে এই অধ্যয়নে জনাত সহায় কৰিব।

গ) এই দুই ভিন্ন ভাষা-ভাষী জনজাতীয় লোকৰ লোকাচাৰ, লোক পৰম্পৰা, লোক বিশ্বাস আদি কথাবোৰ স্পষ্ট কৰাত এই আলোচনাই সহায় কৰিব।

ঘ) পঞ্চাশৰ দশকৰ অৰুণাচলী জনজাতিবোৰৰ আৰ্থিক অৱস্থিতি, সমাজত পুৰুষ-নাৰীৰ স্থান, মানৱীয় প্ৰমূল্যবোধ আদিৰ কিঞ্চিত হ'লেও আভাস এই আলোচনাই ডাঙি ধৰিবলৈ সক্ষম হৈছে।

ঙ) সেই সময়ৰ অৰুণাচলৰ জনজাতিবোৰৰ মাজত প্ৰচলিত জনশ্ৰুতি, ধৰ্মীয় বিশ্বাস, অন্ধ বিশ্বাস আদিবোৰ পোহৰ লৈ অহাত এই অধ্যয়নে কিঞ্চিত হ'লেও সহায় কৰিব।

**৪. সামৰণি ঃ**

য়েছে দৰজে ঠংচিৰ 'মৌন ওঁঠ মুখৰ হৃদয়' উপন্যাসৰ যোগেদি পঞ্চাশৰ দশকৰ অৰুণাচলৰ উল্লেখযোগ্য দুটা বিশেষ জনজাতি 'নিচি' আৰু 'চেৰদুক্‌পেন' সকলৰ সমাজ-সংস্কৃতিৰ বিভিন্ন দিশবোৰ উপন্যাসৰ কাহিনীৰ মাজেৰে ঔপন্যাসিকে ফুটাই তুলিবলৈ সক্ষম হৈছে। ঔপন্যাসিকে এটি অসফল প্ৰেম কাহিনীৰ মাজেৰে নিৰ্দিষ্ট জনগোষ্ঠী কেইটাৰ সমাজ-সংস্কৃতিৰ দিশতো আলোকপাত কৰি উপন্যাসখনক গতিশীলতা দান কৰিছে। সমাজৰ কিছু কিছু কথা বৰ স্পষ্ট নহ'লেও পঞ্চাশৰ দশকৰ অৰুণাচলৰ 'নিচি' আৰু 'চেৰদুক্‌পেন' জনজাতিৰ সমাজ-সংস্কৃতি আধাৰিত 'মৌন ওঁঠ মুখৰ হৃদয়' এখন সফল সামাজিক উপন্যাস বুলি অভিহিত কৰিব পাৰি।

**প্ৰসঙ্গ টীকাঃ**

১. য়েছে দৰজে ঠংছি, *মৌন ওঁঠ মুখৰ হৃদয়,* পৃ.২৪
২. ঐ, পৃ. ৭০
৩. ঐ, পৃ.৭১
৪. ঐ, পৃ.৭৭
৫. ঐ, পৃ.১২৩
৬. ঐ, পৃ. ১৪৯
৭. ঐ, পৃ. ১৫০
৮. ঐ, পৃ. ১৫১

**সহায়ক গ্ৰন্থ ঃ**

ঠংচি, য়েচে দৰজে। মৌন ওঁঠ মুখৰ হৃদয়। বনলতা, পাণবজাৰ, গুৱাহাটী-১একাদশ সংস্কৰণ, ২০১৯ ।
ঠাকুৰ, ড° নগেন সম্পা. । এশ বছৰৰ অসমীয়া উপন্যাস। জ্যোতি প্ৰকাশন,পাণবজাৰ, গুৱাহাটী-১, দ্বিতীয় প্ৰকাশঃ জুলাই, ২০১২
দাস, অমল চন্দ্ৰ। সম্পা.। অসমীয়া উপন্যাস পৰিক্ৰমা। বনলতা, পা-বজাৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণঃ মে', ২০১২।
বৰগোহাঞি, হোমেন। সম্পা.। অসমীয়া সাহিত্যৰ বুৰঞ্জী ষষ্ঠ খণ্ড (পৰিৱৰ্ধিত সংস্কৰণ)। আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থা, অসম, ৰজাদুৱাৰ, উত্তৰ গুৱাহাটী, গুৱাহাটী-৭৮১০৩০, দ্বিতীয় সংস্কৰণ ঃ মাৰ্চ, ২০১২।
বৰুৱা, ড° প্ৰহ্লাদ কুমাৰ। উপন্যাস। বনলতা, নতুন বজাৰ, ডিব্ৰুগড়--১, চতুৰ্থ সংস্কৰণঃ চেপ্টেম্বৰ, ২০০৩।
ভৰালী, শৈলেন । উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ। বাণী প্ৰকাশ, পানবজাৰ, গুৱাহাটী-১, ১ম প্ৰকাশ, ১৯৮৯।
শৰ্মা, গোবিন্দপ্ৰসাদ । উপন্যাস আৰু অসমীয়া উপন্যাস। ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী-১, ১ম প্ৰকাশ, ১৯৯৫।
শৰ্মা, সত্যেন্দ্ৰনাথ । অসমীয়া উপন্যাসৰ গতিধাৰা। বাণী প্ৰকাশ, পাঠশালা,, গুৱাহাটী, ১ ম প্ৰকাশ, ১৯৭৬।
Forster, E.M. Aspects of the Novel. Penguin Books, 1970

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# ‘বুদ্ধজায়া’ উপন্যাসত প্ৰতিফলিত উপেক্ষিতা নাৰী ঃ যশোধৰা (গোপা)ৰ সম্পৰ্কে এটি আলোচনা

**বন্দিতা শইকীয়া**
গৱেষক, অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
**হনি শইকীয়া**
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

**সাৰাংশ ঃ**
আৰম্ভণি কালৰ পৰা বৰ্তমানলৈকে বিভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি উপন্যাস সমূহ ৰচিত হৈ আহিছে। সাম্প্ৰতিক সময়তো নানা বিষয়বস্তু, নানা পটভূমিক কেন্দ্ৰ কৰি উপন্যাস সমূহ ৰচিত হৈছে। এনে কিছু চৰিত্ৰক কেন্দ্ৰ কৰি উপন্যাস সমূহ ৰচিত হৈছে। যাক মূল কাহিনীত মুঠেই গুৰুত্ব আৰোপ কৰা নাই এনে এক অগতানুগতিক বিষয়বস্তু, স্বকীয় উপস্থাপন শৈলীৰে সাম্প্ৰতিক সময়ত প্ৰতিষ্ঠিত গল্পকাৰ গীতালি বৰাই ‘বুদ্ধজায়া’ নামৰ এক উপন্যাস ৰচনা কৰিছে। য’ত বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক গৌতম বুদ্ধৰ পত্নী যশোধৰা (গোপা)ৰ সম্পৰ্কে আলোচনা কৰা হৈছে। সমগ্ৰ বিশ্বতে এক নব্যধৰ্ম প্ৰদান কৰি খ্যাতি লাভ কৰা গৌতম বুদ্ধৰ সম্পৰ্কে নানা তথ্য পোৱাৰ বিপৰীতে তেওঁৰ পত্নীৰ যি ত্যাগ, কষ্ট, আত্মবলিদান সেই সম্পৰ্কে ইতিহাস নিমাত। ‘বুদ্ধজায়া’ উপন্যাসত সেই উপেক্ষিতা নাৰী যশোধৰাৰ জীৱনগাঁথা তুলি ধৰা হৈছে। আমাৰ এই গৱেষণা পত্ৰখনত ‘বুদ্ধজায়া’ উপন্যাসত প্ৰতিফলিত উপেক্ষিতা নাৰী ঃ যশোধৰা (গোপা)ৰ সম্পৰ্কে এক আলোচনা আগবঢ়োৱা হৈছে।
**সূচক শব্দ ঃ** যশোধৰা (গোপা), গৌতম বুদ্ধ, উপেক্ষিতা, কপিলাবস্তু, ৰোহিনী নদী

## ০.১ বিষয়ৰ পৰিচয় ঃ

ভাৰতীয় সাহিত্য জগতত বৰ্তমান সময়ত পুৰণি দিনৰ যি বুৰঞ্জীমূলক ৰচনা, আখ্যান তথা মহাকাব্যৰ যি সমূহ চৰিত্ৰ সেই চৰিত্ৰসমূহ আজিৰ সময়চোৱাত নতুন দৃষ্টিভংগীৰে পুনঃনিৰ্মাণৰ কাম চলি থকা দেখা যায়। ঠিক সেইদৰে অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো বিশেষকৈ গল্প, উপন্যাস, কবিতা আদিৰ মাধ্যমেৰে পৌৰাণিক চৰিত্ৰ সমূহৰ যি বিশ্লেষণ সেই বিশ্লেষণ বৰ্তমান সময়ৰ জনসাধাৰণৰ দৃষ্টিত কিমান গ্ৰহণযোগ্য সেই বিষয়ে চালি জাৰি চাই নানান পৰীক্ষা-নিৰীক্ষাৰে জুমি চোৱাৰ এটা প্ৰয়াস দেখিবলৈ পাওঁ।

বুৰঞ্জীৰ এটা চৰিত্ৰক আধাৰ ৰূপে লৈ বিশেষকৈ নাৰী জীৱনৰ যি মৰ্মান্তিক বেদনা, উপেক্ষিতা নাৰী ৰূপে সম্পূৰ্ণ জীৱন অতিবাহিত কৰা গীতালি বৰাৰ দ্বাৰা ৰচিত ‘বুদ্ধজায়া’ উপন্যাসৰ প্ৰধান নাৰী যশোধৰা গোপা চৰিত্ৰৰ

মাজেদি এক আলোচনা আগবঢ়োৱা হৈছে। বুদ্ধ পত্নী যশোধৰা গোপাৰ জীৱনৰ ত্যাগ, যাতনা আৰু সেই নাৰীৰ শক্তিৰ কাহিনীক বুদ্ধদেৱৰ সমকালীন সমাজৰ আধাৰত বৰ্তমানৰ দৃষ্টিভংগীৰে আলোচনা কৰা হৈছে।

**০.২ বিষয়ৰ পৰিসৰ ঃ**

গীতালি বৰাৰ বহু সমালোচিত তথা এক অন্যতম গুৰুত্বপূৰ্ণ উপন্যাস (বুদ্ধজায়া)ৰ মূল নাৰী চৰিত্ৰ যশোধৰা গোপাৰ নাৰী জীৱনৰ যি দুখ বেদনা তথা উপেক্ষিতা নাৰী ৰূপে পাৰ কৰা সময়চোৱাৰ কাহিনীক বাস্তৱ দৃষ্টিভংগীৰে প্ৰতিফলন কৰাৰ দিশে মনোযোগ ৰাখি পৰিসৰ নিৰ্ধাৰণ কৰা হৈছে।

**০.৩ বিষয়ৰ গুৰুত্ব ঃ**

বুৰঞ্জী, মহাকাব্যৰ আৰু পৌৰাণিক কাহিনীবোৰৰ ক্ষেত্ৰত যি দৃষ্টিভংগী অৱলম্বন কৰি চৰিত্ৰসমূহক উপস্থাপন কৰা হৈছিল সেই চৰিত্ৰ সমূহক বৰ্তমান তথা আধুনিক দৃষ্টিভংগীৰে চালি জাৰি চাই কিমান গ্ৰহণযোগ্যতা আছে, বৰ্তমান সময়ছোৱাত তাৰ ওপৰত লক্ষ্য ৰাখি গীতালি বৰাৰ 'বুদ্ধজায়া' উপন্যাসৰ মূল নাৰী চৰিত্ৰ যশোধৰা গোপাৰ উপেক্ষিতা জীৱনৰ সম্পৰ্কে আলোচনা কৰাতেই গৱেষণা পত্ৰখনৰ গুৰুত্ব নিহিত হৈ আছে।

**০.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

ভাৰতীয় সাহিত্যকে ধৰি অসমীয়া সাহিত্যতো বুদ্ধদেৱৰ জীৱন সম্পৰ্কে ভিন্ন গ্ৰন্থ, প্ৰবন্ধ ৰচনা হোৱা দেখা যায়। যেনে ঃ 'বৌদ্ধ ধৰ্ম' সত্যেন্দ্ৰ ঠাকুৰ,'মেৰী গাথা' ভিক্ষু, শীলভদ্ৰ আদি। কিন্তু বুদ্ধৰ পত্নী গোপাৰ বিষয়ে তেনেদৰে আলোচনা হোৱা নাই। ই আলোচনী 'নীলা চৰাহ'ত যামিনী অনুৰাগৰ 'বুদ্ধজায়া' এক উপেক্ষিতা নাৰীৰ জীৱন গাথা নামৰ এক প্ৰবন্ধ আৰু একবিংশ শতিকাৰ অসমীয়া উপন্যাসত সুস্মিতা বৰাৰ 'বুদ্ধজায়া'ৰ এক সামগ্ৰিক আলোচনাহে পোৱা গৈছে। সেয়েহে গৱেষণা পত্ৰখনৰ বিষয় হিচাপে 'বুদ্ধজায়া' উপন্যাসত প্ৰতিফলিত উপেক্ষিতা নাৰী ঃ যশোধৰা গোপাৰ সম্পৰ্কে নতুন দৃষ্টিভংগীৰে আলোচনা আগবঢ়োৱা হৈছে।

**০.৫ অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক দুয়োটা পদ্ধতি অৱলম্বন কৰা হৈছে।

**১. মূল বিষয়ৰ অধ্যয়ন**

গৌতম বুদ্ধৰ পত্নী যশোধৰা গোপাৰ সম্পৰ্কে ইতিহাস প্ৰায় নিমাত। সেই সৰ্বত্যাগী নাৰী যশোধৰাৰ জীৱন 'বুদ্ধজায়া' উপন্যাসখনত প্ৰকাশিত হৈছে। লেখিকাই উপন্যাসখনৰ পাতনিতে স্পষ্ট কৰিছে যে বুদ্ধদেৱ উপন্যাসখনৰ নায়ক নহয়, লগতে তেওঁ কৈছে, *"বুদ্ধজায়া সৰ্বকালৰ উপেক্ষিত নাৰীসকলৰ যাতনা, ত্যাগ, মায়া আৰু শক্তিৰ কাহিনী, যাক বুদ্ধদেৱৰ সমকালীন সমাজখনৰ কিছু সত্য নাৰী চৰিত্ৰৰ মাজেৰে প্ৰতিভাত কৰাৰ যত্ন কৰা হৈছে।"*

দেৱদহৰ ৰাজপ্ৰসাদৰ নানা সুবিধাৰ মাজত ডাঙৰ হোৱা আৰু ৰোহিনী নদীৰ বুকুত এটি শিশুৰ দৰে ভ্ৰমি ফুৰা গোপা যাৰ শৰীৰত কেৱল ৰাজ আভূষণ সেই গোপা এদিন ৰাজ আভৰন এৰি শ্ৰমনা হ'ব লগা হৈছিল। গৌতম বুদ্ধই সিদ্ধি প্ৰাপ্ত কৰি সমগ্ৰ বিশ্বতে জিলিকি উঠিছিল কিন্তু তেওঁৰে পত্নী গোপাৰ সেই ত্যাগ, কষ্ট, আত্মবলিদান সম্পৰ্কে ক'তো বিচাৰি পোৱা নাযায়।

দেৱদহৰ সম্ভ্ৰান্ত পৰিয়ালত জন্ম লাভ কৰা গোপা শৰীৰচৰ্চা, অস্ত্ৰচালনা আৰু শাস্ত্ৰজ্ঞানৰ অশ্বচালন, ৰন্ধনশাল সকলো দিশতে পাৰ্গত আছিল। মাতৃ অমিতাৰ পৰা পোৱা ৰন্ধনবিদ্যা প্ৰকৃতাৰ্থত গোপাই স্বামী গৌতমৰ গৃহত প্ৰয়োগ কৰিব পৰা নাছিল। গৌতমৰ মাতৃ গৌতমীয়ে গোপাক এই সমূহৰপৰা দূৰত ৰাখি কেৱল গৌতমক গোপাৰ মায়াৰে যাতে বন্দী কৰি ৰাখিব পাৰে তাৰ বাবেহে চেষ্টা চলাইছিল। যাৰ ফলত গোপাই নিজৰ ইচ্ছা-অনিচ্ছা, ভালপোৱা কামসমূহ এৰি কেৱল গৌতমৰ লগত সময় অতিবাহিত কৰিব লগা হৈছিল।

"এয়া তোমাৰ জীৱনৰ আটাইতকৈ সুখ আৰু আনন্দৰ সময় গোপা। ৰন্ধনশালত সময় কটোৱাৰ পৰিৱৰ্তে শৃংগাৰত অধিক সময় ব্যয় কৰা। ..., পত্নীৰ ৰূপ আৰু আনুগত্যইহে পুৰুষ এজনক সংসাৰৰ প্ৰতি একনিষ্ঠ কৰি ৰাখিব পাৰে।"[১]

এই সমূহৰ মূল কাৰণ আছিল এক ভৱিষ্যতবাণী। জেষ্ঠ কুমাৰ অৰ্থাৎ গৌতমৰ জন্ম সময়ত কুলগুৰুৱে ভৱিষ্যতবাণী কৰিছিল যে - *সিদ্ধাৰ্থ দিগ্বিজয়ী বীৰ হ'ব, নহ'লে তেওঁ সংসাৰ ত্যাগী সন্ন্যাসী হ'ব।*

কুমাৰ সিদ্ধাৰ্থ যাতে সংসাৰ ত্যাগী সন্ন্যাসী নহয় তাৰ কাৰণে পৰিয়ালৰ লোক সকলে কোনো চেষ্টা এৰা নাছিল, সেয়ে আটাইতকৈ সুন্দৰ নাৰীৰ লগত বিয়া কৰাই দি সেই নাৰীৰ মায়াৰে যাতে সিদ্ধাৰ্থক সংসাৰমুখী কৰিব পাৰে তাৰ বাবে গৌতমীয়ে চেষ্টা কৰিছিল। সেই চেষ্টাৰ মাজত যে এগৰাকী নাৰীৰ ইচ্ছা-অনিচ্ছাৰ মৃত্যু হৈছে সেই সম্পৰ্কে কাৰো জ্ঞাত নহয়। সকলোৱে গোপাক জোৰ দিছে যে গোপাৰ ৰূপ লাৱণ্যই যাতে কুমাৰক অত্যাধিক মুগ্ধ কৰে। সেয়ে গোপাই পূৰ্ণাংগ অলংকাৰ 'মহালতা' ই নিজকে নিতৌ শোভিত কৰিব ধৰিলে।

সিদ্ধাৰ্থই প্ৰমোদকক্ষ এৰাটোত সকলোৱে গোপাক জগৰীয়া কৰিছে। নিতৌ প্ৰমোদকক্ষ য'ত ৰাজনটী আৰু বাৰাংগনা সকলৰ কক্ষ তালৈ যোৱা সিদ্ধাৰ্থৰ মন লাহে লাহে নাইকীয়া হৈ পৰিছে। সিদ্ধাৰ্থই প্ৰমোদ কক্ষ এৰাত গৌতমীয়ে প্ৰশ্ন কৰিছে — *"সিদ্ধাৰ্থ প্ৰমোদ কক্ষলৈও নোযোৱা হৈছে। তুমি তেওঁক বাৰণ কৰিছা নেকি।"*[২]

অৰ্থাৎ সিদ্ধাৰ্থৰ ইচ্ছা-অনিচ্ছাতো গোপাই জগৰীয়া হৈছে। সিদ্ধাৰ্থক সংসাৰ মুখী কৰি ৰখাত গোপাই সকলো ফালৰ পৰা চেষ্টা কৰিছে। বিয়া হৈ অহা দিন ধৰি গোপাই নিজৰ কথা চিন্তা নকৰি, দেৱদহৰ পৰা লৈ অহা শিক্ষা সমূহ ত্যাগ কৰি নিজকে ব্যস্ত কৰিছে সিদ্ধাৰ্থক সংসাৰমুখী কৰিবলৈ। সকলো ফালৰ পৰা সিদ্ধাৰ্থক মায়াৰে বান্ধি ৰাখিব বিচৰা গোপাৰ ওপৰত যেন ৰাজমাতাই পুনৰ অন্য এক দায়িত্ব জোৰকৈ জাপি দিছিল। ৰাজমাতাই উপলব্ধি কৰিব পাৰিছিল যে গোপাৰ ৰূপ-লাৱণ্যই সিদ্ধাৰ্থক সংসাৰমুখী কৰিব পৰা নাছিল সেয়ে সন্তানৰ সুখে সিদ্ধাৰ্থক সংসাৰমুখী কৰিব পাৰিব বুলি ভাবি গোপাক মাতৃ হোৱাৰ আদেশ দিছিল।

*"কিন্তু মই এতিয়া কৈছোঁ তোমালোকে সন্তানৰ কথা ভাবিবৰ সময় হৈছে।"*[৩] সিদ্ধাৰ্থৰ কৰ্মসমূহৰ ভিত্তিতেই যেন গোপাৰ জীৱনে গতি কৰিছে। গোপাৰ নিজস্ব বুলিবলৈ একো নাইকীয়া হৈছে এক কথাত গোপা যেন উপেক্ষিতা হৈ ৰৈছে।

সিদ্ধাৰ্থই যেতিয়া মহামানৱৰ মহাকল্যাণৰ পথ বিচাৰি গৃহ ত্যাগ কৰিছিল গোপাই এক কথা সহজে স্বীকাৰ কৰিব পৰা নাছিল। যৌৱনময়ী সুস্থ গোপা বিষাদৰ এক প্ৰতিমা হৈ গৱাক্ষৰ সন্মুখত বহি পৰিছিল। সাতদিনীয়া সন্তান ৰাহুলক এৰি সিদ্ধাৰ্থই সংসাৰ ত্যাগ কৰি বনমুখী হৈছিল। সিদ্ধাৰ্থক সংসাৰমুখী কৰি ৰাখিবলৈ গোপাই অহোপুৰুষাৰ্থ চেষ্টা কৰাৰ পাছতো যেতিয়া সিদ্ধাৰ্থই সংসাৰ ত্যাগ কৰিছিল তেতিয়া ৰাজমাতাই গোপাক দোষাৰোপ কৰিছে, স্বামী পৰিত্যক্তা এগৰাকী নাৰীৰ প্ৰতি সহৃদয় হোৱাৰ পৰিৱৰ্তে ৰাজমাতাই কৈছে —

*"গোপা জীৱনৰ এটা সময়ত সকলো পুৰুষৰ বাবেই পিতা-মাতা-ভ্ৰাতাৰ লগত থকা সম্পৰ্ক গৌণ হৈ যায়। সংসাৰৰ মায়া-মোহ, পত্নী-পুত্ৰৰ পৰাই আৰম্ভ হয় আৰু তাতেই শেষ হয়। মোৰ ধাৰণা, তোমালোকৰ একান্ত ব্যক্তিগত জীৱনত তুমি এগৰাকী দক্ষ আৰু সুনিপুণা পত্নীৰ ভূমিকা পালন কৰিব নোৱাৰিলা।"*[৪]

*"যেতিয়াই তুমি পত্নী-পুত্ৰৰ প্ৰতি থকা কৰ্তব্য পালন নকৰিলে বুলি সিদ্ধাৰ্থক দোষাৰোপ কৰিবা, তেতিয়াই ভাবিবা - তুমি সম্পূৰ্ণ নে! পত্নীৰ সকলো দায়িত্ব তুমি পালন কৰিব পাৰিলানে। ... পৰা হ'লে সিদ্ধাৰ্থ সংসাৰ এৰি এনেদৰে বনগমন কৰিলেহেঁতেন নে।"*[৫]

কুলগুৰুৱে দিয়া ভৱিষ্যতবাণী সম্পৰ্কে জানিও গৌতমীয়ে গোপাক দোষাৰোপ কৰিছে। ৰাজপৰিয়ালে পূৰ্বতে জ্ঞাত যে সিদ্ধাৰ্থ হয় বীৰ হ'ব নহয় সন্ন্যাসী হ'ব। কিন্তু সিদ্ধাৰ্থ যেতিয়া সন্ন্যাসী হৈছিল তেতিয়াও গোপাই পত্নী ধৰ্ম ভালদৰে পালন নাই কৰা বুলি কৈছে। সিদ্ধাৰ্থ বনগামী হোৱাটো জন্ম সময়তে সকলোৱে জনাৰ পাছতো

গোপাক দোষাৰোপ কৰাৰ যুক্তি ক'ত। গোপাইটো বিয়া হৈ অহাৰ দিন ধৰি কেৱল ব্যস্ত আছিল সিদ্ধাৰ্থক সংসাৰমুখী কৰি ৰখাত। নিজক পাহৰি সিদ্ধাৰ্থৰ বাবে সকলো কৰা গোপাইহে শেষত সকলোৰে ককৰ্থনাৰ সন্মুখীন হৈছিল। আনহাতে ৰাজপৰিয়ালে সকলো সুবিধা দিয়া সাতদিনীয়া সন্তানক এৰি যোৱা ইমান মৰম কৰা সিদ্ধাৰ্থই সকলো নস্যাৎ কৰি যে বনগামী হৈছিল সেই সিদ্ধাৰ্থক কোনেও দোষাৰোপ কৰা নাছিল। বৰঞ্চ তেওঁৰ বনগামী হোৱাৰ মূল কাৰণ সজাইছিল গোপাক। স্বামী পৰিত্যক্তা যৌৱনময়ী নাৰী গোপাই সন্তান ৰাহুলক সাৰটি তোৰ মাজতে জীয়াই থাকিব লাগিব বুলি জীৱনৰ এক উৎস বিচাৰি লৈছিল।

ৰাজ আভৰণে নিতৌ সু-সজ্জিত গোপাই সিদ্ধাৰ্থৰ বনগমন হোৱাৰ পাছত ৰাজ আভৰণ পৰিহাৰ কৰি একেবাৰে সাধাৰণ একবৰ্ণী নীল, গেৰুৱা বা শুভ্ৰ বসন পৰিধান কৰিছে। সু-কোমল শয্যা ত্যাগ কৰি কঠিন শয্যাত শয়ন কৰিছে। নীলা পদুমৰ দৰে চকুৰ দুপাহি মৰহি গৈছে। জন্মৰ পৰা নানা প্ৰাচুৰ্যৰ মাজত জীৱন অতিবাহিত কৰা গোপাৰ জীৱন কুমাৰ সিদ্ধাৰ্থৰ বাবে বৰ্ণহীন হৈ পৰিল।

অনেক যান্ত্ৰণাৰ সন্মুখীন হোৱা গোপাক সিদ্ধাৰ্থৰ বন গমনৰ পাছত সুপ্ৰবদ্ধ আৰু অমিতাই মাতৃ গৃহলৈ নিবলৈ আহিছিল যদিও গোপা সৈমান নহ'ল। পূৰ্বৰ দৰেই স্বামী বিহীন ঘৰখনো আকোৱালী লৈছিল গোপাই। যাৰ ফলত নানা যান্ত্ৰণাৰ স্বত্বেও গোপাই মাতৃ গৃহলৈ যোৱা নাছিল।

*"পিতাই তোমাক কষ্ট দিছে আই। তেওঁ বৰ নিষ্ঠুৰ।"*[৬] — বুলি সিদ্ধাৰ্থৰ কথা ৰাহুলে কওঁতে গোপাই সহ্য কৰিব নোৱাৰি দেৱদত্তৰ ওচৰ পাইছিলগৈ। পুত্ৰক এনে কথা কোৱা দেৱদত্তক তেওঁ নানা ককৰ্থনা কৰিছিল। ক্ষয়িষ্ণু যৌৱনৰ বাবে, উজাগৰে অনেক ৰাতি কটোৱাৰ বাবে পিতৃ স্নেহৰ পৰা বঞ্চিত হোৱা ৰাহুলৰ বাবে, কেতিয়াও ক্ষমা কৰি দিব নোৱাৰা সিদ্ধাৰ্থৰ সম্পৰ্কে এনে শিক্ষা দিয়া বাবে গোপা উগ্ৰ হৈ উঠিছে। ৰাজামাতাহঁতে ক্ষমা কৰি দিব পৰা সিদ্ধাৰ্থক কিন্তু মনে মনে গোপাই ক্ষমা কৰিব পৰা নাছিল তথাপিও সিদ্ধাৰ্থৰ বিপক্ষে কিন্তু গোপাই এযাৰী বাক্যও শুনিব পৰা নাছিল। যাৰ কাৰণে গোপাই অত্যন্ত কষ্ট ভোগিব লগা হৈছিল, ৰাজ আভৰণ এৰিব লগা হৈছিল, উপেক্ষিতা হৈ ৰৈছিল সেইজন সিদ্ধাৰ্থৰ কাৰণে গোপাৰ অন্তৰত ইমান শ্ৰদ্ধা, প্ৰেম, গোপাৰ প্ৰতিটো প্ৰাৰ্থনাত কেৱল সিদ্ধাৰ্থ, তেওঁ যাতে ঈপ্সিত লক্ষ্যত উপনীত হয়, সিদ্ধাৰ্থই সিদ্ধি লাভ কৰাতো গোপাই বিচাৰিছে তাৰ কাৰণে তেওঁ যেন হাজাৰবাৰ সকলোৰে পৰা উপেক্ষিতা হ'বলৈ সাজু। কিন্তু বোধিপ্ৰাপ্ত গৌতম বুদ্ধৰ যি যশ আৰু খ্যাতিৰ গৌৰৱ সেই গৌৰৱত এগৰাকী পৰম সুখ আৰু প্ৰাপ্তিৰ পৰা বঞ্চিত নাৰীৰ অপাৰ ক্লেশজৰ দূৰ হ'ব নে? বোধিপ্ৰাপ্ত গৌতমৰ নব্যধৰ্মত সকলোৰে যোগদান কৰিলে কিন্তু গৌতমৰ বোধিপ্ৰাপ্তত গোপাৰ যি কষ্ট, ত্যাগ সেই সম্পৰ্কে ইতিহাস নিমাত।

স্বামী পৰিত্যক্তা গোপাই ৰাহুলৰ মাজত জীয়াই থকাৰ কাৰণ বিচাৰি পাই ৰাহুলক নানা বিদ্যা শিকোৱাৰ আৰম্ভ কৰিছে যেতিয়া প্ৰথম ৰাহুলে জলতৰংগ বজাইছিল মাতৃ গোপা আনন্দত আত্মহাৰা হৈছে, ঠিক সেই সময়তে ৰাজামাতা কক্ষলৈ সোমাই আহি এক আনন্দ মুখৰ পৰিৱেশ দেখি উগ্ৰ হৈ পৰিছিল — *"তোমালোকে ইয়াত কি উৎসৱ উদ্‌যাপন কৰিছা। ... অ'হ। তুমি ইয়াত আছা সুহৃা, শাক্য ৰাজকুলৰ এক কুমাৰে পৰম জ্ঞান বিলাই সমগ্ৰ আৰ্যাৱৰ্তক মুগ্ধ কৰিছে। তেওঁ নৃত্য-গীত, নাটিকা আদিৰ দৰে বৈষয়িক আদিক বৰ্জন* কৰিবলৈ *কৈছে - সেই কথা তোমোলোকে নিশ্চয় জানা।"*[৭]

যিজন সিদ্ধাৰ্থক সংসাৰ ত্যাগ কৰোতে ৰাজপৰিয়ালে ক্ষমা কৰিব নোৱাৰা সেইজন সিদ্ধাৰ্থই নব্যধৰ্ম বিলোৱা কথা শুনি ৰাজামাতা পিতৃয়ে সুখ পাইছিল, কিন্তু ইয়াৰ পৰিৱৰ্তে নৱজাত এটা সন্তান আৰু পত্নীক ত্যাগ কৰা কথা ৰাজপৰিয়ালে পাহৰি পেলাইছিল। সিদ্ধাৰ্থৰ পত্নী হৈ থকা অৱস্থাত যিদৰে সিদ্ধাৰ্থৰ কৰ্মৰ ওপৰত ভিত্তি কৰি চলিব লাগিছিল ঠিক সেইদৰে সংসাৰ ত্যাগ কৰাৰ পাছতো সিদ্ধাৰ্থৰ কৰ্ম সমূহক ভিত্তি কৰিয়েই গোপা চলিব

লগা হৈছিল।

পিতৃৰ মৰম স্নেহৰ পৰা বঞ্চিত ৰাহুলক পিতৃধন বিচাৰি পিতৃৰ ওচৰলৈ পঠাইছিল, কিন্তু গোপাই ভবাৰ দৰে ৰাহুলে পিতৃধন লাভ নকৰিলে, কৰিলে মুক্তি লাভ অৰ্থাৎ তেওঁ পিতৃ সম্পদ লাভ কৰিলে 'ভিক্ষাপাত্ৰ'। ৰাহুলে পিতৃ সম্পদ লাভ কৰি গেৰুৱা বস্ত্ৰ পৰিধান কৰি মস্তক মুণ্ডিত কৰি ভিক্ষাপাত্ৰ লৈ আহিছিল। ৰাহুলক দেখি গোপা মূৰ্চিত হৈছিল। পূৰ্বতে স্বামী পৰিত্যক্তা এতিয়া পুত্ৰৰ পৰা পৰিত্যক্তা। সিদ্ধাৰ্থই বনগামী হোৱাৰ পাছত যি পুত্ৰক লৈ গোপা জীয়াই আছিল সেই পুত্ৰয়ো এতিয়া বনগামী। ৰাহুলে নব্যধৰ্মত দীক্ষিত হোৱাৰ পাছত ৰাজপ্ৰসাদ শূন্য হৈ পৰিছিল, শূন্য হৈ পৰিছিল এগৰাকী মাতৃৰ বুকু। ৰাহুলে প্ৰব্ৰজ্যা গ্ৰহণ কৰি পিতৃৰ আদেশ পালন কৰাৰ বিপৰীতে এগৰাকী মাতৃৰ হৃদয় উদং কৰিছিল। এয়া গোপাৰ প্ৰতি কেনেধৰণৰ ন্যায়। পিতৃধন বিচাৰি পঠোৱা পুত্ৰক সিদ্ধাৰ্থই তেওঁৰ ধৰ্মত দীক্ষিত কৰাইছিল। এবাৰো সিদ্ধাৰ্থই ৰাহুলৰ মাতৃ সম্পৰ্কে চিন্তা নকৰিলে।

কপিলাবস্তুৰ প্ৰায় লোকসকলে যেতিয়া নব্যধৰ্মৰে দীক্ষিত হ'ল লাহে লাহে গোপাও শ্ৰমনা হ'ল। বৌদ্ধ সংঘ সমূহে শ্ৰমনা গোপাক শ্ৰমন ৰাহুল আৰু গৌতমৰ পৰা দূৰত থকাৰহে অনুমিতি প্ৰদান কৰিছিল। যেতিয়া গৌতম বুদ্ধ বৈশালী আহিছিল, তেতিয়া গোপা শ্ৰাবস্তিলৈ গৈছিল। হয়তো পূৰ্বৰ অনুৰাগ জাগি উঠে বুলিয়ে সংঘসমূহে শ্ৰমনা গোপাক ৰাহুল আৰু সিদ্ধাৰ্থৰ পৰা দূৰত ৰাখিছিল — *"ভিক্ষুণী হোৱাৰ পাছতো বুদ্ধৰপৰা বহু নিলগৰ গ্ৰাম বা নগৰ পালিকাতহে বাস কৰাৰ অনুমতি পায় শ্ৰমনা গোপাই। তথাপি তেওঁৰ পৰা বুদ্ধ শিষ্য আৰু অনুগত সকলক বহু দূৰত নতশিৰ কৰি ৰাখিবলৈ তেওঁৰ অতীত পৰিচয়েই যথেষ্ট।"*[৮]

বুদ্ধৰ পৰা দূৰত থাকিও বুদ্ধৰ বিৰুদ্ধে ষড়যন্ত্ৰ চলোৱা দেৱদত্তৰ সন্মুখীন হৈ প্ৰশ্ন উত্থাপন কৰিছে শ্ৰমনা গোপাই। আঁতৰত থাকিও গোপাই পত্নী ধৰ্ম আৰু একেলগে মাতৃ ধৰ্ম সুন্দৰকৈ পালন কৰি আহিছে।

সকলো নীৰৱে সহি থকা গোপাক শেষত ৰোহিনী নদীয়ে সাঁৱটি ল'লে আৰু সেই ৰোহিনীয়ে কাণে কাণে গোপাক কৈ গ'ল — *'মুক্ত হোৱা' - 'মুক্ত হোৱা'।* উপন্যাসখনৰ মাজেৰে অতি সুন্দৰ ভাবে গোপাৰ অন্তৰ্দ্বন্দ্ব আৰু মানসিক জগতখন প্ৰকাশিত হৈছে। সিদ্ধি লাভ কৰাৰ পাছত গৌতম বুদ্ধই সমগ্ৰ বিশ্বতে খ্যাতি লাভ কৰিছিল, কিন্তু সেইজন পুৰুষৰ আঁৰত থকা গোপাই বুদ্ধৰ কাৰণে কিমান কষ্ট ত্যাগ কৰিব লগা হ'ল, সেয়া কিন্তু ক'তো উল্লেখ নাই। গোপাৰ সম্পৰ্কে ইতিহাস নিমাত। সেয়েহে ইতিহাসত উপেক্ষিতা বুদ্ধৰ পত্নী যশোধৰা (গোপা)ৰ জীৱনৰ আধাৰত ঐতিহাসিক তথ্যৰ আধাৰত 'বুদ্ধজায়া' উপন্যাসখন ৰচিত হৈছে।

**২.০ উপসংহাৰ**

গীতালি বৰাৰ 'বুদ্ধজায়া' সাম্প্ৰতিক সময়ৰ এখন গুৰুত্বপূৰ্ণ উপন্যাস। এই উপন্যাসখনত ঔপন্যাসিকে নতুন চিন্তা ভাৱনাৰে ঐতিহাসিক চৰিত্ৰ এটাক সমাজৰ লোকসকলৰ সন্মুখত উপস্থাপন কৰিছে। বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক ৰূপে সমগ্ৰ বিশ্বতে স্বীকৃতি প্ৰাপ্ত গৌতম বুদ্ধৰ পত্নীৰ জীৱনৰ কিছু মুহুৰ্ত্তক লগতে উপেক্ষিতা হিচাপে পাৰ কৰিব লগা কৰুণ অৱস্থাক বৰ্ণনা কৰা হৈছে।

উপন্যাসখনত ভগৱান হিচাবে নহয় তাৰ বিপৰীতে এজন মানুহ ৰূপেহে গৌতম বুদ্ধক উপস্থাপন কৰি তেওঁৰ দোষ ত্ৰুটি সেই দিশত আলোকপাত কৰা হৈছে। জনসাধাৰণৰ হিত চিন্তাৰ দিশে মনোযোগ দিয়াৰ পথত ত্যাগ কৰা তেওঁৰ পত্নী-সন্তানৰ যি দুখ যাতনা সেই সকলোদিশত গুৰুত্ব প্ৰদান কৰা হৈছে উপন্যাসখনত। আমাৰ গৱেষণা পত্ৰখনত যশোধৰা গোপা নাৰী চৰিত্ৰটোৰ জীৱনৰ সমস্যা, স্বামীৰ পৰা বঞ্চিত হৈ পাৰ কৰিব লগা হোৱা সেই উপেক্ষিতা নাৰীৰ যি অৱস্থা সেই সত্যতাক এক আলোচনাৰ মাজেৰে উপস্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে।

**প্ৰসংগ সূচী ঃ**

১. গীতালি বৰা, *বুদ্ধজায়া,* পৃষ্ঠা - ৪৮
২. ঐ, পৃ. ৫৩
৩. ঐ, পৃ. ৫৩
৪. ঐ, পৃ. ৬৮
৫. ঐ, পৃ. ৬৮
৬. ঐ, পৃ. ৯২
৭. ঐ, পৃ. ১৩৩
৮. ঐ, পৃ.১৮৭

**গ্ৰন্থপঞ্জী**

**মূল উৎস ঃ**

বৰা, গীতালি ঃ বুদ্ধজায়া, আঁক-বাক, প্ৰকাশক, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২০, ডিচেম্বৰ।

**গৌণ উৎস ঃ**

দত্ত, জয়ন্ত আৰু ঃ একবিংশ শতিকাৰ অসমীয়া উপন্যাস, অসম বুক ট্ৰাষ্ট, প্ৰকাশক, গুৱাহাটী।
গীতাশ্ৰী শইকীয়া (সম্পা.)

বৰ্মন, শিৱনাথ ঃ ভাৰতীয় চিন্তা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৪।

**ই আলোচনী ঃ**

গোস্বামী, পল্লৱপ্ৰাণ (সম্পা.) ঃ নীলা চৰাই, প্ৰথম প্ৰকাশ, ২০১২।

www.nilacharai.com,10.30am

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# পানীন্দ্ৰনাথ গগৈৰ শিশু সাহিত্য আৰু ভাষা চেতনাঃ এটি অধ্যয়ন

**সংযুক্তা দত্ত**
গৱেষক,অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়, ফোন ঃ ৮৪৭২৯৮৭৯০৪
sanjuktadutta2018@gmail.com

**সাৰাংশ ঃ**
লেখক পানীন্দ্ৰনাথ গগৈৰ জন্ম হৈছিল ১৮৭১ চনৰ নৱেম্বৰ মাহৰ উত্তৰ লক্ষীমপুৰৰ চেতিয়া গাঁৱত। মাত্ৰ ২৯ বছৰ বয়সতে শাৰিৰীক অসুস্থতাৰ বাবে মৃত্যু হোৱা পানীন্দ্ৰনাথ গগৈয়ে এই কম সময়ছোৱাতে নিজ ভাষা-সাহিত্যৰ বাবে যথেষ্ট কাম কৰি থৈ গৈছে। তেওঁ শিক্ষা লাভ কৰা কালছোৱাতে পদ্মনাথ গোহাঞি বৰুৱাৰ সান্নিধ্য লাভ কৰিছিল। তেওঁ বঙলা ভাষাকে শিক্ষাৰ মাধ্যম হিচাপে ল'ব লগা হৈছিল যদিও অসমীয়া ভাষাৰ প্ৰতি যথেষ্ট সচেতন আছিল। তেওঁ দুই -এক কবিতা, প্ৰবন্ধ পঢ়ি থকা সময়তে লেখা আৰম্ভ কৰিছিল। ভাষা সাহিত্যৰ প্ৰতি থকা সচেতনতাৰ সময়তে তেওঁ শিশুৰ উপযোগী হোৱাকৈ বিভিন্ন ৰচনা প্ৰকাশ কৰে। এইদৰে লক্ষ্য কৰিলে শিশুসাহিত্যৰ বিকাশত পানীন্দ্ৰনাথ গগৈৰ অৱদান বিশেষ ভাৱে উল্লেখযোগ্য। শিশু উপযোগী ৰচনাৰ ভিতৰত-ল'ৰা শিক্ষা আগছোৱা, ল'ৰা শিক্ষা মাজছোৱা, ল'ৰা শিক্ষা শেহছোৱা অন্যতম। ইয়াৰ উপৰিও গগৈয়ে 'অসমীয়া ল'ৰাৰ ভূগোল', 'গণনাৰ আদি পুথি', 'সাহিত্য সংগ্ৰহ' ৰচনা কৰিছে। শিশু সাহিত্যৰ সমান্তৰাল ভাৱে আন লেখাও ৰচনা কৰিছিল। বিশেষকৈ জোনাকী আৰু বিজুলী কাকতত প্ৰকাশিত 'আমাৰ উন্নতি নে অৱনতি', 'জাতীয় প্ৰেম', 'তেন্তেনো কি উপায়' আৰু পদ্য 'উতঙনি' উল্লেখযোগ্য।

**বীজ শব্দ**- পানীন্দ্ৰনাথ গগৈ, ভাষা, প্ৰবচন, ফকৰা যোজনা, শিশু সাহিত্য, ল'ৰাশিক্ষা।

## ০.০ বিষয় পৰিচয়ঃ

অসমীয়া ভাষা-সাহিত্যলৈ অৰিহণা আগবঢ়োৱা ঊনবিংশ শতিকাৰ এগৰাকী লেখক হৈছে পানীন্দ্ৰনাথ গগৈ। ভাষা চৰ্চাকাৰী, সাহিত্যিক হোৱাৰ উপৰিও তেওঁৰ আন পৰিচয় হৈছে শিক্ষক আৰু পাঠ্যপুথি প্ৰণেতা। ঊনৱিংশ শতিকাত অসমীয়া ভাষা দুৰ্যোগপূৰ্ণ সময়ৰ মাজেৰে আগবাঢ়িব লগা হৈছিল, তেওঁ সেই কথা উপলব্ধি কৰাৰ লগতে ভাষিক আৰু শৈক্ষিকভাৱে সচেতন হোৱা দেখা যায়। সেইবাবেই অসমীয়া ভাষাৰ দুঃসময়ত লেখা-মেলাৰ জৰিয়তে সাহিত্য পাঠৰ লগতে শিশুৰ উপযোগী হোৱাকৈ ভিন্ন লেখা আৰু সমান্তৰাল ভাৱে ভাষিক, ৰাজনৈতিক,অৰ্থনৈতিক দিশটোক প্ৰাধান্য দি অসমীয়া জাতীয় জীৱনৰ কিছু সমস্যাক কলমেৰে উপস্থাপন কৰিছে।

ঊনৱিংশ শতিকাৰ এছোৱা সময় অসমৰ আদালত-পঢ়াশালিত বঙলা ভাষাই স্থান পাইছিল। সেই সময়ছোৱাতে পানীন্দ্ৰনাথ গগৈয়ে বঙলা ভাষাতে শিক্ষা লাভ কৰিব লগা হোৱাত স্বাভাৱিকতে নিজ মাতৃভাষাৰ প্ৰতি অধিক দায়বদ্ধ হৈ উঠিছিল। তেওঁ পঢ়ি থকা কালতে আসাম বিলাসিনী, আসাম নিউচ কাকতলৈ দুই এক

লেখা লিখিছিল। পৰৱৰ্তী সময়ত মাতৃভাষাৰ পাঠ্যপুথিৰ অভাৱ দূৰীকৰণৰ বাবে পাঠ্যপুথি প্ৰণয়নৰ কামত লাগে। এইক্ষেত্ৰত পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদানো গুৰুত্বপূৰ্ণ। ল'ৰাশিক্ষাৰ আগছোৱা, মাজছোৱা আৰু শেহছোৱাৰ উপৰিও ল'ৰাৰ শিক্ষাৰ বাবে গগৈয়ে নেওতা আৰু অংক শিকাৰ পুথি 'গণনাৰ আদিপুথি' নামেৰে এখন পুথি লিখি উলিয়াইছিল। এইকেইখন শিশুৰ শৈক্ষিক, নৈতিক আৰু ভাষিক ভাৱে উত্তৰণত উল্লেখযোগ্য সৃষ্টি বুলিব পাৰি। তেওঁ শিশু সাহিত্যৰ উপৰিও আন কেইটামান গদ্য ৰচনা কৰি উলিয়াইছিল, সেয়া হৈছে 'আমাৰ উন্নতিনে অৱনতি? 'তেন্তেনো উপায় কি?' আৰু উটগুনি 'পদ্য'। ইয়াৰ উপৰিও ১৮১৫ শকত পদ্মনাথ গোহাঁইবৰুৱাৰ সৈতে যুটীয়াকৈ প্ৰথম শ্ৰেণীৰ সাহিত্য পুথি 'সাহিত্য সংগ্ৰহ' গোটাইছিল। সেই সংগ্ৰহত গগৈদেৱৰ 'জাতীয় প্ৰেম' নামৰ এটা প্ৰবন্ধ আছে। তেওঁ কেৱল সাহিত্য পুথি ৰচনা কৰিছিল তেনে নহয়, তেওঁ পুৰণি লুপ্ত হ'বলৈ ধৰা বিভিন্ন পুথি সংগ্ৰহ কৰাৰ লগতে সেই সমূহ প্ৰচাৰতো গুৰুত্ব দিছিল। তেওঁৰ এই অৱদানসমূহে ঊনবিংশ শতিকাৰ শৈক্ষিক-ভাষিক-সাহিত্যিক ক্ষেত্ৰখনত সমৃদ্ধ কৰিলে। এই আলোচনাত শিশু সাহিত্যিক হিচাপে পানীন্দ্ৰ নাথ গগৈৰ অৱদান আৰু ভাষা চেতনা সম্পৰ্কে আলোচনা কৰা হ'ব।

**০.১ অধ্যয়নৰ উদ্দেশ্যঃ**

এই গৱেষণামূলক আলোচনাৰ উদ্দেশ্য হ'ল,

- শিশুসাহিত্যিক হিচাপে পানীন্দ্ৰনাথ গগৈৰ অৱদান সম্পৰ্কে আলোচনা কৰা
- তেওঁৰ লেখাসমূহৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰা।
- শিশু সাহিত্যৰ জৰিয়তে গগৈৰ ভাষা চেতনা সম্পৰ্কে আলোচনা কৰা।

**০.২ অধ্যয়নৰ পদ্ধতিঃ**

প্ৰস্তাৱিত গৱেষণাৰ অধ্যয়ন কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব।

**০.৩ অধ্যয়নৰ পৰিসৰঃ**

এই আলোচনাৰ পৰিসৰ হিচাপে পানীন্দ্ৰনাথ গগৈৰ শিশু সাহিত্য ল'ৰাশিক্ষাৰ আগছোৱা, মাজছোৱা আৰু শেহচোৱাক নিৰ্বাচন কৰি তেওঁৰ শিশুসাহিত্য আৰু ভাষাচেতনা সম্পৰ্কে আলোচনা কৰা হ'ব।

**১.০ মূল আলোচনা**

পানীন্দ্ৰনাথ গগৈ এজন মাতৃভাষাৰ প্ৰতি সচেতন লেখক। অসমৰ শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ অভাৱ দূৰীকৰণত গগৈয়ে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছিল। গগৈ সঁচা অৰ্থত এজন ভাষা প্ৰেমী সেই কথাকে পদ্মনাথ গোহাঞিবৰুৱাই এনেদৰে কৈছে- *" অসমীয়া ভাষাৰ মৌলিক অস্তিত্ব বিষয়ক কাপ-তৰ্কত পানীন্দ্ৰনাথক কেৱে চেৰ পেলাব নোৱাৰিছিল আৰু আটাইকে সহিব পাৰে, কিন্তু অসমীয়া ভাষাৰ নিন্দাবাদ তেওঁৰ সমুলি সহ্য নহৈছিল। অসমীয়া ভাষাক বঙলাৰ অপভ্ৰংশ বোলা অপবাদে পানীন্দ্ৰনাথৰ সৰল অন্তৰত বৰকৈ আঘাত লগাইছিল, আৰু ছেগপেলাই সেই অসাৰ অপবাদ লিখিত যুক্তি-তৰ্কৰে খণ্ডাবলৈ গগৈদেৱে অহোপুৰুষাৰ্থ কৰিছিল। পানীন্দ্ৰ নাথ গগৈ এজন ভাষা-প্ৰেমিক সাহিত্যিক আছিল"* [১]। শিশুৰ বাবে ভাষা শিক্ষাৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰিয়েই গগৈৰ ভাষা জ্ঞানৰ প্ৰাৰম্ভিক কথাবোৰৰ পৰাই শিশুৰ বাবে পাঠ নিৰ্মাণ কৰিছে। তেওঁ লিখা ল'ৰাশিক্ষাৰ আগছোৱাত আখৰ জোঁটনিয়ে নহয়, শিশু সকলৰ ভাষা জ্ঞানৰ আধাৰ স্বৰবৰ্ণ-ব্যঞ্জন, সানমিহলি স্বৰ, সানমিহলি ব্যঞ্জন, আখৰ জোঁটনি, সংযোগ অৱস্থাত স্বৰৰ আকৃতি অৰ্থাৎ স্বৰৰ সৈতে লগ লাগি কোনবোৰ আখৰ কেনেধৰণৰ গঢ় লাভ কৰে সেই সম্পৰ্কে সুন্দৰকৈ বুজাই দিছে। ভাষা চেতনাৰ লগতে গগৈৰ সাহিত্য পাঠ ৰচনাৰ নিজা এক শৈলী আছে। হেমন্ত কুমাৰ বৰুৱাই পানীন্দ্ৰ নাথ গগৈৰ ৰচনাশৈলী সম্পৰ্কত মত আগবঢ়াইছে এনেদৰে-*"অসমীয়া ভাষা-সাহিত্যৰ কাল সন্ধিক্ষণত জন্ম লভি সামান্য শিক্ষাৰে ভাষাজননীলৈ অনবদ্য অৱদান আগবঢ়াই ইতিহাস ৰচনা কৰি গ'ল। যিজনৰ ৰচনাশৈলীক বঙ্গীয়*

*ভাষাৰ সাহিত্যিক মদন মোহন তৰ্কালঙ্কাৰৰ লগতহে তুলনা কৰিব পাৰি।”* [২]

**১.১ পানীন্দ্ৰনাথ গগৈৰ আখৰ জোঁটনি ঃ**

আখৰ জোঁটনিৰ ক্ষেত্ৰত দেখা যায় গগৈয়ে দুই আখৰজোঁটনি, তিনি আখৰৰ জোঁটনি, চাৰি আখৰৰ জোঁটনি, পাঁচ আখৰৰ জোঁটনিৰ ধাৰণা দিয়াৰ চেষ্টা কৰিছে। উল্লেখযোগ্য যে আখৰ জোঁটনিৰ উপস্থাপনতো এক লয় ৰক্ষা কৰি  শব্দৰ ব্যৱহাৰ দেখা গৈছে। যাৰ বাবে আখৰ জোঁটনি পঢ়ি যাওঁতে শুনিবলৈ শুৱলা হৈছে। আখৰ জোঁটনি হ'লেও শব্দৰ নিৰ্বাচন মনকৰিবলগীয়া। উদাহৰণস্বৰূপে-

দুই আখৰৰ জোঁটনি
কাৰ  কাপ  গাৰ  তাপ
মাঘ  কাল  বাঘ  ছাল
ধাই  মাক  লাই  শাক
পাম  চায়  নাম  গায়(আগছোৰা)

তিনি আখৰৰ জোঁটনি
ভেকুৰা  গোহালি  জাকৈয়া  ছোৰালী
বৰালী বকুৰা  জাতৰ জতুৰা
ভেলেকা ভেলেকী  চেলেকা চেলেকি
বিয়লি ৰণুৰা উমনি কণুৰা (আগছোৰা)

চাৰি আখৰৰ জোঁটনি
গগৈদেও  অসহনি  গামখাৰু  ওলগনি
ছন্দপৰা আহুতলি বাংকৰা  বহুৱালি
গুৱাহাটী গোলাঘাট তেজপুৰ  যোৰহাট
ফটাকানি হৰিভৰ চুবুৰীয়া  খনিকৰ (আগছোৰা)

তেওঁ আখৰ জোঁটনিৰ জৰিয়তে শব্দৰ ভঁৰাল এটা আঁটি আঁটি বান্ধি ৰাখিবলৈ চেষ্টা কৰিছে। তেওঁৰ নিভাঁজ ঘৰুৱা শব্দৰ ব্যৱহাৰ মনকৰিবলগীয়া। এনে শব্দৰ ব্যৱহাৰৰ ফলত শিশুৱে সহজ সৰলকৈ পঢ়িব পৰা বিধৰ হৈ পৰে। সমান্তৰালভাৱে শেষৰফালে এই ল'ৰাশিক্ষাতে সংখ্যাৰ ধাৰণাও দিয়াৰ চেষ্টা কৰিছে।

**১.২ পানীন্দ্ৰনাথ গগৈৰ ল'ৰাশিক্ষা ঃ**

ল'ৰাশিক্ষাৰ আগছোৰাত আঠটা পাঠ দিছে। পাঠত পঢ়াশালিৰ সৈতে জড়িত হোৱা কেতবোৰ কথাৰ লগতে শিশুৰ নৈতিক চৰিত্ৰ গঠনত উপযোগী হোৱাকৈ বিভিন্ন উপদেশ দিছে। তাৰে এটা পাঠত পানীন্দ্ৰনাথ গগৈৰ আত্ম পৰিচয় আছে। উপদেশধৰ্মী কথাবোৰা নিভাঁজ আৰু বৰ সৰলকৈ লিখি উলিয়াইছে। উদাহৰণ;

মাৰা বাপেৰাৰ কথা শুনিবা
ভায়েৰা ভনীয়েৰাঁক মৰম কৰিবা।
যি লোকক পুতৌ কৰে তেওঁ নিজেও আনৰ পৰা পুতৌ পায়।[৩]

পঞ্চম আৰু ষষ্ঠ পাঠতো শিশুসকলক কৰণীয় কামৰ প্ৰতি অভ্যাস আৰু দায়ত্বশীল কৰি তোলাৰ আদৰ্শ গঢ়ি তুলিছে বুলিব পাৰি। পঞ্চম পাঠত শিশুৰ সোনকালে উঠাৰ অভ্যাস আৰু ষষ্ঠ পাঠত শইকীয়াৰ ঘৰৰ বংশীধৰৰ উদাহৰণেৰে পঢ়া শুনাৰ লগতে শিশুৰ কৰিবলগীয়া সজ কামৰ প্ৰতি আগ্ৰহ অনাৰ চেষ্টা কৰিছে। উদাহৰণস্বৰূপে- *“তুমি শইকীয়াৰ ঘৰৰ বংশীধৰক চিনি পোৱা নে? সি এটা ভাল  ল'ৰা, বয়স ছ বছৰ। পঢ়া শুনাত তাৰ বৰ মন। পঢ়িবৰ*

*সময়ত আন কথাত মন নিদিয়ে। সদায় পঢ়াশালিলৈ যায়। আৰু সজ কথা শিকিবলৈ মন কৰে।"(পৃ,৭৫)*

পঢ়া-শুনাৰ বাবে প্ৰয়োজনীয় চিন্তাৰ উদ্ৰেক কৰিব পৰাকৈ ল'ৰাশিক্ষাৰ আগছোৱাত লেখা সন্নিৱিষ্ট কৰিছে। লিখা পঢ়াক গুৰুত্ব দি সপ্তম পাঠটো ৰচনা কৰিছে। এই পাঠটো এটা পদ্যধৰ্মী লেখা। উদাহৰণস্বৰূপে-

সোণাময় ল'ৰা কাল।
শিকাৰ সময় ভাল।
শিকে যেয়ে মন পাতি
উঠে সেয়ে ঘোঁৰা গাঁড়ী
য'তে ত'তে মান পায়
সদায় সুখত খায়। [৪]

এই কবিতাটো সম্পৰ্কত ফণীধৰ বৰগোহঞিয়ে কৈছে- *"এটি কালজয়ী মধুৰ ইঙ্গিত। শিক্ষা আৰু সময়ৰ প্ৰতি সচেতন হবলৈ কৰা বাক্য শাৰীত পানীন্দ্ৰৰ সাৰ্থক চেষ্টা পূৰামাত্ৰাই দেখা যায়।" (পৃ,২২৬)*

অষ্টম পাঠটো কিছুমান প্ৰয়োজনীয় অভ্যাসৰ উল্লেখেৰে দৈনিক দিনপঞ্জীৰ খতিয়ান বুলিব পাৰি।যেনে,

পঢ়াশালি ছুটি হ'লে ঘৰাঘৰি যাওঁ
সকলোৰে মিলি আঁহা সুখ গীত গাওঁ
পোনে পোনে আইতাৰ ওচৰলৈ যাম
জা-জলপান যি আছে তাকে খুজি খাম।।"(পৃ,৭৮)

ল'ৰাশিক্ষাৰ মাজছোৱাতো গগৈয়ে ল'ৰাক আখৰ শিকোৱাৰ ওপৰত গুৰুত্ব দিছে। এই সম্পৰ্কে তেওঁ ল'ৰাশিক্ষাৰ মাজছোৱাৰ পাতনিতে লিখিছে-*"ল'ৰাক সংযোগী আখৰ শিকোৱাই এই ছোৱাৰ ঘাই উদ্দেশ্য। ল'ৰাবিলাকে যাতে সংযোগী আখৰ থকা কথাবিলাক সহজে শিকিব পাৰে, তাৰ নিমিত্তে সাধ্য অনুসৰি যত্ন কৰিছোঁ আৰু পৰা যায় মানে বঙ্গলুৰা শব্দ নিদি নিখুঁত অসমীয়া শব্দহে বেছিকৈ ব্যৱহাৰ কৰা হৈছে।" (পৃ,৮২)* ল'ৰাশিক্ষাৰ মাজছোৱাত সংযোগী আখৰৰ ব্যৱহাৰত জানিবলগীয়া কথাবিলাক তেওঁ খুব সুন্দৰকৈ দেখুৱাইছে- ঙ্ক ফলা,স্ক ফলা ইয়াৰ উপৰি 'ৰ'-কাৰৰ ব্যৱহাৰ, য্য-কাৰৰ ব্যৱহাৰ দেখুৱাইছে। তেওঁ এই সংযোগী আখৰ কিদৰে গঠন হৈছে কেৱল তাকে উল্লেখ নকৰি সেই সংযোগী আখৰৰ দ্বাৰা গঠন হোৱা শব্দও উল্লেখ কৰিছে।

যেনে- ঙ্ক ফলা- ঙ ক ঙ্ক
ঙ খ ঙ্খ
ঙ গ ঙ্গ

সংযোগী শব্দৰ উদাহৰণ- ঙ্ক- অঙ্ক, শঙ্কৰ, ডাঙ্কোপ, মেজাঙ্কৰী ঞ্চ- কাঞ্চন, সঞ্চয়, কিঞ্চিত, বঞ্চিত, ওপৰঞ্চি

ণ্ঢ- সণ্ঢালনি
ম্প- চম্পা, সম্পদ, কোম্পানী, সম্পাদক
ম্ফ-কম্ফ, দম্ফ, ছ্ম্ফল, সাম্ফল।
ম্ভ-লম্ভা,দম্ভ, সম্ভৰ, চম্ভাল, সম্ভেদ, আৰম্ভণ

সংযোগী আখৰ শিকোৱাৰ সমান্তৰালভাৱে ল'ৰাশিক্ষাৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে সজ আচৰণ আৰু সজ অ ভ্যাস গঢ়িবলৈ উপদেশমূলক বাৰ্তা আছে, যাৰ জৰিয়তে শিশুৰ নৈতিক আদৰ্শ গঢ়ি উঠে। সংযোগী আখৰ ব্যৱহাৰ কৰিয়েই এই উপদেশমূলক বাৰ্তা ল'ৰাশিক্ষাৰ মাজছোৱাৰ মাজেৰে দিছে। উদাহৰণ-

গুৰুজনক দেখিলে নমস্কাৰ কৰিবা।

দুষ্টৰ সঙ্গত নুফুৰিবা।
স্থান এৰিলে মান এৰিব লাগে।
সজ মানুহৰ গুণ বিস্ফোৰিত হয়। ( মাজছোৱা)

ইয়াৰ উপৰিও শিশুক সাধাৰণ জ্ঞান দিয়াৰ চেষ্টা গগৈৰ ল'ৰাশিক্ষা মাজছোৱাত আছে। এই সাধাৰণ জ্ঞানত আছে বুৰঞ্জী, ধৰ্ম, ভূগোলৰ কিছু জ্ঞান। এইধৰণৰ জ্ঞানো শিশুৰ বাবে খুবেই প্ৰয়োজনীয়। উদাহৰণ-

মাহৰ শেষৰ দিনক সংক্ৰান্তি বোলে।
খ্ৰীষ্টিয়ানবিলাকৰ ধৰম পুথিৰ নাম বাইবেল।
কীৰ্ত্তন আমাৰ দেশৰ এখন ধৰম পুথি।
উৰ্দ্দু নামেৰে এটা ভাষা আছে।
মক্কা নগৰত মহম্মদৰ জন্ম হৈছিল। (মাজছোৱা)

সংযোগী আখৰৰ ক্ষেত্ৰত গগৈয়ে দুই আখৰীয়া, তিনি আখৰীয়া, চাৰি আখৰীয়া সংযোগী আখৰৰ প্ৰয়োগ হোৱা শব্দৰ উদাহৰণসহ দেখুৱাইছে। উদাহৰণস্বৰূপে-

দুই আখৰীয়া

ক ক ক্ক -মক্কা, পোৱামক্কা
ক ত ক্ত- উক্ত, মুক্তি, বক্তিয়াৰ, মুক্তাৱলী
তিনি আৰু চাৰি আখৰীয়া
ত ত ৰ ত্ৰ-পুত্ৰ, ব্ৰহ্মপুত্ৰ
ন দ ৰ ন্দ্ৰ- চন্দ্ৰ, ইন্দ্ৰিয়, আচন্দ্ৰাই
ম ভ ৰ ম্ভ্ৰ- সম্ভ্ৰম ( মাজছোৱা)

ইয়াৰ উপৰিও ল'ৰাশিক্ষাৰ মাজছোৱাত হেমকণ্ঠৰ পিতৃ-ভক্তি', 'ল'ৰাৰ উৎসাহ', 'গৰু' নামেৰে তিনিটা পাঠৰ সংযোগ কৰিছে। আটাইকেইটা লেখাৰ মাজতে সাধাৰণ যেন লাগিলেও শিশুৰ বাবে নীতিগত কথাই নিহিত হৈ আছে। ল'ৰাশিক্ষাৰ মাজছোৱাৰ শেষৰফালে সাতবাৰ, বাৰমাহ, পোন্ধৰ তিথি, দুই পক্ষ,দশদিশ, ষৰ্ড় ৰস, ছয় ঋতু সম্পৰ্কে উল্লেখ কৰিছে। গগৈয়ে ল'ৰাশিক্ষাৰ আটাইকেইটা ছোৱাতে প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনাক গুৰুত্ব দিছে। ফকৰা যোজনা, প্ৰবাদত নিহিত অৰ্থ শিক্ষা জীৱনতে নহয় মানুহৰ দৈনন্দিন জীৱনতো উপলব্ধি কৰিলে জীৱনৰ সজ পথ, সজ আদৰ্শৰে চলিব পাৰে। এইবোৰো শিশুৰ বাবে একো একোটা নীতিগত পাঠ। ল'ৰা শিক্ষাৰ আগছোৱাৰ কেইটামান উদাহৰণ-

নাই মোমাইত কৈ কণা মোমায়ে ভাল।
বাটি খালে আঁটি যায়, লুকাই খালে ঢুকাই যায়।
ভাতৰ তিতা খাব পাৰি, মাতৰ তিতা সহিব নোৱাৰি।
চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি।
আপদৰ মাত, আকালৰ ভাত।
আপোন ভালে জগত ভাল।

ঠিক তেনেদৰে ল'ৰাশিক্ষাৰ মাজছোৱাত এনেধৰণৰ প্ৰবচন-ফকৰাৰ ব্যৱহাৰ মনকৰিবগীয়া। অসমীয়া সমাজত ইয়াৰ প্ৰভাৱ পূৰ্বৰে পৰা আছে, বৰ্তমানেও এইবোৰৰ মূল্য অসীম। এক প্ৰকাৰে মুখে মুখে প্ৰচলিত প্ৰবচন বোৰে লিখিত ৰূপ লাভ কৰি সংৰক্ষিত ৰূপ লাভ কৰিছে।

খন্তেকৰ ভোজ খাওতা নাই।

যাঁচি দিলে নাই সুবৰ্ণৰো দৰ।
তুলসীৰ লগত কলপটুৰাৰো মুক্তি।
সাপে হে সাপৰ ঠেং দেখে।
টেঙা আম এবাৰ হে বেচিব পাৰি। (মাজছোৰা)

ল'ৰাশিক্ষাৰ শেহছোৰাত প্ৰকাশিত এনে কিছুমান উদাহৰণ হৈছে-

ভালৰ ভাল সৰ্বতিকাল, বেয়াৰ নাই ক'তো ভাল।
আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন।
যি যিমানলৈ নামে সি সিমানলৈ তিতে
আমে চামক নিন্দে
এবাৰ সাপে খালে কেঁচুতো ভয়।

ল'ৰাশিক্ষাৰ শেহছোৰাত মূলত শিশুৰ বাবে উপদেশধৰ্মী কথাই সন্নিৱিষ্ট কৰিছে। এই সম্পৰ্কে স্পষ্টকৈ পাতনিতে গগৈয়ে উল্লেখ কৰিছে-*"যিবিলাক পাঠ পঢ়িলে ল'ৰাবিলাকে নীতি শিক্ষা পাব পাৰে, তেনেবিলাক পাঠহে এই পুথিত ঘাইকৈ দিয়া হৈছে।"*এই খণ্ডটিত কেইবাটাও উপদেশমূলক লেখা আছে। 'সজ উপদেশ' নামেৰ লেখাটোৰে আৰম্ভ কৰা লেখাটোত 'হে মোৰ মৰমৰ ল'ৰাবিলাক বুলি পোনপটীয়াকৈ উপদেশ দিছে এনেদৰে- *" তোমালোকে এতিয়া যি কামত ভৰি দিছাহঁক, এয়ে তোমালোকৰ লেখা পঢ়া শিকিবৰ ঘাই সময়। ল'ৰা বয়সত লেখা-পঢ়া শেষ কৰি ন'ললে আগলৈ শিকা টান হ'ব। এতেকে তোমালোকে এই সোণাময় কালটি অবাবত নেখেলাই পাৰামানে জ্ঞান বিদ্যা আৰ্জিবলৈ পুৰুষাৰ্থ কৰ।" (পৃ.১২৪)*

উপদেশ প্ৰদান কৰাৰো নিজা এক শৈলী ৰক্ষা কৰিছে গগৈয়ে। উপদেশ প্ৰদান কৰিবলৈ খুব সাধাৰণভাৱে কাহিনী এটাৰ আলম লৈ কবলগীয়া কথাখিনি সামৰিছে। ল'ৰাশিক্ষাৰ শেহছোৰাতে আন এটা লেখা লিখিছে, সেয়া হৈছে- 'কেতিয়াও মিছা কথা নকবা'। এই লেখাতো গৰখীয়া আৰু বাঘৰ কাহিনীৰে মিছা কথা কোৱাৰ পৰিণাম কেনেকুৱা হ'ব পাৰে তাকে বুজাই দিছে। এনেদৰে আন কেইটামান লেখাত উপদেশৰ্ধিমতা ৰক্ষা কৰি মাতৃৰ প্ৰতি শ্ৰদ্ধা সেৱা কৰিবলৈ, পিতৃৰ উপদেশ শুনিবলৈ পৰামৰ্শ দিছে, ভাই-ককাইৰ প্ৰতি মৰম আৰু মিলা মিছা ৰাখিবলৈ গগৈয়ে লেখা লিখিছে। ইয়াৰ উপৰিও শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ পৰামৰ্শ দিছে- *"যদি তোমাৰ অধ্যাপকে তোমাক গালি পাৰে, নাইবা মাৰে তাত তুমি কিছু বেজাৰ নকৰিবা। যি জগৰৰ বাবে তেওঁ তোমাক শাস্তি দিয়ে, আগলৈ তেনে জগৰ নকৰিবৰ কাৰণে মাথোন যত্ন কৰিবা। এনে কেতবিলাক ল'ৰা আছে, সিহঁতে কোনো জগৰৰ বাবে মাৰ খালে, নিজকে নোদোষি অধ্যাপকৰ ওপৰত খং কৰে, কিন্তু তুমি তেনে কাম কেতিয়াও নকৰিবা।"(পৃ.১৩৩)*

এইকেইটা কৰিবলগীয়া কামৰ উপৰিও কি কি নকৰিবলগীয়া কাম আছে। গগৈয়ে ল'ৰাশিক্ষাৰ শেহছোৰাত ভালদৰে বুজাই লিখিছে। প্ৰথমতে, বেয়া ল'ৰাৰ সঙ্গত নুফুৰিবলৈ পৰামৰ্শ দিছে। এই পৰামৰ্শ দিবলৈ দুষ্টৰ সঙ্গত নুফুৰিবলৈ পৰামৰ্শ দিছে। এই পৰামৰ্শ দিওঁতে দুষ্টৰ সঙ্গত ফুৰা মানে কেনে পৰিৱৰ্তন হ'ব পাৰে তাৰ তুলনা কৰি কৈছে - *"চোৱাচোনঃ গাখীৰ কেনে পৱিত্ৰ আৰু নিকা বস্তু,যদি তাত এছাটি গোবৰৰ পানী পৰে, তেনেহ'লে সি তেনেই নষ্ট হ'ব আৰু আঙ্ঠাই তপত তপত হৈ থাকোঁতে পোৱে আৰু চেঁচা হ'লেও হাত কলা কৰে।"(পৃ.১৩৫)* ইয়াৰ উপৰিও খঙক লাই নিদিবা, অকাৰণত জীৱহত্যা নকৰিবা, চুৰ নকৰিবা আদি লেখাটো নৈতিক আদৰ্শ প্ৰদানৰ লগতে সজ চৰিত্ৰ গঠনত লেখকে গুৰুত্ব দিছে।

ল'ৰাশিক্ষাৰ শেহচোৰাতে দুটা কাহিনী আছে। এটা ভালুক আৰু দুজন বাটৰুৱাৰ কথা আৰু এটা কিৰ্পিণ মানুহৰ কথা নামেৰে লেখা কাহিনী দুটাৰো মুখ্য উদ্দেশ্যই হৈছে সজ আচৰণ আৰু নৈতিকতাৰ পাঠ শিশুসকলক প্ৰদান কৰা। ল'ৰাশিক্ষাৰ শেহছোৰাতে 'নীতিকথা' নামেৰে এটা পাঠ সন্নিৱিষ্ট কৰিছে। নীতিকথাই যিহেতু শিশুৰ

চৰিত্ৰ গঠনত সহায় কৰে। সৰুৰে পৰা লাভ কৰা শিক্ষাই ভৱিষ্যত জীৱনতো ক্ৰিয়া কৰে। ল'ৰাকালতে নীতি শিক্ষাৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰিয়েই পানীন্দ্ৰ নাথ গগৈয়ে প্ৰত্যক্ষ ভাৱে ল'ৰাশিক্ষাৰ পাতত নীতিকথাক গুৰুত্ব দিছে। উদাহৰণস্বৰূপে- *আজিৰ কাম আজিয়ে কৰিবা কালিলৈ নেৰাখিবা।*

বিদ্যাতকৈ ডাঙৰ বস্তু নাই, কিয়নো তাক চোৰে নিব নোৱাৰে, জ্ঞাতিয়েও তাৰ অংশ নেপায়, অথচ দান কৰিলে বাঢ়েহে। যাৰ জন্মৰ দ্বাৰা বংশ পোহৰ হয়, তেওঁৰ জন্মহে সাৰ্থক, নাইবা এই মৰণশীল জগতত কোননো ওপজা মৰা নাই। ইয়াৰ উপৰিও পটন্তৰৰ পাঠ এটাও সন্নিৱিষ্ট কৰিছে।

আশয় পোৱা কুকুৰে গললৈ জঁপিয়ায়।
মানুহৰ জীৱন কচুপাতৰ পানীৰ নিচিনা
অভ্যাসৰ নৰ, কৰ্ণ পথে কৰে শৰ।
চিকাক মাৰিলে হাতহে গোন্ধায়। (পৃ.১৪১-১৪২)

'ল'ৰাশিক্ষাৰ শেহছোৱাত গা ভালে ৰাখিবৰ উপায়' শীৰ্ষক লেখাত শিশুৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বিষয়টোৰ আলোচনা কৰিছে। এই গা-ভালে ৰাখিবৰ উপায় হিচাপে তেওঁ আঠটা নিয়ম বা উপায় বৰ্ণনা কৰি লিখিছে। ভাল ঘৰ, গা আদি পৰিষ্কাৰ ৰখা,আহাৰৰ সু- ৰুচি, পানীৰ পৰিষ্কাৰ পৰিচ্ছন্নতা, নিকা পিন্ধা কাপোৰ, ভাল টোপনিৰ প্ৰয়োজনীয়তা, ব্যায়ামৰ উপকাৰিতা, ৰাগিয়াল বস্তুৰ অপকাৰিতা সম্পৰ্কে বৰ সুন্দৰকৈ বুজাই দিছে। উদাহৰণ,

ক) "আমাৰ থকা ঘৰ ভাল হ'ব লাগে। বাৰিষা য'ত পানী বন্ধ নেযায়, আৰু জেকনি নেলাগে, এনে ঠাইত ঘৰ সজা উচিত। ঘৰৰ ভেটি ওখ কৰি তুলিব লাগে। ঘৰবিলাক ওখ হোৱা ভাল, চাপৰ ঘৰত থকা ভাল নহয়। ঘৰৰ চাৰিওফালৰ ওচৰৰ ঠাইখিনি শুকান আৰু ফৰ্ফৰীয়া হোৱা উচিত।"(পৃ,১৪৮)

খ) ভোজনৰ অন্তত অলপ পানী খোৱা বেয়া নহয়। ভাত খাই থাকোঁতেই ঢোকাঢোকে পানী খোৱা বৰ বেয়া। ভালেমান বাট খোজ কাঢ়ি আহি নাইবা পৰিশ্ৰম কৰি আহি পোনে পোনেই পানী খোৱা ভাল নহয়। অলপ জিৰাই তাৰ পাছত খোৱা ভাল। ভাগৰত পোনে পোনেই পানী খালে, ঢকে ধৰি মৰিবও পাৰে।"(পৃ,১৫৩)

**২. উপসংহাৰ**

এনেদৰে লক্ষ্য কৰিলে দেখা যায় পানীন্দ্ৰ নাথ গগৈয়ে শিশু সাহিত্যৰ ক্ষেত্ৰখনত পাঠ্যপুথি প্ৰণয়নৰ জৰিয়তে শিশুৰ বাবে প্ৰয়োজনীয় ভাষা শিক্ষা, সাধাৰণ জ্ঞানৰ লগতে নৈতিক আচাৰ-আচৰণৰ উপদেশ দিছে । উপদেশ ধৰ্মী কথাবোৰ প্ৰকাশ কৰিবলৈ কেতিয়াবা নীতিকথা, প্ৰবাদ-যোজনা, গল্প বা কাহিনীধৰ্মী লেখাৰ জৰিয়তে প্ৰকাশ কৰিছে। কেতিয়াবা প্ৰত্যক্ষ ভাৱে কৰণীয়-অকৰণীয় কামৰ কথাও লেখাৰ মাজত উল্লেখ কৰিছে। তেওঁ শিশু সাহিত্যৰ মাজেৰে এজন ভাষা সচেতন লেখক ৰূপে প্ৰতিফলিত হোৱাৰ মূলতে হৈছে সাহিত্যৰ মাজেৰে অসমীয়া ভাষাৰ শুদ্ধ ৰূপ বিশেষকৈ সংযুক্ত আখৰ, আখৰ জোঁটনি, ভাষাৰ প্ৰাৰম্ভিক জ্ঞানৰ ওপৰত গুৰুত্ব দি পানীন্দ্ৰনাথ গগৈয়ে শিশুৰ বাবে প্ৰয়োজনীয় পাঠ ৰচনা কৰিছে। এই ৰচনাসমূহত নিভাঁজ ভাষা ৰূপৰ ব্যৱহাৰ, শব্দ বাক্যৰ গাঁথনিয়ে শিশু সকলক সহজে আকৰ্ষণ কৰাৰ থল আছে। ইয়াৰ উপৰিও দুই-এক পাঠত বুৰঞ্জী, ভূগোল, ধৰ্মীয় কিছু জ্ঞান খুব সংক্ষিপ্ত ৰূপত এটা বাক্যৰ মাজেৰে দিয়াৰ চেষ্টা কৰিছে। উনবিংশ শতিকাতে লিখা তেওঁৰ সাহিত্য পাঠৰ বিষয়সমূহ শিশুসকলৰ বাবে বৰ্তমানেও খুবেই প্ৰাসংগিক। ক'ব পাৰি পানীন্দ্ৰনাথ গগৈৰ ল'ৰাশিক্ষাৰ তিনিটা চোৱাই অসমীয়া শিশু সাহিত্যত অমূল্য দান কৰিলে আৰু আজিও সেই সাহিত্য অসমীয়া শিশু সাহিত্যৰ বাবে আপুৰুগীয়া সম্পদ।

**প্ৰসংগ টোকা ঃ**

১. পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী,পৃ,১৮৩
২. পানীন্দ্ৰনাথ গগৈৰ ৰচনাৱলী, পৃ.২৪১
৩. পানীন্দ্ৰনাথ গগৈৰ ৰচনাৱলী, পৃ.৭১
৪. পানীন্দ্ৰনাথ গগৈৰ ৰচনাৱলী, পৃ,৭৭

**গ্ৰন্থপঞ্জী ঃ**

**মূল গ্ৰন্থ ঃ**

বৰুৱা, হেমন্ত কুমাৰ (সম্পা.)। *পানীন্দ্ৰনাথ গগৈৰ ৰচনাৱলী*। দ্বিতীয় সংস্কৰণ,২০০৩।

ৰাজখোৱা,অৰবিন্দ (সম্পা.)। *পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী*। বনলতা, ডিব্ৰুগড়-১, ২০২২।

**গৌণ গ্ৰন্থ ঃ**

বৰা,মনালিছা আৰু ৰেখা কলিতা (সম্পা.)। *অসমীয়া শিশুসাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন*। এন.এল পাব্লিকেশ্বনচ্, গুৱাহাটী-১,২০১৫।

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# হীৰেন ভট্টাচাৰ্য্যৰ কবিতাত চিত্ৰকল্প ঃ এটি অধ্যয়ন

**ড০ ৰীতা শৰ্মা**
সহকাৰী অধ্যাপিকা,
ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ, লেংটিছিঙা
মেইল-reeta.sarma@gmail.com
ফোন- 9435740434

**সংক্ষিপ্তসাৰ**

কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতা সকলোৱে সহজে বুজিব পৰা মানুহৰ আৱেগ-অনুভূতি, বিষাদ-বেদনা, প্ৰেম-বিচ্ছেদ আদিৰ মুকলি প্ৰকাশ। মানুহৰ অনুভূতিসমূহ প্ৰতীক, ৰূপক, চিত্ৰকল্প আদিৰ ব্যৱহাৰেৰে সহজবোধ্য আৰু উজ্জ্বল কৰি তুলিছে। প্ৰতীক, ৰূপক আদিৰ ব্যৱহাৰ অতি প্ৰাচীন কালৰে পৰা সাহিত্যত ব্যৱহাৰ হৈ আহিছে যদিও চিত্ৰকল্পৰ ব্যৱহাৰ সাহিত্যত তুলনামূলকভাৱে নতুন। অৱশ্যে আন প্ৰকাৰে ক'বলৈ হ'লে ৰূপক, প্ৰতীক আদি অলঙ্কাৰবোৰ চিত্ৰকল্পৰে খণ্ডিত ৰূপ। '*সুগন্ধি পখিলা*'ৰ কবি ভট্টাচাৰ্য্যৰ কবিতাতো চিত্ৰকল্পই ভিন ভিন ৰূপত উদ্ভাসি উঠি তেওঁৰ কবিতাক অনন্য সুষমা প্ৰদান কৰিছে। আমাৰ এই আলোচনাত '*সুগন্ধি পখিলা*'ত দেখিবলৈ পোৱা চিত্ৰকল্পসমূহৰ এক অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**বীজশব্দ ঃ** হীৰেণ ভট্টাচাৰ্য্য, সুগন্ধি পখিলা, চিত্ৰকল্প

**০.১ অৱতৰণিকা ঃ**

আধুনিক কবিতা আৰু চিত্ৰকল্প এটা আনটোৰ পৰিপূৰক হিচাপে বিবেচিত। আধুনিক কবিতা সম্পৰ্কে প্ৰথম অৱস্থাত সঘনাই ব্যক্ত হোৱা মত আছিল যে ই দুৰ্বোধ্য। সেয়ে বহুতে ইয়াক পৰিহাৰ কৰি চলিছিল। আধুনিক কবিতানো দুৰ্বোধ্য কিয় ? আধুনিক কবিতাত উপমা, প্ৰতীক আদি কবিতাৰ প্ৰয়োজনীয় উপকৰণসমূহ পূৰ্বৰ দৰে বাহাল থাকিলেও প্ৰকাশভংগীৰ পৰিৱৰ্তনৰ লগে লগে পৰিবৰ্তন আহিল। উপমা, প্ৰতীকসমূহ নিত্য নতুন অৰ্থেৰে প্ৰকট হোৱাৰ পৰিণতিত ই কঠিন হৈ পৰিল। ইয়াৰ লগত সংযোগ হ'ল চিত্ৰকল্পসমূহ। উপমা, ৰূপক, প্ৰতীক আদি চিত্ৰকল্পৰে খণ্ডিত ৰূপ যদিও এইবোৰ চিত্ৰকল্প নহয়। একোটা চিত্ৰকল্পই কবিৰ মনৰ ভাৱক পৰিপূৰ্ণতা প্ৰদান কৰে। চিত্ৰকল্প স্থিৰ, গতিশীল, ইঙ্গিতধৰ্মী, ইন্দ্ৰিয়লব্ধ আদি ভিন্ন প্ৰকাৰৰ হ'ব পাৰে। কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতাতো চিত্ৰকল্পই বিশেষ ৰূপ প্ৰদান কৰিছে, তেওঁৰ সৰু সৰু কবিতাবোৰ চিত্ৰকল্পৰ উজ্বল প্ৰকাশ।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

হীৰেন ভট্টাচাৰ্য্য এগৰাকী সুকোমল হৃদয়ৰ প্ৰেমিক কবি। প্ৰতীক, ৰূপক, চিত্ৰকল্প আদিয়ে তেওঁৰ

কবিতাক যি সৌন্দৰ্য্য-সুষমাৰে মণ্ডিত কৰিছে সেই বিষয়ৰ আলোচনা ইয়াৰ উদ্দেশ্য। ব্যৱহৃত চিত্ৰকল্পসমূহত প্ৰকৃতি প্ৰেম, মানৱ প্ৰেম কিদৰে চিত্ৰিত হৈছে আৰু অসমীয়া কবিতাক কিদৰে সমৃদ্ধ কৰি তুলিছে সেই দিশত গুৰুত্ব প্ৰদান কৰা হৈছে।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

আমাৰ আলোচনাৰ পৰিসৰত হীৰেন ভট্টাচাৰ্য্যৰ *সুগন্ধি পখিলা* নামৰ কাব্য গ্ৰন্থখন লোৱা হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি আৰু তথ্যৰ উৎস ঃ**

অধ্যয়নৰ পদ্ধতি হিচাপে বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত পুথিগত তথ্যৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

**১. বিষয় আলোচনা ঃ**

**১.১ চিত্ৰকল্প ঃ**

আধুনিক সমালোচনা সাহিত্যত সঘনাই উচ্চাৰিত এটি শব্দ চিত্ৰকল্প। সঘনাই উচ্চাৰিত যদিও শব্দটোৰ ৰূপ দ্ব্যৰ্থক। সাধাৰণ অৰ্থত চিত্ৰকল্প শব্দই কল্পনাৰ সহায়ত অঙ্কিত চিত্ৰ এখনকে নিৰ্দেশ কৰে। যিহেতু এই শব্দটো সাহিত্যৰ লগত জড়িত আৰু সাহিত্যক সদায় শব্দই প্ৰতিনিধিত্ব কৰে·গতিকে সহজাৰ্থত সাহিত্যিকে মনৰ ভাৱ তথা আৱেগ-অনুভূতিক শব্দৰে সজাই পাঠকৰ আগত এনেদৰে উলিয়াই দিয়ে যে ই এক চিত্ৰৰ ৰূপত পাঠকৰ চকুত দৃশ্যমান হয়।

সাহিত্যৰ বিভিন্ন বিভাগবোৰৰ ভিতৰত কবিতাত চিত্ৰকল্পই প্ৰভাৱ বিস্তাৰ কৰি আহিছে। তুলনামূলকভাৱে শব্দটো নতুন বা আধুনিক সাহিত্যৰ অন্তৰ্ভূক্ত হ'লেও মৌখিক সাহিত্যৰ সময়ৰ পৰাই পৃথক ৰূপত কবিতা বা গীতত ই ব্যৱহৃত হৈ আহিছে। প্ৰতীক, ৰূপক, উপমা আদি আমাৰ সকলোৰে পৰিচিত অলঙ্কাৰবোৰ প্ৰকৃততে চিত্ৰকল্পৰে একো একোটা খণ্ডিত ৰূপ। সেই দিশৰ পৰা চিত্ৰকল্প পুৰণি অলঙ্কাৰৰ আধুনিক ৰূপ। পাৰ্থক্য এইখিনিতে যে চিত্ৰকল্পই পাঠকক বিষয়ৰ এক পূৰ্ণ চিত্ৰ দাঙি ধৰাৰ লগতে পোনপটীয়াকৈ বৰ্ণনা কৰিব নোৱাৰা বিষয়ক দ্ব্যৰ্থক ৰূপত বাঙ্ময় কৰি তোলে।

ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতিক কবিয়ে চিত্ৰকল্পৰ জৰিয়তে প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। চিত্ৰকল্প যে অকল ইন্দ্ৰিয়গ্ৰাহ্য হে হ'ব পাৰে তেনে নহয়। সাহিত্য সমৃদ্ধ কৰা অলঙ্কাৰপূৰ্ণ চিত্ৰকল্প অথবা বিষয়ৰ পোনপটীয়া প্ৰকাশক আলঙ্কাৰিক আৰু আক্ষৰিক চিত্ৰকল্পও সাহিত্যত পোৱা যায়। কবি-সাহিত্যিকসকলে তেওঁলোকৰ সাহিত্যকৰ্ম পাঠকক হৃদয়ঙ্গম কৰাবলৈ, সাহিত্যৰ অন্তৰ্নিহিত ৰস পাঠকক পান কৰাবলৈ চিত্ৰকল্পৰ সহায় লৈ আহিছে। চিত্ৰকল্পৰ সহায়ত আধুনিক কবিতাত প্ৰকৃতি-জীৱন-জগত আদিৰ প্ৰকাশ ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতিলৈ ৰূপান্তৰ ঘটিল। সমালোচকসকলেও কবি এগৰাকীৰ কাব্যকৃতি আলোচনা কৰোঁতে চিত্ৰকল্পৰ ব্যৱহাৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। চিত্ৰকল্পৰ প্ৰয়োগ সম্পৰ্কীয় আলোচনা প্ৰসঙ্গত চিত্ৰকল্পৰ মৌলিকত্ব আৰু শক্তিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। তদুপৰি চিত্ৰকল্পই কবিৰ মনৰ অন্তৰ্নিহিত ভাৱ প্ৰকাশত কিমান দূৰ সফল হৈছে তথা কবিৰ অভিজ্ঞতা, ৰসবোধ আদিয়ে লক্ষ্যপ্ৰাপ্তিত কিদৰে অৰিহণা যোগাইছে সেয়া বিচাৰ্য্য বিষয়। এখোজ আগবাঢ়ি ক'ব পাৰি আধুনিক কবিতাত চিত্ৰকল্পই এনে স্থান দখল কৰিছে যে ইয়াৰ অৰিহনে আধুনিক কবিতা আধৰুৱা।

**১.২ হীৰেন ভট্টাচাৰ্য্যৰ কবিতা ঃ**

'সুগন্ধি পখিলা'ৰ কবিৰূপে খ্যাত হীৰেন ভট্টাচাৰ্য্যৰ কবিতাৰ ৰূপ-ৰস-গোন্ধই পাঠকৰ ইন্দ্ৰিয়জ অনুভূতিসমূহক আলোড়িত কৰি বৰ্ণনীয় বিষয়ক আস্বাদিত কৰি তোলাত সহায় কৰে। বিশেষকৈ তেওঁৰ কবিতাৰ বৰ্ণ-গোন্ধই সৃষ্টি কৰা পৰিৱেশে পাঠকৰ মন-প্ৰাণ ভৰাই তুলি বলৈ সমৰ্থ হৈছে। তেখেতৰ 'সুগন্ধি পখিলা'ৰ

কবিতাসমূহৰ চিত্ৰকল্পই কবিৰ মনৰ সকলো প্ৰকাৰৰ অনুভূতি অলঙ্কাৰেৰে সমৃদ্ধ হৈ ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ লৈছে। প্ৰতিটো কবিতাতে বক্তব্য বিষয়ে চিত্ৰকল্পৰ জৰিয়তে ঈপ্সিত লক্ষ্যত উপনীত হোৱাত সহায় কৰিছে। *অভিজ্ঞান* কবিতাত বেদনাৰ আঘাতত ক্ষত-বিক্ষত কবিৰ মন-মগজুক এজাক ৰূপালী চৰাইয়ে জগাই তুলিছে। চৰাইজাকৰ পাখিৰ জলমলনিত সাৰ পাই উঠিছে কবিৰ বেদনাৰ আঁৰত শুই থকা 'প্ৰাণ-সূৰ্য্যৰ উত্তাপ' ঃ

জাৰত কঁপি থকা সিহঁতৰ ডেউকাত
পোহৰৰ কি যে অদ্ভুত স্পন্দন! (অভিজ্ঞান ঃ সুগন্ধি পখিলা)

চৰাইজাকক দেখি কবি আচৰিত হৈ নিজৰ অন্তৰত লুকাই থকা 'প্ৰত্যয়-দীপ্ত সেউজীয়া তৰঙ্গ'ক উপলব্ধি কৰিব পাৰিছে, এয়ে 'অভিজ্ঞান'। জাৰত কঁপি থকা দৰ্শন অনুভূতিজাত চিত্ৰকল্পই পূৰ্ণতা পাইছে পোহৰৰ স্পন্দনৰ জৰিয়তে।

ভট্টাচাৰ্য্যৰ কবিতাত আছে আশাবাদ। যি আশাবাদে তেওঁক আঘাতদাহ্য এখন পৃথিৱীৰ মাজতো উজ্জ্বল পোহৰ, সুন্দৰ জীৱন, সুন্দৰ পৃথিৱী, বহল আকাশ, মুকলি বতাহৰ সপোন দেখুৱাইছে ঃ

কলঘৰৰ ক'লা ধোঁৱাই
এদিন আকাশত বিজুলী জ্বলাব,
ৰাস্তাৰ কাষৰ এইজাক ল'ৰাই
জীৱনৰ বাটে বাটে ফুল ফুলাব,
ব্যাধিগ্ৰস্ত এই নগৰে এদিন
আকাশলৈ মূৰ তুলি চাব ঃ আকাশ ইমান বহল!
দ-কৈ উশাহ লৈ ক'ব ঃ বতাহ ইমান কোমল!! (নাগৰিক ঃ সুগন্ধি পখিলা)

হিংসাজৰ্জৰ এখন সমাজত, পাৰস্পৰিক খিয়লা-খিয়লিত ক্ষত-বিক্ষত, দিশহাৰা নাগৰিক জীৱনৰ মাজতো নৱ প্ৰজন্মৰ পৰা তেওঁ আশা কৰিছে এখন উজ্জ্বল পৃথিৱী। য'ত থাকিব এখন মুকলি আকাশ, অলপ মুকলি বতাহ। কবিৰ স্বপ্ন জলমল এই মৌলিক চিত্ৰকল্পত সঞ্চিত আছে হৃদয়ৰ আন্তঃ অনুভূতিপূৰ্ণ আশাবাদ। যি আশাবাদে তেওঁৰ চেতনাক স্পৰ্শ কৰি অন্ধকাৰাচ্ছন্ন হৃদয়ত 'বিদ্যুৎ বিস্ময়' জগাই তুলিছে।

ভট্টাচাৰ্য্যৰ কবিতাত মৃত্যুৱে বিশেষ স্থান দখল কৰিছে। মৃত্যুক দেখি তেওঁ কাতৰ হোৱা নাই বৰং তেওঁৰ কবিতাত মৃত্যু হৈ পৰিছে শিল্প। ই এনে এক শিল্প যাক নিৰ্লোভৰূপে ভাস্কৰ্য্যায়িত কৰিতোলা হৈছে একমাত্ৰ জীৱনক প্ৰৱহমান কৰি ৰাখিবৰ বাবেই ঃ *"মৃত্যুওতো এটা শিল্প / জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য"* ৰবীন্দ্ৰনাথ ঠাকুৰেও মৃত্যুৰ সৰ্বগ্ৰাসী ৰূপ দেখি ভয় খোৱাৰ বিপৰীতে কাব্যিক ৰূপ প্ৰদান কৰিছে 'হে মৰণ তুহু মম শ্যাম সমান'। ৰূঢ়-কৰুণ বাস্তৱতাৰ প্ৰতীক মৃত্যুই ভট্টাচাৰ্য্যৰ কবিতাত শিল্পৰূপে শ্ৰুতিমধুৰ, ধ্বনিবৈচিত্ৰ্য আৰু গতিময়তাৰে ৰূপায়িত হৈছে। 'শ্বহীদ' কবিতাত দেশৰ প্ৰতি আত্মোৎসৰ্গৰ তীব্ৰ বাসনাৰে আগবাঢ়ি অহা এক তেজাল শৰীৰ দেশৰ মাটিত 'নিজানে নিতালে' শুই থকা ৰূপৰ মাজতো মৃত্যুৰ নিষ্ঠুৰতা প্ৰতিবিম্বিত হৈছে ঃ

যাৰ;
তেজত তিৰবিৰাইছিল
তৰালি,
বুকুত,
গুণগুণাইছিল
মৌমাখি--
সি নিজানে নিতালে

শুই আছে।
শিতানত তাৰ
তেজে ধোৱা মাটি। (শ্বহীদ ঃ সুগন্ধি পখিলা)

ইয়াত মৃত্যুৰ কঠিনতা আৰু ৰূঢ় বাস্তৱক ধ্বনি বৈচিত্র্য আৰু চিত্ৰকল্পই শিল্পময় ৰূপেৰে কমনীয়তাৰে সজাই দেশপ্ৰেমৰ সুন্দৰ ছবি প্ৰতিফলিত কৰিছে।

'সময়' তেওঁৰ আন এটি উজ্জ্বল কবিতা। চিতাভস্মৰ মাজত নিষ্ঠুৰ কালৰ প্ৰতিচ্ছায়া দেখি কবি চমকি উঠিছে। তেওঁ ভয়ত আঁতুৰ হৈ তাৰ পৰা পলাবলৈ উদগ্ৰীৱ হৈছে, ফলশ্ৰুতিত ধমনীৰ তেজৰ দ্ৰুত প্ৰৱাহে শৰীৰত হেন্দোলনি তুলিছে। নিষ্ঠুৰ কালৰ প্ৰচ্ছায়াৰ ইঙ্গিতধৰ্মী চিত্ৰকল্পেৰে সময়ৰ বাচ্যাৰ্থ গৌণ হৈ তাৰ পৰা পলোৱাৰ বা ৰক্ষা পোৱাৰ ৰাস্তা যে ৰুদ্ধ, এই ব্যঞ্জনাৰ্থহে মুখ্য হৈ দেখা দিছে।

অশ্ৰু টলমল চিতাভস্মৰ
স্তুপৰ মাজেৰে
জপিয়াই আহে ভয়াল ক্ষিপ্ত বাঘ।
থৌকি বাথৌ হৃদয়ে হৃদয়ে
হেন্দোলনি তোলে
তেজৰ দ্ৰুত প্ৰবাহ। (সময় ঃ সুগন্ধি পখিলা)

কবিতাটোত 'ভয়াল ক্ষিপ্ত বাঘ' নিষ্ঠুৰ কালৰ ইঙ্গিতবাচক; কালৰূপী মৃত্যুৱে যিকোনো মুহূৰ্ততে আমাক ডিঙিত কামুৰি লৈ যাব পাৰে এই পৃথিৱীৰ পৰা।

মাটিৰ মানুহ আমি; বাস কৰোঁ মাটিৰ পৃথিৱীত। সেয়ে শস্য-শ্যামলা পৃথিৱী এখন আমি বিচাৰোঁ। আমাৰ এই আশা, এই কল্পনা অতি স্বাভাৱিক। আমাৰ এই মূল্যৱান আশা তথা বাসনা কাৰ্য্যত ৰূপ দিয়াটো প্ৰাথমিক প্ৰয়োজন, নহ'লে আমি আমাৰ সপোন হেৰুৱাম। কিন্তু কাৰ্য্যক্ষেত্ৰত ই অতি কঠিন, এই কঠিনতাৰ উমান পোৱা যায় 'হীৰাৰ দৰে উজ্জ্বল সপোন'ত। হীৰা এক মূল্যৱান উজ্জ্বল ধাতু যদিও ই অতি কঠিন; ঠিক মাটিৰ পৃথিৱীৰ বাবে দেখা সপোনটোৰ দৰে। এই সপোন বাস্তৱত ৰূপ দিবলৈ হ'লে প্ৰথমে তাক আমাৰ তন্তুৰে তন্তুৰে শিপাবলৈ দিব লাগিব। মাটিৰ লুণীয়া স্বাদ, শস্যৰ সুঘ্ৰাণ আমাৰ তেজত ব'ব লাগিব; তেহে সেই সপোন বাস্তৱায়িত কৰা সম্ভৱপৰ হ'ব। মাটিৰ পৃথিৱীৰ সপোন দেখা তেনে এক চিত্ৰকল্পই ইন্দ্ৰিয়লব্ধ নানান অনুভূতিৰ মাজেৰে প্ৰকাশ পাইছে 'সপোন' কবিতাত ঃ

স্নায়ুৰ শিথিল তৰংগেৰে
হীৰাৰ দৰে উজ্জ্বল এটা সপোন
অকস্মাৎ আহি
মোৰ হৃদয়ত আশ্ৰয় ল'লে। শস্যৰ সুঘ্ৰাণ, মাটিৰ লুণীয়া স্বাদ
বিয়পি পৰিল
শৰীৰৰ তন্তুৰে তন্তুৰে। (সপোন ঃ সুগন্ধি পখিলা)

ভট্টাচাৰ্য্যৰ কবিতাত চিত্ৰকল্প প্ৰয়োগৰ এটা মন কৰিবলগীয়া বৈশিষ্ট্য এয়ে যে আন আন কবিসকলৰ কবিতাবোৰৰ কোনো একোটা অংশহে চিত্ৰকল্পৰ ৰূপত প্ৰকাশ পোৱাৰ বিপৰীতে এই কবিৰ সম্পূৰ্ণ কবিতাটোৱে এক চিত্ৰকল্পৰূপে জিলিকি উঠে।

ইঙ্গিতধৰ্মী চিত্ৰকল্পই ভট্টাচাৰ্য্যৰ কবিতাত প্ৰাণ পাই উঠিছে। তেখেতৰ ৰচিত সৰু সৰু দুই-চাৰিশাৰীৰ কবিতাসমূহ ইঙ্গিতধৰ্মী চিত্ৰকল্পৰ মূৰ্তিমান স্বৰূপ। এই ৰূপৰ কবিতাসমূহত দুটা বা চাৰিটা শাৰীতে সম্পূৰ্ণ বিষয়বস্তু

প্ৰচ্ছন্ন হৈ আছে বাবে এইবোৰ বুজিবলৈ টান। অতি সংক্ষিপ্ত এই কবিতাসমূহ বুজিবলৈ অনুভূতিৰ তীব্ৰতাৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে ঃ

১. তুমি চকু মেলি দিলা
থমথমকৈ বহি থাকিল ক'লা দুটা পখিলা"

২. কেতিয়াবা যে বিষাদ জীৱনৰ ইমান কাষ চাপি আহে
বন্ধুৰ দৰে,
ম্লান হাতত তাৰ অন্য পাণ্ডুলিপি ..."

৩. ভঙা কলিজাত কোনে বিনায় ঃ
কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাঁই।"

আনহাতে আপাত দৃষ্টিত অসলগ্ন যেন লগা

৪. মুখত এজোলোকা তেজ। সূৰ্য্যটো ওলমি আছে।
আকাশ ফাঁচীৰ কাঠ।"

চিত্ৰকল্পত জীৱনৰ দুখ-দুৰ্দশা, অসহনীয় কষ্টৰ মাজত থকা আমাৰ বিপদসঙ্কুল সংসাৰ যাত্ৰাৰ স্থিৰ চিত্ৰ একোটা দাঙি ধৰিছে।

ভট্টাচাৰ্য্যৰ কবিতাত প্ৰেমৰ সুন্দৰ প্ৰকাশ ভিন ভিন ৰূপত প্ৰতিবিম্বিত হৈছে; লগতে ব্যক্তি জীৱনৰ অনুভৱবোৰ প্ৰকৃতিৰ ৰূপৰ মাজেৰে অঙ্কিত হৈছে। ফুল, চৰাই, বতাহ, ফাগুন, বসন্তকালৰ কল্পচিত্ৰ তেওঁৰ প্ৰেমৰ কবিতাসমূহৰ প্ৰাণস্বৰূপ। উপমা, ৰূপক আদিয়ে তেওঁৰ প্ৰেমৰ কবিতাসমূহক আলঙ্কাৰিক চিত্ৰকল্পৰূপে সজাই তুলিছে। তেওঁৰ 'তুমি যদি আহিলাহেঁতেন' কবিতাটোত উপমা, ৰূপক আৰু পটন্তৰে দৃশ্যমান ৰূপ লৈ আলঙ্কাৰিক চিত্ৰকল্পত পৰ্যবসিত হৈছে;

ইচ্ছাৰ কোমল আঙুলিৰে
ৰক্তস্ৰাবী হৃদয়ৰ
ছিঙা তাঁৰবোৰ জোৰাবলৈ
তুমি যদি
আহিলাহেঁতেন
ঘৰমুৱা চৰাইজাকৰ সতে
থোৰ মেলা ধানৰ বুকুৰে!
নৈ হৈ বৈ অহা আবেলিৰ
সোণোৱালী ৰ'দৰ দৰে! (তুমি যদি আহিলাহেঁতেন ঃ সুগন্ধি পখিলা)

বেদনাহঁত হৃদয়ৰ ক্ষতপূৰণৰ বাবে প্ৰিয়তমাৰ বাবে কৰা অপেক্ষা কবিতাটোত পৰিস্ফুট হৈছে। এই আশাত আছে ঘৰমুৱা চৰাইজাকৰ প্ৰশান্তি, থোৰমেলা ধানৰ আশা,আবেলিৰ সোণোৱালী ৰ'দৰ মিঠা উজ্জ্বলতা। কিন্তু পৰিহাসৰ কথা এয়ে যে এই সমগ্ৰ আশা পূৰণ হ'ব প্ৰিয়তমাৰ আগমনতহে। সেয়ে কবিতাটোৰ আৰম্ভণিতে কবিয়ে উল্লেখ কৰিছে 'ইচ্ছাৰ কোমল আঙুলিৰ' কথা। ৰূপক আৰু মালোপমাই কবিতাটোক এক গতিশীল চিত্ৰকল্প ৰূপেৰে উদ্ভাসিত কৰি তুলিছে।

**২. উপসংহাৰ ঃ**

প্ৰকৃতিৰ ফুল, চৰাই, গছ-লতিকাৰ লগতে আকাশ, বতাহ, মেঘ, বৰষুণ, প্ৰিয়তমা, প্ৰেম আদি প্ৰতিটো

বস্তুৰে একো একোটা মনোৰম ৰূপ লৈ ভট্টাচাৰ্য্যৰ কবিতাত ভূমুকি মাৰিছে। প্ৰেমৰ কবি ভট্টাচাৰ্য্যৰ কবিতাত প্ৰেম উপজীব্য বিষয় হ'লেও, তেওঁৰ আত্মনিষ্ঠ কবি হৃদয় বোধ আৰু সমাজ চেতনাৰে সমৃদ্ধ হৈ থকা বাবে প্ৰেম আৰু তেওঁৰ কবিতা মাৰ্জিত আৰু কলাসন্মত ৰূপৰ উজ্জ্বল প্ৰকাশ মাথোন। তেওঁৰ কবিতাত আছে বিভিন্ন ঋতুৰ সুবাস, প্ৰেমৰ বিভিন্ন স্তৰৰ অনুভৱ। প্ৰকৃতি আৰু প্ৰেমৰ সংমিশ্ৰিত অনুভূতি। দেশপ্ৰেমৰ আকুলতা, সংঘৰ্ষ জৰ্জৰ জীৱনৰ প্ৰতিচ্ছৱি। বন্দুক-বাৰুদৰ ধোঁৱাৰে আবৃত জীৱনৰ মাজতো উজ্জ্বল ভৱিষ্যতৰ আশাবাদ। এই সকলোবোৰ তেওঁ কবিতাত ফুটাই তুলিছে উপমা, প্ৰতীক, ৰূপক, চিত্ৰকল্প আদিৰ মাজেৰে। বিভিন্ন প্ৰকাৰৰ ইন্দ্ৰিয়গ্ৰাহ্য, আক্ষৰিক অথবা আলঙ্কাৰিক, স্থিৰ অথবা গতিশীল চিত্ৰকল্পৰে কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতা মহীয়ান।

**প্ৰসঙ্গটোকা ঃ**

১. শইকীয়া, নগেন; *সাহিত্য-বাদবৈচিত্ৰ্য* , কৌস্তুভ প্ৰকাশন,৬ষ্ঠ প্ৰকাশন, ২০১২

২. https://rb.gy/jfklji ; IMAGERY DEFINITION: 5+ TYPES OF IMAGERY IN LITERATURE, May-2, 2023

৩. শইকীয়া; নগেন; *সাহিত্য-বাদবৈচিত্ৰ্য* , কৌস্তুভ প্ৰকাশন,৬ষ্ঠ প্ৰকাশন, ২০১২

**গ্ৰন্থপঞ্জী ঃ**

অসমীয়া ঃ

১. গোস্বামী, মালিনী। *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ*, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, ১ম প্ৰকাশ। আহমেদ, কামালুদ্দিন (সম্পা.)

২. ডেকা, হৰেকৃষ্ণ।*আধুনিকতাবাদ আৰু অন্যান্য প্ৰবন্ধ*; লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ,গুৱাহাটী,১৯৯৮।

২. বৰুৱা, ভবেন। *অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্ব*; গুৱাহাটী-১, নৱেম্বৰ,২০০২।

৩. ভট্টাচাৰ্য্য, হীৰেন। *সুগন্ধি পখিলা*; প্ৰকাশিকা, গুৱাহাটী-৭৮১০০১, ষষ্ঠ মুদ্ৰণ,১২ ডিচেম্বৰ ১৯৮৮।

৪. ৰায়, নীলমোহন। *আধুনিক অসমীয়া কবিতা বিচাৰ আৰু বিশ্লেষণ*, কে.এম.পাব্লিছিং, কলেজ হোষ্টেল ৰ'ড, পাণবজাৰ, গুৱাহাটী-১, ২০০৩।

৫. শইকীয়া, নগেন। *সাহিত্য-বাদবৈচিত্ৰ্য* , কৌস্তুভ প্ৰকাশন,৬ষ্ঠ প্ৰকাশন, ২০১২।

৬. হাজৰিকা, কৰবী ডেকা। *অসমীয়া কবিতা*; ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটীঃ৭৮১০০১, ১৯৯২।

**ইংৰাজীঃ**

Abraham, M.H.; A Glossary of Literary Terms (Third Edition), Macmillan India Limited, New Delhi 110064

**Web source :**

1. (https://rb.gy/jfklji) IMAGERY DEFINITION: 5+ TYPES OF IMAGERY IN LITERATURE; May-2, 2023

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# পদ্মনাথ গোহাঞিবৰুৱাৰ নাটক 'সাধনী' আৰু সংস্কৃত নাটকৰ বৈশিষ্ট্যঃ এটি বিশ্লেষণ

ড° চন্দন হাজৰিকা
সহকাৰী অধ্যাপক
সংস্কৃত বিভাগ, নগাঁও মহাবিদ্যালয় (স্বতন্ত্র)
ফোন ঃ ৯১০১৫০৮০৭৬

**সাৰাংশ**

পদ্মনাথ গোহাঞিবৰুৱাৰ *সাধনী* এখনি বুৰঞ্জীমূলক নাটক। নাটকখনৰ কথাবস্তু সাধনীৰ বিবাহক কেন্দ্ৰ কৰিয়েই নিৰ্মাণ কৰা পৰিলক্ষিত হয়। নাটকখনত এক দুঃখান্তক পৰিসমাপ্তি দেখুওৱা হৈছে। নাটকখনৰ কাহিনীভাগ পাঁচটা অংকত দেখুওৱা হৈছে। যিহেতু সংস্কৃত নাটকেই হৈছে ভাৰতীয় নাটকৰ মূল। সংস্কৃত নাটকৰ বিভিন্ন বৈশিষ্ট্যসমূহ প্ৰান্তীয় ভাষাৰ নাটকসমূহতো পৰিলক্ষিত হয়। ভৰত মুনিকে আদি কৰি সংস্কৃত আলংকাৰিকসকলে সংস্কৃত নাটকৰ বিভিন্ন লক্ষণ তেওঁলোকৰ গ্ৰন্থসমূহত নিৰ্দেশ কৰিছে। এই নাটকীয় বৈশিষ্ট্যসমূহৰ আঁত ধৰি প্ৰস্তুত গৱেষণা-পত্ৰখনিত 'সাধনী' নাটকখনৰ এক বিশ্লেষণ আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে আৰু নাটকৰ মূল তত্ত্ব ৰসৰ ওপৰতো প্ৰস্তুত নাটকখনিৰ প্ৰেক্ষাপটত বিবেচনা কৰা হৈছে।

**বীজ শব্দ ঃ** সাধনী, নাটক, সংস্কৃত নাটক, অঙ্ক, ৰূপক, ৰস

### ০.১ অৱতৰণিকাঃ

অসমীয়া সাহিত্যৰ গুৰি ধৰোঁতাসকলৰ নাম ল'বলৈ গ'লে পদ্মনাথ গোহাঞিবৰুৱাৰ নাম লোৱাটো নিতান্তই বাঞ্চনীয়। অসম সাহিত্য সভাৰ প্ৰথমখন সন্মিলনীৰ সভাপতিৰ আসন শুৱনি কৰা গোহাঞিবৰুৱা আছিল একেধাৰে ঔপন্যাসিক, নাট্যকাৰ, কবি, নিৰন্ধকাৰ, বুৰঞ্জীৱিদ, সাংবাদিক, সংগঠক।

কাব্যৰ দুটি ধাৰা -- শ্ৰব্যকাব্য আৰু দৃশ্যকাব্য। দৃশ্যকাব্যৰে আন এটা নাম হৈছে ৰূপক যাক নাটক আদি ভেদেৰে দহ প্ৰকাৰৰ বুলি কাব্যশাস্ত্ৰত কোৱা হৈছে। অভিনয়-প্ৰধান এই দৃশ্যকাব্যৰ বিভিন্ন লক্ষণ ভৰতমুনিৰ দ্বাৰা বিৰচিত নাট্যশাস্ত্ৰকে আদি কৰি অন্যান্য সংস্কৃত কাব্যশাস্ত্ৰতো বিৱেচনা কৰা হৈছে। এই লক্ষণসমূহ সংস্কৃত নাটকৰ লগতে অন্যান্য ক্ষেত্ৰীয় ভাষাৰ নাটকতো দৃষ্টিগোচৰ হয়।

### ০.২ অধ্যয়নৰ উদ্দেশ্যঃ

গৱেষণা-পত্ৰখনিত পদ্মনাথ গোহাঞিবৰুৱাদেৱৰ দ্বাৰা বিৰচিত *সাধনী* শীৰ্ষক নাটকখন বিষয়বস্তুৰূপে গ্ৰহণ কৰা হৈছে। সংস্কৃত নাটকৰ বিভিন্ন বৈশিষ্ট্য এই নাটকখনত কিদৰে কাৰ্যকৰী হৈছে অথবা নাই হোৱা তাকে নাট্যশাস্ত্ৰ, সাহিত্য-দৰ্পণ, কাব্যপ্ৰকাশ আদি শাস্ত্ৰসমূহৰ আলমত বিশ্লেষণ কৰাই এই অধ্যয়নৰ উদ্দেশ্য।

### ০.৩ অধ্যয়নৰ গুৰুত্বঃ

সংস্কৃত নাটকৰ লক্ষণসমূহ ভাৰতীয় আধুনিক ভাষাৰ নাটকতো কাৰ্যকৰী হোৱা পৰিলক্ষিত হয়। কিন্তু বিশুদ্ধ ৰূপত এই লক্ষণসমূহ দৃষ্টিগোচৰ নহয়। পাশ্চাত্য নাটকৰ প্ৰভাৱে প্ৰান্তীয় ভাষাৰ নাটকসমূহক এক মিশ্ৰিত

ৰূপ দিয়া দেখা যায়। গতিকে সংস্কৃত আৰু পাশচাত্য উভয়বিধ নাটকৰ লক্ষণেৰে পৰিপুষ্ট এই নাটক সমূহৰ বিশ্লেষণ কৰাটো নিশ্চয়কৈ গুৰুত্বপূৰ্ণ। এই গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই গৱেষণা-কাৰ্য হাতত লোৱা হৈছে।

**০.৪ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতিঃ**

এই গৱেষণা-কাৰ্য *সাধনী* শীৰ্ষক নাটকখনিত শাস্ত্ৰৰ দ্বাৰা নিৰ্দিষ্ট নান্দী, প্ৰস্তাৱনা, অৰ্থোপক্ষেপক, অৰ্থপ্ৰকৃতি, সন্ধি, বিভিন্ন পাত্ৰ, কথাবস্তু, ৰস আদিক কেন্দ্ৰ কৰি আগবঢ়োৱা হ'ব। এই গৱেষণা-কাৰ্যৰ মূল পদ্ধতি বিশ্লেষণাত্মক। প্ৰয়োজন অনুসৰি তুলনাত্মক পদ্ধতিও গ্ৰহণ কৰা হৈছে।

**১.০ নাটকখনিৰ কথাবস্তুঃ**

পদ্মনাথ গোহাঞিবৰুৱাৰ *সাধনী* বুৰঞ্জীমূলক নাটক। চুটীয়া ৰজা ধৰ্মধ্বজৰ জীয়াৰী সাধনী হৈছে নাটকৰ মূল নায়িকা। নাটকখনৰ কথাবস্তু সাধনীৰ বিবাহক কেন্দ্ৰ কৰিয়েই পৰিভ্ৰমণ কৰা পৰিলক্ষিত হয়। সাধনীৰ বাবে যোগ্য পাত্ৰৰ সন্ধানত দেশে-বিদেশে কটকী পাচিও ৰূপে-গুণে-জ্ঞানে সাধনীৰ সমান কোনো পাত্ৰ বিচাৰি নাপাই শেষত ৰজাই স্বয়ম্বৰ-বিবাহৰ আয়োজন কৰে। আৰু সাধনীক পত্নীৰূপে লাভ কৰিবৰ বাবে পণ হিচাৱে শৰ-দিয়া (শদিয়া) মৈদামত বিচৰণ কৰি ফুৰা এটা কেৰ্কেটুৱাক একেপাট শৰেৰে শালিবৰ বিধান ৰাখিলে। সেই নিৰ্ধাৰিত পণ পূৰণ কৰি তথাকথিত সমাজৰ সাধাৰণ বৰ্গৰ ল'ৰা নিতাই (নীতিপাল)-এ সাধনীৰ পাণি-গ্ৰহণ কৰে আৰু তদ্-মুহূৰ্ততে ৰজা ধৰ্মধ্বজে নীতিপালক ৰাজ্যৰ দায়িত্ব অৰ্পণ কৰি নিজে সপত্নীক বানপ্ৰস্থী হয়। ইফালে ৰজা হোৱাৰ পিছত নীতিপাল কু-সংগত পৰি ভোগ-বিলাসত মত্ত হয় আৰু বন্ধুবৰ্গৰ স্বাৰ্থৰ বলি হৈ আহোম স্বৰ্গদেৰৰ হাতত ৰাজ্য হেৰুৱাবলগীয়া হয়। ইপিনে আহোম স্বৰ্গদেৱে সাধনীক নিজৰ কৰিবলৈ চেষ্টা কৰোঁতেই পতিব্ৰতা সতী সাধনীয়ে নিজৰ সতীত্ব ৰক্ষা কৰিবৰ হেতু প্ৰাণবিসৰ্জন দিয়ে। এইদৰে নাটকখনৰ এক দুঃখান্তক পৰিসমাপ্তি দেখুওৱা হৈছে। নাটকখনৰ কাহিনীভাগ পাঁচটা অংকত দেখুওৱা হৈছে।

**২.০ নাটকৰ বৈশিষ্ট্যঃ**

কাব্য দুই প্ৰকাৰৰ বুলি কোৱা হৈছে -- শ্ৰব্যকাব্য আৰু দৃশ্যকাব্য।[১] দৃশ্যকাব্য হৈছে সেইবোৰ যিবোৰৰ অভিনয় কৰিব পৰা যায়।[২] দৃশ্যকাব্যক ৰূপক আখ্যাও দিয়াহৈছে কাৰণ দৃশ্যকাব্য উপভোগ কৰাৰ মুহূৰ্তত দৰ্শকে (সহৃদয় সামাজিক) সেই দৃশ্যকাব্যৰ পাত্ৰসমূহৰ স্বৰূপ অভিনেতাসকলৰ ওপৰত আৰোপ কৰি লয় অৰ্থাৎ ৰামৰ অভিনয় কৰা অভিনেতাগৰাকীক সহৃদয় দৰ্শকে সেই মুহূৰ্তত ৰামৰ ৰূপতেই গ্ৰহণ কৰে, কোনোবাই ৰামৰ অভিনয় কৰি আছে বুলি নাভাৱে।[3]

**২.১ নাটক ৰূপকৰে এটা ভেদঃ**

দহ প্ৰকাৰৰ ৰূপকৰ বিষয়ে শাস্ত্ৰত কোৱা হৈছে। সেইবোৰ হৈছে -- নাটক, প্ৰকৰণ, ভাণ, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অঙ্ক, ৱীথি আৰু প্ৰহসন।[৪] ইয়াৰ উপৰিও ওঠৰ প্ৰকাৰৰ উপৰূপকৰ বিষয়েও কোৱা হৈছে। কিছুমান বৈশিষ্ট্যৰ বাহিৰে সকলো প্ৰকাৰৰ ৰূপক আৰু উপৰূপকৰ লক্ষণসমূহ নাটকৰ দৰেই। সেয়ে সকলোবোৰ দৃশ্যকাব্যকেই নাটক বুলিয়েই সাধাৰণতে কৈ দিয়া হয়।

**২.২ *সাধনী*ঃ**

নাটকৰ বিভিন্ন বৈশিষ্ট্য শাস্ত্ৰত উল্লেখ কৰা হৈছে। এই বৈশিষ্ট্যসমূহৰ বিদ্যমানতাৰ প্ৰতি লক্ষ্য ৰাখি ক'ব পাৰি যে *সাধনী* এখন নাটক, প্ৰকৰণ আদি অন্য ৰূপকৰ শাৰীত নপৰে। বিশ্বনাথ কৱিৰাজৰ দ্বাৰা বিৰচিত *সাহিত্য-দৰ্পণ*ৰ ষষ্ঠ পৰিচ্ছেদত নাটকৰ লক্ষণসমূহ উল্লেখ কৰা হৈছে।[৫] এই লক্ষণসমূহ হৈছে এনে ধৰণৰ ---

(ক) নাটকৰ কাহিনীভাগ পুৰাণ, বুৰঞ্জী আদিত প্ৰসিদ্ধ হ'ব লাগিব, কাল্পনিক হ'ব নালাগিব।

(খ) মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ আৰু নিৰ্বহণ এই পাঁচোটা সন্ধিৰে যুক্ত হ'ব লাগিব।

(গ) নৱৰসৰ বিভিন্ন ৰসেৰে ই পৰিব্যাপ্ত হ'ব লাগিব।

(ঘ) পাঁচটাৰ পৰা দহটাৰ ভিতৰত অঙ্ক থাকিব লাগিব।

(ঙ) নাটকৰ নায়কজন প্ৰখ্যাত বংশৰ ৰজা হ'ব লাগিব, ধীৰোদাত্ত প্ৰকৃতিৰ (লক্ষণ আগলৈ কোৱা হ'ব) হ'ব লাগিব।

(চ) শৃঙ্গাৰ অথৱা বীৰৰসৰ ভিতৰত যিকোনো এটা অঙ্গী অৰ্থাৎ মুখ্য ৰস হ'ব লাগিব। তথা অন্য ৰস সমূহো অঙ্গৰস হিচাৱে থাকিব লাগিব আৰু নিৰ্বহণ সন্ধিত অদ্ভুত ৰস থাকিব লাগিব।

(ছ) নায়কৰ কাৰ্যত সহায়ক চাৰি-পাঁচজন মুখ্য পুৰুষ নিযুক্ত হ'ব লাগে।

(জ) নাটকৰ সংৰচনা গৰুৰ নেজৰ আগভাগৰ দৰে হ'ব লাগে অৰ্থাৎ নাটকৰ অঙ্কবোৰ ক্ৰমশঃ আকাৰত সৰু হ'ব লাগে অথৱা গৰুৰ নেজৰ চুলিবোৰৰ যিদৰে কিছুমান চুটি আৰু কিছুমান দীঘল হয়, ঠিক সেইদৰে নাটকৰ কোনো কাৰ্য মুখসন্ধিত, কোনো কাৰ্য প্ৰতিমুখ সন্ধিত আৰু অন্যবোৰ সন্ধিতো কোনো কোনো কাৰ্য শেষ হ'ব লাগে।

উপৰ্যুক্ত লক্ষণৰ প্ৰত্যেকটো লক্ষণ এখন নাটকত চৰিতাৰ্থ নহ'বও পাৰে। তথাপি অধিকাংশ লক্ষণৰ সমাৱেশেৰে এখন ৰূপকক আমি নাটকৰ শ্ৰেণীত ৰাখিব পাৰোঁ। *সাধনী*-ৰ ক্ষেত্ৰটো একেই কথা প্ৰযোজ্য। এই নাটকখনৰ কথাবস্তু বুৰঞ্জীপ্ৰসিদ্ধ, ইয়াত পাঁচটা অঙ্ক আছে, ইয়াৰ নায়ক এজন ৰজা, বীৰৰস ইয়াত মুখ্য ৰস তথা অন্য ৰসৰো সমাহাৰ আছে। গতিকে *সাধনী* এখন নাটক বুলি বিনাদ্বিধাই ক'ব পাৰি।

**৩.০ অঙ্কৰ লক্ষণ তথা *সাধনী* নাটকত তাৰ বিশ্লেষণঃ**

একোটা অঙ্কৰ বিভিন্ন লক্ষণ সমূহ শাস্ত্ৰত কোৱা হৈছে। সেইবোৰ হৈছে এনেধৰণৰ -- [৭]

(ক) একোটা অঙ্কত নায়ক-নায়িকাৰ চৰিত প্ৰত্যক্ষভাৱে প্ৰতীত হ'ব লাগে।

(খ) অঙ্কসমূহ বিভিন্ন ৰস আৰু ভাৱেৰে পৰিপূৰ্ণ হ'ব লাগে।

(গ) বাক্যবোৰ সৰল, সহজ-বোধগম্য হ'ব লাগে।

(ঘ) অবান্তৰ কাৰ্য সমূহৰ অঙ্কসমূহত ক্ৰমান্বয়ে পৰিসমাপ্তি হ'ব লাগে, কিন্তু বিন্দু (আগলৈ কোৱা হ'ব) সংলগ্ন হ'ব লাগে।

(ঙ) অত্যধিক ব্যাপাৰেৰে যুক্ত হ'ব নালাগে তথা বীজৰ (আগলৈ কোৱা হ'ব) উপসংহাৰ হ'ব নালাগে। নানা ঘটনাৰে যুক্ত হ'ব লাগে তথা অত্যধিক পদ্য থাকিব নালাগে।

(চ) একোটা অঙ্ক অনেক দিনৰ কথাৰে যুক্ত হ'ব নালাগে, এদিনৰ ঘটনাহে থাকিব লাগে।

(ছ) একোটা অঙ্কত তিনিটা বা চাৰিটা পাত্ৰ থাকিব লাগে।

(জ) অঙ্কৰ ভিতৰত বধ, যুদ্ধ, বিপ্লৱ, বিবাহ, ভোজন, অভিশাপ, মলত্যাগ, মৃত্যু, সম্ভোগ, দন্তচ্ছেদ-নখচ্ছেদ আদি লজ্জাজনক কাৰ্য, শয়ন, অধৰ-পান, স্নান আদিৰ দৃশ্য দেখুৱাব নালাগে।

(ঝ) একোটা অঙ্ক অতিবিস্তৃত হ'ব নালাগে তথা অঙ্কৰ সমাপ্তিত সকলো পাত্ৰ মঞ্চৰ পৰা ওলাই যাব লাগে।

আধুনিক অসমীয়া বা অন্য কোনো ভাষাৰ নাটকলৈ মন কৰিলে দেখা যায় যে এই নাটকসমূহৰ অঙ্ক-বিভাজন সংস্কৃত নাটকৰ লগত নিমিলে। অঙ্ক- এই শব্দটোহে কেৱল গ্ৰহণ কৰা পৰিলক্ষিত হয়। *অভিজ্ঞান-শাকুন্তলম্* আদি সংস্কৃত নাটকৰ একোটা অঙ্কত কেৱল এটাই দৃশ্য থাকে অথৱা অনেক দৃশ্য থাকিলেও তাত অঙ্ক এটা চলি থকাৰ মাজত মঞ্চ খালী হৈ যোৱা দেখা নাযায়। কিন্তু আধুনিক নাটকৰ লগতে *সাধনী* নাটকতো একোটা অঙ্কত কেইবাটাও দৃশ্য দেখোৱা হৈছে প্ৰত্যেকটো দৃশ্যৰ শেষত মঞ্চৰ পৰা সকলো পাত্ৰ ওলাই গৈছে। গতিকে অঙ্ক-বিভাজনৰ ক্ষেত্ৰত সংস্কৃত নাটকৰ লক্ষণৰ ইয়াত সম্পূৰ্ণৰূপে অভাৱ দেখা যায়। বস্তুতঃ এই অঙ্ক-বিভাজন

শ্বেক্‌চপীয়েৰ আদিৰ নাটকৰ প্ৰভাৱ। বৰ্তমান অঙ্ক-শব্দটোৰ সমাৰ্থক হিচাৱে ইংৰাজীত 'এক্‌ট' শব্দটোৰ প্ৰয়োগ কৰা হয়। কিন্তু শ্বেক্‌চপীয়েৰৰ নাটকত 'এক্‌ট' শব্দটোৰ প্ৰয়োগ দেখা নাযায়। তেওঁৰ নাটকত অঙ্ক বা দৃশ্যৰ বিভাজন ৰোমান সংখ্যাৰে কৰাহে দেখা যায়। সংস্কৃত নাটকৰ পাণ্ডুলিপিত নাটকৰ আৰম্ভণিতে পাত্ৰসমূহৰ নাম উল্লেখো কৰা নহয়। আধুনিক নাটকত এই পাত্ৰৰ উল্লেখো ইংৰাজী নাটকৰ আদৰ্শেৰেই কৰা বুলি প্ৰতীত হয়।

**৩.১ 'গৰ্ভাঙ্ক' শব্দৰ প্ৰয়োগঃ**

'দৃশ্য' বুজাবৰ বাবে *সাধনী* নাটকত 'গৰ্ভাঙ্ক' শব্দটিৰ প্ৰয়োগ কৰা হৈছে। এই 'গৰ্ভাঙ্ক' শব্দটি যে সংস্কৃত নাটকৰ পৰাই লোৱা তাত কোনো সন্দেহ নাই। কিন্তু দৰাচলতে সংস্কৃত নাটকৰ 'গৰ্ভাঙ্ক' এক সম্পূৰ্ণ ভিন্ন বস্তু। যিকোনো অঙ্কৰ ভিতৰত ইয়াৰ স্থিতি হ'ব পাৰে আৰু নাটকৰ দৰেই ইয়াৰো সুকীয়া বীজ আৰু ফল থাকে। তথা নাটকৰ দৰেই প্ৰস্তাৱনা, মঙ্গলাচৰণ আদিৰে ই যুক্ত হয়।[৮] বস্তুতঃ ই নাটকৰ ভিতৰতে অন্য এখন নাটক হয়। উদাহৰণস্বৰূপে, *বালৰামায়ণ* নাটকত 'সীতা-স্বয়ম্বৰ' নামৰ নাটকখনৰ ৰূপত থকা গৰ্ভাঙ্ক। গতিকে 'দৃশ্য' বুজাবৰ বাবে 'গৰ্ভাঙ্ক' পদটিৰ প্ৰয়োগ মুঠেই গ্ৰহণীয় নহয়।

**৩.২ যুদ্ধ, মৃত্যু আদিৰ দৃশ্যঃ নায়ক-নায়িকাৰ মৃত্যুৰ দৃশ্যঃ**

অনেক দিনৰ ঘটনাঃ অৰ্থোপক্ষেপকৰ ধাৰণা সংস্কৃত নাটকত যুদ্ধ, মৃত্যু আদি দেখুওৱাটো সম্পূৰ্ণৰূপেই নিষিদ্ধ। কিন্তু এই নাটকখনিত যুদ্ধ আদিৰ লগতে মৃত্যুও দেখোৱা হৈছে। এইখিনিতে এটা প্ৰশ্ন উত্থাপন হয় যে যুদ্ধ, মৃত্যু আদিৰ দৃশ্য যদি মঞ্চত দেখুওৱাটো নিষিদ্ধ তেন্তে তেনে ধৰণৰ ঘটনাবোৰ কিদৰে উপস্থাপন কৰা হ'ব? শাস্ত্ৰত ইয়াৰ উপায় কোৱা হৈছে আৰু তাৰ বাবে পাঁচ প্ৰকাৰৰ অৰ্থোপক্ষেপকৰ নিৰ্দেশ কৰা হৈছে। কোৱা হৈছে যে যিবোৰ দৃশ্য অঙ্কত দেখুওৱাটো অনুচিত তথা যিবোৰ বৃত্তান্ত এদিনতকৈ বেছি দিনৰ সেইবোৰৰ অৰ্থোপক্ষেপকৰ দ্বাৰা কেৱল সূচনা দিয়াটো বাঞ্চনীয়।[৯] অৰ্থোপক্ষেপক পাঁচ প্ৰকাৰৰ হৈছে -- বিষ্কম্ভক, প্ৰৱেশক, চূলিকা, অঙ্কাৱতাৰ আৰু অঙ্কমুখ।[১০] এই অৰ্থোপক্ষেপকসমূহ অঙ্কৰ বাহিৰৰ বস্তু।

*সাধনী*ত নায়ক নীতিপালৰ আহোম সেনাপতি কনচেং বৰপাত্ৰগোহাঞিৰ হাতত বধ দেখুওৱা হৈছে যিটো ভাৰতীয় নাট্য-পৰম্পৰাৰ সম্পূৰ্ণ পৰিপন্থী। শাস্ত্ৰত কোৱা হৈছে যে কেৱল অঙ্কতে নহয়, অৰ্থোপক্ষেপকৰ দ্বাৰাও নাটকৰ নায়কৰ বধ হোৱা দেখুওৱাটো অনুচিত।[১১] বস্তুতঃ এই সকলোবোৰতে পাশ্চাত্য নাটকৰেই প্ৰভাৱ বিদ্যমান। সংস্কৃত নাটকৰ পৰম্পৰাক ইয়াত সম্পূৰ্ণৰূপে আওকাণ কৰা হৈছে।

**৪.০ সংস্কৃত নাটকৰ প্ৰায়োগিক দিশঃ**

**৪.১ নান্দী, সূত্ৰধাৰ, প্ৰস্তাৱনাঃ**

সংস্কৃত নাটকত আৰম্ভণিতে বিঘিনি-নাশৰ বাবে মঙ্গলাচৰণৰূপ নান্দী-পাঠ কৰাৰ পৰম্পৰা আছে। নান্দী অৱশ্যেই কৰিব লাগে বুলি শাস্ত্ৰত কোৱা হৈছে।[১২] আস্তিক-সম্প্ৰদায়ৰ পৰম্পৰাত ইয়াৰ অত্যধিক মহত্ত্ব আছে। কিন্তু *সাধনী*ত তাৰো অভাৱ দেখা যায় যি নাস্তিকতাই সূচায়।

সংস্কৃত নাটকৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অঙ্কীয়া-নাটতো সূত্ৰধাৰৰ পৰম্পৰা চলি আহিছিল। কিন্তু পাশ্চাত্য-প্ৰভাৱে এই সূত্ৰধাৰকো আধুনিক ভাৰতীয় নাটকসমূহৰ পৰা বাহিৰ কৰি পঠিয়ালে। *সাধনী*তো সূত্ৰধাৰৰ অভাৱ স্পষ্ট।

সংস্কৃত নাটকত নান্দীৰ শেষত তথা প্ৰথম অঙ্কৰ আৰম্ভণিতে প্ৰস্তাৱনাৰ[১৩] বিধান কৰা হৈছে য'ত সূত্ৰধাৰে মঞ্চত প্ৰৱেশ কৰি বাৰ্তালাপৰ মাজেৰে নাটকৰ কথাবস্তু বা বীজৰ সূচনা দিয়ে। *সাধনী*ত যদিও সূত্ৰধাৰৰ অৱস্থিতি নাই তথাপিও প্ৰথম অঙ্কৰ পূৰ্বে এটি গীত দিয়া হৈছে আৰু প্ৰস্তাৱনাৰ স্থানত 'আভাস'-শব্দটিৰ প্ৰয়োগ কৰা হৈছে। গীতটিৰ শেষৰ শাৰীত '*কোনো ৰজা হয় কোনোবা হেৰায়*' বুলি কৈ সমাজৰ সাধাৰণ বৰ্গৰ ল'ৰা নিতাই ৰজা

হোৱাৰ ইংগিত নাটকৰ আৰম্ভণিতেই দিয়া হৈছে। শ্বেক্চপীয়েৰৰ নাটকতো 'ইনডাকচন' (পৰিচয়) বুলি এটা অংশ প্ৰথম অঙ্কৰ প্ৰাৰম্ভতে দৃষ্টিগোচৰ হয়।[১৪] গতিকে *সাধনী*ৰ 'আভাস' শ্বেক্চপীয়েৰৰ নাটকৰ প্ৰভাৱ বুলিহে ক'ব লাগিব য'ত সূত্ৰধাৰ নাই কিন্তু প্ৰস্তাৱনা আছে।

**৪.২ অৰ্থপ্ৰকৃতিঃ**

সংস্কৃত নাটকত পাঁচ প্ৰকাৰৰ অৰ্থপ্ৰকৃতিৰ প্ৰয়োগ কৰাৰ কথা কোৱা হৈছে। নাটক এখনৰ যি মূল অৰ্থ বা প্ৰয়োজন তাৰ সিদ্ধিৰ হেতু সমূহেই হৈছে অৰ্থপ্ৰকৃতি।[১৫] অৰ্থপ্ৰকৃতিসমূহ হৈছে ক্ৰমে বীজ, বিন্দু, পতাকা, প্ৰকৰী আৰু কাৰ্য। নাটকত এই অৰ্থপ্ৰকৃতি প্ৰয়োগ কৰাটো নাট্যকাৰৰ কৰ্তব্য।

**৪.২.১ বীজঃ**

যাক নাটকৰ আৰম্ভণিতে সংক্ষেপত কোৱা হয় আৰু পিছত অনেক প্ৰকাৰেৰে বিস্তাৰ লাভ কৰি নাটকৰ প্ৰধান ফলৰ যি প্ৰথম হেতু হয়, তাকেই বীজ বুলি শাস্ত্ৰত কোৱা হৈছে। *(দি টেমিং অৱ দি শ্ৰু, ৬.৬৫)* উদাহৰণস্বৰূপে -- *বেণীসংহাৰ* নাটকত ৰাজসভাত দুঃশাসনৰ দ্বাৰা দ্ৰৌপদীৰ চুলিত ধৰা কাৰ্যৰ ফলত ভীমসেনৰ ক্ৰোধৰ পৰা হোৱা যুধিষ্ঠিৰৰ উৎসাহ হৈছে বীজ আৰু দ্ৰৌপদীৰ পুনৰ চুলিবন্ধা কাৰ্য তাৰ ফল।

*সাধনী* নাটকৰ ফল বা কাৰ্য হৈছে নায়ক নীতিপালৰ বধ, চুতীয়া ৰাজ্যৰ অৱসান তথা সতী সাধনীৰ বৈকুণ্ঠ-প্ৰয়াণ। কিন্তু এই ফলৰ বীজ আমি নাটকখনিৰ প্ৰথম দুয়োটা অঙ্কত তিলমানো দেখা নাপাওঁ। তৃতীয় অঙ্কৰ আদিতহে ইয়াৰ অলপ ইংগিত পোৱা পোৱা যায় যেতিয়া আহোম ৰাজচ'ৰাত কনচেং বৰপাত্ৰগোহাঞিয়ে স্বৰ্গদেৱক কয়--

> প্ৰয়োজন
> স্বৰ্গদেৱ, দেখোঁ সুবিস্তৰ।
> অপৰ ৰাজ্যৰ কথা, ৰজাৰ পদ্ধতি,
> আলচিলে বহু লাভ আছে পাবলই!
> ছুটিয়া প্ৰসঙ্গে এই কথা সময়ত,
> টানিব বিস্তৰ লাভ, ধৰে মোৰ মনে।

বস্তুতঃ *সাধনী* নাটকখনিক আমি দুটা অংশত ভাগ কৰিব পাৰোঁ। দ্বিতীয় অংকৰ অন্তত স্বয়ম্বৰত নিৰ্ধাৰিত পণ পূৰণ কৰি নিতাইৰ সাধনীৰ সৈতে বিবাহ আৰু নীতিপাল নামেৰে ৰাজ-অভিষেক। এই সাধনীৰ নিতাইৰ সৈতে বিবাহৰূপ কাৰ্যৰ বীজ প্ৰথম অংকৰ আদিতেই ৰজা ধৰ্মধ্বজ আৰু তেওঁৰ পত্নী লীলাৱতীৰ কথোপকথনত প্ৰাপ্ত হয় যি দ্বিতীয় অংকৰ অন্তত ফলৰূপে পৰিণত হয়। এয়া হৈছে নাটকখনিৰ প্ৰথম ভাগ। আৰু তৃতীয় অংকৰ পৰা শেষলৈ সাধনীৰ মৃত্যুলৈকে এয়া হৈছে নাটকখনিৰ দ্বিতীয় ভাগ।

গতিকে দেখা যায় যে অৰ্থপ্ৰকৃতিৰ দিশৰ পৰাও এই নাটকখনি সংস্কৃত নাটকৰ পৰা সম্পূৰ্ণৰূপে পৃথক। ফলত পাঁচ প্ৰকাৰৰ অৰ্থপ্ৰকৃতিৰ লগতে সম্বদ্ধ মুখ আদি পাঁচ প্ৰকাৰৰ সন্ধিৰ দিশৰ পৰাও নাটকখনি সংস্কৃত নাটকৰ পৰা বহু আঁতৰি গৈছে।

**৪.৩ নায়কৰ স্বৰূপঃ**

সংস্কৃত নাটকত নায়ক প্ৰধানতঃ চাৰি প্ৰকাৰৰ বুলি কোৱা হৈছে --- ধীৰোদাত্ত, ধীৰোদ্ধত, ধীৰললিত আৰু ধীৰপ্ৰশান্ত। আগেয়ে কোৱা হৈছে যে নাটকৰ নায়কজন ধীৰোদাত্ত স্বভাৱৰ হ'ব লাগে। কিন্তু এই বৈশিষ্ট্যও এই নাটকখনিত বিচাৰি পোৱা নাযায়। বৰঞ্চ এই নাটকখনিৰ নায়ক নীতিপালক ধীৰললিত (প্ৰায়) স্বভাৱৰ বুলি ক'ব পাৰি। নিশ্চিন্ত, ঋজু স্বভাৱৰ, নিৰন্তৰ নৃত্যগীতত সংলগ্ন নায়কক ধীৰললিত বুলি কোৱা হৈছে।

**৪.৪ নায়িকাৰ স্বৰূপঃ**

সংস্কৃত নাটকত নায়িকা মুখ্যতঃ তিনি প্ৰকাৰৰ বুলি কোৱা হৈছে -- স্বীয়া, পৰকীয়া আৰু বেশ্যা। বিনয়, সৰলতা আদি গুণেৰে যুক্ত পতিব্ৰতা নাৰীক স্বীয়া নায়িকা বুলি কোৱা হৈছে যাক আকৌ তিনি প্ৰকাৰে ভাগ কৰা হৈছে -- মুগ্ধা, মধ্যা আৰু প্ৰগল্ভা। এই নাটকখনিৰ নায়িকা সাধনী হৈছে স্বীয়া মুগ্ধা নায়িকা যাৰ লক্ষণ হৈছে এনেধৰণৰ -- প্ৰথমবাৰলৈ যাৰ শৰীৰত যৌৱনৰ উদ্‌গম হৈছে, কামবিকাৰ যাৰ প্ৰথম হৈছে, ৰতি-ব্যাপাৰৰ প্ৰতি যি প্ৰতিকূল, কোমল স্বভাৱৰ (তীক্ষ্ণ নহয়) আৰু যি অত্যন্ত লজ্জাশীলা।

**৪.৫ বিদূষক আৰু নালীয়াৰ চৰিত্ৰঃ**

সংস্কৃত নাটকৰ এটা প্ৰধান চৰিত্ৰ হৈছে বিদূষকৰ চৰিত্ৰ। যি নিজৰ কামেৰে, শাৰীৰিক চেষ্টাৰে, বেষ-ভূষাৰে, কথাৰে আনক হঁহুৱাই, কাজিয়া-খৰিয়ালত অনুৰক্ত নায়কৰ বন্ধু তাকেই বিদূষক বুলি কোৱা হৈছে। এই নাটকখনতো নাট্যকাৰে নিতাইৰ সমনীয়া বন্ধু নালীয়াক তেনে এটা চৰিত্ৰৰ ৰূপতেই উপস্থাপন কৰা দেখা যায়। প্ৰকৃততে বিদূষকৰ চৰিত্ৰটোৰেই একোখন নাটকত হাস্যৰস উৎপন্ন কৰাত সহায়ক হয়।

**৫.০ ৰস-বিচাৰ**

কাব্যৰ মূল তত্ত্বটোৰেই হৈছে ৰস। 'ন হি ৰসাদৃতে কশ্চিদপ্যৰ্থঃ প্ৰৱৰ্ততে', ৰসৰ অবিহনে কোনোৰেই প্ৰবৃত্ত নহয় বুলি নাট্যশাস্ত্ৰত কোৱা হৈছে। দৰ্শকে নাটক চাবলৈ যায় কেৱল ৰসৰ বাবে। গতিকে ৰসৰ ওপৰত বিচাৰ নকৰিলে নিশ্চয়কৈ এই অধ্যয়ন আধৰুৱা হৈ ৰ'ব।

ৰস ন প্ৰকাৰৰ -- শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, বীভৎস, ভয়ানক, অদ্ভূত আৰু শান্ত ৰস। নাটক এখন ৰসেৰে পৰিপূৰ্ণ হ'ব লাগে। ইতিমধ্যে কৈ অহা হৈছে যে শৃঙ্গাৰ বা বীৰৰসৰ ভিতৰত যিকোনো এটা ৰস নাটকৰ মুখ্য ৰস হ'ব লাগে আৰু অন্য ৰস সমূহৰো বিদ্যমানতা কাম্য।

এইখিনিতে প্ৰশ্ন হয় যে মুখ্যৰসৰ নিৰ্ণয় কেনেকৈ কৰা যাব। ক'ব লাগিব যে যিটো ৰসৰ সম্পূৰ্ণ নাটকখনত আধিপত্য থাকে তাকেই নাটকখনৰ মুখ্যৰস বুলি স্বীকাৰ কৰা উচিত। এই দিশৰ পৰা পৰ্যালোচনা কৰি ক'ব পাৰি যে এই নাটকখনিৰ মুখ্য ৰস হৈছে বীৰৰস। বীৰৰসৰ চাৰি প্ৰকাৰৰ ভেদ কোৱা হৈছে -- দানবীৰ, ধৰ্মবীৰ, যুদ্ধবীৰ আৰু দয়াবীৰ। ধৰ্মবীৰ আৰু যুদ্ধবীৰৰ ৰূপত নাটকখনিৰ প্ৰায় অধিকাংশত বীৰৰসৰ স্থিতি দেখা যায়। একেপাট কাঁড়েৰে কেৰ্কেটুৱা শালি নিতাইৰ দ্বাৰা সাধনীৰ পাণি-লাভ, আহোম সেনাপতি আৰু নীতিপালৰ যুদ্ধৰ প্ৰসংগ আদিত বীৰৰসেই বৰ্তমান। নাটকৰ সমাপ্তিত নিজৰ সতীত্ব ৰক্ষাৰ হেতু তথা কুবেৰ-সম্পত্তি আহোম-ৰজাৰ হাতত সমৰ্পণ নকৰাৰ হেতু সাধনীৰ যি কুণ্ডত জাঁপ দি বৈকুণ্ঠ-প্ৰয়াণ দেখুওৱা হৈছে সেয়াই নিশ্চয়কৈ দৰ্শকক কৰুণ-ৰসৰ আস্বাদ নিদিয়ে। বৰঞ্চ সাধনীৰ বীৰত্বৰেই ই চানেকি।

বীৰৰসৰ আধিপত্যৰ বাহিৰেও নাটকখনিত সাধনী আৰু তাইৰ সখী শান্তিৰ মাজৰ কথোপকথনত শৃঙ্গাৰ ৰসৰ আভাস পোৱা যায়। নালীয়াৰ কথাৰ মাধ্যমেৰে হাস্যৰসৰ জোলোঙাটিও ভৰি পৰা দেখা যায়। লগতে শান্তৰসৰো ছাঁয়া নাটকখনত বাৰুকৈয়ে প্ৰতিফলিত হয়, বিশেষকৈ পঞ্চম অংকৰ আদিতে।

**৬.০ উপসংহাৰঃ**

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে যদিও গোহাঞিবৰুৱাদেৱে সংস্কৃত নাটকৰ কিছু বৈশিষ্ট্য নাটকখনিত নিৰ্বাহ কৰিছে তথাপিও পাশ্চাত্য নাটকৰ অত্যধিক প্ৰভাৱ ইয়াত সুস্পষ্ট। সৰ্বশেষত ভাৰতীয় নাটকৰ যিটো মূল বৈশিষ্ট্য, এক সুখান্তক পৰিসমাপ্তি, তাৰ সম্পূৰ্ণ বিৰোধিতাই নাটকখনিক শ্বেক্‌চপীয়েৰৰ ট্ৰেজেদীৰ (দুঃখান্তক) শাৰীত পেলাইছে। শেষত ইয়াকেই ক'ব লাগিব যে সাহিত্য-কাণ্ডাৰী গৰাকীয়ে অসমীয়া সাহিত্যত ট্ৰেজেদী-সাহিত্যৰ ৰচনাৰে এক নতুন বিপ্লৱ আনি দিলে।

**পাদটীকাঃ**

১. সাহিত্য-দৰ্পণ, ৬.১
২. ঐ
৩. ঐ
৪. ঐ ৬.৩
৫. ঐ ৬.৬
৬. ঐ ৬.৭-১১
৭. ঐ ৬.১২-১৯
৮. ঐ ৬.২০
৯. ঐ৬.৫১-৫3
১০. ঐ ৬.৫৪
১১. ঐ ৬.৬৩
১২. ঐ ৬.২৩
১৩. ঐ ৬.২৬-২৭
১৪. দ্ৰ. দি টেমিং অৱ দি শ্ৰু, শ্বেক্চপীয়েৰþ
১৫. ঐ ৬.৬৪

**গ্ৰন্থপঞ্জীঃ**

গোহাঞিবৰুৱা ৰচনাৱলী। অসম প্ৰকাশন পৰিষদ, ১৯৭১।
শাস্ত্ৰী, শালিগ্ৰাম। বিশ্বনাথ কবিৰাজকৃতঃ সাহিত্য-দৰ্পণঃ। মোতীলাল বনাৰসীদাস, দিল্লী, নৱম সংস্কৰণ, ১৯৭৭।
কালে, এম. আৰ.। দি অভিজ্ঞান-শাকুন্তলম্ অৱ্ কালিদাস। মোতীলাল বনাৰসীদাস, দিল্লী, দশম সংস্কৰণ, ১৯৬৯।
ঘোষ, মনমোহন। দি নাট্যশাস্ত্ৰ অৱ্ ভৰতমুনি। এছিয়াটিক চ'ছাইটি অৱ্ বেংগল, ১৯৫১।
কমপ্লিট ৱৰ্কছ অৱ্ শ্বেক্চপীয়েৰ। এফ. এফ. ক'লিয়েৰ এণ্ড চান, নিউয়ৰ্ক।
দশৰূপক, ধনিক। সত্যভম্বল পাণ্ডুৰংগ। নিৰ্ণয় সাগৰ প্ৰেছ, বোম্বাই, ১৯৪১।

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# আত্মজীৱনী সাহিত্য আৰু মহেন্দ্ৰ বৰাৰ ‘উপলা নদীৰ দৰে’ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**মাণিক জ্যোতি গগৈ,** গৱেষক ছাত্ৰ
অসমীয়া বিভাগ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
**ৰুমী বড়া,** গৱেষক ছাত্ৰী
হিন্দী বিভাগ, দিল্লী বিশ্ববিদ্যালয়
Email - gogoimanik456@gmail.com
Ph - 8638194889

**সংক্ষিপ্ত সাৰ ঃ**

আত্মজীৱনী সাহিত্য হ’ল এগৰাকী ব্যক্তিৰ জীৱনৰ বাস্তৱ ঘটনাক সত্য আৰু শুদ্ধ ৰূপত লিপিবদ্ধ কৰা এক শ্ৰেণীৰ সাহিত্য। অসমীয়া সাহিত্য জগতৰ এটা চিনাকি নাম হ’ল মহেন্দ্ৰ বৰা। ‘উপলা নদীৰ দৰে’ খন হৈছে মহেন্দ্ৰ বৰাৰ সাহিত্য কৃতিৰ অন্যতম নিদৰ্শন। এই আত্মজীৱনীখনত মহেন্দ্ৰ বৰাই তেওঁৰ সমসাময়িক সমাজ, শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশ সমূহ প্ৰকাশ কৰিছে। তেওঁ আত্মজীৱনীখনৰ জৰিয়তে বিংশ শতিকাৰ অসমৰ শৈক্ষিক আৰু সাংস্কৃতিক জীৱনৰ বহু তথ্য দাঙী ধৰিবলৈ সক্ষম হৈছে। অসমৰ গ্ৰাম্য সমাজৰ পৰা আৰম্ভ কৰি নগৰীয়া সমাজৰ লৈকে সকলো দিশ তেওঁ আত্মজীৱনীখনৰ মাজেৰে প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। মহেন্দ্ৰ বৰাই আত্মজীৱনী খনত ৪টা ভাগত বিভক্ত কৰি তেওঁৰ জীৱনৰ নানা ঘটনা প্ৰবাহক আলোচনা কৰিছে। তেওঁ ১৯২৯ চনৰ পৰা ১৯৮৭ চনৰ লৈকে তেওঁৰ জীৱনত সংঘটিত হোৱা ঘটনা সমূহক অতি নিপুনভাৱে আত্মজীৱনীখনত উল্লেখ কৰিছে। এই ভাগ সমূহত মহেন্দ্ৰ বৰাদেৱে তেওঁৰ শৈশৱৰ পৰা আৰম্ভ কৰি তেওঁৰ শিক্ষা জীৱন, কৰ্মজীৱন, বিদেশ ভ্ৰমন আদি বিভিন্ন কথা বৰ্ণনা কৰিছে। যি সমূহৰ আলোচনাৰ পৰা বিংশ শতিকাৰ অসমৰ শৈক্ষিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশ সমূহৰ সম্পৰ্কে জনাৰ লগতে সামগ্ৰিকভাৱে অসমখনক জনাত সহায় হৈছে।

**বীজ শব্দ ঃ** সাহিত্য, আত্মজীৱনী, মহেন্দ্ৰ বৰা, অসম।

### ০.১ বিষয়ৰ পৰিচয় ঃ

সাহিত্যৰ ভাগসমূহৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ ভাগ হ’ল আত্মজীৱনী। খ্ৰীষ্টিয় সপ্তদশ শতিকা মানৰ পৰাই বিশ্বত জীৱনী সাহিত্যৰ চৰ্চা হৈ আহিছে। জীৱনী সাহিত্যৰ সমান্তৰালভাৱে বিশ্বত চৰ্চা হোৱা আন এক শ্ৰেণী সাহিত্য হ’ল আত্মজীৱনী। ইংৰাজীৰ ‘Autobiography’ শব্দৰ অসমীয়া প্ৰতিশব্দ হ’ল ‘আত্মজীৱনী’। এগৰাকী ব্যক্তিয়ে যেতিয়া তেওঁৰ জীৱনৰ বাস্তৱ ঘটনাৱলীক নিজস্ব ধৰণে লিপিবদ্ধ কৰে তেনে ৰচনাক আত্মজীৱনী বুলি কোৱা হয়। চেইণ্ট আগষ্টাইন Confession গ্ৰন্থত প্ৰথম ‘Autobiography’ শব্দটো ব্যৱহাৰ হৈছিল। ১৮০৯

চনত ৰবাৰ্ট ছাউদি নামৰ এজন ইংৰাজ কবিয়ে পৰ্টুগাল সাহিত্য আৰু পৰ্টুগীজ চিত্ৰকৰ ফ্ৰেসিস্কো ভায়েৰিয়াৰ জীৱন চিত্ৰ সম্পৰ্কে ক'বলৈ 'Autobiography' শব্দটো ব্যৱহাৰ কৰিছিল।

বিশ্বৰ অন্য প্ৰান্তৰ সমান্তৰালভাৱে অসমতো উনবিংশ শতিকাৰ পৰা আত্মজীৱনী ৰচনা হৈছিল। ১৮৩৫-১৮৯৮ চনত *জোনাকী* কাকতত হেমচন্দ্ৰ বৰুৱাই 'আত্মজীৱন চৰিত' নামৰ এখন আত্মজীৱনীমূলক সাহিত্য ৰচনা কৰিছিল যদিও সেইখন পৰিপূৰ্ণ আত্মজীৱনী নহয়। অসমত পূৰ্ণ পৰ্যায়ত আত্মজীৱনী সাহিত্য সৃষ্টি হয় হৰকান্ত শৰ্মা মজুমদাৰ বৰুৱাৰ হাতত। তেওঁৰ আত্মজীৱনীখন হ'ল 'সদৰামীনৰ আত্মজীৱনী'। এই আত্মজীৱনীখন ১৮৯০ চনত লিখা হৈছিল আৰু ১৯৬০ চনত কুমুদ চন্দ্ৰ বৰদলৈৰ সম্পাদনাত প্ৰকাশিত হয়। অন্যহাতে প্ৰকাশৰ ফালৰ পৰা চাবলৈ গ'লে ১৯৪৪ চনত ৰচিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'খন প্ৰথম আত্মজীৱনীমূলক ৰচনা। তাৰ পৰৱৰ্তী সময়ত অসমত অসমীয়া ভাষাত বহু আত্মজীৱনী প্ৰকাশিত হয়। সেইসমূহ আত্মজীৱনীৰ ভিতৰত মহেন্দ্ৰ বৰাৰ 'উপলা নদীৰ দৰে' নামৰ আত্মজীৱনীখনো বিভিন্ন দিশৰ পৰা গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হৈছে। মহেন্দ্ৰ বৰাৰ এই আত্মজীৱনীখনৰ জৰিয়তে প্ৰকাশ পোৱা বিভিন্ন দিশসমূহে আত্মজীৱনীখনক এখন সমৃদ্ধশালী আত্মজীৱনী কৰি তুলিছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

- আত্মজীৱনী সাহিত্য সম্পৰ্কে অধ্যয়ন কৰা।
- সামগ্ৰিকভাৱে উপলা নদীৰ দৰে আত্মজীৱনীখনৰ বিচাৰ কৰা।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

- আত্মজীৱনী সাহিত্য সম্পৰ্কে অধ্যয়ন কৰাৰ গুৰুত্ব আছে।
- উপলা নদীৰ দৰে আত্মজীৱনীখনৰ উপস্থাপন শৈলী আৰু আত্মজীৱনীখনৰ সামগ্ৰিক পৰিচয়ৰ প্ৰয়োজনীয়তা আছে।
- অসমীয়া সাহিত্যৰ এগৰাকী সাহিত্যিক হিচাপে মহেন্দ্ৰ বৰাৰ সম্পৰ্কে জনাৰ গুৰুত্ব আছে।

**০.৪ অধ্যয়নৰ পদ্ধতি ঃ**

আলোচনাটো প্ৰস্তুত কৰোঁতে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**০.৪.১ তথ্য আহৰণৰ উৎস ঃ**

তথ্য আহৰণৰ বাবে মুখ্য উৎস হিচাপে উপলা নদীৰ দৰে আত্মজীৱনীখন লোৱা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন আত্মজীৱনী সম্পৰ্কীয় গ্ৰন্থ আৰু মহেন্দ্ৰ বৰাৰ সাহিত্যকৃতি সম্পৰ্কীয় গ্ৰন্থৰ সহায় লোৱা হৈছে।

**০.৫ অধ্যয়নৰ পৰিসৰ ঃ**

অধ্যয়নৰ পৰিসৰত আত্মজীৱনী সাহিত্যৰ আৰু উপলা নদীৰ দৰে আত্মজীৱনীখনত প্ৰতিফলিত বিভিন্ন দিশৰ সম্পৰ্কে সামৰি লোৱা হৈছে।

**১.০ আত্মজীৱনী সাহিত্যৰ আভাস ঃ-**

দৰাচলতে আত্মজীৱনী সাহিত্যক জীৱনকেন্দ্ৰীক সাহিত্য হিচাপে ক'ব পাৰি। যিহেতু এই শ্ৰেণী সাহিত্যৰ মাজত এজন ব্যক্তিৰ জীৱনত সংঘটিত হোৱা ঘটনা প্ৰৱাহক ব্যাখ্যা কৰা হয়। এখন আত্মজীৱনীৰ মাধ্যমেৰে এজন ব্যক্তিৰ জীৱনক যথাৰ্থ ৰূপত প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰা হয়।

অন্যহাতে আত্মজীৱনী সাহিত্যৰ সম্পৰ্কে বিভিন্নজন পণ্ডিতে বিভিন্ন সংজ্ঞা আগবঢ়াইছে আৰু আত্মজীৱনীৰ বৈশিষ্ট্য আৰু প্ৰকাশ ভংগীৰ ওপৰত ভিত্তি কৰি আত্মজীৱনী সাহিত্যক বিশেষকৈ তিনিটাভাগত বিভক্ত কৰা হয়।

**১.১ আত্মজীৱনীৰ পৰিচয় ঃ-**

সাহিত্যৰ এটা অন্যতম শাখা হ'ল 'আত্মজীৱনী' সাহিত্য। সাধাৰণ ভাষাত ক'বলৈ গ'লে আত্মজীৱনী হৈছে জীৱনকেন্দ্ৰীক সাহিত্য। এগৰাকী ব্যক্তিয়ে যেতিয়া তেওঁৰ জীৱনৰ ঘটনাৱলীক নিজস্বভাৱে লিপিবদ্ধ কৰে, তেনে ধৰণৰ ৰচনাৱলীকে আত্মজীৱনী বুলি অভিহিত কৰা হয়। আত্মজীৱনীৰ মাজেৰে লেখকৰ নিজৰ জীৱনৰ বহু গুৰুত্বপূৰ্ণ কথাৰ প্ৰকাশ ঘটে। আত্মজীৱনীসমূহৰ লেখক যিহেতু আত্মজীৱনীকাৰজন নিজে গতিকে আত্মজীৱনীসমূহৰ বিশ্বাসযোগ্যতা বেছি। লগতে আত্মজীৱনী সাহিত্যই সাহিত্যিক পাঠকক যথেষ্ট অনুপ্ৰেৰণা যোগায়। যদিও আত্মজীৱনী এগৰাকী ব্যক্তিৰ জীৱনৰ বিভিন্ন ঘটনা আৰু অভিজ্ঞতা সংযোজিত ৰচনা তথাপিও কিন্তু এনে ৰচনাৰাজি সম্পূৰ্ণ তথ্যকেন্দ্ৰিক ৰচনা বুলিব নোৱাৰি। লেখকে জীৱনৰ তথ্যবোৰ উপস্থাপন কৰিবলৈ যাওঁতে সাহিত্যিক গুণ আৰু কৌশল প্ৰয়োগ কৰে। সেয়ে ৰয় পাস্কেলে আত্মজীৱনীৰ প্ৰসংগত কৈছে — "আত্মজীৱনী এনে এবিধ জীৱন বৃত্তান্ত, য'ত লেখকে তেওঁৰ জীৱনৰ কথাবোৰ যেনেকৈ বুজে আৰু গ্ৰহণ কৰে, তেনেকৈয়ে অংকন কৰে।"

বিশ্বত ১৯ শতিকাতেই আত্মজীৱনী সাহিত্যৰ বিকাশ আৰম্ভ হৈছিল। ১৯১৯ চনত ৰবাৰ্ট ছাউদি নামৰ এজন ইংৰাজ কবিয়ে পৰ্টুগাল সাহিত্যিক আৰু পৰ্টুগীজ চিত্ৰকৰ ফ্ৰেন্সিস্কো ভায়েৰিয়াৰ জীৱন চিত্ৰ সম্পৰ্কে ক'বলৈ যাওঁতে প্ৰথম 'Autobiography' শব্দটো ব্যৱহাৰ কৰিছিল। বিশ্বত আত্মজীৱনীমূলক সাহিত্যৰ ইতিহাসক ছেণ্ট আগষ্টাইনৰ 'confessions' এ এক শক্তিশালী আৰু সুস্থ পৰম্পৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

বিশ্বৰ সমান্তৰালভাৱে অসমীয়া ভাষাতো ১৯ শতিকাতে আত্মজীৱনী সাহিত্যৰ বিকাশ ঘটে। অসমীয়া ভাষাত ৰচনা কৰা প্ৰথম আত্মজীৱনীখনৰ নাম 'সদৰামিনৰ আত্মজীৱনী'। ১৮৯০ চনতে ৰচনা কৰা এই আত্মজীৱনীখন ১৯৬০ চনত কুমুদ চন্দ্ৰ বৰদলৈয়ে সম্পাদনা কৰি প্ৰকাশ কৰে। প্ৰকাশৰ দিশৰ পৰা চাবলৈ গ'লে লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' খন প্ৰথম আত্মজীৱনী মূলক ৰচনা। অন্যহাতে ১৯৮৯ চনত প্ৰকাশ পোৱা মহেন্দ্ৰ বৰাৰ 'উপলা নদীৰ দৰে' আত্মজীৱনীখনেও অসমীয়া সাহিত্যত এক সুকীয়া স্থান দখল কৰিছে।

**১.২ আত্মজীৱনীৰ সংজ্ঞা ঃ-**

সাহিত্যৰ অনান্য ভাগ সমূহৰ দৰে আত্মজীৱনী সাহিত্য সম্পৰ্কেও বিশ্বৰ বহু সাহিত্যিকে নিজস্বভাৱে বিভিন্ন সংজ্ঞা প্ৰদান কৰিছে। তলত বিভিন্ন পণ্ডিতে আত্মজীৱনী সম্পৰ্কে দাঙি ধৰা সংজ্ঞা সমূহ হ'ল —

১) **এনচাইক্লোপিডিয়া অৱ লিটাৰেচাৰৰ মতে** — "ব্যক্তিৰ নিজৰ বিষয়ে স্বয়ংকৃত আত্মজীৱনীত জীৱনীৰ অনান্য প্ৰকাৰতকৈ সত্যৰ অধিকতম সমাৱেশ ঘটে।"

২) **এনচাইক্লোপিঅডিয়া ব্ৰিটানিকৰ মতে** — "আত্মজীৱনী ব্যক্তিজীৱনৰ স্বয়ংকৃত দলিল।"

৩) **অক্সফোৰ্ড ডিক্সনেৰীৰ মতে** —

ক) "আত্মজীৱনী ব্যক্তিৰ স্ব-লিখিত ইতিহাস।"

খ) "নিজৰ দ্বাৰা লিখি উলিওৱা নিজৰ কাহিনী।"

৪) **অমৃত প্ৰীতমৰ মতে** — "আত্মজীৱনী লেখকৰ নিজৰ আৱশ্যকতাৰ স্বীকাৰ কৰি যথাৰ্থলৈ যোৱাৰ প্ৰক্ৰিয়া।"

৫) **ৰবীন্দ্ৰনাথ ঠাকুৰৰ মতে** — "আত্মজীৱনী ব্যক্তি স্মৃতিৰ সংযোগত গুঁঠি উলিওৱা জীৱন ইতিহাস নহয়, বৰং ই অজ্ঞাত চিত্ৰকৰে কল্পনা অনুসৰি তৈয়াৰ কৰা চিত্ৰ।"

৬) **কৰবী ডেকা হাজৰিকাৰ মতে** — "আত্মজীৱনী দিনলিপি আৰু সাহিত্যৰ দোমোজাৰ বস্তু। কিন্তু, দিনলিপিৰ যথাযথ বিৱৰণ থাকে আৰু তাত সাহিত্যৰ সোৱাদ কম হ'বলৈ বাধ্য আৰু সাহিত্যৰ প্ৰাধান্যয়ো কেতিয়াবা দিনলিপিয়ে সংৰক্ষণ কৰা সঁচা তথ্য কিছুমান ঢাকি ধৰাৰ আশংকা থাকে।"

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা আত্মজীৱনী সাহিত্য সম্পৰ্কে এক সামগ্ৰিক ধাৰণা লাভ কৰিব পাৰি।

**২.০ উপলা নদীৰ দৰে আত্মজীৱনীখনৰ চমু আভাস ঃ-**

মহেন্দ্ৰ বৰাৰ আত্মজীৱনীখনৰ নাম হ'ল 'উপলা নদীৰ দৰে'। এই আত্মজীৱনীখন অসমীয়া আত্মজীৱনী সাহিত্যৰ ভিতৰত এখন উল্লেখযোগ্য আত্মজীৱনী। আত্মজীৱনীখনত মহেন্দ্ৰ বৰাই তেওঁৰ জীৱনৰ এক দীঘলীয়া সময়ৰ বৰ্ণনা আগবঢ়াইছে। ১৯২৯-৮৭ চনৰ লৈকে মহেন্দ্ৰ বৰাৰ জীৱনত সংঘটিত হোৱা বহুতো দিশ তেওঁ আত্মজীৱনীখনত সন্নিৱিষ্ট কৰিছে। লগতে আত্মজীৱনীখনত মহেন্দ্ৰ বৰাৰ জীৱনৰ লগতে সমসাময়িক অসমৰো এখন চিত্ৰ পৰিস্ফুষ্ট হৈছে। উপস্থাপনৰ দিশৰ পৰাও আত্মজীৱনীখন উন্নত বুলিব পাৰি।

**২.১ সামগ্ৰিকভাৱে আত্মজীৱনীখনৰ বিচাৰ ঃ-**

১৯৮৯ চনত প্ৰকাশিত হোৱা বৰাৰ 'উপলা নদীৰ দৰে' আত্মজীৱনীখন অসমীয়া আত্মজীৱনী সাহিত্যৰ এক মূল্যৱান সম্পদ। বৰা অসমৰ এগৰাকী কবি, সাহিত্যিক, সমালোচক আছিল। তেওঁৰ জীৱনটো বহুতো দিশৰ পৰা বিভিন্ন অভিজ্ঞতাৰে পৰিপুষ্ট এটা জীৱন আছিল। গতিকে তেওঁৰ জীৱনৰ বহু গুৰুত্বপূৰ্ণ কথাৰ সমান্তৰালভাৱে সমসাময়িক অসমৰ বহু গুৰুত্বপূৰ্ণ দিশ তেওঁৰ এই আত্মজীৱনীখনৰ পৰা জানিব পৰা যায়।

আত্মজীৱনীখনৰ কথা যদি আমি বিচাৰ কৰিবলৈ যাওঁ তেন্তে আত্মজীৱনীকাৰ বৰাৰ জীৱনৰ ১৯২৯ চনৰ পৰা ১৯৮৭; নলৈকে এক বৃহৎ সময় আত্মজীৱনীখনে সামৰি লৈছে। শৈশৱৰ পৰা বিদেশ ভ্ৰমনৰ লৈকে মহেন্দ্ৰ বৰাৰ সকলো দিশ আত্মজীৱনীখনে বিচাৰ কৰিছে। আত্মজীৱনীখনক বৰাই চাৰিটা অধ্যায়ত বিভক্ত কৰি বিচাৰ কৰিছে। সেই অধ্যায় কেইটা হ'ল — প্ৰথম অধ্যায় (১৯২৯-৪৭), দ্বিতীয় অধ্যায় (১৯৪৭-৫৩), তৃতীয় অধ্যায় (১৯৫৩-৭৩), চতুৰ্থ অধ্যায় (১৯৭৩-৮৭)। প্ৰতিটো অধ্যায়তে আত্মজীৱনীকাৰৰ জীৱনৰ বহু গুৰুত্বপূৰ্ণ তথ্য সন্নিৱিষ্ট কৰিবলৈ তেওঁ যত্ন কৰিছে।

আত্মজীৱনীখনত সমসাময়িক অসমৰ সমাজ, অৰ্থনৈতিক, সাংস্কৃতিক, শৈক্ষিক আদি দিশ অতি সুন্দৰভাৱে উপস্থাপন কৰিছে। তেওঁ আত্মজীৱনীখনত সেই সময়ত অসমীয়া সমাজত প্ৰচলিত উৎসৱ পাৰ্ব্বণ, সামাজিক ৰীতি-নীতি আদিৰ সম্পৰ্কে উল্লেখ পোৱা যায়। গ্ৰাম্য সমাজৰ এখন সুন্দৰ চিত্ৰৰ সমান্তৰালভাৱে নগৰীয়া সমাজৰো এখন চিত্ৰ আত্মজীৱনীখনৰ জৰিয়তে প্ৰকাশ লাভ কৰিছে।

বিংশ শতিকাৰ অসমৰ যাতায়ত ব্যৱস্থা, অৰ্থনৈতিক অৱস্থা আদি দিশৰ উমানো এই আত্মজীৱনীখনৰ জৰিয়তে লাভ কৰিব পাৰি। সেই সময়ত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে থকা 'ছিজন টিকট'ৰ ব্যৱস্থাৰ কথা তেওঁ আত্মজীৱনীখনত উল্লেখ কৰিছে। যাৰ পৰা অসমত ৰে'ল সেৱা ব্যৱস্থাৰ কথা আৰু তদানীন্তন অসমৰ অৰ্থনৈতিক অৱস্থাৰ কথা জানিব পাৰি।

বিয়াল্লিছৰ বিপ্লৱ, সত্যাগ্ৰহী দেবেন কাকতিক গ্ৰেপ্তাৰ, মাৰ্কিণ সৈন্যৰ অত্যাচাৰ, যুদ্ধৰ বাবে স্কুল বন্ধ, অসমীয়া আৰু বঙালী ভাষাৰ সংঘৰ্ষ আদি দিশ সমূহ আত্মজীৱনীখনত বৰাই উল্লেখ কৰিছে। যাৰ পৰা সেই সময়ৰ অসমৰ ৰাজনৈতিক অৱস্থাৰ কথাও আত্মজীৱনীখনৰ পৰা জানিব পাৰি।

অন্যহাতে বিহু, দুৰ্গা পূজা, সামাজিক ৰীতি-নীতি, অন্ধবিশ্বাস, বিবাহ, লোকবিশ্বাস আদি বিংশ শতিকাৰ অসমৰ বিভিন্ন সাংস্কৃতিক দিশ আৰু বৰাই প্ৰাথমিক শিক্ষা গ্ৰহণৰ পৰা আৰম্ভ কৰি কটন কলেজ লগতে পিছলৈ শিক্ষকতা কৰা কলেজ, বিশ্ববিদ্যালয়সমূহৰ বিভিন্ন দিশৰ পৰা সমসাময়িক অসমৰ শৈক্ষিক অৱস্থাৰ এখন চিত্ৰ আত্মজীৱনীখনত দাঙি ধৰিবলৈ যত্ন কৰিছে।

বৰাৰ 'উপলা নদী দৰে' শীৰ্ষক আত্মজীৱনীখনত প্ৰকাশ কৰা বিদেশ ভ্ৰমনৰ অভিজ্ঞতাৰ পৰা বিদেশৰ সৌন্দৰ্য, বিমানযাত্ৰা, বিদেশত লগ পোৱা বিভিন্ন জন ব্যক্তিৰ সান্নিধ্য আদি কথাই বিদেশৰ সম্পৰ্কে জ্ঞান প্ৰদান কৰাঁতো সহায় কৰে।

বিষয়সমূহৰ উপস্থাপনৰ দিশৰপৰা আত্মজীৱনীখন বিচাৰ কৰিলে এখন সফল আত্মজীৱনী বুলিব পাৰি কাৰণ আত্মজীৱনীখনৰ মাজেৰে অসমৰ বিভিন্ন দিশৰ সমান্তৰালভাৱে বিদেশৰো বহু কথা আত্মজীৱনীখনৰ মাধ্যমেৰে জানিব পৰা যায়। অন্যহাতে যদি আমি উপস্থাপনৰ শৈলীৰ ফালৰপৰা আত্মজীৱনীখনলৈ মন কৰোঁ তেন্তে দেখিম - স্ব-সৃষ্ট শব্দ, প্ৰবাদ-প্ৰবচন, অলংকাৰ, বাক্যবিন্যাস, চুটি-দীঘল বাক্যৰ প্ৰয়োগ, শব্দ চয়ন আদি বিভিন্ন দিশ আত্মজীৱনীখনত দেখিবলৈ পোৱা যায়।

মুঠতে আত্মজীৱনীখনত প্ৰকাশ পোৱা অসমৰ পৰম্পৰা, বিহু, বিবাহ, লোকবিশ্বাস, ৰীতি-নীতি, ভাষাৰ পুনৰ প্ৰতিষ্ঠা, লগতে মহেন্দ্ৰ বৰাই জীৱনৰ ঘাট-প্ৰতিঘাটৰ মাজেৰে নিজকে প্ৰতিষ্ঠা কৰা যি কথা এই কথাবোৰৰ বাবে আত্মজীৱনীখন পাঠক সমাজৰ মাজত এখন অনুপ্ৰেৰণামূলক আত্মজীৱনী হৈ থাকিব।

**২.২ আত্মজীৱনীখনৰ উপস্থাপন শৈলী ঃ**

আত্মজীৱনী 'উপলা নদীৰ দৰে'ত মহেন্দ্ৰ বৰাৰ ব্যক্তিগত জীৱনৰ আনন্দ, বিষাদ, শিক্ষা, আদিৰ সমান্তৰালভাৱে তেওঁৰ জীৱনৰ সমসাময়িক বহুতো ঘটনা প্ৰবাহে ঠাই লাভ কৰিছে। বৰাই অতি সাৱলীলভাৱে মননশীল গদ্য শৈলীৰে আত্মজীৱনীখন উপস্থাপন কৰিবলৈ যত্ন কৰিছে। যুক্তিনিষ্ঠ আৰু যথাযথভাৱে তেওঁ আত্মজীৱনীখন বৰ্ণনা কৰিবলৈ প্ৰয়াস কৰিছে। আত্মজীৱনীখনত কাব্যসুলভ শব্দ গাঁথনি, গদ্যৰীতি, ঘৰুৱা ঠাঁচযুক্ত শব্দ, ফকৰা যোজনা, প্ৰবাদ প্ৰৱচন, অলংকাৰ, আদিৰ প্ৰয়োগে বৰাই আত্মজীৱনী খনক এক সুকীয়া ৰূপ দিবলৈ প্ৰয়াস কৰিছে। বৰাই তেওঁৰ আত্মজীৱনীখনৰ 'কৈফিয়ৎ' দফাত লিখিছে — "সেয়া এখনৰ পাছত এখনকৈ শিলনিৰ ওপৰেদি বাগৰি যোৱা নদীৰ দৰে। পোনতে সিখনৰ এটা থমকিব নজনা জিৰজিৰণি আছিল। তাৰ পাছত দোকোলটকা প্ৰৱাহ, মাজে মাজে তাৰ পাক ঘূৰণিত শুদ্ধ হৈ পৰা দুয়োটা পাৰৰ আৱৰ্জনা এতিয়া যেতিয়া জীৱনৰ আবেলি হৈছেহি, সিখনৰ পানীৰ ধাৰত আছে মাথোন বৈ আহিব পৰাৰ ধীৰ প্ৰশান্তি। ইপাৰৰ পৰা সিপাৰ নমনি মাজত মাথোন এডৰা পানী, লহিয়াবলৈ লোৱা বেলিটোৱে তাক সোদুৰীয়া কৰি তুলিছে তাৰ পাতল ধেনুভিৰিয়া টৌবোৰৰ ওপৰত সিঁচি দিছে মুঠি মুঠি সোণৰ মণি। মই বৰ্ণনা কৰিছোঁ, অতদিনে দেখি অহা দুটা নৈ-ডঁৰিয়লিৰ কথা, কোনটো ডঁৰিয়লিয়েদি উঠি জীৱনৰ কহুঁৱাডৰাৰ হাতত বাউলটোক সহাঁৰি জনাওঁ — সেই মোৰ দোধোৰ মোধোৰ লহমাবোৰৰ কথা। মাথোন সেইটো অৰ্থতেই এইখন এখন আত্মজীৱনী।"

**শব্দ প্ৰয়োগ ঃ-**

'উপলা নদীৰ দৰে' আত্মজীৱনীখনত বৰাই সহজ সৰল আৰু নিভাঁজ শব্দৰ প্ৰয়োগ কৰা দেখা গৈছে। কঠিন শব্দৰ প্ৰয়োগৰ পৰা আত্মজীৱনীকাৰ জন এৰাই চলিছে। তেওঁ আত্মজীৱনীখনত সৰল শব্দকে স্থান দিয়া দেখা গৈছে। উদাহৰণস্বৰূপে— "তেখেতে ঘপৰাই ক'লে "ওঁ, সেইটোৱেই ভাল। সিংহ ৰাশি হয়গৈ। মীন-ভয়াতুৰ।" মোৰ মনটো ফৰকাল লাগি গ'ল। সময়ৰ মূৰকত মাকুম স্কুলৰ হাজিৰা বহীত এতিয়াৰ পৰা নামটো উঠিল— সমানে আপচু। আগৰটো আছিল কেচেমাকেচেম, এতিয়াটো কিবা ঘেৰ্ঘেৰীয়া হ'লেও এটা সান্ত্বনা — নতুন নামটোৰ চলন্তি বেছি। ... বাঁহ গাধৈবোৰ মৰা গৰু-ম'হৰ জকাবোৰৰ লেমীয়াকৈ উদং হৈ পৰিছিল। তেতিয়াৰ জাকুম এতিয়াৰ জাকুমতকৈ বেছিহে ৰহৰহীয়া; বেছিকৈ গজগজীয়া আছিল।"[১] মহেন্দ্ৰ বৰাই সাধাৰণ পাঠকে বুজিব পৰাকৈ বৰ্ণনা সমূহ কৰিছে। আত্মজীৱনীখনত প্ৰয়োগ হোৱা শব্দ সমূহ হ'ল —

**সমাৰ্থবাচক শব্দ** ঃ- দূৰ-দূৰণি, বাট-পথ, কাম-কাজ, মাটি-বাৰী ইত্যাদি।
**দ্বিৰুক্তিবাচক শব্দ** ঃ- লাহে-লাহে, জাকে-জাকে, কাঘে-কাঘে ইত্যাদি।
**তৎসম শব্দ** ঃ- পূণ্য, জন্ম, ত্যাগ, শ্ৰেষ্ঠ ইত্যাদি।
**অধৰ্তৎসম শব্দ** ঃ- যতন, নৈ ইত্যাদি।
**অনুৰূপ শব্দ** ঃ- উমলি-জামলি, চাকৰি-বাকৰি ইত্যাদি।
**ধন্যাত্মক শব্দ** ঃ- ফট্‌ফটীয়া, চিক্‌চিকাই ইত্যাদি।
**স্ব-সৃষ্ট শব্দ** ঃ- চুমহি, মামৰী, উষ্ণ-প্ৰস্ত্ৰৱন ইত্যাদি।
**ইংৰাজী বৰ্ণৰ ৰূপান্তৰণ** ঃ- it drizzier, it rainscats and dogs, roars, passess away, expires, dies ইত্যাদি

এনেদৰে আত্মজীৱনীখনত মহেন্দ্ৰ বৰাই অনেক শব্দৰ প্ৰয়োগ ঘটাইছে।

**বাক্যৰীতি ঃ-**

'উপলা নদীৰ দৰে'ত বৰাই এক সৰল আৰু বলিষ্ঠ বাক্যৰীতিৰ প্ৰয়োগ কৰিছে। তেওঁ যুক্তিনিষ্ঠভাৱে বাক্য সমূহ ব্যৱহাৰ কৰিছে। আত্মজীৱনীখনত প্ৰয়োগ হোৱা চুটি চুটি বাক্য সমূহৰ ভিতৰত — "তাৰ পাছদিনা ২৬ মে'। সেইদিনা অনিমেশৰ বন্ধৰ দিন। তাৰ মানে সেইদিনা দেউবাৰ। লগতে সেইদিনা ভাইটিৰ জন্মদিন।"[২]

ঠায়ে ঠায়ে বৰাই অসমাপিকা ক্ৰিয়া, মতিচিহ্ন আদি প্ৰয়োগ কৰি দীঘল বাক্যৰ সৃষ্টি কৰা দেখা গৈছে। আত্মজীৱনীখনত প্ৰয়োগ হোৱা অসমাপিকা ক্ৰিয়াযুক্ত বাক্যৰ উদাহৰণ — "যথা সময়ত কলিকতা ওলালোঁ, এম. এ পঢ়িবলৈ।"[৩]

আত্মজীৱনীখনত মহেন্দ্ৰ বৰাই ইংৰাজী বা অন্য ভাষাৰ শব্দৰ প্ৰয়োগ কৰা দেখা গৈছে। উদাহৰণ স্বৰূপে — "বৃটিছ পদ্ধতিটো abbreviation ৰ প্ৰত্যেকটো শব্দৰ আদি আখৰটো দি মাজত একোটাকৈ 'ফুলষ্টপ' দি চমুকৈ লিখাৰ পদ্ধতি। মাৰ্কিন পদ্ধতিটো হ'ল a cronym ৰ প্ৰত্যেকটো শব্দৰ একো অংশ লৈ চমুকৈ এটা শব্দৰ দৰে সাজি উচ্চাৰণ কৰাৰ পদ্ধতি।"

প্ৰত্যক্ষ উক্তিৰো প্ৰয়োগ আত্মজীৱনীখনত দেখা গৈছে। যি আত্মজীৱনীখনক অধিক আকৰ্ষণীয় কৰি তোলাত সহায় কৰিছে। উদাহৰণস্বৰূপে — "তেওঁ মোক প্ৰথম প্ৰশ্নটো কৰিলে, Do you find any difficulty in language control?"[৪]

আত্মজীৱনীখনৰ পৰিস্থিতি সাপেক্ষে আত্মজীৱনীকাৰে ঘৰুৱা বাক্যৰ প্ৰয়োগ কৰাও দেখা গৈছে। যি তেওঁৰ গদ্যৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। উদাহৰণস্বৰূপে— "বৰ মা'ই ক'লে, "মই তোমাৰ কথাষাৰ শুনিয়েই গম পাইছিলোঁ, তুমি যে নাজানা। আনবোৰ ল'ৰাই কঁকালত গামোচা পিন্ধিয়েই নিজে নিজে জানি যায়। সিহঁতে বহু খাইছিল।"[৫]

বৰাৰ গদ্যৰ মাজত হাস্যৰসৰ প্ৰয়োগো এটা বিশেষ বিশেষত্ব। আত্মজীৱনীখনত হাস্যৰসৰো প্ৰয়োগ দেখা গৈছে। উদাহৰণস্বৰূপে ঃ- "সেইবাৰ নতুন শৈক্ষিক বছৰ আৰম্ভ হ'বৰ সময়ত, প্ৰথম দিনাখনেই যিজন ল'ৰাই ভৰ্তি হৈছিলহি, তেওঁৰ নামটো আছিল ৱেলিংটন মাৰাক। তাৰ পিছতে দ্বিতীয়া দিনাখন ওলালহি আৰু দুজন ল'ৰা। তেওঁলোকৰ নাম দুটা আগৰজনতকৈ চ'ৰা-নেপোলিয়ন মোমিন আৰু হিটলাৰ মাৰাক। মোৰ এনেয়ে ভাল লাগি গৈছিল মনটো- কিবা যেন শুভদিনৰ আগলি বতৰাহে সেই নামকেইটা। ফুটাই ক'লোঁ - 'ইমানবোৰ বুৰঞ্জী বিখ্যাত ওলোৱাহিৰ পাছত সেনাবাহিনীটো নিশ্চয় ওলাবহি।"[৬]

হাস্যৰসৰ উপৰিও আত্মজীৱনীখনৰ গদ্যত দৈনন্দিন মানৱ সমাজৰ মাজত প্ৰচলিত শব্দৰেও গদ্য সমূহৰ সৃষ্টি কৰিছিল। "কটন কলেজৰ প্ৰতি মোৰ ভালপোৱা আজিও শেষ হোৱা নাই। কিন্তু কটনে মোক কাহানিবাই পাহৰি

গ'ল। ক্ষীণ যোগসূত্ৰ এটা ৰাখি থৈছে, মাথোন দুজনে ঃ ড° হেমন্ত কুমাৰ শৰ্মা আৰু ড° ৰামচৰণ ঠাকুৰীয়াই। মাজে সময়ে এই দুজনৰ পৰাই দুখন এখন চিঠি পাওঁ। তাৰে এজন মোৰ সমসাময়িক আনজন মোৰ ছাত্ৰ স্থানীয়।"[৭]

এই বাক্যাংশৰ পৰাই আমি মহেন্দ্ৰ বৰাৰ সৰল গদ্যৰীতিৰ আভাস পাব পাৰোঁ। অন্যহাতে — "বৰ মা'ই ক'লে, "মই তোমাৰ কথাযাৰ শুনিয়েই গম পাইছিলোঁ, তুমি যে নাজানা। আনবোৰ ল'ৰাই কঁকালত গামোচা পিন্ধিয়েই নিজে নিজে জানি যায়। সিহঁতে বহু যাইছিল।"[৮] এই বাক্যাংশৰ পৰাই আমি বৰাৰ আত্মজীৱনীখনত ঘৰুৱা ঠাঁচযুক্ত শব্দ আৰু বাক্যৰ আভাস পাব পাৰি।

এনেদৰে মহেন্দ্ৰ বৰাৰ আত্মজীৱনী 'উপলা নদীৰ দৰে'ৰ বাক্যৰীতিৰ সম্পৰ্কে জানিব পাৰি।

**জতুৱা - ঠাঁচৰ প্ৰয়োগ ঃ-**

'উপলা নদীৰ দৰে' আত্মজীৱনীখনত অনেক জতুৱা ঠাঁচৰ প্ৰয়োগ দেখা গৈছে। সেইবোৰৰ ভিতৰত — উমান পোৱা, পলাই ফাঁট মৰা, চকুত লগা, ডকা-হকা, হাবাথুৰি খোৱা ইত্যাদি।

**ফকৰা-যোজনা, প্ৰৱাদ-প্ৰবচন আৰু উপমাৰ প্ৰয়োগ ঃ-**

মহেন্দ্ৰ বৰাৰ অন্য গদ্যৰ দৰে আত্মজীৱনীখনতো ফকৰা-যোজনাৰ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে "কিন্তু দুই নাৱত দুই ভৰি থকা দুৰৱস্থাৰে জীৱনৰ আলপৈচান ধৰোঁ কিহেৰে?"

অন্যহাতে পৰিস্থিতিৰ লগত খাপ খোৱাকৈ বৰাদেৱে বহুতো প্ৰবচনৰো সংযোগ কৰা দেখা গৈছে। উদাহৰণস্বৰূপে

"সন্ধিৰ বাঁহ বুদ্ধিৰ কটা"
"কেৰেলাতকৈ গুটি দীঘল"
"বেটেৰী খং বাঢ়নিত সৰা"

বৰাৰ 'উপলা নদীৰ দৰে' এই আত্মজীৱনীখনত উপমাৰ প্ৰয়োগ দেখা যায়। যেনে — "মই মানুহৰ এনেয়ে ক'লা আৰু বেছি ক'লা পৰি চাগৈ তেনেই নোহোৱা এখনৰ তলিটো যেন হৈ পৰিছিল।"

**অলংকাৰ প্ৰয়োগ ঃ-**

বৰাই আত্মজীৱনীখনত নানা প্ৰকাৰৰ অলংকাৰ প্ৰয়োগ কৰি আত্মজীৱনীখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছে। উদাহৰণ স্বৰূপে —

**ৰূপক ঃ-** "শেষৰ গৰাকীৰ আৰু এটা নিফুট চোৰাং নাম আছিল চেনিগুটি মহেন্দ্ৰ বৰা।"

**অতিশয়োক্তি ঃ-** "মানুহজন আছিল একেবাৰে কোদোৰ বাহ।"

**বক্ৰোক্তি ঃ-** "কলিকতা তেতিয়া তেজৰ নদীত গা ধুই আছিল।"

**উৎপ্ৰেক্ষা ঃ-** "সাত মাইল বাট ৰ'দে ৰ'দে খোজকাঢ়ি পোৱা বেঙেনা দুটা হৈ চৌৰংগী পালোঁহি।"

**ব্যাজস্তুতি ঃ-** "মই নোকোৱা কথাও মোৰ মুখত আঁৰি এজনে, স্বদেশ প্ৰেমৰ ঢল বোৱাই দিলে।"

এনেদৰে বৰাই ব্যাপক ভাৱে অলংকাৰৰ প্ৰয়োগ কৰিছে আত্মজীৱনীখনত।

অন্যহাতে যদি আমি 'উপলা নদীৰ দৰে' আত্মজীৱনীখনৰ কথন শৈলী সম্পৰ্কে চাওঁ —

বৰাই আত্মজীৱনীখনত কাব্যিক শিহৰণৰ বৰ্ণনা, যুক্তিনিষ্ঠ চিন্তা, দৃষ্টান্তমূলক কথা আদিও প্ৰকাশ কৰিছে। সেইবোৰৰ ভিতৰত —

"এই কথা জানিছিলোঁ, বৈ যোৱা নৈৰ সোঁতক পাৰৰ বিৰিখৰ পৰা হঠাতে সৰি পৰা আকলুৱা এখিলা পাতৰ পৰশে আমনি নকৰে।"[৯] এই বাক্যশাৰীৰ পৰা কাব্যিক শিহৰণ অনুভৱ কৰিব পাৰি।

ইয়াৰ উপৰি তেওঁৰ আত্মজীৱনীখনত যুক্তিনিষ্ঠ চিন্তাৰো প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে

— "মানুহ বাহিৰলৈ ওলাই যোৱাৰ সাৰ্থকতা এইখিনিতেই যে, যি মানৱ জীৱন ধাৰাৰ কথা কিছু বিচাৰি ল'ব আৰু আনকো সেইদৰে অজানিতেই কিছু কথাৰ সন্ধান যাচিব।"[১০]

বৰাৰ আত্মজীৱনীখনৰ মাজত চিত্ৰধৰ্মী বৰ্ণনা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে — "বহুতেই কয়, কলিতাৰ বৌদ্ধিক জীৱন আৰু কফি হাউচ হেনো অভিন্ন।... দেখিছিলোঁ, ল'ৰা নচুৱাই ফুৰা যৌৱনৰ মাৰ যাবলৈ ওলোৱা বেলিটো আগচি ধৰিবলৈ আপ্ৰাণ চেষ্টা কৰা কিছুমান ছটফটীয়া ছোৱালী আৰু সিহঁতৰ পাছে পাছে ওলমি ফুৰা দুই অনীয়া প্ৰেম কৰি জীৱনটোতে কৃতাৰ্থ মনা কিছুমান তজবজীয়া ল'ৰা। কাগজৰ ফুলকে যদি কোনোবাই ফুল বুলি মানে, তেনেহ'লে সিহঁতৰ সেই হুলস্থুলীয়া কথা-বাৰ্তাবোৰকেই প্ৰেমৰ সংলাপ বুলি মানি লোৱাত মোৰ আপত্তি নাই আৰু তাৰ মাজত বৌদ্ধিক জীৱন।" **(মহেন্দ্ৰ বৰা, উপলা নদীৰ দৰে, পৃ. ২১৩)**

আত্মজীৱনীখনৰ দুই এঠাইত অসমীয়া সমাজত প্ৰচলিত দৃষ্টান্তমূলক কথাও দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে— "কোনোবা ক'ৰবাত ডালত উঠিলগৈ, কাঠি চেলেকাৰ মৰণ মিলিল।" (উপলা নদীৰ দৰেপৃ. ৩৭৮)

ওপৰত উল্লেখ কৰাৰ দৰে মহেন্দ্ৰ বৰাই তেওঁৰ আত্মজীৱনী 'উপলা নদীৰ দৰে'ত উপস্থাপন শৈলীৰ প্ৰয়োগ কৰি আত্মজীৱনীখনক এক সাৱলীল ৰূপ প্ৰদান কৰিছে। নিজৰ পৃথক উপস্থাপন শৈলীৰ প্ৰয়োগ কৰা হোৱা বাবেই আত্মজীৱনীখনে এক সাৰ্থক ৰূপ লাভ কৰিছে।

**৩.০০ উপসংহাৰ ঃ-**

সাহিত্যৰ গুৰুত্বপূৰ্ণ ভাগ হিচাপে আত্মজীৱনী সাহিত্য অন্যতম। বিশ্বৰ অনান্য প্ৰান্তৰ সমান্তৰালভাৱে অসমতো এই শ্ৰেণী সাহিত্যৰ বিকাশ বিংশ শতিকাৰ পৰাই আৰম্ভণি ঘটিছিল। অসমীয়া আত্মজীৱনী সাহিত্যলৈ অৱদান আগবঢ়োৱা সাহিত্যক সকলৰ ভিতৰত অন্যতম এজন সাহিত্যক হ'ল মহেন্দ্ৰ বৰা আৰু তেওঁৰ আত্মজীৱনীখনৰ নামেই 'উপলা নদীৰ দৰে'। আলোচনাটোত আত্মজীৱনীখনত প্ৰতিফলিত বিভিন্ন দিশ যেনে - শৈক্ষিক, সাংস্কৃতিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশৰ সমান্তৰালভাৱে আত্মজীৱনীখনত প্ৰতিফলিত অনান্য বহু দিশৰ সম্পৰ্কে অৱগত হ'লো।

আত্মজীৱনীখনত বৰাই তেওঁৰ জীৱনৰ বিভিন্ন ঘটনাৰ সমান্তৰালভাৱে সমসাময়িক অসমীয়া সমাজ, লগতে কলিকতা আৰু বিদেশৰ বিভিন্ন কথা অতি সুন্দৰ ভাৱে প্ৰকাশ কৰিছে। আত্মজীৱনীখনৰ গদ্যৰীতি, প্ৰকাশভংগী, কাব্যিকতা আদি দিশ সমূহ সুন্দৰ ভাৱে লেখকে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। লগতে আত্মজীৱনীখনত প্ৰকাশ পোৱা দিশ সমূহে বিংশ শতিকাৰ অসমখনক বিভিন্ন দৃষ্টিভংগীৰে চোৱাত যথেষ্ট সহায় কৰিছে। আত্মজীৱনীখনৰ সুন্দৰ কাহিনী বৰ্ণনা কৰা বাবে আত্মজীৱনীখন পাঠক সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস হিচাপেও অভিহিত কৰিব পাৰি।

মুঠৰ ওপৰত বিভিন্ন তথ্যৰে সমৃদ্ধ 'উপলা নদীৰ দৰে' আত্মজীৱনীখন সকলো দিশৰ পৰা এখন উচ্চস্তৰীয় আত্মজীৱনী আৰু পাঠক সমাজৰ মাজত জনপ্ৰিয় আত্মজীৱনী হিচাপে অভিহিত কৰিব পাৰোঁ।

**প্ৰসঙ্গ সূত্ৰ ঃ**

১. মহেন্দ্ৰ বৰা, উপলা নদীৰ দৰে, পৃষ্ঠা- ৩
২. উক্ত গ্ৰন্থ, পৃষ্ঠা- ৩০৭
৩. উক্ত গ্ৰন্থ, পৃষ্ঠা- ১৪৮
৪. উক্ত গ্ৰন্থ, পৃষ্ঠা- ৩০৩
৫. উক্ত গ্ৰন্থ, পৃষ্ঠা- ৬৩
৬. উক্ত গ্ৰন্থ, পৃষ্ঠা- ২৫৮

৭. উক্ত গ্ৰন্থ, পৃষ্ঠা- ১৫
৮. উক্ত গ্ৰন্থ, পৃষ্ঠা- ৬৩
৯. উক্ত গ্ৰন্থ, পৃষ্ঠা- ১৪৮
১০. উক্ত গ্ৰন্থ, পৃষ্ঠা- ৮৫

**সহায়ক গ্ৰন্থপঞ্জী ঃ-**

**মুখ্য উৎস ঃ**

বৰা, মহেন্দ্ৰ ঃ **উপলা নদীৰ দৰে**। বনলতা প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়-১, দ্বিতীয় বনলতা সংস্কৰণ, ২০১৪ চন।

**গৌণ উৎস ঃ**

কলিতা, ৰঞ্জন (সম্পা.) । গৱেষকৰ হাতপুথি। প্ৰকাশক ঃ বান্ধৱ, দ্বিতীয় প্ৰকাশ ঃ মাৰ্চ, ২০১৭।

কোঁৱৰ, অৰ্পনা (সম্পাদক)। আধুনিক অসমীয়া গদ্যশৈলী। প্ৰকাশক বনলতা প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়১, দ্বিতীয় বনলতা সংস্কৰণ-২০১৬ চন।

গোস্বামী, অশোক কুমাৰ (সা. সম্পাদক) । অসমীয়া সাহিত্যৰ বুৰঞ্জী (পঞ্চম খণ্ড)। প্ৰকাশক সঞ্চালক, আনন্দৰাম বৰুৱা, ভাষা-কলা সংস্কৃতি সংস্থা প্ৰথম প্ৰকাশ ঃ ছেপ্তেম্বৰ, ২০১৫।

দাস, অমল চন্দ্ৰ (সম্পা)। অসমীয়া জীৱনী আৰু আত্মজীৱনী অধ্যয়ন। প্ৰকাশক । পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী - ২০১৮।

নেওগ, বিভা দত্ত (সম্পা) । সাহিত্যৰ স্বাদ-বৈচিত্ৰ্য। সন্দকৈ, নিবেদিতা বড়া (সম্পা.), প্ৰকাশক। অসম সাহিত্য সভাৰ সপ্ততিতম ধেমাজি অধিৱেশনৰ আদৰনী সমিতিৰ সম্পাদক ড° অমিয় ভূঞাৰ হৈ নৰ কলিতা, কিৰন প্ৰকাশন আৰু যুক্তৰাজ্য অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত, ২০০৯, প্ৰথম প্ৰকাশ ঃ- ফেব্ৰুৱাৰী, ২০০৯

শৰ্মা, গোবিন্দৰ প্ৰসাদ । জীৱনী আৰু আত্মজীৱনী ঃ অসমীয়া আৰু পাশ্চাত্যত। প্ৰকাশক ঃ অনন্ত হাজৰিকা, বনলতা, পানবজাৰ দ্বিতীয় পৰিৱৰ্ধিত সংস্কৰণ, ছেপ্তেম্বৰ - ২০১৪।

বৰা, জয়ন্ত কুমাৰ। সাহিত্যৰ নানা দিশ। প্ৰকাশক ঃ বাণী মন্দিৰ, প্ৰথম প্ৰকাশ ঃ ২০১০ চন।

শইকীয়া, নগনে । গৱেষণা পদ্ধতি পৰিচয। মুদ্ৰণ ঃ কৌস্তুভ প্ৰিণ্টাৰ্ছ, ৭ম মুদ্ৰণ, ছেপ্টেম্বৰ, ২০১৬।

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# দলিত সাহিত্য আৰু মুন্সী প্ৰেমচন্দৰ গল্পত দলিত সাহিত্যৰ শিপা

**ড০ ৰীতা বৰা**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
সৰুপথাৰ মহাবিদ্যালয়

**সাৰাংশঃ**

ভাৰতবৰ্ষত জাতিভেদ প্ৰথা অতি প্ৰাচীন কালৰে পৰা আছিল। মানুহৰ মাজত থকা এই ভেদভাৱ বা জাতিগত অসমতাক লৈ যুগে যুগে সাহিত্য সৃষ্টি হৈ আহিছে। এই সকল সাধাৰণ পিছপৰা শ্ৰেণীৰ জীৱন, সংগ্ৰাম আৰু বৈষম্যৰ মৰ্ম্মস্পৰ্শী কাহিনী আৰু তেওঁলোকৰ অধিকাৰৰ বিষয়ে সৰব হৈ যি সাহিত্য সৃষ্টি হৈছে সেই সাহিত্যকে পৰৱৰ্তী সময়ত দলিত সাহিত্য ৰূপে আলোচনাৰ মজিয়ালৈ অনা হৈছে। বিংশ শতিকাৰ মাজ ভাগ মানৰ পৰা ভাৰতবৰ্ষত দলিত আন্দোলনেও মূৰ তুলি উঠে। যিসময়ত ভাৰতীয় সাহিত্যৰ আলোচনাৰ ধাৰাত দলিত সাহিত্যৰ বিষয়ে আলোচনা আৰম্ভ হৈছে- তাৰ কিছু পূৰ্বেই ভাৰতীয় সাহিত্যিক মুন্সী প্ৰেমচন্দৰ গল্পত বা সাহিত্যত দলিতসকলৰ জীৱন প্ৰতিফলিত হৈছে। তেওঁৰ গল্পত কেনেদৰে দলিতসকলৰ জীৱন সংগ্ৰাম প্ৰকাশ পাইছে সেই কথা তেওঁৰ দুটা গল্প *ঠাকুৰ কী কুঁৱা* আৰু *সদগতি*ৰ আধাৰত বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰা হব।

**বীজ শব্দ ঃ** দলিত সাহিত্য, জাতি-ভেদ ব্যৱস্থা, অধিকাৰ, মুন্সী প্ৰেমচন্দ।

**০.১ অৱতৰণিকা ঃ**

সংস্কৃত আৰু হিন্দী ভাষাত দলিত শব্দটোৱে 'বিভাজিত' বা নিপীড়িত হোৱা পিছপৰা জাতিক বুজাইছে। দলিত বা নীচ জাতৰ লোকসকলক সম-মৰ্যাদা, মানৱ অধিকাৰ দিবৰ বাবে পৰৱৰ্তী সময়ত ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যত দলিত আন্দোলনে মূৰ তুলি উঠে। সাহিত্যৰ মাধ্যমেৰেও এই আন্দোলনক তীব্ৰ আৰু সক্ৰিয় কৰি তোলে লেখকসকলে। অস্পৃশ্য বা পিচপৰা শ্ৰেণীৰ লোকসকলৰো সামাজিক অধিকাৰসমূহ যে প্ৰাপ্য এই কথাবোৰ উপলব্ধি কৰি বিংশ শতিকাৰ প্ৰথম ভাগতেই মুন্সী প্ৰেমচন্দই তেওঁৰ সাহিত্যৰ মাজেৰে এক জাগৰণ সৃষ্টি কৰিছিল। বিশেষকৈ তেওঁৰ চুটিগল্পৰ মাজত দলিতসকলৰ দুখ ক্ষোভ আৰু সৰ্বতো প্ৰকাৰে তেওঁলোক শোষিত বঞ্চিত হোৱা ছবিখন স্পষ্টকৈ প্ৰতিফলিত হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

হিন্দী সাহিত্য জগতৰ এগৰাকী সাহিত্যিক মুন্সী প্ৰেমচন্দৰ সাহিত্যতো এইসকল নীচ অথবা পিচপৰা শ্ৰেণী লোকৰ কাহিনী গল্প আৰু উপন্যাসৰ মাজেৰে প্ৰতিফলিত হৈছে। কেনেকৈনো তেওঁৰ গল্পত দলিত সাহিত্যৰ বৈশিষ্ট্য বিচাৰি পোৱা যায় সেই দিশটোক উন্মোচন কৰাই আমাৰ এই অধ্যায়নত গুৰুত্ব লাভ কৰিছে।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

মুন্সী প্ৰেমচন্দৰ দুটা গল্প *'ঠাকুৰ কী কুঁৰা'* আৰু *'সদগতি'*ক এই আলোচনাৰ মাজত সামৰি লৈছো।

**০.৪ অধ্যয়নৰ সমল ঃ**

অধ্যয়নৰ সমল ৰূপে ৰঞ্জিতা বৰুৱাই অনুবাদ কৰা *মুন্সী প্ৰেমচন্দৰ শ্ৰেষ্ঠ গল্প,* গ্ৰন্থখন আৰু ইন্টাৰনেটত উপলব্ধ প্ৰেমচন্দৰ সাহিত্যৰ বিষয়ে লিখা প্ৰবন্ধৰ সহায় লোৱা হৈছে।

**০.৫ অধ্যয়নৰ পদ্ধতি ঃ**

অধ্যয়নৰ পদ্ধতিৰূপে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**১.০ দলিত সাহিত্যৰ চমু আভাস ঃ**

দলিত বা সামাজিকভাৱে অস্পৃশ্য জাতিৰ লোকসকলৰ গোষ্ঠীগত বা সামাজিক যন্ত্ৰণা, অৰ্থনৈতিক দুৰ্বলতা, সমস্ত মানৱ অধিকাৰৰ পৰা বঞ্চিত হোৱা যন্ত্ৰণা আৰু তেওঁলোকক ঘৃণাৰ দৃষ্টিৰে চোৱা, সামাজিক অসমতা আদি বিষয়ক মুখ্য কৰি ৰচনা কৰা সাহিত্যকে দলিত সাহিত্য বুলি কোৱা হয়। মূলত সমাজত শ্ৰেণী বৈষম্যৰ বলি হোৱা লোকসকলক মৌলিক অধিকাৰ প্ৰদান কৰিবলৈ, তেওঁলোকে বাস্তৱ জীৱনত লাভ কৰা সামাজিক ঘৃণা, সংঘাত আদিক কলাত্মক ৰূপত সাহিত্যত প্ৰকাশ কৰিবলৈ সাহিত্যিকসকলে যত্ন কৰিছিল। দলিত সাহিত্যৰ মূল বক্তব্যই হৈছে সামাজিক অক্ষমতা (Disability), শ্ৰেণী পদ্ধতি, অৰ্থনৈতিক অসমতা আদিক সাহিত্য আলোচনাৰে সমাধান কৰা।

**১.১ মুন্সী প্ৰেমচন্দৰ চমু পৰিচয় ঃ**

মুন্সী প্ৰেমচন্দ আছিল ভাৰতীয় সাহিত্যৰ এগৰাকী অতি সংবেদনশীল আৰু প্ৰভাৱশালী লেখক। তেওঁৰ আচল নাম আছিল ধনপত ৰায় শ্ৰীবাস্তৱ। পৰিয়ালৰ সমস্যা মূৰ পাতি লোৱাৰ লগতে তেওঁ স্বদেশী আন্দোলনতো অংশগ্ৰহণ কৰে। সেয়ে সাহিত্যিক জীৱনৰ আগছোৱাত ৰচনা কৰা তেওঁৰ সাহিত্যত মহাত্মা গান্ধীৰ আদৰ্শ আৰু জাতীয় চেতনা তীব্ৰভাৱে প্ৰকাশ হৈছিল। প্ৰথম অৱস্থাত তেওঁ ধনপাত ৰায় শ্ৰীবাস্তৱ নামেৰে সাহিত্য চৰ্চা কৰিছিল যদিও পৰৱৰ্তী এই নামেৰে সাহিত্য চৰ্চা কৰা নাছিল। প্ৰথম গল্প সংকলনখনৰ নাম আছিল - *'সেজ এ ৱাটান'*, ইয়াত সন্নিবিষ্ট হোৱা পাঁচটা গল্পতে তীব্ৰভাৱে জাতীয় চেতনাৰ ভাৱ প্ৰকাশ পাইছিল। সেই সময়তে তেওঁৰ এগৰাকী বন্ধু মুন্সী দয়ানাৰায়ণ নিগমে ধনপত ৰায়ক 'মুন্সী প্ৰেমচন্দ' নাম লৈ সাহিত্য চৰ্চা কৰিবলৈ উৎসাহিত কৰে। ইয়াৰ পাছত ধনপত ৰায় শ্ৰীবাস্তৱে 'মুন্সী প্ৰেমচন্দ' নাম লৈ সাহিত্য চৰ্চা কৰি ভাৰতীয় সাহিত্যক সমৃদ্ধিশালী কৰাত অৰিহণা যোগাই। পৰৱৰ্তী সময়ত হিন্দী উপন্যাস সাহিত্য আৰু গল্প সাহিত্যৰ জগতত মুন্সী প্ৰেমচন্দ নামেৰে তেওঁ জয়যাত্ৰা অক্ষুন্ন ৰাখে। মুন্সীৰ প্ৰায়খিনি গল্পই বিশ্ব সাহিত্যৰ মৰ্যাদা লাভ কৰিছে। কিয়নো তেওঁৰ গল্পত আছে এক বিশ্বজনীন আবেদন।

**১.২ মুন্সী প্ৰেমচন্দৰ সাহিত্যৰাজি ঃ**

মুন্সী প্ৰেমচন্দই পোন্ধৰখনতকৈ অধিক উপন্যাস আৰু তিনিশমান গল্প ৰচনা কৰে। তেওঁৰ উপন্যাসসমূহ হ'ল - অসৰাৰে মআবিদ (উৰ্দু), এইখন উপন্যাস হিন্দী ভাষাত 'দেৱস্থান ৰহস্য' বুলি জনা যায়। প্ৰেমা, সেৱাসদন, প্ৰেমাশ্ৰম, ৰংগভূমি, নিৰ্মলা, কায়কল্প, অহংকাৰ, প্ৰতিজ্ঞা, কৰ্মভূমি, গবন, গোদান তেওঁৰ উল্লেখযোগ্য উপন্যাস। তেনেকৈ তেওঁৰ কেইখনমান বিশিষ্ট গল্পসংকলন হ'ল — সপ্তসৰোজ, নৱনিধি, প্ৰেম পূৰ্ণিমা, প্ৰেম-পচীসী, প্ৰেম প্ৰতিমা, মান সৰোবৰ ইত্যাদি। প্ৰেমচন্দৰ সৰহখিনি গল্পৰ বিষয়বস্তুত গ্ৰাম্য লোকসকলৰ সৰল জীৱন প্ৰতিফলিত হৈছে। তেওঁৰ গল্পত মূলতঃ দলিত আৰু নিস্পেষিত জীৱন কাহিনী বৰ্ণিত হৈছে। প্ৰেমচন্দৰ গল্পসমূহ পঢ়িলে কেইটামান মূল বৈশিষ্ট্য চকুত পৰে। সেইকেইটা হ'ল—

১। সামাজিক চেতনা, ২। বাস্তৱবাদী দৃষ্টিভংগী, ৩। চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ,

৪। পৰম্পৰাৰ মাজতো ভাৰতীয় সংস্কৃতিৰ অভিব্যক্তি প্ৰকাশ।

**২.০ মূল আলোচনা ঃ**

প্ৰাচীন ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাত অৰ্থাৎ হিন্দু সমাজ ব্যৱস্থাত থকা বৰ্ণাশ্ৰম ব্যৱস্থাই সমাজত উচ্চ জাত আৰু নিম্ন জাতৰ সৃষ্টি কৰিছিল। সমাজত থকা এই জাত বিভাজনে বিভিন্ন জাতৰ মানুহৰ মাজত সামাজিক বৈষম্য সৃষ্টি কৰিছিল বিভিন্ন ধৰণে।

মূলত হিন্দু ধৰ্ম এক ধৰ্ম হ'লেও প্ৰাচীন ভাৰতত সবৰ্ণ হিন্দু আৰু অসবৰ্ণ হিন্দু ৰূপে বিভক্ত হৈছিল। নিপীড়িত অৰ্থাৎ মানৱ অধিকাৰৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত এই লোকসকলৰ জীৱনৰ বৈচিত্ৰ্যময় সংঘাত, নিপীড়ন, শোষণ, ঘৃণা আৰু মানসিক যন্ত্ৰণা ইত্যাদি বিষয়ক লৈ পৰৱৰ্তী সময়ত দলিত লোকসকলে যি সাহিত্য সৃষ্টি কৰিছিল তাকে দলিত সাহিত্যৰূপে পৰিচিত হয়। বিশেষকৈ স্বাধীন ভাৰতৰ জাত-পাত বিচাৰ, সমাজত উচ্চসকলে নীচ বা অস্পৃশ্য জাতৰ লোকসকলক সামাজিক আৰু মানসিকভাৱে কৰা নিৰ্যাতন এই সকলোবোৰৰ প্ৰতিবাদ বা নিৰ্মূল কৰিবলৈ যিসকল দলিত সদস্যই সাহিত্যকে অস্ত্ৰৰূপে লৈ সাহিত্য সৃষ্টি কৰিছে— তেনে সাহিত্যক সাহিত্য আলোচনাৰ ধাৰাত দলিত সাহিত্য ৰূপে নামকৰণ কৰা হৈছে। বিংশ শতিকাৰ মাজভাগ মানৰ পৰা ভাৰতবৰ্ষত দলিত আন্দোলনেও মূৰ তুলি উঠে। ভাৰতীয় বিভিন্ন ভাষা বাংলা, হিন্দী, পাঞ্জাবী, মাৰাঠী, ওৰিয়া, তামিল আদি ভাষাৰ গল্প আৰু উপন্যাসত দলিতসকলৰ জীৱন প্ৰতিফলিত হৈছে। ভাৰতবৰ্ষত বিশেষকৈ মহাৰাষ্ট্ৰৰ দলিত আন্দোলনৰ প্ৰবক্তা আছিল ড° বি.আৰ আম্বেদকাৰ, তেওঁৰ নেতৃত্বত নীচ বা দলিতসকলৰ সম-অধিকাৰৰ বাবে এক আন্দোলনে মূৰ তুলি উঠে। ভাৰতবৰ্ষৰ দলিত সাহিত্য আৰু দলিতসকলৰ মুক্তিৰ আন্দোলনৰ দীঘলীয়া ইতিহাস আছে। এই আলোচনা সেই ইতিহাসৰ বিষয়ে আলোচনা কৰিবলৈ বিচৰা নাই, ইয়াত মাথো মুন্সী প্ৰেমচন্দৰ গল্প - *'ঠাকুৰ কী কুঁৱা'* আৰু *'সদগতি'*ত কিদৰে দলিতসকলৰ জীৱন প্ৰতিফলিত হৈছে তাকে আলোচনা আগবঢ়োৱা হৈছে।

মুন্সী প্ৰেমচন্দ আছিল প্ৰগতিশীল বিচাৰধাৰাৰ লোক। তেওঁ হিন্দী সাহিত্যৰ প্ৰগতিশীল মঞ্চৰ এগৰাকী সক্ৰিয় সদস্যও আছিল। নিজে প্ৰগতিশীল চিন্তাৰ অধিকাৰী হোৱা বাবে তেওঁ সমাজৰ অৱহেলিত দলিতসকলৰ বিষয়ে চিন্তা কৰিছিল আৰু তেওঁলোকৰ চেতনাক জাগ্ৰত কৰিবলৈ সাহিত্যকে অস্ত্ৰৰূপে গ্ৰহণ কৰিছিল। তেওঁ প্ৰত্যক্ষ কৰিছিল যে সমাজৰ দলিত সকলেই নহয় মহিলাসকলো সামাজিকভাৱে উৎপীড়নৰ সন্মুখীন হৈছিল। তেওঁৰ *'ঠাকুৰ কী কুঁৱা'* গল্পটোত সমাজৰ অৱহেলিত নাৰী গংগী আৰু তেওঁৰ স্বামী জৌখুৰ সামাজিক উৎপীড়ণৰ কাহিনী বৰ্ণিত হৈছে। 'ঠাকুৰৰ কী কুঁৱা'ৰ কাহিনীটো এনেধৰণৰ -

জৌখু আৰু গংগী সমাজৰ নীচ অথবা অৱহেলিত সম্প্ৰদায়ৰ দম্পতী। এই দম্পতীহালে সমাজত থকা জাত-পাতৰ বৈষ্যমৰ বাবে সকলো সামাজিক অধিকাৰ আৰু মানৱ অধিকাৰৰ পৰা বঞ্চিত হৈছে। এটুপি বিশুদ্ধ খোৱা পানীৰো তেওঁলোকৰ অভাৱ। কাৰণ সামাজিকভাৱে তেওঁলোক অস্পৃশ্য জাতৰ হোৱাৰ বাবে সমাজত বসবাস কৰা উচ্চ জাতৰ লোকসকলে ব্যৱহাৰ পৰা একো বস্তু তেওঁলোকে ব্যৱহাৰ কৰিব নোৱাৰে। উচ্চ সমাজৰ মাজলৈ যোৱা, উচ্চ জাতৰ লোকে ব্যৱহাৰ কৰা খোৱা পানীৰ কুঁৱা পৰ্যন্ত তেওঁলোকৰ বাবে নিষিদ্ধ। জৌখু আৰু গংগীহঁতৰ দৰে মানুহৰ খোৱাপানীৰ কুঁৱাও পৃথক। গংগীয়ে এদিন অনা পানী দুদিনৰ বাবে লোটা কলহত ভৰাই সঞ্চয় কৰে। এনেকৈ থেছাৱা পানীকে জৌখুৱে খাবলৈ লওঁতেই বৰ অকতা গোন্ধ পালে। সি গংগীক কলে- *"এইবোৰ কি পানী? দুৰ্গন্ধিত পেটলৈ নাযায়। মোৰ ডিঙি শুকাই গৈছে, ইফালে তই দিছ এইখিনি পানী।"*[১] অন্যহাতে জৌখুৰ কেইবাদিনৰ পৰা জ্বৰ। সেয়ে গংগীয়ে লেটেৰা গোন্ধৰ পানীখিনি জৌখুক খাবলৈ নিদিলে। গংগীয়ে

জৌখুক ক'লে যে গাঁৱৰ ভিতৰতে ঠাকুৰ আৰু চাহুৰ দুটা কুঁৱা আছে, যিকোনো এটাৰ পৰা এলোটা পানী আনিবলৈ নিদিব নে ? জৌখুৰে ভালকৈ জানে সিহ'ত নীচ জাতৰ, সেয়ে এই কাম সম্ভৱ নহয়। সি গংগীক ক'লৈ- *"হাত ভৰি ভাঙি উলটি আহিবি, আৰু একো নাপাৱ। চুপ চাপ বহি থাক তাতকৈ। ব্ৰাহ্মণে শাও দিব, ঠাকুৰে লাঠিৰে কোব দিব, মহাজন চাহুৰে এগুণত পাঁচগুণ আদায় কৰি। গৰীৱৰ দুখ কোনে বুজে।"*[২] গংগীয়ে এই নিষ্ঠুৰ সত্য ভালকৈ জানে তথাপি তাই সাহ কৰিলে জৌখুৰ বাবে অলপ খোৱা পানী আনিবলৈ। গংগীৰ মনটো বিদ্ৰোহী হৈ পৰিল। ঠাকুৰ, মহাজন চাহু সিহঁতে বেয়া কাম কৰিলেও দোষ নহয়। দোষ হয় কেৱল সিহ'তৰ দৰে নীচ জাতৰ মানুহৰ। এনেদৰে ভাবি ভাবি গংগীয়ে ঠাকুৰৰ ৰখীয়া পৰীয়াবোৰ কুঁৱাৰ কাষৰ পৰা আঁতৰি যোৱা আৰু ঠাকুৰৰ ঘৰৰ মানুহ শুৱালৈ বাট চালে। তাই এটুপি পানী নিনিয়াকৈ ঘৰৰ ফালে দৌৰি প্ৰাণ বচালে কিন্তু ঘৰত গৈ তাই দেখিলে পিঁয়াহত ৰ'ব নোৱাৰি জৌখুৰে লোটাৰ গেলা পানীকে খাই আছে।

গল্পটোৰ জৌখু আৰু গংগী দুটা চৰিত্ৰ হ'লেও প্ৰকৃততে তেওঁলোক নীচ বা দলিত সম্প্ৰদায়ৰ প্ৰতিনিধিহে। এওঁলোক একেখন সমাজতে বাস কৰা উচ্চ শ্ৰেণীটোৰ বাবে সদায় অস্পৃশ্য। সমাজত থকা বৰ্ণ ব্যৱস্থাৰ বাবে জৌখু-গংগীহঁতে এটা অভিসপ্ত জীৱন পাৰ কৰিব লগা হয়। আনহাতে ঠাকুৰ শব্দটোৰে কোনো নিৰ্দিষ্ট ব্যক্তিক বুজোৱা নাই। শব্দটোৰে ইয়াত সমাজৰ কোনোবা পুঁজিপতি, জমিদাৰ, ব্ৰাহ্মণ অথবা ক্ষত্ৰিয়ক বুজাইছে। গল্পৰ কুঁৱাটোৰ লগত জীৱৰ ওতঃপ্ৰোত সম্বন্ধ। কাৰণ কুঁৱাত পানী থাকে, পানী প্ৰাণীৰ প্ৰাণ। যেতিয়ালৈকে কুঁৱাত পানী থাকিব, তেতিয়ালৈকে কুঁৱাৰ অস্তিত্ব বা মূল্য থাকিব। ঠাকুৰৰ কুঁৱাটো যিদৰে পৰিষ্কাৰ আৰু সুৰক্ষিত একেদৰে সমাজৰ উচ্চবৰ্ণৰ লোকসকলৰ সামাজিক মৰ্যাদাৰ স্থান সুৰক্ষিত। কিন্তু নীচসকলে সেই কুঁৱাৰ পানী খোৱাটো দূৰৰে কথা পাৰলৈও যাব নোৱাৰে। মুন্সী প্ৰেমচন্দই সমাজৰ এই ব্যৱস্থাৰ অন্ত পৰাটো বিচাৰিছিল। তেওঁ গল্পটোত গংগী চৰিত্ৰটো এচা প্ৰতিবাদী আৰু সাহসী চৰিত্ৰ ৰূপে অংকন কৰিবলৈ বিচাৰিছিল যদিও উচ্চবৰ্ণৰ ক্ষমতাশালী লোকৰ ওচৰত হাৰ মানিছে। কিন্তু গংগী চৰিত্ৰটোৰ মাজত প্ৰতিবাদী উকমুকনি এটা দেখিবলৈ পোৱা গৈছে। প্ৰকৃতাৰ্থত দলিতসকলৰ মুক্তিৰ বাবে গল্পটোত গংগীয়ে অলপ সাহ গোটাই প্ৰতিবাদ কৰিবলৈ সাজু হৈছে। মুন্সী প্ৰেমচন্দই বিচাৰিছিল এখন সাম্যৰ সমাজ, যিখন সমাজত অন্ততঃ মানুহে জীয়াই থাকিব পৰা মৌলিক অধিকাৰ তথা মানৱ অধিকাৰসমূহ লাভ কৰিব পাৰে। তেওঁ কেৱল কাহিনীয়েই ৰচনা কৰা নাছিল, সমাজত থকা দলিত আৰু নিষ্পেষিত মানুহৰ প্ৰতি তেওঁৰ আছিল গভীৰ সহানুভূতি।

মুন্সী প্ৰেমচন্দৰ আন এটা অতি স্পৰ্শমানৰ গল্প হ'ল- 'সদগতি'। এই গল্পটোত সমাজৰ জাতি-ভেদ প্ৰথা ঘৃণা, শোষণ আৰু উচ্চবৰ্ণৰ অমানৱীয় আচৰণত কিদৰে সমাজত নীচ বা অস্পৃশ্য সকলৰ জীৱনৰ যন্ত্ৰণাময় হয় তাৰ মৰ্ম্মস্পৰ্শী প্ৰকাশ ঘটিছে। প্ৰেমচন্দই এইটো গল্পৰ মাজেৰে সমকালীন সমাজ ব্যৱস্থাত থকা জাত-পাত বিভেদৰ কাহিনী আৰু ব্ৰাহ্মণকে মুখ্য কৰি উচ্চ বৰ্ণৰ লোকসকলে নিম্ন বৰ্গ বা নীচ সম্প্ৰদায়ৰ লোকসকলক কৰা ঘৃণা আৰু শোষণ এই দুয়োটা কথাকে প্ৰকাশ কৰিবলৈ বিচাৰিছে। সমাজত থকা উচ্চ বৰ্ণৰ লোকসকলে নিজ স্বাৰ্থৰ বাবে হিন্দু ধৰ্মৰ মূল আদৰ্শ নীতিক নিলগায় নিজে সৃষ্টি কৰি লোৱা কিছুমান নিয়মৰ মাজেৰে সমাজৰ নিৰক্ষৰ আৰু একেবাৰে সাধাৰণ শ্ৰেণীৰ লোকসকৰ পৰা বিভিন্ন সুবিধা আদায় কৰিছিল। গল্পটোত এইখিনি কথা বৰ সুন্দৰকৈ প্ৰতিফলিত হৈছে। গল্পটোৰ কথাখিনি এনেধৰণৰ—

পণ্ডিত ঘাছিৰাম যিখন গাঁৱত বাস কৰে তাত সৰহ সংখ্যকেই উচ্চ বৰ্ণৰ হিন্দু। ঘাছিৰামৰ গাঁওখনৰ কাষতে থকা গাঁওখন হ'ল নীহ কুলীয়া চমাৰসকলে বাস কৰা গাওঁ। এই একেবাৰে সাধাৰণ পিছপৰা শ্ৰেণীৰ মানুহবোৰে ঘাছিৰামৰ দৰে মানুহবোৰক শ্ৰদ্ধা-ভক্তি আৰু সমীহ কৰে, ভগৱানৰ অংশ বুলি মানে। চমাৰসকলৰ সকলো মাঙ্গলিক কৰ্মৰ বাবে চোৱা-চিতা কৰা কামবোৰ পণ্ডিত ঘাছিৰামে কৰে। চমাৰ গাঁৱখনৰ একেবাৰে সৰল

দম্পতী হ'ল দুখী আৰু জুৰিয়া। তেওঁলোকৰ সমস্যাৰ সমাধান উলিয়াই দুখী ঘাছিৰামৰ ঘৰলৈ যাত্ৰা কৰিলে মুৰত এবোজা ঘাঁহ লৈ। কাৰণ শুদাহাতে গ'লে ঘাছিৰামৰ খং উঠে। ঘাছিৰামে অলেখ অজুহাত দেখুৱাই সিহঁতৰ ঘৰলৈ যাব নোৱাৰে বুলি দুখীক জনালে। চমাৰ দুখীয়েও অলেখ অনুনয় বিনয় কৰাৰ পাছত পণ্ডিত ঘাছিৰামে দুখীক কেইটামান কাম কৰিবলৈ নিৰ্দেশ দিলে আৰু কাম কেইটা হোৱাৰ পাছত তেওঁ দুখীৰ লগতে গৈ দুখীৰ জীয়েকৰ বিয়াৰ দিন বাৰ চাই দিম বুলি ক'লে। ঘাছিৰামে দুখীক কামবোৰ বুজাই দিলে - ঘাঁহখিনি গৰুজনীৰ আগত থবলৈ, লেতেৰা হৈ থকা আগচোতালখন সাৰিবলৈ, মানুহ বহা ঘৰটো গোবৰ পানী দি মচিবলৈ, খৰি ফালিবলৈ আৰু গুদাম ঘৰত থকা খেৰখিনি আনি গোহালিত থ'বলৈ। দুখীয়ে কামখিনি বুজি লৈ কৰিবলৈ আৰম্ভ কৰিলে, সোনকালে আজৰি হৈ পণ্ডিতক লৈ ঘৰলৈ যাব লাগে। আনফালে পুৱা খুদকণ এটাও পেটত নিদিয়াকৈ অহা দুখীৰ ভোক লাগিবলৈ আৰম্ভ কৰিলে। ভৰ দুপৰীয়ালৈকে কাম কৰি দুখী অৱশ হ'ল। দিনটোৰ পিছবেলালৈ তাৰ কামখিনি প্ৰায় হ'লগৈ আৰু গছৰ মূঢ়া এটাৰ পৰা খৰিখিনি কুঠাৰেৰে ফালি শেষ কৰাৰ সময়তে দুখী ঢলি পৰি। দুখী আৰু নুঠিল, পণ্ডিতৰ ঘৰতে তাৰ প্ৰাণবায়ু উৰি গ'ল।

ব্ৰাহ্মণৰ গাঁৱতে থকা গোণ্ড পৰিয়ালৰ মানুহজনে চমাৰ গাঁৱলৈ গৈ কোনেও শটো নানিবলৈ ক'লে। ব্ৰাহ্মণে তাৰ প্ৰাণ ল'লে। তেওঁলোকক বুজাই দিয়া হ'ল- শটো আনিলে সিহঁতকো পুলিছে নিব। শ তুলিবলৈ গাঁৱৰ পৰা কোনো মতা মানুহ মাহিল। উপায় নেপায় ঘাছিৰামে নিজে দুখীৰ মৃত শৰীৰৰ ভৰিত ৰচী লগাই টানি শটো তেওঁ ঘৰ আৰু গাঁৱৰ পৰা উলিয়াই মুকলি পথাৰত থৈ আহিল। পথাৰত শিয়াল, শগুণ, কাউৰী কুকুৰে দুখীৰ শটো সংস্কাৰ কৰিলে।

মুন্সী প্ৰেমচন্দই ভাৰতীয় সংস্কৃতি বা ভাৰতীয় পৰম্পৰাত থকা এনে জাত-পাত বিচাৰ, ৰীতি, পৰম্পৰাৰ অন্ত বিচাৰিছিল। গল্পটোৰ পণ্ডিত ঘাছিৰাম উচ্চবৰ্ণৰ প্ৰতিনিধি। ঘাছিৰাম উচ্চ বৰ্ণৰ হ'লেও তেওঁ মানৱতা শূন্য এক চৰিত্ৰ। পূজা পাঠ, ফোঁট লগুণ লৈ সদায়ে এক সংস্কাৰেৰে সমাজত নিজৰ অস্তিত্বক প্ৰতিষ্ঠা কৰিলেও চমাৰ দুখীৰ প্ৰতি কৰা আচৰণে তেওঁক উচ্চতাৰ শিখৰৰ পৰা একেবাৰে অৱনমিত কৰিলে। ভগৱানৰ পৰম ভক্ত হ'লেও তেওঁৰ যেন সেই ভক্তি ভণ্ডামীহে। কাৰণ দুখীহঁতৰ দৰে মানুহৰ প্ৰতি তেওঁৰ কোনো দয়া নাই। পৃথিৱীত এনে কোনো ধৰ্ম নাই যি মানৱীয় প্ৰমূল্যৰ পৰিপন্থী। কিন্তু এশ্ৰেণী সুবিধাবাদীয়ে বহুসময়ত ধৰ্মীয় আচৰণক নিজৰ মতে তৈয়াৰ কৰি লয়। দুখী জাতত নিম্ন আৰু আৰ্থিকভাৱেও গৰীব। ঘাঁহ কাটি বিক্ৰি কৰাটোৱেই তাৰ পেছা। সেইজন দুখীয়ে পণ্ডিত ঘাছিৰামৰ ঘৰলৈ এবোজা ঘাঁহ আনিছে। তাৰ মূল্য দিয়াটো দূৰৰে কথা পণ্ডিত ঘাছিৰামে দিনটো বিনা বেতনে কাম কৰোৱা দুখীক এমুঠি অন্ন আৰু এটোপা পানীও খাবৰ বাবে আগনবঢ়ালে। তেওঁলোকে বুজি নাপায় সৰু মানুহৰ কামৰ মূল্য আৰু পেটৰ ক্ষুধাৰ বিষয়ে। ঘাছিৰামৰ ঘৰত খৰি ফালি থাকোতেই দুখীৰ মৃত্যু হ'ল। দুখীৰ মৃত্যুৰ পাছতো ঘাছিৰামৰ পৰা শটোৱে অকনো মানৱীয় মৰ্যাদা নাপালে, ওৰে ৰাতি পৰি থাকিল খৰিফলা জেগাতে। কাৰণ চমাৰ গাঁৱৰ পৰা কোনো পুৰুষে আহি দুখীৰ শটো লৈ ন'গল। মৃত্যুৰ পাছতো কুকুৰ মেকুৰীৰ দৰে দুখীৰ শটো ৰচী লগাই চোচৰাই নি পেলাই দিয়া হ'ল। এনে কাৰ্য হিন্দু ধৰ্মৰে বিৰোধী। হিন্দু ধৰ্মত মৃতকক মৰ্যাদা সহকাৰে সৎকাৰ কৰা হয়। ঘাছিৰামে সেয়া নকৰিলে। প্ৰেমচন্দই গল্পটোৰ মাজেৰে হয়তো এই কথাকে ক'ব বিচাৰিছে যে দুখীৰ মৃত্যু হৈছে ঘাছিৰামৰ ঘৰত, উচ্চ বৰ্ণ হিন্দুৰ ঘৰত, ওৰে ৰাতি ৰীতি-নীতি পৰম্পৰাৰে আচন্ন এখন ঘৰৰ চৌহদত তাৰ মৃতদেহ পৰি আছে, পিছদিনা ঈশ্বৰৰ পৰম ভক্ত ঘাছিৰামে নিজ হাতে মৃত দুখীৰ ভৰিত ৰচী বান্ধিছে। যি জন মানুহ জীয়াই থাকোতে দুখীক অস্পৃশ্য বুলি স্পৰ্শ নকৰে ঘৃণ কৰে সেইজন মানুহক মৃত্যুৰ পাছত ভৰি চুই ৰচী লগোৱা কাৰ্যই পণ্ডিত ঘাছিৰামৰ দম্ভ চূৰ্ণ হৈছে আৰু দুখীৰ আত্মাৰ সদগতি হৈছে বুলি গল্পকাৰে ক'বলৈ বিচাৰিছে।

গল্পটোত ঘাছিৰামে গাঁৱতে বাস কৰা গোণ্ড পৰিয়ালটোৰ মুৰব্বীজনক গল্পকাৰে কিছু সাহসী আৰু ব্যতিক্ৰমী ৰূপত প্ৰকাশ কৰিছে, নাম তেওঁৰ চিখুৰী। তেওঁ সদায়ে উচ্চ বৰ্ণৰ মানুহখিনিৰ মাজতে আছে, দেখিছে, বুজিছে তেওঁলোকৰ আচৰণ আৰু কৰ্মবোৰ। কিন্তু তেওঁ অকলে প্ৰতিবাদ কৰিব পৰা নাই। গল্পটোত এইটো চৰিত্ৰই নিজৰ প্ৰাপ্যৰ বাবে মাত মাতিবলৈ দুখীক উৎসাহিত কৰিছে। যেতিয়া পণ্ডিত ঘাছিৰামৰ ঘৰৰ মানুহবোৰ দুপৰীয়া খাব-বৰৰ বাবে ভিতৰত আছিল তেতিয়া চিখুৰী আহি দুখীক খোৱা বোৱা দিছেনে খবৰ লৈছিল। দুখীক খাবলৈ বিচাৰিবলৈ কৈছিল, আনকি তেওঁ দুখীৰ পৰা কুঠাৰখন লৈ খৰি ফালি দুখীক অলপমান সহায়ো কৰি দিছিল। দুখীৰ মৃত্যুৰ পাছত এই চিখুৰীয়েই ঘাছিৰামৰ প্ৰায়চিত্ত হওক বুলিয়েই চমাৰ গাঁৱৰ মানুহবোৰক শ নিবলৈ আহিবলৈ মানা কৰিছে। চিখুৰী পৰম্পৰাগত সমাজ ব্যৱস্থাৰ বিপক্ষে মাত মাতিবলৈ প্ৰয়াস কৰা এটা চৰিত্ৰ। গল্পটোত চৰিত্ৰটো কিছু সফল হৈছে। দলিতসকলৰ অধিকাৰৰ বিষয়ে চিখুৰী চৰিত্ৰটো সজাগ হৈছে।

**৩.০ উপসংহাৰ ঃ**

মুন্সী প্ৰেমচন্দ এগৰাকী অতি সংবেদনশীল লিখক। তেওঁৰ গল্প আৰু উপন্যাসৰ বিষয়বস্তু বাস্তৱ পটভূমিৰ। কলমকে অস্ত্ৰৰূপে লৈ প্ৰেমচন্দই এখন শান্তিপূৰ্ণ আৰু শ্ৰেণী বিভাজনহীনসমাজ গঢ়াৰ যেন যুদ্ধ কৰিছিল। সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰা আৰু দুৰ্বল শ্ৰেণীৰ ওপৰত চলি থকা নিষ্পেষণৰ অন্ত পেলোৱাতো প্ৰেমচন্দৰ ৰচনাৰ মূল লক্ষ্য আছিল। স্বাভাৱিকতে প্ৰেমচন্দৰ গল্প, উপন্যাসৰ এটা চকুত লগা বৈশিষ্ট্য হ'ল তেওঁৰ কাহিনীৰ নায়ক সমাজৰ পিছপৰা অঞ্চলৰ একেবাৰে সাধাৰণ মানুহ। তেওঁ সমাজ সলনি হোৱাটো বিচাৰিছিল। আৰু তাকে কৰিবলৈ তেওঁ সাহিত্য সৃষ্টি কৰিছিল। তেওঁ বিচাৰিছিল সমাজত সকলো মানুহেই মানুহৰূপে জী থকাটো। ভাৰতীয় সংস্কৃতিৰ পৰা জাত-পাত, বৰ্ণৰ ক্ষেত্ৰত থকা নিকৃষ্ট পৰম্পৰা, ৰীতি, মানুহৰ সংকীৰ্ণ চিন্তাধাৰা সকলো নিৰ্মূল হোৱাটো। কাৰণ তেওঁ প্ৰকৃতপক্ষে এগৰাকী মানৱতাবাদী লেখক। এনেদৰে তেওঁৰ গল্প উপন্যাসত সমাজৰ দলিত অৱহেলিতসকলৰ দুদৰ্শা প্ৰতিফলিত হৈছে।

**পাদটীকা ঃ**

১. *বৰুৱা, ৰঞ্জিতাঃ (অনুবাদ) মুন্সী প্ৰেমচন্দৰ শ্ৰেষ্ঠ গল্প, পৃ.১*

২. *উল্লিখিত গ্ৰন্থ, পৃ.২*

**সহায়ক গ্ৰন্থ ঃ**

১. বৰুৱা, ৰঞ্জিতা *ঃ মুন্সী প্ৰেমচন্দৰ শ্ৰেষ্ঠ গল্প (অনুবাদ)*, প্ৰকাশক- অসম পাৱলিচিং কোম্পানী, কলেজ হোষ্টেল ৰোড, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ - ডিচেম্বৰ ২০১১

২. বসু, সৌমিত্ৰ *ঃ দলিত সাহিত্য কাকে বোলে ?* (প্ৰবন্ধ), (ইণ্টাৰনেট উপলব্ধ, ৬ ডিচেম্বৰ ২০২০), https://othervoice.in/article/ov-07-12-2020-3

৩. https://en.m.wikipedia.org/wiki/Dalit_Panthers

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰ নিৰূপণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**উৎপল শইকীয়া**
অংশকালীন অধ্যাপক, অসমীয়া বিভাগ
সৰুপথাৰ মহাবিদ্যালয়

**সাৰাংশঃ**

অলংকাৰ কাব্য শৰীৰৰ অৰ্থাৎ সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ উপাদান। অলংকাৰে সাহিত্যক পাঠকে আনন্দেৰে উপভোগ কৰিব পৰাকৈ শোভনীয় কৰি তোলে। অলংকাৰ দুবিধ -শব্দালংকাৰ আৰু অৰ্থালংকাৰ। অসমীয়া কবিতাত অলংকাৰ প্ৰয়োগ সুপ্ৰাচীন। আধুনিক অসমীয়া কবিসকলো এই ক্ষেত্ৰত পিছপৰি ৰোৱা নাই। কবিতাৰ সকলো আঙ্গিক, যেনে- অলংকাৰ, ৰস আদি প্ৰয়োগ কৰি আধুনিক অসমীয়া কবিসকলে কবিতা ৰচনা কৰিছে। এই গৱেষণামূলক প্ৰবন্ধটিত আধুনিক অসমীয়া কবি দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰৰ প্ৰয়োগ সম্পৰ্কে অধ্যয়ন কৰা হৈছে। আলোচনাৰ অন্তত দেখা গ'ল যে বৰুৱাই তেওঁৰ সীমিত সংখ্যক কবিতাত প্ৰায় সকলো প্ৰকাৰৰ অলংকাৰ প্ৰয়োগ কৰি কবি প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে।

**০.০ অৱতৰণিকাঃ**

**০.১ বিষয়ৰ পৰিচয়ঃ**

অলংকাৰ হৈছে কাব্যৰ সৌন্দৰ্য্যবৰ্ধক এবিধ উপাদান। অলংকাৰ স্বভাৱতে দেহৰ শোভাবৰ্ধক বস্তু। অলংকাৰৰ সহায়ত শব্দাৰ্থৰ সৌন্দৰ্য্য বৃদ্ধি পায় আৰু কাব্য বা সাহিত্য ৰমণীয় হয়। অলংকাৰ শাস্ত্ৰৰ প্ৰথমাচাৰ্য ভামহে কৈছে - 'বক্ৰাভিয়েধা শব্দোক্তিৰিষ্টা বাচামলংকৃতি।' অৰ্থাৎ কবিৰ অভীষ্ট সিদ্ধিৰ জোখাই বক্ৰতাপূৰ্ণ উক্তি বৈচিত্ৰ্যই বাক্যৰ সৌন্দৰ্য্য বা অলংকাৰ।[১]

সকলো প্ৰকাৰৰ সাহিত্যৰ মাধ্যম অৰ্থাৎ কবিতা, গল্প, উপন্যাস এই সকলোতে সাহিত্যিক সকলে নিজৰ প্ৰয়োজন অনুসাৰে খাপ খাই পৰাকৈ অলংকাৰ আৰোপ কৰিব পাৰে। অসমীয়া কাব্য সাহিত্যতো কবিসকলে যথোচিতভাৱে অলংকাৰ প্ৰয়োগ কৰিছে। তেনে এগৰাকী কবি হ'ল - দেৱকান্ত বৰুৱা। দেৱকান্ত বৰুৱা (১৯১৪-১৯৯৬) 'আৱাহন' যুগৰ এজন উল্লেখযোগ্য কবি। তেওঁৰ একমাত্ৰ কবিতা পুথি 'সাগৰ দেখিছা' ১৯৪৫ চনত প্ৰকাশ পাইছিল। পুথিখনত মুঠ ৩৫ টা কবিতা সন্নিবিষ্ট কৰা হৈছে। ৰোমান্টিক পৰ্ব আৰু আধুনিক যুগৰ সন্ধিক্ষণত কবিতা ৰচনা কৰি বৰুৱাই অসমীয়া কবিতাক এটি নতুন মাত্ৰা প্ৰদান কৰি থৈ গৈছে, যাৰ বাবে দেৱকান্ত বৰুৱাক সন্ধিক্ষণৰ কবি হিচাপেও জনা যায়। উল্লেখযোগ্য যে, মাত্ৰ এখন প্ৰকাশিত কবিতা পুথিৰেই বৰুৱাই অসমীয়া কাব্য জগতত নিজৰ আসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। আমাৰ এই আলোচনাত দেৱকান্ত বৰুৱাৰ কবিতাসমূহৰ

আধাত অলংকাৰ বিচাৰ কৰিবলৈ লোৱা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্যঃ-** অলংকাৰ বিষয়টো যথেষ্ট ব্যাপক। সংস্কৃত কাব্যৰ অনুকৰণত অসমীয়া কাব্যতো অলংকাৰ প্ৰয়োগ ঘটা দেখিবলৈ পোৱা যায়। দেৱকান্ত বৰুৱাই কেনেদৰে তেওঁৰ কবিতাসমূহত অলংকাৰৰ প্ৰয়োগ কৰিছে, তাৰ বিচাৰ কৰাই হৈছে এই অধ্যয়নৰ মূল উদ্দেশ্য।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

কাব্যত অলংকাৰ প্ৰয়োগ সম্পৰ্কে সম্যক ধাৰণা লাভৰ কৰাৰ ক্ষেত্ৰত গৱেষণা পত্ৰখনৰ গুৰুত্ব আছে। দেৱকান্ত বৰুৱা আৰু তেওঁৰ কবিতাত অলংকাৰৰ প্ৰয়োগ সম্পৰ্কে স্পষ্ট ধাৰণা লাভ কৰিব পৰা যাব।

**০.৪ অধ্যয়নৰ পদ্ধতিঃ-** 'দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰ নিৰূপণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটি প্ৰস্তুত কৰোঁতে 'বৰ্ণনাত্মক' আৰু 'বিশ্লেষণাত্মক' পদ্ধতিৰ সহায় লোৱা হৈছে।

**০.৫ অধ্যয়নৰ পৰিসৰঃ-** অসমীয়া ভাষাত সাহিত্যই পোন প্ৰথমে প্ৰকাশ লাভ কৰিছিল কবিতাৰ মাধ্যমেৰে। তেতিয়াৰে পৰা সকলো কবিয়ে নিজৰ নিজৰ কবিতাত নিজা শৈলীৰে অলংকাৰ প্ৰয়োগ কৰিছে। 'দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰ নিৰূপণ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটিত কেৱল দেৱকান্ত বৰুৱাই তেওঁৰ কবিতাত কেনেদৰে অলংকাৰ প্ৰয়োগ কৰিছে আলোচনা আগবঢ়োৱা হৈছে।

**০.৬ তথ্য সংগ্ৰহৰ উৎসঃ-** *'দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰ নিৰূপণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন'* শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটি প্ৰস্তুত কৰোঁতে মুখ্য সমল বৰুৱাৰ স্বৰচিত কবিতা পুথি - 'সাগৰ দেখিছা' পৰা লোৱা হৈছে আৰু গৌণ সমল হিচাপে বিভিন্ন গ্ৰন্থৰ পৰা লোৱা হৈছে।

**০.৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ '**

*দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰ নিৰূপণ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন* শীৰ্ষক বিষয়টিৰ অধ্যয়ন অদ্যাপি হোৱা নাই। অৱশ্যে বৰুৱাৰ স্বৰচিত কবিতা পুথি 'সাগৰ দেখিছা' (১৯৪৫)ৰ আলোচনা বিভিন্ন সমালোচকে কৰিছে।

**প্ৰথম অধ্যায়ঃ**

**১.০ অলংকাৰৰ প্ৰকাৰ আৰু সংজ্ঞা**

**১.১ অলংকাৰৰ প্ৰকাৰ ঃ** প্ৰধানকৈ অলংকাৰৰ ভাগ দুটা- ক) শব্দালংকাৰ আৰু খ) অৰ্থালংকাৰ।

যি অলংকাৰে ভাব সাৰ্থকতাৰ কাৰণে সম্পূৰ্ণকৈ শব্দৰ ওপৰত নিৰ্ভৰ কৰে, তাকে শব্দালংকাৰ বোলে।[২] শব্দালংকাৰ মুঠতে ছয় বিধ- অনুপ্ৰাস, যমক, শ্লেষ, বক্ৰোক্তি, চিত্ৰ আৰু পুনৰুক্তবদাভাস।

অৰ্থালংকাত অলংকাৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে অৰ্থৰ ওপৰত। শব্দৰ পৰিৱৰ্তন কৰি একে অৰ্থযুক্ত আন শব্দ ব্যৱহাৰ কৰিলেও অলংকাৰ উৰি নাযায় বা ক্ষুন্ন নহয়। অৰ্থৰ প্ৰাধান্য থকা কাৰণে আৰু শব্দ অপ্ৰধান কাৰণে এনে অলংকাৰক অৰ্থালংকাৰ বোলে।' অৰ্থালংকাৰকো কেইবাটাও ভাগ কৰিব পাৰি। সেইকেইটা হ'ল -

ক) সাদৃশ্যগৰ্ভ অলংকাৰঃ- উপমা, সমানোপমা, উপমেয়োপমা, স্মৰণ, প্ৰতীপ, সন্দেহ, ৰূপক, ভ্ৰান্তিমান, অপহ্নুতি, উল্লেখ, উৎপ্ৰেক্ষা, অতিশয়োক্তি, তুল্যযোগ্যতা, দীপক প্ৰতিবস্তুপমা, দৃষ্টান্ত, নিদৰ্শনা আদি।

খ) ভেদপ্ৰধান অলংকাৰঃ- ব্যতিৰেক।

গ) বিশেষণ সাম্যমূলক অলংকাৰঃ- অপ্ৰস্তুত প্ৰশংসা, সমাসোক্তি।

ঘ) ন্যায়মূলক অলংকাৰঃ- অৰ্থান্তৰন্যাস, কাব্যলিংগ।

ঙ) বিৰোধমূলক অলংকাৰঃ- বিৰোধ বা বিৰোধাভাস, বিষম, বিশেযোক্তি, বিভাৱনা।

চ) গূঢ়াৰ্থমূলক অলংকাৰ ঃ ব্যাজস্তুতি, ব্যাজোক্তি।

ছ) মিশ্র অলংকাৰ ঃ সংসৃষ্টি, সংকৰ।

**দ্বিতীয় অধ্যায়ঃ**

**২.০ দেৱকান্ত বৰুৱাৰ কবিতাত অলংকাৰঃ** দেৱকান্ত বৰুৱাই তেওঁৰ কবিতাসমূহত অলংকাৰ কেনেদৰে প্ৰয়োগ কৰিছে, তলত সেই সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা হ'ল -

**২.১ শব্দালংকাৰঃ**

**২.১.১ অনুপ্ৰাসঃ**- শুনিবলৈ শুৱলা হোৱাকৈ সদৃশ ব্যঞ্জন বৰ্ণৰ উচৰা-উচৰিকৈ বি কৰাকে অনুপ্ৰাস অলংকাৰ বোলে। বৰুৱাৰ 'বিহুৰ পেপা' কবিতাটোত অনুপ্ৰাস অলংকাৰ লক্ষ্য কৰা যায়-

'কঁপিছে কঁহুৱা বন
কঁপিছে কবিৰ মন।'

- ইয়াত 'ক' ব্যঞ্জনবৰ্ণটো একাধিকবাৰ ব্যৱহাৰ হৈছে আৰু ই অনুপ্ৰাস অলংকাৰ সৃষ্টি কৰিছে। ইতিপূৰ্বে অনুপ্ৰাস অলংকাৰৰ চাৰিটা ভাগৰ বিষয়ে আলোচনা কৰা হৈছে।

**২.১.২** অন্ত্যানুপ্ৰাসঃ- কবিতাৰ বিভিন্ন চৰণৰ শেষৰ ব্যঞ্জন মিল থাকিলে অন্ত্যানুপ্ৰাস হয়।

'ডাৱৰৰ আঁৰে আঁৰে
ঢোলত চাপৰ পৰে
গছে পাতে বিহুগীত গায়,
বিহুৰ পেপাঁৰ বোলে
বুকুত নাচোন তোলে
মোক আজি নাচি নচুৱায়।' (বিহুৰ পেপাঁ)

- ইয়াত আঁৰে, পৰে, বোলে, তোলে শব্দকেইটাৰ মিল থকাৰ বাবে অন্ত্যানুপ্ৰাস হৈছে।

**২.১.৩ ছেকানুপ্ৰাসঃ** দুটা বা তাতোধিক বৰ্ণ একেটা ক্ৰমত সংযুক্তভাৱেই হওক বিযুক্তভাৱে হওক দুবাৰ ধ্বনিত হ'লে অৰ্থাৎ এবাৰ পুনৰাবৃত্ত হ'লে ছেকানুপ্ৰাস হয়।

'কিনো সি সোণৰ কাঠী? যাৰ স্পৰ্শ লাগি
কৈশোৰৰ ইন্দ্ৰজাল তন্দ্ৰা যায় ভাগি।' (নাৰী বন্দনা)

- ইয়াত ন, দ, ৰ এই তিনিটা বৰ্ণ একে ক্ৰমত দুবাৰ ধ্বনিত হৈছে।

'অন্তৰ উতলা কৰি ৰজা দুষ্যন্তৰ
সিদিনা জাগিল বাৰ্তা কোন অমৃতৰ? (শকুন্তলা)

- ইয়াত ন, ত বৰ্ণ দু'টা একেটা ক্ৰমতে দুবাৰ ধ্বনিত হৈছে। গতিকে ই ছেকানুপ্ৰাস।

**২.১.৪ বৃত্তানুপ্ৰাসঃ**- এক বা অনকে বৰ্ণ দুবাৰ বা তাতোধিকবাৰ আবৃত্ত হ'লে বৃত্তানুপ্ৰাস হয়।

'পদুমৰ পাহি সৰে, বসন্ত লেৰেলি পৰে
মাৰ যায় তৰা
হাঁহি আৰু মৰণৰ, অপূৰ্ব আভাৰে দীপ্ত
এই বসুন্ধৰা।' (পৃথিৱী)

কবিতাফাঁকিত 'ৰ' বৰ্ণটো কেইবাবাৰো আবৃত্ত হৈছে। যাৰ বাবে ই বৃত্তানুপ্ৰাস অলংকাৰ হৈছে।

**২.১.৫ লাটানুপ্ৰাসঃ**- লাটানুপ্ৰাসত বৰ্ণৰ আবৃত্ত নহয়, সমগ্ৰ পদটোৱে আবৃত্ত হয়।

'বুকুৰ ৰোমাঞ্চ সানি গঢ়িলো ৰোমাঞ্চ সুন্দৰৰ

বিচিত্ৰ কল্পনা।' (ৰহস্য)

- ইয়াত ' ৰোমাঞ্চ' পদটোহে আবৃত্ত হৈছে।

**২.১.৬ যমকঃ**- স্বৰ-ব্যঞ্জন বৰ্ণসমূহ একে ক্ৰমতে সাৰ্থক বা নিৰৰ্থকভাৱে যদি পুনৰুক্তি হয়, তেতিয়া যমক অলংকাৰ হয়

'জানো! জীৱনৰ উদভ্ৰান্ত ছন্দৰ তালে
উতলা কৰিছে মোক
জানো মোৰ গতি নাই গতিৰ বাহিৰে।' অৰ্থ (আমি দুৱাৰ মুকলিকৰোঁ)

- ইয়াত 'গতি' শব্দটোৰ পুনৰুক্তিছে। প্ৰথমটো 'গতি'ৰ অৰ্থ 'উপায়' আৰু দ্বিতীয়টো 'গতি'ৰ অৰ্থ 'গমন'। এই দুয়োটা সাৰ্থক বৰ্ণ সমুদায়। ইও যমক। কিয়নো তীৰ্থনাথ শৰ্মাৰ 'সাহিত্য-বিদ্যা পৰিক্ৰমা' গ্ৰন্থত উল্লেখ আছে যে, সাৰ্থক শব্দ হ'লে বিভিন্ন অৰ্থত সেই শব্দৰ প্ৰয়োগ হ'ব লাগিব। সাৰ্থক হ'বও পাৰে আৰু নহ'বও পাৰে।

**২.১.৭ পুনৰুক্তবদাভাসঃ** দুটা একে অৰ্থৰ শব্দ উচৰা-উচৰিকৈ ব্যৱহাৰ কৰাৰ ফলত একেটা কথাকে দুবাৰ কোৱা যেন লাগে। তাকে কোৱা হয় পুনৰুক্তবদাভাস।

'বিলাসী ধনী দিবা মুখৰ গৰাহ কাঢ়ি ক্ষুধাতুৰ
দীন ভীক্ষাৰীৰ?' (দেৱদাসী)

- ইয়াত 'ক্ষুধাতুৰ'আৰু 'ভীক্ষাৰী' - প্ৰায় একে ধৰণৰ অৰ্থৰ দুটা শব্দ ব্যৱহাৰ হৈছে। শুনাত একে অৰ্থাৎ পুনৰুক্তি যেন লাগিলেও কিন্তু প্ৰকৃত নহয়। ক্ষুধাতুৰ শব্দই 'ভোকাতুৰ' আৰু ভিক্ষাৰী শব্দই 'মগনিয়াৰ' অৰ্থ বুজায়। গতিকে ই পুনৰুক্তি নহয়, পুনৰুক্তবদাভাসহে।

**২.১শ্লেষঃ**- বাক্যত এটা শব্দৰে দুটা বা তাতোধিক অৰ্থ একেলগে কোৱাকে শ্লেষ অলংকাৰ বোলে।

'দৃপ্তফণা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ,
তুমি তাৰ মণি।' (তিলোতমা)

- ইয়াত নীলকণ্ঠ ভোলানাথ শব্দই ১) শিৱ ২) সকলো ধৰণৰ দুখ সহ্য কৰিব পৰা ব্যক্তিক বুজাইছে। একেটা শব্দত দুটা অৰ্থ লাগি থকা বাবেই ই শ্লেষ।

**২.২ বক্ৰোক্তিঃ**- যেতিয়া কোনো কথা বক্তাই কয় এক অৰ্থত আৰু শ্ৰোতাই জানি শুনিও আন অৰ্থ লৈ আচল অৰ্থটো লুকুৱাব খোজে, তেতিয়া বক্ৰোক্তি অলংকাৰ হয়।

'সউ বকুলৰ
ডালত কুৰুলি থকা নিয়তি হালিয়ে জানিবা মাথোন
তুমি আজি মোৰ।' (কলং পাৰত মাজনিশা)

- ইয়াত কবি অভিপ্ৰেত অৰ্থ হ'ল - 'তুমি আৰু মোক দ্বিতীয় দিন এনেদৰে লগ নোপোৱা।' এই ইংগিত কবিয়ে 'নিয়তি হালি' শব্দটোৰে দিছে। কিয়নো নিয়তি চৰাইৰ মাত আমাৰ সমাজত অমঙ্গল গণ্য কৰা হয়। কিন্তু শ্ৰোতাই এই অৰ্থ নলৈ 'সাক্ষী' অৰ্থটো গ্ৰহণ কৰিব পাৰে।

**২.২ অৰ্থালংকাৰঃ**

**২.২.১ উপমাঃ**- স্পষ্ট আৰু বৈচিত্ৰ্যজনক সাদৃশ্যকে উপমা বোলে।

'মোৰ ই অন্তৰখনি সাগৰৰ দৰে নীলা, বেদনাৰে
দেখা নাই তুমি? (সাগৰ দেখিছা)

- ইয়াত উপমেয় হ'ল 'অন্তৰ', উপমান হ'ল - সাগৰ, সাধাৰণ ধৰ্ম হ'ল নীলা বেদনা আৰু উপমাবাচক

শব্দ হল দৰে।

**২.২.২ অনন্বয় বা সমানোপমাঃ**- উপমেয় আৰু উপমান যদি একে হয় অৰ্থাৎ উপমেয়ক উপমানৰূপে ব্যৱহাৰ কৰি উপমায়ৰ অনন্য সাধাৰণত্ব ফুটাই তোলা হয়। তেতিয়া তাক অনন্বয় অলংকাৰ বোলে।

'তুমি জানা মাথোঁ
তুমি তুমি, মই মই।' (সাগৰ দেখিছা)

- ইয়াত উপমেয় তুমি আৰু মই ক তুলনা কৰিবলৈ কোনো উপমান নাই। গতিকে তুমি তুমি, মই মই উপমান একে বা সমান হৈছে। গতিকে ই এটা সমানোপমা।

**২.২.৩ প্ৰতীপঃ** প্ৰতীপ মানে বিপৰীত। বিপৰীত বা ওভোটা উপমানক প্ৰতীপ বুলি কোৱা হয়। ইয়াত উপমানক উপমেয় আৰু উপমেয়ক উপমান ৰূপে কল্পনা কৰা হয়।

'সন্ধ্যা আহিছে নামি
থক হেৰা নালাগে জ্বলাব চাকি
দুটি নয়নৰ সহজ প্ৰভাৱে আজি নাশিব আন্ধাৰ
আন্ধাৰ মোৰ জগতৰ।' (সাগৰ দেখিছা)

- ইয়াত উপমেয় চাকি, উপমান দুটি নয়ন, কিন্তু উপমেয়ক হেয় কৰি উপমানকহে শ্ৰেষ্ঠ কৰি দেখুওৱা হৈছে। চাকিৰ পৰিৱৰ্তে দুটি নয়নেই কাম কৰিব। অৰ্থাৎ নয়নৰ লগত চাকিৰ সম্বন্ধটো ওলোটাকৈ দেখুওৱা হৈছে।

**২.২.৪ স্মৰণোপমা ঃ** এটা বস্তুৰ অনুভৱ বা দেখাৰ পৰা যদি তাৰ অন্য এটা বস্তুৰ কথা মনত পৰে তেনেহ'লে তাক স্মৰণালংকাৰ বোলে। সাদৃশ্যজনিত স্মৃতিৰ বৰ্ণনাই স্মৰণোপমা।

'সাজু হোৱা দেশৰ মানুহ!
আকৌ আহবান! স্বদেশ ৰক্ষাৰ বাবে
আকৌ আহিছে শুনা মৰণৰ উদগ্ৰ আহবান
যি মৰণে দেশক যুগে যুগে কৰিছে অমৰ।' (মোৰ দেশ মানুহৰ দেশ)

আকৌ মৰণৰ উদগ্ৰ আহবান শুনি অতীতলৈ মনত পেলোৱা হৈছে, য'ত মানুহে নিজক মৰণৰ মুখলৈ ঠেলি দি হ'লেও দেশক উদ্ধাৰ কৰিছিল।

**২.২.৫ ৰূপক ঃ** অতিসাদৃশ্য হেতুকে উপমেয়ৰ ওপৰত উপমানক আৰোপ কৰাকে ৰূপক বোলে।[4]

' আকাশে কুসুম জেউতিত তাৰ
মনে মনে জ্বলেৰূপৰ শিখা।' (আকাশ কুসুম)

- ইয়াত আকাশক কুসুম বুলি কৈ আকাশৰ ওপৰত কুসুমক আৰোপ কৰা হৈছে।

**২.২.৬ সন্দেহ ঃ** উপমেয়ক উপমান বুলি সন্দেহ সূচোৱাকে সন্দহ অলংকাৰ বোলে।

'পোহৰাই মোৰ নিশাৰ আকাশ
তিমিৰ তৰা
উদিলা সিদিনা পুৰতীৰ বেশে
তুমি নে তৰা?' (তুমি নাই)

- নিশাৰ আকাশ পোহৰাই পুৰতীৰ বেশেত উদয় তৰা হৈছিল নে তুমি হৈছিলা সন্দেহ প্ৰকাশ হৈছে। তৰা উপমেয়ক তুমি উপমান বুলি সন্দেহ হৈছে।

**২.২.৭ অপহ্নুতিঃ-** অপহ্নুতি মানে গোপন কৰা প্ৰকৃতক লুকুৱাই অপ্ৰকৃতক অৰ্থাৎ অন্য বস্তুৰ প্ৰতীতি কৰাবলৈ গ'লে অপহ্নুতি অলংকাৰ হয়।

'ভালপাওঁ বুলি কৰিছোঁ ছলনা, জানি শুনি ক'ত
কৰিছোঁ ভুল,
ভুলতো নহয় বেজাৰ দুখৰ তেজেৰে ৰাঙলী
হেজাৰ ফুল।' (প্ৰেমৰ উত্তৰ)

- ইয়াত ভালপাওঁ বুলি ছলনা কৰাক ভুল নহয় বুলি লুকুওৱা হৈছে, তাৰ ঠাইত বেজাৰ দুখৰ তেজেৰে ৰাঙলী ফুলক প্ৰতিষ্ঠা কৰা হৈছে।

**২.২.৮ উৎপ্ৰেক্ষাঃ** উপমেয়ক উপমান বুলি কৰা একপক্ষীয় প্ৰবল সন্দেহৰ ভেটিত উপমেয় উপমানৰ যি একৰূপতাৰ কল্পনা, তাকে উৎপ্ৰেক্ষা অলংকাৰ বোলে।

'তোৰ সি নয়নজুৰি
ৰূপৰ সপোন পুৰী
ফুলি উঠা দুটি উৎপল।' (বিহুৰ পেপাঁ)

- ইয়াত চকু অৰ্থাৎ নয়নজুৰি উৎপল অৰ্থাৎ পদুমৰ হৈ পৰিল।

**২.২.৯ অতিশয়োক্তিঃ** সিদ্ধ অধ্যৱসায় চমৎকৃতিজনক হ'লে তাক অতিশয়োক্তি অলংকাৰ বোলে। এই সিদ্ধ অধ্যৱসায়ত উপমেয় নোহোৱা হৈ যায়, তাৰ ঠাই উপমানে লয়। উপমানে উপমেয়ক গ্ৰাস কৰে।

'আগ বাৰিষাৰ বা ৰিব ৰিব
বতাহৰ দৰে তোমাৰ হাঁহি
উলাহৰে তাৰ নাচিছে কলঙ্
বিহু মেটেকাই মেলিছে পাহি।
দহোটি আঙুলি চপা কলি যেন
পদুমৰ ঠাৰি দুখন হাত
চুই দোৰপতি থৰক বৰক
তত নাইকীয়া মাকৰ গাত।' (মনোৰমা)

- ইয়াত কবিয়ে মনোৰমা বুলি কবিতাৰ নামটোহে দিলে, কিন্তু কতো ইয়াৰ নাম উল্লেখ নকৰিলে। এবাৰ কৈছে বতাহৰ দৰে হাঁহিৰ গৰাকী যাৰ উলাহত বিহু মেটেকাই পাহি মেলে। এবাৰ কৈছে চপাকলি যেন আঙুলি। আকৌ কৈছে পদুমৰ ঠাৰি যেন হাত দুখনি। এই আটাইকেইটা মনোৰমা নামৰ নাৰীগৰাকীৰ ঠাই অধিকাৰ কৰিছে।

**২.২.১০ সমাসোক্তিঃ** প্ৰস্তুতৰ বৰ্ণনাৰ পৰাই অপ্ৰস্তুতৰ প্ৰতীতি হলে সমাসোক্তি অলংকাৰ হয়। সমাস মানে সংক্ষেপ। সংক্ষেপতে উপমেয়ৰ কথাৰে উপমানৰ সূচনা দিয়া হয়। অৰ্থাৎ উপমানৰ বিশেষণ উপমেয়ত লগাই বৰ্ণনা কৰাৰ ফলত উপমানটোৰ কথা অনুমান কৰিব পাৰি বাবে এই অলংকাৰক সমাসোক্তি অলংকাৰ বোলে।

'তেজ মঙহৰ তুমি সামান্য পুতলা এটি, মৃত্যুশীল
ফুল মৰতৰ' (ৰহস্য)

- ইয়াত নিৰ্জীৱ পদাৰ্থ পুতলাৰ ওপৰত তেজ মঙহৰ সজীৱ মানুহৰ ক্ৰিয়া আৰোপ কৰা হৈছে।

**২.২.১১ কাব্যলিংগঃ** য'ত কোনো পদ বাক্যৰ অৰ্থ বৰ্ণনীয় বিষয়ৰ হেতু বুলি ব্যঞ্জনাৰ দ্বাৰা বোধ হয়, তাক কাব্যলিংগ বোলে।

- ইয়াত উলুৱনি হালে জালৰ কাৰণ বতাহ, কিন্তু কবি কল্পিত কাৰণ হলে প্ৰিয়াৰ আঁচলৰ পৰশ এইটো ইয়াৰ ব্যঞ্জিত অৰ্থ।

**২.২.১২ ব্যাজস্তুতিঃ** প্ৰশংসাৰ ছলেৰে নিন্দাৰ ছলেৰে প্ৰশংসা কৰাকে ব্যাজস্তুতি বোলে।

'পিয়ানো বজাই পূজাৰ আৰতি
বেদীত মমৰ বাটি
জ্বলাই আনিব দেশৰ মুক্তি
পুৱাব দুখৰ ৰাতি।' (লাচিত ফুকন)

- ইয়াত প্ৰিয়ানো বজাই পূজা কৰি আৰু মম জ্বলাই দেশৰ মুক্তি আনিব বুলি প্ৰশংসাৰ ছলেৰে নিন্দা কৰিছে।

**৩.০ উপসংহাৰঃ**

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্টকৈ অনুমান কৰিব পাৰি যে, অলংকাৰ প্ৰয়োগ কৰাৰ ফলত কবিতাসমূহ সুন্দৰ আৰু অৰ্থবহ হৈ পৰে। যাৰ ফলত পাঠকে কবিতাসমূহ সুক্ষ্মভাৱে অধ্যয়ন কৰিলেহে তাৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰি। থিক তেনেদৰে দেৱকান্ত বৰুৱাৰ কবিতাসমূহ অধ্যয়ন কৰোতে এটা কথা লক্ষ্য কৰা যায় যে, বৰুৱাই খুব বুদ্ধিৰে আৰু নিয়াৰিকৈ কবিতাসমূহত শব্দালংকাৰ আৰু অৰ্থালংকাৰ দুয়োবিধই সাৰ্থকভাৱে প্ৰয়োগ কৰিছে। অলংকাৰ প্ৰয়োগৰ সকলো সম্ভাৱনাক তেওঁ উপযুক্ত ৰূপত ব্যৱহাৰ কৰিছে। মুঠতে দেৱকান্ত বৰুৱাই অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত সুদক্ষতাৰ পৰিচয় দিছে। তদুপৰি বৰুৱাই অলংকাৰ প্ৰয়োগৰ সকলো সম্ভাৱনাক উপযুক্ত ৰূপত, উপযুক্ত স্থানত প্ৰয়োগ কৰি অসমীয়া কাব্য জগতত এক উল্লেখনীয় উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হৈছে।

**প্ৰসংগটীকাঃ**

১. তীৰ্থনাথ শৰ্মা, সাহিত্য- বিদ্যা পৰিক্ৰমা-পৃ. ৬০
২. ঐ পৃ.৮৭
৩. ঐ পৃ.৯৬
৪. ঐ পৃ.১১০

**সহায়ক গ্ৰন্থপঞ্জীঃ**

বৰুৱা, দেৱকান্ত। সাগৰ দেখিছা। ১৯৪৫।
শৰ্মা, তীৰ্থনাথ। সাহিত্য- বিদ্যা পৰিক্ৰমা। বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ, গুৱাহাটী, দশম প্ৰকাশ- ২০১৯।
শাস্ত্ৰী, মনোৰঞ্জন। 'সাহিত্য দৰ্শন' । চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, নৱম প্ৰকাশ- ২০২২।
বৰা, মহেন্দ্ৰ। 'সাহিত্য উপক্ৰমণিকা'। বনলতা, ডিব্ৰুগড়-১, নৱম প্ৰকাশ- জুলাই ২০১৯।

PANCHOI
পানচৈ

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# কাল আৰু পুৰুষ অনুসৰি নক্টে ভাষাৰ নঞৰ্থক ক্ৰিয়াৰ গঠন ঃ এক বৰ্ণনাত্মক অধ্যয়ন

ড° অমৰ শইকীয়া
সহকাৰী অধ্যাপক, সৰুপথাৰ মহাবিদ্যালয়

**সংক্ষিপ্তসাৰ**

অৰুণাচল প্ৰদেশৰ দক্ষিণ পশ্চিম দিশত অৱস্থিত টিৰাপ জিলাত বাস কৰা এটা উল্লেখযোগ্য জনগোষ্ঠী নক্টে। নক্টেসকল নিজা ভাষিক আৰু সাংস্কৃতিক পৰিচয়েৰে সমৃদ্ধ এটা উল্লেখযোগ্য জনগোষ্ঠী। পৰম্পৰাগত সাজ-পোছাক, খাদ্যসম্ভাৰ আৰু জীৱনধাৰণ প্ৰণালীৰ স্বকীয়তাই নক্টেসকলৰ এটা সুকীয়া পৰিচয় বহন কৰি আহিছে। বাক্যৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে ক্ৰিয়া। যিবোৰ পদে কোনো কাৰ্য হোৱা, কৰা ঘটা বা এইবোৰৰ নেতিবাচক অৰ্থ বুজায় সেইবোৰক ক্ৰিয়াপদ বোলে। ক্ৰিয়াপদৰ লগত পুৰুষ, কাল, ভাব আদিৰ ধাৰণাও জড়িত হৈ থাকে।

আমাৰ এই আলোচনাপত্ৰত কাল আৰু পুৰুষ অনুসৰি নক্টে ভাষাৰ নঞৰ্থক ক্ৰিয়াৰ গঠন আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হৈছে । আলোচনাপত্ৰখনিত বৰ্ণনাত্মক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে।

বীজ শব্দ ঃ *নক্টে ভাষা, নঞৰ্থক ক্ৰিয়া, কাল, পুৰুষ*

**১.০ অৱতৰণিকা ঃ**

অৰুণাচল আৰু অসমত বসবাস কৰি থকা জনগোষ্ঠী সমূহৰ ভিতৰত অন্যতম হৈছে নক্টেসকল। নক্টেসকলৰ উৎপত্তি আৰু আদি বাসস্থান সম্পৰ্কে দুই এটা বুৰঞ্জীৰ উল্লেখৰ বাহিৰে অধিকাংশই লোককথা আশ্ৰিত। লোককথা অনুসৰি তেওঁলোকৰ সৃষ্টিৰ দেৱতা 'জাউবান' (zauban) এ সকলোকে সৃষ্টি কৰিছিল বুলি বিশ্বাস প্ৰচলিত আছে। নক্টে শব্দটোৰ বুৎপত্তিগত অৰ্থ হৈছে 'নক্' মানে মানুহ আৰু 'টে' মানে গাঁও; অৰ্থাৎ গাঁৱত বাস কৰা লোক।[১] পাৰুল দত্তই *The Noctes* গ্ৰন্থত উল্লেখ কৰা মতে, নামচাং, বৰদুৰীয়া আৰু লাপটাঙৰ ৰজা আহোমসকলৰ বংশধৰ। নামনি অঞ্চলৰ নক্টেসকলৰ মতে তেওঁলোকৰ প্ৰথম ৰজা খুনবাও ব্ৰহ্মদেশৰ হুকং উপত্যকাৰ পৰা আহিছিল।[২]

নক্টেসকল অৰুণাচল প্ৰদেশৰ দক্ষিণ পশ্চিম দিশত অৱস্থিত টিৰাপ জিলাৰ ৫ টা ৰাজহচক্ৰৰ মুঠ ১১৩ খন গাঁও আৰু অসমৰ তিনিখন গাঁৱত বাস কৰে। জিলাখনৰ নক্টে অধ্যুষিত ৰাজহচক্ৰকেইটা হ'ল — লাজু, নামচাং, চহা, খুনচা আৰু ডাডম। নক্টেসকলৰ লগতে টিৰাপ জিলাত টুট্চা, চিংফৌ, ৱান্ছু আদি জনজাতিও বসতি কৰি আছে। টিৰাপ জিলাত মুঠতে ১১৩ খন নক্টে গাঁও আছে। ইয়াৰে ৭২ খন গাঁৱত কেৱল নক্টে, ২০ খন গাঁৱত নক্টে

আৰু আন জনজাতীয় লোক, ২৩ খন গাঁৱত নক্টে আৰু টুট্‌চা মিহলি হৈ আছে। অসমত বাস কৰা নক্টেসকল ডিব্ৰুগড় জিলাৰ জয়পুৰৰ দিহিংকিনাৰ নক্টে গাওঁ, নামৰূপৰ পানীদুৰৰীয়া আৰু শিৱসাগৰ জিলাৰ শিলনি নগা গাঁৱত বসতি কৰি আছে। তলত টিৰাপ জিলাৰ নক্টে অধ্যুষিত অঞ্চলসমূহৰ এখন তালিকা উল্লেখ কৰা হৈছে।[৩]

| **ৰাজহচক্ৰ** | **নক্টে বস্তিৰ নাম** |
|---|---|
| **লাজু** | লাজু, ল'ৰাৰ চিনহান্, আপাৰ চিনহান্, নগ্‌লো, ল'ৰাৰ চিন্‌নু, লংলিয়াঙ, চাঙলিয়াঙ, পংলং, আপাৰ কোলাম, ল'ৰাৰ কোলাম, টুটলিও, নিউ কথুং, অল্ড কথুং, নগনা, থুনজাং, লাজু সদৰ। |
| **নামচাং** | নামচাং, নামচাং সদৰ, শিপিনী পাথৰ, লংখং, মাকাট, চুবাং, লামল', নতুন খেতি, ৰাচাথং, মপ'ইয়া, নামচাংমুখ, নৰোত্তম নগৰ, দিৰকমুখ, শুকানজুৰি, বৰদুৰীয়া ৰেঞ্জ। |
| **চহা** | নিউ দইদাম, অল্ড দইদাম, চহা, টুৰেট, নিউ ফিনথিং, অল্ড ফিনথিং, বৰাক, দংৰং, কেনন, থালত, চহা কেম্প। |
| **খুনচা** | ক'লাগাঁও, ঙিথং, অল্ড লেনৰাং, নিউ লেনৰাং, অল্ড কাটাং, নিউ কাটাং, ৰাথিন, লামচা, খেলা, অল্ড বানটিং, নিউ বানটিং, লংগ', খুনচা, কাইমাই, চুমাচিপথাৰ, লাপটাং, পানচুমথং, পুলং, বৰদুৰীয়া, ল'ৰাংচু, ল'ৰাংদং, অল্ড পানীদুৰীয়া, নিউ পানীদুৰীয়া, কামহুৱা, খোৰাথং, হ'লাম, চাচা, নকচা, কাপো, লঙো, অল্ড টুপি, নিউ টুপি, নিউ লাপটাং, লুথং, টুপি বাগিচা, লাপনান্ খেতি, থিনচা, বগাপানী, পুলুং কেম্প, চাৰজু প্ৰকল্প, জাদ্‌থুং, টিৰথজু, আৰ.ডব্লিউ.ডি. কমপ্লেক্স, পোকুম পমপ্লেক্স, পোখাম চাহ বাগিছা, চুমুইথুং। |
| ডাডম | হুকান, বেৰা, আপাৰ চিনকুই, ল'ৰাৰ চিনকুই, অল্ড কথিন, নিউ কথিন, লাহো, দাদম, মকটোৰা ১, মকটোৰা ২। |

**নক্টে ভাষাৰ ভাষিক স্থিতি ঃ**

আন্তঃৰাষ্ট্ৰীয় শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থা (UNESCO)-ৰ ভাষাৰ জৰীপত পৃথিৱীৰ ভাষাসমূহৰ স্থিতিৰ এখন তালিকা প্ৰস্তুত কৰা হৈছিল। এই তালিকাত পৃথিৱীৰ বিভিন্ন ভাষাৰ লগতে ভাষিক বৈচিত্ৰ্যৰে ভৰপূৰ ভাৰতবৰ্ষত প্ৰচলিত ভাষাসমূহৰ বহু ভাষা বৰ্তমান বিপদাপন্ন অৱস্থালৈ গতি কৰিছে। UNESCO ৰ প্ৰতিবেদন অনুসৰি নক্টে ভাষা বিপদাপন্ন অৱস্থাত আছে ।

নক্টে ভাষাটো এক সীমিত ভৌগোলিক অঞ্চলত বসবাস কৰা নক্টেসকলৰ মাজত প্ৰচলিত ভাষা। নক্টে ভাষাৰ ঔপভাষিক ৰূপসমূহ হৈছে – হাৰাখুন, খাপা, হাৰা, ডলমাক, ফুটুং, জপা, টুট, লাজু আৰু ডাডম।[৪] নক্টে ভাষাৰ এই আটাইকেইটা উপভাষাৰ মাজত ভাষিক ভিন্নতা স্পষ্ট। নক্টেসকলে এইধৰণৰ উপভাষা বুজাবলৈ প্ৰত্যেকটো উপভাষাৰ সৈতে 'জাপ' 'zap' শব্দ ব্যৱহাৰ কৰে। 'জাপ' শব্দটো নক্টেসকলে ভাষাক বুজাবলৈ ব্যৱহাৰ কৰে। উপভাষা অনুসৰি টিৰাপ জিলাৰ নক্টে বস্তিসমূহৰ নাম উল্লেখ কৰা হ'ল [১৬]—

| **উপভাষা** | **নক্টে বস্তিৰ নাম** |
|---|---|
| **হাৰাখুন** | খুনচা, খেলা, নতুন খেতি, খেতি, ৰাথিন, থিনচা |

| | |
|---|---|
| **খাপা** | নক্চা, টুপি, ফুলুং |
| **হাৰা** | বৰদুৰৰীয়া, পানীদুৰৰীয়া, নামচাং, লাপটাং, কাইমাই, ৰাচাথং |
| **ডলমাক** | ডইদাম |
| **ফুটুং** | চহা, টুৰেট, কনেই মাপুয়া, দংৰং |
| **জ'পে'** | টুট, নকনা, থুংজা, পানলাম, খথুং, লিনৰাং, খাটাং, জাংকাং, ৰাটলম, থুমজাং, ফুংচা, চাংৰা, লামচা, লামল' আৰু বুনটিং |
| **টুট** | ক'লাগাঁও |
| **লাজু** | লাজু, নগল', চিনহাম, লং লিয়াং, পংখং, চানিয়াম আৰু লংবু |
| **ডাডম** | চিংক'ই, লাহো, কথিন, বেৰা, মকট'ৰা, খাপু আৰু হ'ৰাকান |

নক্টেসকলে এনে উপভাষা ভিন্নতাৰ বাবে একে নক্টে ভাষাৰ আন উপভাষীৰ মাজত ভাব বিনিময়ৰ বাবেও দ্বিতীয় ভাষাৰ আশ্ৰয় ল'বলগা হয়। দ্বিতীয় ভাষা হিচাবে অধিকসংখ্যক নক্টেভাষীয়ে অসমীয়া ভাষাকে গ্ৰহণ কৰিছে।[১৭]

নক্টে উপভাষাসমূহৰ ভিতৰত খাপা উপভাষাত আনকেইটা উপভাষাতকৈ কিছু সুকীয়া বৈশিষ্ট্য আছে। এই উপভাষা নক্টেসকলৰ মাজত প্ৰচলিত লোকগীতসমূহত বহুলভাৱে ব্যৱহৃত হয়। নক্টে ভাষাৰ ঔপভাষিক ভিন্নতাৰ লগতে ভাষিক বৈচিত্ৰ্যতাই ভাষাটোৰ বিকাশত সমস্যাৰ সৃষ্টি কৰিছে। কম পৰিসৰত প্ৰচলিত হোৱাৰ লগতে ভাষাৰ দুৰ্বোধ্যতায়ো নক্টে ভাষাৰ বিকাশৰ ঘাই অন্তৰায়। নক্টে ভাষাটো নানা সমস্যাৰে ভাৰাক্ৰান্ত হৈ আছে। লিপিৰ সমস্যা, পাঠ্যপুথিৰ সমস্যা, ভাষা-উপভাষাসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন নোহোৱাৰ কাৰণে দেখা দিয়া ব্যাকৰণ আৰু অভিধান প্ৰণয়নৰ সমস্যা, জনগোষ্ঠীটোৰ নৱপ্ৰজন্মৰ মাজত নিজা ভাষাটোৰ প্ৰতি থকা হীনমন্যতা ইত্যাদি সমস্যাৰে নক্টে ভাষাই বৰ্তমানেও পূৰ্ণ পৰ্যায়ত বিকাশ লাভ কৰিব পৰা নাই।

**১.১ অধ্যয়নৰ উদ্দেশ্য ঃ**

নক্টে ভাষাৰ কাল আৰু পুৰুষ অনুসৰি **নঞৰ্থক ক্ৰিয়া**ৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা।

**১.২ অধ্যয়নৰ পদ্ধতি ঃ**

তথ্য বিশ্লেষণৰ ক্ষেত্ৰত বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। আনহাতে তথ্য আহৰণৰ ক্ষেত্ৰত সাক্ষাৎকাৰ পদ্ধতিৰ সহায় লোৱা হৈছে।

২.০ নক্টে ভাষাৰ **নঞৰ্থক ক্ৰিয়া ঃ**

ব্যাকৰণগত আৰু অৰ্থগত বিশ্লেষণত নহয় বা নোহোৱা বুজাবলৈ যিবোৰ ক্ৰিয়া ব্যৱহাৰ কৰা হয় সেইবোৰেই নঞৰ্থক ক্ৰিয়া। নক্টে ভাষাত সদৰ্থক ক্ৰিয়াৰ ৰূপৰ লগত নঞৰ্থক ৰূপ সংযোগ কৰি নঞৰ্থক ক্ৰিয়া গঠন কৰা হয়। নক্টে ভাষাৰ কাল অনুসৰি আৰু পুৰুষ অনুসৰি নঞৰ্থক ক্ৰিয়া গঠনৰ সুকীয়া নিয়ম পৰিলক্ষিত হয়। তলত এইসমূহ উল্লেখ কৰা হৈছে। —

**২.১ কাল অনুসৰি নক্টে ভাষাৰ নঞৰ্থক ক্ৰিয়া গঠন ঃ**

বৰ্তমান কাল, অতীত কাল আৰু ভৱিষ্যত কালত সুকীয়া সুকীয়া নঞৰ্থক ৰূপৰ ব্যৱহাৰ কৰি নক্টে ভাষাত নঞৰ্থক ক্ৰিয়াৰ গঠন কৰা হয়। তলত এই সম্পৰ্কে আলোচনা কৰা হ'ল—

**২.১.১ বৰ্তমান কালত নঞৰ্থক ক্ৰিয়াৰ গঠন ঃ**

বৰ্তমান কালত প্ৰথম পুৰুষৰ একবচনৰ ক্ষেত্ৰত '-মাক', বহুবচনৰ ক্ষেত্ৰত '-মি', দ্বিতীয় পুৰুষত একবচনৰ ক্ষেত্ৰত '-ম'', বহুবচনৰ ক্ষেত্ৰত '-মাত', তৃতীয় পুৰুষত একবচন আৰু বহুবচন উভয় ক্ষেত্ৰতে '-মা' ৰূপৰ ক্ৰিয়া

পদৰ পাছত ব্যৱহাৰ হৈ নঞৰ্থক ক্ৰিয়া গঠন কৰা দেখা যায়।

| পুৰুষ | একবচন | বহুবচন |
|---|---|---|
| প্ৰথম পুৰুষ | '-মাক' | '-মি' |
| দ্বিতীয় পুৰুষ | '-ম' | '-মাত' |
| তৃতীয় পুৰুষ | '-মা' | '-মা' |

উদাহৰণ —

প্ৰথম পুৰুষ, একবচন ঃ {-মাক}

ঙা স্কুল নাং ৰআনটাং ৰাং-কা-আঙ 'মই সদায় স্কুললৈ যাওঁ।'
মই স্কুললৈ সদায় যাওঁ
ঙা স্কুল-নাং ৰআনটাং ৰাঙ-কা-মাক 'মই সদায় স্কুললৈ নাযাওঁ।'
মই স্কুললৈ সদায় যাওঁ (নঞৰ্থক ৰূপ)

প্ৰথম পুৰুষ, বহুবচন ঃ {-মি}

নি ৰাং-কা-এ 'আমি যাওঁ।'
আমি যাওঁ
নি ৰাং-কা-মি 'আমি নাযাওঁ।'
আমি যাওঁ (নঞৰ্থক ৰূপ)

দ্বিতীয় পুৰুষ, একবচন ঃ {-ম'}

নাং ৰে-এ-ক''তুমি পঢ়া।'
তুমি পঢ়া
নাং ৰে-এ-ম''তুমি নপঢ়া।'
তুমি পঢ় (নঞৰ্থক ৰূপ)

দ্বিতীয় পুৰুষ, বহুবচন ঃ {-মাত}

নে ৰে-কাঙ 'তোমালোকে পঢ়া।'
তুমি পঢ়া
নে ৰে-এ-মাত 'তোমালোকে নপঢ়া।'
তুমি পঢ় (নঞৰ্থক ৰূপ)

তৃতীয় পুৰুষ, একবচন ঃ {-মা}

এটে ৰে-এ-কা'সি পঢ়ে।'
সি পঢ়ে
নে ৰে-এ-মা 'সি নপঢ়ে।'
সি পঢ়ে (নঞৰ্থক ৰূপ)

তৃতীয় পুৰুষ, বহুবচন ঃ {-মা}

চিনিন ৰে-এ-কা'সিহঁতে পঢ়ে।'
সিহঁতে পঢ়ে
নে ৰে-এ-মা 'সিহঁতে নপঢ়ে।'

সিহঁতে পঢ়ে (নঞৰ্থক ৰূপ)

ঙা স্কুল-নাং ৰআনটাং ৰাং-কা-আঙ 'মই সদায় স্কুললৈ যাওঁ।'

মই স্কুললৈসদায় যাওঁ

ঙা স্কুল-নাং ৰআনটাং ৰাং-কা-মাক 'মই সদায় স্কুললৈ নাযাওঁ।'

মই স্কুললৈসদায় যাওঁ (নঞৰ্থক ৰূপ)

**২.১.২ অতীত কালত নঞৰ্থক ক্ৰিয়াৰ গঠন ঃ**

- সাধাৰণ অতীত কালৰ বাক্যৰ ক্ৰিয়াৰ নঞৰ্থবাচক ৰূপ গঠন হওঁতে সদৰ্থক ক্ৰিয়াৰ ক্ৰিয়ামূল আৰু কালবাচক পৰসৰ্গৰ মাজত {-মা} বদ্ধৰূপ সংযোগ হয়। উদাহৰণ —

ঙা স্কুল-নাঙ কা-টাক 'মই স্কুললৈ যোৱা গৈছিলোঁ।'

মই স্কুললৈ যা-কালবাচক ৰূপ

ঙা স্কুল-নাং কা-মা-টাক 'মই স্কুললৈ যোৱা নাছিলোঁ।'

মই স্কুললৈ যা-নঞৰ্থক ৰূপ-কালবাচক ৰূপ

ঙা আলিন টাট-টাক 'মই শব্দটো শুনিছিলোঁ।'

মই শব্দটো শুন-কালবাচক ৰূপ

ঙা আলিন টাট-মা-টাক 'মই শব্দটো শুনা নাছিলোঁ।'

মই শব্দটো শুন-নঞৰ্থক ৰূপ-কালবাচক ৰূপ

- অপূৰ্ণ অতীত কালৰ বাক্যৰ ক্ৰিয়াৰ নঞৰ্থবাচক ৰূপ গঠন হওঁতে সদৰ্থক ক্ৰিয়াৰ ক্ৰিয়ামূল আৰু কালবাচক পৰসৰ্গৰ মাজত {-দাং-মা} বদ্ধৰূপ সংযোগ হয়। উদাহৰণ —

ঙা চাম চা-দাং-মা টাক 'মই ভাত খাই থকা নাছিলোঁ।'

মই ভাত খাই থকা নাছিলোঁ

এটে এ-জু-দাং-মা টা 'সি সাতুৰি থকা নাছিল।'

সি সাতুৰি থকা নাছিল

**২.১.৩ ভৱিষ্যৎ কালত নঞৰ্থক ক্ৰিয়াৰ গঠন ঃ**

- ভৱিষ্যত কালত ক্ৰিয়াৰ নঞৰ্থবাচক ৰূপৰ সৈতে সংযোগ হোৱা বদ্ধৰূপসমূহ কৰ্তা আৰু কৰ্মৰ পুৰুষ তথা বচন অনুযায়ী সুকীয়া সুকীয়া। তলত নক্টে ভাষাৰ ভৱিষ্যত কালৰ নঞৰ্থক ক্ৰিয়া গঠনত সংযোগ হোৱা পৰসৰ্গসমূহৰ এখন তালিকা পুৰুষ আৰু বচন অনুসৰি দেখুওৱা হ'ল —

| **কৰ্তা** | | **কৰ্ম** | | **বদ্ধৰূপ** |
|---|---|---|---|---|
| **একবচন** | **বহুবচন** | **একবচন** | **বহুবচন** | |
| প্ৰথম পু. — | | তৃতীয় পু. | — | মাক |
| প্ৰথম পু. — | | দ্বিতীয় পু. | — | মি |
| প্ৰথম পু. — | | — | তৃতীয় পু. | মাক |
| প্ৰথম পু. — | | — | দ্বিতীয় পু. | মা |
| — | প্ৰথম পু. | দ্বিতীয় পু. | — | মি |
| — | প্ৰথম পু. | — | দ্বিতীয় পু. | মা |
| — | প্ৰথম পু. | তৃতীয় পু. | — | মি |

| কৰ্তা | | কৰ্ম | | বদ্ধৰূপ |
|---|---|---|---|---|
| একবচন | বহুবচন | একবচন | বহুবচন | |
| — | প্ৰথম পু. | — | তৃতীয় পু. | মি |
| দ্বিতীয় পু. | — | প্ৰথম পু. | — | মা-হেং |
| দ্বিতীয় পু. | — | তৃতীয় পু. | — | ম |
| দ্বিতীয় পু. | — | — | প্ৰথম পু. | মা-হি |
| — | দ্বিতীয় পু. | তৃতীয় পু. | — | মাট |
| — | দ্বিতীয় পু. | — | প্ৰথম পু. | মা-হি |
| — | দ্বিতীয় পু. | — | তৃতীয় পু. | মাট |
| তৃতীয় পু. | — | দ্বিতীয় পু. | — | মা-হ’ |
| তৃতীয় পু. | — | — | তৃতীয় পু. | মা |
| তৃতীয় পু. | — | প্ৰথম পু. | — | মা-হেং |
| তৃতীয় পু. | — | — | প্ৰথম পু. | মা-হি |
| তৃতীয় পু. | — | দ্বিতীয় পু. | — | মা-হ’ |
| তৃতীয় পু. | — | তৃতীয় পু. | — | মা |
| তৃতীয় পু. | — | — | দ্বিতীয় পু. | মা-হান |
| — | তৃতীয় পু. | দ্বিতীয় পু. | — | মা-হ’ |
| — | তৃতীয় পু. | প্ৰথম পু. | — | মা-হেং |
| — | তৃতীয় পু. | — | দ্বিতীয় পু. | মা-হান |
| — | তৃতীয় পু. | — | প্ৰথম পু. | মা-হি |
| — | তৃতীয় পু. | — | তৃতীয় পু. | মা |

বাক্যত প্ৰয়োগৰ উদাহৰণ —

‘ক” (দে)

হা-মা এটে-নাঙ ক’-মাক ‘মই তাক নিদিওঁ।’
মই তাক নিদিওঁ

নাঙ-মা নাং-নাং ক’-মি ‘মই তোক নিদিওঁ’
মই তোক নিদিওঁ

নি-মা নে-নাংক’-মা ‘আমি তহঁতক নিদিওঁ।’
আমিতহঁতক নিদিওঁ

নে-মা এটে-নাং ক’-মাট ‘তহঁতে তাক নিদিবি।’
তহঁতে তাক নিদিবি

চিনিন-মা নি-নাং ক’-মা-হি ‘সিহঁতে আমাক নিদিয়ে।’
সিহঁতে আমাক নিদিয়ে

'চক', 'চু' 'দেখ, চা'

ঙা-মা এটে-নাং চু-মাক 'মই তাক দেখা নাই।'
মই তাক দেখা নাই
ঙা-মা নাঙ-নাঙ চু-মি 'মই তোক নাচাওঁ।'
মই তোক নাচাওঁ
এটে-মা নাং-নাং চু-মা-হ' 'সি তোক নাচায়।'
সি তোক নাচায়

**৩.০ উপসংহাৰ ঃ**

- নক্টে ভাষাত বৰ্তমান কাল, অতীত কাল আৰু ভৱিষ্যত কালত সুকীয়া সুকীয়া ৰূপৰ ব্যৱহাৰ কৰি নঞৰ্থক ক্ৰিয়াৰ গঠন কৰা হয়।
- বৰ্তমান কালত প্ৰথম পুৰুষৰ একবচনৰ ক্ষেত্ৰত '-মাক', বহুবচনৰ ক্ষেত্ৰত '-মি', দ্বিতীয় পুৰুষত একবচনৰ ক্ষেত্ৰত '-ম'', বহুবচনৰ ক্ষেত্ৰত '-মাত', তৃতীয় পুৰুষত একবচন আৰু বহুবচন উভয় ক্ষেত্ৰতে '-মা' ৰূপৰ ক্ৰিয়া পদৰ পাছত ব্যৱহাৰ হৈ নঞৰ্থক ক্ৰিয়া গঠন কৰা দেখা যায়।
- সাধাৰণ অতীত কালৰ বাক্যৰ ক্ৰিয়াৰ নঞৰ্থবাচক ৰূপ গঠন হওঁতে সদৰ্থক ক্ৰিয়াৰ ক্ৰিয়ামূল আৰু কালবাচক পৰসৰ্গৰ মাজত {-মা} বদ্ধৰূপ সংযোগ হয়।
- অপূৰ্ণ অতীত কালৰ বাক্যৰ ক্ৰিয়াৰ নঞৰ্থবাচক ৰূপ গঠন হওঁতে সদৰ্থক ক্ৰিয়াৰ ক্ৰিয়ামূল আৰু কালবাচক পৰসৰ্গৰ মাজত {-দাং-মা} বদ্ধৰূপ সংযোগ হয়।
- ভৱিষ্যত কালত ক্ৰিয়াৰ নঞৰ্থবাচক ৰূপৰ সৈতে সংযোগ হোৱা বদ্ধৰূপসমূহ কৰ্তা আৰু কৰ্মৰ পুৰুষ তথা বচন অনুযায়ী সুকীয়া সুকীয়া।

সম্প্ৰতি নক্টে ভাষাৰ ঔপভাষিক ভিন্নতাৰ বাবে ভাষাটো বিলুপ্ত হোৱাৰ পথত অগ্ৰসৰ গৈছে। তদুপৰি এই ভাষাৰ বিষয়ে বিজ্ঞানসন্মত চিন্তা-চৰ্চা, গৱেষণা আজি পৰ্যন্ত নোহোৱাৰ বাবে আজি বিপন্নপ্ৰায় অৱস্থাৰ সন্মুখীন হৈছে। নক্টে ভাষাৰ লগতে এনেধৰণৰ বিপন্নপ্ৰায় অৱস্থাৰ ভাষাসমূহৰ অধ্যয়ন আৰু সংৰক্ষণৰ বাবে চৰকাৰী আচঁনি যুগুত কৰিব লাগিব, অন্যথা অতি কম সময়ৰ ভিতৰত এই ভাষাবোৰ সংকটৰ গৰাহত পৰিব। নক্টে ভাষাৰ বিস্তৃত অধ্যয়নৰ জৰিয়তে ভাষাটোৰ অন্তৰ্গত এটা উপভাষাক মান্যৰূপ প্ৰদান কৰিব পাৰিলে পৰৱৰ্তী সময়ত নক্টে ভাষাই বিস্তৃতি লাভ কৰিব পাৰিব। নক্টে ভাষাৰ সামগ্ৰিক অধ্যয়নৰ যথেষ্ট থল আছে।

প্ৰসংগ সূত্ৰ ঃ

1 *Nocte means people living in an organizing community ('Noc-Village', and 'te' -the people, i.e one who lives in a village* – Parul Dutta, *The Noctes*, p. 8

2 Parul Dutta, *The Noctes*, P. 120-121

3 https://tirap.nic.in *7th July,2018*

[4] "*It is very difficult, however, to say whether the various speech froms in the Nocte area could be considered as dialects of a common Nocte language. It has already been mentioned that among the Noctes there are nine dialects namely Hawakhun, Khapa, Hawa, Domlak, Phothung, Jope, Tut, Laju and Dadom.*"
– P. C. Dutta *: Tribal Chieftainship,* P. 14

গ্ৰন্থপঞ্জী ঃ

বৰুৱা, ভীমকান্ত, *অসমৰ ভাষা*, ডিব্ৰুগড়, বনলতা, ২০০৩, চতুৰ্থ সংস্কৰণ

Benedict, P.K., *Sino Tibettan, a conceptus*, New York, Cmabridge University Press, 1972, 1st published (digitally printed version - 2009)

Das Gupta, K., *An Introduction to Nocte Language*, Shillong, Director of Information and Public Realtion, NEFA, 1971, 1st Published

Dutta, Parul, *The Noctes*, Shillong, Director of Research, Govt of Arunachal Pradesh, 1978

Dutta, Parul, *Tribel Chieftainship*, Itanagar, First Edition2003.

Spencer, Andrew & Amold M.Zwicky, *The Handbook of Morphology,* UK, Blackwell Publisher, 1998, 1st pubished

PANCHOI
পানচৈ

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# গোৱালপৰীয়া লোকগীতত লোক-জীৱন ঃ এটি সমীক্ষা

**ড° বিন্দু ভূষণ বৰা**
সহকাৰী অধ্যাপক, আধুনিক ভাৰতীয় ভাষা বিভাগ (অসমীয়া)
কমাৰ্চ কলেজ কোক্ৰাঝাৰ, বি টি আৰ-৭৮৩৩৭০, অসম
ফোন-৮৬৩৮৮০৯৫৪৯

**সংক্ষিপ্তসাৰ**

নিজস্ব লোক-ভাষাৰে মহিমামণ্ডিত গোৱালপৰীয়া লোক-সাহিত্যৰ অন্যতম শাখা লোকগীতে বৃহৎ গোৱালপাৰা অঞ্চলৰ সমাজখনৰ এক সামগ্ৰিক ছবি তুলি ধৰা দেখিবলৈ পাওঁ। গোৱালপৰীয়া লোকগীত মুখ্যতঃ চাৰি প্ৰকাৰৰ- ক) পূজা-পাৰ্বণৰ গীত, খ) দেহাত্মমূলক গীত, গ) প্ৰেমমূলক গীত আৰু ঘ) বিবিধ বিষয়ক গীত। গোৱালপৰীয়া মানুহৰ স্বভাৱ-চৰিত্ৰ, ৰীতি-নীতি, আচাৰ-আচৰণ, বিশ্বাস-অবিশ্বাস, কৃষি-বাণিজ্য, দৰ্শন-দৃষ্টিকোণ, প্ৰেম-অভিমান, পাৰিবাৰিক বান্ধোন, বস্তুগত সংস্কৃতি-- এই আটাইবোৰ দিশৰে একোখন সুন্দৰ ছবি তেওঁলোকৰ লোকগীতসমূহৰ মাজেৰে ফুটি উঠা দেখা যায়। গোৱালপৰীয়া কৃষিজীৱী মানুহৰ দুখ-দৈন্য, অভাৱ-অনাটনৰ পৰা নাৰীৰ জীৱন-যৌৱন, ৰূপ-সৌন্দৰ্য, সাজন-কাছনলৈ, স্বামী-স্ত্ৰী, শাহু-শহুৰ, জা-ননদ, ভাই-দেৱৰে ভৰা একোখন যৌথ পৰিয়ালৰ ছবিৰ পৰা বেহা-বেপাৰৰ ছবিলৈ, নাৰী মনঃস্তত্ত্বৰ পৰা দেৱৰ-বৌৰ প্ৰেমলৈ, দৈৱ-বিশ্বাসৰ পৰা যাদুমন্ত্ৰলৈ, আ-অলংকাৰ, খাদ্যাভাসৰ পৰা জীৱ-জন্তু, চৰাই-চিৰিকতিলৈ, লোক-বাদ্যৰ পৰা লোক-নৃত্যলৈ সমাজৰ লগত সম্পৰ্কিত প্ৰায় সকলোবোৰ বিষয়েই ঠাই পাইছে এই লোকগীতসমূহৰ মাজত। আমাৰ এই আলোচনাৰ বিষয় বিশ্লেষণৰ মূল পদ্ধতি বৰ্ণনাত্মক। প্ৰয়োজনসাপেক্ষে বিশ্লেষণাত্মক দৃষ্টিভংগী গ্ৰহণ কৰি গোৱালপৰীয়া সমাজখনৰ সামগ্ৰিক সামাজিক-সাংস্কৃতিক ৰূপটো ফুটাই তোলাত গোৱালপৰীয়া লোকগীতসমূহ কেনেদৰে সক্ষম হৈছে সেয়া দৃষ্টান্তসহ দাঙি ধৰা হৈছে।

**বীজশব্দ ঃ** গোৱালপৰীয়া লোকগীত, লোক-জীৱন, পৰম্পৰা, সংস্কৃতি

**০.০ অৱতৰণিকা ঃ**

অনাখৰী বা শিক্ষিত কোনোৱে সমাজক আওকাণ কৰি সাহিত্য সৃষ্টি কৰিব নোৱাৰে। সেয়ে মৌখিক বা লিখিত এই দুয়ো শ্ৰেণীৰ স্ৰষ্টাৰ নান্দনিকতাবোধ প্ৰতিফলিত হয় সমাজলব্ধ অভিজ্ঞতাৰ মাজেৰেই। কাজেই, কোনো এক সময়ৰ সাহিত্য অধ্যয়ন কৰিলে কোনো এটা জাতিৰ বিশেষ এছোৱা দীৰ্ঘ-সময়ৰ সমাজ-জীৱনৰ বিভিন্ন দিশৰ সম্যক আভাস পাব পৰা যায়। অসমীয়া জনসাহিত্যৰ অলিখিত পৰম্পৰাৰ এক বুজন শাখা লোক-সাহিত্য অসমীয়া ভাষা তথা সমাজৰ এক আপুৰুগীয়া সম্পদ। অসমৰ অঞ্চলভেদে লোক-সাহিত্যৰ সৌন্দৰ্যও সুকীয়া সুকীয়া। উজনি অসম, কামৰূপ আদিৰ দৰেই নিজস্ব লোক-ভাষাৰে মহিমামণ্ডিত গোৱালপৰীয়া লোক-সাহিত্যই তথা লোক-গীতে বৃহৎ গোৱালপাৰা অঞ্চলৰ সমাজখনৰ এক সামগ্ৰিক ছবি তুলি ধৰা আমি দেখিবলৈ পাওঁ। গোৱালপৰীয়া চহাকবিৰ স্বতঃস্ফূৰ্ত সৃষ্টি এই লোকগীতসমূহৰ মূল বিষয় প্ৰকৃতি আৰু প্ৰেম। প্ৰায়ভাগ

গীতৰে মূল সুৰ কৰুণ। একান্ত বিনয় আৰু সৰলতাৰে সৌন্দৰ্যময় এই লোকগীতসমূহ।

**০.১ অধ্যয়নৰ বিষয়বস্তু ঃ**

গোৱালপৰীয়া লোকসাহিত্যৰ এক অন্যতম শাখা গোৱালপৰীয়া লোকগীত মুখ্যতঃ চাৰি প্ৰকাৰৰ- ক) পূজা-পাৰ্বণৰ গীত, খ) দেহাত্মমূলক গীত, গ) প্ৰেমমূলক গীত আৰু ঘ) বিবিধ বিষয়ক গীত। এই গীতসমূহে সেই অঞ্চলৰ দৈনন্দিন জনজীৱনৰ প্ৰায়বোৰ দিশকেই প্ৰতিফলিত কৰা আমি দেখিবলৈ পাওঁ। গোৱালপৰীয়া মানুহৰ সৰলতা, চিন্তা-চেতনা, স্বভাৱ-চৰিত্ৰ, ৰীতি-নীতি, আচাৰ-আচৰণ, বিশ্বাস-অবিশ্বাস, কৃষি-বাণিজ্য, দৰ্শন-দৃষ্টিকোণ, প্ৰেম-অভিমান, পাৰিবাৰিক বান্ধোন, বস্তুগত সংস্কৃতি-- এই আটাইবোৰ দিশৰে একোখন সুন্দৰ ছবি তেওঁলোকৰ লোকগীতসমূহৰ মাজেৰে ফুটি উঠা দেখা যায়। গোৱালপৰীয়া কৃষিজীৱী মানুহৰ দুখ-দৈন্য, অভাৱ-অনাটনৰ পৰা নাৰীৰ জীৱন-যৌৱন, ৰূপ-সৌন্দৰ্য, সাজন-কাছনলৈ, স্বামী-স্ত্ৰী, শাহু-শহুৰ, জা-ননদ, ভাই-দেৱৰে ভৰা যৌথ পৰিয়ালৰ একোখন ছবিৰ পৰা বেহা-বেপাৰৰ সংগ্ৰামলৈ, নাৰী মনঃস্তত্ত্বৰ পৰা দেৱৰ-বৌৰ প্ৰেমলৈ, দৈৱ-বিশ্বাসৰ পৰা যাদুমন্ত্ৰলৈ, আ-অলংকাৰ, খাদ্যাভাসৰ পৰা জীৱ-জন্তু, চৰাই-চিৰিকতিলৈ, লোক-বাদ্যৰ পৰা লোক-নৃত্যলৈ সমাজৰ লগত সম্পৰ্কিত প্ৰায় সকলোবোৰ বিষয়েই ঠাই পাইছে এই লোকগীতসমূহৰ মাজত।

আমাৰ এই আলোচনাত গোৱালপৰীয়া সমাজখনৰ সামগ্ৰিক সামাজিক-সাংস্কৃতিক ৰূপটো ফুটাই তোলাত গোৱালপৰীয়া লোকগীতসমূহ কেনেদৰে সক্ষম হৈছে সেয়া দৃষ্টান্তসহ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। লগতে সামাজিক দিশসমূহৰ পৰম্পৰা আৰু প্ৰয়োজনবোধে পৰিৱৰ্তিত ৰূপক চিহ্নিত কৰাৰো প্ৰয়াস কৰা হৈছে।

**০.২ অধ্যয়নৰ ক্ষেত্ৰ ঃ**

গোৱালপৰীয়া সংস্কৃতিৰ ক্ষেত্ৰ পূৰ্বে অবিভক্ত কামৰূপ, দৰং জিলা আৰু পশ্চিমে উত্তৰবঙ্গকে ধৰি ৰংপুৰ, দিনাজপুৰ, মালদাহলৈ বিয়পি আছে। বিলাসীপাৰা, গৌৰীপুৰ আদি অঞ্চল ধুবুৰী জিলাৰ অন্তৰ্ভুক্ত হোৱাত বৰ্তমান গোৱালপাৰাৰ পৰিসৰ সীমিত হৈছে। গোৱালপৰীয়া লোকগীতৰ পৰিধি ভৌগোলিক পৰিসীমাৰ বাহিৰলৈকে (বিশেষকৈ পশ্চিমলৈ) বিস্তৃত। গোৱালপৰীয়া লোক-জীৱনৰ আভাসৰ প্ৰয়াস থকা আমাৰ অধ্যয়নৰ মুখ্য সমল হ'ব পুৰণি বৃহৎ গোৱালপাৰাত প্ৰচলিত লোকগীতসমূহ।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

'গোৱালপৰীয়া লোকগীতত লোক-জীৱন ঃ এটি সমীক্ষা' শীৰ্ষক আমাৰ এই আলোচনাৰ বিষয় বিশ্লেষণৰ মূল পদ্ধতি বৰ্ণনাত্মক। প্ৰয়োজনসাপেক্ষে বিশ্লেষণাত্মক দৃষ্টিভংগী গ্ৰহণ কৰি গোৱালপৰীয়া সমাজখনৰ সামগ্ৰিক সামাজিক-সাংস্কৃতিক ৰূপটো ফুটাই তোলাত গোৱালপৰীয়া লোকগীতসমূহ কেনেদৰে সক্ষম হৈছে সেয়া দৃষ্টান্তসহ দাঙি ধৰা হৈছে।

**১.০ গোৱালপৰীয়া লোকগীতত লোক-জীৱন ঃ**

গোৱালপৰীয়া সংস্কৃতিক অবিভক্ত গোৱালপাৰাৰ পূব আৰু পশ্চিমৰ ভূ-ভাগৰ সংযোগ-সেতুস্বৰূপ। সেয়ে গোৱালপৰীয়া লোক-ভাষা আৰু ইয়াৰ স্থানীয়, বিশেষকৈ পশ্চিম দিশত প্ৰচলিত কোঁচ ৰাজবংশী[১] আৰু বঙলা[২] ভাষাৰ মাজত বিশেষ সাদৃশ্য চকুত পৰে। গোৱালপাৰা তথা গোৱালপাৰাবাসীৰ প্ৰাকৃতিক পৰিৱেশ, সামাজিক স্থিতি, পাৰিবাৰিক অৱস্থা, ৰাজনৈতিক ব্যৱস্থা, অৰ্থ উপাৰ্জনৰ পথ আদিৰ সামগ্ৰিক ছবি একোখন আমি পাব পাৰোঁ মাহুত, ম'ইষাল, বাইসাল আৰু গাড়ীয়াল- এই চাৰিটা বৃত্তিধাৰী চৰিত্ৰৰ লগত জড়িত অজস্ৰ প্ৰেমবিষয়ক গীতৰ যোগেদি। গোৱালপৰীয়া কৰ্মবিষয়ক গীতসমূহৰ মাজেদি গোৱালপৰীয়া লোকসমাজৰ স্বৰূপ অকৃত্ৰিম ৰূপত প্ৰকাশ পাইছে। এনে কৰ্মবিষয়ক গীতৰ ভিতৰত মাছ মৰা গীত, বৰশী বোৱা গীত, জাকৈ বোৱা গীত,

ধানবনা গীত, শাকতোলা গীত, হালবোৱা গীত আদি উল্লেখযোগ্য। এই গীতসমূহত প্ৰতিফলিত গোৱালপৰীয়া শ্ৰমজীৱী লোকৰ জীৱন চিত্ৰ অতি উজ্জ্বল আৰু আৱেদনশীল। সেইদৰে বিভিন্ন সামাজিক উৎসৱ যেনে- বিয়া, এউৰী মাগা আদিৰে সৈতে যুক্ত গীতসমূহেও গোৱালপৰীয়া সমাজখনৰ ছবি সুন্দৰভাৱে দাঙি ধৰে। গোৱালপৰীয়া লোক-জীৱনক লোকগীতে কেনেদৰে প্ৰতিফলিত কৰিছে, তলৰ দিশসমূহৰ আধাৰত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল-

১.১ বৃত্তিগত জীৱন, অৰ্থনীতি, সংস্কৃতিৰ ছবি
১.২ প্ৰকৃতিৰ সামগ্ৰিক ছবি
১.৩ পাৰিবাৰিক চিত্ৰ
১.৪ দৈৱ-বিশ্বাস, লোকবিশ্বাস, যাদুমন্ত্ৰ
১.৫ ৰন্ধন-প্ৰণালী, খাদ্যাভাস
১.৬ প্ৰেমৰ বিচিত্ৰ ৰূপ, বিবাহ
১.৭ বস্তুগত সংস্কৃতি

**১.১ বৃত্তিগত জীৱন, অৰ্থনীতি, সংস্কৃতিৰ ছবি ঃ**

অতীজৰে পৰা গোৱালপৰীয়া ৰজা, জমিদাৰ আদি আঢ্যৱন্ত লোকসকলে নিজৰ গৌৰৱ আৰু আভিজাত্য প্ৰকাশৰ উদ্দেশ্যে হাতী পুহিছিল। যুদ্ধ-বিগ্ৰহ, বেহা-বেপাৰ, যাত্ৰা, চিকাৰ আদিৰ বাবে হাতী ব্যৱহাৰ কৰা হৈছিল। হাতী পৰিচালনাৰ বাবে মাহুত(মাউত)মকৰল কৰা হৈছিল। বহু অভিজাত লোকৰ লগতে মধ্যবিত্ত শ্ৰেণীটোৱেও ম'হ পুহিছিল। খেতি-বাতি, দুগ্ধ উৎপাদনৰ বাবে অতি প্ৰয়োজনীয় ম'হৰ প্ৰতিপালনৰ বাবে এচাম লোকক (ম'ইষাল) মকৰল কৰা হৈছিল। গোৱালপৰীয়া সমাজৰ বহুলোকে বেহা-বেপাৰ কৰি জীৱিকা নিৰ্বাহ কৰিছিল। বেহা-বেপাৰৰ বাবে নাৱেৰে দূৰ দেশলৈ যোৱাৰ ইংগিতো ইবোৰত পোৱা যায়-

বণিজ কৰিয়া সাধু ভালে ভালে,
আইসেন ফিৰি বাৰিষা কালৰে।
মুই নাৰী থাকিম নদীৰ ঘাটে বসিৰে।।

নদ-নদীৰে ভৰা গোৱালপাৰাত গৰু গাড়ী, ম'হৰ গাড়ীৰ উপৰি নাৱেৰে বেহা-বেপাৰ কৰা হৈছিল। নাৱৰীয়া(বাইসাল) বৃত্তিধাৰী বহু লোকে নাৱৰ দ্বাৰাই নিজৰ অৰ্থ উপাৰ্জনৰ পথ উলিয়াইছিল। নাওখেলৰ গীতেই নাৱৰ বিপুল ব্যৱহাৰ আৰু জনপ্ৰিয়তাৰ কথা সূচিত কৰে।

বইঠা মাৰো বইঠা মাৰো,
ও বাইসাল ভাইয়া ৰে
ঝাৰিয়া বইঠা মাৰিয়া যাওৰে।। ( গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত, পৃ-২৮৯)

যাতায়ত, কৃষি, বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰ ত বৰ্তমান ইঞ্জিনযুক্ত যান-বাহন, পাৱাৰ টেলাৰ, ট্ৰেক্তৰ আদিয়ে বিশেষ ভূমিকা পালন কৰাৰ ফলত গৰু গাড়ী, ম'হৰ গাড়ী আদিৰ প্ৰাসংগিকতা কমিছে; বিকল্পৰ উদ্ভাৱনে ‘‘বইঠা মাৰিয়া যাওৰে’’ৰ প্ৰাসংগিকতা ক্ৰমশঃ কমাই আনিছে।

গোৱালপাৰাৰ হাজং আৰু ৰাজবংশীসকলৰ মাজত অনুষ্ঠিত হোৱা বাঁহ-পূজাৰ গীতত আমি ব'হাগ-জেঠ মাহত মাছ উজান উঠা দৃশ্যৰ বৰ্ণনা পাওঁ এনেদৰে-

জেঠ বৈশাখে ঘন কৰি উজাই লাগিছে মাছ,
ৰাধে গেল জল আনিতে কানাই লাগিল পাচ। (অসমীয়া লোকগীত সমীক্ষা, পৃ-২৮৭)

আকৌ পাইক চিপাহীৰ সঘন উল্লিখনে পুৰণি পাইক প্ৰথাৰ কথা সোঁৱৰায়। গোৱালপৰীয়া লোকগীতত কুমাৰ, কমাৰ, সোণাৰি, মিস্ত্রি, তাঁতী আদি বিভিন্ন বৃত্তিধাৰী লোকৰ উল্লেখ পোৱা যায়। ইয়াত তাঁতি বৃত্তিধাৰী লোকৰ ভূমিকালৈ মন কৰক-

বাৰীৰ পাছিলাত তাঁতিয়া ভায়া
শাৰীখান বানেয়া দিছে। (গো. লো. আ. লো., পৃ-১০১)

গৰুগাড়ীৰ চালক গাড়ীয়ালসকলো (গাৰোৱান) আছিল মাহুত, ম'ইষাল, বাইসালসকলৰ দৰেই অভাৱ অনাটনৰে পীড়িত সমাজৰ নিম্ন শ্ৰেণীৰ শ্ৰমজীৱী লোক। মুঠতে কৰ্তব্যনিষ্ঠা, সৰলতা, সম্ভ্ৰম, পৰোপকাৰ, দায়িত্ববোধ আদি সৎগুণৰ সমাহাৰেৰে উল্লিখিত বৃত্তিধাৰী লোকসকল প্ৰোজ্জ্বল হৈ আছে লোকগীতসমূহৰ মাজত। তাৎপৰ্যপূৰ্ণ যে নিৰ্দিষ্ট বৃত্তিধাৰী লোকসকলৰ কামৰ তাগিদাত হোৱা যি পাৰিবাৰিক বিচ্ছেদ তাৰ কাৰুণ্য এনে বেছিভাগ গীততে প্ৰচ্ছন্ন হৈ থকা দেখা যায়।

ব্যক্তিগত আৰু সামূহিক আনন্দ প্ৰকাশৰ তাগিদাত সামাজিক প্ৰাণী মানুহৰ মাজত গোষ্ঠী, স্থান, কাল-বিশেষে সৃষ্টি হোৱা নানান উৎসৱ-অনুষ্ঠানৰ দৰেই গোৱালপৰীয়া সমাজতো সৃষ্ট মুখ্য উৎসৱ-অনুষ্ঠান হ'ল বিয়া, ধুৱনি(ধোৱনি), এউৰী আৰু ফাকুৱা। বিবাহ অনুষ্ঠানত পৰিৱেশিত বিষয়-বৈচিত্ৰ্য অনুসৰি তেৰবিধ গীত আছে যাৰ দ্বাৰা জোৰণ, পানীতোলাৰ পৰা হালধি সনালৈ, দৰাক বৰণ কৰাৰ পৰা দৰা-কন্যাৰ পাশা-খেললৈ বিবাহৰ পূৰ্ণ ছবি এখন ওলাই পৰে। ধুৱনি(সৰু বিয়া) উৎসৱৰ গীতৰ যোগেদি চিত্ৰিত হৈছে পুষ্পিতা হোৱা ছোৱালীৰ সামাজিক সংস্কাৰৰ ছবিখন। কামৰূপৰ মহোহোৰ সমধৰ্মী এউৰী(অ'ৰি) মাগা উৎসৱৰ গীতত প্ৰতিভাত হৈছে আঘোণ মাহৰ গোৱালপৰীয়া সমাজখনৰ ছবি। দৌলযাত্ৰা, হোলী বা ফাকুৱা পশ্চিম গোৱালপাৰাত বৰ উলহ-মালহৰে অনুস্থিত হয়; মেলা বহে। কিন্তু গোৱালপৰীয়া সমাজখনৰ এখন স্পষ্ট ছবি পাব পৰাকৈ এইবিষয়ক গীত নাই।

**১.২ প্ৰকৃতিৰ সামগ্ৰিক ছবি ঃ**

পুৰণি গোৱালপাৰাত অটব্য অৰণ্য, ঘাঁহনি, ফল-মূল, নদ-নদী, জান-জুৰি, গছ-গছনিৰ অভাৱ নাছিল। গতিকে পোহনীয়া জন্তুৰ খাদ্য যোগান আৰু প্ৰতিপালনৰ বাবে একেবাৰেই অসুবিধা নাছিল। গোৱালপৰীয়া লোকগীতত অসমীয়া তথা গোৱালপৰীয়া সমাজত পৰিচিত কিছুমান জীৱ-জন্তু হস্তী, মইষাল, বাঘ, গৰু, ছাগলী, মেকুৰী, হৰিণী আদিৰ নামোল্লেখ পোৱা যায়। চৰাই-চিৰিকতিৰ নামৰ ভিতৰত পাৰ, ভোলোৱা, চকোৱা, হাৰা দৈয়ল, বালুচৰ, হাঁস, কুকিল, বগলী, ঢোৱা কাউৰি, ময়ূৰ আদি উল্লেখযোগ্য। গছ-গছনিৰ ভিতৰত তেতুল, কদম, বৰাইৰ(বগলী), কদলি, ৰঘুমলা আদিৰ উল্লেখ মনকৰিবলগীয়া। ফুলৰ ভিতৰত মালতী, চম্পা, ফলৰ ভিতৰত আঠিয়া কল, আম, বগৰী আদিৰ উল্লেখ পোৱা যায়। পাৰিপাৰ্শ্বিকতা তথা সমাজ জীৱনৰ চিত্ৰ প্ৰকাশত এই নামবোৰেও সহায় কৰে।

**১.৩ পাৰিবাৰিক চিত্ৰ ঃ**

গোৱালপৰীয়া সমাজৰ ঘৰুৱা জীৱনৰে জড়িত ঘৰ, চোতাল সৰা, ফলমূল খোৱা, ধান বনা, বোৱা-কটা আদি বিষয়ক কেতবোৰ গীত আছে যিবোৰে পাৰিবাৰিক জীৱনৰ খণ্ডচিত্ৰ কিছুমান তুলি ধৰে। যেনে-

ক) আঁগিনা চামটং কুৰুত কুৰুত, বাঁশেৰ ঝাটা দিয়া...
(ঘৰ-চোতাল সৰা গীত, গো. লো. আ. লো., পৃ.৩২৭)

খ) এৎ দিন গেইছিল কুত্তি? আম কাঠালেৰ ভিত্তি।
আম খাইছিল কয়টা? ছয়কুৰি ছয়টা।.. .(ফল-মূল খোৱা গীত, গো. লো. আ. লো., পৃ-৩২৭)

অসমীয়া বোৱাৰীয়ে ঝাৰু লৈ দৈনিক চোতাল-ঘৰ সৰা, গধূলি গোহালিত ধোঁৱা দিয়া, কলহ লৈ ঘাটলৈ

পানী আনিবলৈ যোৱা আদি জীয়া ছবিবোৰে গীতসমূহক প্ৰাণৱন্ত কৰিছে। পাৰিবাৰিক জীৱনৰ বিভিন্ন সম্পৰ্ক আৰু সম্বন্ধবোৰে চিত্ৰিত কৰে এখন সমাজৰ সংস্কাৰৰ ছবিখন। গোৱালপৰীয়া লোকগীতত উল্লেখ কৰা এনে স্বামী, বন্ধু, দাদা, শহুৰ, দেৱৰ, মাউসা, ভাশুৰ, পতি, ভাউজী, বাপ, খুৰা, খুৰী, মাও, ভাগিনা, আই, ভাই, ছাওৱা ইত্যাদি সম্পৰ্ক আৰু সম্বন্ধবাচক শব্দবোৰ সমাজখনৰ সংস্কাৰ আৰু পাৰিবাৰিক শৃংখলাৰ দ্যোতক। পাৰিবাৰিক জীৱনৰ লগত জড়িত আঠুৱা, খাৰ (ছেকা), আগ-চোতাল, ভেৰোনীয়া (ভিনীয়া, হালোৱা), হেতা(নাক্‌ৰি), শ'ল( শোউল) মাছ, কুৰিহা মাছ, শিঙৰা মাছ, কাৱৈ মাছ, বাঢ়নি(ঝাটা), বৰশী, বৰল(বল্‌লা)ৰ টোপ, তমোল-পাণ, পাণ-চুপাৰি, দলঙা (হেঙা), বকৰা(বাস্‌ৰা) মাটি, বগৰীৰ গুটি, গাখীৰ, মেকুৰী, ঔষধ, মালিচ, বৰষুণ(ঝৰি), শিৰলু(আঁতৰ), ৰোৱা (ৰুৱা), বিচাৰক (কাজী), গোবৰ পানীং (ছান), খুদ চাউল(খুদি), ধান, কৰ্মচাৰী, দ্বিতীয় বিয়া, ঢেঁকি, বৈৰাতী(মাংগলিক উৎসৱৰ বাবে বস্তু জা-যোগাৰ কৰি যতনাই দিয়া তিৰোতা), গুৱাকটা আদি শব্দবোৰেই স্পষ্ট ছবি এখন তুলি ধৰিবলৈ সক্ষম।

অৱশ্যে পাৰিবাৰিক চিত্ৰ প্ৰকাশক আই-বাইৰ মুখত ৰক্ষিত হোৱা এনে দুই-চাৰিটা গীত আধুনিকতাৰ প্ৰভাৱ পৰা নতুন চামৰ মাজত প্ৰচলন প্ৰায় নাইকিয়াই হ'ল বুলিব পাৰি। বৰ্তমান চাকৰিমুখিতা, নগৰমুখিতা, জনসংখ্যা বৃদ্ধি আদি নানান কাৰণত যৌথ পৰিয়ালৰ ঠাইত একক পৰিয়ালৰ প্ৰৱনতা বৃদ্ধি পাইছে।

**১.৪ দৈৱ-বিশ্বাস, লোকবিশ্বাস, যাদুমন্ত্ৰ ঃ**

সমগ্ৰ অসমীয়াৰ দৰেই গোৱালপৰীয়াসকলেও সুখ-দুখ অদৃষ্টৰ লিখন বুলি বিশ্বাস কৰে; সৰ্বশক্তিমান ঈশ্বৰৰ মহিমাক আওকাণ কৰিব নোৱাৰে। ভাগ্যদশাক অকপটে মানি লোৱাৰ দৃষ্টান্ত পোৱা যায় এনেদৰে-

দুখ মোৰ কপালেৰ লেখা, খণ্ডাইবে কোন বিধাতা
আপোন দোষে মুই ভাসিনু সাগৰেৰ জলে। (গো. লো. আ. লো., পৃ-২৫৪)

যাত্ৰাকালত জেঠীয়ে টিক্ টিক্ কৰাটো গোৱালপৰীয়া সমাজত অশুভ সংকেত বুলি গণ্য কৰা হয়। সেয়ে আমি পাওঁ- *"মাথাৰ উপৰ কাল জিঠী ও, সখী কৰে পঞ্চৰাও।"* সাপৰ বিষ নিৰাময়ৰ বাবে ওঝাই চুলিৰ লগতে ঢেঁকীয়াৰ আগেৰে কোবাই জৰা-ফুকা কৰাৰ উল্লেখ আমি গোৱালপৰীয়া লোকগীতত পাওঁ এনেদৰে-

*ওৰে কি সাপে দংশিলেক বন্ধুৰাক, বন্ধুৰা হৈল মোৰ খোৱা ৰে।*
*ৰোজায় ঝাৰে, গুণিকে ঝাৰে, ঢেকিয়াৰ আগাল দিয়া*
*ওৰে মুই নাৰীটাই ঝাৰাং বন্ধুৰাক, কেশেৰ আগাল দিয়া।।*

সাপৰ মন্ত্ৰৰ লগতে এই অঞ্চলত বশীকৰণ, মুহিনীৰাজ মন্ত্ৰ আদিৰো প্ৰচলনৰ সাক্ষ্য লোকগীতেই দিয়ে। ধূলা জৰা মন্ত্ৰে মুহিব পৰা গোৱালপৰীয়া গাভৰুহঁতৰ কথা মইষালক সোঁৱৰাই দিয়া হৈছে এনেদৰে--

*তখনে না কইছং মইষাল, নাযান গোৱালপাৰা*
*গোৱালপাৰাৰ চেংৰীগুলা জানে ধূলা ঝাৰা। (গো. লো. আ. লো., পৃ-১০০)*

গোৱালপৰীয়া লোকগীতসমূহৰ ভিতৰত এক বুজন অংশ দখল কৰি আছে পূজাবিষয়ক গীতে। এনে কিছুমান গীত হ'ল ত্ৰিনাথ পূজাৰ গীত, কাতি পূজাৰ গীত, জগন্নাথপূজাৰ গীত, হুদুম গীত, সোনাৰায় পূজাৰ গীত, বাঁশ পূজাৰ গীত, চড়ক পূজাৰ গীত ইত্যাদি। এই গীতসমূহত বৰ্ণিত বিষয়সমূহে গোৱালপৰীয়া আচাৰ-নীতি, ধৰ্মীয় বিশ্বাস আৰু ভক্তিৰ নিদৰ্শন দাঙি ধৰে।

**১.৫ ৰন্ধন-প্ৰণালী, খাদ্যাভাস ঃ**

শাক-শুকতি, মাছ-পুঠি, দাইল আদি গোৱালপৰীয়া লোকসমাজৰ প্ৰিয় খাদ্য। এইবোৰৰ উল্লিখন লোকগীতত পোৱা যায়। মছলাৰ ভিতৰত ফোৰণৰ উল্লেখ লক্ষ্য কৰিবলগীয়া। এই সমাজত দৈ-চিৰা আৰু মালভোগ কলৰ

জলপান অতিকৈ প্ৰিয়। অতিথিক চিৰা-দৈৰে জলপান, গুৰা-পাণ খুওৱা প্ৰথা গোৱালপৰীয়া সমাজত অতি পুৰণি। লোকগীতত ইয়াৰ ইংগিত আছে -

ক) আমাৰ বাৰী যান মইষাল ৰে,
ও মইষাল বসিতে দিবো পীৰা।
খাইতে দিবো দৈ-চিৰা,
আৰো গুৰা-পান মইষাল ৰে।[৪]
খ) আমাৰ বাৰীত যাইস মুইছাল ৰে,
মুইছাল খাইতে দিবৰে চিকণ চিৰা।
গোৱালপুৰীয়া টেঙা দৈ,
গৌৰীপুৰেৰ মালভোগ কলা ৰে। (অ. লো. স., পৃ-২৭৪)

বাথানত থকা মইষালৰ প্ৰতি প্ৰেম- কাতৰা প্ৰেয়সীৰ আপ্যায়নৰ এই আয়োজন সঁচাই আকৰ্ষণীয়। পাকৈত ৰান্ধনী হোৱাটো ভাল বোৱাৰীৰ প্ৰথম চৰ্ত। ইয়াকে নহ'লে খোৱাৰ সময়ত ঘৰৰ সকলোৰে অশান্তি। সেয়ে দেৰৰৰ দুখ আৰু বৌৰেকৰ প্ৰতি আক্ষেপ প্ৰকাশ পাইছে এনেদৰে--

মোৰ মনত বৰ দুখ, ভাতখায়া নাপাং সুখ,
ও মুই মৰোং ভোকতে, মোৰ বৌটা ৰান্ধোন জানে না। (গো. লো. আ. লো., পৃ-৩২৭)

**১.৬ প্ৰেমৰ বিচিত্ৰ ৰূপ, বিবাহ ঃ**

গোৱালপৰীয়া লোকগীতসমূহত বিশেষকৈ সাধাৰণ প্ৰেম, পৰকীয়া প্ৰেম, দাম্পত্য প্ৰেম আৰু ৰাধা-কৃষ্ণৰ প্ৰেম- এই চাৰি প্ৰকাৰৰ প্ৰেমৰ ছবি দেখিবলৈ পোৱা যায়। ৰাধা-কৃষ্ণৰ প্ৰেমৰ সুন্দৰ নিদৰ্শন পাওঁ নিম্নোক্ত লোকগীতফাঁকিত-

নাযাইও নাযায়ো সই হে
ঐ না যমুনাৰ জলে।। (গো. লো. আ. লো., পৃ.২৬৮)

বিহুগীতত প্ৰেমৰ মঞ্চ পথাৰ, নৈৰ চাপৰি, আঁহতৰ তল আদি হোৱাৰ বিপৰীতে গোৱালপৰীয়া লোকগীতসমূহৰ প্ৰেমৰ মঞ্চ হ'ল চম্পা, ধল্লা, গৌৰাং নৈৰ ঘাট, ম'হৰ বাথান, ৰাজহাউলি, হাতীৰ মহল আদি ঠাই। এই গীতসমূহত প্ৰেমিকাই প্ৰেমিকক বন্ধু, সখি, জীৱন, মাহুত বন্ধু, মৈযাল বন্ধু , নাইৰা বন্ধু আদি মাতেৰে সম্বোধন কৰে। গীতসমূহত পৰকীয়া প্ৰেম, দেৰৰ-বৌৰেকৰ প্ৰেমক বৰ সাহসিকতাৰে উপস্থাপন কৰা হৈছে। বৌৰেকে গিৰিয়েকক ঠগাই লুকাই চুৰকৈ পৰপুৰুষ প্ৰেমিকৰ সৈতে সম্পৰ্ক ৰাখিলেও দেওৰেকৰ চকুত ধূলি দিব নোৱাৰে। সেয়ে হাতে-লোতে ধৰা পেলাই দেওৰেকে বৌৰেকক জবাবদিহি কৰে এনেদৰে-

কেশ কোনা তোৰ আউলা ঝাউলা ও, ভাউজী(বৌ) পিঠিত কেনে মাটি
কোন ৰসিয়াই ৰস কৰিছে, ছিৰ্ছে গলাৰ কাটি(মণি) ভাউজী ও? (গো. লো. আ. লো., পৃ-২৫৩)

বৌৰেকে গোহালি ঘৰত ধোঁৱা দিওঁতে গৰুৱে লথিয়ালে আৰু সেইবাবেহে তেওঁৰ গলৰ মণি ছিগিলে বুলি স্পষ্টীকৰণ দিয়ে যদিও দেওৰেকে প্ৰকৃত সত্যটো বুজিবলৈ বাকী নাথাকে।

লোকগীতত চিত্ৰিত সমাজখনৰ নৰ-নাৰীৰ পৰকীয়া প্ৰেমত অস্বাভাৱিকতা নাই। কাৰণ, মাক-দেউতাক-মোমায়েকে কেতিয়াবা টকাৰ লোভত (পোন লোৱা প্ৰথাৰ মাধ্যমত) কোমল বয়সৰ ছোৱালীক বয়সস্থ লোকলৈও বিয়া দিছিল। সেয়ে বুঢ়া দৰা পোৱা ছোৱালীৰ যন্ত্ৰণা এনে--

দাদা দুই শ টাকা পোন নিয়া, বেচেয়া খালু দাদা বুঢ়া বৰ দেখিয়া

দুখেৰ কথা শোনৰে দাদা, ৰাইত দিনে মোক বুঢ়াটা থাকে মাৰিয়া।(গো. লো. আ. লো., পৃ-১০০)

ইফালে মাহুত, মইষালহঁতে ভৰযৌৱনা পত্নীক বিয়া কৰায়ে অৰ্থ উপাৰ্জন আৰু কৰ্মৰ তাড়ণাত ঘৰতে এৰি মাহ মাহ থাকিবগৈ লগা হয় হাবি-জংঘল বা বাথানত। অপেক্ষাৰো এটা সীমা থাকে। নব-যৌৱনতে বোৱাৰীৰ সাজ পিন্ধি পতি-অবিহনে হাজাৰটা ৰাতি পাৰ কৰিবলগীয়া হোৱা নাৰীৰ ক্ষেত্ৰত পৰকীয়া প্ৰেমেই স্বাভাৱিক পৰিণতি। কৰ্মৰত স্বামীৰ অপেক্ষাত মাহ মাহ, বছৰ বছৰ পাৰ কৰা যৌৱন-তলবল নাৰীৰ 'আগুন লগা' বুকু দুনয়নৰ চকুলোৰে ভিজি যোৱাৰ যি ছবি লোককবিয়ে আঁকিছে সেয়া সঁচাই বেদনা-গধুৰ। সেয়ে নাৰীহঁতে মৰমৰ চিপাহী বা আন কোনোবাজনক দুখৰ কথা কয়, মাক-দেউতাকে নিজ স্বাৰ্থ পূৰণ কৰি সংসাৰ-বন্ধনত সুমুওৱাৰ বাবে লাও-কোমোৰা ছিঙাদি বিবাহৰ বান্ধোন ছিঙি আহিব নোৱৰাৰ কথা কয়। এনে মুহূৰ্তত তাই স্বামীৰ প্ৰতি চৰম নিৰ্দয় বাক্য ক'বলৈ সংকোচবোধ নকৰে--

মোৰ বিয়াৰ সোৱামী মৰিলে
মাছ ভাত মুই খাইম ৰে,
বন্ধু মৰিলে হ'ইম মুই বাৰী। (গো. লো. আ. লো., পৃ-২৫২)

অৱশ্যে, পুৰণি গোৱালপৰীয়া সমাজৰ পাৰিবাৰিক জীৱন যে পৰকীয়া প্ৰেমৰ দ্বাৰা বিধ্বস্ত আছিল সেয়া বিজ্ঞানসন্মত সত্য বুলি এনে গীতসমূহৰ দ্বাৰা প্ৰমাণিত কৰিবলৈ যোৱাটো ভুল হ'ব। এয়া অখ্যাত কবিৰ দ্বাৰা প্ৰকাশিত বঞ্চিতা নাৰী-মনৰ আবেগ, আক্ৰোশ আৰু অভিমানৰ বেথাভাৰ বুলি লোৱাই সমীচীন।

পুৰণি গোৱালপাৰাত বিবাহ অনুষ্ঠানৰ বৰযাত্ৰী গৈছিল দোলা, ম'হৰ গাড়ী বা গৰুগাড়ীত উঠি। নববিবাহিতা কন্যাই হাতী বা গৰু গাড়ীত উঠিয়েই পিতৃগৃহৰ পৰা স্বামীগৃহলৈ গৈছিল।

"আৰ কত দূৰ শশুৰ বাৰীৰে গাড়ীয়াল, আৰ কত দূৰ বাৰীৰে
কেমন ভাশুৰ, শশুৰ, শশুৰা মায়েৰ কেমন দয়া।
... আৰ কত দূৰ শশুৰ বাৰী।।"

বৰ বিয়া সম্পন্ন কৰাৰ ক্ষেত্ৰত ঘটকৰ ভূমিকা মনকৰিবলগীয়া। গোৱালপাৰা অঞ্চলত বাল্য-বিবাহ, বিধৱা-বিবাহ, একাধিক বিয়াৰ প্ৰথা পূৰ্বে প্ৰচলিত আছিল। বৰ্তমান শিক্ষিতচামৰ মাজত একাধিক বিয়াৰ প্ৰচলন নাই বুলিবই পাৰি। বাল্য-বিবাহ প্ৰথা বৰ্তমান নাই। পোন লোৱা প্ৰথাও প্ৰায় উঠি গৈছে। নাৰী সজাগতা আৰু স্ত্ৰী-শিক্ষাৰ প্ৰচাৰৰ ফলত গোৱালপৰীয়া সমাজত নাৰীৰ স্থিতি পূৰ্বৰ তুলনাত যথেষ্ট উন্নত হৈছে।

**১.৭ বস্তুগত সংস্কৃতি ঃ**

কোনো এখন সমাজত ব্যৱহৃত বিভিন্ন সা-সামগ্ৰী, লোক-বাদ্য, অয়-অলংকাৰ, পোছাক-প্ৰসাধন, কৃষি-সামগ্ৰী - এই আটাইবোৰেই বস্তুগত সংস্কৃতিৰ ভিতৰুৱা। গোৱালপৰীয়া লোকগীতত বস্তুগত সংস্কৃতিৰ উল্লিখনে যোৱা ১০০০ বছৰৰ সমাজখনৰ আংশিক ছবি একোখন দাঙি ধৰে।

**১.৭.১ বাচন-বৰ্তন, বাদ্যযন্ত্ৰ ঃ** গোৱালপৰীয়া লোকগীতত উল্লেখিত বাচন-বৰ্তনৰ ভিতৰত কাঁহী, বাতি, চৰিয়া, বটা, কলহ,শৰাই, কলসি আদিয়েই প্ৰধান। লোক-বাদ্যৰ ভিতৰত একতাঁৰা, দোতৰা, চাৰিণ্ডা, বেহেলা, তানপুৰা, খোল, ঢাক, দগৰ, নাগাৰা, তবলা, শিঙা, শংখ, সানাই, বাঁহী আদিৰ গুৰুত্ব বেছি। ইয়াৰ উপৰি কৰতাল, ঘণ্টা, কাঁহ, মন্দিৰা, ঘুগুৰা আদি বাদ্যযন্ত্ৰৰ ব্যৱহাৰো অপৰিহাৰ্য। ঢোল, সানাই, দোতৰা আদিৰ ব্যৱহাৰৰ দৃষ্টান্ত ঃ

ক) মন মোৰ কান্দেৰে শুনিয়া সানাইৰ ফোক
দিদিৰ বিয়াৰ বাইজন বাজে,
মোৰ কপালত নাই, মন মোৰ কান্দেৰে।।

খ) ভাল কৰিয়া বাজাও ৰে দোতৰা
কমলাসুন্দৰী নাচে।।
গ) ঢুলীয়া না বাজায় ঢোল,
মন কৰে মোৰ গণ্ডগোল।

**১.৭.২ অয়-অলংকাৰ, পোছাক, প্ৰসাধন ঃ** গোৱালপৰীয়া লোকগীতত বিভিন্ন অলংকাৰৰো উল্লেখ কৰা হৈছে। সেইবোৰ হ'ল ঘুগুৰা, হাঁসুলি, বাজু, হাৰ, গজমতী মালা, চুৰী, অন্তি, খাৰু, মান্দলী, নলো ইত্যাদি। গোৱালপৰীয়া নাৰীয়ে এনে অলংকাৰ ব্যৱহাৰ কৰা বুলি নিঃসন্দেহে ক'ব পাৰি। লোকগীতবোৰত ইয়াৰ দৃষ্টান্ত পোৱা যায় এনেদৰে-

(ক) হস্তী কন্যা, হস্তী কন্যা বামুণেৰ নাৰী,
মাথায় নিয়া তাম কলসী ও
সখি হাতে সোণাৰ ঝাৰি। (অ. লো. স., পৃ-২৭৩)
(খ) মোৰে কোন দৰদী হ'ব, কোন বন্ধু আনিয়া দিব
আন্ধাৰ ঘৰ মোৰ দিবৰে উজলাইয়া।
দিব কাণৰ অন্তি, হাত বালা, গলাৰ চন্দ্ৰহাৰ মালা;
বন্ধুৰ তৰে (নিমিত্তে) যোগিনী সাজিয়া।। (অ. লো. স., পৃ-২৭৯)

গোৱালপাৰাৰ মধ্য আৰু পূব অঞ্চলৰ কিছু লোকে তিনি বস্ত্ৰৰ সাজপাৰ পিন্ধিছিল যদিও সেই অঞ্চলত শাৰীৰ প্ৰচলন বেছি। পশ্চিম গোৱালপাৰাত কিছুমান বঙালী প্ৰভাৱো দেখা যায়। বিয়াৰ তেলৰ ভাৰত (জোৰণত) এতিয়াও এখন ৰঙা পাৰিৰ শাৰী দিয়াটো এটা প্ৰথা। গোৱালপৰীয়া হিন্দু-মুছলমান সকলোৰে আগতে শাৰীহে পিন্ধিছিল। শাৰী বিলাসিতাৰো উপকৰণ-

আবো মোক শাৰি কিনিয়া দে, মোক শাৰি কিনিয়া দে।
সেই শাৰি পিন্ধিয়া যাইম্ মুই, বন্ধুক দেখিতে।। (গো. লো. আ. লো., পৃ-২২৫)

আনকি বহুতো গোৱালপৰীয়া অসমীয়া লোকে বিয়া-বাৰুতো শাৰীৰহে ব্যৱহাৰ কৰিছিল। এতিয়াও কিছুমানৰ মাজত শাৰীয়ে মূল পোছাক যদিও বহুতে মেখেলা-চাদৰো পিন্ধিবলৈ লৈছে। গোৱালপৰীয়া লোকগীতত শাৰীৰ উল্লেখ পোৱা যায় এনেদৰে- বাৰীৰ পাছিলাত তাঁতিয়া ভায়া, শাৰীখান বানেয়া দিছে

ঐ শাৰী পিন্ধিয়া গেইলা, গৌৰীপুৰেৰ হাটে।।
গৌৰীপুৰেৰ পাইক চিপাই, আঞ্চলে ধৰিয়া টানে।
কায় শাৰী বানেয়া দিছে, তাৰ কথা কবাৰ বাদে।। (গো. লো. আ. লো., পৃ.৩৩৩)

(বাৰীৰ পিছফালৰ তাঁতিয়ে বৈ দিয়া শাৰী পিন্ধি গৌৰীপুৰৰ বজাৰলৈ যোৱা গোৱালপৰীয়া গাভৰুৰ আঁচলত ধৰি পাইক চিপাহীয়ে 'কোনে শাৰী বৈ দিলে অ' তাৰ নামটো ক।' বুলি কটাক্ষ কৰে।)

আকৌ, কিবা কাৰণত প্ৰেমিকে বিদেশলৈ যাব লগা হ'লে প্ৰেমিকা দুখত বিহ্বল হৈ পৰে আৰু এই ত্যাগৰ যন্ত্ৰণা তাই (প্ৰেমিকা)ৰ বাবে বৰ অসহ্যকৰ হয়। সেয়েহে নিজকে সহনীয় কৰি তুলিবলৈ আৰু প্ৰতিমুহূৰ্তত প্ৰেমিকক নিজৰ মাজতে যাপন কৰিবলৈ তেওঁ (প্ৰেমিক) ব্যৱহাৰ কৰা গামোচাখন খুজি ৰাখে। ইয়াৰ দৃষ্টান্তও গোৱালপৰীয়া লোকগীতত সুন্দৰকৈ ফুটি উঠিছে-

যদি বন্ধু যাবাৰ চান,
ঘাৰেৰ গামচাথুইয়া যান ৰে।। (গো. লো. আ. লো., পৃ-২২৫)

সেন্দুৰ, চন্দন আদি প্ৰসাধন সামগ্ৰীৰূপে গোৱালপৰীয়া সমাজত ব্যৱহৃত হোৱাৰ ইংগিতো গীতসমূহৰ

যোগেদি পাব পাৰি। ফুলৰ মালাও আভৰণ স্বৰূপে ব্যৱহাৰ কৰাৰ কথা গীতত উল্লেখ আছে। পোচাক-পৰিচ্ছদৰ ভিতৰত ধূতি,চোলা, শাৰী আদি উল্লেখিত হৈছে।

গোৱালপৰীয়া লোকসমাজত নৃত্য-গীতৰ যে প্ৰচলন আছিল, তাৰ আভাসো লোকগীতসমূহৰ পৰা পাব পাৰি। বিশেষতঃ গোদা, গীদাল আদি চৰিত্ৰৰ উল্লিখনে এই কথা প্ৰমাণ কৰে।

**২.০ সিদ্ধান্ত ঃ**

বিষয়বস্তুৰ পৰা গম পোৱা যায়, কিছুমান লোকগীত তেনেই অৰ্বাচীন। যেনে- *"ভাই মোৰ দেশেৰ জন্ম যায় না কৰে, ভোটেৰ জন্য উৱাই ধৰে ৰে/ওৰে নানা দলেৰ কথা শুনিয়া, ভাবিয়া সোমৰা ভোট দিবেন ৰে।"* তথাকথিত শিষ্টাচাৰৰ আঁৰকাপোৰ নথকা একান্ত ব্যক্তিনিষ্ঠ ভাবৰ বহুবোৰ গোৱালপৰীয়া লোকগীতৰ ভাব-ভাষাই প্ৰমাণ কৰে ধৰ্মীয় সংকীৰ্ণতাৰ পৰা মুক্ত গোৱালপৰীয়া লোক-জীৱন প্ৰকৃততেই নিভাজ, সৰল জীৱনমুখী। সামন্তীয় সংস্কৃতিৰ পৰা মুক্ত হৈ ইয়াৰ লোকায়ত ৰূপে নিজস্ব স্বতন্ত্ৰতা বজাই ৰাখিবলৈ সক্ষম হৈছে বুলি ক'ব পাৰি। পৰ্যালোচনাৰ অন্তত লোকগীতৰ দাপোণত প্ৰতিফলিত গোৱালপৰীয়া লোক-সমাজখনৰ সংক্ৰান্তত এই সিদ্ধান্তকেইটালৈ আহিব পৰা যায়।

(১) গোৱালপৰীয়া লোকগীতৰ সৌন্দৰ্য, বৈচিত্ৰ্য আৰু ব্যৱহাৰ ইয়াৰ ভৌগোলিক পৰিসীমাৰ মাজতে সীমাৰদ্ধ নহয়; ই পশ্চিমাঞ্চলৰ বৰ্তমানৰ গৌৰীপুৰ, বঙ্গ পৰ্যন্ত প্ৰসাৰিত।

(২) গোৱালপৰীয়া লোকগীতৰ ভাষাত কোচ ৰাজবংশী আৰু বঙলা ভাষাৰ সাদৃশ্য বিশেষ চকুতলগা।

(৩) গোৱালপৰীয়া লোকগীতসমূহ পুৰণি গোৱালপৰীয়া সমাজখনৰহে সাৰ্থক ৰূপকাৰ।

(৪) মানুহৰ মূল্যবোধৰ পৰিৱৰ্তন, নাৰী-শিক্ষাৰ প্ৰসাৰ, বিজ্ঞান-মনস্কতা, বিজ্ঞান-প্ৰযুক্তিৰ দ্ৰুত-প্ৰসাৰৰ ফলত লোকগীতসমূহৰ ক্ষেত্ৰবিশেষে সণ্চালনি প্ৰয়োগ ব্যাহত হৈছে; কিন্তু সামগ্ৰিক জনপ্ৰিয়তা কমা নাই।

(৫) গীতসমূহত সামাজিক জীৱনৰে জড়িত কিছুমান প্ৰসঙ্গ সময়ৰ ক্ৰমগতিৰ লগে লগে উপেক্ষিত বা অপ্ৰাসঙ্গিক  হৈ পৰা দেখা গৈছে।

(৬) বৃত্তিৰ লগত জড়িত গোৱালপৰীয়া প্ৰায়বোৰ গীতৰে প্ৰকৃতি আৰু প্ৰেম মূল চালিকাশক্তি আৰু সিবোৰৰ মূল সুৰ কৰুণ। পৰিৱেশন-ৰীতিৰ ক্ষেত্ৰত ইবোৰ প্ৰায়ে উচ্চ স্বৰৰ আৰু দীৰ্ঘসুৰীয়া। দোতৰা বাদ্যৰ তাল গীতবোৰৰ সুৰ নিয়ন্ত্ৰক।

**৩.০ সামৰণি**

আমাৰ এই আলোচনাত লোকসাহিত্যত উল্লেখ হোৱা সমাজৰ সৈতে সংপৃক্ত বিষয়সমূহকহে গুৰুত্ব দিয়া হৈছে। সেয়ে লোকগীতত প্ৰকাশ পোৱা এয়া গোৱালপৰীয়া সমাজখনৰ খণ্ডচিত্ৰহে; পূৰ্ণচিত্ৰ নহয়। ভাৱে-ভাষাই, সুৰে-লহৰে গোৱালপৰীয়া লোকগীতৰ এক স্বকীয় বৈশিষ্ট্য সুস্পষ্ট। ই গোৱালপৰীয়া সমাজখনৰ একোখন উজ্জ্বল চিত্ৰ তুলি ধৰাই নহয় ই সমাজখনৰ শিৰৰ ৰক্ততিলক হৈ যুগ যুগ ধৰি গৌৰৱ উজলাই ৰাখিছে। অনাগত সময়ত প্ৰজন্ম অনুযায়ী গোৱালপৰীয়া লোকগীতৰ প্ৰয়োগ, চৰ্চাৰ প্ৰতি নতুন প্ৰজন্মৰ আস্থাৰ ওপৰতেই নিৰ্ভৰ কৰিব ইয়াৰ ভৱিষ্যৎ।

**প্ৰসঙ্গ-টীকাঃ**

[১] ড° বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণা গ্ৰন্থত গোৱালপাৰা জিলাত কোৱা ভাষাটোৰ সৈতে কোচবিহাৰৰ কোচ-ৰজাসকলৰ ৰাজত্বকালত গঢ় লৈ উঠা ৰাজবংশী ভাষাটোৰ মিশ্ৰণ ঘটা বুলি অভিমত আগবঢ়াইছে।

[২] ড° বীৰেন্দ্ৰনাথ দত্তই অবিভক্ত গোৱালপাৰ জিলাৰ কথিত ভাষাটোক দুটা বহল ভাগত ভগাইছে। সেয়া হ'ল পূব গোৱালপাৰা অঞ্চলৰ ভাষা আৰু পশ্চিম আৰু দক্ষিণ-পশ্চিম গোৱালপৰীয়া ভাষা। গৌৰীপুৰ আৰু ইয়াৰ ওচৰ-পাজৰত

কোৱা ভাষাটোৱে গোৱালপৰীয়াৰ পশ্চিম অঞ্চলৰ ৰূপৰ প্ৰতিনিধিত্ব কৰিছে। যাতায়ত, বাণিজ্যিক যোগাযোগ আদিৰ ফলত ঘটা ভাষাৰ বিনিময় আৰু মিশ্ৰণৰ বাবে বঙলাৰ সৈতে এই ভাষাৰ সাদৃশ্য চকুত পৰা হ'ব পাৰে।

[৩] ৰামচৰণ ঠাকুৰ বিৰচিত 'গুৰু-চৰিত'(শ্ৰীমন্ত শংকৰদেৱৰ লীলা চৰিত)ত সংস্কাৰ বা শুদ্ধি কৃত্যত গোবৰপানী ব্যৱহাৰৰ উল্লেখ পোৱা যায়।

[৪] উল্লেখিত গীতটো এইটো ৰূপতো পোৱা যায়-

আমাৰ বাৰীত যাইস মুইছাল ৰে,
ও মইষাল বইসতে দিবৰে পীৰা।।
খাইতে দিব পাণ-চুপাৰি
বাটা ভৰা গুৱা মুইছাল ৰে।। (অ. লো. স., পৃ-২৭৪)

**প্ৰসঙ্গ-পুথিঃ**

গোস্বামী, প্ৰফুল্ল দত্ত। অসমীয়া জনসাহিত্য। গুৱাহাটী, ১৯৯৪।
দত্ত, বীৰেন্দ্ৰনাথ (সম্পা)। গোৱালপৰীয়া লোকগীত সংগ্ৰহ। যোৰহাট, ১৯৭৪।
দাস, ধীৰেন। গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত। চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৪।
ভট্টাচাৰ্য, বসন্ত কুমাৰ। অসমীয়া লোকগীত সমীক্ষা। চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০৭।
শৰ্মা, শশী। অসমৰ লোক সাহিত্য। গুৱাহাটী, ১৯৯৩।
শৰ্মা, হেমন্ত কুমাৰ। অসমীয়া লোকগীতি সঞ্চয়ন। বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০০০।

**তথ্যদাতা ঃ**

ক) জানকী চক্ৰৱৰ্তী, বয়স-৪৭, গোসাঁইবৰি, গোৱালপাৰা।
খ) ব্ৰজেন চক্ৰৱৰ্তী, বয়স- ৫৮, কৃষ্ণাই, গোৱালপাৰা।
বাদ্যযন্ত্ৰৰ ফটো ঃ গ্ৰন্থ- অসমৰ বাদ্যযন্ত্ৰ, ধৰ্মেশ্বৰ দুৱৰা, বাণীমন্দিৰ, ২০০৫

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# কোচ-ৰাজবংশী সমাজত প্ৰচলিত সাঁথৰ ঃ এটি বিশ্লেষণ

**ড° লিলি দাস**
সহকাৰী অধ্যাপক
ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয়, লেংটিছিঙা
মেইল ঃ lilydasrgmc@gmail.com
যোগাযোগ ঃ 9954080415

**সাৰাংশ**

লোক সাহিত্য হৈছে লিখিত সাহিত্য সৃষ্টি হোৱাৰ আগতে সাধাৰণ জনসাধাৰণৰ মুখে মুখে চলিত সাহিত্য। লোক সাহিত্য নিৰক্ষৰ, হোজা, সাধাৰণ শ্ৰেণীৰ মুখে মুখে ৰচিত আৰু প্ৰচলিত আছিল। লোক সাহিত্যৰ যোগেদি সেই সময়ৰ নিৰক্ষৰ জনসমাজৰ মনৰ অনুভূতি অৰ্থাৎ হৰ্ষ, বিষাদ, প্ৰেম-আনন্দ আদি প্ৰকাশ কৰিছিল। লোকসাহিত্যৰ এটা অংগ হৈছে সাঁথৰ। সাঁথৰ হৈছে কোনো বস্তুৰ প্ৰকৃত নাম সহজে কব নোৱাৰাকৈ দিয়া আওপকীয়া বৰ্ণনা। সাঁথৰসমূহৰ যোগেদি পাণ্ডিত্যতকৈ বুদ্ধিমত্তাৰ পৰিচয়েছিকৈ ফুটি উঠা দেখিবলৈ পোৱা যায়। সাধাৰণতে সদায় দেখি শুনি অহা বস্তুবোৰৰ নাম লিখিলৈয়ে সাঁথৰ ৰচনা কৰা হয়। লিখিত সাহিত্যত সাঁথৰ প্ৰচলিত থকাৰ দৰে কোচ-কাচবংশী সমাজতো বিভিন্ন বিষয় লৈ সাঁথৰ ৰচিত হোৱা দেখা যায়।

**বীজ শব্দ ঃ** কোঁচ-ৰাজবংশী, সাঁথৰ, লোক-সাহিত্য, জনসমাজ, আমোদজনক।

**০.০ অৱতৰণিকা ঃ**

মানুহৰ মুখে-মুখে প্ৰচলিত হৈ থকা জাতীয় সাহিত্যত বৰঙনি যোগোৱা সাহিত্যই হৈছে লোক সাহিত্য। সমাজ জীৱনৰ বিভিন্ন লোক-সাংস্কৃতিক সমল আৰু সভ্যতাৰ উত্থান পতন ইয়াৰ মাজত সোমাই থাকে। লিখিত সাহিত্যৰ বহু শতিকাৰ আগতেই মানুহে জীৱন-ধাৰণৰ লগত জড়িত বহুতো ব্যৱস্থা ইয়াৰ জড়িয়তে প্ৰকাশ কৰিছিল। লোকসাহিত্যৰ বিভিন্ন ভাগসমূহৰ ভিতৰত সাঁথৰ অন্যতম। সাঁথৰ হৈছে দ্বৈত অৰ্থ বা অস্পষ্ট অৰ্থ থকা এক বাক্য, প্ৰশ্ন বা খণ্ড বাক্য, যাক প্ৰহেলিকাৰ ৰূপত সমাধান কৰিবৰ বাবে আগবঢ়োৱা হয়। সাঁথৰত বক্তব্য লুপ্ত থাকে অৰ্থাৎ ই গুপ্ত বা গোপনীয় অৰ্থ যুক্ত কথা। কোনো এটা প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ নিবিচাৰি ইয়াক আওপকীয়াকৈ উত্তৰ বিচৰা মানুহজনক প্ৰশ্ন কৰা হয়। সাধাৰণতে প্ৰশ্নটোৰ মাজতেই ইয়াৰ উত্তৰ সোমাই থাকে যদিও সেই কথা অলপ চিন্তা কৰিলেহে পোৱা যায়। মানুহৰ খেয়ালি মনৰ পৰিচায়ক হৈছে সাঁথৰ। সাঁথৰসমূহ মানুহৰ মুখে মুখে প্ৰচলিত আৰু শিশুৰ মনোৰঞ্জনৰ কাৰণে ব্যৱহাৰ কৰা হয়।

**০.১ গৱেষণাৰ গুৰুত্ব আৰু তাৎপৰ্য ঃ**

লোক সাহিত্যৰ সৈতে সাঁথৰসমূহৰ সম্বন্ধ অতঃপ্ৰোত। সাঁথৰসমূহ নিৰক্ষৰ, হোজা, গাঁৱলীয়া, মানুহৰ মুখে মুখে প্ৰচলিত। কোচ-ৰাজবংশী সমাজত প্ৰচলিত সাঁথৰসমূহে জনগোষ্ঠীটোক এক সুকীয়া পৰিচয় প্ৰদান কৰি

আহিছে। গতিকে জাতীয় পৰিচয় বহনকাৰী সাঁথৰসমূহৰ বিষয়ে গৱেষণাৰ যথেষ্ট গুৰুত্ব আৰু তাৎপৰ্য আছে।

**০.২ গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য ঃ**

মানুহৰ মুখে মুখে চলি অহা সাঁথৰসমূহে জনসমাজত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে, কিদৰে বুদ্ধিমত্তাৰ পৰিচয় দিছে, সৰু-সৰু ল'ৰা-ছোৱালীক কিদৰে আমোদ-প্ৰদান কৰিছে, এইসমূহৰ বিষয়ে আলোচনা কৰাই গৱেষণা পত্ৰখনৰ উদ্দেশ্য আৰু লক্ষ্য।

**০.৩ গৱেষণাৰ পদ্ধতি ঃ**

আলোচনাৰ সুবিধাৰ বাবে গৱেষণা পত্ৰখনত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ বিভিন্ন কোচ-ৰাজবংশী গাঁওলৈ গৈ সমল সংগ্ৰহ কৰা হৈছে আৰু বিভিন্ন কাকত আলোচনীৰ পৰা সমল লোৱা হৈছে।

**১.১ কোচ-ৰাজবশীসকলৰ পৰিচয় ঃ**

কোচ-ৰাজবংশীসকল তিব্বতবৰ্মীয় ফৈদৰ বড়ো জনগোষ্ঠীয় মূলৰ। এসময়ত কমতাৰাজ্য কোচবংশীয় ৰজাই শাসন কৰিছিল কাৰণে এই বংশৰ লোক আৰু তেওঁলোকৰ অনুগামীসকল কোচ-ৰাজবংশী নামে পৰিচিত। গ্ৰীয়াৰ্ছনৰ মতে— 'কোচ বুলিলে এজন হিন্দুকৃত বড়োক বুজায়, যিসকলে নিজৰ ধৰ্ম আৰু ভাষা ত্যাগ কৰি হিন্দুধৰ্ম আৰু আৰ্যভাষা গ্ৰহণ কৰিছে। গোৱালপাৰা আৰু কোচবিহাৰ ইত্যাদি অঞ্চলৰ ৰাজবংশীসকল এনে ধৰণৰ ধৰ্মান্তৰিত কোচ। (ভকত, ৫৫) গেইটৰ মতে উত্তৰবংগ আৰু গোৱালপাৰাত (অবিভক্ত) কোচসকল বৰ সন্মানৰ পাত্ৰ নহয় আৰু এইবোৰ ঠাইৰ কোচসকলে নিজকে ৰাজবংশী বুলিহে কয়। এওঁলোকে কোচ শব্দৰ দ্বাৰা এটা ফৈদকহে বুজায়, বৰ্ণ বুজোৱা নাই। (ভকত, ৫৬) কোচ-ৰাজবংশীসকলৰ মাজত কোচ হিচাপে এটা, ৰাজবংশী হিচাপে এটা বেলেগ, দুটা ঠাল ঠাই বিশেষে পোৱা যায়। সময়ৰ গতিশীল ছন্দত বিভিন্ন মংগোলীয় নৃগোষ্ঠীৰ লোকে হিন্দুধৰ্মৰ বিভিন্ন জাতিসত্ত্বাৰ বিভিন্ন পন্থৰ প্ৰতি অনুৰক্ত হৈ শৰণ ভোজ লোৱাৰ পাছত ৰাজবংশী জাতিসত্ত্বাৰ লগত মিলিত হয়। তাৰে কিছুমান হৈছে মদাসী বা মদাসিয়া ৰাজবংশী, জলধা ৰাজবংশী, দোভাসিয়া ৰাজবংশী ইত্যাদি। নামনি অসম বিশেষকৈ তাহানিৰ অবিভক্ত গোৱালপাৰা জিলাখন কোচৰাজবংশী অধ্যুষিত জিলা। আন আন জাতি-জনগোষ্ঠীৰ বসতিস্থল যদিও গৰিষ্ঠসংখ্যক বৰ্ণহিন্দুৰেই কোচ-ৰাজবংশীসম্প্ৰদায়ৰ লোক।

**২. কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত সাঁথৰ ঃ**

অতি পুৰণি কালৰে পৰা সাঁথৰসমূহ মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। সাঁথৰসমূহ ককাদেউতা বা আইতাকে চোতালত ঢাৰিপাতি নাতি-নাতিনীয়েকক শুনায়। কোচ-ৰাজবংশী সমাজত প্ৰচলিত তেনেধৰণৰ সাঁথৰ কিছুমান হৈছে—

১। হাত খোসঙা; পাত খোসঙা
ডিমা পাৰে লসঙা লসঙা। (কোমৰা)

২। পূৱে গেলুং পশ্চিমে গেলুং
গেলুং হাবাৰাঘাট।
এমন জাগাত দেখিয়া আহিলুং
ফলেৰ উপৰত পাত। (মাটিকঠাল)

৩। থাকিৰী থুকুৰী গাছখিনি
সোনা হেনা ফলখিনি। (জলকীয়া)

৪। কদমেৰ পাত, হাতীৰ দাঁত
এই সাঁথৰ ভাঙেয়া দিবা

নাপাইলে গাধাৰ জাত। (মূলা)

৫। উপৰেৰ পৰা পৰিল ধুম
ধুম কয় বোলে মোৰ পেট শুং। (বেল) (সাবিত্ৰী পাটগিৰী, ৪১, দেওহাটী)

৬। কান্দাৰ উপৰে কান্দা
সবৰে হাত পাও বান্ধা। (কলৰ থোক)

৭। গাঁও ঢিস পিস, মধ্যে হাড়া। (ধানৰ খেৰৰ পুঁজি)

৮। একডাল খেৰে গোটায় ঘৰটা মেৰে। (চাকি)

৯। শিং কেকেৰী গাই,
ঘাটে ঘাটে পানী খায়। (বৰশী)

১০। এক ফালা সুপাৰী
গনিবা নাপালে বেপাৰী। (আকাশৰ তৰা) (নিৰ্মালী সৰকাৰ, ৫১, বইটামাৰী)

১১। ইনিনিত পখী, পিনিনত কৰে
সাগৰ দেখিলে পাংখা মেলে। (মাছ ধৰা জাল)

১২। চেঙেৰাৰ এক বাৰ, বুঢ়াৰ বাৰ বাৰ। (ৰেজী সূতা)

১৩। নাওঁ কাটং তিপিচ তাপাস, সবইঠা কাটং ধীৰে।
ব্ৰহ্মপুত্ৰত জুই লাগছে কায় নুমাবা পাৰে। (সূৰ্য্য)

১৪। পেট আছে, পেটু নাই
মুখ আছে, জিভা নাই। (কলহ)

১৫। চুপ চাপ বসিয়া থাকে
হেণ্ডচেক কৰিলে বমি কৰে। (দমকল) (পানীমালা ৰায়, ৭৮, শিঙিমাৰী)

১৬। উঠ বুঢ়া উঠ তই
তোৰ জাগাত বসুং মুই। (খেতি ঘৰত লগোৰা বাঁহৰ খুটি)

১৭। এক থোপা বিৰিণা,
তাতে চৰে হৰিণা।
দহ জনে খেদায়,
দুই জনে মাৰে। (ওকণি)

১৮। বগা বগা চাহাবেৰ,
কলা কলা টুপী
এক ঠেলা মাৰিলে
উঠে জ্বলি পকি। (জুইশলাৰ কাঠি)

১৯। ছোটতে কাপোৰ পিন্ধে
বৰো হলে লেংটা হয়। (বাঁহ গছ)

২০। মামা ঘৰত গেলুং
ঘূৰিতে ঘূৰিতে লেংটা হইলুং। (চেৰকী) (জোনালী প্ৰধানী, ৫৮, চাপৰ)

২১। এনু এনু এনু
ধৰিবাৰ নাই ঠেনু। (কণী)

২২। মামা ঘৰত গেলুং
মামায় এক পাল ভৈষ দিল

আনিবায় নাপাইলুং। (মাখি)

২৩। ইচিৰিকি বিচিৰিকী
নাই ছচা, নাই বিচি। (নিমখ)

২৪। চিত পখী, বুক ধলা, মসং নাই এক ফালা। (আখৈ)

২৫। দাত আছে নাকামাৰায়
কালা কালা ঘাঁসেৰ মাজে ঘূৰিয়া বেৰায়।(ফণী) (ভবেন্দ্ৰ ৰায়, ৫৮, হালাকুৰা)

২৬। ৰাজাৰ ঘৰেৰ হাতী
ধান খায় পাচি পাচি। (ঢেকী)

২৭। যি দে তাকে খায়
পানী দিলে মৰি যায়। (জুই)

২৮। তিন টিকা তিন মাথা।
দশখান মোৰ ঠেং
ভাঙায় দে ৰে ৰাজাৰ বেটা
মুই কায় হং? (হাল বাই থকা মানুহ)

২৯। একটা ছাগল ঘন পাটা খায়,
লেটুত ধৰলে বেবেয়া যায়। (কেৰখা মেওথনী)

৩০। টিপটিপালী পখী টিপতে ভৰায়
সাতখান পাহাৰ ভাঙিয়া পানী খাবা যায়। (বন্ধুকৰ গুলি)

৩১। দুইচালেৰ এক কামি। (কলপাত)

৩২। পৰিলে বসন্ত কাল, হয়া গেলো লালে লাল
কাপাও, কাম ৰাংগা, কাটি হৈলো ৰেংবেঙা। (শিমলু গছ)

৩৩। নাওঁ কাটুং চিকিশ ঢাকাশ সবাইঠা কাটুং ধীৰে
ব্ৰহ্মপুত্ৰত জুই লাগছে, কায় নিমিবা পাৰে। (সূৰ্য্য)

৩৪। গাই দুষ্ট, গাখীৰ মিঠা। (মৌ) (বিনীতা বৰ্মন, ৬১, শালকোচা)

৩৫। ৰান্ধে বাঢ়ে
খায় না। তেজপাত)

৩৬। মামাৰ ঘৰেৰ বাৰীত গেলুং
ফুল দেখিয়া চমক খাইলুং
ফুল চিঙিবা মেলিলুং হাত
ফুল গেল আঠাৰো হাত। (সূৰ্য্য)

৩৭। কুতি যাইসৰে ৰাজাৰ বেটা
ফল আছে গাছ নাই
কান্ধত কুঠাৰ লয়া
কি কৰিবি যায়া। (মানুহৰ গাৰ ছাঁটো)

৩৮। উঠিতে লোটং পটং বসিতে পাহাৰ,
শ শ জীৱ মাৰি নাকৰে আহাৰ। (মাছ মৰা জাল)

৩৯। ৰাজাৰ বাৰীৰ হাতী
দিন দিন খায় লাথ্যি। (ঢেকী)

৪০। এখানি বিল

মাছে কৰে পিল পিল। (ভাত উটলি থকা দৃশ্য) (সাবিত্ৰী ৰায়, ৫৬, মানিকপুৰ)

**৩. উপসংহাৰ ঃ**

সাঁথৰসমূহ লোক-সমাজৰ অমূল্য সম্পদ। কোচ-ৰাজবংশী লোকসমাজত বিভিন্ন বিষয়ক সাঁথৰ প্ৰচলিত। বিশেষকৈ বয়সস্থ লোকসকলৰ মুখে মুখে তাহানি দিনত সাঁথৰ শুনিবলৈ পোৱা গৈছিল। ইয়াৰোপৰি ককা বা আইতাকে সন্ধিয়া সময়ত চোতালত ঢাৰি পাতি নাতি-নাতিনীয়েকক সাঁথৰ শুনাইছিল। সাঁথৰসমূহৰ যোগেদি পোৱা যায় বুদ্ধিমত্তাৰ পৰিচয় আৰু আনন্দৰ খোৰাক। ৰসাল ছন্দময় সাঁথৰবোৰে সকলোকে আনন্দ দিছিল। কিন্তু আজি এই যান্ত্ৰিকতাৰ যুগত সাঁথৰসমূহ যেন কৰবাত হেৰাই যাবলৈ ওলাইছে। আজিৰ এই ব্যস্ততাপূৰ্ণ জীৱনত ককা-আইতাকে নাতি-নাতিনীয়েকক আগত বহুৱাই লৈ সাঁথৰ শুনোৱা দিন উকলি গল। কিন্তু সেই বুলিয়ে সাহিত্যৰ ভড়াল চহকী কৰা এই সাঁথৰসমূহক লুপ্ত হ'বলৈ দিব পৰা নাযায়। এইবোৰক জীয়াই ৰাখিবলৈ লাগিব জীয়াই ৰখাৰ দায়িত্ব নৱপ্ৰজন্মৰ হাতত।

**প্ৰসঙ্গ টোকা ঃ**

১. ভকত, দ্বিজেন্দ্ৰ নাথ, *অসমৰ কোচ ৰাজবংশী জনজাতি*, পৃষ্ঠা, ৫৫।
২. ভকত, দ্বিজেন্দ্ৰ নাথ, *উল্লিখিত গ্ৰন্থ*, পৃষ্ঠা, ৫৬।
৩. তথ্যদাতা ঃ সাবিত্ৰী পাটগিৰী, বয়স- ৪১, দেওহাটী।
৪. তথ্যদাতা ঃ পানীমালা ৰায়, বয়স- ৭৮, শিঙিমাৰী
৫. তথ্যদাতা ঃ কৰবী প্ৰধানী, বয়স- ৪৮, চাপৰ।
৬. তথ্যদাতা ঃ হৰেন্দ্ৰ ৰায়, বয়স- ৪৮, হালাকুৰা।
৭. তথ্যদাতা ঃ বিনীতা বৰ্মন, বয়স- ৩১, শালকোছা।
৮. তথ্যদাতা ঃ সাবিত্ৰী ৰায়, বয়স- ৫৮, চলন্তাপাৰা।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

চৌধুৰী, অম্বিকাচৰণ । *কোচ-ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি* । ইউনিক প্ৰিণ্টাৰ্ছ, ২০১১, মুদ্ৰিত।
ভকত, দ্বিজেন্দ্ৰনাথ । *অসমৰ কোচ-ৰাজবংশী জনজাতি* । চেণ্টাৰ ফৰ এথনিক ষ্টাডিছ এণ্ড ৰিচাৰ্জ, ২০০৮, মুদ্ৰিত।
শৰ্মা হেমন্ত কুমাৰ। *অসমীয়া সাহিত্যত দৃষ্টিপাত*। বীণা লাইব্ৰেৰী, ২০১০, মুদ্ৰিত।
নেওগ মহেশ্বৰ । *অসমীয়া সাহিত্যৰ ৰূপৰেখা* । চন্দ্ৰ প্ৰকাশ, ২০০৮, মুদ্ৰিত।

PANCHOI
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# চাহ জনগোষ্ঠীয় সমাজত প্ৰচলিত লোকবিশ্বাস

**লুহিতা নায়ক**
গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
luhitanayak2017@gmail.com

**সংক্ষিপ্তসাৰ**

অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত স্বকীয় ভাষা-সাহিত্য-সংস্কৃতি বিদ্যমান। চাহ জনগোষ্ঠীৰ লোকসকলৰ পৰম্পৰাগত লোকবিশ্বাস, ধৰ্মীয় বিশ্বাস, আচাৰ-লোকাচাৰ, সাজপাৰ, অলংকাৰ, লোকগীত, ফকৰা-যোজনা, সাঁথৰ, সাধুকথা, বাদ্যযন্ত্ৰ, খাদ্যভাস আদি সুকীয়া। লোক সংস্কৃতিত তেওঁলোকৰ লোক-জীৱনৰ সকলো কাৰ্য প্ৰতিফলিত হোৱা দেখা যায়। চাহ জনগোষ্ঠীৰ লোকবিশ্বাস, ধৰ্মীয় বিশ্বাস আদি কিছু পৃথক। আধুনিকতাৰ প্ৰভাৱৰ ফলত চাহ জনগোষ্ঠীয় সমাজৰ পৰম্পৰাগত লোক-সংস্কৃতিত পৰিৱৰ্তন আহি পৰিছে। ইয়াৰ উপৰিও পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-লোকাচাৰসমূহ লুপ্তপ্ৰায় হ'বলৈ ধৰিছে। এই আটাইবোৰ বিষয়ৰ অধ্যয়নৰ প্ৰয়োজন। এনে দিশসমূহৰ আলোচনাৰ থল আছে বুলি ভাবিব পাৰি।

**বীজশব্দ ঃ** চাহ জনগোষ্ঠী, সমাজ-ব্যৱস্থা, লোকবিশ্বাস, পৰম্পৰা, পৰিৱৰ্তন

**০.০ অৱতৰণিকা**

**০.১ বিষয় পৰিচয়**

অসমত বাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰত্যেকৰে নিজা সাংস্কৃতিক বৈশিষ্ট্য আছে। লোক সংস্কৃতি, লোক-সাহিত্য অবিহনে একোটা জাতি বা সমাজৰ পৰিচয় পোৱা নাযায়। বিভিন্ন জাতি-জনগোষ্ঠীৰ দৰে চাহ-জনগোষ্ঠীৰ সংস্কৃতিৰো এক সুকীয়া পৰিচয় আছে। জনগোষ্ঠীটোৰ লোক-জীৱন, ভাষা, সাহিত্য, সংস্কৃতি, পৰম্পৰা, লোকাচাৰ, সাজপাৰ, অলংকাৰ, খাদ্যভাস, গীত-মাত, বাদ্যযন্ত্ৰ আদি স্বকীয়।

**০.২ অধ্যয়নৰ উদ্দেশ্য**

চাহ জনগোষ্ঠীয় সমাজৰ পৰম্পৰাগত লোকবিশ্বাসৰ বিভিন্ন দিশৰ আলোচনা কৰাই হৈছে গৱেষণা পত্ৰখনৰ মূল উদ্দেশ্য। চাহ জনগোষ্ঠীয় লোক-সংস্কৃতিৰ আধুনিকতাৰ প্ৰভাৱৰ ফলত কেনেদৰে পৰিৱৰ্তন হৈছে এই বিষয়েও গৱেষণামূলক দৃষ্টিভংগীৰে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**০.৩ অধ্যয়নৰ পৰিসৰ**

গৱেষণা পত্ৰখনত চাহ জনগোষ্ঠীয় সমাজৰ পৰম্পৰাগত লোকবিশ্বাসসমূহত আধুনিকতাৰ প্ৰভাৱৰ ফলত দেখা দিয়া পৰিৱৰ্তনৰ বিভিন্ন দিশসমূহৰ লগতে চাহ জনগোষ্ঠীৰ পৰিচয়, সমাজ-ব্যৱস্থা, লোকবিশ্বাস, ধৰ্মীয়বিশ্বাস, পৰম্পৰা, পৰিৱৰ্তন আদি সকলোখিনিয়ে আলোচনা কৰিব বিচৰা হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মুখ্যতঃ ক্ষেত্ৰভিত্তিক অধ্যয়ন পদ্ধতি, প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতি আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০ চাহ জনগোষ্ঠীৰ চমু পৰিচয় ঃ**

ভাৰত তথা অসমৰ আদিবাসীসকলৰ ভিতৰত অন্যতম জনগোষ্ঠী হ'ল চাহ জনগোষ্ঠী। *"পূৰ্বতে তেওঁলোকৰ মধ্য-পূৱ ভাৰতৰ বিশেষকৈ ঝাৰখণ্ড, ৰাঁচী, উড়িষ্যা, ছোটনাগপুৰ, মধ্যপ্ৰদেশ, পশ্চিমবংগ আদি বিভিন্ন ঠাইৰ পৰা অসমলৈ আগমন ঘটিছিল।"*[১] *"তেওঁলোকে পোনপ্ৰথমে জীৱিকা অৰ্জনৰ বাট বিচাৰি অসমত কাম কৰিবলৈ আহিছিল।"*[২] চাহ বাগানত শ্ৰমিক হিচাপে অহা লোকসকলকেই চাহ জনজাতি কিম্বা চাহ জনগোষ্ঠী বুলি জনা যায়। বিভিন্ন নৃতত্ত্ববিদে তেওঁলোকক অষ্ট্ৰিক আৰু দ্ৰাৱিড় পৰিয়ালৰ ভাষা-ভাষী গোষ্ঠীৰ লোক বুলি ক'ব খোজে।

**২.০ চাহ জনগোষ্ঠীয় সমাজৰ লোকবিশ্বাস**

লোকবিশ্বাস পৰম্পৰাগতভাৱে চলি অহা বিশেষকৈ ধৰ্মীয় বিশ্বাসৰ লগত জড়িত জনসাধাৰণৰ মনৰ ধাৰণা। একোটা জাতিৰ লোক-সংস্কৃতিৰ প্ৰকৃত স্বৰূপ লোক সাহিত্য আৰু লোক বিশ্বাস সমূহত প্ৰতিফলিত হয়। এইবোৰ অলিখিত আৰু জনসাধাৰণৰ মুখে মুখে প্ৰচলিত জনশ্ৰুতিমূলক লোকবিশ্বাস।

বৃহত্তৰ অসমীয়া জাতিৰ অন্যতম অংশীদাৰ চাহ জনগোষ্ঠীটোৰ মাজত এশৰো অধিক সম্প্ৰদায়ৰলোক আছে। চাহ-জনগোষ্ঠীয় সমাজত পৰম্পৰাগতভাৱে অগণন লোকবিশ্বাসৰ প্ৰচলন আছে। তেওঁলোকৰ সমাজত প্ৰচলিত লোকবিশ্বাসসমূহ অন্য জাতি-জনজাতিৰ লগত কিছু মিল দেখিবলৈ পোৱা যায়, যদিও চাহ জনগোষ্ঠীয় সমাজৰ লোকবিশ্বাস, ধৰ্মীয় বিশ্বাস সমূহ কিছু পৃথক আৰু সুকীয়া।

চাহ জনগোষ্ঠীয় সমাজৰ লোকবিশ্বাসসমূহ আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে ভাগ কৰা হৈছে— ধৰ্ম সম্পৰ্কীয় লোকবিশ্বাস, কৃষি সম্পৰ্কীয় লোকবিশ্বাস, প্ৰকৃতি সম্পৰ্কীয় লোকবিশ্বাস, জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস, চৰাই-চিৰিকটি সম্পৰ্কীয় লোকবিশ্বাস, জন্ম সম্পৰ্কীয় লোকবিশ্বাস, বিবাহ সম্পৰ্কীয় লোকবিশ্বাস, মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস, খাদ্য সম্পৰ্কীয় লোকবিশ্বাস, গছ-গছনি সম্পৰ্কীয় লোকবিশ্বাস, গৃহস্থ সম্পৰ্কীয় লোকবিশ্বাস, যাদু মন্ত্ৰ সম্পৰ্কীয় লোকবিশ্বাস, ভূত-প্ৰেত সম্পৰ্কীয় লোকবিশ্বাস, অলংকাৰ আৰু বস্ত্ৰ সম্পৰ্কীয় লোকবিশ্বাস, শৰীৰৰ অংগ সম্পৰ্কীয় লোকবিশ্বাস, স্বপ্ন সম্পৰ্কীয় লোকবিশ্বাস, অন্যান্য লোকবিশ্বাস।

**২.১ ধৰ্ম সম্পৰ্কীয় লোকবিশ্বাস ঃ**

ধৰ্মক কেন্দ্ৰ কৰি নানান লোকবিশ্বাসৰ সৃষ্টি হৈছে। অসমৰ চাহ জনগোষ্ঠী-আদিবাসী সকলৰ ধৰ্মীয় অনুষ্ঠান হৈছে 'কৰম পৰব', 'টুচু পৰব', 'সঁহৰাই পৰব' আদি। *অসমত মূলতঃ কৰম পৰব তিনিটি- 'জীতিয়া কৰম', 'বুঢ়ী কৰম' আৰু 'ঝুমুৰ কৰম।*[৩] কৰম পৰব তথা ঝাৰা তোলাৰ পিছত কৰমতীসকলে প্ৰস্ৰাৱ কৰোঁতে সাৱধান হয়। খৰ গতিত প্ৰস্ৰাৱ কৰিলে ঝাৰা পাচিৰ মাজত গাত হয় বুলি বিশ্বাস কৰে। ঝাৰাৰ গজালি ভালদৰে মেলিলে বছৰটোত খেতি ভাল হয় বুলি বিশ্বাস কৰে। ঝাৰা ধৰাৰ পাছৰ পৰা পূজাৰ দিনলৈকে চিঞৰ-বাখৰ, হাই-কাজিয়া কৰিলে কৰম দেৱতা অসন্তুষ্ট হয় আৰু সমাজলৈ বিপদ মাতি আনে বুলি বিশ্বাস কৰে। কৰমতীসকলে গৰম খাদ্য ফুঁৰাই খালে ঝাৰা ধৰা পাচিৰ গজালিবোৰ জ্বলি বা লেৰেলি যায় বুলি বিশ্বাস কৰে। ঝাৰাৰ গজালি জ্বলি বা লেৰেলি গ'লে কৰমতীসকলৰ মনৰ কামনা পূৰ্ণ নহয় বুলি বিশ্বাস কৰে।

চাহ জনগোষ্ঠীয় লোকসকলে উদ্যাপন কৰা আন এটা অনুষ্ঠান হৈছে 'টুচু পৰব'। শ্ৰদ্ধা সহকাৰে টুচু পৰব অনুষ্ঠিত কৰিলে খৰ-খজুৱতি নহয় বুলি বিশ্বাস কৰে। টুচু পৰবৰ গীত পূজাৰ বাহিৰে অন্য সময়ত গালে গাত খৰ-খজুৱতি হয় বুলি বিশ্বাস কৰে। গাঁৱৰ কোনো ব্যক্তিয়ে টুচু পূজা পাতিলে একেৰাহে তিনিবাৰ পাতিব

লাগে। তিনিবাৰ নাপাতিলে ঘৰত অপায় অমংগল হয় বুলি বিশ্বাস কৰে। *"চাহ জনগোষ্ঠীয় লোকসকলে বিশ্বাস কৰে যে টুচু পৰৱৰ দিনা পুৱাতে স্নান নকৰিলে পৰজনমত কুকুৰ বা গাহৰি ৰূপে জন্ম হয়।"*[৪]

কাতি মাহত উদ্‌যাপন কৰা আন এটা পৰৱ হৈছে 'চহঁৰাই পৰৱ' বা 'সহঁৰাই পৰৱ'। *সঁহৰাই পৰৱ মূলতঃ গো পূজা।*[৫] চহঁৰাই পৰৱৰ দিনা গৰুক মাৰ-পিত কৰিব নাপায়। মাৰ-পিত কৰিলে অমংগল হয় বুলি বিশ্বাস কৰে। পৰৱৰ দিনা গৰুক অতি আদৰেৰে গা ধোৱাই তেল, হালধি, সেন্দূৰ লগাই পিঠা-পনা খুৱাই আৰতি কৰে।

চাহ জনগোষ্ঠীৰ লোকসকলে দুৰ্গা পূজাতদেৱী অনাৰ আগেয়ে ঘৰ দুৱাৰ মছি পৰিষ্কাৰ কৰে। বেৰ মছিলে দেৱীৰ গাত মাটি পৰে বুলি বিশ্বাস কৰে। পূজাৰ ষষ্ঠীৰ দিনা কিছুমান ফৈদে চাবোন ব্যৱহাৰ নকৰে।

পূজা-পৰৱত হাঁহ, কুকুৰা, ছাগলি বলি দিলে গাওঁ অঞ্চলৰ মংগল হয় বুলি বিশ্বাস কৰে। স্থানভেদে শস্য শ্ৰীবৃদ্ধিৰ বাবে আৰু খেতি ভাল হ'বৰ বাবে গাহৰি বলি দিয়া হয়। পূৰ্ণিমা দিনা উপবাসে থাকি পূজা আগবঢ়ালে আৰু অমাৱশ্যাৰ অন্ধকাৰৰ মাজনিশা শ্মশানত পূজা দিলে মনে বিচৰা ফল লাভ কৰে বুলি বিশ্বাস। অমাৱশ্যাৰ অন্ধকাৰৰ মাজনিশা ল'ৰা-মতা মানুহক ঘৰৰ পৰা বাহিৰলৈ ওলোৱা নিষেধ।

**২.২ কৃষি সম্পৰ্কীয় লোকবিশ্বাস**

চাহ জনগোষ্ঠীয় সমাজতকৃষি সম্পৰ্কীয় কিছুমান লোকবিশ্বাস দেখিবলৈপোৱা যায়।পথাৰত হাল জোৰা, ভূঁই ৰোৱা, ন-ধান কটা, ঘৰলৈ ন-ধান অনা, ন-খোৱা আদি লোকবিশ্বাস জড়িত হৈ আছে। গাহৰি, হাঁহ বলি দি তেজ খেতি পথাৰত থ'লে খেতি নদন-বদন হয়বুলি বিশ্বাস কৰে। চাউল খাদ্যৰ উপৰিও মন্ত্ৰত ব্যৱহাৰ কৰে। ভৱিষ্যদ্বাণী কৰা সময়তো চাউল ব্যৱহাৰ কৰে। বিয়া-বাৰুত, মূৰ্তি বিসৰ্জন দিনাও চাউল ছটিওৱাৰ প্ৰথা আছে। ইয়াৰ উপৰি কোনো কোনো মাহ আৰু দিনত ভঁৰালৰ পৰা ধান উলিয়াব নাপায়। ন-ধানৰ আগ আনি ঘৰৰ দুৱাৰ মুখত ওলমাই থ'ব লাগে। ভঁৰালত ধান থ'লে ধানৰ লগতে কটাৰী, ঝাড়ু, কয়লা থ'ব লাগে। যাতে দেও-ভূতে নিব নোৱাৰে। কৃষিৰ সা-সঁজুলি, আহিলা-পাতিৰ লগতো বহু লোকবিশ্বাস জড়িত হৈ আছে।

শনিবাৰ আৰু মঙ্গলবাৰে খেতিৰ প্ৰথম দিনা হাল জুৰিব নাপায় বুলি বিশ্বাস কৰে। খেতি পথাৰত নমাৰ আগতে বছৰটোৰ শস্য নদন বদন হ'বলৈ আৰু পথাৰৰ দেৱতাক সন্তুষ্ট কৰিবলৈ 'বানগাৰী' পূজা পাতে।

**২.৩ প্ৰকৃতি সম্পৰ্কীয় লোকবিশ্বাস**

চাহ জনগোষ্ঠীয় লোকসকলে নদ-নদী, নৈ-জান-জুৰি, পাহাৰ পূজা, জংঘল পূজা কৰে। শিলক ঈশ্বৰ ৰূপে বিশ্বাস কৰি আহিছে। ইয়াৰ উপৰিও বাঁহ গছত মৃতকৰ আত্মা আৰু নিম গছ, তুলসী গছ, আঁহত গছত ঈশ্বৰ বাস কৰে বুলি বিশ্বাস কৰে। চাউলেৰে তন্ত্ৰ-মন্ত্ৰ, সৰিয়হে জৰা-ফুকা, তামোল-পাণ, আম পাত, দূৰৰি বন, কলগছ, এৰাপাত সকলোতে বিশ্বাস জড়িত হৈ আছে। অমাৱশ্যা, একাদশী, শনিবাৰ, মংগলবাৰে বাঁহ গছ কাটিব নাপায়। মাইকী মানুহ মাহেকীয়া হ'লে গছৰ ফল, ফুল, পাত চিঙিব নাপায় তাৰোপৰি সন্ধিয়া নতুবা ৰাতিও চিঙিব নাপায়।

**২.৪ জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস**

চাহ জনগোষ্ঠীয় সমাজত মেকুৰী, কুকুৰ, বান্দৰ, বাঘ, হাতী, গৰু, মাছ, সাপ, শিয়াল, নেউল সম্পৰ্কেও বহুবোৰ লোকবিশ্বাস জড়িত হৈ আছে। ৰাস্তাত গৈ থকা সময়ত সোঁফালৰ পৰা মেকুৰী পাৰ হ'লে অমংগলৰ সংকেত দিয়া বুলি মানুহৰ বিশ্বাস। আনহাতে বাওঁফালে মেকুৰী পাৰ হ'লে শুভ নাইবা মংগলৰ সংকেত বুলি বিশ্বাস কৰে। মেকুৰী হত্যা কৰিলে সোণৰ মেকুৰী গঢ়াই দান দিলে পাপৰ পৰা মুক্তি লাভ কৰে বুলি বিশ্বাস।

হিন্দু সমাজত গাই গৰুক 'গৌ মাতা' হিচাপে বিশ্বাস কৰি আহিছে। গৰু হত্যা মহাপাপ বুলি বিশ্বাস কৰে। গৰু হত্যা কৰিলে হত্যাকাৰীজন ডিঙিত গৰুৰ ৰছী ওলোমাই মানুহৰ ঘৰে ঘৰে গৰুৰ মাতৰ দৰে মাত মাতি ভিক্ষা খুজিলে হত্যাকাৰীজন প্ৰায়শ্চিত হোৱাৰ উপৰিও গৰু হত্যা পাপৰ পৰা মুক্তি পায়। গোহালি বা ঘৰৰ খুঁটাত

গৰুৰ নেজ পাক খালে গৃহস্থৰ ঘৰত অমংগলে দেখা দিয়ে বুলি বিশ্বাস কৰে। গৰুৱে হাঁচি মাৰিলে মানুহৰ মৃত্যু হয় বুলি বিশ্বাস কৰে।

সাপ হত্যা কৰিলে হত্যাকাৰীজনো সাপটোৰ দৰেই হঠাৎ এদিন প্ৰাণ হেৰুৱাব লগা হয় বুলি বিশ্বাস। যোৱা সাপ হত্যা কৰিব নাপায় বুলিও কয়। নিশা সাপৰ নাম উচ্চাৰণ কৰিব নাপায়। শুই থকা মানুহৰ মূৰৰ ওপৰত সাপে ফেনা মেলি ছাঁ দি ৰৈ থাকিলে শুভ লক্ষণ বুলি বিশ্বাস কৰে। প্ৰচলিত বিশ্বাস যে আধামৰা সাপ যদি বাচি যায় হত্যাকাৰীজনৰ ওপৰত প্ৰতিশোধ লয়। যাত্ৰা পথত সোঁফালে সাপ দেখিলে শুভ আৰু বাওঁফালে দেখিলে অশুভ বুলি বিশ্বাস কৰে। কুকুৰে মুতা দেখিলে চকুৰ বেমাৰ হয় বুলি বিশ্বাস কৰে আৰু চকু বেমাৰৰ পৰা ৰক্ষা পাবলৈ কুকুৰে মুতা দেখাৰ লগে লগে চকুৰ পতাৰ নোম এডাল উঘালি নোমডালত থুৱাই পেলাই দিলে বেমাৰ নহয় বুলি বিশ্বাস কৰে। কুকুৰে চোতালত আঁচুৰিলে গৃহস্থৰ ঘৰত বেমাৰ-আজাৰ হয় বুলি বিশ্বাস। মাজনিশা বাঘৰ নাম লোৱা নিষেধ। নিশা বাঘক চাৰিঠেঙীয়া বুলি কয়।

**২.৫ চৰাই-চিৰিকটি সম্পৰ্কীয় লোকবিশ্বাস ঃ**

শালিকা, কাউৰি, চিলনী, জেঠী, ফেঁচা সম্পৰ্কেও বহুবোৰ লোকবিশ্বাস জড়িত হৈ আছে। বাৰ্তালাপৰ সময়ত জেঠীয়ে 'ঠিক ঠিক' কৰিলে মানুহজনে সঁচা কথা কোৱা বুলি বিশ্বাস কৰে। কাউৰী চিঞৰিলে মানুহ মৰাৰ আগজাননী,ঘৰৰ টিনৰ ওপৰত চিলনী বহিলে অমংগলৰ সংকেত, ঘৰৰ ভিতৰত ফেঁচা সোমালেও অমংগলৰ সংকেত দিয়া বুলি বিশ্বাস কৰে। টোপনিত প্ৰস্বাৱ কৰা ল'ৰা-ছোৱালীক পাটি-মুতুৱা মাছ খুৱালে সেই ৰোগ দূৰ হয় বুলি বিশ্বাস। যোৱা শালিকা দেখিলে যাত্ৰা শুভ হয়, এযোৰ দেখিলে অমংগল হয়, ধনেশ পক্ষী এযোৰা হত্যা কৰিলে বিবাহিত জীৱনত সংগীজনৰো মৃত্যু হয় নাইবা বিবাহ বিচ্ছেদ হয় বুলিও মানুহৰ বিশ্বাস।

চাহ জনগোষ্ঠীয় সমাজত চৰাই সম্পৰ্কীয় বহুতো লোকবিশ্বাস আছে। ঘৰৰ ভিতৰত বাদুলি, ফেঁচা সোমালে অমংগল হয় বুলি বিশ্বাস কৰা হয়। ফেঁচাই ৰাতি নিউ নিউ মাতিলে আৰু ঘৰৰ চালত বা টিনত শগুন বহিলে অমংগলৰ সংকেত বুলি বিশ্বাস কৰে। যাত্ৰা সময়ত এটা শালিকা দেখিলে অশুভ আৰু দুটা দেখিলে শুভ বুলি বিশ্বাস কৰে। মাইকী কুকুৰাই মতা কুকুৰাৰ দৰে ডাক দিলে অমংগল হয় বুলি বিশ্বাস কৰে। কাউৰীয়ে ৰাতি ৰমলিয়ালে বেয়া কিন্তু দিনত কাউৰীয়ে ঘৰত পৰি ৰমলিয়ালে আলহী আহে বুলি বিশ্বাস কৰে। ঘৰৰ ওচৰৰ কঁঠাল বা আম গছত হুদু পৰিলে ঘৰলৈ বেমাৰ আজাৰ আহে বুলি বিশ্বাস কৰে।

**২.৭ প্ৰকৃতি বিষয়ক লোকবিশ্বাস ঃ**

চাহ জনগোষ্ঠীয় লোকসকলে বিশ্বাস কৰে যে কৰম গছ আৰু শাল গছত দেৱতাই বাস কৰে, সেয়ে তেওঁলোকে অন্য সময়ত কৰম গছ নাকাটে। ডাঙৰ গছত ডাঙৰীয়া দেৱতা থাকে বুলি বিশ্বাস কৰে। বৰ গছ, আঁহত গছ, বেল গছ আৰু তুলসী গছৰ তলত ধূপ-চাকি জ্বলালে মংগল হয় বুলি বিশ্বাস কৰে।

**২.৮ জীৱনবৃত্ত সম্পৰ্কীয় লোকবিশ্বাস ঃ**

চাহ জনগোষ্ঠীয় সমাজত পৰম্পৰাগত অসংখ্য লোকবিশ্বাসৰ উপৰিও জনসাধাৰণৰ জীৱন সম্পৰ্কীয় লোকবিশ্বাসৰো প্ৰচলন আছে। যেনে—জন্ম সম্পৰ্কীয় লোকবিশ্বাস, মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু বিবাহ সম্পৰ্কীয় লোকবিশ্বাস। আলোচনাৰ সুবিধাৰ্থে জীৱনবৃত্ত সম্পৰ্কীয় লোকবিশ্বাস সমূহ তিনিটা ভাগত ভাগ কৰি লোৱা হৈছে।

**২.৯ জন্ম সম্পৰ্কীয় লোকবিশ্বাস ঃ**

চাহ জনগোষ্ঠীয় সমাজত জন্ম সম্পৰ্কীয় বহু বিশ্বাস জড়িত হৈ আছে। বিবাহিত মহিলাই গৰ্ভধাৰণ কৰা

সময়ত ওচৰ চুবুৰীয়া ঘৰলৈ যাব নাপায়। সেয়ে গৰ্ভৱতী মহিলাই কঁকালত, হাতত, ভৰিত নাইবা ডিঙিত মন্ত্ৰ মৰা তাবিজ পৰিধান কৰে। গৰ্ভৱতী মহিলাই সূৰ্য্য গ্ৰহণ, চন্দ্ৰ গ্ৰহণ সময়ত ঘৰৰ পৰা বাহিৰলৈ যাব নাপায়। গৰ্ভৰ কেঁচুৱাটোৰ বাবে অমংগল আৰু শাৰীৰিকভাৱে অক্ষম সন্তান জন্ম হয় বুলি বিশ্বাস কৰে। সিদিনা গিৰিয়েকে কটাৰীৰে একো কাটিব নাপায়। বিশ্বাস যে জন্ম হোৱা সন্তাটোৱে হাতে ভৰিয়ে কটাৰ চিহ্ন লৈ জন্ম হয়। গৰ্ভধাৰণৰ সময়ত গৰ্ভৱতী মহিলাই ঘৰৰ কাম যিমানে কৰিব প্ৰসৱৰ সময়ত সিমানে ভাল বুলি সমাজৰ বয়োজ্যেষ্ঠ বুঢ়া-বুঢ়ীসকলে বিশ্বাস কৰে। সন্তাৰ জন্মৰ একৈশা পালন কৰাৰ পাছতহে গৃহস্থৰ ঘৰ শুদ্ধি হয়।

বিশ্বাস মতে সন্তান হাত মুঠি মাৰি জন্ম ল'লে গৃহস্থৰ ঘৰত ধন-সম্পত্তি বৃদ্ধি হয়। ভৰিদি জন্ম লাভ কৰা সন্তানৰ শুভ লক্ষণ বুলি বিশ্বাস কৰা হয়। বছৰ বছৰ ধৰি পুৰণি কঁকাল বিষ সুস্থ ন'হ'লে ভৰিৰে জন্ম পোৱা সন্তাটিৰ ভৰিৰে জাৰি দিলে কঁকাল বিষ ভাল হয় বুলি বিশ্বাস। বাৰৰ নাম লগতো সন্তানৰ জন্ম সম্পৰ্কীয় লোকবিশ্বাস জড়িত হৈ আছে। গৰ্ভৱতী মহিলাক অপশক্তিৰ পৰা ৰক্ষা পাবলৈ তাবিজ, ডোল, ৰছী, বেজ বা ওজাৰ পৰা আনি পিন্ধায়। তেওঁলোকে বিশ্বাস কৰে তাবিজ, মন্ত্ৰপুত ডোল বা ৰছী পিন্ধিলে গৰ্ভৱতী মহিলাৰ গাত ভূত-প্ৰেতে অপকাৰ নকৰে। সন্তান জন্মৰ সময়ত গৰ্ভৱতী মহিলা গৰাকীৰ কাষত একুৰা জুই জ্বলাই ৰখা হয়। এনে কৰিলে ভূত-প্ৰেত কাষলৈ নাহে বুলি বিশ্বাস কৰে। জুইৰ ছাঁইবোৰ গছকিব নাপায়। গছকিলে ভৰিৰ তলুৱাত 'কুইলাঁঠী' বা শামুকীয়া বেমাৰ হয় বুলি বিশ্বাস কৰে, সেয়ে ছাঁই আওঁহতীয়া ঠাইত পেলোৱা বা পোতা হয়।

সন্তান জন্ম হোৱাৰ লগে লগে হাত চাপৰি, টেবুল, চকী আদি অন্য বস্তু বজাই শব্দ সৃষ্টি কৰি হুলস্থুল কৰে। এনে কৰিলে সন্তানটোৱে পাছত বিজুলী, ঢেৰেকনি মাৰিলে ভয় নাখায় বুলি বিশ্বাস কৰে। গৰ্ভৱতী মহিলাৰ পাছশালক 'ফুল' বুলি কোৱা হয়। এই ফুল বা পাছশালক ৰ'দ পৰা ঠাইত পুতিব নাপায়। ৰ'দ পৰা ঠাইত ফুল পুতিলে সন্তানে ভৱিষ্যতলৈ পিয়াহ সহিব নোৱাৰে বুলি বিশ্বাস কৰে। মৰা মানুহৰ ঘৰলৈ গ'লে ঘৰলৈ আহি গা ধুব লাগে আৰু পিন্ধা কাপোৰ ধুই পেলাব লাগে নহ'লে চুৱা লাগে বুলি বিশ্বাস কৰে।

**২.১০ বিবাহ সম্পৰ্কীয় লোকবিশ্বাস ঃ**

চাহ জনগোষ্ঠীয় সমাজত বিবাহ সম্পৰ্কীয় বহুতো লোক বিশ্বাসৰ প্ৰচলন আছে। গাভৰু ছোৱালীৰ কন্যাকালৰ পৰা আৰম্ভ কৰি বিয়া তোলালৈকে, বৰ বিয়াত দৰা-কইনা নোওৱা ধোওৱাৰ পৰা বিয়া সম্পন্ন নোহোৱা পৰ্যন্ত বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰ জড়িত।

ব'হাগ মাহত ঘৰৰ জেষ্ঠ্যা কন্যাক বিয়া দিলে আৰু জেঠ মাহত ঘৰৰ জ্যেষ্ঠা কন্যা আঠ মঙলাত ঘৰত থকাকৈ গ'লে বৈবাহিক জীৱনত গ্ৰহগতি লাগিব পাৰে নহ'লে অমংগল বুলি বিশ্বাস কৰে। ফাগুন মাহত বিয়া দিলে চ'ত মাহত মাকৰ ঘৰলৈ যাব নাপায়। চ'ত আৰু পুহ মাহত চাহ জনগোষ্ঠীৰ সমাজত বিয়া নাপাতে। পুহ মাহত বিয়া হ'লে সূৰ্য্য লগত নাথাকে বুলি বিশ্বাস কৰে। বৃহস্পতিবাৰ আৰু শনি বাৰে কইনা বিদায় নিদিয়ে। বৃহস্পতিবাৰে কইনা বিদায় দিলে ঘৰৰ লক্ষ্মী দূৰ হয় বুলি বিশ্বাস।

বৈবাহিক কইনাক গা-ধুৱালে কইনাই কুঁৱৰী দেহ ত্যাগ কৰি বিবাহিত সংসাৰলৈ জীৱনৰ পাতনি মেলে আৰু দৰাই কুঁৱৰ অৱস্থাৰ সংসাৰত ভৰি দিয়া বুলি মানুহৰ বিশ্বাস। জেঠ আৰু দৰা-কইনাৰ জন্ম মাহত বিয়া পাতিলে অশুভ বুলি বিশ্বাস কৰে। দৰা - কইনাৰ বিয়া বন্দোৱস্ত হোৱাৰ পিছত পতা আঙুঠি পিন্ধোৱা অনুষ্ঠানক 'তিলক দিয়া' বুলি কোৱা হয়। চাহ জনগোষ্ঠীৰ লোকসকলে বিশ্বাস কৰে যে তিলক দিয়া অনুষ্ঠান পুৱা বেলি ওলাই অহাৰ আগতে সম্পন্ন কৰিলে সাংসাৰিক জীৱন শুভ হয়। বিয়াৰ দিনা দৰা-কইনাই ভূত-প্ৰেত আদিৰ পৰা ৰক্ষা পাবলৈ হাতত বা কঁকালত ছুৰি কটাৰী লৈ থাকে। দৰা-কইনাক লগন দিয়া বা জোৰন দিয়া পিছদিনাৰ পৰা দৰা-কইনাক হালধি সানি তিনিটা বা পাঁচটা পুখুৰীৰ পৰা পানী তুলি আনি গা-ধোওৱা হয়। তিনিআলি বা পাঁচ

আলিৰ তিনিটা বা পাঁচটা পুখুৰীৰ পানীৰে দৰা-কইনাক গা ধোৱালে কোনেও যাদু মন্ত্ৰৰে অঘটন ঘটাব নোৱাৰে বুলি বিশ্বাস কৰে। কন্যা বিদায়ৰ সময়ত কইনাই মাকৰ সৈতে আঁচলত চাউল সলনা-সলনি কৰে আৰু এমুঠি চাউল কইনাই সিঁচি থৈ আহিব লাগে। তেনে কৰিলে মাকৰ ঘৰৰ লখিমী কইনাৰ সৈতে নাহে বুলি বিশ্বাস কৰে।

**২.১১ মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস ঃ**

চাহ জনগোষ্ঠীয় সমাজত মৃত্যু সম্পৰ্কীয় লোকবিশ্বাসো আছে। মৃত লোকক ঘৰৰ পৰা বাহিৰলৈ উলিয়াই অনাৰ পৰা শ্মশান নিয়ালৈকে, সৎকাৰ কৰাৰ পৰা মৃতকৰ কৃত-কৰ্ম কৰালৈকে লোকসকলৰ সমাজত বহুবোৰ লোকাচাৰ পালন কৰা হয়। এই লোকাচাৰলোকবিশ্বাসৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

ঘৰৰ ভিতৰত মানুহৰ মৃত্যু হ'লে মৃতকৰ আত্মা ঘৰৰ ভিতৰত আবদ্ধ হৈ থাকে বুলি বিশ্বাস কৰে। শ্মশানলৈ শৱ সৎকাৰ কৰিবলৈ যাওঁতে লগত দা-কটাৰী লৈ যাব লাগে নহ'লে শ্মশানত থকা অপদেৱতা গাত লম্ভি অপকাৰ কৰিব পাৰে বুলি বিশ্বাস কৰে। সাপৰ দংশনত মৃত্যু হ'লে মৃত দেহ নৈত উটুৱাই দিয়া হয়। শ্মশানলৈ মৃত দেহ নিয়া চাঙিখন ভাঙি থৈ আহিব লাগে। চাঙিখন ভাঙি নাহিলে মৃতকৰ আত্মাই ভূত হৈ বিছনা কৰি মৰিশালীৰ পৰা গৃহস্থৰ ঘৰলৈ উভতি আহে বুলি বিশ্বাস কৰে।

মৃতকৰ সৎকাৰৰ শ্ৰাদ্ধ সকামৰ দিনা মাজনিশা বাৰ বজাত মৃতকৰ ছাঁ আনিব গ'লে মৃতকৰ আত্মা শুকান গছৰ ডালত বাস কৰে বুলি বিশ্বাস কৰে। বিশ্বাস অনুসৰি মৃতকৰ আত্মা গৃহস্থৰ ঘৰলৈ আহিলে অংকন কৰা চাউল গুৰি নাইবা আটা গুৰিত পৰুৱা, সাপ, পখিলাৰ চিহ্ন পোৱা যায়। কেতিয়াবা মানুহৰ পদচিহ্নও দেখিবলৈ পোৱা যায়। তেওঁলোকৰ বিশ্বাস মতে যিটো চিহ্ন পোৱা যায় মৃতকজন নৰ ৰূপত সেইটোযে আত্মা আছিল বুলি বিশ্বাস কৰে। মৃতকৰ ছাঁ অনা সময়ত গৃহস্থৰ ঘৰ এন্ধাৰ কৰি ৰখা হয় আৰু বংশ-পৰিয়ালৰ মানুহে আন্ধাৰ ঘৰতে নিজান পৰিৱেশত নিস্তব্ধ হৈ এচোকত বহি থাকিব লাগে। মৃতকৰ মুখাগ্নি দিয়া আৰু লগতে চাৰি-পাঁচজন মান মতা মানুহে মাজনিশা বাৰ বজাত কাঁহৰ বাতি বজাই বজাই ছাঁ আনে।পৰম্পৰাগত নিয়মানুসৰি ছাঁ আনি দুৱাৰ মুখত ঠিয় হৈ বাহিৰৰ পৰাই মাত লগাই— প্ৰথম— "ক'ন জাগল, ক'ন চুতল ?

ঘৰৰ এচোকত বহি থকা বংশ-পৰিয়ালৰ মানুহে ভিতৰৰ পৰাই উত্তৰ দিয়ে—

দ্বিতীয়— "ৰাম চুতল, ভীম জাগল।"
প্ৰথম— "ক'ন জাগল, ক'ন চুতল ?
দ্বিতীয়— "ৰাম চুতল, ভীম জাগল।"
প্ৰথম— "ক'ন জাগল, ক'ন চুতল ?
দ্বিতীয়— "ৰাম জাগল, ভীম চুতল।"

উপৰোক্ত বাক্যশাৰীৰ পৰা জানিব পৰা যায় যে চাহ জনগোষ্ঠীয় সমাজত মৃত্যু সম্পৰ্কীয় লোকবিশ্বাসত ৰাম আৰু ভীমৰ লগত মৃত্যুৰ তুলনা কৰা হৈছে।

**২.১২ খাদ্য সম্পৰ্কীয় লোকবিশ্বাস ঃ**

শামুক খালে চকুৰ কাৰণে ভাল বুলি বিশ্বাস কৰে। কোনো আত্মীয়ক ভাত এসাঁজ খোৱাবলৈ টিফিনত বান্ধি নিলে অঙঠা বা জলকীয়া দি নিয়ে। জলকীয়া বা অঙঠা দি নিলে বাটত ভূত-প্ৰেতে খাব নোৱাৰে বুলি বিশ্বাস কৰে। কিছুমান সম্প্ৰদায়ৰ মাজত মাছ, গো মাংস, গাহৰি মাংস, সাপ, কাছ, ভেকুলী, নিগনি খোৱা নিষেধ। নিষিদ্ধ খাদ্য খালে অমংগল হয় বুলি বিশ্বাস কৰে। ভৰিৰ ওপৰত ভৰি তুলি, ভৰি জোকাৰি আৰু ভৰিত হাত থৈ ভাত খাব নাপায়, খালে অশুভ বুলি বিশ্বাস কৰে।

**২.১৩ যাদু মন্ত্ৰ সম্পৰ্কীয় লোকবিশ্বাস ঃ**

তেওঁলোকৰ সমাজত ভূত-প্ৰেত, যখ-যখিনী, পিশাচ, প্ৰেতাত্মা, ঝুপান উঠা, দেও লম্ভা, ডাইনী হত্যা, বেজ-বেজালি, তন্ত্ৰ-মন্ত্ৰ, মোহিনী মন্ত্ৰ, জৰা-ফুকা, যাদু-বিদ্যা আদি নানান লোকবিশ্বাসৰ প্ৰচলন আছে। কোনো ব্যক্তি বা আলহীক ঘৰত আহাৰ খাবলৈ দিলে যাদু মন্ত্ৰ কৰা বুলি সন্দেহ কৰিলে থালখন কাষত বহা ব্যক্তিগৰাকীৰ সৈতে সাল সলনি কৰি দিয়ে। সলনি কৰা থালখন কাষত বহা ব্যক্তিগৰাকীয়ে নাখালে যাদু মন্ত্ৰ কৰা বুলি বিশ্বাস কৰে। থাল সলনি কৰিব নোৱাৰিলে বাওঁ ভৰিৰ বুঢ়া আঙুলিটো খাবলৈ দিয়া থালত লগাই দিয়ে আৰু থালৰ পৰা অলপমান পূৰ্ব পুৰুষলৈ বুলি আগবঢ়াই নমস্কাৰ কৰি খালে যাদু মন্ত্ৰই কামত নিদিয়ে বুলি বিশ্বাস কৰে। পৰিয়ালত দীৰ্ঘ দিন ধৰি বেমাৰ আজাৰ হৈ থাকিলে দেৱ-দেৱীৰ নামত কুকুৰা কাটি পূজা দিলে ভাল হয় বুলি বিশ্বাস কৰে।

**২.১৪ ভূত-প্ৰেত সম্পৰ্কীয় লোকবিশ্বাস ঃ**

চাহ জনগোষ্ঠীয় সমাজত ভূত প্ৰেত সম্পৰ্কীয় লোকবিশ্বাসৰ প্ৰচলন আছে। সন্তান সম্ভৱা মহিলাৰ মৃত্যু হ'লে 'চিড়ঁকণী' ভূত হয় বুলি বিশ্বাস কৰে। চিপ্‌লৈ আত্মহত্যা কৰা ব্যক্তিসকলৰ আত্মাই কতো স্থান নাপাই ঘৰৰ আশে পাশে ঘূৰি ফুৰে বুলি বিশ্বাস কৰে। ভূতে লম্ভিলে জ্বৰ হয় আৰু ব্যক্তিজনৰ গাৰ পৰা ভূতৰ জ্বৰ খেদিবলৈ বেজৰ নিৰ্দেশ মতে দুপৰ নিশা ৰঙা কাপোৰ, চাকি, আড়ৈ (আৰৈ) চাউল, ফুলৰ সৈতে উৎসৰ্গা কৰা দ্ৰব্যখিনী তিনি আলি বা পাঁচ আলিত পেলাই দিয়ে আৰু যি গৰাকী ব্যক্তিয়ে ভূলতে প্ৰথম খোজ দিয়ে বা গচকি দিয়ে তেওঁৰ ওচৰলৈ বেমাৰ গুচি যায় বুলি বিশ্বাস কৰে। সাধাৰণ লোকে বিশ্বাস কৰে তন্ত্ৰ মন্ত্ৰ জনা ব্যক্তিয়ে 'চৰদেৱা ভূত' পোহে। ভূত-প্ৰেত, ডাইনী-যখিনী আদি অপশক্তিৰ লগত জড়িত বহুতো লোকবিশ্বাস বৰ্তি আছে।

**২.১৫ অলংকাৰ আৰু বস্ত্ৰ সম্পৰ্কীয় লোকবিশ্বাস ঃ**

শ্মশানৰ পৰা ওভতি আহি ঘৰৰ জপনামুখত জুইৰ সেক লৈহে ঘৰৰ ভিতৰত সোমায় নহ'লে ভূত-প্ৰেত শ্মশানৰ পৰা লগত লাগি আহে বুলি বিশ্বাস কৰে। চাহ জনগোষ্ঠীৰ লোকসকলে বিশ্বাস কৰে তাবিজ, মন্ত্ৰপুত ডোল বা ৰছী পিন্ধিলে গৰ্ভৱতী মহিলাৰ গাত ভূত-প্ৰেতে অপকাৰ নকৰে।

**২.১৬ অন্যান্য লোকবিশ্বাস ঃ**

ওপৰত উল্লেখ কৰা লোকবিশ্বাস সমূহৰ উপৰিও আৰু বহুতো লোকবিশ্বাসৰ প্ৰচলন আছে। সপোনত সাপ দেখিলে মংগল আৰু অমংগলৰ কথাকে সূচায়। মাছৰ সপোন অমংগলৰ প্ৰতিক স্বৰূপে চাহ জনগোষ্ঠীয় জনসমাজত প্ৰচলিত লোকবিশ্বাস। সপোনত হাতী দেখিলে মংগল বুলি বিশ্বাস কৰে। বাগানত চাহ পাত চিঙা সপোনে অমংগল সূচায়। খৰি-কাঠৰ সপোন পৰিয়াল বংশৰ বাবে অমংগল। দিঠকত মানুহ মৰে বুলি বিশ্বাস কৰি আহিছে। সপোনত নিজৰ অমংগল দেখিলে নিজৰ মংগল হয় আৰু নিজৰ মংগল দেখিলে আনৰ অমংগল হয় বুলিও বিশ্বাস। ভয় লগা সপোন দেখিলে ৰাতিপুৱা শুই উঠি কাকো একো নোকোৱাকৈ অকণমান গৰুৰ গোবৰ চেলেকিলে অঘটন নঘটে বুলি বিশ্বাস কৰে।

বাৰৰ নাম লৈও কিছুমান পৰম্পৰাগত লোকবিশ্বাস প্ৰচলন আছে। মংগলবাৰ, বৃহস্পতিবাৰ আৰু শনিবাৰ চুলি, নখ কাটিব নাপায়। এই তিনিটা বাৰত চুলি, নখ কাটিলে অমংগল হয় বুলি বিশ্বাস কৰে। তাৰোপৰি সমাজভেদে এই তিনিটা বাৰত ঘৰত আমিষ ৰন্ধা আৰু খোৱা নিষেধ।

মহিলাৰ সকলৰ বাওঁ চকু লৰিলে শুভ আৰু সোঁ চকু লৰিলে অমংগল হয় বুলি বিশ্বাস কৰে। আনহাতে পুৰুষ সকলৰ সোঁ চকু লৰিলে শুভ আৰু বাওঁ চকু লৰিলে অমংগল বুলি মানুহৰ বিশ্বাস। সন্ধিয়া কাৰোবাক পিন দিলে ঘূৰাই দিব লাগে। নহ'লে দুয়োটাৰ মাজত কাজিয়া, বিবাদ হয় বুলি বিশ্বাস।

লোকবিশ্বাস অনুসৰি অবিবাহিত ডেকা-গাভৰুৱে বিয়া পতাৰ আগত পাণৰ আগটো খাব নাপায়। ইয়াৰ উপৰি গাভৰুসকলে যোৰা লগা ফল খালে বিবাহৰ পিছত যোৰা সন্তান জন্ম দিয়ে বিশ্বাস কৰে। সপোনত সাপ

দেখিলে শত্ৰু পিছত পৰা বুলি মানুহৰ বিশ্বাস। সপোনত সাপ দেখিলে পুত্ৰ সন্তান জন্ম হয় বুলি বিশ্বাস কৰে। গৰ্ভৱতী মহিলাই সপোনত সাপ দেখিলে প্ৰসৱৰ সময়ত কষ্ট পায় বুলি চাহ জনগোষ্ঠী সকলে বিশ্বাস কৰে।

ৰাতি সাপ, বেজী, হাতী, হালধী বুলি উচ্চাৰণ কৰিলে অশুভ বুলি বিশ্বাস কৰে। মহিলা সকলে স্বামীৰ নাম নলয়। স্বামীৰ নাম ল'লে স্বামীৰ আয়ুস কমে বুলি বিশ্বাস কৰে। ৰাতি ধান, চাউল আনক ধাৰে দিব নাপায়, দিলে ঘৰৰ লক্ষ্মী যায় বুলি ভাবে। হাতৰ পৰা কাঁহী বা বাটি পৰিলে আলহী আহে বুলি কয়। নিজৰ জন্ম বাৰ, শনি আৰু মঙ্গল বাৰে চুলি, নখ কাটিব নাপায়। কণী, গাখীৰ চুৰ কৰি খালে গাত বগা ছালৰ বেমাৰ বা কুষ্ঠ ৰোগ হয় বুলি বিশ্বাস কৰে। মানুহ ক'ৰবালৈ ওলায় গ'লে পিছফালৰ পৰা মাতিলে যাত্ৰা অশুভ হয় বুলি বিশ্বাস কৰে। ক'ৰবালৈ ওলাই গ'লে খালী পাত্ৰ দেখিলে যাত্ৰা অশুভ আৰু পানীৰে পূৰ্ণ পাত্ৰ দেখিলে শুভ বুলি বিশ্বাস কৰে। আকাশৰ পৰা পপীয়া তৰা সৰি পৰা দেখিলে সাতজন বা পাঁচজন টকলা মানুহৰ নাম কৈ থুৱাই দিলে কোনো বিপদ বিঘিনী নহয় বুলি বিশ্বাস কৰে। অৱশ্যে কিছুমানে টকলা মানুহৰ নাম কোৱাৰ সলনি ফুলৰ নাম কৈ থুৱাই দিলে পপীয়া তৰা দেখা জনৰ বেমাৰ আজাৰ অথবা বিপদ বিঘিনী নহয় বুলি চাহ জনগোষ্ঠীৰ লোকে বিশ্বাস কৰে।

মাঘ মাহত হাল জুটিলে খেতি-খোলাত ব্যাঘাত নঘটে বুলি বিশ্বাস কৰে। বাহী চোতাল ঘৰৰ মুৰব্বীজনে গচকিব বা ভৰি দিব নাপায়। ভৰি দিলে আয়ুস কমে বুলি বিশ্বাস কৰে। একাদশী, পূৰ্ণিমা, অমাৱস্যা আদি তিথিত হাল নাবায়, নতুন গোঁছ নলগায় নাইবা ন-ধান নাকাটে। এই তিথিবিলাক অশুভ বুলি বিশ্বাস কৰে। কুকুৰাৰ উমনিৰ সময়ত তিৰোতা গড়ালত সোমাব নাপায়। উমনিৰ সময়ত গড়ালত সোমালে কণী ঘোলা হয় বুলি বিশ্বাস কৰে।

প্ৰেত আদিৰ পৰা ৰক্ষা কৰিবলৈ ঘৰৰ দুৱাৰত বগৰী কাঁইট, জাল আদি আঁৰি দিয়া হয়। কেঁচুৱাক কঁকালত জালৰ গুটি ক'লা ৰছীত পিন্ধায় আৰু সৰিয়হৰ সৰু টোপোলা কৰি ৰছীত বান্ধি দিয়ে। এনে কৰিলে ভূত-প্ৰেত কাষ চাপিব নোৱাৰে বুলি বিশ্বাস কৰে। কেঁচুৱাৰ মুখ লাগিলে চৌকাৰ মাটি, শুকান জলকীয়া, সৰিয়হ আদি তিনিবাৰ ঘুৰাই জুইত পেলাই দিলে ভাল হয় বুলি বিশ্বাস কৰে। জন্ম হোৱাৰ পিছত চুৱা বা অশুচি হৈ থকাৰ সময়ত পৰিয়ালৰ সদস্যই ফল-মূল বা তামোল-পাণৰ গছ আদি স্পৰ্শ কৰিলে গছ জোপা মৰি বা শুকাই যায় বুলি বিশ্বাস কৰে।

নৱজাতকৰ খুৰোৱা চুলি য'তে-ত'তে পেলাব নাপায়। যিটো পাত্ৰত ক্ষৌৰ কাৰ্য সম্পাদনা কৰা হয় সেই পাত্ৰ লুটিয়াই দিব নাপায়। পাত্ৰটো লুটিয়াই দিলে সন্তানৰ বাবে অমংগল হয় বুলি বিশ্বাস কৰে। চাহ জনগোষ্ঠীৰ কোনো কোনো ফৈদে সন্তান জন্ম হোৱাৰ লগে লগে নৱজাতকৰ মুখত ছাগলীৰ গাখীৰ বাকি দিয়ে। তেনে কৰিলে সন্তানৰ হজম শক্তি বৃদ্ধি পায় বুলি বিশ্বাস কৰে।

নৱজাতকৰ নাভী পকিলে ছাগলীৰ লাদ পুৰি ছাঁই কৰি নাৰিকল তেলৰ লগত মিহলাই লগালে সোনকালে নাভী শুকাই বুলি বিশ্বাস কৰে। কেচুঁৱা ক্ষীণাই গ'লে বা পঁয়া লাগিলে 'দুধীয়া' নামৰ লতাৰ খাৰু পিন্ধালে ভাল হয় বুলি বিশ্বাস কৰে। ইয়াৰোপৰি কোনো কোনোৱে পঁয়া লগা সন্তানক ভাত বনোৱা চৌকাৰ ওপৰেদি তিনিবাৰ অনা-নিয়া কৰিলে ভাল হয় বুলি বিশ্বাস কৰে।

৩.০ **পৰিৱৰ্তন**

আধুনিকতা সভ্যতাৰ দ্ৰুত অগ্ৰগতিয়ে জনজীৱন সম্পৰ্কীয় চিন্তা-চৰ্চা, ধ্যান ধাৰণা, আচাৰ-লোকাচাৰ, নীতি-নিয়ম, জনসাধাৰণৰ মনোজগত, জীৱন-যাপন প্ৰণালী, সামাজিক, ধাৰ্মিক তথা ধৰ্মীয় বিশ্বাস আৰু লোকবিশ্বাস আদিৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিছে। আধুনিকতাৰ প্ৰভাৱে জনসাধাৰণৰ জীৱন শৈলীত প্ৰভাৱ পেলাইছে।

অসমৰ চাহ জনগোষ্ঠীয় সমাজতো আধুনিকতাৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। পূৰ্বৰ ৰীতি-নীতি, পৰম্পৰা বৰ্তমান লুপ্তপ্ৰায় হ'বলৈ ধৰিছে। ধৰ্মৰ লগত জড়িত লোকবিশ্বাসসমূহ এনে প্ৰভাৱৰ পৰা মুক্ত নহয়। বৰ্তমান

সময়ত ধৰ্মীয় বিশ্বাস, লোকবিশ্বাস নোহোৱা নহয়। যদিও পূৰ্বৱৰ্তী সময়তকৈ বৰ্তমান সময়ত লোকবিশ্বাসৰ পৰিমাণ অতি তাকৰ। অৱশ্যে স্থান আৰু অঞ্চলভেদে লোকবিশ্বাসৰ প্ৰভাৱত তাৰতম্য ঘটা দেখা যায়।

**৩.০ উপসংহাৰ**

আমাৰ আলোচনাত চাহ জনগোষ্ঠীয় সমাজৰ পৰম্পৰাগত লোকবিশ্বাসৰ সকলো দিশ সামৰি লোৱা হৈছে। এই লোকবিশ্বাস সমূহে চাহ জনগোষ্ঠীয় লোক সমাজত এনেভাৱে প্ৰভাৱিত কৰি আহিছে যে এইবোৰ বাদ দি তেওঁলোক ধৰ্মৰ কথা ভাবিব নোৱাৰে। বৰ্তমান প্ৰযুক্তিবিদ্যাৰ চৰম পৰ্যায়ত আধুনিকতাৰ প্ৰভাৱৰ ফলত পৰম্পৰাগত লোকবিশ্বাস সমূহত কিছু পৰিমাণে বৈজ্ঞানিক চিন্তা-ধাৰা আহি পৰিছে। আধুনিকতাৰ প্ৰভাৱৰ ফলত প্ৰায় লুপ্তপ্ৰায় হ'বলৈ ধৰিছে। অৱশ্যে স্থানভেদে, সমাজভেদে তেওঁলোকৰ সমাজৰ লোকবিশ্বাস ভিন্ন।

**প্ৰসংগ টোকা ঃ**

১. তাঁতী, কমল কুমাৰ। *অসমৰ চাহ জনগোষ্ঠী-আদিবাসী সকলৰ নৃ-তাত্ত্বিক পৰিচয়,* ২০২০, পৃ. ৩

২. বৰুৱা, ভীমকান্ত। *অসমৰ ভাষা,* ২০১৫, পৃ. ২২

৩. কুৰ্মি, গণেশ চন্দ্ৰ (সম্পা.)। *দেউৰাম তাছা ৰচনাৱলী,* ২০০১, পৃ. ৮১

৪. ঐ, পৃ. ৮৬

৫. ঐ, পৃ. ৮২

**গ্ৰন্থপঞ্জী ঃ**

অধিকাৰী, শুকদেৱ। চাহ জনগোষ্ঠীৰ লোকগীত লোক পৰম্পৰা আৰু উৎসৱৰ ৰূপৰেখা। গুৱাহাটী ঃ পাণবজাৰ। ২০১৫।

— অসমৰ চাহ জনগোষ্ঠী আৰু লোক ২ -জীৱন। গুৱাহাটী ঃ জাগৰণ প্ৰকাশন। ২০১২।

কুৰ্মি, গণেশ চন্দ্ৰ। সম্পা.। দেউৰাম তাছা ৰচনাৱলী। যোৰহাট ঃ অসম সাহিত্য সভা, ২০০১। মুদ্ৰিত।

কুৰ্মী, সুশীল। অসমৰ চাহ শ্ৰমিকৰ অৱদান। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ। ২০০৭। মুদ্ৰিত।

তাছা, ডিম্বেশ্বৰ। চাহ জনগোষ্ঠীৰ সমাজ-সংস্কৃতি। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ। ২০১২। মুদ্ৰিত।

তাঁতী, কমল কুমাৰ। অসমৰ চাহ জনগোষ্ঠী-আদিবাসী সকলৰ নৃ-তাত্ত্বিক পৰিচয়। তেজপুৰ ঃ অসম চাহ জনগোষ্ঠী সাহিত্য, সভা। ২০২০। মুদ্ৰিত।

বৰুৱা, ভীমকান্ত। অসমৰ ভাষা। গুৱাহাটী ঃ বনলতা। ২০১৫। মুদ্ৰিত।

**অপ্ৰকাশিত গৱেষণা গ্ৰন্থ ঃ**

অধিকাৰী, শুকদেৱ। চাহ বাগিচাৰ লোক-সাহিত্য আৰু সংস্কৃতি ঃ বিশ্লেষণাত্মক অধ্যয়ন। অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়। ২০০৭।

ডেকা, ভবেন্দ্ৰনাথ। অসমৰ চাহ বনুৱাৰ সমাজ আৰু সংস্কৃতিৰ এটি সমীক্ষাত্মক অধ্যয়ন ঃ দৰং জিলাৰ বিশেষ উল্লেখনৰ সৈতে। অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়। ১৯৯৬।

**প্ৰকাশিত গৱেষণা গ্ৰন্থ ঃ**

শইকীয়া, মানিক। অসমীয়া সমাজ-সংস্কৃতিলৈ চাহ জনগোষ্ঠীৰ অৱদান। অসম চাহ জনজাতি ছাত্ৰ সন্থা। প্ৰথম প্ৰকাশ, ২০২২।

**সংবাদ দাতা ঃ**

| সংবাদ দাতাৰ নাম | বয়স | ঠিকনা | যোগাযোগ নং |
|---|---|---|---|
| সুমিত্ৰা নায়ক | ৪৯ | বৰচাপৰি চাহ বাগিচা, বোকাখাত | ৮১৩৫০৬৫৬৬২ |
| সুশীলা তাঁতী | ৪৭ | ইন্দিৰা নগৰ ৰাবাৰ বাগান, তেজপুৰ | ৭৬৩৭৯২৫৫৫৯ |

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি ঃ এটি চমু অৱলোকন

**মণ্টু মৰাণ**
গৱেষক ছাত্ৰ, ইউ এছ টি এম, মেঘালয়
montumoran2023@gmail.com
**ফোন ঃ ৬০০০৮১৪২৪৪**

**সাৰাংশ ঃ**
মৰাণ জনগোষ্ঠী অসমৰ আদিম জনগোষ্ঠীসমূহৰ অন্যতম। বৰ্তমান অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, লখিমপুৰ, ধেমাজি জিলাৰ লগতে অৰুণাচল প্ৰদেশৰ নামচাই, লোহিত আদি জিলাত বসতি কৰি আছে। মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত লোককৃষ্টিৰ ধাৰা বৰ্তমানেও অব্যাহত আছে। ভাষা-সাহিত্য-সংস্কৃতিত অতিকে চহকী মৰাণসকলৰ জনজীৱন বাঁহ সংস্কৃতিৰে আচ্ছন্ন কৰি আহিছে। তিনিচুকীয়া জিলাত বসতি কৰি থকা মৰাণলোকৰ পটভূমিত মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতিয়ে কেনেকৈ প্ৰভাৱিত কৰি ৰাখিছে, দৈনন্দিন জীৱনত বাঁহৰ ব্যৱহাৰ কেনেকুৱা বা কেনেধৰণৰ বাঁহৰ সঁজুলি ব্যৱহাৰ কৰে সেইবিষয়ে আলোচনা কৰা হৈছে।

**বীজ শব্দঃ** মৰাণ, বাঁহ, সংস্কৃতি, সঁজুলি, জনগোষ্ঠী ইত্যাদি।

## ০.১ বিষয়ৰ পৰিচয়

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰাচীন সৌমাৰ খণ্ডৰ অন্যতম আদিম জনগোষ্ঠী মৰাণসকলে বৰ্তমান অসম আৰু অৰুণাচল প্ৰদেশৰ ভালেকেইখন জিলাত বসতি কৰি আছে। অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট, ধেমাজি আৰু অৰুণাচল প্ৰদেশৰ লোহিত, নামচাই আদি জিলাত জনগোষ্ঠীটোৰ বসতি ঘন। ড° ভুবন গগৈৰ মতে, *"মৰাণ জনগোষ্ঠী উজনি অসমৰ এক উল্লেখযোগ্য জনগোষ্ঠী। মৰাণক বৰাহী মৰাণ বা মায়ামৰা, মোৱামৰীয়া বা মৰাণ মটক বা মটক জনগোষ্ঠী বুলিও জনা যায়। মৰাণসকল বৰাহীৰ (বড়ো) লগত সংমিশ্ৰণ হৈ মিলি যোৱাৰ বাবে সিবিলাকৰ ভাষা আদিতে গ্ৰহণ কৰাৰ বাবে বোধহয় তেওঁলোকক বৰাহী মৰাণ বোলা হয়। যদিও অৱশ্যে বৰাহীসকল সুকীয়াকৈ এটা জাতি হিচাপেও আছে।"* [১]

ড° স্বৰ্ণলতা বৰুৱাই লিখিছে, *"তেওঁলোকৰ নৃগোষ্ঠীয় পৰিচয় সম্পৰ্কে পণ্ডিতসকল একমত নহয় আৰু এই বিষয়ত গভীৰ অধ্যয়ন এতিয়ালৈকে হোৱা নাই। ভাষা আৰু দৈহিক গঠনৰ ফালৰ পৰা তেওঁলোকক বড়ো প্ৰজাতিৰ লোক বুলি ধৰা হয় আৰু বড়োসকল হ'ল বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ ঠাল।"* [২]

দীপেন মৰাণে উল্লেখ কৰিছে যে, *"অসমৰ জাতি গঠন প্ৰক্ৰিয়া আনুবংশিক লক্ষণ, শাৰীৰিক জোখ-মাখ, ভাষা তত্ত্ব, লোক-সংস্কৃতি, লোকবিশ্বাস, কিংবদন্তি আদিৰ ওপৰত হোৱা অধ্যয়ন আৰু গৱেষণাৰ পাছত তিব্বতবৰ্মী, ইণ্ডো-মংগোলীয় প্ৰজাতিৰ বৃহৎ বড়ো গ্ৰুপৰ এটা ঠাল বুলি অসমৰ প্ৰায় সকলো গৱেষক পণ্ডিতে ঐক্যমত প্ৰকাশ কৰিছে।"* [৩]

মোহন মৰাণে এই মতকে সমৰ্থন কৰি কৈছে - *"মৰাণসকলৰ সম্বন্ধে বুৰঞ্জীত বিস্তৃত বিৱৰণ পাবলৈ নাই*

*যদিও অনেক নৃতত্ত্ববিদ, বুৰঞ্জীবিদ, সাহিত্যিকে মৰাণসকলক মঙ্গোলীয় গোষ্ঠীৰ বৃহত্তৰ বড়ো জনগোষ্ঠীৰ এটি অন্যতম ঠাল বুলি ঠাৱৰ কৰিছে।"*[৪]

ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইৰ মতে, *"আদিতে টাই গোষ্ঠীৰ লোক বুলি অনুমান কৰিলেও মৰাণসকল যে বড়ো প্ৰজাতি এই কথা নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা নিসন্দেহে ক'ব পাৰি। হয়তো বহুকাল কছাৰী, বৰাহী আদি বড়ো জাতিৰ লোকৰ লগত নিবিড় সম্বন্ধই, প্ৰধানকৈ তিৰোতাসকল বড়ো প্ৰজাতিৰ পৰা বিবাহসূত্ৰে অহা বাবে মৰাণসকলৰ টাই গোষ্ঠীৰ কোনো চিনেই নাথাকিল। তদুপৰি চুতীয়া, দেউৰীৰ লগত তেওঁলোকৰ নৃতাত্ত্বিক ঘনিষ্ঠ মিল আছে। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা আৰু ভাষিক সামঞ্জস্যৰ পৰা চাবলৈ গ'লে তেওঁলোকৰ বড়ো প্ৰজাতিৰ বিশেষকৈ চুতীয়া আৰু দেউৰীৰ লগত বেছি মিল আছে। কছাৰীসকলতকৈ অলপ পিছত অনুমানিক খৃঃ পূঃ ২৫০০ বছৰত অসমলৈ অহা মৰাণসকল যে আদিম ভুমিপুত্ৰ এই কথা নিঃসন্দেহে সত্য।"*[৫]

ড° উপেন ৰাভা হাকাচামে উল্লেখ কৰিছে যে, *"মৰাণসকল অতি প্ৰাচীন জনগোষ্ঠী। খুব সম্ভৱ বুৰঞ্জী (History] আৰু লোককথা (Legends, myths) সমূহত তেওঁলোকক লৈ তেওঁলোকৰ বিষয়ে সঁচা মিছা যিমান চৰ্চিত হৈছে (কেতিয়াবা অপব্যাখিত আৰু অতিৰঞ্জিত কৰাও হৈছে।); আন কোনো জনগোষ্ঠী বা সম্প্ৰদায়ক লৈ এতিয়ালৈকে সিমানে চৰ্চিত হোৱা নাই। অৱশ্যে এইসমূহত সততে মৰাণৰ সৈতে মটক/মতক আৰু মায়ামৰা/মোৱৰীয়া সম্প্ৰদায়ক একাকাৰ কৰি আলোচনা কৰা হয়। দৰাচলতে 'মৰাণ' এটি তিব্বত-বৰ্মীয় মূলৰ বড়ো ভাষা-বৰ্গৰ অন্তৰ্গত সুকীয়া ভাষা-সংস্কৃতিধাৰী মংগোলীয় প্ৰজাতিৰ প্ৰাচীন জনগোষ্ঠীয়েই (Ethnic tribe) কিন্তু..."*[৬]

বুৰঞ্জীবিদ শ্ৰীকুমাৰ দহোতীয়াৰ মতে, *"মৰাণসকল বিশাল মঙ্গোলীয় (কিৰাট) প্ৰজাতিৰ পৰা উদ্ভৱ। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা চালে মৰাণসকলৰ মাজত মঙ্গোলীয় প্ৰজাতিৰ লক্ষণ পৰিস্ফুট।"*[৭] ড° ডম্বৰুধৰ নাথৰ মতে, *"স্বাভাৱিকতে এইটো নিঃসন্দেহে ক'ব পাৰি যে প্ৰাচীন ডিব্ৰু উপত্যকাত বসবাস কৰিবলৈ লোৱা উজনি অসম, উত্তৰ ব্ৰহ্ম আৰু দক্ষিণ-পূব চীনৰ কোনো প্ৰাচীন ক্ষুদ্ৰ জনগোষ্ঠীৰ বংশধৰেই হ'ল আজিৰ মৰাণসকল"*[৮] মৰাণসকলৰ নৃগোষ্ঠীয় পৰিচয়ক লৈ বিভিন্ন পণ্ডিতৰ মতৰ মিল নাথাকিলেও মৰাণসকল যে অসমৰ প্ৰচীনতম জনগোষ্ঠী বা অধিবাসী এই বিষয়ত কোনো সন্দেহ নাই। বৃহত্তৰ অসমীয়া জাতি-ভাষা-সাহিত্য-সংস্কৃতি গঠনত মৰাণ জনগোষ্ঠীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা স্বীকাৰ কৰিবই লাগিব।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

*মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি ঃ এটি চমু অৱলোকন* শীৰ্ষক প্ৰস্তাৱিত বিষয়টোৰ আলোচনাৰ সুবিধাৰ্থে ক্ষেত্ৰভিত্তিক, সমীক্ষাত্মক তথা বিশ্লেষণাত্মক অধ্যয়ন পদ্ধতি ব্যৱহাৰ কৰা হ'ব।

**০.৩ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

ভাৰতৰ পূৰ্বাঞ্চলৰ আদিম জনগোষ্ঠী মৰাণসকলৰ জনজীৱনত বাঁহৰ প্ৰভাৱ কেনেকুৱা বা বাঁহ উদ্ভিদক লৈ কেনেধৰণৰ সাংস্কৃতিক পৰিমণ্ডল একোটা গঢ়ি তুলিছে তাক জানিবৰ বাবে 'মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি ঃ এটি চমু অৱলোকন' বিষয়টো অধ্যয়ন কৰিবলৈ লোৱা হৈছে।

মৰাণ জনগোষ্ঠীটোৰ সমাজ ব্যৱস্থাত বাঁহৰ গুৰুত্ব কেনেধৰণৰ তাক জানিবৰ বাবে বা উপলব্ধি কৰিবৰ বাবেও প্ৰস্তাৱিত বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে।

**০.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ**

'মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি' বিষয়ৰ অধ্যয়ন এতিয়ালৈকে কৰা হোৱা নাই যদিও কিছুমান লেখা অৰ্থাৎ প্ৰবন্ধত বাঁহৰ পৰা নিৰ্মাণ কৰা সঁজুলিৰ লগতে বাঁহৰ ব্যৱহাৰ বা প্ৰয়োগ সম্পৰ্কে উল্লেখ কৰা হৈছে। বিভিন্ন গ্ৰন্থ, সম্পাদিত গ্ৰন্থ, আলোচনী, পত্ৰিকা, মুখপত্ৰ আদিত প্ৰকাশিত সমাজ-সংস্কৃতি বিষয়ৰ লেখাত বাঁহ সংস্কৃতিৰ আভাস পোৱা যায়। ড° নিৰোদ বৰুৱা সম্পাদিত 'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী' (২০২২) খনতো ঠায়ে

ঠায়ে প্ৰসংগক্ৰমে বাঁহৰ সঁজুলি আৰু বাঁহৰ ব্যৱহাৰৰ উল্লেখ আছে। এইবোৰ পৰ্যাপ্ত নহয় বাবেই 'মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি ঃ এটি চমু অৱলোক' শীৰ্ষক বিষয়টো অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

**মূল বিষয়ৰ আলোচনা ঃ**

**১. মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি**

মৰাণ জনগোষ্ঠী ভাৰতবৰ্ষৰ পূব প্ৰান্তৰৰ অসম-অৰুণাচল প্ৰদেশৰ এটা পুৰণি জনগোষ্ঠী। ইতিহাসে ঢুকি নোপোৱাৰ সময়ৰে পৰা প্ৰাচীন সৌমাৰ খণ্ডত বসতি কৰি অহা জনগোষ্ঠীটো সাংস্কৃতিক ক্ষেত্ৰখনত অতি চহকী। হাবি কাষৰীয়া অঞ্চল তথা নদী কাষৰীয়া ঠাইত বসতি স্থাপন কৰি অহা জনগোষ্ঠীটোৰ দৈনন্দিন জীৱনত অৰণ্য বা বনৰ পৰা আহৰিত বিভিন্ন উপাদানেৰে পৰিপূৰ্ণ সমৃদ্ধ জীৱন যাপন কৰি আহিছে। আলোচনা পত্ৰখনত কেৱল মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি অৰ্থাৎ মৰাণ সমাজত বাঁহৰ ব্যৱহাৰৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

জন্মৰ পূৰ্বৰে পৰা মৃত্যুৰ পাছলৈকে মৰাণ জনগোষ্ঠীয় সমাজত বাঁহৰ ব্যৱহাৰ অপৰিহাৰ্য। বাঁহ সংস্কৃতিয়ে দৈনন্দিন জীৱনত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। জন্মৰ সময়ৰ পৰাই মৰাণ জনজীৱনত বাঁহ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। সন্তান জন্ম দিলে নাড়ী কাটিবলৈ বাঁহৰ চেঁচু ব্যৱহাৰ কৰা হয়। *"বাঁহৰ চেঁচুৰে নাড়ীটো জোখত কাটি ফুলটোৰ পৰা পৃথক কৰে।" (মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী, পৃ.৩২৩)* মৰাণ বিহু গীততো ইয়াৰ আভাস পাব পাৰি--

"আয়ে জনম দিলে　　আগলি পাততে
　　চেঁচুৰে কাটিলে নাড়ী
এবাতি পানীতে　　আয়ে গা ধুৱালে
　　পথালি কোলাতে দাঙি।" (মৰাণ লোক সাহিত্য-সংস্কৃতিৰ হাঁচতি, পৃষ্ঠা- ৩০)

সন্তানটোৰ নাড়ী সৰিলে বা নাড়ী সৰাৰ পাছত কচু আদিৰ লগত বাঁহ গাজ আৰু জালুক দি মাতৃ গৰাকীক জাল খুওৱা হয়।

**১.১ খাদ্য হিচাপে বাঁহঃ**

দৈনন্দিন জীৱনত বিভিন্ন ক্ষেত্ৰত বাঁহ ব্যৱহাৰ কৰাৰ উপৰিও খাদ্য হিচাপেও গ্ৰহণ কৰে। বাঁহ গাজ মিহিকৈ পিহি বা পিচি বাঁহৰ চুঙাত (আজিকালি কাঁচৰ বা প্লাষ্টিকৰ বাচনত) সাঁচি ৰাখি খৰিচা কৰি খায়। খৰিচা মাছ-মাংস বা অন্যান্য শাক পাচলিত দি ৰান্ধি খায়। বাঁহৰ চুঙাত মাছ, মাংস, শাক, বৰা-জহা চাউল সিজাই খায়। চুঙা চাউল আৰু চুঙা পিঠা মৰাণসকলৰ অতি প্ৰিয় খাদ্য। চুঙা চাউল বা চুঙা পিঠা প্ৰস্তুত কৰিবলৈ পিঠা বাঁহ ব্যৱহাৰ কৰে। পিঠা বাঁহৰ বগা প্ৰলেপ এটা সিজোৱা চাউল বা পিঠাত লাগি ধৰে। সহজতে এৰুৱাব পাৰি, চুঙাত লাগি নধৰে। চাহ পানী বা খিলাং পানী প্ৰস্তুত কৰিবলৈ বাঁহৰ চুঙা ব্যৱহাৰ কৰা হয়। দুটা বাঁহৰ পাবেৰে এইবিধ চুঙা তৈয়াৰ কৰি জুইত খেপেয়া দি পানী উতলাই শুকান চাহ পাত বা খিলাং পাত অথবা গছৰ সেউজীয়া কুমলীয়া পাত চুঙাত ভৰাই ভালকৈ উতলিবলৈ দি খিলাং পানী প্ৰস্তুত কৰে।

**১.২ বাদ্য হিচাবে বাঁহ**

মৰাণসকলে বাঁহৰ পৰা বিভিন্ন ধৰণৰ বাদ্য নিৰ্মাণ কৰি ব্যৱহাৰ কৰে। বাঁহী, বাঁহৰ পেঁপা (বজাল বাঁহৰ), বাঁহৰ সুতুলি, ঢোতং, মাটি টকা, হাত টকা আদি বিভিন্ন ধৰণৰ টকা, চাকচনী মাৰি, গগনা আদিৰ লগতে ঢোলৰ মাৰি আদি বাঁহেৰে নিৰ্মাণ কৰে। বিহু, উৎসৱ-অনুষ্ঠান, পৰম্পৰাগত অনুষ্ঠান বিশেষত এনেধৰণৰ বাদ্য পৰিৱেশন কৰে। বিহুগীততো বাঁহৰ পৰা নিৰ্মিত বিভিন্ন বাদ্যৰ উল্লেখ পোৱা যায়--

"আগলি বাঁহৰে　　লাহৰী গগনা
　　বহি তাঁতৰ পাতত বাওঁ

আহে কি নাহে ঐ মোৰে ধন চেনাই ঐ
চিৰি পাতি মঙ্গলখন চাওঁ।" (মৰাণ বিহুঃ পৰম্পৰা আৰু পৰিৱৰ্তন, পৃষ্ঠা- ১৫)
"অতি মৰমেৰে টকাটি ঐ দিলিহি
বিহুনাম ঐ গাবলৈ বুলি
বিহুনাম গাবলৈ নেজানোং ঐ মৰমী
নেহাঁহিবি অকৰা বুলি।" (মৰাণ লোক সাহিত্য-সংস্কৃতিৰ হাঁচতি, পৃষ্ঠা- ৩০)

এইবোৰৰ উপৰিও জনগোষ্ঠীটোৰ মাজত বাঁহেৰে সজা বাঘধেনু নামৰ এবিধ বাদ্য প্ৰচলিত হৈ আহিছে। এইবিধ বাদ্য কোনো ধৰণৰ গীত-মাত বা নাচ-বাগত ব্যৱহাৰ কৰা নহয়। *"প্ৰায় এক ফুটমান দীঘল শুকান বাঁহ এচটাৰ এটা মূৰৰ গাঁঠি এটাত ৰচী এডাল বন্ধা হয়। ৰচীডাল চাৰিফুটমান দীঘল হয়। গাঁঠিটোৰ খোপটোত ৰচীডাল বান্ধি মহাশূন্যত জোৰেৰে ঘূৰালে হুঁ হুঁকৈ ডাঙৰ শব্দৰ সৃষ্টি হয়।" (মৰাণ সমাজ সংস্কৃতি, পৃ. ৮১)* বাঘধেনু বজালে বৰষুণ আহে বুলি জনগোষ্ঠীটোৰ লোকসকলে বিশ্বাস কৰে।

**১.৩ নিত্য ব্যৱহাৰ্য সা-সঁজুলিঃ**

মৰাণ জনগোষ্ঠীটোৰ জীৱন যাত্ৰাত ব্যৱহাৰ হোৱা প্ৰায়বিলাক সা-সঁজুলি বাঁহেৰে নিৰ্মিত। ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ পৰা মাটি বাৰী বেৰা দিয়ালৈকে জনগোষ্ঠীটোৱে বাঁহ ব্যৱহাৰ কৰে। জৰী হিচাপে বাঁহৰ তমাল বা টঙাল প্ৰস্তুত কৰি লয়। দা, কোৰ, কটাৰি, নাঙল, ফাং আদি লোৰ সঁজুলিত বাঁহৰ নাল ব্যৱহাৰ কৰে। গৰু, ম'হ, ছাগলী আদি ঘৰচীয়া জন্তু এৰাল দিবলৈ ব্যৱহাৰ কৰা খুঁটিকেইটাও বাঁহৰ। বাঁহৰ পৰাই হালোৱা এচাৰী, এচাৰী, যাঠি, ধেনু, শেল, কুচিয়া ধৰিবলৈ ব্যৱহাৰ কৰা কালি, কাঁড়ধেনু, কাঁড়, ফাকধেন লাঠী, টাঙোন, নঙলা, জপনা আদি সাজি উলিয়ায়।

খেৰ-বাঁহৰ মাটিৰ মজিয়া থকা ঘৰত শুবলৈ বিছনা বাঁহৰ পৰাই সাজি লয়। বিছনাৰ খুঁটা, থছ, কামি আদি সম্পূৰ্ণ বাঁহৰ। কাপোৰ থবলৈ বাঁহৰ দাং, বাঁহৰ আলনা, পেৰা, জপা, চাং সাজি লয়। জুই শালৰ ধোঁৱা চাং বা জুই চাংখন বাঁহেৰে তৈয়াৰী। কেইবাখলপীয়া বেছি সংখ্যক তিনি তৰপীয়া জুই বা ধোঁৱা চাংখন মন গ'লে দুটামান তৰপ এৰুৱাই থব পাৰি। এই চাংখনত মাছ শুকুৱাৰ পৰা খৰি থোৱা, ধান-মাহ শুকুৱা, শস্যৰ বীজ সাঁচি থোৱা আদি কামবোৰ কৰে। চাহৰ ডেকটো বা চাপানী চুঙাটো ওলোমাই থোৱাৰ ব্যৱস্থা এই চাংখনতে কৰি লোৱা হয়। চাকি থবলৈ ব্যৱহাৰ কৰা গছাটোও বাঁহৰ পৰাই তৈয়াৰী। শুকান বাঁহক খৰি হিচাপে সততে ব্যৱহাৰ কৰে।

জন্মৰ সময়ত বাঁহৰ চেঁচুৰে নাড়ী কটাৰ পৰম্পৰা যেনেকৈ এতিয়াও জনগোষ্ঠীটোৰ মাজত ৰক্ষিত হৈ আছে ঠিক তেনেকৈ মৃত্যুৰ সময়তো বাঁহৰ ব্যৱহাৰ অনস্বীকাৰ্য বা উলাই কৰিব নোৱাৰি। মৃত ব্যক্তিগৰাকীক চিতালৈ লৈ যাবলৈ ওলোটাকৈ বাঁহৰ চাঙি সাজি লোৱা হয়। মৃতদেহ পৰি নাযাবলৈ দুয়োফালে দুডাল বাঁহৰ কামী কেৰেচিয়াকৈ চাঙিখনত গুজি দিয়া হয়। চিতা সাজোঁতে মাজে মাজে গোটা নফলা বাঁহ সুমুৱাই দিয়া হয়। মুখাগ্নি কৰা জুইকুৰাও শুকান বাঁহৰ পৰাই সৰু সৰুকৈ ফালি প্ৰস্তুত কৰা হয়। চিতাৰ জুই খুঁচৰিবৰ বাবেও ১০/১২ ফুট দীঘলীয়া বাঁহ একোডালৰ এমূৰে জোঙা কৰি চাঁচি খুঁচনি মাৰি লোৱা হয়। এনেধৰণৰ খুঁচনি মাৰিৰে চিতাৰ জুইৰ লগতে শটো খুচি মেলি সম্পূৰ্ণকৈ দাহ কৰে। শ দাহ কৰাৰ পাছত চিতা ভস্মখিনি চিতাৰ গাঁতটোতে চপাই মেলি মাটিৰে ঢিপ তুলি মৰিশালী বা মৈদাম নিৰ্মাণ কৰে। মৰিশালীটো আৱৰি বাঁহৰ জেউৰা দিয়া হয়। তিলনি, দহা, কাজ আদি কৰ্ম কৰিবৰ বাবে অস্থায়ী নামঘৰ বা ৰভা-পৰলা দিয়া হয়। নামঘৰ বা ৰভা-পৰলা দিবলৈও বাঁহৰ খুঁটা, চটি, মাৰলী, টঙাল বা তমাল ব্যৱহাৰ কৰা হয়। তামোল-পাণৰ টোপোলা, মাহ-চাউল আদি বান্ধিবলৈও বাঁহৰ টঙাল ব্যৱহৃত হয়। বিলনীয়াই প্ৰসাদ বিলাবলৈ লোৱা তুমটো বাঁহেৰে নিৰ্মিত। দহা-কাজলৈ ভাৰ আনিলে প্ৰয়োজন হোৱা খৰা কেইটা আৰু কানমাৰিডাল বাঁহৰ। হাঁহৰ খৰা, মাছৰ খৰা বাঁহৰ টঙালেৰে সজা হয়। সকাম-নিকামত

ব্যৱহাৰ কৰা শৰাইখন বাঁহৰ পৰা প্ৰস্তুত কৰি লয়। পাঠ কৰিব লগা ভাগৱত ভাগ ৰাখিবলৈ সাজি লোৱা ওলোমাই থোৱা থাপনাখনো বাঁহৰ।

বিভিন্ন ধৰণৰ মাছ-কাছ, ধান-মাহ আদি শুকুৱাবৰ বাবে যেনেকৈ বাঁহেৰে নিৰ্মিত ভঁৰালৰ গাধৈ, দকলাই (এক প্ৰকাৰৰ ধোঁৱা চাং বা খৰি চাং), বৰ চাং আদি ব্যৱহাৰ কৰে ঠিক তেনেকৈ দীৰ্ঘ দিনলৈ সংৰক্ষণ কৰি ৰাখিবৰ বাবে বাঁহৰ চুঙা, বাঁহৰ টঙালেৰে সজা টুম আদি ব্যৱহাৰ কৰে। খাদ্য সংৰক্ষণ ব্যৱস্থাত কেনেকৈ বাঁহ সংস্কৃতিৰ প্ৰভাৱ আছে । যেনে, *“মাছ সংৰক্ষণ কৰিবৰ বাবে মৰাণসকলৰ প্ৰায় প্ৰতিঘৰতে আগৰ দিনৰ জুহালৰ ওপৰত এখন চাং থাকে, এই চাঙতে শুকান মাছৰ উপৰি বেছিকৈ সংগ্ৰহ কৰা মাছেৰে শুকতি কৰি বাঁহৰ চুঙাত ভৰাই থৈ বহুদিনলৈকে সংৰক্ষণ কৰে। তলত সকলো সময়তে জুই আৰু ধোঁৱা থকাৰ বাবে এই চাঙত শুকান মাছ আৰু শুকতি বহুদিনলৈ ভালে থাকে। এই চাঙতে মৰাণসকলে ৰ'দত ভালকৈ শুকুৱাই থোৱা কুঁজী থেকেৰা, বৰ থেকো, টেপৰ টেঙা আদিত চুঙাত ভৰাই সংৰক্ষণ কৰি থয়। সকলোবোৰ খাদ্যশস্য আৰু ফল-মূল, শাক-পাচলিৰ বীজ সংৰক্ষণৰ বাবেও এই ধোঁৱা চাংখন উপযুক্ত ঠাই। এইখন চাঙতেই পকাফল চকল চকলকৈ কাটি ৰ'দত শুকুৱাই চুঙাত সংৰক্ষণ কৰি থয়। দৰৱ ঔষধৰ বাবে সংৰক্ষণ কৰা হয় -কেটেলা পহুৰ ভু, কুঁহিয়াৰ মুড়া আৰু খাৰ প্ৰস্তুত কৰিবলৈ আঠীয়া বা ভীমকলৰ বাকলি আদি। বৰচাঙত আলহী অতিথি আহিলে খাবলৈ পকা খমৌ (ৰঙালাউ), পকা কোমোৰা সংৰক্ষণ কৰা হয়।” (মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী, পৃ. ৩৭০)*

ঘৰ সাজিবলৈ ব্যৱহাৰ কৰা প্ৰায়বোৰ সঁজুলি খুঁটা, চ'তি, মাৰলী, কমৰা, মতাৰুৱা, লটিকাই, গড়, চঁহু, ৰুৱা, কামি, টঙাল আদিৰ বাবে বাঁহ ব্যৱহাৰ কৰিছিল। হাবিৰ কাক বাঁহ, দলৌ বাঁহ, বিজুলি বাঁহ, বজাল বাঁহ, বেতী বাঁহ, কোটোহা বাঁহ আদিৰ লগতে বাৰীত ৰুই লোৱা জাতি বাঁহ, ভলুকা বাঁহ, ওৱা বাঁহ, মেদাং বাঁহ, পিঠা বাঁহ আদি নানা কামত লগায়। ঘৰ সাজোঁতে বান্ধিবলৈ কুমলীয়া বাঁহৰ টঙাল ব্যৱহাৰ কৰে। জেউৰা, হেঙেৰা, নঙলা, দাং, জেং দিবলৈ বাঁহ ব্যৱহাৰ কৰিছিল।

পানীখোৱা চুঙা, গং, কৰিয়া, নিমখ চুঙা, দৰৱৰ চুঙা, শুকটি চুঙা, ব' তোলা চুঙা, ফুচুঙা, কানি চুঙা, গুটি থোৱা চুঙা, ধুতং, বাঁহী আদি চুঙা জাতীয় বস্তু, টোম, খৰা, শৰাই, পাচি-খৰাহি, ডলা-চালনি, হেৰেপী, মাখি-মৰা, ঢাৰি, ঢৰা, জাকৈ-খালৈ, চেপা, ডিঙৰা, খোকা, থোহা, বাণ, বেত বাউলি, উংদুং, উভতা, তাঁতৰ সঁজুলি, ঢেকীৰ সঁজুলি, শোৰা চাং, ধোঁৱা চাং, খৰি চাং, ঝপা চাং, কাপোৰ দাং, ধান মৰা দাং, দুৱাৰ দাং, হেতা মাৰি, তাও মাৰি, খুঁটি, খুন্দনা, দা, কুঠাৰ, যাঠী, শেল, কোৰ আদি বিবিধ সঁজুলি, অস্ত্ৰৰ নাল, আদি নানা আচবাব সা-সঁজুলি আদি বাঁহৰ পৰাই তৈয়াৰ কৰা হয়।

ঘৰ সজাৰ প্ৰসংগও মৰাণ বিহু গীতত ঠাই পাইছে। গৃহ নিৰ্মাণত ব্যৱহাৰ হোৱা বাঁহৰ বিভিন্ন সঁজুলি বিহুগীতত সজীৱ হৈ উঠিছে-

“বৰেঘৰ সাজিলো নেখায় বহিখোৱা
নেখালে চমলা
মাৰলি নেখালে জোৰা,
পেটত ভয় লাগিছে নাহিছে কি হ'বলা
নিমিলিছে হ'বলা
কিজানি তোৰে মোৰে যোৰা।” (মৰাণ লোক-সংস্কৃতি সম্ভাৰ, পৃষ্ঠা ১২৪)

“পানী মাৰলীৰে বৰে ঘৰ সাজিলো
কিজানি এঠানী হ'ব,
তোকে ভাৰেমজাল পামে যেন লগা নাই
মোৰে কি গতি হ'ব।” (মৰাণ লোক-সংস্কৃতি সম্ভাৰ, পৃষ্ঠা ১২৪)

"তোকে আনিম বুলি বৰে ঘৰ সাজিলোং
*ভলুকা বাঁহৰে ডাং,*
*আইয়ো পৰিলে বোবাও পৰিলে*
*আইফুলে বাচিলে গাং।" (সংগৃহীত)*

*"... খাটত কাম কৰা লোকক খাটোৱাল বুলিছিল। খাটোৱাল বংশৰ লোক মৰাণ সমাজত এতিয়াও আছে। শালিখেতি কৰাৰ পৰা নাঙল, যুৱলি, মৈ, মৈটেকা, হুলামাৰি, আদি বনৰ পৰা বিচাৰি লৈছিল।" (মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী, পৃষ্ঠা ৬৫২)* মৰাণ জনগোষ্ঠীটোৱে পৰম্পৰাগতভাবে আহু খেতি আৰু ঝুম বা জুম খেতি কৰিছিল। পাছলৈ শালি খেতি কৰিবলৈ লৈও আহুতলিত টঙিঘৰ সাজি লোৱাৰ পৰম্পৰা তেওঁলোকৰ মাজত থাকি গ'ল। টঙি ঘৰ বাঁহেৰে নিৰ্মিত। বিহু গীতত টঙিঘৰৰ উল্লেখ মন কৰিবলগীয়া--

"ৰাতি সোঁমজীয়া অ' চেনাইটি নাহিবি দেই অকলে
কেকায়েনো পাবহি দেখি,
ভুঁইৰে টঙিতে অ' চেনাইটি অকলে মই থাকুংতে
হেদাঙে ঐ হেদাঙে যাবি।" (মৰাণ সমাজ-সংস্কৃতি, পৃষ্ঠা- ১৪০)

**২. বাঁহ সম্পৰ্কীয় লোকবিশ্বাস ঃ**

মৰাণ জনগোষ্ঠীৰ সমাজ ব্যৱস্থাত বাঁহ অতি গুৰুত্বপূৰ্ণ। জনগোষ্ঠীটোৰ মাজত বাঁহ সম্পৰ্কীয় ভালেমান বিশ্বাস জড়িত হৈ আছে। মঙলবাৰে বাঁহ কাটিব নাপায়। বিহুৰ আগদিনা বাঁহ কটা আৰু মাটি খন্দা নিষেধ। মানুহ মৰিলে চিতাত বা সৎকাৰ কৰোঁতে যিজোপা বাঁহ ব্যৱহাৰ কৰা হয় সেইজোপাৰ বাঁহগাজ পৰৱৰ্তী সময়ত নাখায়। বছৰটোলৈ আন কামতো (যেনেঃ ঘৰ সজা, জেউৰা দিয়া, বিচনী, জাকৈ আদি সজা) ব্যৱহাৰ নকৰে। সৎকাৰত ব্যৱহাৰ কৰিলে বুলিয়ে বাঁহ জোপা কাটিও নেপেলায়। বেছিকৈ বাঁহগাজ খালে চুলি সৰে বুলি মৰাণসকলে বিশ্বাস কৰে। বাঁহ ফুল ফুলিলে সেই ঘৰৰ কাৰোবাৰ মৃত্যু নতুবা ডাঙৰ বিপদ বিঘিনি হয় বুলি বিশ্বাস কৰি আহিছে।

**৩. উপসংহাৰ**

কম পৰিসৰত অধ্যয়নৰ বিষয়বস্তু সামৰি লোৱাৰ বাবে আমাৰ অধ্যয়নত বাঁহ সংস্কৃতিৰ লগত জড়িত সকলো কথা বা বিষয় সাঙুৰি ল'ব পৰা নাই। ভৱিষ্যতে এই বিষয়টোৰ সম্পৰ্কে আৰু অধিক ব্যাপক ৰূপত অধ্যয়ন কৰাৰ বাট প্ৰশস্ত আছে। 'মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতি ঃ এটি চমু অৱলোকন'--- শীৰ্ষক এই আলোচনাত মৰাণ জনগোষ্ঠীৰ মাজত প্ৰচলিত বাঁহৰ ব্যৱহাৰ তথা বাঁহ সংস্কৃতিয়ে কেনেকৈ জনগোষ্ঠীটোক প্ৰভাৱিত কৰি ৰাখিছে তাৰ কিছু আভাস পাবলৈ সক্ষম হ'ব।

**৩.১ সিদ্ধান্ত ঃ**

'মৰাণ জনগোষ্ঠীয় সমাজত বাঁহ সংস্কৃতিঃ এটি চমু অৱলোকন'--- শীৰ্ষক বিষয়টোৰ অধ্যয়নৰ অন্তত আমি এনেধৰণৰ কিছুমান সিদ্ধান্ত গ্ৰহণ কৰিব পাৰোঁ--

♦ মৰাণ জনগোষ্ঠীৰ সমাজ ব্যৱস্থাত জন্মৰ সময়ৰ পৰা মৃত্যুৰ পাছলৈকে যিকোনো সময়তে বাঁহ ব্যৱহাৰ কৰা হয়। নাড়ী কটাৰ পৰা সৎকাৰ কৰালৈকে বাঁহৰ প্ৰয়োগ মন কৰিবলগীয়া।

♦ জনগোষ্ঠীটোৰ নিত্য ব্যৱহাৰ্য সঁজুলিসমূহৰ পৰা থকা ঘৰটোলৈকে প্ৰায়বোৰ বাঁহৰ পৰাই নিৰ্মিত। বাঁহ সংস্কৃতিয়ে মৰাণ জনগোষ্ঠীটোক আবৰি ৰাখিছে।

♦ বাঁহ সম্পৰ্কীয় ভালেমান বিশ্বাস জনগোষ্ঠীটোৰ মাজত প্ৰচলিত হৈ থকাটোৱে বাঁহ সংস্কৃতিৰ পৰম্পৰা তথা প্ৰাচীনতাৰ ইংগিত বহন কৰে।

♦ মৰাণসকলৰ মাজত বিভিন্ন প্ৰজাতিৰ বাঁহৰ ভিন্ন ভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰা দেখা যায়। সিজাই বা পুৰি

খাবলৈ ব্যৱহাৰ কৰা বাঁহ সুকীয়া। যাক পিঠা বাঁহ বুলি জনগোষ্ঠীটোৱে নামাংকিত কৰিছে।

**প্ৰসঙ্গ সূত্ৰ ঃ**

১. মৰাণ জনগোষ্ঠীৰ ভৌগোলিক অৱস্থান, দীপেন মৰাণ (সম্পাঃ), মৰাণ-মটক সমাজ সংস্কৃতি, পৃষ্ঠা-৩০

২. মৰাণ জনগোষ্ঠী আৰু মধ্যযুগীয় অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক বুৰঞ্জীত তেওঁলোকৰ ভূমিকা, দীপেন মৰাণ (সম্পাঃ), মৰাণ- মটক সমাজ সংস্কৃতি, পৃষ্ঠা - ১৮

৩. মৰাণ-মটকঃ বংশীয় খেল, দীপেন মৰাণ (সম্পাঃ), মৰাণ-মটক সমাজ সংস্কৃতি, পৃষ্ঠা- ০১

৪. মৰাণ লোক-সংস্কৃতি, মোহন মৰাণ, পৃষ্ঠা- ১১

৫. মৰাণ জনগোষ্ঠী, বীৰেন্দ্ৰ কুমাৰ গোহাঁই, পৃষ্ঠা - ৭

৬. বুৰঞ্জীখ্যাত মৰাণঃ অসমৰ অন্যতম আদিম জনগোষ্ঠী, ড° উপেন ৰাভা হাকাচাম, পৃষ্ঠা- ৫

৭. ইতিহাসৰ পটভূমিত মৰাণ জনজাতিৰ চমু পৰিচয়, ৰূপেশ্বৰী গোহাঁই (সম্পাঃ), মৰাণ মটক মোৱামৰীয়া, পৃষ্ঠা-৮৯

৮. ইতিহাসৰ ৰেঙণিত মৰাণ জনগোষ্ঠী, ৰূপেশ্বৰী গোহাঁই (সম্পাঃ), মৰাণ মটক মোৱামৰীয়া, পৃষ্ঠা- ৮৪

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোহাঁই, বীৰেন্দ্ৰ কুমাৰ ঃ 'মৰাণ জনগোষ্ঠী' অপৰূপা পাব্লিচিং হাউচ, দিশপুৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৫

ডাঙৰীয়া, ৰূপেশ্বৰী গোঁহাই (সম্পাঃ) ঃ 'মৰাণ মটক মোৱামৰীয়া' ৰূপেশ্বৰী গোহাঁই, দ্বিতীয় প্ৰকাশ, জুলাই- ২০১৬

নেওগ, মৃদুল (সম্পাঃ) ঃ 'মৰাণ লোক-সংস্কৃতি সম্ভাৰ' সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ, প্ৰথম প্ৰকাশ, আগষ্ট, ২০০৭

বৰুৱা, নিৰোদ (সম্পাঃ) ঃ 'মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী' ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড় আৰু অসম মৰাণ সভা, তিনিচুকীয়া প্ৰথম প্ৰকাশ, জুন, ২০২২

মৰাণ, দীপেন (সম্পাঃ) ঃ 'মৰাণ-মটক সমাজ সংস্কৃতি' বেংমৰা প্ৰকাশন, সৰ্বানন্দ সিংহ নগৰ, তিনিচুকীয়া - ৭৮৬১২৬, প্ৰথম প্ৰকাশ, ২০০৭

মৰাণ, নীহাৰিকা ঃ 'মৰাণ সমাজ-সংস্কৃতি' বি আৰ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী- ৭৮১০০০১, প্ৰথম প্ৰকাশ, জুলাই, ২০১৬

মৰাণ, মণ্টু ঃ 'মৰাণ লোকসাহিত্য-সংস্কৃতিৰ হাঁচতি' বুঢ়ীদিহিং শতদল শাখা সাহিত্য সভা, দ্বিতীয় সংস্কৰণ, নৱেম্বৰ, ২০২২

মৰাণ, মোহন ঃ 'মৰাণ লোক-সংস্কৃতি' গায়ত্ৰী বৰুৱা, কৌস্তুভ প্ৰকাশন, প্ৰথম প্ৰকাশ, মে, ২০০৯

হাকাচাম, উপেন ৰাভা ঃ 'বুৰঞ্জীখ্যাত মৰাণঃ অসমৰ অন্যতম আদিম জনগোষ্ঠী' সদৌ মৰাণ ছাত্ৰ সন্থা, প্ৰথম প্ৰকাশ, অক্টোবৰ, ২০২০

দহোটীয়া, মৃদুল, মৰাণ, মণ্টু (সম্পাঃ) ঃ 'মৰাণ বিহুঃ পৰম্পৰা আৰু পৰিৱৰ্তন' মৰাণ সাহিত্য সভা, জুন,২০২৩

**PANCHOI**
ISSN : 2320-6306
Vol. XII, Issue-I, August, 2024

# The Significance of Tulasi Worship in the Purânas and its Impact on Assamese Society

Dr. Purboshri Borpuzari
Assistant Professor,
Department of Sanskrit
Nowgong College (Autonomous), Nagaon, Assam
Email id: purboshri.borpuzari@gmail.com
M-9508125641

## Abstract

Tulasi (Ocimum sanctum) is a plant held most sacred by the Hindus. It is Mahâlaksmi, wife of Visnu, who had herself taken the form of Tulasi. This plant not only carries medicinal values, but is very auspicious in Hinduism. Everything of the Tulasi plant-leaves, flowers, fruits, roots, twigs, skin and even the soil around is holy. Tulasi worship is an ancient part of the Vedic and the Purânic tradition, dating back thousands of years and continuing to the present day. Every morning, families throughout India, offer water and flowers to Goddess Tulasi before going for their daily duties. During the holy month of *Kârttika* (October-November), devotees in some *Vaisnava* lines offer one thousand Tulasi leaves—one by one—to the lotus feet of Lord Visnu. In Assamese society also, Tulasi is thus offered to Visnu. There is a Purânic background for Tulasi attaining this spiritualistic importance. According to the *Padma Purâna*, by putting Tulasi on Visnu-idols and also on *Úâlagrâma* stones, one would be absorbed with Visnu. In Assam, during *Kâti Bihu*, the earthen lamp is lit in front of the Tulasi plant. The Tulasi is cleaned and planted on a specially designed earth platform called 'Tulasi Bheti'. She is then worshiped with various incantations.

***Key Words*: *Devî Bhâgavata Purâna, Padma Purâna ,Tulasî*, Holy plant, Assam**

**Introduction:**

Tulasi (Ocimum sanctum) is a plant held most sacred by the Hindus. It is Mahâlaksmi, wife of Visnu , who had herself taken the form of Tulasi. This plant not only carries medicinal values, but is very auspicious in Hinduism. Everything of the Tulasi plant-leaves, flowers, fruits, roots, twigs, skin and even the soil around is holy.

About the creation of Tulasî various accounts are met with. Mainly the plant is anthropomorphized as the wife of a demon named Sankhachauda in one birth, and in other of Visnu. King Dharmadhvaja had a wife named Mâdhavi. Mahâlaksmi entered her womb as an embryo and after a hundred years Mâdhavi gave birth to a daughter. Even at the time of birth the child looked like a matured girl and was extremely pretty. She was therefore called Tulasi, meaning matchless. This Tulasi abandoning all worldly pleasures went to Badarikâúrama and started doing penance there with the prayer that Mahâvisnuu should become her husband. At last, Brahmâ appeared and asked her the object of her penance. She replied that she wanted Mahâvisnu to be her husband. Hearing this Brahmâ said that a brilliant cow boy named Sudâmâ had born of a part of Sri Krishna. Due to a curse of Râdhâ he born on earth as demon named Sankhachauda. He had once fallen in love with Tulasi seeing her at Goloka. Tulasi would become his wife and later She could become the wife of Narâyana. At that time a part of her body would remain on earth as a plant named Tulasi. Tulasi would become the most sacred of all the plants, dear to Visnu and all worship without using Tulasi leaves would be ineffective.

**Objectives of the Study:** This paper aims to find out the significance of Tulasi worship as depicted the Purânas and how the Assamese Society is influenced by the Puranic tradition of Tulasi worship.

**Methodology of the Study:** This paper has been presented in the following manners:

1. All the names of the books, both original and modern, mentioned in the paper are printed in italic type.
2. Original Sanskrit Texts used as references have been shown in Endnote at the end of the paper.
3. References of the works in the Endnotes are shown in the abbreviated forms except in a few cases.
4. The original Sanskrit words and Sanskrit quotations are italicised and presented in the transliterated form in English in the main body of the paper.

**Discussions:**

According to the *Devi Bhâgavata Purâna*, there is nothing in the Universe that can be compared to Her; hence She is called Tulasi-

*yasyâ devyâstulâ nâsti viúvecu nikhilecu ca/tulasi tena vikhyântâm tâm yâmi saranam priyâm//*[1]

Of all the flowers, Tulasi (the holy basil)is the best, very holy and captivating the mind. It is a flame burning away all the fuel of sins committed by man.[2] The *Devi Bhâgavata Purâna* mentions the eight names of Tulasi and states that Whoever worships her with her eight names Vrndâ, Vrndâvani ,Visvapûjitâ, Visvapâvani, Puspasârâ, Nandini, Tulasi and Krsnajivani and their meanings and sings the hymn of eight verses containing the same, acquires the merit of performing *Aœvamedha Yajña*.

The Tulasi trees are collected in multitudinous groups; hence the Pandits call it Vrndâ.[3] She appeared in the Vrndâvana forest and therefore known as

Vrndâvani.[4] She is worshipped always in innumerable universes and is therefore known as Viúvapûjitâ (worshipped by all).[5] By whose contact, these countless universes are always rendered pure and holy and therefore She is called Visvapâvani (purifying the whole universe).[6] Without Tulasi, the Devas do not get pleased, though other flower be heaped on them; therefore she is considered as the essence of all flowers and called Pucpasârâ.[7] The whole universe gets delighted when the bhaktas receive her; hence She is called Nandini.[8] That chaste dear one is the life of Krsna, hence She is known as Krsjivani.[9]

